PGAS S3 03 (Lit)

পাশ্চাত্য সাহিত্যৰ নিৰ্বাচিত পাঠ

তৃতীয় ষাণ্মাসিক

অসমীয়া

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

ড° মালিনী গোস্বামী, অধ্যাপিকা, গুৱাহাটী বিশ্ববিদ্যালয়
ড° উপেন ৰাভা হাকাচাম, অধ্যাপক, গুৱাহাটী বিশ্ববিদ্যালয়
ড° খগেশ সেন ডেকা, (অৱসৰপ্রাপ্ত) সহযোগী অধ্যাপক, পূব কামৰূপ মহাবিদ্যালয়

সমন্বয়ৰক্ষী ঃ ড° নিভা ৰাণী ফুকন, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	*অৱিহণা যোগাইছে*
১, ৫, ১০ আৰু ১১	**ডালিম দাস,** আইডল, গুৱাহাটী বিশ্ববিদ্যালয়
২, ৩, ৪, ১২ আৰু ১৩	**ড° নিভা ৰাণী ফুকন,** কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
৬,	**ভনিতা নাথ,** সুৰেন দাস মহাবিদ্যালয়
৭, ৮ আৰু ৯	**অর্ণৱ শর্মা,** এছ বি দেওৰা মহাবিদ্যালয়
১৪	**ৰূপাঞ্জলি চেতিয়া,** কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

সম্পাদনা ঃ

বিষয়বস্তু আৰু ভাষা সম্পাদনা	ঃ	**ড° পৰাগ কুমাৰ ভট্টাচার্য,** বি পি চলিহা মহাবিদ্যালয় **অধ্যায় ঃ ১, ২, ৩, ৪, ৫, ৮, ৯, ১২, ১৩ আৰু ১৪** **প্রিয়ংকা শর্মা,** প্রাগজ্যোতিষ মহাবিদ্যালয় **অধ্যায় ঃ ৬, ৭, ১০ আৰু ১১**
গাঁথনিক সম্পাদনা	ঃ	**ড° নিভা ৰাণী ফুকন,** কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রথম প্রকাশ ঃ জুলাই, ২০১৮ *দ্বিতীয় প্রকাশ ঃ চেপ্তেম্বৰ, ২০১৯* *তৃতীয় প্রকাশ ঃ নৱেম্বৰ, ২০২১*

ISBN :

© কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ দ্বাৰা সর্বস্বত্ব সংৰক্ষিত।

This Self Learning Material (SLM) of the Krishna Kanta Handiqui State Open University is made available under a Creative Commons Attribution-Non Commercial-Share Alike4.0 License (international): http://creativecommons.org/licenses/by-nc-sa/4.0/ For the avoidance of doubt, by applying this license KKHSOU does not waive any privileges or immunities from claims that it may be entitled to assert, nor does KKHSOU submit to the jurisdiction, courts, legal processes or laws of any jurisdiction.

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

এই শিক্ষণ সামগ্রী প্রস্তুতিৰ বাবে আর্থিক অনুদান আগবঢ়োৱা
নতুন দিল্লীৰ দূৰ শিক্ষা পৰিষদৰ ওচৰত বিশ্ববিদ্যালয় কৃতজ্ঞ।

মুখ্য কার্যালয় ঃ পাটগাঁও, ৰাণী গেট, গুৱাহাটী-৭৮১ ০১৭; Web : www.kkhsou.in
নগৰ কার্য্যালয় ঃ ৰেছম নগৰ, ৰাষ্ট্রীয় ঘাইপথ নং-৩৭, খানাপাৰা (বড়োলেণ্ড গেষ্ট হাউছৰ সমীপত), গুৱাহাটী-৭৮১ ০২২

পাঠ্যবিষয়ৰ পৰিচয় ঃ পাশ্চাত্য সাহিত্যৰ নিৰ্বাচিত পাঠ

স্নাতকোত্তৰ অসমীয়া তৃতীয় ষাণ্মাসিকৰ সাহিত্য শাখাৰ শিক্ষার্থীৰ বাবে আগবঢ়োৱা এইখন তৃতীয় পাঠ্যবিষয়। ইয়াৰ শিৰোনাম 'পাশ্চাত্য সাহিত্যৰ নিৰ্বাচিত পাঠ'। এই পাঠ্যবিষয়ৰ পৰিচয় প্ৰসংগত আমি ইংৰাজী সাহিত্যৰ যুগ বিভাজন সম্বন্ধে এটা চমু ধাৰণা লাভ কৰা উচিত হ'ব। পাশ্চাত্য সাহিত্যৰ অধ্যয়নৰ প্ৰসংগত ইংৰাজী সাহিত্যৰ আলোচনাই গুৰুত্বপূৰ্ণ স্থান লাভ কৰে। ইংৰাজী সাহিত্যৰ ধাৰাবাহিক ক্ৰমবিকাশৰ ইতিহাস অধ্যয়ন কৰিলে আমি দেখিবলৈ পাওঁ যে ইংৰাজী সাহিত্যৰ যুগ বিভাজন কৰা হৈছে। সেই যুগ বিভাজনৰ আধাৰতে আলোচকসকলে ইংৰাজী সাহিত্যৰ আলোচনা কৰিছে। শিক্ষার্থীৰ বাবে আগবঢ়োৱা ইংৰাজী সাহিত্যৰ এই যুগ বিভাজন এম এইচ আব্ৰাম্চ আৰু জিয়'ফ্ৰে হার্ফামে সম্পাদনা কৰা 'A Glossary of Literary Terms'ৰ পৰা তুলি দিয়া হৈছে—

- ৪৫০-১০৬৬ প্ৰাচীন ইংৰাজী সাহিত্য বা এংলো-ছেক্সন স্তৰ
- ১০৬৬-১৫০০ মধ্যযুগীয় ইংৰাজী সাহিত্য
- ১৫০০-১৬৬০ নৱজাগৰণ (The Renaissance or Early Modern)
  - ➢ ১৫৫৮-১৬০৩ এলিজাবেথীয় যুগ
  - ➢ ১৬০৩-১৬২৫ জেকবীয় যুগ
  - ➢ ১৬২৫-১৬৪৯ কেৰোলীন যুগ
  - ➢ ১৬৪৯-১৬৬০ কমনৱেল্থ স্তৰ
- ১৬৬০-১৭৮৫ নব্য ধ্ৰুপদী স্তৰ (Neo-Classical Period)
  - ➢ ১৬৬০-১৭০০ পুনৰ সংস্থাপন কাল (The Restoration)
  - ➢ ১৭০০-১৭৪৫ আগষ্টীয় কাল (The Augustan Age)
  - ➢ ১৭৪৫-১৭৮৫ জনছনৰ কাল (The Age of Johnson)
- ১৭৪৫-১৮৩২ ৰোমাণ্টিক যুগ (The Romantic Period)
- ১৮৩২-১৯০১ ভিক্টৌৰিয়ান যুগ (The Victorian Period)
  - ➢ ১৮৪৮-১৮৬০ দ্য প্ৰী ৰাফেলাইটছ (The Pre-Raphaelites)
  - ➢ ১৮৮০-১৯০১ এইস্থেটিছিজম এণ্ড ডিকেডেন্স (Aestheticism and Decadence)
- ১৯০১-১৯১৪ এডৱার্ডীয় যুগ (The Edwardian Period)
- ১৯১০-১৯৩৬ আধুনিক যুগ
- ➢ ১৯৪৫- প'ষ্টমডার্ণিজম (Post Modernism)

প্ৰাচীন ইংৰাজী সাহিত্য বা এংলো-ছেক্সন স্তৰটো পঞ্চম শতিকাৰ প্ৰাৰম্ভৰ পৰা ফৰাচী নৰ্মানসকলৰ নেতা উইলিয়াম দ্য কনকুৰেৰৰে ১০৬৬ত ইংলণ্ড অধিকাৰ কৰাৰ সময়লৈকে বিয়পি আছে। সপ্তম শতিকাত এংলো ছেক্সনসকল খ্ৰীষ্টিয়ান ধৰ্মলৈ দীক্ষিত হোৱাৰ পিছত তেওঁলোকৰ লিখিত সাহিত্যৰ পৰম্পৰা আৰম্ভ হয়। সেই সময়ছোৱাত ধৰ্মীয় মঠসমূহৰ জৰিয়তে শিক্ষা আৰু সংস্কৃতিৰ বিকাশ সাধন হৈছিল আৰু লেটিন ভাষাত সাহিত্য সৃষ্টি হৈছিল।

মধ্যযুগীয় ইংৰাজী সাহিত্যত অনা-লেটিন সাহিত্য ৰচনাই প্ৰাধানা লাভ কৰিছিল। সেই সময়ৰ সাহিত্য শ্ৰেণী মূলতঃ এংলো-নৰ্মান আৰু এংলো-ছেক্সন ভাষাত ৰচিত হৈছিল। ধৰ্মনিৰপেক্ষ সাহিত্য শ্ৰেণীৰ উদ্ভৱৰ প্ৰসংগত চতুৰ্দশ শতিকাটো বিশেষভাৱে উল্লেখযোগ্য। সমসাময়িক কালত চচাৰে ইংৰাজী সাহিত্যলৈ মহত্বপূৰ্ণ অৰিহণা আগবঢ়াইছিল। জনপ্ৰিয় সাহিত্যৰ সৃষ্টিত পঞ্চদশ শতিকাৰ ভূমিকা মন কৰিবলগীয়া। সেই সময়ছোৱাত সৰ্বসাধাৰণক দৃষ্টিত ৰাখি সাহিত্য ৰচনা কৰা হৈছিল।

১৫০০-১৬৬০ এই কালছোৱা ইংৰাজী সাহিত্যত নৱজাগৰণৰ কালৰূপে প্ৰসিদ্ধ। এই বিস্তৃত কালছোৱাক কেইবাটাও স্তৰত ভাগ কৰা হৈছে। ইয়াৰ প্ৰথম স্তৰটো ৰাণী প্ৰথম এলিজাবেথৰ শাসন কালছোৱালৈ বিস্তৃত। 'এলিজাবেথীয় যুগ'টোত ইংলণ্ডৰ সৰ্বতোমুখী বিকাশ সাধন হৈছিল— সি শিল্প-বাণিজ্যই হওক বা যুদ্ধ অভিযানৰ সফলতাই হওক অথবা জাতীয়তাবোধৰ প্ৰসাৰ— সকলো দিশতে ইংলণ্ড দোপতদোপে অগ্ৰসৰ হৈছিল। ছাৰ ফিলিপ চিড্‌নি, ক্ৰিষ্টোফাৰ মার্লো, এডমাণ্ড স্পেনছাৰ, শ্বেইক্সপিয়েৰ, ফ্ৰান্সিত বেকন, বেন জনছন আদি সেই সময়ছোৱাৰ প্ৰখ্যাত লেখক-শিল্পী।

নব্য ধ্ৰুপদী স্তৰটোৱে ৰাজ দৰবাৰৰ জীৱনত প্ৰতিফলিত উচ্ছৃংখল ৰূপ, শ্লেষ-চাতুৰিক মনোজ্ঞ ৰূপত উপস্থাপন কৰিছিল। সেই সময়ছোৱাত কাব্য আৰু গদ্য-উভয় শ্ৰেণীৰ ৰচনাই বিকাশ লাভ কৰিছিল। জ'ন ড্ৰায়ডেন, থমাছ অ'টৱে আৰু অন্যান্যই 'Heroic Drama' নামৰ ট্ৰেজেডি উদ্ভাৱন কৰিছিল। ব্যংগ কবি ছেমুৱেল বাট্‌লাৰ, থলুৱা ইংৰাজী ভাষাৰ ধৰ্মীয় ৰচনা সৃষ্টি কৰা জন বুনিয়ান, দাৰ্শনিক জন ল'ক আৰু সৰ্বপ্ৰথম জনপ্ৰিয় ইংৰাজ লেখিকা আফ্‌ৰা বেনৰ নাম লেখত ল'বলগীয়া। সেই সময়ছোৱাৰ সৃষ্টিশীল সাহিত্যিকৰ ভিতৰত শ্ৰীমতী বেন অন্যতম, যাৰ কাপৰ পৰা কবিতা, নাটক আৰু গল্প নিগৰি ওলাইছিল।

ইংৰাজ কবি উইলিয়াম ৱর্ডছৱর্থ আৰু ছেমুৱেল টেইলৰ ক'লৰিজে যৌথভাৱে ১৭৯৮ চনত প্ৰকাশ কৰা 'Lyrical Ballads' নামৰ কাব্য সংকলনখনতে ইংৰাজী সাহিত্যত আৰম্ভ হোৱা ৰোমাণ্টিক আন্দোলনৰ বীজ নিহিত হৈ আছিল। সৰ্বসাধাৰণে সাহিত্যৰ মাজেৰে নিজক চিনি পাবলৈ, সাহিত্যত নিজক বিচাৰি পাবলৈ, সৰ্বসাধাৰণৰ মুখৰ ভাষা প্ৰয়োগেৰে কাব্য সংকলনখনৰ কবিতাকেইটা ৰচনা কৰা হৈছিল। পৰৱর্তী সময়ৰ সাহিত্য সমালোচকসকলৰ দৃষ্টিত Lyrical Balladsৰ প্ৰকাশে প্ৰচলিত নব্য ধ্ৰুপদী ধাৰাৰ বিৰুদ্ধে এক তীব্ৰ প্ৰত্যাহ্বান, কাৰণ সাহিত্যৰ ইতিহাসৰ ই যুগ পৰিৱর্তনৰ ইংগিত বহন কৰিছিল। এই সাহিত্য আন্দোলনৰ হোতাস্বৰূপ আছিল উইলিয়াম ব্লে'ক, উইলিয়াম ৱর্ডছৱর্থ, ছেমুৱেল টেইলৰ, ক'লৰিজ, পার্চি বিচি শ্যেলী, জন কীট্‌চ আৰু জর্জ গর্ডন বায়ৰণ।

ৰাণী ভিক্টৰিয়াৰ মৃত্যু (১৯০১)ৰ পৰা প্ৰথম বিশ্বযুদ্ধৰ আৰম্ভলৈকে (১৯১৪) আগুৰি থকা কালছোৱা এডৱার্ডীয় যুগ নামে জনাজাত। এই কালছোৱা মূলতঃ গদ্য সাহিত্যৰ সমৃদ্ধিৰ যুগ। এই সময়ছোৱাৰ কবি, নাট্যকাৰ আৰু গদ্য ৰচকসকলৰ ভিতৰত উল্লেখযোগ্য হ'ল— থমাছ হার্ডি, উইলিয়াম বাট্‌লাৰ য়েট্‌চ, ৰুদয়ার্ড কিপ্‌লিং, হেনৰি আর্থাৰ জন্‌চ, জেম্‌চ বাৰি, জন গল্‌চৱর্ডি, জর্জ বার্ণার্ড শ্ব, যছেফ কন্‌ৰাড, এইচ জি ৱেল্‌চ আদি।

আধুনিক যুগ বুলি ক'লে সাধাৰণতে প্ৰথম বিশ্বযুদ্ধৰ আৰম্ভণি (১৯১৪)ৰ পৰা ১৯৪৫ চনলৈকে ধৰিব খোজা হয়। যুদ্ধকালীন পৰিবেশে বিশ্ব সমাজক প্ৰভাৱিত কৰা সময়ছোৱাত যি কেইগৰাকী ইংৰাজী লেখক-লেখিকাই কাপ তুলি লৈছিল, তেওঁলোকৰ ৰচনাত যুদ্ধই অনা অৱক্ষয় আৰু নিৰাশাৰ মনোজ্ঞ চিত্ৰণ ঘটিছে। সাহিত্য ৰচনাৰ বিষয়বস্তু, আংগিক আৰু ৰচনাৰীতিৰ ক্ষেত্ৰত নতুন নতুন দিশ সূচিত হৈছিল। সেই সময়ছোৱাৰ কেইগৰাকীমান লেখক-সাহিত্যিক হৈছে ক্ৰমে টি এছ এলিয়ট, ডাইলান থমাছ, জেম্‌চ জয়েচ্‌, ডি এইচ লৰেন্স, ভার্জিনিয়া উল্‌ফ, ড'ৰিচ লোং, জোছেফ কন্‌ৰাড্‌, ছেমুৱেল ব্ৰেখ্‌ট আদি। এই সময়ছোৱাত ইংৰাজী সাহিত্যই সেইসকল ইংৰাজী লেখকৰ ৰচনাক আদৰি লৈছিল, যিসকল বৃটিছ দ্বীপপুঞ্জৰ অধিবাসী আছিল। অন্য কিছুমান প্ৰখ্যাত ইংৰাজী লেখক পূৰ্বৰ বৃটিছ উপনিবেশসমূহৰ বাসিন্দা আছিল।

দ্বিতীয় বিশ্বযুদ্ধৰ পৰৱর্তী কালছোৱা প'ষ্টমডার্ণিজম (Post-Modernism) ৰূপে জনাজাত। এই সময়ছোৱাৰ বিস্তৃতি সাম্প্ৰতিক সময়লৈকে। এই সময়ছোৱাত আমি সাহিত্য আলোচনাৰ প্ৰসংগত নানা তত্ত্ব আৰু ধাৰাৰ উদ্ভৱ হোৱা দেখিছো।

এই পাঠ্যবিষয়খন চৈধ্যটা অধ্যায়ত বিভক্ত। প্ৰথম অধ্যায়টোৰ শিৰোনাম 'উইলিয়াম ব্লে'ক ঃ *হ'লি থার্চডে*'। ইয়াত শিক্ষার্থীয়ে ৰোমাণ্টিক যুগৰ উক্‌মুকলি কি দৰে হৈছিল তাৰ লেখ পাব। দ্বিতীয় অধ্যায়টোৰ শিৰোনাম উইলিয়াম ৱর্ডছৱর্থ ঃ *টিনটার্ণ এবে*। অধ্যায়টোত শিক্ষার্থীক ইংৰাজী কাব্য সাহিত্যলৈ ৰোমাণ্টিক ধাৰাটোৰ আগমন কিদৰে ঘটিছিল তাৰ আভাস দিয়া হ'ব। তাৰ লগতে ইয়াত ৰোমাণ্টিক আন্দোলনৰ অন্যতম হোতা উইলিয়াম ৱর্ডছৱর্থৰ জীৱন আৰু কৃতিৰ আলোচনাৰ লগতে তেওঁৰ এক সফল কাব্য

সৃষ্টি *টিনটার্ণ এবেৰ* আলোচনা আগবঢ়োৱা হৈছে। তৃতীয় অধ্যায় জন কীট্চ ঃ *অ'ড অন এ গ্রেচিয়ান আর্ণ*। ইয়াত সুন্দৰৰ পূজাৰী জন কীট্চৰ জীৱন আৰু কবিতাৰ বিষয়ে আকর্ষণীয় বিৱৰণ আগবঢ়োৱা হৈছে। অ'ডৰ স্ৰষ্টা কীট্চৰ এটা অদ্বিতীয় *অ'ড* (Ode) *অন এ গ্রেচিয়ান আর্ণৰ* আলোচনাৰ মাজেদি কবিৰ মাজত সুপ্ত হৈ থকা শিল্পী সত্তাটোৰ উমান পোৱা যায়। চতুর্থ অধ্যায়টো হ'ল ৰবার্ট ব্রাউনিং ঃ *এ গ্রামাৰিয়ান্চ ফিউনাৰেল*। ইয়াত ইংৰাজী কাব্য সাহিত্যত ভিক্টৰীয় যুগ নামে জনাজাত যুগটোৰ সাহিত্যিক স্বৰূপ আৰু যুগক প্রতিনিধিত্ব কৰা কবি ৰবার্ট ব্রাউনিঙৰ কাব্য কৃতি আলোচনাৰ লগতে তেওঁৰ লেখৰ কবিতা *এ গ্রামাৰিয়ান্চ ফিউনাৰেলৰ* বিশ্লেষণ আগবঢ়োৱা হৈছে। পঞ্চম অধ্যায়ৰ শিৰোনাম টি এছ এলিয়ট ঃ *দ্য ৰেষ্টলেণ্ড (হুৱাট দ্য ঠাণ্ডাৰ চেইড়)*। আধুনিক সময়ৰ জটিল ৰূপ আৰু সেই সময়ে প্রভাৱিত কৰা মানুহৰ চিন্তাজগতখনৰ লেখ কবি টি এছ এলিয়টৰ এই বিশেষ কবিতাটোৰ আলোচনাৰ মাজেদি পাওঁ। ষষ্ঠ আৰু সপ্তম অধ্যায়ত ক্রমে *চার্লচ ডিকেঞ্চ ঃ অলিভাৰ টুইষ্ট—(১)* আৰু *চার্লচ ডিকেঞ্চ ঃ অলিভাৰ টুইষ্ট-(২)*ৰ অন্তর্গত পাঠত মহান ইংৰাজ ঔপন্যাসিক চার্লচ ডিকেঞ্চৰ জীৱন, কৃতিৰ লগতে তেওঁৰ এখন জনপ্রিয় উপন্যাস *অভিভাৰ টুইষ্টৰ* আলোচনা আগবঢ়োৱা হৈছে। অষ্টম আৰু নৱম অধ্যায়ত ক্রমে আর্ণেষ্ট হেমিংৱেৰ *দ্য অ'ল্ড মেন এণ্ড দ্য চী*ৰ আলোচনা দুটা খণ্ডত আগবঢ়োৱা হৈছে। ঔপন্যাসিকৰ জীৱন-দর্শনৰ বিষয়েও এই পাঠ দুটাই আমাক কিছু তথ্য দিব। পাঠ্যবিষয়ৰ দশম আৰু একাদশ অধ্যায়ত উইলিয়াম শ্বেইক্সপীয়েৰেৰ *দ্য টেম্পেষ্ট* নাটকৰ সামগ্রিক আলোচনাৰ লগতে নাট্যকাৰগৰাকীৰ জীৱন আৰু সাহিত্য কর্মৰ আলোচনা আগবঢ়োৱা হৈছে। দ্বাদশ আৰু ত্রয়োদশ অধ্যায়ত সন্নিৱিষ্ট কৰা হৈছে— ইব্চেন ঃ *পিলার্ছ অফ ছ'চাইটি*। বাস্তৱবাদী ধাৰাৰ নাটক হিচাপে পিলার্ছ অফ ছ'চাইটিৰ বিশ্ব নাট্য সাহিত্যত বিশেষ স্থান আছে। দুয়োটা পাঠত নাটাকাৰ ইব্চেনৰ জীৱন আৰু কৃতিৰ লগতে তেওঁৰ সেই উল্লেখযোগ্য নাটকখনৰ আলোচনা সন্নিৱিষ্ট হৈছিল। চতুর্দশ অধ্যায়ৰ শিৰোনাম *ছেমুৱেল বেকেট ঃ ৱেইটিং ফৰ গ'ডো*। ইয়াত নাট্যকাৰ ছেমুৱেল বেকেটৰ জীৱন পৰিচয় লাভ কৰাৰ লগতে এৱছার্ড ধাৰাৰ নাটক হিচাপে *ৱেইটিং ফৰ গ'ডো* খনৰ আলোচনা কৰিব পাৰিব। এই দুখন নাটকৰ আলোচনাই শিক্ষার্থীক বাস্তৱবাদী আৰু এব্ছার্দ ধাৰাৰ লগত পৰিচিত কৰাত সহায়ক হ'ব।

এই পাঠ্যবিষয়খন অধ্যয়ন কৰোঁতে মূল পাঠৰ সোঁ তথা বাওঁফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব। এইবোৰত মূল পাঠত থকা নতুন শব্দ আৰু পৰিভাষাসমূহৰ অর্থ সন্নিৱিষ্ট হৈছে। সেইদৰে — 'জানি থোৱা ভাল' বাকচবোৰত মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূর্ণ তথ্যৰ সম্ভেদ আছে। প্রতিটো অধ্যায়ত থকা 'চিন্তা-চর্চা কৰক'সমূহে অধ্যয়ন অধিক সক্রিয় আৰু ফলপ্রসূ হোৱাত সহায় কৰিব। আকৌ, 'অগ্রগতি নিৰীক্ষণ'যোগে আগবঢ়োৱা প্রশ্নাৱলীয়ে অধ্যয়নৰ অগ্রগতি সম্পর্কে স্ব-পৰীক্ষণৰ সুবিধা দিব। উক্ত প্রশ্নাৱলীৰ উত্তৰসমূহৰ ৰূপৰেখা 'অগ্রগতিৰ খতিয়ান'ত সন্নিৱিষ্ট কৰা হৈছে। তাৰ সহায়েৰে আপুনি প্রশ্নবোৰৰ উত্তৰসমূহ লিখিবলৈ যত্ন কৰিলে অধিক লাভদায়ক হ'ব। অধ্যায়টিত আলোচিত বিভিন্ন ধাৰণাসমূহৰ বিষয়ে বিস্তৃত অধ্যয়নৰ বাবে 'অধিক জানিবলৈ' শিতানত উল্লেখ থকা গ্রন্থসমূহ সাৰথিস্বৰূপ। অধ্যায়বোৰৰ শেষত 'আৰ্হি প্রশ্ন' হিচাপে কেইটিমান প্রশ্নৰ আৰ্হিও তুলি দিয়া হৈছে। শেষৰ অধ্যায়টিৰ পাছত কেইখনমান 'প্রসঙ্গ পুথি'ৰ নাম উল্লেখ কৰা হৈছে। সেই কেইখন পুথিৰ সহায়েৰেই মূলতঃ এই পাঠ্যবিষয়ত উল্লেখ থকা অধ্যায়সমূহ প্রস্তুত কৰা হৈছে। আপোনালোকে বিশদভাৱে কোনো বিষয় জানিবলৈ হ'লে সেই কেইখন অধ্যয়ন কৰিব পাৰিব।

বিষয় সূচী

পৃষ্ঠা নং

অধ্যায় ১ ঃ **উইলিয়াম ব্লেইক ঃ *হ'লি থার্চডে'*** **৯ - ২৩**

উইলিয়াম ব্লেইক; জীৱনী, সাহিত্য কৃতী, হ'লি থার্চডে' (Holy Thursday); মূল ইংৰাজী কবিতাটোৰ পাঠ, কবিতাটোৰ সাধাৰণ আলোচনা, কবিতাটোৰ বিষয়বস্তু, কবিতাটোৰ ৰচনাশৈলী, কবি হিচাপে উইলিয়াম ব্লেইকৰ মূল্যায়ন

অধ্যায় ২ ঃ **উইলিয়াম ৱর্ডছৱর্থ ঃ *টিনটার্ণ এবে*** **২৪ - ৫৬**

ইংৰাজী কাব্য সাহিত্যত ৰোমাণ্টিক ধাৰা; উইলিয়াম ৱর্ডছৱর্থ; জীৱনী, সাহিত্য কৃতী, টিনটার্ণ এবে (Tintern Abbey); মূল ইংৰাজী কবিতাটোৰ পাঠ, কবিতাটোৰ সাধাৰণ আলোচনা, কবিতাটোৰ বিষয়বস্তু, কবিতাটোৰ ৰচনাশৈলী, কঠিন শব্দৰ টোকা, কবি হিচাপে ৱর্ডছৱর্থৰ মূল্যায়ন

অধ্যায় ৩ ঃ **জন কীট্চ ঃ *অ'ড অন এ গ্রেচিয়ান আর্ণ*** **৫৭ - ৮৪**

জন কীট্চ; জীৱনী, সাহিত্য কৃতি, অ'ড অন এ গ্রেচিয়ান আর্ণ (Ode on a Grecian Urn); মূল ইংৰাজী কবিতাটোৰ পাঠ, কবিতাটোৰ সাধাৰণ আলোচনা, কবিতাটোৰ বিষয়বস্তু, কবিতাটোৰ ৰচনাশৈলী, কঠিন শব্দৰ টোকা, কবি হিচাপে জন কীট্চৰ মূল্যায়ন

অধ্যায় ৪ ঃ **ৰবার্ট ব্রাউনিং ঃ *এ গ্রামাৰিয়ান্চ ফিউনাৰেল*** **৮৫ - ১১১**

ইংৰাজী কাব্য সাহিত্য আৰু ভিক্টৰীয় যুগ; ৰবার্ট ব্রাউনিং; জীৱনী, সাহিত্য কৃতি, এ গ্রামাৰিয়ান্চ ফিউনাৰেল (A Grammarian's Funeral); মূল ইংৰাজী কবিতাটোৰ পাঠ, কবিতাটোৰ সাধাৰণ আলোচনা, কবিতাটোৰ বিষয়বস্তু, কবিতাটোৰ ৰচনাশৈলী, কঠিন শব্দৰ টোকা, কবি হিচাপে ৰবার্ট ব্রাউনিঙৰ মূল্যায়ন

অধ্যায় ৫ ঃ **টি এছ্ এলিয়ট ঃ *দ্য ৰেষ্টলেণ্ড (হুৱাট দ্য ঠাণ্ডাৰ চেইড্)*** **১১২ - ১৩৮**

ইংৰাজী কাব্য সাহিত্য আৰু আধুনিক যুগ; টি এছ এলিয়ট; জীৱনী, সাহিত্যকৃতি, দ্য ৰেষ্টলেণ্ড কাব্যৰ চমু আলোচনা; হুৱাট দ্য ঠাণ্ডাৰ চেইড্ (What the Thunder Said); মূল ইংৰাজী কবিতাটোৰ পাঠ, কবিতাটোৰ বিষয়বস্তু, কবিতাটোৰ ৰচনাশৈলী, কবি হিচাপে টি এছ এলিয়টৰ মূল্যায়ন

অধ্যায় ৬ ঃ **চার্লচ ডিকেঞ্চ ঃ *অলিভাৰ টুইষ্ট - (১)*** **১৩৯ - ১৫৩**

ভিক্টৰীয় যুগ আৰু ইংৰাজী উপন্যাস সাহিত্য; চার্লচ ডিকেঞ্চ; জীৱন, সাহিত্যকৃতি, চার্লচ ডিকেঞ্চৰ উপন্যাসৰ চমু পৰিচয়; চার্লচ ডিকেঞ্চৰ উপন্যাসৰ বৈশিষ্ট্যৰাজি

অধ্যায় ৭ ঃ **চার্লচ ডিকেঞ্চ ঃ *অলিভাৰ টুইষ্ট - (২)*** **১৫৪ - ১৬৩**

অলিভাৰ টুইষ্ট; উপন্যাসৰ কাহিনীভাগ, উপন্যাসৰ চৰিত্ৰ চিত্ৰণ, উপন্যাসৰ বিষয়বস্তু,ইংৰাজী উপন্যাস সাহিত্যত অলিভাৰ টুইষ্টৰ স্থান

অধ্যায় ৮ ঃ **আর্ণেষ্ট হেমিংৱে ঃ *দ্য অ'ল্ড মেন এণ্ড দ্য চী* - (১)** **১৬৪ - ১৭১**

মার্কিন সাহিত্য (American Literature)ৰ যুগ বিভাজন আৰু আধুনিক যুগ; আর্ণেষ্ট হেমিংৱে; জীৱন, সাহিত্য কৃতি, হেমিংৱেৰ উপন্যাসৰ চমু পৰিচয়; হেমিংৱেৰ উপন্যাসৰ বৈশিষ্ট্য

অধ্যায় ৯ ঃ **আর্ণেষ্ট হেমিংৱে ঃ *দ্য অ'ল্ড মেন এণ্ড দ্য চী* - (২)** **১৭২ - ১৮০**

দ্য অ'ল্ড মেন এণ্ড চী (The old man and the Sea); উপন্যাসৰ কাহিনীভাগ, উপন্যাসৰ চৰিত্ৰ চিত্ৰণ, উপন্যাসত সন্নিৱিষ্ট প্ৰতীক, বিশ্ব সাহিত্যৰ দ্য অ'ল্ড মেন এণ্ড দ্য চীৰ স্থান

অধ্যায় ১০ ঃ **উইলিয়াম শ্বেইক্সপীয়েৰ ঃ *দ্য টেম্পেষ্ট* - (১)** **১৮১ - ১৯৫**

ইংৰাজী নাট্য সাহিত্যৰ চমু পৰিচয়; উইলিয়াম শ্বেইক্সপীয়েৰ; জীৱন, সাহিত্য কৃতি, উইলিয়াম শ্বেইক্সপীয়েৰৰ নাটকৰ সাধাৰণ বৈশিষ্ট্য

অধ্যায় ১১ ঃ **উইলিয়াম শ্বেইক্সপীয়েৰ ঃ *দ্য টেম্পেষ্ট* - (২)** **১৯৬ - ২১৮**

দ্য টেম্পেষ্ট (The Tempest); *দ্য টেম্পেষ্ট*ৰ কাহিনীভাগ, *দ্য টেম্পেষ্ট*ৰ সাধাৰণ আলোচনা, *দ্য টেম্পেষ্ট*ৰ চৰিত্ৰ চিত্ৰণ, দ্য টেম্পেষ্টৰ সংলাপ, অতি প্ৰাকৃত পৰিৱেশৰ চিত্ৰণ; জাতীয়তাবাদ আৰু ঔপনিৱেশিকতাবাদৰ আলোকত *দ্য টেম্পেষ্ট*

অধ্যায় ১২ ঃ **হেন্ৰিক ইব্চেন ঃ *দ্য পিলার্ছ অফ ছ'চাইটি* - (১)** **২১৯ - ২২৯**

বাস্তৱবাদী নাটকৰ সাধাৰণ আভাস; হেন্ৰিক ইব্চেন, জীৱন, সাহিত্য কৃতি, হেন্ৰিক ইব্চেনৰ নাট্যৰীতি

অধ্যায় ১৩ ঃ **হেন্ৰিক ইব্চেন ঃ *দ্য পিলার্ছ অফ ছ'চাইটি* - (২)** **২৩০ - ২৪৩**

পিলার্ছ অফ ছ'চাইটি (Pillars of Society); পিলার্ছ অফ ছ'চাইটিৰ কাহিনীভাগ, পিলার্ছ অফ ছ'চাইটিৰ সাধাৰণ আলোচনা, পিলার্ছ অফ ছ'চাইটিৰ চৰিত্ৰ চিত্ৰণ, পিলার্ছ অফ ছ'চাইটিৰ সংলাপ, বাস্তৱবাদী নাটক হিচাপে পিলার্ছ অফ ছ'চাইটি

অধ্যায় ১৪ ঃ **ছেমুৱেল বেকেট ঃ *ৱেইটিং ফৰ গ'ডো*** **২৪৪ - ২৬২**

ছেমুৱেল বেকেটৰ চমু পৰিচয় আৰু সাহিত্য কৃতি; জীৱনী, সাহিত্য কৃতি, ছেমুৱেল বেকেটৰ নাট্যৰীতি; ৱেইটিং ফৰ গ'ডো; ৱেইটিং ফৰ গ'ডোৰ কাহিনীভাগ, নাটকখনৰ চৰিত্ৰ চিত্ৰণ, ৱেইটিং ফৰ গ'ডোৰ বিষয় বস্তু, গঠন ৰীতি আৰু প্ৰতীক, এবছার্দ নাটক হিচাপে ৱেইটিং ফৰ গ'ডো নাটকৰ সাধাৰণ আলোচনা

প্ৰসঙ্গ পুথি **২৬৩ - ২৬৫**

অধ্যায় ১ ঃ উইলিয়াম ব্লেইক ঃ হ'লি থার্চডে'

অধ্যায় গাঁথনি

১.১ উদ্দেশ্য

১.২ পৰিচয়

১.৩ *উইলিয়াম ব্লেইক*

১.৩.১ জীৱনী

১.৩.২ সাহিত্য কৃতী

১.৪ *হ'লি থার্চডে'* (Holy Thursday)

১.৪.১ মূল ইংৰাজী কবিতাটোৰ পাঠ

১.৪.২ কবিতাটোৰ সাধাৰণ আলোচনা

১.৪.৩ কবিতাটোৰ বিষয়বস্তু

১.৪.৪ কবিতাটোৰ ৰচনাশৈলী

১.৪.৫ কবি হিচাপে *উইলিয়াম ব্লেইকৰ* মূল্যায়ন

১.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১.৬ অধিক জানিবলৈ

১.৭ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১.৮ আৰ্হি প্ৰশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ইংৰাজী কবি *উইলিয়াম ব্লেইকৰ* পৰিচয় লাভ কৰিব
- কবি গৰাকীৰ জীৱন আৰু কৃতিৰ বিষয়ে আলোচনা কৰিব পাৰিব
- *হ'লি থার্চর্ডে* কবিতাটোৰ বিষয়বস্তু ব্যাখ্যা আগবঢ়াব পাৰিব
- *হ'লি থার্চডে'* কবিতাটোৰ বৈশিষ্ট্যসমূহ আলোচনা কৰিব পাৰিব
- কবিতাটোত থকা মটিফ, প্ৰতীক ইত্যাদিৰ পৰিচয় লাভ কৰিব
- ইংৰাজী কাব্য সাহিত্যত কবি *উইলিয়াম ব্লেইকৰ* স্থান নিৰ্ণয় কৰিব পাৰিব।

১.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া তৃতীয় যান্মাসিকৰ সাহিত্য শাখাৰ শিক্ষার্থীসকলৰ বাবে আগবঢ়োৱা তৃতীয় পাঠ্যবিষয় 'পাশ্চাত্য সাহিত্যৰ নিৰ্বাচিত পাঠ'ৰ এইটো প্ৰথম অধ্যায়। অধ্যায়টোৰ শিৰোনাম *'উইলিয়াম ব্লেইক ঃ হ'লি থার্চডে'*। ইয়াত আপুনি ইংৰাজী ৰোমান্টিক কবিতাৰ অন্যতম পুৰোধা

কবি উইলিয়াম ৰর্ডছৱর্থৰ পূর্বসূৰী কবি উইলিয়াম ব্লেইকৰ এটা অতি মনোৰম অথচ মর্মস্পর্শী কবিতা *হ'লি থার্চডে*'ৰ পাঠভাগৰ আলোচনা পঢ়িবলৈ পাব। কবিয়ে কবিতাটোত শিশু জীৱনৰ এনে এখন হৃদয়স্পর্শী ছবি অংকন কৰিছে য'ত নিষ্পাপ শিশুসকলৰ বিপৰীতে প্রাপ্ত বয়স্কসকলৰ ভণ্ডামী আৰু অন্তঃসাৰশূন্য আচৰণ প্রকাশ পাইছে।

১.৩ উইলিয়াম ব্লেইক

১.৩.১ জীৱনী

১৭৫৭ চনৰ লণ্ডনৰ চ'হ' জিলাত উইলিয়াম ব্লেইকৰ জন্ম। তেওঁৰ স্কুলীয়া শিক্ষা তেনেই অলপীয়া আছিল।

মূলতঃ মাকৰ তত্ত্বাৱধানতেই তেওঁ পঢ়া-শুনা কৰিছিল। স্বপ্নদর্শী কবি হিচাপে পিছলৈ স্বীকৃতি লাভ কৰা ব্লেইকে সঁচা-সঁচিকৈ কেতবোৰ অলৌকিক চাক্ষুস অভিজ্ঞতাৰ সন্মুখীন হোৱা বুলি ব্যক্ত কৰিছিল। উদাহৰণস্বৰূপে, ল'ৰালিকালত অনাই বনাই ঘূৰি ফুৰোতে এবাৰ হেনো তেওঁ এডাল গছত কেতবোৰ দেবদূতক আৰু পথাৰত খ্রীষ্টান সন্ত ইজেকিয়েলক দেখা পাইছিল।

শ্বেইক্সপীয়েৰকে ধৰি শ্রেষ্ঠ ইংৰাজ লেখকসকলৰ সাহিত্য অধ্যয়ন কৰাৰ উপৰিও তেওঁ ইটালীয়ান, ফৰাছী, লেটিন, গ্রীক আৰু হিব্রু ভাষাৰ জ্ঞান আহৰণ কৰে। ইয়াৰ উপৰিও নৱজাগৰণৰ সময়ৰ (Renaissance) শ্রেষ্ঠ শিল্পীসকলৰ শিল্পকর্ম তেওঁ গভীৰভাৱে অধ্যয়ন কৰিছিল। প্রকৃততে ব্লেইকে সৰুৰে পৰা শিল্পী হ'বলৈ হেঁপাহ কৰিছিল। ১৭৭৬ চনত তেওঁ জেইময় বেছায়াৰ নামৰ এজন খোদাই চিত্রশিল্পীৰ তত্ত্বাৱধানত উক্ত কলাৰ প্রশিক্ষণ লয়। বেছায়াৰে মনোযোগী ছাত্রজনক পুংখানুপুংখকৈ খোদাই চিত্রকলাৰ শিক্ষা প্রদান কৰে। তেওঁ এনেকি ব্লেইকক লণ্ডনৰ বিখ্যাত 'ৰেষ্টামিনষ্টাৰ এবি' নামৰ গীর্জালৈ পঠিয়ায় উক্ত স্থাপত্যৰ বিভিন্ন ভাস্কর্য ইত্যাদিৰ চিত্র অংকন কৰিবলৈ। সুদীর্ঘ সাত বছৰ বেছায়াৰৰ অধীনত শিক্ষাগ্রহণ কৰি ব্লেইকে ১৭৭৯ চনত খোদাই শিল্পৰ ছাত্র হিচাপে ৰয়েল একাডেমীত ভর্তি হয়। অৱশ্যে ৰয়েল একাডেমীত থকা সময়চোৱা বৰ শান্ত আৰু নিৰুপদ্রৱ নাছিল। উক্ত প্রতিষ্ঠানৰ অধ্যক্ষ ছাৰ যছুৱা ৰে'নল্ডৰ প্রতি তেওঁৰ বিযোদগাৰ আছিল। উক্ত সময়চোৱাতেই তেওঁ এফালে নিজাববীয়াকৈ পানী ৰঙ (Water colour)ৰ ছবি আঁকিবলৈ আৰম্ভ কৰিছিল, আনফালে বিভিন্ন প্রকাশকৰ বাবে খোদাই চিত্রৰ কাম কৰি অর্থোপার্জনো কৰিছিল। ইপিনে এই সময়তেই তেওঁ জন ফ্ল্যাক্সম্যান, থমাছ ষ্টথার্ড, হেনৰী ফছলি ইত্যাদি চিত্রশিল্পী-ভাস্কর্যশিল্পীৰো সংস্পর্শ লাভ কৰিছিল।

১৭৮২ চনত ব্লেইকে কেথেৰিন বাউছাৰক বিয়া কৰায়। অভাৰ অনাটনৰ পৰা মুক্ত হ'ব নোৱাৰিলেও ব্লেইকৰ বৈবাহিক জীৱন আছিল সুখৰ। কেথেৰিন আছিল

সঁচা অর্থত ব্লেইকৰ সহযাত্রী। তেওঁৰ প্রথম কবিতা পুথি Poetical Sketchesৰ ছপাৰ খৰচ বহন কৰিছিল বন্ধু ফ্ল্যাক্সম্যান আৰু মেথিউ (Rev. Anthony S. Metthewয়ে যাৰ লগত কবিক ফ্ল্যেক্সম্যানেই চিনাকী কৰাই দিছিল)।

১৭৮০ চনত তেওঁ প্রগতিশীল গ্রন্থ বিক্রেতা জোছেফ জনছনৰ দোকানৰ বৌদ্ধিক আড্ডাত যোগ দিয়ে। এই আড্ডালৈ থমাছ পেইন, উইলিয়াম গডউইন, হ'লক্রফ্ট ইত্যাদি প্রগতিশীল চিন্তাবিদ আহিছিল। এবাৰ থমাছ পেইনৰ গ্রেপ্তাৰী পৰোৱানা ওলোৱাত ব্লেইকেইতেওঁক ফ্রান্সলৈ ততাতৈয়াকৈ পঠিয়াই দি জীৱন ৰক্ষা কৰিছিল। ১৭৮৪ চনত ব্লেইকৰ পিতৃবিয়োগ ঘটে। ব্লেইকে লণ্ডনত এটা ছপাশাল প্রতিষ্ঠা কৰে আৰু ভায়েক ৰবার্টৰ সৈতে ছপাশালৰ কাম আৰম্ভ কৰে। ১৭৮৭ চনৰ অৰম্ভণিতেই ৰবার্টৰ অসুখ আৰম্ভ হয় আৰু ফেব্রুৱাৰী মাহত মৃত্যু ঘটে। ৰবার্টৰ আৰোগ্যৰ বাবে ব্লেইকে ভায়েকৰ বহু শুশ্রষা কৰিছিল। ব্লেইকে কোৱা মর্মে, আন এক অলৌকিক স্বপ্নদর্শী (Visionary) অভিজ্ঞতা হ'ল ঃ ৰবার্টে তেওঁক হেনো দেখা দিছে, আৰু সেয়াই নহয়, পাঠ (Text) আৰু ছবি (Illustration) একেলগে ছপাব পৰা পদ্ধতি এটাৰ বিৱৰণো দিছে। এয়াই হ'ল ব্লেইকৰ নিজস্ব "Illuminated Painting" । এই পদ্ধতিটো হ'ল পাঠ আৰু ছবি, ধাতুৰ কোনো ফলিত খোদাই কৰি লোৱা হয়, আৰু এনেকৈ ছপা হোৱা কিতাপৰ পৃষ্ঠাবোৰত ৰং কৰা হয়। এয়া অনুমেয় যে এই পদ্ধতি কষ্টবহুল আছিল আৰু এনেধৰণে মুদ্রিত কিতাপ তেনেই কমসংখ্যক পঢ়ুৱৈৰ হাতত পৰিছিল গৈ। এই পদ্ধতিৰে ছপা হৈ ওলোৱা ব্লেইকৰ প্রথম দুখন কিতাপ হ'ল ঃ There is no Natural Religion আৰু All Religions are One।

ৰৱার্টৰ মৃত্যুৰ পিছত ব্লেইকে সপত্নীক লণ্ডনৰ ছ'হ' (Soho) লৈ উঠি যায়। ফৰাচী বিপ্লৱকালীন ব্লেইকৰ সকলো সৃষ্টি এই সময়ছোৱাৰেই দান। ১৭৯৩ চনত তেওঁলোকে টেমছ নদীৰ দক্ষিণে স্থিত লেম্বেথ নামৰ ঠাইলৈ স্থানান্তৰিত হয়। তাত তেওঁলোকে সাত বছৰ কটায়। এইচোৱা সময় ব্লেইকৰ বাবে আর্থিক স্বচ্ছলতাৰ সময়, আনহাতে গভীৰ আধ্যাত্মিক অনিশ্চয়তাৰ সময়। ফৰাচী বিপ্লৱৰ আদর্শই গভীৰভাৱে উদ্দীপিত কৰা কবি ক্রমশঃ উক্ত বৈপ্লবিক আদর্শৰ প্রতি মোহমুক্ত হৈ পৰিল। বিপ্লৱে সূচনা কৰা সমাজ পৰিবর্তনৰ আশাবাদৰ ঠাইত সৎ আৰু অসৎ সত্তাৰ সংশ্লেষণৰ প্রচেষ্টাহে তেওঁৰ বাবে প্রাসঙ্গিক হৈ পৰিল।

ব্লেইকে নিজৰ জীৱন কালত কবি হিচাপে জনপ্রিয় নাছিল। বহুতেই তেওঁক এক উন্মাদ চৰিত্রৰ লোক বুলি ভাবিছিল। চিত্রশিল্পী আৰু খোদাই শিল্পী (engraver) হিচাপেহে তেওঁ নামজ্বলা আছিল। ১৭৯৫ চনত এজন গ্রন্থ প্রকাশকে তেওঁক এডৱার্ড য়াঙ (Edward Young)ৰ Night Thoughts নামৰ গ্রন্থখনিৰ অলংকৰণৰ দায়িত্ব দিছিল। ১৭৯৭ চনলৈ কাম কৰি ব্লেইকে সর্বমুঠ ৫৩৭ খন পানী ৰঙৰ ছবি সৃষ্টি কৰি উলিয়াইছিল।

জীৱনৰ শেষৰপিনে, বিশেষকৈ ১৮০৩ ৰ পৰৱর্তী সময়ত, ব্লেইকৰ বৃত্তিগত

জীৱনৰ সফলতা স্তিমিত হৈ আহে। তেওঁৰ শিল্প কর্মৰ বিশেষ চাহিদা নোহোৱা হৈ আহিছিল। খোদাই চিত্রসমূহো প্রায়েই তেওঁ খৰধৰকৈ সম্পূর্ণ কৰিছিল। ১৮০৯ চনত যোল্লখন পেইন্টিং আৰু পানী ৰঙৰ ছবিৰ এখন প্রদর্শনী অনুষ্ঠিত কৰিছিল যদিও দর্শকৰ উপস্থিতি আছিল সেৰেঙা। অৱশ্যে বহু বছৰৰ বিৰতিৰ মূৰত জন লিনেল নামৰ এজন সু-হৃদয় পৃষ্ঠপোষকৰ প্রেৰণাত ব্লেইকে ছেমুৱেল পালমাৰৰ দৰে কেইগৰাকীমান অনুজ চিত্রশিল্পীৰ সান্নিধ্য লাভ কৰে। শেষ পর্যন্ত ব্লেইক তেওঁলোকৰ মাজৰেই সসম্ভ্রমে আছিল। ষাঠিৰ উর্দ্ধৰ ৰোমান্টিক কবি গৰাকীয়ে মূলতঃ শিল্পকর্মতেই শেষপর্যন্ত নিজকে নিয়োজিত কৰিছিল। এই সময়ছোৱাত ব্লেইকে এচাম অনুগামীৰ সন্মান, সাহচার্য আৰু সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছিল মূলত ঃ তেওঁৰ গভীৰ কল্পনাশ্রয়ী শিল্পকর্মৰ বাবে।

১.৩.২ সাহিত্য কৃতী

ওঠৰশ শতিকাৰ শেষৰপিনে আৰম্ভ হোৱা ৰোমান্টিক আন্দোলনৰ প্রথমতেই আমি নাম ল'ব লাগিব উইলিয়াম ব্লেইকৰ। ইংৰাজী সাহিত্যৰ ইতিহাসত ব্লেইকক প্রথম আৰু অন্যতম শ্রেষ্ঠ ৰোমান্টিক কবি হিচাপে গণ্য কৰা হয়। অৱশ্যে ব্লেইকৰ জীৱনৰ মূল সাধনা এজন শিল্পী হিচাপেহে। ক'ব পাৰি যে কবিৰ সাহিত্যিক কৃতিত্বৰ আঁৰত খোদাই চিত্রশিল্পী ব্লেইকৰ অবিৰত সাধনাৰ ভূমিকা আছিল প্রতুল।

ব্লেইকৰ প্রথম কাব্য সংকলন poetical Sketches প্রকাশ হৈ ওলায় ১৭৮৩ চনত। ইয়াতে ব্লেইকৰ প্রথমভাগৰ কবিতাসমূহ (বাৰ বছৰৰ পৰা বিশ বছৰ বয়সৰ ভিতৰত লিখা) সন্নিবিষ্ট হৈছে। ১৭৮৭ চনত তেওঁ এক অসম্পূর্ণ গদ্য ৰচনা *An Island in the Moon* লিখি উলিয়ায়।

ব্লেইকে নিজে উদ্ভাৱন কৰা উজ্বল ছপা (Illuminated Printing) পদ্ধতিৰে ছপা কৰি উলিয়ায় অন্য দুখন গদ্য ৰচনা—There is no Natural Religion আৰু All Religion is One। উক্ত ৰচনা দুখনত কবিৰ পৰৱর্তী সময়ৰ চিন্তা চেতনাৰ ইংগিত দেখিবলৈ পোৱা যায়। উদাহৰণস্বৰূপে, মানৱীয় কল্পনাশক্তিৰ সম্ভৱনাৰ বার্তাবাহী ব্লেইকে জন লক প্রভৃতিয়ে পোষকতা কৰা আৰু ওঠৰশ শতিকাত অত্যন্ত প্রভাৱশালী হৈ পৰা যুক্তিবাদী-বস্তুবাদী চিন্তাৰ বিৰুদ্ধে বিদ্রোহ ঘোষণা কৰি কল্পনাৰ প্রাধান্য প্রতিষ্ঠা কৰে উক্ত ৰচনা দুখনতেই। অৱশ্যে এই পদ্ধতিৰে ছপা হোৱা ব্লেইকৰ যুগমীয়া কৃর্তী হ'ল Songs of Innocence। সুক্ষ্ম ছন্দ সজ্জা আৰু ছবি সমূহে ইয়াৰ গীতি কবিতাসমূহৰ স্নিগ্ধ ফুলাম সৌন্দর্যৰ ৰহন বঢ়াইছে। তেনেকৈ ব্লেইকৰ অন্য উল্লেখযোগ্য কৃর্তীসমূহ হ'ল—

The Book of thel (১৭৮৯ চনত খোদাই সম্পূর্ণ)

The French Revolution (১৭৯১)

The Marriage of Heaven and Hell (১৭৯৩)

Visions of the Daughters of Albion (১৭৯৩)

Songs of Innocence and experience (১৭৯৪)

উল্লেখযোগ্য যে Songs of Innocence and experience (দুখন কবিতাপুথিৰ একত্ৰ সংকলন) ইংৰাজী গীতিধৰ্মী কবিতাৰ অন্যতম শ্ৰেষ্ঠ সংগ্ৰহ। ইয়াৰ কবিতাবোৰত blank verseৰ পৰীক্ষণ নাই, তাৰ সলনি আছে ইংৰাজী গীত আৰু ধৰ্মীয় পদ (hymn) ত ব্যৱহৃত প্ৰথাগত ছন্দসজ্জা। ইয়াত পৌৰাণিক চৰিত্ৰও অনুপস্থিত। কবিতাখিনিত 'মানৱাত্মাৰ দুই বিপৰীত দিশ' দেখুওৱা হৈছে বুলি কবিয়ে নিজেই উল্লেখ কৰিছে। উক্ত কবিতাবোৰত একোটা সৰল গীতৰ গাঁথনিৰ মাজেৰে প্ৰকাশ পোৱা ভাৱ-চিন্তাৰ আবেদনো প্ৰত্যক্ষ আৰু তাৎক্ষণিক। কবিতাবোৰত কবিৰ সামগ্ৰিক দৃষ্টি ফুটি উঠিছে। প্ৰথমচোৱাৰ কবিতাখিনি যদি নিষ্পাপ মানৱীয় অৱস্থাৰ কল্পিত ৰূপ, পিছৰচোৱা কবিতাত (অৰ্থাৎ Songs of Experience ৰ থলটোত) সেই নিষ্পাপতা জীৱন যাত্ৰাৰ পদাঘাতত বিপৰ্যস্ত, কলুষিত। ব্লেইকৰ বাবে সৃষ্টিশীল কল্পনাৰ সক্ৰিয় জগতখন হ'ল মূল বাস্তৱ। প্ৰাত্যহিক বাস্তৱৰ, অভিজ্ঞতাবাদী দৰ্শনৰ কবলত পৰি মানুহে অন্তৰ্জগতৰ এই সৃষ্টিশীল সম্ভাৱনা আৰু শান্তি হেৰুৱাই পেলায়। অসততা, ভণ্ডামি, স্বাৰ্থপৰতাই মনৰ নিষ্পাপ অৱস্থা দূৰ কৰে।

ভাতৃ ৰবাৰ্টৰ মৃত্যুৰ পিছত টেমছ নৈৰ দক্ষিণৰ লেম্বেথত ব্লেইকে সপত্নীক কটোৱা সাত বছৰত প্ৰকাশ কৰা গ্ৰন্থসমূহ হৈছে ক্ৰমে—

Americam, A Prophecy (১৭৯৩)

Europe, A Prophcey (১৭৯৪)

The Book of Urizen (১৭৯৪)

The Book of Ahania (১৭৯৫)

The song of Los (১৭৯৫)

The song of Los (১৭৯৫)

ইয়াৰে আটাইকেইখনেই ভৱিষ্যৎ বাণীপূৰ্ণ ৰচনা য'ত কল্পনা, যুক্তি,বিদ্ৰোহী চেতনা ইত্যাদি পৰস্পৰ বিৰোধী শক্তিৰ মাজত মহাকাব্যিক যুদ্ধ ৰূপায়িত হৈছে।

১৮০৪-১৮০৮ চনৰ সময়ছোৱাত ব্লেইকে Milton নামৰ চুটি মহাকাব্য ৰচনা কৰে, য'ত তেওঁ মিল্টন আৰু চয়তানৰ মাজৰ দ্বন্দ্ব ৰূপায়িত কৰে। Jerusalem যি ব্লেইকৰ দীৰ্ঘতম মহাকাব্য, প্ৰায় একে সময়ৰেই ৰচনা।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ কবি উইলিয়াম ব্লেইকৰ জীৱন আৰু বৃত্তিৰ চমু পৰিচয় আগবঢ়াওক। (১৫০ টা শব্দৰ ভিতৰত)

.....

১.৪ হ'লি থার্চডে' (Holy Thursday)

১.৪.১ মূল ইংৰাজী কবিতাটোৰ পাঠ

Twas on a Holy Thursday, their innocent faces clean,
The children walking two & two in red & blue & green;
Grey headed beadles walkd before with wands as white as snow
Till into the high dome of Paul's they like Thames waters flow.

O what a multitude they seemd these flowers of London town!
Seated in companies they sit, with radiance all their own.
The hum of multitudes was there but multitudes of lambs,
Thousands of little boys & girls raising their innocent hands.

Now like a mighty wind they raise to heaven the voice of song,
Or like harmonious thunderings the seats of heaven among.
Beneath them sit the aged men, wise guardians of the poor,
Then cherish pity, lest you drive an angel from your door.

১.৪.২ কবিতাটোৰ সাধাৰণ আলোচনা

আলোচ্য 'হ'লি থার্চডে' নামৰ কবিতাটো ব্লেইকৰ ছংছ অফ ইন'ছেন্স নামৰ কাব্য সংকলনৰ অন্তর্গত। ই ব্লেইকৰ জনপ্রিয় গীতিধর্মী কবিতাবোৰৰ অন্যতম। 'উজ্বল ছপা' (Illuminated printing) পদ্ধতিত ১৭৮৯ চনত কবিয়ে কাব্য গ্রন্থখন প্রকাশ কৰি উলিয়াইছিল, নিঃসন্দেহে কবিতাটো তেওঁৰ কাব্য পৰিক্রমাৰ প্রথমভাগৰ অন্তর্গত। ইতিমধ্যে উল্লেখ কৰা হৈছে যে ১৭৯৪ চনত উক্ত কাব্যগ্রন্থৰ লগত 'ছংছ অফ এক্সপেৰিয়েন্স'ৰ কবিতাখনি সন্নিবিষ্ট কৰি ব্লেইকে 'ছংছ অফ ইন'ছেন্স এণ্ড এক্সপেৰিয়েন্স' উলিয়ায়। এই থুলটোৰ অন্য কবিতাবোৰৰ দৰে 'হ'লি থার্চডে'তো কবিৰ গভীৰ কাব্য দৃষ্টি, নিটোল গাঁথনিৰ প্রতি ধ্যানস্থ মনোযোগ আৰু শিল্পীসুলভ নির্মাণ-সচেতনতাৰ সমন্বয় লক্ষ্য কৰা যায়। মন কৰিবলগীয়া কথা যে ইন'ছেন্স আৰু 'এক্সপেৰিয়েন্স'ৰ সুকীয়া থুলত কবিৰ কেবাযোৰাও একে নামৰ কবিতা সন্নিবিষ্ট হৈছে। তেনেকৈ 'ছংছ অফ এক্সপেৰিয়েন্স'ৰ মাজতো 'হ'লি থার্চডে' বোলা অন্য এটা কবিতা আছে। দুয়োটা কবিতাৰ সুৰ বা মেজাজ সুকীয়া হ'লেও পটভূমিৰ ঐক্য আৰু ভাৱৰ ধাৰাবাহিকতা লক্ষণীয়। এতেকে আলোচ্য কবিতাটোৰ বিচাৰত 'এক্সপেৰিয়েন্স'ৰ উক্ত কবিতাটোৰেও আমাক সহায় কৰিব।

'হ'লি থার্চডে'ৰ পটভূমি এনেধৰণৰ ঃ লণ্ডনৰ ছেইন্ট পল্‌ছ কেথিড্রেলৰ এটা ধর্মীয় অনুষ্ঠানত প্রতিবছৰে মহানগৰীৰ বিভিন্ন দাত্ব্য বিদ্যালয়ৰ ছহেজাৰ ল'ৰা ছোৱালীক সমবেত কৰোৱা হৈছিল। নিজ নিজ আবাস (Parish) ৰ পৰা শিশুবোৰে দুজন দুজনকৈ শাৰী পাতি আহিব লাগিছিল। সিহঁতে বিশেষ ৰঙৰ হলৌ-চোলা আৰু বেজ পৰিধান কৰি ধর্মযাজকৰ নেতৃত্বত সু-শৃংখলভাৱে খোজ কাঢ়ি কেথিড্রেলৰ প্রাঙ্গনত সমবেত হৈছিল আৰু একত্রে ধর্মীয় প্রার্থনা গাইছিল। বিভিন্ন প্রত্যক্ষদর্শীয়ে লিখি থৈ যোৱা টোকা ইত্যাদি ঐতিহাসিক সমলৰ পৰা আমি গম পাওঁ যে শত-সহস্র শিশুৰ সমবেত কণ্ঠৰ সামগ্রিক আবেদন টুলুঙা নাছিল, ই মানুহক গভীৰভাৱে আলোড়িত কৰিছিল। (ব্লেইকে হেনো নিজেও একাধিকবাৰ এই বিখ্যাত অনুষ্ঠান উপভোগ কৰিছিল)। যেনে, যোছেফ হেৰ্ড্ন (Joseph Heydn) নামৰ এজন প্রত্যক্ষদর্শীয়ে লিখিছে "No music ever moved me so deeply in my whole life... I stood there and wept like a child." মুঠৰ ওপৰত ছেইন্ট পল্‌ছ কেথিড্রেলৰ বার্ষিক অনুষ্ঠানৰ গভীৰ আবেগিক পৰিমণ্ডলেই হ'ল 'হ'লি থার্চডে' কবিতাটোৰ পটভূমি।

স্পষ্টত ঃ কবিতাটো নিস্পাপ অৱস্থাৰ উদ্‌যাপন,ইয়াত বিদ্রোহী কবিৰ সমাজৰ প্রতি বিষোদগাৰ বা অত্যাচাৰী ব্যৱস্থাৰ প্রতি ধিক্কাৰ নাই।

Twas on Holy Thursday, their innocent faces clean

.....

Till into high dome of Pauls they like Thames water flow.

Thousands of little boys & girls raising their innocent hands

চিহ্নিত শাৰী কেইটাই ল'ৰা ছোৱালীহঁতৰ অসংকোচ,সাৱলীল গতি বা সিহঁতৰ নিষ্কলুষ মনৰ কথাই সূচাইছে। ক'বলৈ গ'লে 'ছংছ অফ ইন'ছেন্স'ৰ কবিতাবোৰ শুৱনি আৰু চিকুণ, অভিজ্ঞতাৰ বিষাক্ত আঁচোৰে তাক ভাৰাক্রান্ত কৰি পেলোৱা নাই । নিষ্পাপ অৱস্থাৰ অন্ধকাৰ দিশ ইয়াত গুৰুত্বপূর্ণ নহয়। মন কৰিব লাগিব, নিষ্পাপ অৱস্থা আৰু অভিজ্ঞতাৰ দৃষ্টি ইয়াৰ কোনোটোৱেই ব্লেইকৰ সম্পূর্ণ জীৱন বীক্ষাক প্রতিফলিত নকৰে। অকলুষতা (innocence) আৰু অভিজ্ঞতা মানৱাত্মাৰ দুই বিপৰীত অথচ সংলগ্ন দিশ- আৰু ইয়াতেই কবিৰ দ্বান্দ্বিক জীৱনদৃষ্টিও লুকাই আছে। সেয়ে Innocence ৰ শিশুসুলভ নিষ্পাপ দৃষ্টি অসম্পূর্ণ, কিন্তু বর্ণিত শিশুহঁত সেই অসম্পূর্ণতা সম্পর্কে অজ্ঞ। উদাহৰণস্বৰূপে 'ছংচ অফ ইন'ছেন্স'ৰ অন্তর্গত 'দ্যা চিমনী ছুইপাৰ' নামৰ কবিতাটোলৈ চাওক। ইয়াত ঘৰৰ চিমনি পৰিস্কাৰ কৰা তেনেই সৰু দুই শিশুৰ দুঃসহ কষ্টৰ মাজত এজনে আনজনক সান্ত্বনা দিছে। টম ডেকৰ নামৰ শিশুটোৱে ৰাতি সপোনত দেখিছে যে এক দেৱদূতে সিহঁতক দূৰৰ মুকলি ৰঙীয়াল পথাৰলৈ উৰুৱাই লৈ গৈছে আৰু টমক ভাল ল'ৰা হ'বলৈ পৰামর্শ দিছে। পিছদিনা

পুৰা টমে হাড় কঁপোৱা জাৰতো এক উষ্ণতা অনুভৱ কৰিছে আৰু ভাবিছে-নিজৰ দায়িত্ব ঠিকমতে পালন কৰিলে সিহঁতৰ একো অনিষ্ট হ'ব নোৱাৰে। কিন্তু ইতিমধ্যেই নিৰিহ শিশুৰ এই অন্ধকাৰাচ্ছন্ন জীৱনটোৱে ৰেখাপাত কৰা সহৃদয় পঢ়ুৱৈক নিশ্চয় এই মিছা সান্ত্বনাই আশ্বান্ত কৰিব নোৱাৰে, বৰঞ্চ টমৰ এই আন্তৰিক উপলব্ধিয়ে এক কৰুণ পৰিহাসৰহে জন্ম দিয়ে। অর্থাৎ ইন'ছেন্সৰ কবিতাবোৰ মাথো নিস্পাপ অৱস্থাৰ কেতবোৰ নিশ্চল ছবি নহয়, ইংগিতধর্মী ভাষা আৰু সুৰৰ প্রয়োগৰ জৰিয়তে উন্মোচিত হোৱা সুক্ষ্ম পৰিহাসময় পৰিস্থিতিৰ ৰূপায়ণৰ মাজতেই ব্লেইকৰ কাব্য শক্তিৰ উমান পাব পাৰি। আলোচ্য কবিতাটোৰ দ্বিতীয় শাৰীটোলৈ চাওক ঃ

The children walking two & two in red & blue green ইয়াতে ধ্বনীগত ছন্দৰ নিয়মিত সাৱলীল গতিয়ে শিশুৰ সমদলৰ অনুশাসিত গতিকেই সূচাইছে, যেন গন্তব্যৰ বাহিৰে শিশুহঁতৰ অন্য আহুকলীয়া ভাৱনা নাই। কিন্তু ইয়াৰ পৰৱর্তী শাৰীত এই সমদলক নেতৃত্ব দিয়া ধর্মযাজকক সূচোৱা হৈছে 'grey headed beadles বাক্যাংশৰে। তেওঁলোকৰ হাতত 'ৰৰফৰ দৰে বগা' ধর্মদণ্ড। অর্থাৎ 'নিয়ন্ত্রণ' আৰু 'অনুশাসন'ৰ অনুষংগ স্থাপিত হ'ল। grey headed beadles ত ফুটি উঠিছে কঠোৰ ধর্মযাজকৰ ছবি। 'wands as white as snowৰ ইংগিত নির্জীৱ, শীতল, মৃত্যুসম অৱস্থাৰ। তৃতীয় স্তৱকত শিশুসকলৰ জীৱনৰ অৱস্থাৰ উমান দিয়া হৈছে। সিহঁতৰ পিছফালে উপবিস্থ অভিভাৱকৰ উল্লেখেৰে যিসকল 'wise guardians of the poor'। সুক্ষ্মভাৱে নিৰীক্ষণ কৰিলে বুজা যায় যে এই বিশেষণ জাপি দিয়া হৈছে আৰু ইয়াত মৃদু ব্যংগৰ ৰেশ অনুভৱ কৰিব পাৰি।

তৃতীয় স্তৱকত ইতিপূর্বে বর্ণিত নিস্পাপ, নিৰীহ আৰু আজ্ঞানুৱর্তী,শিশুৰ ছবিখন কিছু সলনি হৈছে। সিহঁতে সমস্বৰে প্রার্থনা সংগীত গাইছে; কিন্তু ই দুর্বল, অনুচ্ছ গুঞ্জন নহয়। এই সমবেত কণ্ঠস্বৰ উত্তাল বতাহৰ সোঁতৰ দৰে সৰগৰ বুকুত বাজি উঠিছে বজ্রৰ দৰে।

Now like a mighty wind they raise to heaven the voice of song.

Or like harmonious thunderings the seats of heaven among.

বেগৱতী বতাহ আৰ বজ্রৰ অনুষঙ্গই প্রকৃতিৰ অনমনীয়, অপ্রতিৰোধ্য শক্তিৰ কথা সোঁৱৰায়। অর্থাৎ যি সংগীতৰ সমবেত ধ্বনীৰ মাজেৰে নিস্পাপতাৰ ৰাজহুৱা গুণগান কৰা হৈছে, সেই সংগীতেই ক'বনোৱাৰাকৈয়ে এক অতি প্রাকৃতিক শক্তি আৰু ঐশ্বর্য্য আয়ত্ব কৰি যেন এক স্বর্গীয় বিচাৰৰ বাবে আবেদন কৰিছে। 'হ'লি থার্চডে'ৰ নিৰীহতাৰ উচ্ছাসিত বন্দনাৰ মাজত নিৰীহ শিশুৰ গাত নিহিত সম্ভাব্য বিৰোধী শক্তি আৰু সম্ভাবনাৰ উমান দিয়া হৈছে।

কিন্তু এই নিৰীহ অৱস্থাৰ উদ্‌যাপনৰ লক্ষ্য কি? মানুহৰ মাজত পুতৌ আৰু সহানুভূতিৰ সৃষ্টি কৰা। কবিতাটোৰ অন্তিম শাৰীৰ তাৎপর্য মন কৰিবলগীয়া। যদি গোটেই কবিতাটো এটা ৰাজহুৱা দৃশ্যৰ ৰূপায়ণ বুলি ধৰা যায় (কবিসত্তা আৰু পঢ়ুৱৈ উভয়েই সেই দৃশ্যৰ দর্শক) শেষৰটো শাৰী উক্ত নৈর্বক্তিক দৃশ্যৰ পৰা আঁতৰি আহি পঢ়ুৱৈৰ লগত মুখামুখি হৈছে।

Then cherish pity, lest you drive an angel from your door.

ইতিপূর্বেই শিশুৰ দুই বিপৰীত ছবি আমি পাঁও— স্বর্গীয় আভাৰে আলোকিত শিশু (with radiance all their Town) আৰু সিহঁতৰ দৰিদ্রতা । শেষৰ শাৰীত এই দুই বিপৰীত অপাক্তয় অনুষঙ্গ নাটকীয়ভাৱে লগ লাগি এক কৰুণ অভিঘাটৰ সৃষ্টি কৰিছে। ঘৰৰ পৰা বাহিৰ কৰি দিয়া দেৱদূতৰ সামাজিক স্থিতি পৃথিৱীৰ নির্মমতা পঢ়ুৱৈলৈ আগবঢ়োৱা সহানুভূতিৰ পাঠৰ জৰিয়তে অধিক গভীৰ হৈছে। নকলেও হ'ব সহানুভূতিশীল হ'বলৈ কোৱা এই নৈতিক শিক্ষা কবিতাটোৰ মূল নৈতিক শিক্ষা নহয়, বৰং অসাম্যৰ জগতত এনে নৈতিক শিক্ষাৰ অৱতাৰণাই ব্লেইকৰ সময়ৰ সামাজিক জগতখনৰ অন্ধকাৰখিনিকেই যেন ঘনীভূত কৰিছে।

১.৪.৩ কবিতাটোৰ বিষয়বস্তু

'হ'লি থার্চডে'ত নিস্পাপ অৱস্থাৰ স্বৰূপ উন্মোচিত হৈছে। নিৰীহ শিশুৰ ইশ্বৰ ভক্তি আৰু বন্দনাৰ জৰিয়তে পুতৌ বা কৰুণাৰ সঞ্চাৰ ঘটোৱা কবিতাটোৰ কেন্দ্রীয় ভাৰ নহয়, ই কবিতাটোৰ পটভূমিহে। তেনেকৈ, দৰিদ্রৰ প্রতি সহানুভূতিশীল হ'বলৈ দিয়া শিক্ষা কবিতাটোৰ নৈতিক চিন্তাৰ লগত একাকাৰ কৰিব নোৱাৰি। মূলতঃএজন সহানুভূতিশীল দর্শকৰ আবেগিক সঁহাৰিৰ জৰিয়তেই সহস্রাধিক শিশুৰ কেথিড্রেল অভিমুখী যাত্রা আৰু সামুহিক প্রার্থনাৰ ৰাজহুৱা দৃশ্য তুলি ধৰা হৈছে যদিও কবিসত্তাই এই নির্মল, নিস্কলুষ দৃশ্যপটৰ আঁৰৰ কেতবোৰ অস্বস্তিকৰ উপাদানো তুলি ধৰিছে। যেনে, কবিতাটোত নিষ্পাপতা তেনেই সৰল ধূলি-মাটিৰ বাস্তৰ নহয়, বৰং ইয়াক ৰাজহুৱাভাৱে আৰু সচেতনভাৱে প্রদর্শন কৰোৱা হৈছে।

'Twas on a Holy Thursday their innocent faces clean. অর্থাৎ এই innocence পৰিকল্পিত, কষ্টপ্রনোদিত। এয়া অনুমেয় যে সিহঁতৰ প্রকৃত অৱস্থাটো নিশ্চয় ইমান সৰল অথবা সমস্যাবিহীন নহয়। "The chimey Sweeper", "The little Boy Lost", The Little Boy Found" ইত্যাদিকে ধৰি আন কবিতাত ব্লেইকে শিশুৰ সমস্যাবহুল, নিষ্পেষিত পৃথিৱীখন অংকন কৰিছে। আমি যদি 'ছংচ অফ এক্সপেৰিয়েন্স'ত থকা একে নামৰ ('হলি থার্চডে') কবিতাটোলৈ চাও, শিশুৰ এই নির্মল, নিৰীহ অৱস্থাৰ আঁৰৰ প্রকৃত ছবিখন অধিক স্পষ্টৰূপত দেখিবলৈ পাওঁ। শিশুৰ যিটো অৱস্থা আলোচ্য কবিতাটোত ব্যঞ্জনাময় ভাষা বা মেটাফৰৰ আঁৰত

লুকাই আছে, এক্সপেৰিয়েন্সৰ একে নামৰ কবিতাটোত ক্ষোভমিশ্রিত তিক্ত কণ্ঠৰে প্রত্যক্ষভাৱে কবিয়ে উদঙাই দিছে ঃ

Is that Trembling cry a song?
Can it be a song of joy?
And so many children poor?
It is a land of poverty!

এয়া অনুমেয় যে নিজৰ অজ্ঞাতেই এই শিশুবোৰ অভিভাৱকৰ কঠোৰ অনুশাসন, নিয়ন্ত্রণ, এনেকি অত্যাচাৰৰ বলি। (শেষৰ শাৰীৰ "lest you drive an angel from your door) বাক্যাংশটিলৈ মনত পেলাওঁক। কিন্তু কবিৰ বাবে শিশু কেৱল মানুহৰ সন্তান নহয়, লণ্ডন নগৰীৰ শত সহস্র ফুলৰ দৰে এই শিশুবোৰ এক অনির্বচনীয় স্বর্গীয় আভাৰে আলোকিত। দ্বিতীয় স্তবকৰ এটা শাৰীত শিশুবোৰক ভেড়া পোৱালীৰে ৰিজোৱা হৈছে। ব্লেইকৰ প্রতিকী ব্যৱস্থাত ভেড়া পোৱালী অথবা ভেড়াৰখীয়া ঈশ্বৰৰ প্রতীক। শিশুৰ এই ঐশ্বৰিকতাই ইংগিত দিয়ে আদহীয়া, কঠোৰ অভিভাৱকৰ লগত সিহঁতৰ সম্পকটো কিমান সমস্যাবহুল আৰু অস্বাভাৱিক। এফালে স্বর্গীয় আভাৰে আলোকিত শিশু, আনফালে 'grey headed beadles' আৰু বৰফৰ দৰে বগা ধর্মদণ্ডত সকীয়নি, নিয়ন্ত্রণৰ মৃত্যু-শীতল কঠোৰতা। শিশুৰ নিষ্পাপ অৱস্থাটো গভীৰভাৱে পৰিহাসময়।

কবিতাটোৰ আর্থসামাজিক ইতিহাস খুচৰিলে এই পৰিহাসময় পৰিস্থিতিটো অধিক বোধগম্য হ'ব। Society for promoting Christian knowledge, চমুকৈ SPCK স্থাপিত হৈছিল ১৬৯৯ চনত। এই সংগঠনটোৱে ব্রিটেইন আৰু আয়াৰলেণ্ডৰ দাতব্য বিদ্যালয়সমূহ পৰিচালনা কৰিছিল। ১৭২৩ চনত বার্ণার্ড মেণ্ড'ভিলে দাতব্য বিদ্যালয় ব্যৱস্থাৰ ওপৰত তীব্র সমালোচনা আগবঢ়োৱাৰ পিছত SPCK ই এই বিদ্যালয়সমূহত অধিক শৃংখলা আৰু কঠোৰতা প্রৱর্তন কৰিছিল। ১৭৮০ চনত লণ্ডনত হোৱা গর্ডন ৰায়ট (Gordon Riots) ৰ ফলত সর্বত্রই অৰাজকতাৰ ত্রাস বিয়পি পৰাত এই বিদ্যালয়সমূহৰ অনুশাসন অধিক কটকটীয়া হৈছিল। এইখিনিতে দুখীয়া শিশুবোৰক এই ব্যৱস্থাই কিদৰে গঢ় দিব বিচাৰিছিল,সেই কথা জনাটো দৰকাৰ।

শিশুক সমাজৰ আধ্যাত্মিক স্বাস্থ্যৰ এটা সূচকাংক হিচাপে গণ্য কৰা হৈছিল। উক্ত বিদ্যালয়সমূহত দৰিদ্র শিশুবোৰক সহজ ব্যৱহাৰিক শিক্ষা দিয়া হৈছিল যাতে ভৱিষ্যতে সিহঁতে লণ্ডৰা, সহায়কাৰী বনুৱা বা জাহাজৰ শ্রমিক হ'ব পাৰে। SPCK ই যিবোৰ ধর্মীয় পুষ্টিকা, নিয়মাৱলী, নিদের্শাৱলী ইত্যাদি প্রকাশ আৰু প্রচাৰ কৰিছিল, তাত প্রয়োজনাধিক আশা বা উচ্চাকাংক্ষাৰ বিৰুদ্ধে সদায় শিশুবোৰক সকীয়াই দিয়া হৈছিল। অতি শিক্ষা বা Over education ৰ বিৰুদ্ধে সাৱধানবাণী শুনোৱা হৈছিল। দাতব্য বিদ্যালয়সমূহত গীতৰ প্রশিক্ষণ দিয়া হৈছিল যদিও এটা সময়ত 'অকলশৰীয়াকৈ

গোৱা পদ্ধতি উঠাই দিয়া হৈছিল কাৰণ তেনে ব্যক্তগত উৎকর্ষতাৰ পৰিণতি হ'বগৈ উচ্চাকাংক্ষা আৰু সমাজৰ ওপৰ খাপলৈ উঠাই যোৱাৰ ইচ্ছা! আনহাতে ছেইন্ট পলছ' কেথিড্রেলৰ বার্ষিক অনুষ্ঠানত শিশুৰ সমূহীয়া প্রার্থনাৰ পিছত হোৱা ধর্মযাজকৰ নৈতিক ভাষণত শিশুসকলক সদায় ইশ্বৰ আৰু সিহঁতৰ ত্রাণকর্তা (benefactor) সকলৰ প্রতি শ্রদ্ধাশীল হবলৈ, তেওঁলোকৰ কৃপাৰ কথা সর্বদা মনত ৰাখিবলৈ উপদেশ দিয়া হৈছিল।

১.৪.৪ কবিতাটোৰ ৰচনাশৈলী

'হ'লি থার্চডে' উইলিয়াম ব্লেইকৰ গীতিধর্মী কবিতাবোৰৰ মাজৰ এটা উল্লেখযোগ্য কবিতা। কবিতাটোৰ মূল শৈলীগত বৈশিষ্ট্য হ'ল ইয়াৰ গীতিধর্মিতা। এইখিনিতে উল্লেখ কৰিব পাৰি যে গীতিধর্মিতা ৰোমান্টিক কাব্যশৈলীৰ প্রধান বৈশিষ্ট্য আছিল। গীতিধর্মিতাৰ বৈশিষ্ট্য হ'ল কোনো এক কবি সত্তাৰ একান্তই আপোন আবেগৰ সাৱলীল বিকাশ।

আলোচ্য কবিতাটোত কবিয়ে অতীতৰ দৃশ্যৰাজি বর্ণনা কৰিছে। যদিও স্মৃতিৰ পৰাই তেওঁ দৃশ্যটো অংকন কৰিছে, এই এই স্মৃতি নজহা-নপমা, ইয়াৰ আবেগিক পৰিমণ্ডল বিস্ময় আৰু উচ্ছাসিত প্রশংসাই নির্ধাৰিত কৰি দিছে। এই আবেগিক উচ্ছাস প্রচ্ছন্ন হৈ উঠিছে এনে শাৰীত। O what a multitude they seemed these flowers of London town !

আচলতে কবিতাটোত শিশুৰ সমদলৰ পৰা সমবেত প্রার্থনা সংগীতলৈ ছেইন্ট পল্‌ছ কেথিড্রেলৰ বার্ষিক অনুষ্ঠানটোৰ প্রতি প্রত্যক্ষদর্শীৰ আবেগিক সঁহাৰিৰ কাব্যিক ৰূপায়ণ বুলি ক'ব পাৰি। আচলতে 'দ্য ছংচ অফ ইন'ছেন্স এণ্ড অফ এক্সপেৰিয়েন্স' ৰ কবিতাবোৰত আমি দেখিবলৈ পাঁও মানৱীয় আবেগৰ জ্ঞান আৰু ইয়াৰ প্রতি সহৃদয় মনোযোগ। কিন্তু এই আবেগিক শাহটোৰেই নিশ্চয় ৰূপায়ণৰ একমাত্র কথা নহয়। ছেইক্রিড্ উড্ গ্রন্থৰ ব্লেইকৰ ওপৰত লিখা ৰচনাখনত টি এছ এলিয়টে কৈছে যে ৰোমান্টিক কবিগৰাকীয়ে এহাতে যেনেকৈ মানৱাত্মাৰ অন্তৰতম প্রদেশৰ ৰুগ্নতা আৰু শক্তিক সাধুতাৰে উন্মোচন কৰিছে, অন্যহাতে কবিয়ে প্রমাণ কৰিছে ই কাৰিকৰী দক্ষতা। আলোচ্য কবিতাটোত যেনেকৈ অতি পৰিমিত শব্দ লানিৰেই এটা বিৰাট দৃশ্যৰ ভাৰ আৰু প্রকাশ পাইছে সি ব্লেইকৰ অসাধাৰণ শিল্পীসুলভ দৃশ্যগত কল্পনাৰেই উমান দিয়ে। এইখিনিতে মনত ৰখা ভাল হ'ব যে কবিয়ে কবিতাবোৰ ছপা ৰূপত একোটা পাঠ (Text) ৰ লগত ছবি (Illustration) ও সংলগ্ন কৰিছে। ব্লেইকৰ ছপা গ্রন্থত *'হ'লি থার্চডে'* কবিতাটোৰ লগতে ইয়াৰ কল্পিত ছবিখনো সংযোজিত হৈছে। কবিতাটো কেৱল আবেগৰ স্বতঃস্ফুর্ত প্রকাশ বুলি ক'ব নোৱাৰি। কোনো এক

সম্পূর্ণ সার্থক শিল্পকর্মৰ দৰেই ইয়াক নির্মলভাৱে নির্মাণ কৰা হৈছে। উদাহৰণস্বৰূপে কবিতাটোৰ সাৱলীল আবেগিক গতিৰ আঁৰত আছে অন্ত্যমিল (Rhyme) আৰু ছন্দ্র (Rhythm) ৰ ভূমিকা। এই ছন্দসজ্জা অৱশ্যে পূর্বানুমেয় নহয়, ভাৱ আৰু দৃশ্যৰ সূক্ষ্ম বিন্যাসৰ লগত ইয়াৰ সম্বন্ধ। কবিতাটো তিনিটা স্তৱকত বিভক্ত, একোটা স্তৱকে ধর্মীয় পর্বটিৰ এটা বিশেষ দিশ বা পর্যায় সূচীত কৰিছে।

অৱশেষত কবিতাটোৰ ইংগিতধর্মী ভাষাৰ বিষয়ে নকলে আলোচনা অসম্পূর্ণ হ'ব। এটা উল্লেখযোগ্য বৈশিষ্ট্য হ'ল পুনৰুক্তি (repetition) ৰ ব্যৱহাৰ। যেনে, প্রথম দুটা স্তৱকত 'innocent' শব্দটো দুবাৰ ব্যৱহাৰ হৈছে। কিন্তু প্রথম শাৰীৰ 'their innocent faces clean' বাক্যাংশই ইংগিত দিয়ে যে এই innocene স্বাভাৱিক নহয়, বৰঞ্চ ৰাজহুৱা প্রদর্শনৰ বাবে সাজু কৰি ৰখা একধৰণৰ ভাও। ঠিক তেনেকৈ 'multitude' শব্দটো তিনিবাৰ ব্যৱহাৰ হৈছে। আৰু ইয়াৰ লগত সংখ্যাবাচক বিশেষ্য (Thousands of') যুক্ত হৈ অগণন শিশু সমবেত হোৱা বিশাল দৃশ্য এটা নির্মাণ কৰিছে। আটাইতকৈ গুৰুত্বপূর্ণ দিশটো হ'ল শিশুৰ লগত জড়িত বিভিন্ন লক্ষণ বা মেটাফৰৰ ব্যৱহাৰ। প্রথম স্তৱকত যদি শিশুৰ সমদলৰ টেমছ নদীৰ পানীৰ সোঁতৰ লগত তুলনা কৰা হৈছে। দ্বিতীয় স্তবকত সমবেত শিশুৰ ৰিজনি দিয়া হৈছে লণ্ডন নগৰৰ অগণন ফুলৰ লগতে তেনেকৈ—

The Hum of Multitude was there but multitudes of lambs

ভেড়াপোৱালীৰ লগত শিশুৰ তুলনা অর্থবহ। প্রতীকৰ ব্যৱহাৰ ব্লেইকৰ কবিতাৰ উল্লেখনীয় বিশিষ্ট্য নৈসর্গিক। কেতবোৰ প্রতীক ব্যক্তিগত কিন্তু কেতবোৰ তেনেই পোনপটীয়া। যেনে শিশু, ফুল, নিসর্গৰ কোনো উপাদান বা ঋতু, ভেড়াপোৱালী নিষ্পাপ অৱস্থাৰ প্রতীক। আনহাতে ভেড়াপোৱালী, ভেড়া ৰখীয়া ইত্যাদিয়ে ইশ্বৰকো সূচায়।

কিন্তু প্রথম দুটা স্তবকত ফুটি উঠা শিশুৰ এই নিস্পাপ বা ঐশ্বৰিক গুণ শেষৰ স্তবকত বজ্রসম সমলয়ৰ জৰিয়তে সম্প্রসাৰিত হৈ এক অনন্য শক্তিৰ আধাৰলৈ ৰূপান্তৰিত হৈছে, যাৰ তুলনাত দৰিদ্রৰ জ্ঞানী অভিভাৱকসকলৰ স্থান তেনেই তলত।

"Beneath them sit the aged men, wise gurdians of the poor"

অর্থাৎ আপাতদৃষ্টিত তেনেকৈ সৰল কবিতাটোৰ ভাৱমণ্ডল ইমান সৰল নহয়, আনুষ্ঠানিক ধর্মীয় নৈতিকতাৰ পৰিসীমাৰ মাজত সি বন্দী নহয়। কবিতাটোৰ প্রতীকধর্মী, ইংগিতমুখৰ ভাষা সুক্ষ্মভাৱে অনুধাৱন কৰিলে এই কথাৰ সভ্যতা ওলাই পৰিব।



অগ্রগতি নিৰীক্ষণ

প্ৰশ্ন নং ২ ঃ *'হলি থার্চডে'*ত ব্লেইকে নিষ্পাপ অৱস্থা আৰু অভিজ্ঞতাৰ মাজৰ দ্বন্দ্ব কেনেকৈ ৰূপায়ণ কৰিছে? (১০০টা শব্দৰ ভিতৰত)

.....

প্ৰশ্ন নং ৩ ঃ কবিতাটোৰ শেষৰফালে ফুটি উঠা সমবেদনা বা কৰুণাৰ আঁৰত একধৰণৰ পৰিহাস পৰিলক্ষিত হৈছেনে? যুক্তিপূৰ্ণ ব্যাখ্যা আগবঢ়োৱা। (২০০টা শব্দৰ ভিতৰত)

.....

১.৪.৫ কবি হিচাপে উইলিয়াম ব্লেইকৰ মূল্যায়ন

নিজৰ জীৱন কালত ব্লেইক কবি হিচাপে জনপ্ৰিয় নাছিল। তেওঁৰ অগ্ৰজ সমসাময়িক উইলিয়াম ক'পাৰ প্ৰভৃতি কবিৰ জনপ্ৰিয়তাৰ বিপৰীতে ব্লেইকৰ সাধনা আছিল নিঃসংঙ্গ। কবিৰ কাব্য প্ৰতিভা কুৰি শতিকাত প্ৰতিষ্ঠিত হয়।

- অষ্টাদশ শতিকাৰ সামাজিক-দাৰ্শনিক চিন্তাৰ বিৰুদ্ধে সুস্পষ্ট আৰু বলিষ্ঠ বিদ্ৰোহৰ উমান পোৱা যায় ব্লেইকৰ কাব্য সাধনাৰ মাজত। তেওঁ উক্ত শতিকাৰ নব্য-ধ্ৰুপদী কাব্যৰ আঙ্গিকৰ নীতি আৰু অনুশাসনৰ বিপৰীতে এক গীতিধৰ্মী, স্বপ্নদৰ্শী কবিতাৰ ধাৰাৰ সূচনা কৰে। অষ্টাদশ শতিকাৰ সৰ্বব্যাপি যুক্তিবাদ-বস্তুবাদ আৰু ফৰাচী বিপ্লৱে সূচনা কৰা স্বাধীনতা আৰু মুক্তিৰ আদৰ্শৰ মাজৰ বৈপৰীত্যই ব্লেইকৰ কবিতাৰ ভাৱমণ্ডল গঢ় দিছে। অৱশ্যে টি এছ এলিয়টে "Blake" নামৰ ৰচনাখনত উল্লেখ কৰিছে যে ৰোমান্টিক কবিগৰাকীৰ কাব্য ভাষা আছিল বিশ বছৰ বয়সলৈকে গ্ৰে', কলিন্স প্ৰভৃতি কবিৰ ভাষা, গদ্যৰ অনুশাসন মানি চলা ভাষা। পিছলৈ নিজৰ সৃষ্টিশীল প্ৰক্ৰিয়াৰ প্ৰতি তন্ময় মনোযোগৰ গুণত তেওঁ এই সীমাবদ্ধতা অতিক্ৰম কৰিছিল। তেওঁৰ শব্দচয়নত এলিজাবেথীয় প্ৰভাৱ আছে বুলি পণ্ডিতসকলে মন্তব্য কৰিছে। কিন্তু মন কৰিব লাগিব যে কেতবোৰ স্বতন্ত্ৰ, চিৰন্তন বিষয় বা ধাৰণাৰ ওপৰত মনোনিবেশ কৰাতকৈও ব্লেইকে নিজৰ জটিল কাব্যদৃষ্টিকহে কবিতাত ফুটাই তুলিছে। একোটা ভাৱ-আবেগৰ সোঁতক গীতিধৰ্মীভাৱে প্ৰকাশ কৰিবলৈ তেওঁ একোটা কবিতাই কেবাবাৰো লিখিছে। কাব্য ৰচনাৰ এই প্ৰক্ৰিয়াত তেওঁ কিমান ধ্যানস্থ আছিল তাৰ উমান পোৱা যায় তেওঁৰ অতীন্ত্ৰিয় অনুপ্ৰেৰণাৰ বিশ্বাসত। ব্লেইকে বিশ্বাস কৰিছিল যে তেওঁ এক অতি প্ৰাকৃতিক শক্তিৰ শ্ৰুতলিপি মৰ্মেহে কবিতাটিৰ শব্দবোৰ লাভ কৰিছে। ই নিশ্চয় তেওঁৰ তীব্ৰভাৱে সৃষ্টিশীল আৰু কল্পনাপ্ৰৱণ মনৰ তন্ময় অৱস্থাটোৰেই ইংগিত দিয়ে।
- একেসময়তে ব্লেইক আছিল গভীৰভাৱে আধ্যাত্মিক আৰু বিদ্ৰোহী কবি। কোনো

ধৰণৰ প্ৰতিষ্ঠানিক ধৰ্মৰ ওপৰত তেওঁৰ আস্থা নাছিল। অথচ তেওঁ আছিল গভীৰভাৱে ঈশ্বৰ বিশ্বাসী। এই ঈশ্বৰ অসহায় নিক্ৰিয় মানুহৰ কৰা সুদূৰৰ অলৌকিক শক্তি নহয়। দ্য লেম্ব' নামৰ কবিতাত ভেৰাৰখীয়া শিশু আৰু ভেৰা পোৱালীৰ জনক সেই ঈশ্বৰ হ'ল সিহঁতৰ দৰেই শান্ত আৰু নিৰীহ।

He is meek & he is mild,
He became a little child.

আনহাতে এই ঈশ্বৰ কৰুণা, দয়া, শান্তি, প্ৰেম ইত্যাদি মানৱীয় গুণৰাজিৰ আকাৰ। অৰ্থাৎ ব্লেইকৰ আধ্যাত্মিক দৃষ্টিত ঐশ্বৰিকতা আৰু মানবীয়তাৰ মাজত প্ৰভেদ নাই। অথচ আধ্যাত্মিক সাম্যৰ বিপৰীতে ব্লেইকে অৱলোকন কৰিছে বাস্তৱ অভিজ্ঞতাৰ এখন কদৰ্য জগত, য'ত মানুহৰ সৃষ্টিশীল সজীৱ আত্মাক বিভিন্ন ধৰণে কাৰাৰুদ্ধ কৰা হৈছে। সেয়ে ব্লেইকৰ কল্পদৃষ্টিত অভিজ্ঞতা আৰু নিষ্পাপ অৱস্থা দুই বিপৰীতে ক্ষেত্ৰ। কিন্তু innocence আৰু experience. মুক্তিকামী মানৱাত্মাৰ বাবে ঠিক এক বাচনি নহয়। তেন্তে ব্লেইকে কি বিচাৰিছিল? তেওঁ বিচাৰিছিল একধৰণৰ সংশ্লেষণ য'ত অভিজ্ঞতাৰ লগত সংপৃক্ত হৈ থাকে নিষ্পাপ দৃষ্টি। নিষ্পাপ অৱস্থা অজ্ঞতাৰ নামান্তৰ নহয়। প্ৰকৃত নিষ্পাপ অৱস্থা সেইটো যি অভিজ্ঞতাৰ কদৰ্য পাঠ আত্মস্থ কৰি পৰিপুষ্ট হয়।

- ৱৰ্ডছ্ৱৰ্থ, ক'লৰিজ, লেম্ব, হেজলিট প্ৰভৃতি ৰোমান্টিক লেখকক ব্লেইকৰ কবিতাই গভীৰভাৱে আকৰ্ষণ কৰিছিল। তথাপি ব্লেইকৰ সমসাময়িক প্ৰভাৱ আছিল নগণ্য। বিংশ শতিকাত ডব্লিউ বি য়েটছ, এলেন গিনছ্বাৰ্গ আদি কবি ব্লেইকৰ দ্বাৰা গভীৰভাৱে প্ৰভাৱিত হৈছে। মন কৰিবলগীয়া কথাটো হ'ল, মূলত ঃ কবিতাবোৰৰ গীতিধৰ্মিতা আৰু ছন্দসজ্জাৰ কাৰণেই বেঞ্জামিন ব্ৰিটেন, এলেন গিনছ্বাৰ্গ, মাইক ৱেষ্টব্ৰুক, উইলিয়াম ৱলক'ম ইত্যাদিৰ সংগীতৰ ওপৰত ব্লেইকৰ প্ৰভাৱ সবাতোকৈ উল্লেখযোগ্য।



১১.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এই অধ্যায়টিৰ অধ্যায়নে আমাক ইংৰাজ ৰোমান্টিক কবি উইলিয়াম ব্লেইকৰ *'হ'লি থার্চডে'ৰ* লগত পৰিচয় কৰাই দিলে
- আমি ব্লেইকৰ জীৱন, সাহিত্যকৃতি আৰু চিন্তা দৰ্শনৰ বিষয়ে জানিব পাৰিলোঁ
- কবিতাটোৰ ৰচনাশৈলী, ইয়াৰ ভাষা, ছন্দ, চিত্ৰ আৰু গঠনৰ বিষয়ে জানিব পাৰিলোঁ
- নিষ্পাপ অৱস্থা আৰু 'অভিজ্ঞতা'ৰ বৈপৰীত্য, ই ব্লেইকৰ কবিতাৰ ভাৱমণ্ডল কেনেকৈ গঢ় দিছে তাক জানিব পাৰিলোঁ
- কবি হিচাপে ব্লেইকৰ গুৰুত্ব সম্বন্ধে জানিব পাৰিলোঁ।



১.৬ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ ঃ

1. Abrams, M.H and Harpham, G (Eds) (2007) : A Glossary of literary Terms, Thomson wordswosh
2. Blake, william (2005). Selected Poems, London: Penguin Classics.
3. Carter, Ronald and John, Mc Rae (2001): The Routeledge History of Literature in English, Abington: Routeledge.
4. Beer, John (2005); William Blake- A Literary Life; Hampshire : Palgrave Macmillan.
5. Eaves, Morris, (2003); The Cambridge Companion to William Blake; Cambridge; Cambridge University Press.
6. Symons, Arthur (1924) ; William Blake: London: Martin Secker.



১.৭ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১ নং প্ৰশ্নৰ উত্তৰ ঃ ব্লেইকৰ জন্ম, খোদাইশিল্পী হিচাপে প্ৰশিক্ষণ, কৰ্মজীৱন, সাহিত্যকৃতি, মৃত্যু।

২ নং প্ৰশ্নৰ উত্তৰ ঃ কবিতাটোৰ চমু পৰিচয়..... শিশুৰ নিষ্পাপ, সৰল ৰূপৰ ইংগিত..... অভিভাৱকৰ কঠোৰ নিয়ন্ত্ৰণ।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ বৰ্ণিত শিশুৰ সামাজিক পৰিস্থিতিৰ ইংগিত..... প্ৰাপ্ত বয়স্কৰ নিয়ন্ত্ৰণত সহমৰ্মিতাৰ অভাৱ..... কবিতাটোৰ সামাজিক পটভূমিৰ বিবেচনা..... Songs of Experience ৰ অন্তৰ্গত একে নামৰ কবিতাত স্পষ্ট হৈ উঠা সমস্যাবহুল শিশুৰ জীৱন।



১.৮ আৰ্হি প্ৰশ্ন

প্ৰশ্ন নং ১ ঃ ৰোমান্টিক কবি হিচাপে উইলিয়াম ব্লেইকৰ মূল্যায়ন আগবঢ়াওক।

প্ৰশ্ন নং ২ ঃ ব্লেইকৰ জীৱন আৰু কৃতি সম্বন্ধে এটি আলোচনা যুগুত কৰক।

প্ৰশ্ন নং ৩ ঃ ব্লেইকৰ 'ছংছ অৱ ইন'ছেন্স এণ্ড এক্সপেৰিয়েন্স'ৰ কবিতাখিনিৰ বৈশিষ্ট্য সম্বন্ধে এটি টোকা যুগুত কৰক।

প্ৰশ্ন নং ৪ ঃ *'হ'লি থার্চডে'* কবিতাটোৰ এটি সমালোচনামূলক মূল্যায়ন যুগুত কৰক। *'ছংছ অৱ এক্সপেৰিয়েন্স'*ৰ একে নামৰ কবিতাটোতকৈ আলোচ্য পাঠটি কিদৰে পৃথক?

প্ৰশ্ন নং ৫ ঃ ব্লেইকৰ কবিতাৰ শৈলী আৰু ভাৱমণ্ডল সম্বন্ধে এটি আলোচনা যুগুত কৰক।

*** ***** ***

অধ্যায় ২ ঃ উইলিয়াম ৱর্ডছৱর্থ ঃ *টিনটার্ণ এবে*

অধ্যায় গাঁথনি

২.১ উদ্দেশ্য

২.২ পৰিচয়

২.৩ ইংৰাজী কাব্য সাহিত্যত ৰোমাণ্টিক ধাৰা

২.৪ উইলিয়াম ৱর্ডছৱর্থ

- ২.৪.১ জীৱনী
- ২.৪.২ সাহিত্য কৃতী

২.৫ *টিনটার্ণ এবে (Tintern Abbey)*

- ২.৫.১ মূল ইংৰাজী কবিতাটোৰ পাঠ
- ২.৫.২ কবিতাটোৰ সাধাৰণ আলোচনা
- ২.৫.৩ কবিতাটোৰ বিষয়বস্তু
- ২.৫.৪ কবিতাটোৰ ৰচনাশৈলী
- ২.৫.৫ কঠিন শব্দৰ টোকা

২.৬ কবি হিচাপে ৱর্ডছৱর্থৰ মূল্যায়ন

২.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

২.৮ অধিক জানিবলৈ

২.৯ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

২.১০ আৰ্হি প্ৰশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যায়ন কৰি আপুনি—

- ইংৰাজী সাহিত্যত ৰোমাণ্টিক ধাৰাটোৰ ভূমিকা কেনে ধৰণৰ তাক আলোচনা কৰিব পাৰিব
- ইংৰাজী ৰোমাণ্টিক সাহিত্যৰ অন্যতম কবি উইলিয়াম ৱর্ডছৱর্থৰ জীৱন আৰু সাহিত্য কৃতিৰ লগত পৰিচিত হ'ব
- *টিনটার্ণ এবে* কবিতাটোৰ মূল পাঠভাগ পঢ়াৰ লগতে কবিতাটোৰ আলোচনা কৰিব পাৰিব
- *টিনটার্ণ এবে* কবিতাটোৰ বিশ্লেষণ আগবঢ়াব পাৰিব
- *টিনটার্ণ এবে* কবিতাটোৰ ৰচনাশৈলীৰ আভাস দিয়াৰ যোগেদি কবি ৱর্ডছৱর্থৰ অপূর্ব সৃষ্টিশীল ক্ষমতাৰ কথা আলোচনা কৰিব পাৰিব
- কবি হিচাপে উইলিয়াম ৱর্ডছৱর্থৰ এক মূল্যায়ন আগবঢ়াব পাৰিব।

২.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়াৰ তৃতীয় ষান্মাসিকৰ অন্তর্গত এইখন সাহিত্য শাখাৰ একাদশ পাঠ্যবিষয়। পাঠ্যবিষয়ৰ শিৰোনাম পাশ্চাত্য সাহিত্যৰ নির্বাচিত পাঠ। আলোচনা কৰিবলগীয়া অধ্যায় 'উইলিয়াম ৱর্ডছৱর্থ ঃ *টিনটার্ণ এবে*' হৈছে এইটো পাঠ্যক্রমৰ প্রথমটো অধ্যায়। ইয়াত ইংৰাজী কবি উইলিয়াম ৱর্ডছৱর্থৰ এটা বিখ্যাত কবিতা *টিনটার্ণ এবেৰ* আলোচনাৰ মাজেদি ৰোমাণ্টিক ধাৰাৰ কবিতাৰ সাধাৰণ বৈশিষ্ট্যসমূহৰ লগত শিক্ষার্থীক পৰিচয় কৰাই দিবলৈ চেষ্টা কৰা হৈছে। কবি ৱর্ডছৱর্থে ৰচনা কৰা লেখৰ কবিতাসমূহৰ ভিতৰত *টিনটার্ণ এবে* অন্যতম। অধ্যায়টোত *টিনটার্ণ এবেৰ* আলোচনাৰ মাজেদি কবি ৱর্ডছৱর্থৰ কবিতাত ফুটি উঠা ৰোমাণ্টিক কবিতাৰ লক্ষণসমূহ আলোচনা কৰা হ'ল।

২.৩ ইংৰাজী কাব্য সাহিত্যত ৰোমাণ্টিক ধাৰা

ইংৰাজ কবি উইলিয়াম ৱর্ডছৱর্থ আৰু চেমুৱেল টেইলৰ ক'লৰিজে যৌথভাৱে ১৭৯৮ চনত প্রকাশ কৰা *Lyrical Ballads* নামৰ কাব্য সংকলনখনতে ইংৰাজী সাহিত্যত আৰম্ভ হোৱা ৰোমাণ্টিক আন্দোলনৰ বীজ নিহিত হৈ আছিল। সংকলনখনত উল্লেখ থকা মতে সর্বসাধাৰণ মানুহে সাহিত্যৰ মাজেৰে নিজক চিনি পাবলৈ, সাহিত্যত নিজক বিচাৰি পাবলৈ, সর্বসাধাৰণৰ মানুহৰ মুখৰ ভাষা প্রয়োগ কৰিবলৈ কাব্য সংকলনখনৰ কবিতাকেইটা ৰচনা কৰা হৈছিল। তেওঁলোকৰ এই প্রচেষ্টাই সর্বসাধাৰণৰ সুখ-দুখ, আনন্দ-বেদনাৰ অনুভূতিক এক বিশ্বজনীন স্বীকৃতি প্রদান কৰিছিল। পৰৱর্তী সময়ৰ সাহিত্য সমালোচকসকলৰ দৃষ্টিত *Lyrical Ballads* ৰ প্রকাশ প্রচলিত নব্য ধ্রুপদী ধাৰাৰ বিৰুদ্ধে এক তীব্র প্রত্যাহ্বান, কাৰণ সাহিত্যৰ ইতিহাসত ই যুগ পৰিৱর্তনৰ ইংগিত বহন কৰে। ইংৰাজী ৰোমাণ্টিক ধাৰাৰ সাহিত্যৰ ছয় গৰাকী তাৰকা উইলিয়াম ব্লে'ক, উইলিয়াম ৱর্ডছৱর্থ, চেমুৱেল টেইলৰ ক'লৰিজ, পার্চি বিজী শ্যেলী, জন কীটচ আৰু জর্জ গর্ডন বায়ৰণ এই সাহিত্য আন্দোলনক এক সুদৃঢ় ভেটি প্রদান কৰিছিল। স্বপ্রতিভাৰে নিজৰ কাব্য ৰচনাক মহীয়ান কৰা এই কবিকেইগৰাকীৰ ৰচনাত ৰোমাণ্টিক ধাৰাৰ বৈশিষ্ট্যসমূহ সুন্দৰভাৱে ফুটি উঠা পৰিলক্ষিত হয়।

- প্রকৃতি ৰোমাণ্টিক ধাৰাৰ কবিতাৰ অন্যতম আলোচ্য বিষয়।
- যুক্তিৰ পৰিবর্তে মানৱীয় আবেগ অনুভূতিক অধিক প্রাধান্য দিয়া হয়।
- ইন্দ্রিয়গ্রাহ্য অনুভূতি আৰু পার্থিব প্রেমৰ স্বতঃস্ফূর্ত প্রকাশ।
- এই ধাৰাৰ কবিতাত খেয়ালী মনৰ কবিৰ কৌতূহল আৰু অন্তর্মুখী প্রবৃত্তিয়ে সময়ে সময়ে ছাঁ পোহৰৰ খেল দেখুৱাই জীৱনৰ কিছুমান নিগূঢ় ৰহস্য উন্মোচন কৰিবলৈ প্রয়াস কৰে।
- এই ধাৰাৰ কবিতাত ব্যতিক্রমধর্মী, প্রতিভাশালী বীৰ চৰিত্রৰ গুণ-গৰিমা গোৱা হয়।
- ব্যক্তি মনৰ আসক্তি আৰু অন্তর্দ্বন্দ্বৰ চিত্রণত ৰোমাণ্টিক কবিসকল সিদ্ধহস্ত।
- কবিৰ অনুভৱ-উপলব্ধি আৰু শিল্পীসত্তাৰ সদা জাগ্রত ৰূপটো কাব্য ৰচনাৰ পদে পদে বিৰাজমান।

- এই ধাৰাৰ কবিতাৰ অন্য এটা বিশিষ্ট দিশ হৈছে লোককথা, জাতীয় জীৱনৰ মহত্বপূর্ণ ঘটনা আৰু জনজীৱনৰ বিচিত্র, বর্ণাঢ্য ৰূপক কাব্য ৰূপ প্রদান কৰা।
- মধ্য যুগীয় প্রীতি এই ধাৰাৰ কবিসকলৰ এক স্বাভাৱিক দুর্বলতা। সেইদৰে অজানা অচিনাকি, ৰহস্যময় জগতখনৰ সার্থক চিত্রণৰ মাজেদি অমৰ কাব্য সৃষ্টিৰ দিশে অগ্রসৰ হোৱাৰ হুতাহ ৰোমাণ্টিক কবিৰ অন্য এটা স্বভাৱজাত বৈশিষ্ট্য।

এইদৰে নানা বর্ণাঢ্য, মানৱ মনৰ অনুভূতিক স্পর্শ কৰা আৰু সমাজৰ বিভিন্ন স্তৰৰ মনক কাব্য ৰস পাণ কৰিবলৈ উদ্বুদ্ধ কৰা ৰোমাণ্টিক কবিতা আৰু তাৰ নিপুণ সৃষ্টিশীল শিল্পকাৰসকলে ইংৰাজী কাব্য সাহিত্যৰ ইতিহাসত মাইলৰ খুটি প্রতিষ্ঠা কৰে। সেই কুশলী শিল্পকাৰসকলৰ ভিতৰত উইলিয়াম ৱর্ডছৱর্থ অন্যতম। এই অধ্যায়টোত তেওঁ লিখা কবিতা *টিনটার্ণ এবে*ৰ আলোচনাৰ মাজেদি কবি ৱর্ডছৱর্থৰ কাব্য প্রতিভাৰ স্ফুৰণ আৰু ইংৰাজী কাব্য সাহিত্যত তেওঁৰ স্থিতি কেনেকুৱা, তাক বর্ণনা কৰিবলৈ প্রয়াস কৰা হৈছে।



জানি থোৱা ভাল

উইলিয়াম ৱর্ডছৱর্থ আৰু চেমুৱেল টেইলৰ ক'লৰিজৰ যুটিয়া প্রচেষ্টাৰ ফল *Lyrical Ballads* অৰ প্রথম প্রকাশ হয় ১৭৯৮ চনত। ইয়াৰ দ্বিতীয় প্রকাশ ১৮০০ চনত আৰু ১৮০২ চনত অন্য এটা সংস্কৰণ প্রকাশিত হয়। কাব্য সংকলনখনৰ প্রথম সংস্কৰণটোত ক'লৰিজে তেওঁৰ চাৰিটা কবিতাহে সন্নিৱিষ্ট কৰিছিল। ১৮০০ চনৰ দ্বিতীয় সংস্কৰণখনত এখন পাতনিসহ ৱর্ডছৱর্থে অন্য কেইটামান কবিতা সন্নিৱিষ্ট কৰিছিল।



চিন্তা-চর্চা কৰক ১.১

ইংৰাজী সাহিত্যৰ বুৰঞ্জী এখনৰ আধাৰত কেইগৰাকীমান লেখক, সাহিত্যিক, বাচি উলিয়াই তেওঁলোকৰ কর্মৰ মূল্যায়ন কৰক।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ ইংৰাজী ৰোমাণ্টিক কবিতাৰ বৈশিষ্ট্যসমূহ চমুকৈ উল্লেখ কৰক। (১৫০টা শব্দৰ ভিতৰত)

.....

প্রশ্ন নং ২ ঃ ৰোমাণ্টিক যুগৰ ইংৰাজ কবিসকলৰ মনত কি কি নতুনভাবে খেলা কৰিছিল তাৰ চমু লেখ আগবঢ়াওক। (১৫০টা শব্দৰ ভিতৰত)

.....

২.৪ উইলিয়াম ৰর্ডছৱর্থ

২.৪.১ জীৱনী

ইংৰাজী সাহিত্যৰ স্বনামধন্য কবি আৰু ইংৰাজী কাব্য সাহিত্যত আৰম্ভ হোৱা ৰোমাণ্টিক(Romantic) জাগৰণৰ হোতা উইলিয়াম ৰর্ডছৱর্থৰ জন্ম হয় ১৭৭০ চনত। তেওঁৰ জন্ম উত্তৰ ইংলণ্ডৰ লে'ক ডিষ্ট্রিকৰ অন্তর্গত ককাৰমাউথ নামৰ ঠাইত হৈছিল। তেওঁৰ পিতৃৰ নাম জন ৰর্ডছৱর্থ আৰু মাতৃৰ নাম এন। উইলিয়াম তেওঁলোকৰ পাঁচটি পুত্ৰ কন্যাৰ ভিতৰত দ্বিতীয় সন্তান আছিল। তেওঁৰ দেউতাক লর্ড লঞ্চডে'লৰ অধীনত কৰ সংগ্রহকাৰী হিচাপে কার্যনির্বাহক কৰিছিল। উইলিয়ামে তেৰ বছৰ বয়সত ভৰি দিয়াৰ পাছত তেওঁৰ পিতৃ মাতৃ দুয়োজনৰে বিয়োগ ঘটে। তাৰ পাছত তেওঁক হকসে'ড গ্রামাৰ স্কুলত নাম লিখাই দিয়া হয়। ১৭৮৭ চনত তেওঁ কেমব্রিজৰ চেণ্ট জন কলেজলৈ পঢ়িবলৈ যায়। গ্রামাৰ স্কুলত পঢ়া কালছোৱাতে তেওঁৰ মনত প্রকৃতিৰ প্রতি অসীম আগ্রহ সৃষ্টি হৈছিল। ৰর্ডছৱর্থ তেওঁৰ মোমায়েকৰ তত্ত্বাৱধানত থাকি ডাঙৰ দীঘল হৈছিল। মোমায়েকৰ ৰাজনৈতিক চিন্তাধাৰাৰ দ্বাৰা তেওঁ কিছু পৰিমাণে উদ্বুদ্ধ হৈছিল।

চেণ্ট জন কলেজত তেওঁ চার্চত কিবা কামত নিযুক্ত হ'বলৈ শিক্ষা লাভ কৰি আছিল। কিন্তু তেওঁ সেই শিক্ষা বাদ দি গণিত শাস্ত্রৰ অধ্যয়ন কৰিবলৈ লয়। পাছত তেওঁ ফৰাচী দেশলৈ যায়। সেই যাত্রাই তেওঁৰ চিন্তাধাৰালৈ আমুল পৰিৱর্তন আনে। ফৰাচী বিপ্লৱৰ প্রতি থকা টানৰ বাবে তেওঁ দুবাৰ ফৰাচী দেশলৈ গমন কৰিছিল। প্রথমবাৰ গৈছিল ১৭৯০ চনত আৰু দ্বিতীয় বাৰ ১৭৯১ চনত। তাতে তেওঁৰ এনেট ভেল (Annette Vallon)ৰ লগত চিনাকি হয়। তেওঁলোকৰ প্রণয়ৰ সাক্ষী হৈ ৰয় এগৰাকী কন্যা সন্তান। কেৰ'লিন নামৰ সেই কন্যা সন্তানটিৰ জন্ম হয় ১৭৯২ চনত। অৱশ্যে তেওঁ আৰু এনেট সামাজিকভাৱে বিবাহপাশত আৱদ্ধ হোৱা নাছিল। হাতত থকা ধন শেষ হোৱাত তেওঁ পুনৰ ইংলণ্ডলৈ ঘূৰি আহে।

ইংলণ্ডলৈ ঘূৰি অহাৰ পিছত তেওঁ তেওঁৰ মৰমৰ ভনীয়েক ড'ৰ'থিৰ লগত ড'ৰচেটৰ ওচৰত অৱস্থিত ৰে'চ ডাউনত থাকিবলৈ লয়। বছৰটো আছিল ১৭৯৫ চন। তাৰপাচৰ বছৰটোত সেই সময়ছোৱাৰ অন্য এগৰাকী কবি ছেমুৱেল টেইলৰ ক'লৰিজৰ লগত তেওঁৰ গভীৰ বন্ধুত্ব আৰম্ভ হয়। ইংৰাজী সাহিত্যৰ বুৰঞ্জীত এইয়া এক 'মণি কাঞ্চন' সংযোগ বুলিব লাগিব কাৰণ দুয়োগৰাকী কবিয়ে লগ লাগি যৌথভাৱে উলিওৱা *Lyrical Ballads*(1798)এ সমসাময়িক কাব্য চিন্তাৰ জগতলৈ আলোড়ণ আনিছিল। তাৰ পাছত ৰর্ডচৱর্থ আৰু ড'ৰ'থি জার্মানীলৈ যায়। জার্মানীৰ পৰা ঘূৰি অহা পাছত দুয়ো ককায়েক-ভনীয়েকে ৰর্ডছৱর্থৰ প্রিয় লে'ক ডিষ্ট্রিকত থাকিবলৈ ল'লে।



জানি থোৱা ভাল

Lyrical Ballads নামৰ কাব্য সংকলনখনৰ প্ৰথমটো কবিতা ক'লৰিজৰ ৰচনা। কবিতাটোৰ শিৰোনাম The Rime of the Ancient Mariner। সংকলনখনৰ শেষৰ কবিতাটো ৱর্ডছৱর্থৰ ৰচনা। কবিতাটোৰ শিৰোনাম Tintern Abbey.

১৮০২ চনত ৱর্ডছৱর্থে ড'ৰ'থিৰ বান্ধবী মেৰী হাটচিনছ্নক বিয়া কৰায়। অৱশ্যে বিবাহৰ পূৰ্বে ড'ৰ'থিয়ে ৱর্ডছৱর্থ আৰু তেওঁৰ প্ৰেমিকা এনেটক পৰস্পৰে পৰস্পৰক লগ পোৱাৰ সুযোগ দিয়ে। সেয়া দুয়োগৰাকী প্ৰেমিক প্ৰেমিকাৰ পৰস্পৰৰ লগত হোৱা শেষ দেখা দেখি। সেইবাৰ এনেটে তেওঁৰ ওচৰলৈ তেওঁলোকৰ প্ৰেমৰ সাক্ষী কেৰ'লিনকো লগত লৈ আহিছিল। ৱর্ডচৱর্থৰ দ্বিতীয় পত্নী মেৰীয়ে পাঁচটি সন্তানৰ জন্ম দিছিল। ১৮১২ চনত তেওঁলোকৰ দুটি সন্তানৰ মৃত্যু ঘটিছিল। তেওঁলোকৰ সংসাৰখন অভাৱ-অনাটনৰ মাজে�ৰেই চলি আছিল। অৱশ্যে ১৮১৩ চনত ৱর্ডছৱর্থে ৱেষ্টম'ৰলেণ্ডত ডাক টিকতৰ বিতৰকৰ চাকৰি পায়। ফলত তেওঁলোকৰ আৰ্থিক অৱস্থা কিছু সুচল হয়। ১৮৪৩ চনত ৰাজ কবি (Poet Laureate) ৰবাৰ্ট ছাউথিৰ মৃত্যুৰ পিছত উইলিয়াম ৱর্ডছৱর্থক ৰাজ কবি নিযুক্ত কৰা হয়। ১৮৫০ চনত ইংৰাজী সাহিত্যৰ এইগৰাকী মহান কবিৰ মৃত্যু হয়।

২.৪.২ সাহিত্য কৃতি

ইংৰাজী সাহিত্যত ৰোমাণ্টিক কবিতাৰ অন্যতম হোতা উইলিয়াম ৱর্ডছৱর্থৰ কৃতিত্বপূৰ্ণ কৰ্মলৈ দৃষ্টি দিলে আমি দেখিম যে তেওঁ জীৱনৰ বিভিন্ন স্তৰত ভালেমান কাব্য কৃতি ৰচনা কৰিছিল। পৰৱর্তী সময়ত তেওঁৰ সেই কাব্য কৃতিসমূহে সাহিত্য সমালোচক আৰু কাব্য প্ৰেমীসকলৰ পৰা যথেষ্ট সহাৰি লাভ কৰিছিল। তেওঁৰ প্ৰথম পৰিচয় কবি যদিও সাহিত্যৰ অন্যান্য ক্ষেত্ৰলৈ তেওঁ দৃষ্টি নিদিয়াকৈ থকা নাছিল। ১৭৯৫ৰ পৰা ১৭৯৭ৰ ভিতৰত তেওঁ তেওঁৰ একমাত্ৰ নাটক *The Borderers* লিখি উলিয়াইছিল। এইখন এখন ট্ৰেজেডী। পদত (Verse) ৰচনা কৰা এই ট্ৰেজেডীখনৰ পটভূমি আছিল ৰজা তৃতীয় হেনৰীৰ শাসনাধীন ইংলণ্ড য'ত ইংলণ্ডৰ উত্তৰৰ খণ্ডটোৱে স্কটিছ ৰ'ভাৱসমূহৰ লগত সংঘাতত লিপ্ত আছিল। ৱর্ডছৱর্থে ১৭৯৭ চনৰ নৱেম্বৰ মাহত নাটকখন মঞ্চস্থ কৰাব খুজিছিল যদিও Covent Garden নামৰ মঞ্চগৃহৰ মালিকে সেই অনুমতি নিদিলে। ১৮৪২ চনলৈকে নাটকখন প্ৰকাশ পোৱা নাছিল। তাৰপাছত ভালেখিনি সংশোধন কৰাৰ পাছত নাটকখনে প্ৰকাশৰ মুখ দেখিছিল।

কবি হিচাপে ৱর্ডছৱর্থৰ কবিতাসমূহক আমি এইদৰে ভাগ কৰিব পাৰো—

১৭৯৮ চনত প্রকাশিত Lyrical Ballads, with a few other poemsঅত তেওঁৰ কেইটামান কবিতা, যেনে— Simon Lee, We are Seven, Lines Written in Early Spring, Expostulation and Reply, The Tables Turned, The Thorn, Lines Composed a Few Miles Above Tintern Abbey.

পৰৱর্তী সময়ছোৱাত তেওঁৰ অন্য কেইটামান কবিতাই প্রকাশ লাভ কৰে, যি কাব্য কৃতিৰ মাজেদি এই প্রতিভাশালী কবি গৰাকীৰ প্রতিভাৰ পূর্ণ স্ফূৰণ ঘটিছিল। সেই কৃতিৰ ভিতৰত কেইটামান হৈছে— Lucy Gray, Micheal, Resolution and Independence, Ode to Intimations of Immortality, The Solitary Reaper, Guide to the Lakes, The Prelude, ইত্যাদি।

ৰোমাণ্টিক কবিসকলৰ ভিতৰত কবি উইলিয়াম ৱর্ডছৱর্থ তেওঁৰ প্রকৃতি প্রীতিৰ বাবে সর্বজনবিদিত। তেওঁ প্রকৃতিৰ মাজত কেৱল সৌন্দর্য দেখা পোৱাই নহয়, তেওঁ তাত সৌন্দর্যৰ উপস্থিতি অনুভৱ কৰিছিল। তেওঁ প্রকৃতিক ঐশ্বৰিক জ্ঞান কৰিছিল। পৰিস্থিতি বিশেষে তেওঁ প্রকৃতিক নৈতিকতাৰ পাঠ প্রদানকাৰী শিক্ষক ৰূপেও জ্ঞান কৰিছিল। অন্যান্য ৰোমাণ্টিক কবিৰ দৰে ৱর্ডছৱর্থেও ব্যস্ততাপূর্ণ, বস্তুবাদী সমাজখনৰ প্রতি বিৰূপ মনোভাৱ পোষণ কৰিছিল। কবি ৱর্ডছৱর্থে বিশ্বাস কৰিছিল যে মানুহে কৃত্রিমতাৰ আৱৰণেৰে নিজক ঢাকি, দুর্নীতিৰ কদর্যময় পৰিৱেশত এনে ভাৱে পতিত যে তেওঁলোকে নিজকে প্রকৃতিৰ পৰিবেষ্টনীৰ পৰা আঁতৰাই আনিছিল। প্রকৃতিৰ প্রতি থকা এই নির্ভেজাল আনুগত্যৰ হেতু প্রকৃতিয়েই তেওঁৰ শিক্ষক আৰু জ্ঞান তথা অনুপ্রেৰণাৰ উৎস আছিল। প্রকৃতিৰ সৌম্য আৰু বিধ্বংসী দুয়োটা ৰূপেই তেওঁৰ বাবে পাঠেয় আছিল।

অমিত প্রতিভাৰ কবি উইলিয়াম ৱর্ডছৱর্থে সৃষ্টি কৰি থৈ যোৱা কাব্য কৃতিৰ মাজেদি তেওঁৰ প্রতিভাৰ স্ফুৰণ ঘটিছে। তেওঁৰ সেই কাব্যকৃতিৰ অধ্যয়নৰ মাজেদি তেওঁৰ কবিতাত ফুটি উঠা কেতবোৰ বৈশিষ্ট্যপূর্ণ দিশৰ প্রতি মনোযোগ দিয়াতো উচিত বিবেচনা কৰা হ'ল। সেই বৈশিষ্ট্যসমূহ হৈছে—

সমাজৰ নিঃকীন, দলিত, নিষ্পেষিত জনৰ প্রতি সহানুভূতি ঃ ধ্রুপদী সাহিত্যৰ দৃঢ়, কঠোৰ বান্ধোনৰ পৰা মুক্ত হ'বলৈ ব্যাকুল ৰোমাণ্টিক কবি প্রাণে ৰাজকীয়, অভিজাত শ্রেণীৰ সমাজখনৰ পৰা নিজৰ দৃষ্টি আঁতৰাই অভাৱ অনাতন, দুখ দুর্দশাৰে পিষ্ট সাধাৰণ নৰ নাৰীৰ জীৱন গাথাৰ প্রতি মনোযোগ দিছিল। সাধাৰণজনৰ সুখ-দুখক আন্তৰিকভাৱে হৃদয়ঙ্গম কৰি উদাৰ, সহানুভূতিশীল অন্তৰৰ পৰিচয় দিবলৈ ৰোমাণ্টিক কবিকূল ব্যাকুল হৈছিল। ৱর্ডছৱর্থো ইয়াৰ ব্যতিক্রম নাছিল। *Lyrical Ballads*অত অন্তর্ভুক্ত হোৱা *Simon Lee* শিৰোনামৰ কবিতাটোত কবিগৰাকীৰ সেই সহানুভূতিশীল মনোভাবৰ প্রকাশ ঘটিছে। কবিতাটোৰ বর্ণনাকাৰী কবিয়ে এসময়ৰ প্রখ্যাত চিকাৰী ছাইমন লীক এটা অন্য ৰূপত প্রত্যক্ষ কৰিছে। লীৰ দলটোৰ সকলো সদস্যৰ মৃত্যু ঘটিছে। ছাইমন লী তেতিয়া বৃদ্ধ আৰু ঘৈণীয়েক ৰুথৰ লগত সংঘাতপূর্ণ দুখৰ জীৱন অতিবাহিত কৰি

আছিল। এবাৰ বৃদ্ধ ছাইমনক গছ এডাল কাটি থকা প্রত্যক্ষ কৰি কবিয়ে তেওঁক সহায় কৰিবলৈ আগবাঢ়ি যায়। কবিয়ে অনায়াসে গছজোপা এঘাপতে কাটি দিলে। ছাইমনে অশ্রুসিক্ত নয়নেৰে অন্তৰৰে সৈতে কবিৰ প্রতি নিজৰ কৃতজ্ঞতা জ্ঞাপন কৰে। বস্তুবাদী সমাজৰ স্বার্থপৰতা আৰু অকৃতজ্ঞ মনোভাবৰ বিপৰীত সেই সহজ সৰল মানুহজনৰ পৰা শুনা কৃতজ্ঞতাপূর্ণ বাণীয়ে কবিৰ হিয়া-মনলৈ এক অনন্য অনুভূতি কঢ়িয়াই আনিছিল। কবিৰ ভাষাত—

"The tears into his eyes were brought,
And thanks and praises seemed to run
So fast out of his heart, I thought
They never would have done.
I've heard of hearts unkind, kind deeds
With coldness still returning;
Alas! the gratitude of men
Hath oftener left me mourning."

Resolution and Independence শিৰোনামৰ কবিতাটোত কবিয়ে আওহতীয়া নিজঞ্জাল স্থানত অৱস্থিত দলনি পথাৰ এখনত জোক বিচাৰি থকা বুঢ়া মানুহ এজনৰ সংগ্রামমুখৰ জীৱনৰ কথা উপলব্ধি কৰিবলৈ চেষ্টা কৰিছে। কবিয়ে তেওঁক জোক বিচৰা বৃত্তিটো গ্রহণ কৰাৰ কাৰণ সম্বন্ধে সোধাত মানুহজনে উত্তৰ দিছিল যে তেওঁ স্বেচ্ছাই সেই সজ অথচ কষ্টকৰ বৃত্তিটো গ্রহণ কৰিছে। তেওঁৰ সেই সৰল, পোনপটিয়া উত্তৰে কবিক ভবাই তুলিছিল। তথাকথিত ভদ্র সমাজৰ দৃষ্টিত জোক সংগ্রহ কৰা বৃত্তিটোক এটা নিকৃষ্ট বৃত্তি হিচাপে ধৰা দিয়ে। তেনে লোকক হেয় দৃষ্টিৰে চোৱা হয়। কিন্তু তেনে অভিজাত সমাজৰ স্বার্থপৰ, অহংকাৰী মানুহে এইটো উপলব্ধি নকৰে যে জোক সংগ্রহ কৰা ব্যক্তিজনৰ বাবে তেওঁৰ সেই বৃত্তিটো এটা সন্মানজনক সৎ বৃত্তি। দয়া আৰু সহানুভূতিৰে আর্দ্র কবি মনৰ পৰাই নিগৰি আহিছে—

And soon with this he other matter blended,
Cheerfully uttered, with demeanour kind,
But stately in the main; and, when he ended,
I could have laughed myself to scorn to find
In that decrepit Man so firm a mind.
Good, "said I, 'Be my help and stay secure;
I'll think of the Leech-gatherer on the lonely moor."

আলোচনা কৰি অহা এই কবিতা দুটাৰ মাজেদি কবি ৱর্ডছৱর্থৰ সর্বসাধাৰণ

মানুহৰ প্ৰতি থকা মমত্ববোধ আৰু মানুহ হিচাপে তেওঁলোকৰ সুখ-দুখক সমানে স্বীকৃতি দিয়াত কবিৰ যি মহানুভবী চিন্তা তাৰ মনোজ্ঞ প্ৰকাশ ঘটিছে। সাধাৰণ মানুহক লৈ লিখা তেওঁৰ অন্যান্য কবিতাৰ মাজতো সেই চেষ্টা নিহিত হৈ আছে।

প্ৰকৃতিৰ লগত একাত্মবোধ ঃ উইলিয়াম ৱর্ডছৱর্থৰ সমগ্ৰ কাব্য সৃষ্টিৰ মাজত প্ৰকৃতিপ্ৰীতি অন্তঃসলিলা ফল্গুধাৰাৰ দৰে প্ৰবহমান। প্ৰকৃতি দেৱীৰ আঙুলিত ধৰিয়েই প্ৰকৃতি সন্তান স্বৰূপে কবিয়ে প্ৰকৃতিৰ অমূল্য সম্ভাৰত চকু ফুৰাইছে। তেওঁৰ *Lucy Poems* কেইটালৈ চালে সেইকেইটাৰ মাজেদি প্ৰকৃতি জগতৰ অমিয় ৰূপৰ যি ইন্দ্ৰিয় গ্ৰাহ্য প্ৰতিৰূপ উদ্ভাসিত হৈছে, সি পাঠকৰ দেহ-মনত এক স্বৰ্গীয় তৃপ্তিৰ অনুভূতি জগাই তোলে। *The solitary Reaper*ত দাৱনী গৰাকীয়ে আপোন মনে গীত গাই গাই ধান কাটি থকা কবিয়ে প্ৰত্যক্ষ কৰি যি অনুভূতি লাভ কৰিছিল সিয়ে তেওঁক সেই অনুপম কবিতাটো ৰচনা কৰিবলৈ অনুপ্ৰাণিত কৰিছিল। পাৰ্বত্য অঞ্চলৰ লহপহীয়া শস্যতলীত নিজৰ কাৰ্য সমাধা কৰিবলৈ যোৱা তৰুণী দাৱনী গৰাকীয়ে গীতৰ কলি গুণগুণাই ধান দাই আছিল। দিনৰ সেই নিজান পৰত দাৱনীগৰাকীৰ গীতৰ কলিবোৰ পৰ্বতীয়া অঞ্চলটোত প্ৰতিধ্বনিত হৈ সূৰৰ এলানি নিছিগা ধাৰাৰ সৃষ্টি কৰিছিল। ক'ৰবালৈ গৈ থকা কবিয়ে ক্ষন্তেক থমকি সেই সূৰৰ অমিয় সুধা পান কৰিবলৈ চেষ্টা কৰিছিল। সেই সুৰৰ মধুৰতাই কবিৰ দেহ-মন শাঁত পেলাইছিল। গহন বনৰ মাজৰ পৰা ভাহি অহা কেতেকী চৰাইৰ সুললিত কণ্ঠৰ গীতে যেনেকৈ ক্ষন্তেকৰ বাবে হ'লেও ভাগৰুৱা পথিকৰ অৱসাদ দূৰ কৰিব পাৰে, ঠিক সেইদৰে দাৱনীৰ গীতৰ সুৰতো কবিয়ে প্ৰকৃতি জগতৰ পক্ষীকূলৰ সেই অপাৰ্থিব সৌন্দৰ্যৰ অৱস্থিতি অনুভৱ কৰিছিল।ৱর্ডছৱর্থৰ প্ৰকৃতি বিষয়ক কবিতা *To a Skylark*তো আমি কবি প্ৰাণৰ অন্য এক আকুল সুৰ শুনিবলৈ পাওঁ। Skylark অৰ্থাৎ ভৰদ্বাজ পক্ষী বা ভৰত পক্ষীৰ মাজেদি তেওঁ দিব্য (Ethereal) জগতখন আৰু দুখ দুৰ্দশাৰে পূৰ্ণ ধূলি মাটিৰে ভৰা পৃথিৱীৰ মাজত এক অনন্য সম্পৰ্ক স্থাপন কৰিছে। কবিয়ে স্কাইলাৰ্ক (Skylark)ক Ethereal minstrel অৰ্থাৎ দৈৱ চাৰণ আখ্যা দিছে যিয়ে পৃথিৱী আৰু আকাশ(স্বৰ্গ)ৰ মাজত যোগসূত্ৰ স্থাপন কৰে। কবিয়ে স্কাইলাৰ্ক পক্ষীক সম্বোধন কৰি কৈছে—

> "Ethereal minstrel! Pilgrim of the sky!
> Dost thou despise the earth where cares abound!
> Or, while the wings aspire, are heart and eye
> Both with thy nest upon the dewy ground!
> Thy nest which thou canst drop into at will,
> Those quivering wings composed, that music still!"

স্বৰ্গীয় চাৰণ ৰূপী স্কাইলাৰ্ক পক্ষীৰ দৃষ্টি ভূমামুখী। আকাশৰ ফালে ধাবিত হোৱা এই পক্ষীক ৰাগ-দ্বেষযুক্ত পৃথিৱীৰ মলিনতাই স্পৰ্শ কৰিব নোৱাৰে। তাইৰ মন নিষ্কলূষ, পবিত্ৰ। কিন্তু তাইৰ আত্মা ভূমাৰ ফালে ধাবিত হ'লেও পৃথিৱীৰ নিয়ৰসিক্ত

ভূমিপৃষ্ঠাৰ থকা তাইৰ বাঁহটোৰ প্ৰতি সদা সচেতন, সদা সতৰ্ক। বাঁহটোলৈ তাই যিকোনো সময়তে ঘূৰি আহিব পাৰে। তাইৰ কণ্ঠৰ পৰা নিগৰি অহা সুললিত গীত এসময়ত বন্ধ হয়, কাৰণ পক্ষীয়ে পৃথিৱীত থকা তাইৰ বাঁহটোৰ কথা, বাঁহটোত থকা তাইৰ সন্তানকেইটিৰ কথা পাহৰা নাই— সিহঁতৰ প্ৰতি থকা তাইৰ দায়িত্বৰ কথা পাহৰা নাই। স্কাইলার্ক পক্ষীৰ এই জীৱনশৈলীয়ে আমাক এটা বহুমুলীয়া শিক্ষা দিয়ে। প্ৰকৃতি জগতৰ এই বাসিন্দা (Skylark)ৰ দৰে আমি মানুহেও আমাৰ বাস্তৱ দায়িত্বসমূহ পালন কৰাৰ লগতে পৰম সত্তাৰ লগত নিজকে একাত্ম কৰিবলৈ চেষ্টা কৰিব লাগে। এইদৰে কবিয়ে স্কাইলার্ক পক্ষীটোক মাধ্যম হিচাপে গ্ৰহণ কৰি প্ৰকৃতি জগতৰ পৰা আমি মানুহে কিদৰে শিক্ষা লাভ কৰিব পাৰো তাকে *To a Skylark* কবিতাটোৰ মাজেদি প্ৰকাশ কৰিছে। তেওঁৰ *Lonely as a Cloud (Daffodils), Lines Composed a Few Miles Above, Tintern Abbey* আদি কবিতাত প্ৰকৃতি সৰ্বব্যাপি হৈ আছে। *Daffodils* কবিতাত কবিয়ে প্ৰত্যক্ষ কৰা ডেফ'ডিল ফুলবোৰৰ মনোমোহা ৰূপৰ তুলনাত Tintern Abbey প্ৰত্যক্ষ কৰি কবিয়ে লাভ কৰা অনুভূতি কিছু পৃথক। ইয়াত কবিয়ে পাঁচ বছৰৰ বিৰতিৰ পাছত পুনৰ Tintern Abbeyক চাবলৈ উভতি যোৱাৰ কথা আৰু সেই দ্বিতীয়বাৰৰ যাত্ৰাত Tintern Abbeyক প্ৰত্যক্ষ কৰি কবিৰ মনত যি প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছিল তাৰ লেখ আছে। এই কবিতাটোত প্ৰকৃতি প্ৰেমৰ লগতে অতীত প্ৰীতি বা অতীত ৰোমন্থন আৰু ৰহস্যবাদী চিন্তাৰ উন্মেষ ঘটা দেখা যায়। তেওঁৰ *Lucy Poem*ৰ অন্তৰ্গত She Dwelt Among the Untrodden Waysত তেওঁৰ প্ৰকৃতি প্ৰেমৰ পৰাকাষ্ঠা ফুটি উঠিছে।

সাধাৰণ মানুহৰ মুখৰ কথাত অমিয় সুৰ প্ৰদান ঃ এফালৰ পৰা চাবলৈ গ'লে কবি ৱর্ডছৱর্থ সৰ্বসাধাৰণৰ কবি আছিল। কবিৰ মানসিক জগতৰ ভাবৰাশি আৰু কাপ নিসৃত শব্দময় ৰূপত প্ৰকৃতিৰ বৰ্ণাঢ্য ৰূপ-ৰঙে গভীৰ প্ৰভাৱ বিস্তাৰ কৰিছিল যদিও সমাজৰ একেবাৰে নিম্নস্তৰৰ পৰা আদি কবি শিক্ষিত-অশিক্ষিত-অৰ্ধশিক্ষিত সকলোৱে তেওঁৰ কবিতাৰ ভাষা বুজি পাইছিল। তাৰ লগতে সকলোৱে সেই কবিতাৰ মাধুৰ্য আৰু গৰিমাময় ৰূপ সুধা পান কৰিবলৈ সমৰ্থ হৈছিল। তেওঁৰ *Simon Lee* শিৰোনামৰ কবিতাটোৰ পৰা উদ্ধৃত কেইযাৰীমান পংক্তিৰ আধাৰত ৱর্ডছৱর্থৰ কবিতাত প্ৰয়োগ হোৱা দৈনন্দিন জীৱনৰ ভাব-অনুভূতি প্ৰকাশক শব্দসমূহ যি মনোহাৰিত্ব প্ৰদান কৰিছিল তাৰ লেখ আগবঢ়োৱা হ'ল—

"No man like him the horn could sound,
And hill and valley rang with glee
When echo fendied, round and round,
The haloo of Simon Lee."

উল্লিখিত পংক্তিকেইটাৰ ভাবাৰ্থ হৈছে—

ছাইমন লীৰ নিচিনাকৈ কোনেও শিঙৰ পেঁপা বজাব নাজানিছিল। দূৰ-দূৰণিৰ মানুহৰ মাজতো এজন ফূৰ্তিবাজ মানুহ ৰূপে ছাইমন লী জনাজাত আছিল। ইতিমধ্যে আইভৰ হলৰ বাসিন্দা তেওঁৰ সামন্ত স্বামীজনৰ মৃত্যু ঘটিছে। তেওঁৰ অন্যান্য ভৃত্য, চিকাৰলৈ যোৱা সহায়ক দলৰ সকলো মৰি-হাজি শেষ হৈছে। এতিয়া আইভৰ হলৰ সেই সোণোৱালী দিনবোৰৰ কথা সোঁৱৰিবলৈ কেৱল ছাইমন লীহে জীৱিত আছে।

এইটো ৰর্ডছৱর্থৰ এটা বর্ণনাত্মক কবিতা। ইয়াত কবিয়ে যেন এগৰাকী প্রত্যক্ষদর্শী ৰূপে ছাইমন লীক প্রত্যক্ষ কৰিছে আৰু এফালৰ পৰা তেওঁৰ জীৱন গাথা বর্ণনা কৰি গৈছে। গ্রীষ্মৰ এটা দিনত কবিয়ে ছাইমনক হোচোং কোৰ এখনেৰে মৰা গছ এজোপাৰ কাঠ কাটি থকা প্রত্যক্ষ কৰিছিল। ছাইমনে নিজৰ দুর্বল শৰীৰটোৰ সমস্ত বল প্রয়োগ কৰিও হোচোং কোৰখনেৰে কাঠ টুকুৰাত ঘাপ দিব নোৱাৰিলে। তেওঁৰ হাত দুখন থৰক-বৰক হৈছিল। তাকে দেখি কবিয়ে তেওঁৰ পৰা হোচোং কোৰখন খুজি একে ঘাপতে কাঠ টুকুৰা কাটি দিলে। কবিয়ে তেওঁক কৰি দিয়া সেই সামান্য উপকাৰটোৰ বাবে ছাইমন লী কবিৰ ওচৰত কৃতজ্ঞ হ'ল। সৰল মনা ছাইমনৰ চকুৰ পৰা নিগৰি অহা অশ্রুধাৰা আৰু অশ্রুসিক্ত নয়নেৰে কবিক জনোৱা কৃতজ্ঞতাই কবিৰ মনক গভীৰ ভাৱে স্পর্শ কৰিলে। কবিৰ ধাৰণা হ'ল যে হিংসা অসূয়াৰে পৰিপূর্ণ এই পৃথিৱীত নিষ্কলুষ অন্তৰৰ সৰলমনা মানুহো আছে। ছাইমন লী তেনে সৰল ব্যক্তিত্বৰ অধিকাৰী লোক।

কবিতাটোৰ পাঠভাগ বর্ণনাত্মক। কবিয়ে ইয়াত সাধাৰণ মানুহৰ মুখৰ ভাষা প্রয়োগ কৰিছে। কিন্তু সেই শব্দ মালা তেওঁ এনে ভাৱে গাঁঠি গৈছে যে তাৰ পাঠে পঢ়োতাৰ মানসত দূৰণিৰ নিজান প্রান্তত উৱলি যাব ধৰা পঁজা ঘৰ এটাত বাস কৰা এযোৰ বৃদ্ধ অভাৱগ্রস্ত দম্পত্তিৰ ছবি ভাহি উঠিব। সিমানেই নহয়, কবিৰ শব্দৰ মালাধাৰী যিমানেই আগবাঢ়ি যাব সিমানেই কাব্য ৰসিক পাঠকৰ মনো বৃদ্ধ ছাইমনৰ সংগ্রামপূর্ণ জীৱনৰ প্রতি অনুসন্ধিৎসু হৈ তেওঁক জানিবলৈ আৰু বুজিবলৈ উদগ্রীব হৈ পৰিব। কবিতাটোৰ শেষত সহানুভূতিশীল পাঠকৰ মনো কবিৰ সমানে আর্দ্র হৈ পৰিব। কবিতাটোত ফুটি উঠা মানৱতাবাদৰ বাণীয়ে পাঠকৰ মন স্পর্শ নকৰাকৈ নাথাকে। ইয়াতেই শব্দৰ খনিকৰ উইলিয়াম ৰর্ডছৱর্থৰ কৃতিত্ব। তেওঁ সর্বসাধাৰণৰ মুখৰ শব্দ প্রয়োগ কৰি অমৰ কাব্য সৃষ্টি কৰি গৈছে। তেওঁৰ সেই সৃষ্টি সিবিলাকৰ সৰল আবেদনক্ষম শক্তিৰ বাবে আজিও জাকত জিলিকা হৈ আছে।

ৰর্ডছৱর্থৰ কবিতাত ৰহস্যবাদী সুৰ ঃ ৰহস্যবাদী ৰর্ডছৱর্থৰ কবিতাত প্রতিধ্বনিত হোৱা অন্য এটা সুৰ, যি সুৰৰ মূর্ছনাই তেওঁৰ ভালেকেইটা কবিতাক আধ্যাত্মিক গুণ প্রদান কৰিছে। *Tintern Abbey* তেওঁৰ তেনে কেইটামান লেখৰ কবিতাৰ অন্তর্গত। ৰহস্যবাদ হৈছে ঈশ্বৰক উপলব্ধি কৰা এক প্রত্যক্ষ আৰু তাৎক্ষণিক অভিজ্ঞতা। মহাজাগতিক শক্তি, প্রকৃতি, আত্মা স্বৰূপ সেই পৰম শক্তিক কল্পনা, প্রার্থনা, ধ্যান আৰু নিজকে সেই শক্তিৰ ওচৰত আত্মসমর্পনৰ দ্বাৰা লাভ কৰিব পাৰি। ইয়াৰ বাবে প্রয়োজন গভীৰ অর্ন্তদৃষ্টি।

প্রকৃতি কবি ৱর্ডছৱর্থে চিৰ প্রাণময়, সজীৱ আৰু সমদর্শী প্রকৃতিৰ বিচিত্র ৰূপ সম্ভাৰৰ মাজেদি সেই ঐশ্বৰিক শক্তিৰ লগত একাত্ম হোৱাৰ সুযোগ লাভ কৰিছে। মানৱ দেহৰ নশ্বৰতাৰ কথা কবিয়ে বাৰুকৈয়ে উপলব্ধি কৰিছে। সেয়েহে তেজ-মঙহৰ এই ক্ষণ ভংগুৰ মানৱ দেহটোৰ ক্ষন্তেকীয়া স্থিতি আৰু আত্মাৰ অমৰত্বৰ কথা উপলব্ধি কৰি কবিয়ে তেওঁৰ উল্লেখযোগ্য কৃতি Ode : Intimations of Immortality ত উল্লেখ কৰিছে—

> ‘‘Our birth is but a sleep and a forgetting :
> The Soul that rises with us, our life's Star,
> Hath had elsewhere its setting,
> And cometh from afar :
> Not in entire forgetfulness,
> And not in utter nakedness,
> But trailing clouds of glory do we come
> From God, who is our home :’’

উল্লিখিত কবিতাৰ পংক্তি কেইটাত জন্ম আৰু মৃত্যু সম্বন্ধে ৱর্ডছৱর্থে যি মনোভাৱ প্রকাশ কৰিছে তাৰ যোগেদি এইটো উপলব্ধি হয় যে কবি জীৱনৰ শাশ্বত সত্যটোৰ বিষয়ে অনভিজ্ঞ নহয়। সেয়েহে তেওঁ জীৱনটোক (জীৱিত কালছোৱা) এক নিদ্রা আৰু বিস্মৃতিৰ লগত ৰিজাইছে। তাৰ বিপৰীতে তেওঁ আত্মাক জীৱন্ত আৰু উৎকর্ষৰ চৰম বিন্দু হিচাপে গণ্য কৰিছে, যি আত্মাৰ শেষ ক’ত তাক কোনেও নাজানে। পঞ্চভূতেৰে নির্মিত বিকাৰগ্রস্ত মানৱ দেহটোৰ বাবে আত্মাৰ স্বৰূপ, ইয়াৰ আৰম্ভণি আৰু শেষ ক’ত— সেই বিষয়ে জনাৰ কাৰোসাধ্য নাই। পিছে তাৰ মাজতে সংবেদনশীল, সুক্ষ্মদর্শী কবিসকলে জীৱ, আত্মা আৰু পৰমাত্মাৰ পাৰস্পৰিক সম্পর্কৰ কথা হৃদয়ঙ্গম কৰিব পাৰে। তেওঁলোকে নিজৰ সেই মহৎ উপলব্ধিৰ কথা কবিতাৰ মাজেদি বিশ্ব সমুদায়ক বিলাই দিবলৈ যত্নপৰ হয়। উইলিয়াম ৱর্ডছৱর্থো ইয়াৰ ব্যতিক্রম নাছিল।

তেওঁৰ *Tintern Abbey* কবিতাত ৱর্ডছৱর্থে প্রকৃতিৰ মাধ্যমেদি সেই পৰম শক্তিৰ লগত একাত্ম হ’বলৈ উদগ্রীৱ হৈছে। তেওঁ তাত লিখিছে—

> In Nature and the language of the sense
> The anchor of my purest thoughts, the nurse,
> The guide, the guardian of my heart and soul
> Of all my mortal being,.

কবিৰ মতে আত্মিক অনুভূতিৰ উপলব্ধি তেওঁৰ নিজৰ নহয়, সেয়া যেন অন্য কাৰোবাৰ অনুভূতি-উপলব্ধিহে। সেয়া এক ধৰণৰ অপার্থিব উপলব্ধি যি প্রকৃতি জগতৰ

বিবিধ উপাদানৰ মাধ্যমেদি কবিৰ মন-মগজুত প্রতিস্থাপিত হৈছে। তেতিয়া কবিয়ে এইটো গভীৰভাৱে উপলব্ধি কৰিছে যে তেওঁৰ মন আৰু আত্মাক মথি তেওঁক দিক নির্দেশনা দিয়া গৰাকী আন কোনো নহয়, সেয়া হৈছে সেই পৰম আধ্যাত্মিক শক্তি যি তেওঁৰ মন আৰু আত্মাৰ পথপ্রদর্শক আৰু অভিভাৱক। তেওঁ সেই পৰম প্রশান্তিময় শক্তিৰ অধীন হৈ কর্মক্ষেত্রত আগবাঢ়িবলৈ ইচ্ছুক। এইদৰে ৰর্ডছৱর্থৰ অন্য কেতবোৰ কবিতাৰ মাজতো ৰহস্যবাদী চিন্তাই ছাঁ-পোহৰৰ মাজত খেলা কৰি থকা প্রত্যক্ষ কৰিব পাৰি।

ৰর্ডছৱর্থৰ কবিতা আৰু মানৱতাবাদ ঃ ৰোমাণ্টিক কবিতাৰ অন্যতম লক্ষণ হৈছে— মানৱতাবাদ। প্রকৃতি কবি ৰর্ডছৱর্থৰ কবিতাত মানৱতাবাদে উল্লেখনীয় ভূমিকা পালন কৰিছে। তেওঁৰ প্রকৃতি জগতক লৈ লিখা কবিতাকেইটাই হওঁক বা সাধাৰণ মানুহক লৈ ৰচনা কৰা সৰস কবিতাকেইটাই হওঁক— সকলোতে মানৱতাবাদী চিন্তা অন্তঃসলিলা ফল্গুধাৰাৰ দৰে প্রবাহমান। তেওঁ সাধাৰণ মানুহৰ জীৱনক তেওঁলোকৰ সুখ-দুখক গুৰুত্ব দিছিল। সাধাৰণজনৰ লগত তেওঁ নিজকে মিলাই দিব জানিছিল। ছাইমন লীৰ নিচিনা দুখীয়া নিশকতীয়া চিকাৰীজনেই হওঁক বা জোক বিচাৰি থকা বৃদ্ধ লোক, নিজানত ধান দাই থকা দাৱনীজনীয়েই হওঁক অথবা ড'ভ অঞ্চলৰ সৰোবৰৰ ওচৰ-পাজৰে বাস কৰা অচিনাকি সাধাৰণ গাভৰু ছোৱালীজনীয়েই নহওঁক কিয়, সকলোৰে প্রতি কবিয়ে সহানুভূতিশীল মনোভাৱ পোষণ কৰিছে। তেওঁলোকৰ জীৱন, জীৱিকা, সংঘাত বেদনা সকলো কথাৰ প্রতি কবি সজাগ সচেতন। সমসাময়িক বৌদ্ধিক জগতৰ লগত সম্পর্ক থকা কবি ৰর্ডছৱর্থৰ সমাজৰ নিম্নতম স্তৰত বাস কৰা এই লোকসকলৰ প্রতি থকা সমবেদনা আৰু সহৃদয়পূর্ণ মনোভাৱে তেওঁৰ নিষ্কলুষ, উদাৰ অন্তৰখনৰ কথাকে সোঁৱৰায়। She Dwelt Among the Untrodden Ways নামৰ কবিতাত কবিতে এগৰাকী অখ্যাত গাভৰুৰ কথা বর্ণনা কৰিছে। ড'ভৰ সৰোবৰৰ পাৰত বাস কৰা এই গাভৰু ছোৱালীজনী জাকত জিলিকা গাভৰুও নহয়। কবিৰ দৃষ্টিত তাইক ভাল পাব পৰা মানুহ নিচেই কম। তাই অখ্যাত ৰূপতেই জীয়াই থাকিব আৰু অখ্যাত ভাবেই এই সংসাৰৰ পৰা নীৰৱে গুচি যাবগৈ। লুচি নামৰ এই ছোৱালীজনীৰ জীৱনৰ কথা ক'বলৈ যাওঁতে কবিয়ে উল্লেখ কৰিছে—

> "She lived unknown, and few could know
> When Lucy ceased to be,
> But she is in her grave, and, oh,
> The difference to me!"

লুচি নামৰ সেই গাভৰু ছোৱালীজনী কবিৰ চিনাকি বা আত্মীয়ৰ ভিতৰত নপৰে। কবিয়ে তাইক চিনিও নাপায়। অথচ তাইৰ অনুপস্থিতিয়ে কবিৰ মনত এক অবুজ বেদনাবোধ জাগ্রত কৰিছে। আত্মীয় নহ'লেও লুচিৰ প্রতি কবিৰ মনত জাগ্রত

হোৱা সেই অনুভূতিয়ে তেওঁৰ সহৃদয় অন্তৰখন আৰু সমাজ অন্যান্য ব্যক্তিৰ প্ৰতি থকা তেওঁৰ সহানুভূতিৰ কথাই সূচায়। লুচিৰ মৃত্যুত কবিৰ মনত যি শোকবোধে ক্ৰিয়া কৰিছে, সেয়াই সমাজৰ অন্য দহজনৰ প্ৰতি থকা কবিৰ সহানুভূতিৰ কথাই সূচায়।

গতিকে মানুহেই কবি উইলিয়াম ৱর্ডছৱর্থৰ সৃষ্টিৰ মূল উপজীব্য। এইটো সঁচা যে প্ৰকৃতি কবি হিচাপে ৱর্ডছৱর্থ প্ৰখ্যাত। পিছে তেওঁৰ প্ৰকৃতি বিষয়ক কবিতাসমূহ বিচাৰ কৰিলে এইটো বোধগম্য হ'ব যে তেওঁৰ প্ৰকৃতি বন্দনাতো এক মানৱীয় সূৰ বিদ্যমান, যি সূৰৰ মূৰ্চনাই পাপী, তাপিত মানৱ আত্মাৰ অন্তৰত শান্তিৰ স্ৰোত বোৱাই থাকে। ৱর্ডছৱর্থ এনে এগৰাকী কবি যিগৰাকীয়ে অহৰহ প্ৰকৃতি আৰু মানৱৰ সহাৱস্থানৰ কথা উদাত্ত কণ্ঠে কৈছিল। কবিৰ দৃষ্টিত বস্তুবাদী চিন্তাৰ অধীন মানুহে প্ৰকৃতি জগতৰ উদাৰতাৰ কথা উপলব্ধি কৰিবলৈ চেষ্টা নকৰে। সেইবাবে মানুহে প্ৰকৃতিৰ উদাৰ দানসমূহৰ মূল্য কি তাক মূল্যায়ন কৰিবলৈ অপাৰগ। বিধাতাৰ হাতৰ পুতলা মানুহে ৰিপুসমূহৰ কবলত পৰি মাথোন নিজৰ কৰ্ম কৰি যায়। সেই কৰ্মই তেওঁলোকক কোন পথে লৈ যাব তাৰ চিন্তা মানুহৰ মনলৈ নাহে। কিন্তু প্ৰকৃতিয়ে প্ৰকৃত পথ প্ৰদৰ্শকৰ দৰে মানুহক শিকনি দিয়ে আৰু ইহ জীৱন তথা পৰজীৱন (Spiritual life) যাতে সুগম হয় তাৰ ব্যৱস্থা দিয়ে। প্ৰকৃতিৰ লগত একাত্ম হ'ব নোৱাৰিলে মানুহে এই সূক্ষ্ম কথাটো হৃদয়ংগম কৰিব নোৱাৰে।

কবিগৰাকীয়ে দুখবোধৰ মাজতো জীৱনৰ সত্য অন্বেষণ কৰিছে। *The Solitary Reaper*ত দাৱনী গাভৰুজনীয়ে গাই থকা অচিনাকি সুৰৰ গীতৰ মাজতো তেওঁ সৌন্দৰ্যৰ সন্ধান পাইছিল। পিছে তাত সুখানুভূতিতকৈ দুখানুভূতিৰ ৰেখ অধিক বুলি তেওঁৰ বোধ হৈছিল। সেইদৰে সাধাৰণ মানুহৰ সৰলতা, নিষ্কপটতাৰ বিপৰীতে সমাজৰ তথাকথিত শিক্ষিত, অভিজাত শ্ৰেণীৰ মানুহৰ ভণ্ড আচৰণ আৰু কপটতাই কবিক আতুৰ কৰিছিল। তেওঁৰ *The Maid of Buttermere* আৰু *Michael* কবিতাৰ মাজেদি সমাজৰ জীৱনৰ সেই স্খলনমুখী ৰূপ আৰু মানৱ মনৰ কলুষতাৰ কথা মর্মস্পর্শী ভাষাৰে ব্যক্ত হৈছে। এইদৰে পর্যবেক্ষণ কৰিলে ৱর্ডছৱর্থৰ কবিতাত আমি জীৱন আৰু প্ৰকৃতি জগতৰ মাজত থকা সম্পর্কৰ লগতে মানৱীয় সম্পর্ক, প্ৰমূল্য আৰু মহৎ জীৱন দর্শনৰ বর্ণাঢ্য চিত্ৰ উদ্ভাসিত হোৱা প্ৰত্যক্ষ কৰিব পাৰোঁ।



জানি থোৱা ভাল

উইলিয়াম ৱর্ডছৱর্থ Lake Poet হিচাপেও জনাজাত। তেওঁৰ লগতে উচ্চাৰিত হোৱা অন্য দুগৰাকী Lake Poet ৰ নাম হৈছে ক্ৰমে ছেমুৱেল টেইলৰ আৰু ৰবার্ট ছাউদি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ কবি উইলিয়াম ৱর্ডচৱর্থৰ জীৱন আৰু কৃতিৰ চমু পৰিচয় আগবঢ়াওক। (১৫০টা শব্দৰ ভিতৰত)

.....

প্রশ্ন নং ৪ ঃ উইলিয়াম ৱর্ডচৱর্থৰ কবিতাৰ সাধাৰণ বৈশিষ্ট্যসমূহ কি কি?

(১৫০টা শব্দৰ ভিতৰত)

.....

প্রশ্ন নং ৫ ঃ কিদৰে ৱর্ডচৱর্থে কবিতাক সাধাৰণ মানুহৰ কায চপাই নিছিল?

(৭৫টা শব্দৰ ভিতৰত)

.....

২.৫ *টিনটার্ণ এবে (Tintern Abbey)*

২.৫.১ মূল ইংৰাজী কবিতাটোৰ পাঠ

Five years have passed: five summers, with the length
Of five long winters! And again I hear
These waters, rolling from their mountain-springs
With a soft inland murmur. –Once again
Do I behold these steep and lofty cliffs,
That on a wild secluded scene impress
Thoughts of more deep seclusion; and connect
The landscape with the quiet of the sky.
The day is come when I again repose
Here, under this dark sycamore, and view
These plots of cottage-ground, these orchard-tufts,
Which at this season, with their unripe fruits,
Are clad in one green hue, and lose themselves
'Mid groves and copses. Once again I see
These hedge-rows, hardly hedge-rows, little lines
Of sportive wood run wild: these pastoral farms,
Green to the very door; and wreaths of smoke
Sent up, in silence, from among the trees!

With some uncertain notice, as might seem
Of vagrant dwellers in the houseless woods,
Or of some Hermit's cave, where by his fire
The Hermit sits alone.
These beauteous forms,
Through a long absence, have not been to me
As is a landscape to a blind man’s eye:
But oft, in lonely rooms, and ‘mid the din
Of towns and cities, I have owed to them
In hours of weariness, sensations sweet,
Felt in the blood, and felt along the heart;
And passing even into my purer mind,
With tranquil restoration : –feelings too
Of unremembered pleasure: such, perhaps,
As have no slight or trivial influence
On that best portion of a good man’s life,
His little, nameless, unremembered, acts
Of kindness and of love. Nor less, I trust,
To them I may have owed another gift,
Of aspect more sublime; that blessed mood
In which the burthen of the mystery,
In which the heavy and the weary weight
Of all this unintelligible world,
Is lightened; –that serene and blessed mood,
In which the affections gently lead us on, –
Until, the breath of this corporeal frame
And even the motion of our human blood
Almost suspended, we are laid asleep
In body, and become a living soul:
While with an eye made quiet by the power
Of harmony, and the deep power of joy,
We see into the life of things.
If this

Be but a vain belief, yet, oh! How oft–
In darkness and amid the many shapes
Of joyless daylight; when the fretful stir
Unprofitable, and the fever of the world,
Have hung upon the beatings of my heart–
How oft, in spirit, have I turned to thee,
0 sylvan Wye! Thou wanderer thro' the woods,
How often has my spirit turned to thee!
And now, with gleams of half- extinguished thought,
With many recognitions dim and faint,
And somewhat of a sad perplexity,
The picture of the mind revives again:
While here I stand, not only with the sense
Of present pleasure, but with pleasing thoughts
That in this moment there is life and food
For future years. And so I dare to hope,
Though changed, no doubt, from what I was when first
I came among these hills; when like a roe
I bounded o'er the mountains, by the sides
Of the deep rivers, and the lonely streams,
Wherever nature led: more like a man
flying from something that he dreads than one
Who sought the thing he loved. For nature then
(The coarser pleasures of my boyish days,
And their glad animal movements all gone by)
To me was all in all. – I cannot paint
What then I was. The sounding cataract
Haunted me like a passion: the tall rock,
The mountain, and the deep and gloomy wood,
Their colours and their forms, were then to me
An appetite; a feeling and a love,
That had no need of a remote charm,
By thought supplied, nor any interest

Unborrowed from the eye. –That time is past,
And all its aching joys are now no more,
And all its dizzy raptures. Not for this
Faint I, nor mourn nor murmur; other gifts
Have followed; for such loss, I would believe,
Abundant recompense. For I have learned
To look on nature, not as in the hour
Of thoughtless youth; but hearing often times
The still, sad music of humanity,
Nor harsh nor grating, though of ample power
To chasten and subdue. And I have felt
A presence that disturbs me with the joy
Of elevated thoughts; a sense sublime
Of something far more deeply interfused,
Whose dwelling is the light of setting suns,
And the round ocean and the living air,
And the blue sky, and in the mind of man:
A motion and a spirit, that impels
All thinking things, all objects of all thout,
And rolls through all things. Therefore am I still
A lover of the meadows and the woods,
And mountains; and all that we behold
From this green earth; of all the mighty world
Of eye, and ear, –both what they half create.
And what perceive; well pleased to recognise
In nature and the language of the sense
The anchor of my purest thoughts, the nurse,
The guide, the guardian of my heart, and soul
Of all my moral being.
Nor perchance,
If I were not thus taught, should I the more
Suffer my genial spirits to decay:
For thou art with me here upon the banks

Of this fair river; thou my dearest Friend,
My dear, dear Friend; and in thy voice I catch
The language of my former heart, and read
My former pleasures in the shooting lights
Of thy wild eyes. Oh! yet a little while
May I behold in thee what I was once,
My dear, dear Sister! And this prayer I make,
Knowing that Nature never did betray
The heart that loved her; 'tis her privilege,
Through all the years of our life, to lead
From joy to joy: for she can so inform
The mind that is within us, so impress
With quietness and beauty, and so feed
With lofty thoughts, that neither evil tongues,
Rash judgements, nor the sneers of selfish men,
Nor greetings where no kindness is, nor all
The dreary intercourse of daily life,
Shall e' er prevail against us, or disturb
Our cheerful faith, that all which we behold
Is full of blessings. Therefore let the moon
Shine on thee in thy solitary walk;
And let the misty mountain winds be free
To blow against thee: and, in after years.
When these wild ecstasies shall be matured
Into a sober pleasure; when thy mind
Shall be a mansion for all lovely forms,
Thy memory be a dwelling-place
For all sweet sounds and harmonies; oh! then,
If solitude, or fear, or pain, or grief,
Should be thy portion, with what healing thoughts
Of tender joy wilt thou remember me,
And these my exhortations! Nor, perchance–
If I should be where I no more can hear

Thy voice, nor catch from thy wild eyes these gleams,
Of past existence- wilt thou then forget
That on the banks of this delightful stream
We stood together; and that I, so long
A worshipper of Nature, hither came
Unwearied in that service: rather say
With warmer love- oh! with far deeper zeal
Of holier love. Nor wilt thou then forget
That after many wanderings, many years
Of absence, these steep woods and lofty cliffs,
And this green pastoral landscape, were to me
More dear, both for themselves and for thy sake!

২.৫.২ কবিতাটোৰ সাধাৰণ আলোচনা

১৭৯৮ চনত প্ৰকাশ পোৱা *Lyrical Ballads*তঅন্তৰ্ভুক্ত হোৱা এটা কবিতা হৈছে *Tintern Abbey*। এই কবিতাটোক উইলিয়াম ৱর্ডছৱর্থৰ অন্যতম শ্ৰেষ্ঠ কবিতাসমূহৰ ভিতৰত ধৰা হয়। টিনটার্ণ এবে কবিতাটোত কবি ৱর্ডচৱর্থে প্ৰকৃতিৰ প্ৰতি থকা তেওঁৰ কোমল অনুভূতি প্ৰকাশ কৰিছে। ইয়াত ঘাইকৈ তেওঁ টিনটার্ণ এবিলৈ যোৱাৰ প্ৰথম স্মৃতিটোৰ কথা পুনঃস্মৰণ কৰিছে। দ্বিতীয়বাৰ তেওঁ সেই স্থানলৈ যাওঁতে প্ৰকৃতিৰ প্ৰতি থকা তেওঁৰ বিশ্বাস পুনৰ দৃঢ় হৈছে। কবিয়ে প্ৰকৃতিৰ প্ৰতিটো অনু-পৰমাণুৰ মাজত ঈশ্বৰৰ অস্তিত্ব অনুভৱ কৰিছে। প্ৰকৃতিয়েই তেওঁৰ বাবে সর্বস্ব। সেই শান্ত, মনোৰম বনভূমিয়ে তেওঁক অনাবিল তৃপ্তি প্ৰদান কৰে। বনৰ মনোৰম, তৃপ্তিদায়ক ৰম্য পৰিৱেশ, মনোলোভা গছ বিৰিখ ফলৰ বাগিচা, ঘাঁহনি, জুপুৰি ঘৰ আদিয়ে কবিৰ মন এক অনির্বচনীয় মাদকতাৰে পূর্ণ কৰিছে।

পাঁচটা স্তবকত সম্পূর্ণ হোৱা *টিনটার্ণ এবে* কবিতাটোত কবিয়ে এটা বিশেষ সময়ক ধৰি ৰাখিব খুজিছে। ইতিমধ্যে সেই স্থানলৈ যোৱা পাঁচ বছৰ পাৰ হৈছে। পাঁচটা বসন্ত আৰু পাঁচটা শীত পাৰ হৈ গৈছে। অথচ দ্বিতীয় দর্শনৰ কালতো তেওঁ সেই স্থানৰ পূর্বৰ সেই সজীৱ মাদকতা আকৌ এবাৰ অনুভৱ কৰিছে। কবিতাটোৰ আৰম্ভণিতে কবিয়ে পাঁচ বছৰৰ সময়ছোৱাৰ কথা কৈছে। ইয়াত কবিয়ে পাঁচ বছৰৰ আগৰ টিনটার্ণ এবে আৰু পাঁচ বছৰৰ পাছৰ অর্থাৎ সেই স্থানলৈ তেওঁৰ পুনৰ আগমনৰ কালছোৱাৰ মনোজ্ঞ অথচ মন্থৰ গতিৰ বিৱৰণেৰে আৰম্ভ কৰিছে। এই বিৱৰণত প্ৰকৃতিৰ বিমল ৰূপ আৰু শান্ত বাতাবৰণৰ মাজত এনে এক সামঞ্জস্য বিধান কৰা হৈছে যে কবিয়ে পুনৰ পাঁচ বছৰৰ আগৰ স্মৃতি বিজড়িত স্থানত উপনীত হোৱা যেন অনুভৱ কৰিছে। Five

শব্দটোত জোৰ দি কবিয়ে পাঠকক বাৰে বাৰে সময়ৰ কথাটো সোঁৱৰাই আছে। তাৰ লগতে তেওঁ সাৱলীলভাৱে Wye নদীৰ উপত্যকাৰ মনোৰম সৌন্দর্য বর্ণনা কৰিছে।

কবিয়ে দ্বিতীয় বাৰ টিনটার্ণ এবেলৈ গৈ তালৈ যোৱাৰ প্রথম স্মৃতি ৰোমন্থন কৰিছে। তেওঁ ব্যক্ত কৰিছে কিদৰে পাঁচ বছৰ জুৰি সেই স্মৃতিয়ে তেওঁক অনাবিল তৃপ্তি প্রদান কৰি আহিছে। ব্যস্ততাপূর্ণ নগৰীয়া জীৱন অতিবাহিত কৰিলেও তেওঁৰ মন আৰু আত্মাই Wye নদীৰ উপত্যকাৰ প্রকৃতিক পৰিৱেশৰ মাজতেই বিচৰণ কৰি আছিল। তেওঁ প্রকৃতিৰ লগত থকা তেওঁৰ আত্মিক সম্পর্কৰ কথা কৈছে যদিও তাক ধর্মৰ লগত জড়িত আধ্যাত্মিকতাৰ লগত তুলনা কৰা নাই। কিন্তু তেওঁ প্রকৃতিৰ নৈসর্গিক সত্তাক স্বীকাৰ কৰিছে। প্রকৃতিৰ বিভিন্ন উপাদানত তেওঁ মানৱীয়তা আৰোপ কৰি সেই মতে প্রকৃতিৰ বর্ণাঢ্য ৰূপ বর্ণনা কৰিছে।

শৈশৱত তেওঁ প্রত্যক্ষ কৰা প্রকৃতিৰ ৰূপ আৰু প্রাপ্তবয়স্ক হোৱাৰ পাছত প্রত্যক্ষ কৰা সেই একে প্রকৃতিৰ ৰূপৰ মাজৰে পার্থক্য মন কৰিবলগীয়া। শৈশৱত তেওঁ মুক্ত মনে প্রকৃতিৰ সৌন্দর্য উপভোগ কৰিছিল। কিন্তু বয়স বাঢ়ি যোৱাৰ লগে লগে এক গাম্ভীর্যই কবিৰ ব্যক্তিত্বক সলনি কৰিছে। তেতিয়া তেওঁ প্রকৃতিৰ নিষ্কলুষ সৌন্দর্য আৰু উদাৱতাৰ বিপৰীতে মানৱ সমাজৰ কলুষতাপূর্ণ চিন্তা আৰু স্বার্থপৱতাৰ কথা চিন্তা কৰিছে।

> "For I have learned
> To look on nature, not as in the hour
> Of thoughtles youth; but hearing often times
> The still, sad music of humanity,"

পিছে এই দুখানুভূতিয়ে কবিক বেছি সময় ব্যতিব্যস্ত কৰিব পৰা নাই। স্বয়ং প্রকৃতিয়েই তেওঁক তেওঁৰ মনঃস্থিতি পৰিৱর্তন কৰা পথৰ সন্ধান দিছে। কাৰণ প্রকৃতিৰ পৰাই তেওঁ নিজৰ বৌদ্ধিক ক্ষমতা বৃদ্ধিৰ মন্ত্র লাভ কৰিছে। জীৱন আৰু জগতৰ ক্ষণভংগুৱ পৰিৱর্তনসমূহ আৰু তাৰ লগত জড়িত দুখবোধে তেওঁক তেওঁৰ লক্ষ্য পথৰ পৰা বিচলিত কৰিব পৰা নাই। প্রকৃতিৰ প্রতি থকা কবিৰ আস্থা ভংগ হোৱা নাই। বৱঞ্চ ই দিন অতিবাহিত হোৱাৰ লগে লগে বৃদ্ধি পাইছে। প্রকৃতিৰ চিৰ নতুন সত্তাৰ লগত তেওঁ নিজৰ সত্তাটো মিলাই দিছে। প্রকৃতি তেওঁৰ আজীৱন বন্ধু, দার্শনিক আৰু পথ প্রদর্শক ৰূপে প্রতিষ্ঠিত হৈছে।

> "Of eye, and ear, both what they half create
> And what perceive, well pleased to recognise
> In nature and the language of the senses
> The anchor of my purest thoughts, the nurse,
> The guide, the guardian of my heart, and soul
> of all my moral being."

কবিতাটোৰ শেষত কবিয়ে তেওঁৰ ভনীয়েক ড'ৰ'থিক ক্রমে ভগ্নী আৰু প্রিয় বন্ধু বুলি সম্বোধন কৰি ড'ৰ'থিৰ মাজেদি বনভূমিৰ সেই মাধুর্যময় ৰূপ আৰু সজীৱতা প্রত্যক্ষ কৰিছে। এনে ভাব হয় যেন কবিয়ে আৰম্ভণিৰে পৰা ভনীয়েক ড'ৰ'থিৰ লগত ভাব বিনিময় কৰি প্রকৃতিৰ প্রতি থকা তেওঁৰ আন্তৰিক টান প্রদর্শন কৰাৰ লগতে জীৱনৰ বিভিন্ন স্তৰত সেই বিশেষ অনুভূতি কিদৰে বিকশিত হৈছে তাৰ এক মনোজ্ঞ লেখ আগবঢ়াইছে। কবি আশাবাদী আৰু তেওঁৰ বিশ্বাস যে তেওঁৰ ভনীয়েকৰ মাজতে তেওঁৰ আশা-অনুভূতিসমূহ জীয়াই থাকিব। সেয়েহে কবিতাটোৰ শেষত কবিয়ে কৈছে—

"Nor wilt though then forget
That often many wanderings, many years
Of absence, these steep woods and lofty cliffs,
And this green pastoral landscape, were to me
More dear, both for themselves, and for thy sake."

এই কথা কেইষাৰেৰে কবিয়ে এক মনোৰম চিত্রপট নির্মাণ কৰিছে য'ত তেওঁ আৰু তেওঁৰ ভগ্নী ড'ৰ'থি দুয়োৱে প্রকৃতিৰ সৌন্দর্য পাণ কৰাৰ সুযোগ লাভ কৰাই নহয়, বৰঞ্চ তাৰ স্মৃতি যাউতিযুগীয়া কৰিবলৈকো তৎপৰ। দুই ভাতৃ-ভগ্নীৰ যি বন্ধুত্বপূর্ণ সহযোগিতাপূর্ণ মনোভাব, তাৰ মাজেদি এইটো প্রত্যক্ষ কৰিব পৰা যায় যে প্রকৃতি চিৰ শাশ্বত সৌন্দর্যৰ আকৰ হোৱাৰ লগতে অনুপ্রেৰণা আৰু সমন্বয়ৰ এক অপূর্ব দৃষ্টান্ত যিয়ে মানৱীয় সম্পর্কক মহত্বৰ শাৰীলৈ আগবঢ়াই নিয়ে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৬ ঃ *টিনটার্ণ এবে* কবিতাত কবি ৱর্ডছৱর্থে কিদৰে প্রকৃতিৰ লগত একাত্ম হ'ব পাৰিছে। (১৫০টা শব্দৰ ভিতৰত)

.....

২.৫.৩ কবিতাটোৰ বিষয়বস্তু

*Lyrical Ballads*ৰ প্রণেতা ৰোমাণ্টিক কবি উইলিয়াম ৱর্ডছৱর্থৰ অনবদ্য ৰচনা টিনটার্ণ এবেৰ মাজেদি কবিৰ মানসত অন্তঃসলিলা ফল্গুধাৰাৰ দৰে চিৰ প্রবাহমান মানৱতাবাদ, প্রকৃতিৰ ওচৰত সম্পূর্ণ আত্মসমর্পনৰ চেতনা আৰু এক উচ্চাত্মিক জীৱন বীক্ষা— এইকেইটা মহৎ উপলব্ধিৰ পূর্ণ স্ফূৰণ ঘটিছে। প্রথম পুৰুষত বর্ণিত আৰু মুক্তক ছন্দত ৰচিত এই অপূর্ব কবিতাটোৰ মাজেদি কবি ৱর্ডছৱর্থে তেওঁৰ কবি জীৱনৰ সর্বস্ব নিবেদন কৰিছে।

কবিয়ে টিনটার্ণ এবেত এঠাইত উল্লেখ কৰিছে—

"Of unremembered pleasure : such, perhaps,
As have no slight or trivial influence
On that best portion of a good man's life,
His little, nameless, unremembered, acts
Of kindness and of love. Nor less, I trust,"

ইয়াত কবিয়ে good man's lifeৰ লগত unremembered pleasureৰ মাজেদি আমাৰ নিত্য নৈমিত্তিক জীৱনত লগ পোৱা উদাৰ, সহানুভূতিশীল অন্তৰৰ ব্যক্তিয়ে তেওঁৰ লগ সমনীয়া বা অচিনাকি লোককো আগবঢ়োৱা সহায়ৰ হাত আৰু সহযোগিতাৰ কথা উল্লেখ কৰা হৈছে। দৈনন্দিন জীৱন চর্যাত সমাজ জীৱনত ব্যক্তিয়ে পৰস্পৰৰ প্রতি উদাৰভাৱে সহায় সহযোগিতা আগবঢ়ায় আৰু সেই সৰু সৰু খুটি নাটি কথাবোৰ হয়তো পাহৰিও যায়, কাৰণ মানুহ অতি ব্যস্ত জীৱ। কিন্তু কেতিয়াবা নিৰলে বহি সেই স্মৃতি ৰোমন্থন কৰি ব্যক্তিয়ে সাহার্যকাৰী ব্যক্তিজনৰ প্রতি কৃতজ্ঞতাৰে মূৰ দোৱাই অনাবিল তৃপ্তি লাভ কৰে। এইয়া এক স্বর্গীয় অনুভূতি। তাৰ অনুৰূপে সি গৰাকী ব্যক্তিয়েও হয়তো স্মৃতিৰ অতল গর্ভৰ পৰা তেনে মধুৰ ক্ষণ উদ্ধাৰি আনি আপোন মনে মিচিকিয়াই নেদেখাজনলৈ বুলি ধন্যবাদ জনাই এই বুলি যে তেওঁ সামান্য সহায়ৰ হাত আগবঢ়োৱাৰ বাবে অন্য এগৰাকী ব্যক্তি উপকৃত হোৱাৰ বাবে তেওঁ ঈশ্বৰৰ প্রতি কৃতজ্ঞ। এইদৰে সাধাৰণ মানুহে দৈনন্দিন জীৱনত কিছুমান সৰু সৰু কাম কৰি তেওঁ নিজৰ অজ্ঞাতে সমাজৰ অন্য দহজনৰ হিত সাধন কৰে অথচ তেওঁ সেই সৰু সৰু কথাবোৰ মনত নাৰাখে। সাধাৰণ মানুহৰ সুখ দুখ আশা অনুভূতিৰ লগত বাৰুকৈয়ে পৰিচিত কবিয়ে মানৱ কল্যাণৰ লগত জড়িত এই সৰু সৰু ঘটনাবোৰ গুৰুত্ব সহকাৰে গ্রহণ কৰিছে আৰু ক্ষুদ্র ক্ষুদ্র মানুহে কৰা এই ক্ষুদ্র ক্ষুদ্র ভাল কামবোৰে কিদৰে মহৎ মানৱতাবাদৰ সৌধ নির্মাণ কৰিব পাৰে তাৰেই লেখ তেওঁৰ অনবদ্য সৃষ্টি *টিনটার্ণ এব্বে* মাজেদি প্রকাশ কৰিছে।

নিত্য নৈমিত্তিক জীৱনৰ মেৰপাকত সোমাই ককবকাই থকা মানুহৰ বাবে প্রকৃতিৰ বিনন্দীয়া ৰূপৰ ৰস পান কৰাতো সহজসাধ্য নহয়। ক্ষণ মাত্রৰ বাবে সাধাৰণ মানুহৰ মন এই দিশটোৰ প্রতি সচেতন হ'লেও পিছ মুহূর্ততে সাংসাৰিক জীৱনৰ সমস্যা জর্জৰ চিন্তাই ব্যক্তি বিশেষৰ মন সংকুচিত কৰি তোলে আৰু লগে লগে তেওঁৰ মনটোৱো সাংসাৰিক সমস্যাৰ মেৰপাকত সোমাই পৰে। কিন্তু কবি প্রাণৰ কথা সুকীয়া। কবিমনে প্রকৃতিৰ বিনন্দীয়া ৰূপ ৰস পান কৰাৰ লগতে তাৰ পৰা ওপজা অনুভূতিৰ দ্বাৰা প্রেৰিত হৈ সৃষ্টিশীল কর্মত মনোনিবেশ কৰিব পাৰে। আলোচ্য কবি উইলিয়াম ৰর্ডছৱর্থো ইয়াৰ ব্যতিক্রম নহয়। ইংলেণ্ডৰ লে'ক জিলাত জন্মগ্রহণ কৰা এইগৰাকী কবিৰ শৈশৱৰ পৰাই প্রকৃতিৰ লগত এক নিবিড় সম্পর্ক আছিল। শৈশৱৰে পৰা প্রকৃতিৰ লগত গঢ়ি উঠা এই একাত্ম অনুভূতি তেওঁৰ বয়স বাঢ়ি অহাৰ লগে লগে পৈণতৰ পিনে আগবাঢ়ে। এফালৰ

পৰা চাবলৈ গ'লে এই কবিতাটোত ৰর্ডছৱর্থৰ প্রকৃতিৰ প্রতি থকা প্রেমৰ বিভিন্ন স্তৰত হোৱা বিকাশৰ লেখ আগবঢ়োৱা হৈছে। প্রথম অৱস্থাত তেওঁ শিশু হিচাপে প্রকৃতিৰ প্রতি থকা অনুৰাগ বিভিন্ন দেহজ ভাব অনুভূতিৰ প্রকাশৰ মাধ্যমেদি প্রদর্শন কৰিছিল। তেওঁ প্রকৃতিভূমিত বিচৰণ কৰিছিল, বনৰ পশু পক্ষীৰ লগত মিত্রতাসুলভ আচৰণ প্রদর্শন কৰিছিল, হাবিতলীয়া বাটৰ দাঁতিত অৱস্থিত প্রবাহমান নৈ নিজৰাৰ পাৰত বহি আত্মবিভোৰ হৈ বনভূমিত বহু সময় অতিবাহিত কৰিছিল। যৌৱনত ভৰি দিয়াৰ পিছত ৰর্ডছৱর্থৰ প্রকৃতিৰ প্রতি থকা দৃষ্টিভংগীয়ে এক নতুন ৰূপ পৰিগ্রহ কৰে। পূর্বতে তেওঁ ল'ৰা হিচাপে প্রকৃতিৰ মূর্ত ৰূপ দেখি আত্মবিভোৰ হৈছিল। কিন্তু বাঢ়ি অহা বয়স আৰু জীৱনত লাভ কৰা অভিজ্ঞতাই তেওঁৰ চিন্তাৰ জগত কিছু সলনি কৰি দিছিল। প্রকৃতিৰ প্রতি থকা তেওঁৰ প্রেম অবিচল হৈয়েই থাকিল। কিন্তু এতিয়া তেওঁ অনুভৰ কৰিবলৈ ধৰিলে যেন প্রকৃতিৰ মাজৰ পৰা কিবা এটা নোহোৱা হৈ গৈছে। তেওঁ অনুভৰ কৰা সেই ৰিক্ততাই তেওঁৰ মনলৈ এটা দুখানুভূতি কঢ়িয়াই আনিলে। জীৱনটোক নতুনকৈ বুজি পাবলৈ ধৰা ৰর্ডছৱর্থে এইটো আৱিষ্কাৰ কৰিলে যে প্রকৃতি মানৱ জীৱনৰ দুখ দুর্দশাৰ প্রতিও সচেতন। প্রকৃতিয়ে অতন্দ্র প্রহৰী ৰূপে মানুহক জীৱনৰ খলা বমা পথত আগবাঢ়ি যাওঁতে সাৱধানতা অৱলম্বন কৰিবলৈ নীৰৱে সকিয়াই দিয়ে আৰু মানুহক শিক্ষা দিয়ে কেনেকৈ জীৱন নৈত নমা প্রচণ্ড ধুমুহাক নেওচা দি মানুহে স্থিতপ্রজ্ঞ হৈ সেই ধুমুহাক প্রতিহত কৰি নতুন সৃষ্টি আৰু সমৃদ্ধিৰ পথত আগবাঢ়ি যাব পাৰে। অন্যভাৱে ক'বলৈ হ'লে কবি ৰর্ডছৱর্থৰ সৃষ্টি প্রকৃতি মানুহৰ প্রকৃত friend, philosopher and guide হ'ব পাৰে।

কবি কল্পনাত প্রকৃতি বিমূর্ত সত্তা নহয়, বৰঞ্চ তেওঁ প্রকৃতিত ব্যক্তিত্ব আৰোপ কৰি এক শৰীৰী সত্তা ৰূপে জ্ঞান কৰিছে। প্রকৃতিৰ সংৰক্ষণকাৰী গুণৰ প্রতি কবি পূর্ণ আস্থাশীল। প্রকৃতি চিৰ নবীন, চিৰ শাশ্বাত, ই অবিনাশী। কিন্তু সংসাৰী মানুহে সেই সত্য বুজিব নোৱাৰি প্রকৃতিৰ প্রতি ধ্বংসাত্মক মনোভাব গ্রহণ কৰে। সৰলতাৰ এই অপমৃত্যুৱে কবি প্রাণক ব্যথিত কৰি তোলে।

"…. For I have learned
To look on nature, not as in the hour
Of thoughtless youth; but hearing often times
The still, sad music of humanity,
Nor harsh nor grating, though of ample power
To chasten and subdue"

এইগৰাকী প্রকৃতি কবিৰ চিন্তা আৰু চেতনাৰ প্রতিটো স্তৰতে প্রকৃতিৰ যি গাঢ় প্রভাৱ তাৰ কথা ইতিমধ্যে কৈ অহা হৈছে। ঐতিহাসিক প্রেক্ষাপটৰ কথা বিচাৰ কৰিলে এইটো বোধগম্য হ'ব যে ৰর্ডছৱর্থে সেই সময়ছোৱাত জন্মগ্রহণ কৰিছিল যি চোৱা সময়ত ইংলেণ্ড উদ্যোগিকৰণৰ বন্যাত বিধৌত হৈছিল। এই যুগান্তকাৰী ঘটনাই ইংলেণ্ডৰ সমাজ ব্যৱস্থা, ৰাজনীতি, অর্থনীতি আৰু আনকি ভৌগোলিক পৰিমণ্ডলতো ব্যাপক

প্রভাৱ বিস্তাৰ কৰিছিল। দ্রুত পৰিৱর্তন লানিয়ে তাৰ সমাজ জীৱনৰ ভেটিলৈ গড়াখহনীয়া নমাই আনিছিল। সমাজখনত দুটা স্পষ্ট শ্রেণী দৃষ্টিগোচৰ হৈছিল— পুঁজিপতি ধনীক শ্রেণী আৰু নিচলা শ্রমিক শ্রেণী। লগে লগে মানুহৰ মানসিকতাৰ সলনি হৈছিল। মানুহৰ প্রকৃতিৰ পৰা ফালৰি কাটি বস্তুবাদী চিন্তাৰ ফালে ধাবিত হয়, সেইদৰে আধ্যাত্মিকতাবাদৰ পৰিৱর্তে বস্তুবাদে মানুহক অধিক আকর্ষিত কৰা হ'ল। সমাজ জীৱনত দেখা দিয়া এই পৰিৱর্তন ৰর্ডছৱর্থৰ কবিতাত বাৰুকৈয়েই প্রতিধ্বনিত হৈছে। যান্ত্রিকতাই মযিমূৰ কৰিব খোজা ইংলণ্ডৰ গ্রাম্য সৰলতা আৰু বনভূমিৰ লগত থকা চহা জীৱনৰ নিবিড় অন্তৰংগতাক কবিয়ে তেওঁৰ কবিতাৰ মাজত সংৰক্ষণ কৰিবলৈ প্রয়াস কৰিছিল।

তৰুণ কবি ৰর্ডছৱর্থ অষ্টাদশ শতিকাৰ শেষৰফালে সংঘটিত হোৱা ফৰাচী বিপ্লৱৰ লগত পৰোক্ষভাৱে জড়িত হৈছিল। কিন্তু বিপ্লৱৰ সফল সমাপ্তিৰ পিছত দেখা দিয়া বিশৃংখল পৰিস্থিতিয়ে অন্যান্য সকলৰ দৰে কবিকো নিৰাশ কৰিছিল। ফৰাচী বিপ্লৱৰ প্রতি থকা তেওঁৰ আস্থা শিথিল হৈছিল। হতাশ কবি গৰাকী তেওঁৰ পিতৃভূমিলৈ উভতি আহে আৰু প্রকৃতিৰ নিঃস্বার্থ কোলাত আকৌ এবাৰ নিজকে এৰি দিলে। প্রকৃতিৰ ওপৰত থকা তেওঁৰ আস্থা পুনৰ সুদৃঢ় হয়। এই উপলব্ধিয়ে তেওঁৰ জীৱন দর্শনক এটা বিশেষ দিশ প্রদান কৰিলে।

এইগৰাকী কবিয়ে ভূমিৰ মাজেদি ভূমাৰ সন্ধান কৰিছিল। সেই প্রয়াসত তেওঁ সাফল্যমণ্ডিত হৈছিল। ধৰাতলীত থকা প্রত্যেকটো জীৱন্ত আৰু নির্জীৱ বস্তুৰ মাজত কবিয়ে ভূমাৰ স্বর্গীয় অনুভূতি লাভ কৰিছিল। যথার্থতে সমালোচকে তেওঁৰ বিষয়ে কোৱা এই কথাষাৰ যে কবি হিচাপে ৰর্ডছৱর্থক বুজাতো জটিল। এই কথাৰ পৰাই তেওঁৰ কবি মানসৰ গভীৰতাৰ উমান পাব পাৰি। প্রকৃতিৰ লগত থকা নিবিড় অন্তৰঙ্গতাই তেওঁক চিৰ শাশ্বত সুন্দৰৰ অধিক কাষ চপাই নিয়ে।

জীৱ আৰু জগতৰ লগত পৰম সত্যৰ এই স্বর্গীয় সম্পর্কৰ কথা কবি গৰাকীয়ে হৃদয়ঙ্গম কৰিব পাৰিছিল। তেওঁ অতি সূক্ষ্মদর্শী চিন্তাৰ কবি আছিল। চৰাচৰ জগতৰ কোনো এটা বস্তু তেওঁৰ তীক্ষ্ণ দৃষ্টিৰ পৰা সাৰি যোৱা নাছিল। তেওঁ বিকাৰযুক্ত পৰিৱেশত থাকিও স্থিতপ্রজ্ঞ ঋষিৰ দৰে যেন সাংসাৰিক দুখ ক্লেশৰ পৰা আঁতৰত বিকাৰহীন স্থিতি গ্রহণ কৰিছিল। এইয়া এগৰাকী ৰহস্যবাদী কবিৰ লক্ষণ। তেওঁৰ কবিতা *টিনটার্ণ এবেত* ই প্রতিধ্বনিত হৈছে এইদৰে—

> "...that serene and blessed mood,
> In which the affections gently lead us on,
> Until, the breath of this corporeal frame
> And even the motion of our human blood
> Almost suspended, we are laid asleep
> In body, and become a living soul?
> While with an eye made quiet by the power

Of harmony, and the deep power of joy,
We see into the life of things.''



চিন্তা-চর্চা কৰক — ১.২

উইলিয়াম ৱর্ডছৱর্থে ৰচনা কৰা প্ৰকৃতি বিষয়ক উল্লেখযোগ্য কবিতাকেইটাৰ আধাৰত ৱর্ডছৱর্থৰ মন আৰু আত্মাক মোহাবিষ্ট কৰি ৰখা প্ৰকৃতিৰ বিনন্দীয়া ৰূপ আৰু তাক দেখি কবিৰ আত্মাত জাগ্ৰত হোৱা উল্লাসবোধ ব্যাখ্যা কৰক।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৭ ঃ *টিনটার্ণ এবে* কবিতাৰ মূল বিষয়বস্তু কি?

(১৫০টা শব্দৰ ভিতৰত)

.....

২.৫.৪ কবিতাটোৰ ৰচনাশৈলী

কবিতাৰ ৰচনাশৈলীৰ আলোচনা বুলিলে কবি বিশেষৰ কাব্য কৃতিত দৃশ্যমান হোৱা কাৰিকৰী দিশৰ কথা বুজো। ইয়াত কবিতাটোৰ প্ৰয়োগ হোৱা ছন্দ, প্ৰতীক, চিত্ৰকল্প, ইত্যাদি দিশসমূহৰ আলোচনা সামৰা হয়। উইলিয়াম ৱর্ডছৱর্থৰ জীৱনৰ প্ৰথম স্তৰৰ কবিতাসমূহৰ ভিতৰত *টিনটার্ণ এবে* এটা উল্লেখযোগ্য কবিতা। প্ৰথম পুৰুষত বর্ণিত হোৱা এই কবিতাটোৱে স্বগতোক্তিৰ ৰূপ পৰিগ্ৰহ কৰিছে। মুক্তক ছন্দত ৰচিত এই কবিতাটো iambic pentameterত সজোৱা হৈছে। কবিতাটোৰ বিভিন্ন স্তৰকত থকা ভালেকেইটা শাৰীত ছন্দৰ ক্ষেত্ৰত কেতবোৰ সূক্ষ্ম পার্থক্য পৰিলক্ষিত হয়। এই পার্থক্য পৰিলক্ষিত হয় তাত প্ৰয়োগ হোৱা পাঁচোটা প্ৰাথমিক iambic feet (iambic মাত্ৰা)ৰ ক্ষেত্ৰত। যেনে DUM/da DUM/da DUM/da DUM/da DUM. কবিতাৰ শাৰীবোৰৰ শেষত ছন্দ মিল নথকাৰ বাবে প্ৰথম চাম পাঠকৰ দৃষ্টিত সেইবোৰ গদ্যৰ নিচিনাই হৈছিল। সেই সময়ৰ পাঠকসকলৰ অষ্টাদশ শতিকাৰ এলেকজেণ্ডাৰ প'প আৰু থমাচ গ্ৰে'ৰ নিচিনা নব্য ধ্ৰুপদী কবিৰ কবিতাৰ লগত পৰিচয় থকাৰ বাবে এনে হৈছিল।

এই প্ৰসংগত অন্য এটা উল্লেখযোগ্য দিশ হ'ল যে কবিতাটোৰ কেবল তিনিটা স্থানতহে শাৰীৰ মাজত বিৰাম আছে (mid line break) । এটা কবিতাৰ শাৰীৰ শেষত আৰু দ্বিতীয়টো শাৰীৰ আৰম্ভণিত। ছন্দটো ব্যাহত হোৱা নাই আৰু তিনিওটা শাৰীতে পাঁচোটা iamb আছে। কিন্তু শাৰীৰ মাজত থকা বিৰামটো চকুত লগা কিয়নো ইয়ে কবিতাটোৰ ভাব পৰিৱর্তনৰ এটা মহত্ত্বপূর্ণ ইংগিত দিছে।

কবিতাটোত প্রতীক আৰু চিত্রকল্পৰ প্রয়োগ আছে। বিশেষকৈ সংবেদনশীল মনৰ কবিয়ে কবিতাটোৰ ঠায়ে ঠায়ে এনে কিছুমান প্রতীকৰ ব্যৱহাৰ কৰিছে যিয়ে কবিৰ অতীত বিজড়িত স্মৃতি আৰু অনুভূতিসমূহ সজীৱ কৰি তুলিছে। কবিয়ে পাঁচ বছৰৰ বিৰতিৰ পিছত যেতিয়া পুনৰ *টিনটার্ণ এবে* চাবলৈ গৈছিলে, তেতিয়া এক অনামী সুখানুভূতিৰ লগতে ব্যাখ্যাহীন নিঃসঙ্গতাবোধেও কবিৰ মন আতুৰ কৰি তুলিছিল। কবিতাটোত প্রয়োগ হোৱা শব্দ যেনে— Secluded, Seclusion, Quit, Repose, Vagrant, Houseless, Hermits আৰু Aloneএ কবি মনৰ এই নিঃসঙ্গ চেতনাৰ কথা প্রকাশ কৰিছে।

কবিয়ে কবিতাটোত Five শব্দটো বহুবাৰ প্রয়োগ কৰিছে। এই শব্দটো সময়ৰ প্রতীক হিচাপে ব্যৱহাৰ কৰা হৈছে। এই শব্দটোৱে যেন কবিয়ে কবিতাটোত ক'ব খোজা সময়ৰ এটা বিশেষ ভাগক আত্মসাৎ কৰি কবি কল্পনাৰ ৰূপোৱালী জালখনত এটি দুটিকৈ ফুল বাছি গৈছে। তাত বন বিহঙ্গ, বনৰ জুৰিটি, বনত গজা গছ-বিৰিখ সকলো সমাহিত হৈছে। এই শব্দটোৰ সঘন প্রয়োগৰ ফলত পাঠকৰ মনত কবিতাটোত অন্তর্নিহিত হৈ থকা সময়জনিত বিষয়টো অধিক গাঢ় হয়। কবিতাটোত প্রয়োগ হোৱা Green শব্দটো সৃষ্টি, জীৱন আৰু সমন্বয়ৰ প্রতীক হিচাপে ব্যৱহৃত হৈছে।

> "These beautous forms,
> Through a long absence, have not been to me
> As in a landscape to a blind man's eye."

এই কবিতাৰ শাৰীকেইটাত এটা সুন্দৰ উপমাৰ প্রয়োগ ঘটিছে। কবিয়ে এজন অন্ধ মানুহৰ চকুৰ উপমা দি তেওঁৰ দীর্ঘদিনীয়া অনুপস্থিতিত তেওঁ কিদৰে সেই মনোৰম উপত্যকাটো মনৰ চকুৰে দেখা পাইছিলে তাৰ মনোজ্ঞ বিৱৰণ দাঙি ধৰিছে। তেওঁৰ সেই মানসিক দৃষ্টি তেওঁৰ চর্ম চক্ষুৰ দৃষ্টিৰ দৰেই।

এইদৰে এই কবিতাটোত কবি উইলিয়াম ৱর্ডছৱর্থে বিভিন্ন প্রতীক, উপমা, চিত্রকল্প আদিৰ মাধ্যমেদি *টিনটার্ণ এবে*নামৰ স্থানলৈ যোৱা তেওঁৰ প্রথম স্মৃতি পুনঃস্মৰণ কৰিছে। প্রকৃতিৰ লগত কবিয়ে অনুভৱ কৰা এই অন্তৰঙ্গতা বর্ণাঢ্য ৰূপত কবিতাটোৰ প্রত্যেকটো শাৰীৰ মাজেদি ফুটি উঠিছে। লগতে ফুটি উঠিছে বিষয়বস্তু উপস্থাপনৰ তেওঁৰ সৃষ্টিশীল ক্ষমতা।

২.৫.৫ কঠিন শব্দৰ টোকা

1. Inland murmur– অভ্যন্তৰৰ পৰা ওলাই অহা কুলুকুলু ধ্বনি
2. Cliff– বৰ থিয় পর্বত বা শিলৰ গৰা
3. Repose– বিশ্রাম লয়
4. Sycamore– ডিমৰু জাতীয় গছ

5. Green hue– সেউজীয়া বোল
6. Wreaths of smoke– বলয়াকাৰে ওপৰলৈ উৰি যোৱা ধোঁৱা
7. Vagrant dwellers– ইয়াত অঘৰী মানুহৰ অর্থত শব্দকেইটা প্রয়োগ হৈছে
8. Hermit– তপস্বী, নির্জনতাপ্রিয় মানুহ
9. Beauteous– ধুনীয়া
10. Weariness– অৱসাদ
11. Sensations– ইন্দ্রিয়গ্রাহ্য অনুভূতি বা বোধ
12. Tranquil– নিৰুদ্বিগ্ন, প্রশান্ত
13. Restoration– পুনৰুদ্ধাৰ, পূর্বৰ(ভাল) অৱস্থাৰ পুনৰাৱর্তন
14. Sublime– মহীয়ান, অতি সুৰুচিসম্মত
15. Serene– প্রশান্ত, অচঞ্চল
16. Corporeal– পার্থিৱ
17. Suspended– নিঃসাৰ, জঠৰ হোৱা, নিথৰ
18. Fretful– ইচাটি-বিচাট কৰা, ধৰ্‌ফৰোৱা
19. Perplexity– বিমূঢ় অৱস্থা, বিহ্বলতা
20. Revive– পুনৰ জাগৰণ
21. Sounding cataract– ক্ষুদ্র জলপ্রপাত
22. Dizzy– গা ৰাই জাই কৰা
23. Raptures– আবেগ বিহ্বল অৱস্থা, বিভোৰ অৱস্থা, তন্ময়তা
24. Harsh– নিষ্ঠুৰ
25. Grating– কর্কশ
26. Ample– প্রচুৰ, ওপচি পৰা, বিস্তৃত
29. Chasten– সংশোধন কৰ, নিখুঁত কৰ
30. Subdue– বশ কৰা, পৰাভূত কৰ
31. Interfused– সঞ্চাৰিত হ, ব্যাপ্ত হ
32. Perchance– দৈবাৎ, ভাগ্যক্রমে
33. Thy (Old English meaning Your)– তোমাৰ
34. Thee (Old English meaning You)– তুমি
35. Ecstasies– আনন্দৰ শীর্ষ অৱস্থা, পৰমানন্দ, ভাব বিহ্বল অৱস্থা
36. Exhortations– উদ্‌গনিপূর্ণ বাক্য
37. Hither (Old English meaning ‘Here’ i.e. come towards the person who is speaking)– ইয়ালৈ, এইফালে
38. Zeal– উৎসাহ, উদ্দীপনা

২.৬ কবি হিচাপে ৰর্ডছৱর্থৰ মূল্যায়ন

বিশ্ব সাহিত্যৰ ইতিহাসত উইলিয়াম ৰর্ডছৱর্থেই এনে এগৰাকী কবি যি সর্বাধিক প্রশংসিত আৰু লগতে বহুলভাৱে সমালোচিতও হৈছে। সেই প্রশংসাৰ ভিত্তি হৈছে তেওঁৰ অনবদ্য কাব্য ৰচনা যাক সৃষ্টি কৰিবলৈ যাওঁতে তেওঁ ব্যক্তি হিচাপে এখন বহল, উদাৰ হিয়াৰ পৰিচয় দিছে। তেওঁৰ কবিতাত চিত্রিত হোৱা সর্বসাধাৰণৰ জীৱন চর্যাত ফুটি উঠিছে বিশ্বজনীন আবেদন। ৰোমাণ্টিক যুগত ৰর্ডছৱর্থেই সেইগৰাকী প্রথম ব্যক্তি যিয়ে কবিক 'মানুহক উদ্দেশ্য কৰি কথা কোৱা মানুহ' ৰূপে আখ্যা দিছিল। ইয়াত 'মানুহক' শব্দটোৱে সর্বসাধাৰণ মানুহখিনিক বুজাইছে। তেওঁৰ সেই উদাত্ত বাণীয়ে সমসাময়িক ইংৰাজী কবিতাৰ ইতিহাসলৈ বৈপ্লৱিক পৰিৱর্তন কঢ়িয়াই আনে। পূর্বৱর্তী সময়ছোৱাত কবিতা সমাজৰ অভিজাত শ্রেণীৰ উপভোগ্য বস্তু আছিল। কিন্তু ৰর্ডছৱর্থে কবিতাক বিলাসিতাৰ দুষ্প্রাপ্য সামগ্রীৰ পৰা নমাই আনি সর্বসাধাৰণৰ সহজলভ্য কৰি তোলে। সমালোচক A. C. Bradleyএ সেইবাবে কৈছে—

"ৰর্ডছৱর্থতকৈ ডাঙৰ কবি বহুতো আছে, কিন্তু তেওঁৰ নিচিনা প্রকৃত কবি কোনো নাই।"
(There have been greater poets than Wordsworth, but none more original.)

ৰর্ডছৱর্থৰ কাব্য কৃতিৰ সমালোচনা বা আন কথাত ৰর্ডছৱর্থৰ সমালোচনা কৰিবলৈ হ'লে আমি ভালেকেইটা দিশৰ প্রতি চকু দিব লাগিব। বিভিন্ন সময়ৰ ভালেকেইগৰাকী সমালোচকে ৰর্ডছৱর্থৰ ৰচনাকৃতি নিজস্ব দৃষ্টিভংগীৰে বিচাৰ কৰিছে।

কবি হিচাপে ৰর্ডছৱর্থৰ স্মৰণীয় কৃতিত্ব হৈছে এইয়ে যে অন্য কোনো কবিয়ে তেওঁৰ নিচিনাকৈ সূক্ষ্মভাৱে বিষয়বস্তুৰ উপস্থাপনত কৃতিত্ব অর্জন কৰিব পৰা নাই। বিষয়বস্তু উপস্থাপনৰ সেই কৃতিত্ব নির্ভৰ কৰে কবিয়ে বিষয়বস্তুৰ লগত জড়িত পদার্থ বা অৱস্থাক কিদৰে উপলব্ধি কৰে। এইক্ষেত্রত কবি ৰর্ডছৱর্থৰ অতি সংবেদী দৃষ্টিত ধৰা দিয়া ৰূপ(সামগ্রী, বস্তু বা অৱস্থা পৰিস্থিতি) সমূহে তেওঁৰ কাব্য কাননত ইমান মনোৰম ভাৱে, সংবেদনশীলতাৰে প্রস্ফুটিত হৈছে যে কবি কল্পনাত ভাহি উঠা প্রতীক, চিত্র আৰু বর্ণনাসমূহে সংবেদনশীল পাঠকৰ হিয়া মন আপ্লুত কৰে। তেওঁৰ সেই মনোৰম বিৱৰণ পঢ়ি পাঠকে দৈনন্দিন জীৱনত সচৰাচৰ দেখি থকা সামান্য বস্তুটো বা পৰিৱেশ-পৰিস্থিতিক নতুন দৃষ্টিৰে চাবলৈ প্রেৰিত হয়।

ৰর্ডছৱর্থৰ উদ্দেশ্য আছিল "চিনাকি, সৰু সৰু বস্তুবোৰৰ আত্মা" উন্মুক্ত কৰি দিয়াতো। অর্থাৎ সাধাৰণতে তুচ্ছ বুলি জ্ঞান কৰা বস্তুবোৰৰ মাজত নিহিত সৌন্দর্য আৰু আবেদনক জগত জনাজাত কৰিবলৈ কবিয়ে প্রয়াস কৰিছিল। নিজানত ধান দাই থকা দাৱনীজনীয়েই হওঁক বা জোক বিচৰা বুঢ়া মানুহজন, *Lucy Poems*ৰ শেলুৱৈৰে আধা ঢাক খাই থকা শিল চটা, ইত্যাদি যিয়েই নহওঁক কিয়, সকলোৰে মাজত কবিয়ে চিৰ সুন্দৰ প্রকৃতিৰ মনোমোহা ৰূপ আৰু জীৱনৰ একো একোটা প্রয়োজনীয় পাঠ লাভ কৰিছিল।

আলোচক ব্রেডলিয়ে ৰর্ডছৱর্থৰ কাব্যক্ষেত্রখনক সীমিত বুলি কৈছে যদিও তেওঁ নিজেই এই কথাষাৰ খণ্ডন কৰিছে। এইটো সত্য যে ৰর্ডছৱর্থৰ কাব্যক্ষেত্রখন সীমিত। তেওঁ প্রকৃতি আৰু

চহা জীৱনতে তেওঁৰ কবিতাৰ বিষয়বস্তু সীমাবদ্ধ কৰিছে যদিও প্ৰকৃতিৰ তুচ্ছাতিতুচ্ছ উপাদানক তেওঁ যিদৰে মানৱীয় সত্তা প্ৰদানেৰে সজীৱ আৰু সতেজ কৰি তুলিছে সেয়া তুলনাবিহীন। চহা জীৱনৰ বৰ্ণাঢ্য চিত্ৰণৰ মাজেদি তেওঁ মানৱ জীৱনৰ কিছুমান চিৰন্তন অনুভূতিক পুনৰোজ্জীৱিত কৰিবলৈ প্ৰয়াস কৰিছে। সমসাময়িক উদ্যোগিকৰণৰ বা লাগি ইংলেণ্ডৰ জনজীৱন বিশৃংখল হৈ পৰিছিল। বস্তুবাদী চিন্তাৰ ভৰত দয়া মমতা, সহানুভূতি আদি মানৱীয় গুণসমূহ ধৰাশায়ী হৈছিল। প্ৰগতিবাদী চিন্তাৰ তৰুণ কবি উইলিয়াম ৰর্ডছৱর্থে নিজৰ দেশ আৰু সমাজক এই স্থিতিৰ পৰা উদ্ধাৰ কৰিবলৈ চেষ্টা কৰিছিল। অৱশ্যে এইটো ঠিক যে তেওঁ প্ৰত্যক্ষভাৱে সমাজ সংস্কাৰকৰ ভূমিকা গ্ৰহণ কৰা নাছিল। কিন্তু তেওঁৰ কবিতাৰ মাজেদি দেশ আৰু জগতৰ প্ৰতি থকা কল্যাণকামী ভাবনা নিঃসৰিত হৈছিল। সেয়েহে তেওঁৰ কবিতাৰ বিষয়বস্তুৰ পৰিসৰ সীমাবদ্ধ যদিও তাৰ আবেদন আৰু সুদূৰপ্ৰসাৰী প্ৰভাৱ অতি ব্যাপক।

বহু সমালোচকৰ উইলিয়াম ৰর্ডছৱর্থে কোনো ধৰণৰ প্ৰেমৰ কবিতা লিখা নাই বুলি অভিযোগ আছে। পিছে ব্ৰেডলিয়ে ইয়াতো ৰর্ডছৱর্থক সুৰক্ষা প্ৰদান কৰি কৈছে যে *Lucy Poem*কেইটা আসক্তিৰ কবিতা নহয়, কিন্তু সেইকেইটা নিশ্চিত ৰূপত প্ৰেমৰ কবিতা। অৱশ্যে এইখিনিতে শ্বেলীয়ে ৰর্ডছৱর্থৰ কবিতাৰ প্ৰসংগত কৰা মন্তব্য আওকাণ কৰিব নোৱাৰি। তেওঁৰ মতে ৰর্ডছৱর্থৰ প্ৰেমৰ কবিতাত আসক্তিবোধ (Passion) নাই। শ্বেলীয়ে তেওঁৰ কবিতা *Peter Bell the Third* (Part Fourth)ত আনকি উইলিয়াম ৰর্ডছৱর্থক Moral Eunuch আখ্যা দিছে।

> But from the first 'twas Peter's drift
> To be a kind of moral eunuch
> He touched the hem of Nature's shift
> Felt faint– and never dared uplift
> The closet, all concealing tunic.

ৰর্ডছৱর্থৰ জীৱনলৈ প্ৰেম আহিছিল। কিন্তু বিভিন্ন কাৰণত তেওঁৰ প্ৰেম সফল হোৱা নাছিল। ফলত সংবেদনশীল মনৰ কবিগৰাকীৰ মানসিক জগতত সেই ঘটনাই কিছু বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছিল। সেয়েহে হয়তো অন্যান্য কবিয়ে দেহজ প্ৰেমৰ গুণ গান কৰাৰ নিচিনাকৈ উইলিয়াম ৰর্ডছৱর্থে তেওঁৰ কোনো কবিতাত দেহ সর্বস্ব প্ৰেমৰ গুণ গান কৰা নাই।

ৰর্ডছৱর্থে তেওঁৰ কবিতাৰ বিষয়বস্তুৰ পৰিসৰ সীমাবদ্ধ কৰিছে, কিন্তু কবিতাত প্ৰয়োগ ভাষা (Poetic diction)ৰ পৰিসৰ ব্যাপক কৰিছে। পৰম্পৰাগত কাব্য ৰচনাত কেইটামান শব্দৰ সীমাবদ্ধ প্ৰয়োগ আছিল। কিন্তু ৰর্ডছৱর্থে সেই পৰম্পৰাৰ বিপৰীতে গৈ সাধাৰণ জীৱন চর্যাত প্ৰয়োগ হোৱা শব্দৰ বহুল প্ৰয়োগ কৰি তেওঁৰ কবিতাক সর্বসাধাৰণৰ অধিক কাষ চপাই আনিছে। পিছে এইখিনিতে সমালোচক F. W. Batesonএ ৰর্ডছৱর্থৰ কবিতাৰ ভাষাৰ বিষয়ে সমালোচনা কৰি লিখিছে যে ৰর্ডছৱর্থে শিক্ষিত, সভ্য সমাজখনক উদ্দেশ্য কৰি কাব্য ৰচনা কৰিছিল। গতিকে

তেওঁৰ চহা জীৱনৰ ভাষা প্ৰয়োগ কৰি ৰচনা কৰা কবিতাসমূহে আনন্দ প্ৰদান কৰিছিল যদিও বেছিভাগ ক্ষেত্ৰত সেই ৰচনাসমূহে তেওঁলোকক বৌদ্ধিক আনন্দ প্ৰদান বা মহৎ উপলব্ধি লাভত সহায় কৰা নাছিল। সমালোচকৰ দৃষ্টিত ৰর্ডছৱর্থে জনজীৱনৰ সৰলতা আৰু প্ৰকৃতিৰ মাজতে নিজকে আবদ্ধ কৰি ৰাখি জীৱন আৰু জগতৰ অন্যান্য উচ্চাত্মিক ধ্যান ধাৰণাৰ প্ৰতি সিমান গুৰুত্ব নিদি তেওঁ নিজৰ সৃষ্টিশীলতাৰ উত্তৰোত্তৰ বিকাশত নিজেই হেঙাৰ স্বৰূপে থিয় হৈছিল।

ৰর্ডছৱর্থৰ ভাষাত কবিতা হৈছে—

Spontaneous Overflow of Powerful Feelings.

অর্থাৎ কবিতা হৈছে নিৰলাত সোঁৱৰা হিয়াৰ আবেগ। কিন্তু তেওঁ ৰচনা কৰা সকলো কেইটা কবিতাতে তেওঁৰ সেই বৈশিষ্ট্য ৰক্ষিত হোৱা নাই। তেওঁৰ ভালেকেইটা কবিতা ক্ষন্তেকীয়া আবেগৰ বন্যাত ৰচিত হোৱা কবিতা। এনে স্থলত তেনে কবিতাৰ ক্ষেত্ৰত নিৰলাত সোঁৱৰা হিয়াৰ আবেগৰ উপস্থিতি নাথাকে। অলিভাৰ এল্টনে এই প্ৰসংগত সমালোচনা কৰি এইদৰে কৈছে। তদুপৰি তেওঁৰ *টিনটার্ণ এবে* কবিতাটোৰ প্ৰসংগলৈ আহিলে তাৰ সৃষ্টিৰ লগত জড়িত আমোদজনক কাহিনী প্ৰণিধানযোগ্য। এটা বিশেষ আবেগিক মুহূর্তত ৰর্ডছৱর্থৰ কাপৰ পৰা *Tintern Abbey* কবিতাটো নিঃসৰিত হৈছিল। সেই বিশেষ প্ৰবল আবেগৰ দ্বাৰা পীড়িত হৈ থকা অৱস্থাতে তেওঁ সেই বিশেষ কবিতাটোৰ ৰচনা শেষ কৰিছিল। মন কৰিবলগীয়া যে তেওঁ কবিতাটো ৰচনা কৰাৰ পিছত তাৰ এটাও শব্দ সলনি কৰা নাছিল। সময়ত সেইটো তেওঁৰ অন্যতম উৎকৃষ্ট কবিতা ৰূপে পৰিগণিত হৈছিল। কিন্তু তেনে আবেগিক মূহূর্তত লিখা অন্য ভালেকেইটা কবিতাই *Tintern Abbey* ৰ নিচিনা পাগত উঠা কবিতা নহ'ল। এইখিনিতে কবি ৰর্ডছৱর্থৰ দুর্বলতা, তেওঁ কাব্য ৰচনাৰ মানদণ্ড ৰক্ষাৰ ক্ষেত্ৰত ধাৰাবাহিকতা অক্ষুণ্ণ ৰাখিব পৰা নাই।

আনকি তেওঁৰ এই ধাৰাবাহিকতা ব্যাহত হোৱা প্ৰসংগ তেওঁৰ কবিতাৰ কঠোৰ সমালোচক তথা তেওঁৰ বন্ধু ছেমুৱেল টেইলৰ ক'লৰিজেও উল্লেখ কৰি গৈছে। তেওঁ অভিযোগ কৰিছিল যে ৰর্ডছৱর্থে একে লেথাৰিয়ে ভাল কবিতা ৰচনা কৰিব নোৱাৰে। তেওঁ ৰচনা কৰা কবিতাৰ শাৰীবোৰ ক্ৰমানুসাৰে প্ৰত্যক্ষ কৰিলে ক'লৰিজে কোৱা কথাযাৰৰ সত্যতা প্ৰতিপন্ন হয়। ক'লৰিজে এইটো পর্যবেক্ষণ কৰিছিল যে ৰর্ডছৱর্থে বিশেষ কিছুমান অনুভূতিৰ প্ৰকাশৰ বাবে সমাজৰ কিছুমান বিশেষ স্তৰৰ ব্যক্তিকহে মাধ্যম হিচাপে ব্যৱহাৰ কৰিছিল।ক'লৰিজৰ মতে ৰর্ডছৱর্থে তেনে অনুভূতি প্ৰকাশৰ বাবে সমাজৰ তথাকথিত নিম্ন শ্ৰেণীৰ মানুহক নলৈ সমাজৰ অভিজাত শ্ৰেণীৰ ব্যক্তিকো তেনে বিশ্বজনীন মানৱীয় আশা অনুভূতি প্ৰকাশৰ মাধ্যমৰূপে ব্যৱহাৰ কৰিব পাৰিলেহেঁতেন। প্ৰশংসা আৰু সমালোচনাৰে থকা সৰকা হোৱা কবি উইলিয়াম ৰর্ডছৱর্থে জীৱিত কালত কাব্য সৃষ্টিৰ মাধ্যমেদি সিমান প্ৰসিদ্ধি লাভ কৰা নাছিল। বেছি ভাগ সমালোচকে তেওঁৰ সৃষ্টিক তুচ্ছ বুলি তাচ্ছিল্য কৰিছিল। মৃত্যুৰ পিছতহে তেওঁৰ কাব্য কৃতিৰ উচিত মূল্যায়ন হৈছিল। ইংৰাজী কাব্য সাহিত্যৰ ইতিহাসত ৰোমাণ্টিক স্তৰৰ প্ৰথম গৰাকী হোতা হিচাপে উইলিয়াম ৰর্ডছৱর্থে যি অৰিহণা যোগাই থৈ গ'ল, তাৰ বাবে ইংৰাজী সাহিত্য তেওঁৰ ওচৰত চিৰ ঋণী।



২.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এই পাঠটিৰ আলোচনাত আমি ইংৰাজী ৰোমাণ্টিক সাহিত্যৰ গতি প্ৰকৃতি আৰু ৰোমাণ্টিক কবিতাত সেই বৈশিষ্ট্যসমূহ কিদৰে সন্নিৱিষ্ট হৈছে তাৰ বিষয়ে জানিলে।
- ইংৰাজী ৰোমাণ্টিক আন্দোলনৰ পুৰোধা ব্যক্তি মহান কবি উইলিয়াম ৱর্ডছৱর্থে নিজৰ কাব্য কৃতিৰে ইংৰাজী কাব্য সাহিত্যক ধন্য কৰিছিল। তেওঁৰ এই কৃতিসমূহৰ লেখ পাঠৰ আলোচনাত পালে।
- কবি ৱর্ডছৱর্থৰ জীৱন পৰিক্ৰমাও তেনেই সৰলৰৈখিক নাছিল। ব্যক্তিগত জীৱনত তেওঁ অনেক সংঘাতমুখৰ পৰিস্থিতিৰ সন্মুখীন হৈছিল। অধ্যায়টিত তেওঁৰ জীৱনৰ সেই খুটি নাটি দিশবোৰো সন্নিৱিষ্ট কৰা হ'ল।
- *টিনটার্ণ এবে* কবি উইলিয়াম ৱর্ডছৱর্থৰ কাব্য জীৱনৰ এক মহৎ সৃষ্টি। পাঠটোৰ মাজেদি তেওঁৰ সেই মহৎ সৃষ্টিৰ আলোচনা আগবঢ়োৱা হৈছে। কবিতাটোত কবিগৰাকীয়ে সময় আৰু প্ৰকৃতিক যিদৰে উপস্থাপন কৰিছে তাৰ মাজেদি কবিৰ সূক্ষ্মানুভূতি প্ৰকাশ কৰিছে।
- সময়ৰ লগে লগে মানুহৰ মানসিকতাৰো পৰিৱর্তন হয়। আধ্যাত্মিকতাৰ পৰা মানুহৰ মন ফালৰি কাটি আহি বস্তুবাদী চিন্তাত নিমজ্জিত হয়। এই পৰিৱর্তনে মানুহক সুখানুভূতি প্ৰদান নকৰে। বৰঞ্চ মানুহৰ মনলৈ ক্ৰমশঃ এক বিষাদবোধহে কঢ়িয়াই আনে।
- ইয়াত কবি ৱর্ডছৱর্থক আৰু তেওঁৰ সাহিত্য কৃতিক সমালোচনা কৰা ভালেকেইগৰাকী লেখৰ সুচিন্তিত মত সন্নিৱিষ্ট কৰা হৈছে। আপোনাৰ বাবে সেই তথ্যসমূহ প্ৰয়োজনীয়, যিহেতু সেইবোৰৰ সহায়ত আপুনি মূল পাঠৰ বিষয়বস্তুৰ অধিক মনোজ্ঞ ৰূপত আলোচনা কৰিবলৈ সমর্থ হ'ব।



২.৮ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) বৰা, মহেন্দ্ৰ (১৯৯৫); *ৰমন্যাসবাদ;* ডিব্ৰুগড় ঃ বনলতা।

ইংৰাজী গ্ৰন্থ ঃ

2) Bowra, M. (2008) *The Romantic Imagination*; New York: Oxford University Press.

3) Sampson, G. (2006), *The Concise Cambridge History of English Literature*; U.K.: Cambridge University Press.

4) Sarkar, S. K. (2003), *A Campanion to William Wordsworth* (Vol 1); New Delhi: Atlantic Publishers and Distributors.

5) Bhattacharji, S., (Ed) (2007), *The Romantics*; Delhi: Doaba Publications.

6) Kumar Shiv, K(Ed) (2007) *British Romantic Poets*; New Delhi: Atlantic Publishers & Distributors (P) Ltd.

7) Patra, P. K. and Prasad, A. N. (Ed) (2006), *Recritiquing William Wordsworth*; New Delhi: Sarup & Sons.

২.৯ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্ৰশ্নৰ উত্তৰ ঃ উইলিয়াম ৱর্ডছৱর্থৰ জন্ম... ...তেওঁৰ পিতৃ-মাতৃৰ পৰিচয়... ...তেওঁৰ ল'ৰালি কাল, শিক্ষা জীৱন... কর্ম জীৱন... সাহিত্য কৃতি... ...মৃত্যু

২নং প্ৰশ্নৰ উত্তৰ ঃ কবি উইলিয়াম ৱর্ডছৱর্থৰ চমু পৰিচয়.... তেওঁৰ জীৱন দর্শন তেওঁৰ জীৱন দর্শনৰ প্ৰভাৱ তেওঁৰ কাব্য ৰচনাত কিদৰে পৰিছে তাৰ লেখসহ... ...তেওঁৰ কবিতাসমূহত ফুটি উঠা সাধাৰণ বৈশিষ্ট্যসমূহ।

৩নং প্ৰশ্নৰ উত্তৰ ঃ মানৱতাবাদ ৱর্ডছৱর্থৰ কবিতাৰ অন্যতম বৈশিষ্ট্য... ...মানৱতাবাদৰ দ্বাৰা উদ্বুদ্ধ হৈ কবি গৰাকীয়ে উচ্চ-নীচ ভেদ ভাব পৰিহাৰ কৰি কি দৰে সর্বসাধাৰণৰ আশা-অনুভূতিৰ প্ৰতি সূক্ষ্ম দৃষ্টি আৰোপ কৰিছিল, তাৰ আধাৰতে উত্তৰটো প্ৰস্তুত কৰিব।

৪নং প্ৰশ্নৰ উত্তৰ ঃ *টিনটার্ণ এবে* কবিতাৰ চমু পৰিচয়... ...কবিতাটোৰ ৰচনাৰ আঁৰত ক্ৰিয়াশীল অনুভূতিৰ কথা(আলোচনাত পাব)... ...ল'ৰালিতে তেওঁ প্ৰত্যক্ষ কৰা প্ৰকৃতিৰ বিনন্দীয়া ৰূপ আৰু তেতিয়া প্ৰত্যক্ষ কৰা প্ৰকৃতিৰ ৰূপৰ মাজত অনুভৱ কৰা ভিন্নতাই তেওঁৰ মানসিক জগতত খলকনি তুলিছিল। সময়ত তেওঁৰ সেই জিজ্ঞাসা প্ৰশমিত হৈছিল আৰু তেওঁ প্ৰকৃতিৰ লগত একাত্ম অনুভৱ কৰিছিল (কবিতাটোৰ আলোচনাৰ সহায় ল'ব)।

৫নং প্ৰশ্নৰ উত্তৰ ঃ *টিনটার্ণ এবে* কবিতাৰ কবিগৰাকীৰ নামৰ উল্লেখসহ কবিতাটোৰ চমু পৰিচয়— প্ৰকৃতি মানুহৰ নিত্য সহচৰ স্বৰূপ যিয়ে মানুহক বিভিন্ন সময়ত জীৱনৰ খলা বমা পথত আগবাঢ়ি যাওঁতে পথ প্ৰদর্শকৰ ভূমিকা গ্ৰহণ কৰে। মানুহ সলনি হয় কিন্তু প্ৰকৃতি একেদৰে, একে ৰূপতে চিৰ নতুন হৈ পৰে।



২.১০ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ ইংৰাজী কাব্য সাহিত্যত ৰোমাণ্টিক যুগ ৰূপে আখ্যাপ্ৰাপ্ত সময়ছোৱাৰ ইংৰাজী কবিতাই কি গতি প্ৰকৃতি লাভ কৰিছিল আলোচনা কৰক।

প্ৰশ্ন ২ ঃ কবি উইলিয়াম ৱর্ডছৱর্থৰ জীৱন আৰু সাহিত্যৰ বিষয়ে এটি আলোচনা প্ৰস্তুত কৰক।

প্ৰশ্ন ৩ ঃ উইলিয়াম ৱর্ডছৱর্থৰ কাব্য কৃতিৰ এটি চমু মূল্যায়ন আগবঢ়াওক।

প্ৰশ্ন ৪ ঃ উইলিয়াম ৱর্ডছৱর্থে প্ৰেমৰ কবিতা লিখিছিল নে? যদি লিখিছিল তেন্তে সেই কবিতাত তেওঁ প্ৰেমক কিদৰে উপস্থাপন কৰিছিল?

প্ৰশ্ন ৫ ঃ প্ৰকৃতি কবিৰূপে ইংৰাজী কবিতাত উইলিয়াম ৱর্ডছৱর্থৰ স্থান নিৰ্ণয় কৰক।

প্ৰশ্ন ৬ ঃ উইলিয়াম ৱর্ডছৱর্থৰ কবিতাৰাজি মানৱীয় অনুভূতিৰে সিক্ত— উদাহৰণসহ ব্যাখ্যা কৰক।

প্ৰশ্ন ৭ ঃ *টিনটার্ণ এবে* কবি উইলিয়াম ৱর্ডছৱর্থৰ কাব্য জীৱনৰ অন্যতম শ্ৰেষ্ঠ কাব্য কৃতি— কেনেকৈ? আলোচনা কৰক।

প্ৰশ্ন ৮ ঃ *টিনটার্ণ এবে* কবিতাটোৰ বিষয়বস্তুৰ আধাৰত কৰি উলিয়াম ৱর্ডছৱর্থৰ জীৱন দৰ্শন ব্যাখ্যা কৰক।

প্ৰশ্ন ৯ ঃ কবি হিচাপে ৱর্ডছৱর্থৰ এক মূল্যায়ন আগবঢ়াওক। ৱর্ডছৱর্থৰ প্ৰতি থকা ক'লৰিজৰ অভিযোগবোৰ কি কি?

*** ***** ***

অধ্যায় ৩ ঃ জন কীট্চ ঃ *অ'ড অন এ গ্রেচিয়ান আর্ণ*

অধ্যায় গাঁথনি

৩.১ উদ্দেশ্য

৩.২ পৰিচয়

৩.৩ জন কীট্চ

- ৩.৩.১ জীৱনী
- ৩.৩.২ সাহিত্য কৃতি

৩.৪ *অ'ড অন এ গ্রেচিয়ান আর্ণ (Ode on a Grecian Urn)*

- ৩.৪.১ মূল ইংৰাজী কবিতাটোৰ পাঠ
- ৩.৪.২ কবিতাটোৰ সাধাৰণ আলোচনা
- ৩.৪.৩ কবিতাটোৰ বিষয়বস্তু
- ৩.৪.৪ কবিতাটোৰ ৰচনাশৈলী
- ৩.৪.৫ কঠিন শব্দৰ টোকা

৩.৫ কবি হিচাপে জন কীট্চৰ মূল্যায়ন

৩.৬ অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ

৩.৭ অধিক জানিবলৈ

৩.৮ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

৩.৯ আৰ্হি প্রশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ৰোমাণ্টিক সাহিত্যৰ অন্য এগৰাকী হোতা জন কীট্চৰ জীৱন আৰু কৃতিৰ লগত পৰিচিত হ'ব
- *অ'ড অন এ গ্রেচিয়ান আর্ণ* কবিতাটোৰ মূল পাঠ ভাগ পঢ়াৰ লগতে কবিতাটোৰ আলোচনা কৰিব পাৰিব
- *অ'ড অন এ গ্রেচিয়ান আর্ণ* কবিতাটোৰ বিশ্লেষণ আগবঢ়াব পাৰি
- *অ'ড অন এ গ্রেচিয়ান আর্ণ* কবিতাটোৰ ৰচনাশৈলীৰ আভাস দিয়াৰ লগতে কীট্চৰ মনোৰম বর্ণনাভংগীৰ পৰিচয় দিব পাৰিব
- সুন্দৰৰ ক্লান্তিহীন উপাসক ৰূপে কবি জন কীট্চৰ সমালোচনা আগবঢ়াব পাৰিব।

৩.২ পৰিচয়

ইতিমধ্যে স্নাতকোত্তৰ অসমীয়াৰ তৃতীয় যান্মাসিকৰ সাহিত্য শাখাৰ এই বিশেষ পাঠ্য বিষয় 'পাশ্চাত্য সাহিত্যৰ নিৰ্বাচিত পাঠ'ৰ প্ৰথম অধ্যায়টোত ইংৰাজী ৰোমাণ্টিক সাহিত্যৰ ধাৰাটো, তাৰ বৈশিষ্ট্যসমূহ আৰু ইংৰাজী সাহিত্যত ৰোমাণ্টিক যুগৰ শুভাৰম্ভকাৰী কবি উইলিয়াম ৱৰ্ডছ্ৱৰ্থৰ জীৱন, কৃতি, তেওঁৰ অন্যতম শ্ৰেষ্ঠ ৰচনা কৃতি *টিনটাৰ্ণ এব্বে* আলোচনা আৰু কবি ৱৰ্ডছ্ৱৰ্থৰ ৰচনাকৃতিত পৰিস্ফূত হোৱা দিশসমূহৰ বিষয়ে অৱগত হ'ল।

এই দ্বিতীয় অধ্যায়টোত আমি ইংৰাজী ৰোমাণ্টিক সাহিত্যৰ অন্য এগৰাকী উল্লেখযোগ্য কবি জন কীট্চৰ *অ'ড অন এ গ্রেচিয়ান আর্ণ* কবিতাটোৰ আলোচনাৰ মাজেদি কবি কীট্চৰ জীৱন, সৃষ্টিশীল কৰ্মৰাজি আৰু তেওঁৰ কাব্য ৰচনাৰ বিশেষত্বৰ বিষয়ে কম পৰিসৰতে, হাতী মাৰি ভুৰুকাত ভৰোৱাৰ দৰে এক সামগ্রিক আলোচনা কৰিবলৈ প্ৰয়াস কৰিছো।

৩.৩ জন কীট্চ

৩.৩.১ জীৱনী

ইংৰাজী ৰোমাণ্টিক সাহিত্যৰ ইতিহাসত ৰোমাণ্টিক থূলৰ কবি কেইগৰাকীৰ ভিতৰত জন কীট্চক দ্বিতীয় তৰংগৰ ৰোমাণ্টিক কবি হিচাপে ধৰা হয়। উইলিয়াম ৱৰ্ডছ্ৱৰ্থ আৰু ছেমুৱেল টেইলৰ ক'লৰিজক প্ৰথম তৰংগৰ ৰোমাণ্টিক কবি হিচাপে ধৰা হয়। জন কীট্চ সমন্বিতে জৰ্জ গৰ্ডন বায়ৰন (লৰ্ড বায়ৰন) আৰু পাৰ্চী বিছি শ্বেলীক দ্বিতীয় তৰংগৰ ৰোমাণ্টিক কবি হিচাপে ধৰা হয়। মন কৰিবলগীয়া যে জীৱন কালত জন *কীট্চে* কবি হিচাপে সিমান খ্যাতি লাভ কৰা নাছিল। মৃত্যুৰ পিছতহে তেওঁৰ কাব্য ৰচনাই সমালোচক আৰু পাঠক সকলোৰে দৃষ্টি আকর্ষণ কৰিবলৈ সক্ষম হয়।

জন কীট্চৰ জন্ম হয় লণ্ডনৰ মূৰ গে'টত ১৭৯৫ চনৰ ৩১ অক্টোবৰত। তেওঁৰ পিতৃৰ নাম থমাচ কীট্চ আৰু মাতৃৰ নাম ফ্রান্সিচ জেনিং কীট্চ। কীট্চ দম্পতিৰ চাৰিটি সন্তানৰ ভিতৰত জন জ্যেষ্ঠ সন্তান আছিল। তেওঁৰ দেউতাকে 'চুৱান এণ্ড হূপ ইন্' (Swan and Hoop Inn)ৰ লগত সংলগ্ন আস্তাবলত কাম কৰিছিল। এটা সময়ত তেওঁ সেই আস্তাবলৰ পৰিচালনাৰ ভাৰ বহন কৰি তাৰ পৰা লাভ কৰা আয়েৰে পৰিয়ালটোৰ ভৰণ-পোষণ দিছিল।জনৰ পিতৃ-মাতৃ অৱস্থাপন্ন পৰিয়ালৰ লোক নোহোৱাৰ বাবে তেওঁক এটন বা হেৰোৰ নিচিনা অভিজাত বিদ্যালয়ত নাম ভর্তি কৰাব নোৱাৰিলে। ১৮০৩ চনত তেওঁক তেওঁৰ ককাক আইতাকৰ ঘৰৰ ওচৰত অৱস্থিত এ'নফিল্ডত থকা স্কুল (John Clarke's School)ত নাম ভর্তি কৰাই দিয়া হ'ল। সমসাময়িক অন্যান্য প্ৰতিষ্ঠিত স্কুলৰ তুলনাত জন ক্লাক স্কুলৰ পাঠ্যক্রম অধিক উন্নত আৰু সময়োপযোগী আছিল।

অনুকূল স্কুলীয়া পৰিৱেশত থাকি জন ধ্রুপদী সাহিত্য আৰু বুৰঞ্জী অধ্যয়নৰ প্রতি আগ্রহী হৈছিল। স্কুলৰ প্রধান শিক্ষকৰ পুত্র চার্লচ কাউডন ক্লার্ক তেওঁৰ বন্ধু আৰু পথ প্রদর্শক স্বৰূপ হৈ পৰিছিল। চার্লচৰ মাধ্যমেদিয়েই তেওঁ টাচ', স্পেনচাৰ আৰু চেপমেনৰ অনুবাদ কর্মৰ লগত পৰিচিত হৈছিল। সৰুতে কীট্চ এলেহুৱা স্বভাৱৰ আছিল। তেওঁ তৎমুহূর্ততে উত্তেজিত হৈ কাজিয়াত লিপ্ত হোৱা নজিৰো থকা বুলি তেওঁৰ জীৱনী আলোচনা কৰা ব্যক্তিসকলে ক'ব খোজে। অৱশ্যে তেৰ বছৰ বয়সৰ পৰা তেওঁৰ মানসিকতাৰ পৰিৱর্তন হ'ব ধৰিলে আৰু তেওঁ পাঠ্য বিষয়ত অধিক মনোযোগ দিবলৈ লয়। তাৰ সুফল তেওঁ লাভ কৰিলে। ১৮০৯ চনত ঘোঁৰাৰ পৰা পৰি তেওঁৰ পিতৃয়ে মূৰত গভীৰ আঘাত পায় আৰু সেই আঘাতত তেওঁৰ মৃত্যু হ'ল। পিতৃৰ মৃত্যুৰ দুমাহৰ পিছত তেওঁৰ মাতৃয়ে পুনৰ বিবাহ কৰে। চাৰিওটি সন্তানক তেওঁলোকৰ আইতাকৰ তত্ত্বাৱধানলৈ পঠিওৱা হয়। কিন্তু তেওঁৰ মাতৃয়ে তেওঁৰ দ্বিতীয় স্বামীৰ লগত বেছিদিন কটাব নোৱাৰিলে। কীট্চ চৈধ্য বছৰ বয়সত ভৰি দিয়াত তেওঁৰ মাতৃৰ ক্ষয়ৰোগত মৃত্যু হয়। শিশুকেইটাক চোৱাচিতা কৰিবলৈ সিহঁতৰ আইতাকে ৰিচার্ড এবি আৰু জন ছেণ্ডেল নামৰ দুজন লোকক অভিভাৱক নিযুক্ত কৰে। ১৮১০ চনত মাকৰ মৃত্যুৰ পিছত জন কীট্চ তেঁওলোকৰ পৰিয়ালৰ শৈল চিকিৎসক থমাছ হামণ্ডৰ তত্ত্বাৱধানত সহায়কাৰী (Apprentice) হিচাপে থাকি চিকিৎসা শাস্ত্রৰ বিষয়ে জানিবলৈ Church Street লৈ গুচি যায়। কীট্চৰ অন্তৰংগ বুলি জনাজাত চার্লচ কাউডনৰ ভাষাত এই সময়ছোৱা কীট্চৰ 'জীৱনৰ আটাইতকৈ শান্তিপূর্ণ দিন' আছিল (The most placid time in Keat's life)। হামণ্ডৰ সহায়কাৰী হিচাপে তেওঁৰ কার্যকাল শেষ হোৱাত কীট্চ গাইজ হস্পিটেল (Guy's Hospital)ত চিকিৎসা বিজ্ঞানৰ ছাত্র হিচাপে পঞ্জীয়নভুক্ত হয় আৰু ১৮১৫ চনৰ অক্টোবৰৰ পৰা তেওঁৰ শিক্ষা আৰম্ভ হয়। তেওঁৰ তাত নামভর্তি হোৱাৰ এমাহ মানৰ পাছৰ পৰাই তেওঁক শৈল চিকিৎসকক সহায়কাৰী ড্রেছাৰ (Dresser)ৰূপে নিযুক্ত কৰা হৈছিল। চিকিৎসা বিজ্ঞানৰ ছাত্র হিচাপে এইটো তেওঁৰ বাবে সাকাৰাত্মক দিশ আছিল। লগতে ইয়াৰ ফলত তেওঁৰ দায়িত্ব আৰু কামৰ বোজা বৃদ্ধি পাইছিল। পৰিয়ালৰ লোকেও এইটো বিশ্বাস কৰিছিল যে এটা সময়ত কীট্চ এগৰাকী নামজ্বলা ডাক্তৰ হ'ব। সেই সময়ছোৱাত তেওঁৰ সহপাঠীসকলৰ ভিতৰত উল্লেখযোগ্য আছিল হেনৰি ষ্টিফেনচ, যি গৰাকী পৰৱর্তী সময়ত এজন নামজ্বলা আৱিষ্কাৰক হৈছিল।

চিকিৎসা বিজ্ঞানৰ ছাত্র হিচাপে পঢ়ি থকা কালছোৱাত তেওঁৰ কাব্য প্রতিভাৰ প্রাৰম্ভিক স্ফূৰণ ঘটিছিল যদিও তেওঁ কাব্য ৰচনাতঅধিক সময় দিব নোৱাৰিছিল। ১৮১৪ চনত ১৯ বছৰ বয়সত কীট্চে তেওঁৰ জীৱনৰ প্রথমটো কবিতা ৰচনা কৰিছিল। কবিতাটোৰ নাম *An Imitation of Spenser*। ১৮১৬ চনত তেওঁ চিকিৎসক হিচাপে অনুজ্ঞা পত্র লাভ কৰে। কিন্তু বছৰটো শেষ হোৱাৰ আগতে তেওঁ তেওঁৰ অভিভাৱকক জনালে যে

তেওঁৰ শৈল্য চিকিৎসক হোৱাৰ পৰিৱর্তে কবি হোৱাৰহে মন। ক্রমশঃ তেওঁৰ মন কাব্য ৰচনাৰ প্রতি অধিক ঢাল খাবলৈ ধৰিলে। বিশেষকৈ চনেটক লৈ তেওঁ অনেক পৰীক্ষা-নিৰীক্ষা আৰম্ভ কৰি দিয়ে। ১৮১৬ চনৰ মে' মাহত লে হাণ্টে তেওঁৰ প্রতিবাদী ধাৰাৰ আলোচনা *The Examiner*ত কীট্চৰ চনেট Solitude প্রকাশ কৰিবলৈ ভাৰ ল'লে। এইদৰে পোন প্রথমবাৰৰ বাবে কীট্চৰ কবিতা ছপা হৈ ওলায়। এই ঘটনাক তেওঁৰ বন্ধু চার্লচ্ কাউডন ক্লার্কে কীট্চৰ জীৱনৰ এটা স্মৰণীয় ঘটনা ৰূপে আখ্যা দিছে। তাৰ পাঁচ মাহৰ পাছত কীট্চৰ প্রথমখন কাব্য সংকলন Poem প্রকাশ পালে। ইয়াৰ অন্তর্গত *I Stood Tiptoe* আৰু *Sleep and Poetry* হাণ্টৰ ৰচনাৰ দ্বাৰা বাৰুকৈয়েই প্রভাৱিত হৈছিল। যদিওবা এগৰাকী আলোচকে কিতাপখনৰ বিষয়ে *The Champion*ত ভাল সমালোচনা এটা আগবঢ়াইছিল, কিতাপখনে পাঠক বা সমালোচকসকলৰ দৃষ্টি আকর্ষণ কৰিব পৰা নাছিল। তেওঁৰ প্রকাশকদ্বয় চার্লচ্ আৰু জেমচ অলিয়াৰৰ লগত তেওঁৰ মনোমালিন্য ঘটাত কীট্চে টাইলৰ আৰু হেশ্বেক নতুন প্রকাশক হিচাপে নিযুক্ত কৰিলে। তেওঁলোকে কীট্চক সৃষ্টি কর্মত মনোনিৱেশ কৰিবলৈ উৎসাহিত কৰিছিল। হোশ্বেৰ লগত কীট্চৰ অন্তৰংগ বন্ধুত্ব গঢ়ি উঠে। এই দুগৰাকী নতুন প্রকাশৰ মাধ্যমেদি তেওঁ এটনত শিক্ষা লাভ কৰা উকীল ৰিচার্ড উডহাউচৰ লগত পৰিচিত হয়। পৰৱর্তী সময়ত উইহাউচ কীট্চৰ poemৰ গুণগ্রাহী ৰূপে পৰিচিত হয়। তেওঁ কীট্চৰ কবিতাৰ লগত জড়িত তথ্যসমূহ সংৰক্ষণত নিয়োজিত হৈছিল। সময়ত তেওঁৰ সেই কার্য কীট্চৰ কৃতিসমূহ নির্ভৰযোগ্য বিশ্লেষণাত্মক দলিল ৰূপে প্রতিপন্ন হৈছিল।

জন কীট্চৰ জীৱনলৈ দুগৰাকী নাৰীৰ আগমন ঘটিছিল। এগৰাকী ইজাবেলা জ'নচ আৰু অন্য গৰাকী ফেনী ব্রাউন। হেষ্টিংচৰ ওচৰত অবস্থিত ব'পীপ গাঁৱলৈ অৱসৰ বিনোদনৰ বাবে যাওঁতে ১৮১৭ চনৰ মে' মাহত ইজবেলা জ'নচৰ লগত কীট্চৰ পৰিচয় ঘটে। তেওঁ এগৰাকী সুন্দৰী আৰু বুদ্ধিমতী নাৰী আছিল। তেওঁৰ কাব্যৰসিক গুণে কীট্চক তেওঁৰ প্রতি আকৃষ্ট কৰিছিল। কীট্চৰ আলোচকসকলৰ ভাষাত তেওঁৰ ভালেকেইটা কাব্যকৃতি তেওঁৰ জীৱনৰ এইগৰাকী বিশেষ নাৰী ইজাবেলক লৈয়েই সৃষ্টি হৈছে। *The Eve of St. Agnes* আৰু *The Eve of St. Mark* ইজাবেলৰ অনুপ্রেৰণাত ৰচিত। *The Bright Star*ৰ প্রথম তর্জমাটো তেওঁৰ নামতে কীট্চে উৎসর্গা কৰিছিল বুলি আলোচকসকলে কয়। চিঠি-পত্রৰ পৰা প্রাপ্ত তথ্য অনুসৰি ফেণী ব্রাউনৰ লগত কীট্চৰ প্রথম চিনাকি হয় ১৮১৮ চনৰ ছেপ্টেম্বৰ আৰু নৱেম্বৰ মাহৰ মাজ ভাগত। তেওঁলোকৰ অন্তৰংগতা ক্রমাৎ বৃদ্ধি পায়। এইটো কোৱা হয় যে কীট্চে তেওঁৰ *The Bright Star* কবিতাটোৰ সংশোধন কৰি তাক ফেণীৰ নামত উৎসর্গা কৰি ফেণীৰ প্রতি থকা তেওঁৰ প্রেম প্রকাশ কৰিছিল। জীৱনৰ শেষ মুহূর্তলৈকে ফেণীৰ প্রতি তেওঁৰ সেই আন্তৰিক প্রীতি অক্ষুণ্ণ হৈ আছিল।

ইতিমধ্যে ১৮২০ চনত ক্ষয়ৰোগৰ দ্বাৰা আক্রান্ত জন কীট্চৰ শাৰীৰিক অৱস্থা অধিক অৱনতিৰ ফালে ঢাল খাইছিল। স্বাস্থ্য ঘূৰাই আনিবলৈ তেওঁক তেওঁৰ শুভাকাংক্ষী-

সকলে ৰোমলৈ লৈ গৈছিল। কিন্তু নিয়তিৰ ওচৰত সকলো পৰাজিত হ'ল। ১৮২১ চনৰ ফেব্রুৱাৰী মাহৰ ২৩ তাৰিখে ৰোমত জন কীট্চৰ মৃত্যু হয়।



জানি থোৱা ভাল

জন কীট্চৰ মৃত্যুৰ বাতৰি তেওঁৰ মৃত্যুৰ এমাহ মানৰ পাছতহে লণ্ডন চহৰ পায়গৈ। তেওঁৰ মৃত্যুৰ বাতৰি শুনাৰ পিছত ফেণী ব্রাউনে ছবছৰ কাল তেওঁৰ নামত শোক কৰি কটালে। কীট্চৰ মৃত্যুৰ প্রায় বাৰ বছৰৰ পাছত ১৮৩৩ চনত ফেণী ব্রাউনে বৈবাহিক জীৱন আৰম্ভ কৰিছিল। ২০০৯ চনত জে'ন কেস্পিয়েনে লিখা আৰু নির্দেশনা দিয়া চলচ্চিত্র *Bright Star* জন কীট্চ আৰু ফেণী ব্রাউনৰ সম্পর্কক লৈ নির্মিত হৈছে।

৩.৩.২ সাহিত্য কৃতি

ইংৰাজী ৰোমাণ্টিক সাহিত্যত জন কীট্চ এক ক্ষণজন্মা কাব্য প্রতিভা। সত্য আৰু সুন্দৰৰ উপাসক কবি জন কীট্চে অল্পায়ু লৈ এই পৃথিৱীলৈ আহিছিল যদিও এমুঠিমান Ode কবিতা, Hyperion, The Eve of St. Agnes আদি কাব্য কৃতিয়ে আজিও কবি জন কীট্চক অমৰ কৰি ৰাখিছে। শিল্পী সুলভ মনৰ ব্যক্তি কীট্চ সাহসী আছিল। সেয়েহে তেওঁ তেওঁৰ শৰীৰটোক তিলতিলকৈ ক্ষয় কৰা ক্ষয়ৰোগক প্রশ্রয় নিদি জীৱনৰ অন্তিম মুহূর্তলৈকে যুঁজি গ'ল আৰু হাতৰ আঙুলিকেইটাত শক্তি থকালৈকে কাপৰ পৰা কবিতাৰ অমিয় ৰস নিজৰাই থাকিল।

তেওঁৰ অমৰ কাব্যকৃতিসমূহৰ উপৰিও পত্রলেখসমূহৰ বাবেও কীট্চ বিশ্বপ্রসিদ্ধ। কীট্চে লিখা পত্রসমূহ তেওঁৰ মৃত্যুৰ পাছত ক্রমে ১৮৪৮ চন আৰু ১৮৭৮ চনত প্রকাশিত হৈছিল। ঊনবিংশ শতিকাৰ সমালোচকসকলে তেওঁৰ সেই পত্র লেখসমূহক গুৰুত্বহীন আখ্যা দি সেইসমূহৰ বিশ্লেষণত মন-কাণ নিদিলে। কিন্তু বিংশ শতিকাৰ সমালোচক-সকলৰ দৃষ্টিভংগী সুকীয়া। তেওঁলোকে জন কীট্চৰ কাব্য কৃতিসমূহৰ দৰে তেওঁৰ পত্রসমূহকো সমানে গুৰুত্ব দিয়ে আৰু সেইবিলাকক ইংৰাজী পত্র সাহিত্যত মর্যাদাপূর্ণ স্থান প্রদান কৰে। তেওঁ লিখি থৈ যোৱা পত্রসমূহ তেওঁৰ ব্যক্তিগত জীৱনৰ আশা-অনুভূতি, সংঘাত-হতাশাৰ লগতে তেওঁৰ কাব্যকলা, জীৱন দর্শন সকলো দিশৰে মনোজ্ঞ তথ্য সন্নিবিষ্ট হৈছে। সৰস বর্ণনা আৰু তীক্ষ্ণধী শক্তিৰ পৰিচয় বহনকাৰী তেওঁৰ সেই পত্রসমূহ ইংৰাজী সাহিত্যৰ অমূল্য সম্পদ হৈ ৰ'ব। কবি আৰু সমালোচক টি এছ এলিয়টে তেওঁৰ সেই পত্রসমূহৰ বিষয়ে এইদৰে কৈছে—

"Certainly the most notable and most important ever written by any English poet."

জন কীট্চৰ কাব্য কৃতিসমূহৰ কথা আলোচনা কৰিলে আমি তেওঁৰ উল্লেখযোগ্য সংকলন কেইখনমানৰ নাম উল্লেখ কৰিব পাৰো। অৱশ্যে তেওঁৰ সেই সংকলনসমূহত কম-বেছি পৰিমাণে তেওঁৰ দ্বাৰা ৰচিত কবিতাসমূহৰ উপৰিও পত্রলেখ আৰু অন্য গদ্য ৰচনা অন্তর্ভুক্ত হৈছে। ১৮১৭ৰ পৰা ১৮২০ চনৰ ভিতৰত তেওঁৰ সৰহ সংখ্যক কাব্য আৰু গদ্য কৃতি প্রকাশিত হৈছিল তাৰ ভিতৰত কিছু সংখ্যক কৃতি হৈছে—

On Hearing the Bells Ringing, Sonnet to Lord Byron,Give me Woman, On First Looking into Chapman's Homer, To a Young Lady Who Sent Me a Laural Crown, Endymion, The Eve of St. Agnes and other Poems, Ode to a Nightingale, Ode on a Grecian Urn, Ode to Psyche, To Autumn, Ode on Melancholy, Letter to Leigh Hunt, May 10, 1817; Letter to B. R. Haydon, May 10, 11, 1817; Letter to George and Tom Keats, January 5, 1818; ইত্যাদি।

সুন্দৰৰ অক্লান্ত উপাসক কীট্চে একুৰি পাঁচবছৰীয়া জীৱনতে সুন্দৰৰ উপাসক ৰূপে যি মহান খ্যাত লাভ কৰিলে সেয়া স্মৰণীয়। ইংৰাজী ৰোমাণ্টিক সাহিত্যৰ ইতিহাসতে নহয়, বিশ্ব সাহিত্যৰ উল্লেখযোগ্য সৌন্দর্য সন্ধানী কবিসকলৰ ভিতৰত জন কীট্চ অন্যতম। কীট্চৰ কাব্যৰ ভাষ্যকাৰ উইকছে কোৱা কথা কেইষাৰৰ মাজেদি কীট্চৰ সৃষ্টি আৰু সেইবিলাকৰ গুণাগুণ সম্পর্কে এটা স্পষ্ট ধাৰণা লাভ কৰিব পাৰি।

"যদি কীট্চৰ ৰচনাৱলী অন্য ইংৰাজী লেখকসকলৰ পঁচিশ বছৰ বয়সত ৰচিত ৰচনাৱলীৰ লগত তুলনা কৰা হয়, তেনেহ'লে তেওঁৰেই অবিসম্বাদী হৈ ৰ'ব। যদি তেনে কোনো পদ্ধতি অৱলম্বন কৰিব নোৱাৰি— যদি তেওঁৰ ৰচনাৱলী আপোন গুণৰ আধাৰতে জুখিব লগীয়া হয় তেতিয়াও তেওঁক সর্বশ্রেষ্ঠসকলৰ লগতে আসন দিব লাগিব। অৱশ্যে তেওঁ যিখিনি লিখি থৈ গৈছে, তাৰ বহুখিনিয়েই অপৈণত আৰু নিম্নমান বিশিষ্ট; কিন্তু চালনিৰ ওপৰত যিখিনি সোণৰ চেকুৱা ৰৈ যায়, সেইখিনি ইমান নিভাজ প্রাণবন্ত আৰু শিল্পৰূপৰ শিতানত তেওঁৰ কবিতা ইমান মহৎ আৰু প্রভাৱৰ ফালৰ পৰা ইমান বিস্তীর্ণ আৰু যুগমীয়া যে, তেওঁ ৱর্ডছৱর্থ আৰু শ্যেলীৰ সৈতে সমান আসনত আৰু বায়ৰণ অথবা ক'লৰিজতকৈ ওখ আসনত বহিবৰ অধিকাৰ লাভ কৰে।"

উইকছৰ মুখ নিসৃত এই কথাকেইষাৰৰ আধাৰতে আমি ৰোমাণ্টিক কবি জন কীট্চৰ সাহিত্য কৃতিৰ (কবিতা) মাজত নিহীত সাধাৰণ বৈশিষ্টৰাশি আলোচনা কৰিবলৈ আগবাঢ়িছো।

- জন কীট্চৰ কবিতাৰ আলোচনা কৰিলে আমি কীট্চৰ কবি মানসত ক্রিয়াশীল এটা বিশেষ দিশৰ লগত পৰিচিত হ'ব পাৰো। সৌন্দর্যৰ কবি কীট্চৰ কাব্য দর্শনৰ সেইটো অন্যতম প্রধান বৈশিষ্ট্য। সেয়া হৈছে নেতিবাচক সামর্থ (Negative capability)। ই একাধাৰে তেওঁৰ কাব্যৰ শিল্পগুণ আৰু জীৱনবোধৰ মৌলিক

দৃষ্টিভংগী। কাব্যত এই নেতিবাচক সামর্থৰ কথা আমি উদাহৰণৰ মাজেদি বুজাব পাৰো—কবিক আমি নাইপিয়া (chameleon)ৰ লগত তুলনা কৰিব পাৰো। নাইপিয়াই নিজৰ গাৰ বৰণ সলোৱাৰ দৰে কবিয়েও বেলেগ বেলেগ ৰূপ গ্ৰহণ কৰিব পাৰে। তেওঁ অহৰহ অন্য কোনোবাৰ দেহ ধাৰণ কৰে, তেওঁ দুখ আৰু সুখ সমান আগ্ৰহেৰে অনুভৱ কৰিব পাৰে। এইদৰে তেওঁ জীৱনত সম্পূৰ্ণৰূপে আত্মসাৎ কৰিব পাৰে। তেওঁ কাব্যৰ লক্ষ্য বস্তু (object)ৰ লগত একাত্ম হৈ তাৰ মাজত লীন যায়। এইদৰে কবি আৰু কবিতা এক হৈ যায় আৰু তাৰ পৰা উৎপন্ন হয় পৰিপূৰ্ণতাৰ এক মিঠা আমেজ। নেতিবাচক সামর্থৰ অর্থ হৈছে নিজকে অস্তিত্বহীন কৰা।

(Negative capability means the capability of negating oneself)

এই অস্তিত্বহীন অৱস্থা তেতিয়াহে সম্ভৱ হ'ব যেতিয়া কবিৰ মন অহমিকাবোধ শূন্য আৰু কোনো দার্শনিক ভাবৰ আধাৰ নহয়। সেইবাবে কবিৰ স্বভাৱ নমনীয় হোৱা প্ৰয়োজন। তেওঁ সকলো ধৰণৰ পৰীক্ষা-নিৰীক্ষাৰ প্ৰতি উন্মুখ হ'ব লাগে। শ্বেইক্সপিয়াৰ এনে এগৰাকী কবি আছিল যিয়ে তেওঁৰ চৰিত্ৰসমূহৰ মাজত নিজকে বিচাৰি পাইছিল। তেওঁ হেমলেটো, মেকবেথো, ইয়াগ', প'র্চিয়া, ডেচ'ডিম'না, ফলষ্টাফ আদি, অথচ, তেওঁ তেওঁলোকৰ এজনো নাছিল—তেওঁ আছিল শ্বেইক্সপিয়েৰ। এইদৰে কবি কীট্চেও মহাকবি শ্বেইক্সপিয়াৰৰ দৰে নিজৰ সৃষ্টিৰ মাজত নিজকে বিলীন কৰি দিব পাৰিছিল। দ্বিতীয় এটা সত্তাত নিজৰ সত্তাক বিলীন কৰি দিব জনা কবি কীট্চৰ গীতি কবিতাসমূহৰ মাজেদি তেওঁৰ এই অনন্য সামর্থ মনোৰম ৰূপত উদ্ভাসিত হৈছে। তেওঁৰ *Ode on Indolence*ত আছে—

"....so sweet as drowsy noons,
And evening steep'd in honied indolence
O, far an age so sheltered from annoy,
Or hear the voice of busy common-sense!"

- কীট্চৰ কবিতাৰ দ্বিতীয় বৈশিষ্ট্য হৈছে প্ৰখৰ ইন্দ্ৰিয়জ সংবেদনৰ মর্মস্পর্শিতা। ইন্দ্ৰিয়গ্ৰাহ্য অনুভূতিৰ তীব্ৰতা কীট্চৰ কবিতাত যিদৰে অনুভূত হয় অন্য কোনো কবিৰ কবিতাত সি অনুভূত নহয়। এইগৰাকী কবিয়ে পঞ্চ জ্ঞানেন্দ্ৰিয়ৰ যথার্থ প্ৰয়োগ কৰি তেওঁৰ কাব্য কৃতিক ইন্দ্ৰিয়জ সংবেদনৰ মূৰ্ত প্ৰকাশৰ শিল্পসুলভ মাধ্যম ৰূপে ব্যৱহাৰ কৰিছিল। যেতিয়া আমি দৃষ্টিৰ কথালৈ আহোঁ তেতিয়া এইটো উপলব্ধি হ'ব যে কীট্চৰ কবিতাত কাল্পনিক চিত্ৰ কিছুমান সজীৱ হৈ পৰে। পাঠকৰ অনুভূতিক জগাই তুলি কবিতাৰ মাজত নিহিত শিল্প সৌন্দর্য পানৰ প্ৰতি পাঠকক উন্মুখ কৰি তোলাৰ ক্ষমতা থকা কবি জন কীট্চ আজিও ইংৰাজী সাহিত্যৰ এগৰাকী চর্চিত কবি। তেওঁৰ *To Autumn*ৰ কেইটামান কবিতাৰ শাৰীৰ মাজেদি কাব্য শিল্পীই কিদৰে পাঠকৰ মনৰ চক্ষুক আহ্লাদিত কৰিব পাৰে তাৰ উদাহৰণ আগবঢ়োৱা হ'ল—

".....to load and bless
With fruits the vines that round the thatch– eves run,
To bend with apples the moss'd cottage-trees....."

সেইদৰে কবি কল্পনাত স্পর্শানুভূতি, ঘ্রাণ শক্তি, স্বাদ লোৱা শক্তি, শ্রৱণ শক্তি আদিয়ে কবি মানসৰ উর্ৱৰ, সৃষ্টিশীল বিমূর্ত চিত্র আৰু প্রতীক কিছুমানৰ মাজেদি মূর্ত ইন্দ্রিয়গ্রাহ্য চেতনালৈ পর্যবসিত হৈছে। তেওঁ ৰচনা কৰি থৈ যোৱা প্রশস্তি কবিতা (Ode)কেইটা, *The Eve of St. Agnes, Hyperion* আদি কবিতাত শিল্প ৰূপে কবিতাক উচ্চ স্থানত উপনীত কৰাইছে. বিশেষকৈ তেওঁৰ কাব্যকৃতি *Hyperion*-ত ইন্দ্রিয়গ্রাহ্য সংবেদনশীলতাক আনুভূতিক পৰিমণ্ডল প্রদান কৰিছে। সেইদৰে কামনাসিক্ত আবেদনক প্রাণদায়িনী শক্তিয়ে সজীৱতা প্রদান কৰিছে আৰু সৌন্দর্যবাদ বা নন্দনতত্ত্ববোধত যুক্তিবাদৰ সংমিশ্রণ ঘটাই অপূর্ব কলাকৃতি নির্মাণ কৰিছে। তেওঁৰ কবিতা মাথোন ইন্দ্রিয়গ্রাহ্য সংবেদনশীলতাৰ আকৃতিমাত্র নহয়, ৰৰঞ্চ ই হৈছে ইন্দ্রিয়সমূহৰ দ্বাৰা প্রজ্বলিত কল্পনাৰ এক চিৰন্তন অপ্রতিৰোধ স্রোত।

➢ কবি কীট্চৰ গ্রীক প্রীতি তেওঁৰ কবিতাৰ উল্লেখযোগ্য বৈশিষ্ট্য। ল'ৰালি কালতে তেওঁ গ্রীচৰ পৌৰাণিক গাথাৰ লগত পৰিচিত হৈছিল। তেওঁ তেৰ বছৰ বয়সতে ভার্জিলৰ *এ'নিড (Aeneid)* খন পঢ়িছিল আৰু পৰৱর্তী সময়ত ইংৰাজী গদ্যলৈ *এ'নিড*খন অনুবাদ কৰিবলৈ যো-জা কৰিছিল। ঐতিহাসিক বিষয়বস্তুক নিজৰ চিত্রকলাৰ মাধ্যম হিচাপে লোৱা চিত্রকৰ বেঞ্জামিন ৰবার্ট হে'ডেনে (Benjamin Robert Haydon) কীট্চক এথঞ্চৰ পার্থেননৰ পৰা সংগ্রহ কৰা এলজিন মার্বলচ (Elgin Marbles)ৰ ভাস্কর্য কলা কৃতিৰ লগত পৰিচিত কৰাইছিল। প্রাচীন গ্রীক ভাস্কর্যৰ মোহনীয় ৰূপে কীট্চৰ কবি মানসত যি পুলক জগাইছিল সিয়ে তেওঁৰ অদ্বিতীয় প্রশস্তি কবিতা *Ode on a Grecian Urn*ত সুন্দৰভাৱে প্রকাশ পাইছে—

"Thou still unravish'd bride of quietness,
Thou foster– child of silence and slow time,
Sylvan historian, who canst thus express
A flowery tale more sweetly than our rhyme :
What leaf fring'd legend hunts about thy shape
Of deities or mortals, or of both,
In Temple or the dales of Arcady?
What men or gods are these? What maidens loth?
What mad persuit? What struggle to escape?
What pipes and timbrels? What wild ecstasy?"



জানি থোৱা ভাল

এলজিন মার্বলচ (Elgin Marbles) প্রখ্যাত গ্রীক স্থপতিবিদ ফিডিয়াচ (Phidias) আৰু তেওঁৰ ছাত্রসকলে মার্বলত খোদিত কৰা গ্রীক ধ্রুপদী ভাস্কর্য কলাকৃতি। ১৭৯৯ চনৰ পৰা ১৮০৩ চনলৈকে অট'মান সাম্রাজ্যত বৃটিছ ৰাজদূত হিচাপে কার্যনির্বাহ কৰা থমাচ ব্রুচে এটা বিতর্কিত অনুজ্ঞা মতে এলজিন মার্বলচৰ অন্তর্গত ভালেকেইটা ভাস্কর্য কলাকৃতি বৃটেইনলৈ লৈ আহিছিল। পৰৱর্তী সময়ত বৃটিছ চৰকাৰে সেই ভাস্কর্য কলা-কৃতিসমূহ ক্রয় কৰি তাক বৃটিছ মিউজিয়ামত স্থান দিছিল।

➢ সুন্দৰৰ ক্লান্তিহীন উপাসনা কীট্চৰ জীৱনৰ প্রধান উদ্দেশ্য আছিল। তেওঁৰ কাব্য কৃতিৰ বিশ্লেষণ কৰিলে সৌন্দর্যৰ আজীৱন উপাসক এইগৰাকী কবিৰ ৰচনাত প্রস্ফূটিত সৌন্দর্যৰ বর্ণাঢ্য প্রকাশ আমাৰ দৃষ্টিগোচৰ হ'ব।

সৌন্দর্যই কীট্চৰ জীৱন আৰু কলা সাধনাৰ চালিকা শক্তি। অৱশ্যে কীট্চৰ এই সৌন্দর্য প্রীতিৰ বিষয়ে তেওঁৰ কবিতাৰ আলোচকসকলে দুটা দৃষ্টিভংগীৰ ফালৰ পৰা বিচাৰ কৰিছে। কীট্চৰ সৌন্দর্যৰ বিষয়ে থকা ধাৰণাৰ ধাৰাবাহিক ক্রমবিকাশ দেখা যায়।

প্রথম অৱস্থাত প্রকৃতিৰ প্রতি থকা তেওঁৰ প্রেম ইন্দ্রিয়গ্রাহ্য অনুভূতিৰ অধীন আছিল। ইন্দ্রিয়াসক্ত অনুভূতিজনিত সেই স্তৰৰ কবিতাত সৌন্দর্যৰ উপাসক কীট্চে দেহজ সৌন্দর্যৰ গুণ-গান কৰিছে। সৌন্দর্যৰ আকৰ নিহিত প্রতিটো বস্তু বা তেজ-মঙহৰ শৰীৰত ইন্দ্রিয়ানুভূতিৰ যি সতেজ মাদকতা কবিয়ে অনুভৰ কৰিছিল সেয়া ব্যাখ্যাতীত। সৌন্দর্যৰ এই তীব্র ইন্দ্রিয়গ্রাহ্য উপলব্ধি কেৱল কীট্চৰ নিচিনা অতীব সংবেদনশীল কবিৰ বাবেহে সম্ভৱ। তেওঁৰ প্রাৰম্ভিক ৰচনাকৃতিৰ অন্তর্গত *You say you love; But with a Voice*ত তেওঁৰ সেই ইন্দ্রিয়গ্রাহ্য সৌন্দর্যৰ অবিস্মৰণীয় অনুভূতি অতীব ৰমণীয়, মর্মস্পর্শী ভাষাৰে বর্ণিত হৈছে—

You say you love; but then your hand
No soft squeeze for squeeze returneth,
It is like a statue's, dead,
While mine for passion burneth–
O love me truly!

সৌন্দর্যপ্রিয়াসী কবি কীট্চৰ মানসত এটা সময়ত তীব্রভাৱে আলোড়ন তোলা ইন্দ্রিয়গ্রাহ্য সৌন্দর্যৰ সংবেদনশীল ৰূপৰ উত্তৰণ ঘটি সেয়া পাৰমার্থিক সৌন্দর্যৰ অনন্ত শিল্পলৈ পর্যবসিত হৈছিল। কবিৰ কাব্য সাধনাৰ প্রেক্ষাপটত এইয়া এটা ক্রম

বিবর্তনৰ মনোৰম অধ্যায়। তেওঁ সেই সৌন্দর্যৰ অক্লান্ত অন্বেষণকাৰী যি সৌন্দর্য নামান্তৰে সত্য। ক্রমশঃ তেওঁৰ সৌন্দর্যবাদ বা নন্দনতত্ত্ববোধ এক বৌদ্ধিক পৰিমণ্ডলৰ ভিতৰুৱা হৈ পৰিল। নশ্বৰ, পঞ্চভূতেৰে নির্মিত সৌন্দর্য কৃতিয়ে তেওঁক পূর্বৰ দৰে লালায়িত কৰিব নোৱাৰা হ'ল। তেওঁৰ উপলব্ধি হ'ল যে পাৰমার্থিক সৌন্দর্য বা মহৎ আদর্শৰ মাজত নিহিত সৌন্দর্যবোধহে চিৰস্থায়ী। সৌন্দর্য যে এটা অপ্রতিৰোধ্য শক্তি তাক তেওঁ উপলব্ধি কৰিব পাৰিলে। তেওঁৰ অনবদ্য কাব্যকৃতি *The Hyperion : A vision*ত তেওঁ উল্লেখ কৰিছে—

"For its the eternal law
That first in Beauty should be first in might."

- কীট্চৰ প্রশস্তিমূলক কবিতাকেইটা (Ode) শিল্প আৰু সৌন্দর্যৰ সমাহাৰত গঢ় লৈ উঠা অমৰ সাহিত্যকৃতি, আলোচক ৰবার্ট ব্রিজেছৰ ভাষাত জন কীট্চে যদি কেৱল প্রশস্তি কবিতাকেইটাই ৰচনা কৰি গ'লহেঁতেন, তথাপিতো তেওঁৰ কাব্য প্রতিভাৰ প্রভা কোনো দিনেই ম্লান নহ'লহেঁতেন। তেওঁৰ সেই প্রখ্যাত প্রশস্তি কবিতাকেইটা ইংৰাজী সাহিত্যৰ অমূল্য ৰত্ন স্বৰূপ। প্রশস্তি কবিতাকেইটা গীতৰ নিচিনাকৈ গোৱা হয়, সেইবাবে সেইকেইটাত সাংগীতিক লয় স্পষ্ট। তেওঁৰ প্রশস্তি কেইটাত শিল্প কলা আৰু সংগীতৰ যি সংগম ঘটিছিল সেয়া অতীব বিৰল ঘটনা। কবি হিচাপে কীট্চৰ পৈনত হস্তৰ স্পর্শ বাৰুকৈয়ে অনুভূত হয় তেওঁৰ এইকেইটা কবিতাত। তাত বর্ণিত হোৱা বিষয়বস্তুৰ ভাব স্পষ্ট আৰু যুক্তিসংগত। কবিতাকেইটাৰ ছন্দ সজ্জা উভয় নিয়মীয়া আৰু অনিয়মীয়া, অথচ ই বিস্তৃত আৰু জটিল। ইয়াৰ ৰচনাশৈলী উন্নত। গ্রীক কাব্যতে প্রশস্তি কবিতাৰ আৰম্ভণি হয়। লেটিন কাব্যতো প্রশস্তি কবিতাৰ ৰূপ পোৱা যায়। মূলতঃ পাগান (Pagan) দেৱ-দেৱীসকলক স্তুতি কৰাৰ অর্থে এই প্রশস্তিসমূহ ৰচিত হৈছিল।

পিছে কীট্চে এই পৰম্পৰাগত কাব্যশৈলীৰ বিষয়বস্তু আৰু গাঁথনিলৈ কিছু পৰিৱর্তন আনি তাক নতুন ৰূপত উপস্থাপন কৰিছিল। অষ্টাদশ শতিকাৰ ইংৰাজ কবি ড্রায়ডেন আৰু প'পৰ কবিতাত এই প্রশস্তি কবিতাৰ সূৰ প্রতিধ্বনিত হয়। অৱশ্যে কবি উইলিয়াম ৰর্ডছৱর্থে প্রশস্তি কবিতাক অধিক ব্যক্তিগত আৰু সুৰীয়া ৰূপ প্রদান কৰিছিল। এই প্রসংগতে তেওঁ সেই Ode কেইটা ৰচনা কৰা সময়চোৱাৰ কথাও প্রসংগলৈ অনাতো যুগুত হ'ব। কীট্চৰ আটাইতকৈ উৎকৃষ্ট প্রশস্তি কবিতাকেইটাৰ ৰচনাকাল ১৮১৯ চনৰ বসন্ত কালৰ আশে-পাশে। সেই সময়ছোৱাত তেওঁৰ ব্যক্তিগত জীৱন আৰু সাহিত্যিক জীৱনৰ ওপৰেদি কেইবাজাকো বা-মাৰলি পাৰ হৈ গৈছিল। তেওঁৰ ভাতৃ টম ক্ষয়ৰোগত আক্রান্ত হৈ মৃত্যু মুখত পৰিছিল। অন্য এগৰাকী ভাতৃ জর্জ আমেৰিকালৈ প্রব্রজন কৰিছিল। তেওঁৰ প্রেয়সী ফেণী ব্রাউনৰ লগত তেওঁৰ মনোমালিন্য ঘটিছিল আৰু সেই সময়ছোৱাতে ক্ষয়ৰোগৰ

বীজাণুৱে তেওঁক তিলতিলকৈ নিঃশেষ কৰি দিয়াৰ পূৰ্ব লক্ষণ ফুটি উঠিছিল। দেহ আৰু মনৰ এনে দুখ আৰু সংঘাত জৰ্জৰ পৰিৱেশত কীট্চৰ সংবেদী মন মৰহি গৈছিল। তৎসত্ত্বেও তেওঁৰ কবি সত্তাই আদৰ্শ আৰু কল্পনাক আশ্ৰয় কৰি নিজৰ ক্ষণভঙ্গুৰ স্বাস্থ্যৰ বাস্তৱিক স্থিতিৰ প্ৰতি সচেতন হৈ প্ৰশস্তি কবিতাকেইটা ৰচনা কৰিছিল। কিন্তু সৌন্দৰ্যৰ আদৰ্শ ৰূপৰ প্ৰতি আস্থাশীল কবি নিৰাশ হোৱা নাছিল। জীৱনৰ সেই দুখ-কষ্টেৰে পূৰ্ণ সময়তো তেওঁ সৌন্দৰ্যৰ একান্ত আৰাধনাত নিজকে নিমগ্ন কৰি ৰাখিছিল। তেওঁৰ সেই নিৰলস, ঐকান্তিক সাধনাৰ ফল হ'ল—

Ode to Psyche, Ode to Melancholy, Ode to a Nightingale, Ode on a Grecian Urn, Ode on Indolence আৰু *Ode to Autumn.*

- ৰোমাণ্টিক কবি হিচাপে জন কীট্চৰ কবিতাত ৰোমাণ্টিক কবিতাৰ আটাইকেইটা প্ৰধান লক্ষণ বিৰাজমান। সচৰাচৰ অন্যান্য ৰোমাণ্টিক কবিৰ দৰে কীট্চো পলায়নবাদী কবি আছিল। তেওঁৰ কবিতাত তেওঁৰ সমসাময়িক কোনো সামাজিক বা ৰাজনৈতিক ঘটনা বা পৰিস্থিতিৰ লেখ নাই। সেই দৃষ্টিভংগীৰ ফালৰ পৰা সামাজিক দায়বদ্ধতা তেওঁৰ সৃষ্টিৰ মাজত নাই। তেওঁ বাস্তৱ জীৱনৰ কঠোৰতাৰ পৰা বহুত নিলগত মধ্য যুগীয় বীৰ গাথা আৰু অমৰ প্ৰেমৰ গাথাৰ মাজত সাঁতুৰি-নাদুৰি থাকিবলৈ ভাল পাইছিল। তেওঁৰ *The Eve of St. Agnes* কবিতাত ইয়াৰেই অনুৰণন ঘটিছে। সৌন্দৰ্যক অদ্ভুত আশ্চৰ্যময় ৰূপ প্ৰদান কৰাতো ৰোমাণ্টিক কবিৰ বৈশিষ্ট্য। ৰৰ্ডছ্ৱৰ্থে তেওঁৰ কবিতাত প্ৰকৃতিৰ নিচেই সাধাৰণ বস্তু এটাক কবি কল্পনাৰ প্ৰভাৱত সৌন্দৰ্যৰ অদ্বিতীয় আকৰ কৰি তুলিছে To me the meanest flower that flows can give Thought that do often lie too deep for tears. কীট্চেও সৌন্দৰ্যক উপাসনা কৰিছিল। তেওঁ সৌন্দৰ্যৰ আকৰক অপাৰ্থিব স্তৰলৈ উন্নীত কৰি সৌন্দৰ্যক গৰিমা প্ৰদান কৰিছিল। নাইটিংগেল চৰাইজনীৰ মনোলোভা গীত শুনি কীট্চে জাগতিক সময়ে নিৰ্ধাৰণ কৰা পৰিমণ্ডল চেৰাই গৈ অপাৰ্থিব জগতখনত পদাৰ্পণ কৰিছে। কবিৰ দৃষ্টিত নাইটিংগেল চৰাইজনী—

Thou wast not born for death, immortal Bird!

এই পাৰ্থিব জগতখনত চিৰ কাললৈ চৰাইজনীৰ মধুৰ গীতৰ গুঞ্জন ধ্বনিত প্ৰতিধ্বনিত হৈ থাকে।

তেওঁ প্ৰকৃতিক নিজৰ প্ৰেয়সী ৰূপে গণ্য কৰিছিল। সেইবাবে তেওঁ প্ৰকৃতিৰ প্ৰতি অন্যান্য কবিৰ দৰে সহানুভূতি প্ৰদৰ্শন কৰা নাছিল বা প্ৰকৃতিক লৈ বৌদ্ধিক কচৰতো কৰা নাছিল। তেওঁ প্ৰকৃতিক প্ৰকতিৰ স্বাভাৱিক ৰূপতে ভাল পাইছিল। তেওঁৰ সেই ভালপোৱাৰ মাজেদি তেওঁ প্ৰকৃতিক প্ৰকৃতিৰ সহজাত ৰূপতে চাবলৈ বাঞ্ছা কৰিছিল। সেয়া এক অন্তৰ্মুখী দৃষ্টিভংগী যাক কেৱল কীট্চৰ দৰে এগৰাকী

সংবেদনশীল কবিয়েহে উপলব্ধি কৰিব পাৰিছিল। সেইদৰে তেওঁৰ কাব্য ৰচনাত অতি প্ৰাকৃত উপাদানৰ প্ৰয়োগৰ মাজেদি তেওঁ মধ্যযুগীয় কিছুমান অন্ধবিশ্বাসক কলাত্মক ৰূপ প্ৰদান কৰি তাক অমৰ কাব্যকৃতিৰ ৰূপ প্ৰদান কৰিছে। তেওঁৰ তেনে কেইটামান ৰচনা হ'ল— *The Eve of St.. Mark, The Eve of St. Agnes, La Belle Dame Sans Merci* আৰু *Lamia*।

বিষাদবোধ, কাব্যিক ব্যঞ্জনা আৰু সংগীতমধুৰতা ৰোমাণ্টিক কবিতাৰ অন্য কেইটামান উল্লেখযোগ্য লক্ষণ যি কীট্চৰ কবিতাত অতীব ৰমণীয় ৰূপত প্ৰকাশ পাইছে। তেওঁৰ সূক্ষ্ম সংবেদনশীলতাই অতি প্ৰাকৃত উপাদানক তেওঁৰ কবিতাত যিদৰে চিত্ৰিত হোৱাৰ সহায় কৰিছে সিয়ে তেনে কবিতাসমূহত ব্যঞ্জিত হোৱা আধিভৌতিক জগতখন জীৱন্ত কৰি তুলিছে। তেওঁৰ *The Eve of St. Mark* আৰু *The Eve of St. Agnes* দুটা মধ্যযুগীয় অন্ধ বিশ্বাসৰ আধাৰত গঢ়ি উঠিছে, সেইদৰে তেওঁৰ *La Belle Dame Sans Merci* কবিতাত দেখুওৱা হৈছে কিদৰে দুষ্ট প্ৰকৃতিৰ পৰীয়ে মানুহক প্ৰেমৰ জালত বন্দী কৰি পিছত মানুহ প্ৰেমিকক প্ৰতাৰণা কৰে আৰু তেনে ব্যক্তিৰ জীৱন বিষময় কৰি তোলে। *Lamia* কবিতাটোত কবিয়ে সেই মধ্যযুগীয় সময়ৰ বিষ কন্যাৰ কথা কৈছে যি নাৰীয়ে নিজৰ সৌন্দৰ্যক ধ্বংসাত্মক কাৰ্যত নিয়োগ কৰে। কীট্চৰ কবিতাত প্ৰয়োগ হোৱা প্ৰতিটো প্ৰতীক, চিত্ৰকল্প আৰু উপমাই আমাক কল্পনাৰ পৰিধি পাৰ হৈ অন্য এখন লোকলৈ যোৱাৰ পথ সুগম কৰি দিছে। এইয়া তেওঁৰ অসাধাৰণ কল্পনাশক্তিৰ বাবে সম্ভৱপৰ হৈছে। সেইদৰে সংগীত মধুৰতাৰ কথা ক'বলৈ গ'লে আমি তেওঁৰ বিখ্যাত প্ৰশস্তি কবিতাকেইটাৰ প্ৰসংগলৈ আহিব লাগিব। এই প্ৰসংগত আমি *Ode to a Nightingale* প্ৰশস্তি কবিতাৰ গীতিময় ৰূপ মাধুৰ্যৰ কথা আলোচনা কৰিব পাৰো। কবিতাটোত প্ৰয়োগ হোৱা শব্দমালাই হওক অথবা ছন্দ সজ্জাই হওক, সকলোৰে মাজেদি যেন সাংগীতিক লহৰ ঝংকাৰিত হয়—

"Tis not through every of thy happy lot,
But being too happy in thine happiness,
That thou, light winged Dryad of the trees,
In some melodious plot
Of beechen green, and shadows numberless,
Singest of summer in full– throated ease."

এইদৰে জন কীট্চৰ কবিতাত সমসাময়িক অন্যান্য ৰোমাণ্টিক কবিৰ কবিতাত অনুভূত হোৱা বৈশিষ্ট্যসমূহ মনোজ্ঞ ৰূপত প্ৰতিভাত হৈছে।



অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ১ ঃ কবি জন কীট্চৰ জীৱন আৰু কৃতিৰ চমু পৰিচয় আগবঢ়াওক। (১৫০টা শব্দৰ ভিতৰত)

.....

প্রশ্ন নং ২ ঃ কীট্চৰ কবিতাৰ সাধাৰণ বৈশিষ্ট্যসমূহ উল্লেখ কৰক।

(১৫০টা শব্দৰ ভিতৰত)

.....

৩.৪ *অ'ড অন এ গ্রেচিয়ান আর্ণ*

৩.৪.১ মূল ইংৰাজী কবিতাটোৰ পাঠ

1

Thou still unravish'd bride of quietness,
Thou foster-child of silence and slow time.
Sylvan historian, who canst thus express
A flowery tale more sweetly than our hyme;
What leaf-fringed legend haunts about thy shape
Of deities or mortals, or of both,
In Tempe or the dales of Arcady?
What men or gods are these? What maidens loth?
What mad pursuit? What struggle to escape?
What pipes and timbrels? What wild ecstasy?

2

Heard melodies are sweet, but those unheard
Are sweeter; therefore, ye soft pipes, play on.
Not to the sensual ear, but more endear'd,
Pipe to the spirit ditties of no tone;
Fair youth, beneath the trees, thou canst not leave
Thy song, nor ever can those trees be bare;
Bold Lover, never, never canst thou kiss,
Though winning near the goal– yet, do not grieve;
She cannot fade, though thou hast not thy bliss,

Forever wilt thou love, and she be fair!

3

Ah, happy, happy boughs! that cannot shed
Your leaves, nor ever bid the Spring adieu:
And, happy melodist, unwearied.
Forever piping songs forever new;
More happy love! more happy, happy love!
Forever warm and still to be enjoy'd,
Forever panting, and forever young
All breathing human passion far above,
That leaves a heart high-sorrowful and cloy'd.
A burning forehead, and a parching tongue.

4

Who are these coming to the sacrifice?
To what green altar, O mysterious priest,
Lead'st thou that heifer lowing at the skies,
And all her silken flanks with garlands drest?
What little town by river or sea shore,
Or mountain-built with peaceful citadel.
Is emptied of this folk, this pious morn?
And, little town, thy streets, for evermore
Will silent be; and not a soul to tell
Why thou art desolate, can e'er return.

5

O Attic shape! Fair attitude! with brede
Of marble men and maidens overwrought.
With forest branches and the trodden weed;
Thou, silent form, dost tease us our of thought
As doth eternity : Cold Pastoral!
When old age shall this generation waste,
Thou shalt remain, in midst of other woe
Than ours, a friend to man, to whom thou say'st,
"Beauty is truth, truth beauty"– that is all
Ye know on earth, and all ye need to know.

৩.৪.২ কবিতাটোৰ সাধাৰণ আলোচনা

জন কীট্চৰ বিখ্যাত Ode *অ'ড অন এ গ্রেচিয়ান আর্ণ*-ৰ ৰচনা কাল ১৮১৯। উল্লেখযোগ্য যে ১৮১৯ চনত তেওঁ ৰচনা কৰা প্রশস্তি কবিতা (Odes)ৰ সেই বিখ্যাত শৃংখলাৰ পাঁচটা বিখ্যাত প্রশস্তি কবিতাৰ অন্তর্গত *অ'ড অন এ গ্রেচিয়ান আর্ণ* এটা উল্লেখযোগ্য প্রশস্তি কবিতা। কোৱা হয় যে তেওঁৰ এই প্রশস্তি কবিতাকেইটা এটা বিশেষ ক্রমত ৰচিত *Psyche, Nightingale, Grecian Urn. Melancholy* আৰু *Autumn*। এইকেইটাৰ ভিতৰত *Ode on a Grecian Urn* আৰু *Ode on Melancholy* ৰচনা দুটাত ১৮১৯ চনটোৰ উল্লেখ আছে। মনকৰিবলগীয়া যে কীট্চৰ কবিতাৰ সমালোচকসকলে এইটো সম্ভাৱনা প্রকট কৰিছে যে তেওঁ *Ode on a Grecian Urn* ৰচনা কৰাৰ আগতে *Ode on Indolence* ৰচনা কৰিছিল। কিন্তু সমালোচকসকলৰ দৃষ্টিত *Ode on Indolence*ত আগতে উল্লেখ কৰি অহা Ode কেইটাত দৃষ্টিগোচৰ হোৱা কাব্যিক সৌন্দর্যৰ অভাৱ পৰিলক্ষিত হয়। সেইবাবে *Ode on Indolence* ক তেওঁৰ অন্য পাঁচোটা বিখ্যাত Ode শাৰীত সমান স্থান দিয়া নাই।

তেওঁৰ বিখ্যাত প্রশস্তি কবিতাৰ ভিতৰত *অ'ড অন এ গ্রেচিয়ান আর্ণ* উল্লেখযোগ্য। শিল্প সৌন্দর্য প্রকাশৰ দিশৰ পৰা এইটো তেওঁৰ উৎকৃষ্টতম সৃষ্টি বুলি সমালোচকসকলে অভিমত আগবঢ়াইছে। কবিতাটো আৰম্ভ হৈছে এটা গ্রীচীয় ভস্মাধাৰৰ সৌন্দর্য বর্ণনাৰে। ফুল-লতাৰে জাতিষ্কাৰ সেই ভস্মাধাৰৰ ওপৰত কিছুমান মানুহ আৰু দেৱতাৰ প্রতিকৃতি আছে। এটা প্রাচীন বাঁহীৰ পৰা নিগৰি অহা সুৰধ্বনিয়ে যেন চৌপাশৰ পৰিৱেশ মুখৰিত কৰিছে। কেইজনমান তৰুণে কেইগৰাকীমান তৰুণীক ৰমন কৰিবলৈ তৰুণী কেইগৰাকীৰ পাছে পাছে দৌৰি ফুৰিছে। কিন্তু তৰুণ কেইজনৰ মনৰ হেঁপাহ মনতে মাৰ গৈছে। তেওঁলোকে আশা কৰা মতে প্রেয়সীৰ দৈহিক সান্নিধ্য লাভ কৰিব পৰা নাই। অনন্ত সময়ৰ বাবে যেন তেওঁলোক নিজ নিজ স্থানত নিঃশ্চল হৈ ৰৈ গৈছে। পাঁচটা স্তবকত শেষ হোৱা এই কবিতাটোৰ প্রথম তিনিটা স্তবকত কবিয়ে এই বর্ণময় ৰূপৰ চিত্রণেৰে গ্রীচীয় ভস্মাধাৰটোত দৃষ্টিগোচৰ হোৱা চিত্রসমূহ বর্ণনা কৰিছে। সাংসাৰিক জগতৰ মানুহৰ বাবে ভস্মাধাৰত প্রাণ পাই উঠা চিৰ তৰুণ বাঁহীবাদকৰ বাঁহীৰ পৰা 'নিগৰি' অহা সুৰধ্বনিয়ে মানুহৰ কর্ণেন্দ্রিয়ত যি মধুৰ গুঞ্জন তোলে তাৰ প্রভাৱ ক্ষন্তেকীয়া নহয়। বৰঞ্চ সেই সুৰধ্বনিৰ প্রভাৱ অসীম, অনন্ত। সি দেহাতীত স্তৰলৈ বিয়পি যায়। সেইদৰে ভস্মাধাৰটোত দৃষ্টিগোচৰ হোৱা সেউজীয়া গছ-বিৰিখো চিৰ সতেজ। তাক সময় বা ঋতু পৰিৱর্তনেও নিস্তেজ কৰিব নোৱাৰে। জীৱন আৰু জগতৰ নশ্বৰতাতকৈ সিবিলাক বহুত ওপৰত। জৈৱিক প্রেমৰ ক্ষুধা নিবৃত্তিৰ মার্গ হৈছে জৈৱিক ক্রিয়া কলাপ। তাৰ যোগেদি আতুৰ নৰ-নাৰীয়ে দেহ-মনৰ ক্ষুধা পূৰ কৰিব পাৰে। কিন্তু সেয়া নিচেই

সাময়িক, সিয়ে মানুহক পূর্ণাংগ তৃপ্তি প্রদান কৰিব নোৱাৰে। নৱ-নাৰীৰ পাৰস্পৰিক আকর্ষণৰ ভাবটোক যদি আমি প্রেম ৰূপে সংজ্ঞাবদ্ধ কৰো, তেতিয়া হ'লে ইয়াৰ লগত দৈহিক আৰু মানসিক দুয়োটা দিশেই সাঙোৰ খাই পৰে। দুয়োটা দিশৰ পৰিপূর্ণ তৃপ্তিত প্রেম যথার্থতে সফলকাম হয়। কিন্তু সাধাৰণতে তেনেকুৱা হোৱা দেখা নাযায়। গ্রীচীয় ভস্মাধাৰত প্রতিবিম্বিত হোৱা প্রেমাতুৰ প্রেমিক-প্রেমিকাৰ মাজতো মিলন সম্ভৱ হোৱা নাই। তেওঁলোকৰ মুখাবয়বত সম্ভোগ স্পৃহা জাগ্রত হ'লেও তেওঁলোকৰ সেই মিলন স্পৃহা আধৰুৱা হৈ ৰ'ল। হয়তো তৰুণ কবিৰ স্পর্শকাতৰ মনে জৈৱিক প্রেমৰ সেই ক্ষয়স্থায়ীত্ব আৰু মিলন স্পৃহা পূর্ণ হোৱাৰ পিছত অনুভূত হোৱা অৱসাদগ্রস্ততাৰ কথা মর্মে মর্মে উপলব্ধি কৰিব পাৰিছিল। সেয়েহে তেওঁ প্রেমৰ দৰে এটা স্বর্গীয়, মধুৰ অনুভূতিক দৈহিক কামনাৰ লেলিহান শিখাত দপ্‌দপ্‌কৈ জ্বলি নিঃশেষ হৈ যোৱাতো বিচৰা নাছিল। বৰঞ্চ একুৱা উমাল তুঁহজুইৰ দৰে জ্বলি থাকি চিৰকাললৈ প্রেমিক-প্রেমিকাৰ মনত প্রেমৰ সেই শাশ্বত অনুভূতিক জাগ্রত কৰি ৰখাৰ পোষকতা কৰিছিল।

চতুর্থ স্তৱকত এজনী ছেউৰীক বলিশাললৈ লৈ যোৱা চিত্র আছে। পুৰোহিতে ছেউৰীজনীক সেউজীয়া বেদীৰ ফালে লৈ যাওঁতে তাই আকাশলৈ চাই হেম্বেলিয়াইছে। ফুলৰ মালাৰে সজ্জিত কৰা সেই বলিৰ পাছে পাছে অনেক নৱ-নাৰী গৈ আছে। চিত্রৰ পৰা এনে বোধ হয় যে গোটেই নগৰখন শূন্য আৰু নিজম হৈ পৰিছে কাৰণ সকলো নগৰবাসী দল বান্ধি বলিশালৰ অভিমুখে ৰাওনা হৈছে। বলিশালৰ অভিমুখে খোজ দিয়া মানুহৰ বিভিন্ন গঢ় আৰু আকৃতি-প্রকৃতি তথা শূন্য আৰু নিজম হৈ পৰা নগৰৰ উকা বাসগৃহবোৰ সকলোবোৰ যেন অনন্তকালৰ বাবে একো একোটা নির্দিষ্ট বিন্দুত স্থবিৰ হৈ পৰিছে। বলি বিধান লৌকিক জীৱনৰ বিশ্বাস পৰম্পৰা আৰু ধর্মীয় ক্রিয়া-কাণ্ডৰ অন্তর্গত। মানুহে পাৰমার্থিক উন্নতি লাভৰ মানসেৰে লৌকিক ক্রিয়া-কাণ্ড, আচাৰ-অনুষ্ঠান উদ্‌যাপন কৰে। মানুহৰ আধ্যাত্মিক জীৱনৰ এই উপলব্ধিটো পুৰোহিতে বলিশালৰ অভিমুখে লৈ যোৱা ছেউৰীজনী আৰু পুৰোহিতক অনুসৰণ কৰা মানুহৰ জাকৰ স্থিৰ চিত্রৰ মাজেদি প্রতিফলিত কৰিছে। শূন্য নগৰখন আৰু তাৰ নিজম বাট-পথবোৰৰ মাজেদি কবিৰ শিল্পীসুলভ তুলিকাত জীৱনৰ এটা বিশেষ মুহূর্তৰ স্থিৰ কলাৰূপ চিৰদিনৰ বাবে বন্দী হৈ ৰ'ল।

কবিতাটোৰ পঞ্চম তথা শেষ স্তবকত কবিতাটোত নিহিত থকা শিল্প সৌন্দর্যৰ চৰম প্রকাশ ঘটিছে। কবিৰ দৃষ্টিত ধৰা দিয়া সেই গ্রীচীয় ভস্মাধাৰটোত ফুটি উঠা বিভিন্ন ভঙ্গিমাৰ নৱ-নাৰী, হাবিতলীয়া পথ আৰু বনভূমি, মনোমোহা ৰহস্যময় সৌন্দর্যই চিৰদিনেই সৌন্দর্য পিয়াসী মনক আহ্লাদিত কৰি আহিছে। সেই বনভূমি আৰু তাত স্থিত সেউজ সজীৱতা চিৰ নতুন। তাক কালেও ক্ষয় কৰিব নোৱাৰে। মানুহ জন্ম-মৃত্যুৰ চক্রত ঘূৰি থাকিব, এটা প্রজন্মৰ পিচত অন্য এটা প্রজন্মই জন্ম লাভ কৰিব। কিন্তু সেই ভস্মাধাৰটো বা তাত অংকিত অথবা খোদিত হোৱা ছবিবোৰ সদায় একেদৰে থাকিব।

তাত সময়ৰ আচোৰ নপৰে। এইটো কবিৰ মানসত উপজা এক মহান শিল্প উপলব্ধি য'ত শিল্প কৃতিৰ সৌন্দর্যক অমৰ বুলি কোৱা হৈছে। কলাৰ সৌন্দর্যই সত্য। ইয়াক কোনো ধৰণৰ জাগতিক অৱস্থা বা পৰিস্থিতিয়ে ম্লান বা নিঃশেষ কৰিব নোৱাৰে। সৌন্দর্যৰ এই শাশ্বত স্থিতিয়ে যুগ যুগ ধৰি প্রজন্মৰ পিছত প্রজন্মক আকর্ষিত আৰু আহ্লাদিত কৰি আহিছে। সেইবাবে কবি কীট্চে সৌন্দর্য বা সুন্দৰক জয়গান কৰি সুন্দৰক সত্য আৰু সত্যই সুন্দৰ বুলি মুক্তকণ্ঠে ঘোষণা কৰিছে—

> ''O Attic shape! Fair attitude! with brede
> of marble men and maidens overwrought,
> With forest branches and the trodden weed;
> Thou, silent form dost tease us out of thought
> As doth eternity : Cold Pastoral!
> When old age shall this generation waste,
> Thou shalt remain, in midst of other woe
> Than ours, a friend to man, to whom thou say'st,
> ''Beauty is truth, truth beauty,''– That is all
> Ye know on earth, and all ye need to know.''

এইদৰে *অ'ড অন এ গ্রেচিয়ান আর্ণ* প্রশস্তি কবিতাটোলৈ লক্ষ্য কৰিলে আমি দেখিম যে এই কবিতাটো তিনিটা স্তৰৰ মাজেদি বিকশিত হৈছে। প্রথমতে পাওঁ কবিতাটোৰ আৰম্ভণি, তাৰ পাছত আছে মূল বিষয়বস্তু আৰু শেষৰ স্তৰটোত আছে সামৰণি। কবিতাটোৰ প্রথম স্তবকত বিষয়বস্তুৰ পৰিচয় পাওঁ। দ্বিতীয়, তৃতীয় আৰু চতুর্থ স্তবকত মূল বিষয় বস্তুৰ আভাস পাওঁ। পঞ্চম স্তবকত কবিতাটোৰ সামৰণি ঘটিছে। কবিয়ে ৰহস্যময় সৌন্দর্যৰ আলোকত দীপ্তিমান ভস্মাধাৰটো তুলি ধৰিছে। সৌন্দর্যৰ সেই আকৰটোৰে তেওঁৰ মন দাপোনত তোলপাৰ লগোৱা প্রশ্নৰ সমিধান বিচাৰি কবি হাবাথুৰি খাইছে। কবিতাটোৰ মাজৰ তিনিটা স্তবকত কবিয়ে তেওঁৰ সৃষ্টিশীল অন্তর্দৃষ্টি প্রয়োগেৰে এনে এখন অলৌকিক জগতৰ সন্ধেদ লৈছে যিখন জগত আমি বাস কৰা জগতৰ পৰা বহুত বেলেগ আৰু যাৰ বিষয়ে আমি একো নজনাৰ নিচিনাই। মানৱীয় চর্ম চক্ষুৰ সিপাৰে অৱস্থিত সেই অলৌকিক জগতখন সৃষ্টিশীল, অতীব সংবেদনশীল মনৰ ব্যক্তিয়েহে উপলব্ধি কৰিব পাৰে। কবিতাটোৰ শেষৰ স্তবকত ভস্মাধাৰটোত মূর্ত হৈ উঠা জীৱনৰ খণ্ড চিত্রবোৰৰ অভিজ্ঞতা বর্ণনৰ দ্বাৰা তাৰ বাস্তবিকতা ব্যাখ্যা কৰা হৈছে। তাৰ লগতে এই অন্তিম স্তবকতে কবিৰ মনত তোলপাৰ লগোৱা প্রশ্নবোৰৰ সমিধান দিয়া হৈছে।

কবি জন কীট্চে ৰচনা কৰা বিখ্যাত প্রশস্তি কবিতাকেইটাৰ ভিতৰত তেওঁৰ *অ'ড অন এ গ্রেচিয়ান আর্ণ* দুটা বিশেষ কাৰণৰ বাবে বহুত পঠিত আৰু বহু চর্চিত। ইয়াৰ প্রথম কাৰণটো হ'ল কীট্চৰ গ্রীক সভ্যতা-সংস্কৃতিৰ প্রতি থকা তীব্র আকর্ষণ। তেওঁ

লেম্পিয়াৰৰ Classical Dictionary, চেপমেনৰ হোমাৰ আৰু ফিডিয়াচৰ শিল্প কৃতিৰ মাধ্যমেদি গ্রীক সভ্যতা-সংস্কৃতিৰ লগত পৰিচিত হৈছিল। তেওঁৰ কাব্য জীৱনৰ শ্রেষ্ঠ কৃতিসমূহৰ মাজেদি তেওঁৰ সেই 'গ্রীক প্রেম' শিল্প সন্মত ৰূপত প্রতিভাত হয়। আলোচ্য কবিতাটো ইয়াৰ উৎকৃষ্ট নিদর্শন। দ্বিতীয়তে, তেওঁ ৰচনা কৰা বিখ্যাত প্রশস্তি কবিতাকেইটাৰ ভিতৰত এইটোৱেই হৈছে এনে এটা প্রশস্তি কবিতা যাক বিভিন্ন প্রকাৰে ব্যাখ্যা-বিশ্লেষণ কৰা হৈছে। তেওঁৰ কবিতাৰ আলোচনা-সমালোচনা কৰা ব্যক্তিসকলে বিভিন্ন সময়ত বেলেগ বেলেগ প্রকাৰে *অ'ড অন এ গ্রেচিয়ান আর্ণ*-ৰ অন্তনির্হিত তাৎপর্য, প্রতীক, চিত্রকল্প আদিৰ সুকীয়া সুকীয়া বিশ্লেষণ আগবঢ়াইছে। গুৰুত্বপূর্ণ কথাটো হ'ল আজিলৈকে কীট্চৰএই বিশেষ কবিতাটো বিশ্লেষণ কৰা সমালোচকে কবিতাটোত প্রয়োগ হোৱা ব্যঞ্জনা, প্রতীক, চিত্রকল্প আদিৰ প্রসংগত ঐক্যমতত উপনীত হ'ব পৰা নাই।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ *অ'ড অন এ গ্রেচিয়ান আর্ণ*কবিতাটোৰ মূল বিষয়বস্তু কি? (৭৫টা শব্দৰ ভিতৰত)

.....

৩.৪.৩ কবিতাটোৰ বিষয়বস্তু

শিল্প সৌন্দর্য প্রকাশৰ দিশৰ পৰা *অ'ড অন এ গ্রেচিয়ান আর্ণ* কবিতাটো জন কীট্চৰ এক সর্বশ্রেষ্ঠ প্রশস্তি কবিতা। সৌন্দর্যৰ পূজাৰী কীট্চে তেওঁৰ শিল্পী মানসৰ সমস্ত ৰূপ সুষমা ঢালি এই অমৰ প্রশস্তি কবিতাটো ৰচনা কৰিছে। ইতিমধ্যে কৈ অহা হৈছে যে ১৮১৯ চনটো কবি কীট্চৰ জীৱনৰ এটা উল্লেখযোগ্য বছৰ, কাৰণ এই সময়ছোৱাত তেওঁৰ ব্যক্তিগত জীৱনত ভালেমান উত্থান-পতনৰ ঘটনা সংঘটিত হৈছিল। সেই তীব্র মানসিক হেঁচাৰ মাজতে এইগৰাকী অতি সংবেদী মনৰ কবিয়ে তেওঁৰ কাব্য জীৱনৰ কেইটামান অমৰ সৃষ্টি কৰি থৈ যায়। *অ'ড অন এ গ্রেচিয়ান আর্ণ* সেই লেখৰ সৃষ্টি কেইটাৰ অন্তর্গত এক মহৎ সৃষ্টি।

গ্রীচ দেশৰ সভ্যতা সংস্কৃতিৰ লগত পৰিচিত কবি কীট্চৰ মনত সেই সভ্যতা আৰু সংস্কৃতিৰ প্রতি গভীৰ শ্রদ্ধা আৰু আনুগত্যবোধ আছিল। গ্রীচৰ সাংস্কৃতিক জীৱন চিন্তাই ল'ৰালিতে কীট্চক উদ্বুদ্ধ কৰিছিল। তেওঁৰ মনত ল'ৰালিকালতে ৰোপিত হোৱা সেই বীজ পৰৱর্তী সময়ক পত্র-পুষ্পে পল্লৱিত হৈ উঠিল। গ্রীচৰ অমৰ গাথাসমূহ আৰু পৌৰাণিক কথা তেওঁৰ কেইখনমান মহৎ কাব্য সৃষ্টিৰ মূল আধাৰ হ'ল। চেপমেনে অনুবাদ কৰা হোমাৰৰ বিখ্যাত কৃতি 'ইলিয়াড'খন পঢ়ি কীট্চ এনে দৰে প্রভাৱিত হৈছিলযে গোটেই নিশাটো তেওঁ ইলিয়াডৰ অধ্যয়নত কটাই পিছদিনা পুৱা Sonnet to Homer ৰচনা কৰিছিল—

''Standing aloof in giant ignorance,
Of thee I hear and of the Cyclades,
At one who sits ashore and longs perchance
To visit dolphin-coral in deep seas.''

সেই একেই উন্মাদনা, একেই উল্লাস আৰু মানসিক তৃপ্তিৰে তেওঁ এলজিন মার্বল নামৰ গ্রীক ধ্রুপদী ভাস্কর্য শিল্প কৃতিসমূহ প্রত্যক্ষ কৰি এথেন্সৰ ভূমিত উদ্ভূত সৃষ্টিৰ এই অপূর্ব প্রতিকৃতি পৰম আনন্দেৰে উপভোগ কৰিছিল। নিঃসন্দেহে তেওঁৰ *অ'ড অন এ গ্রেচিয়ান আর্ণ* গ্রীচ দেশৰ শিল্প ভাস্কর্যৰ প্রেমত বিগলিত হিয়াৰ পৰা নিগৰি অহা এধাৰ মাণিক খচিত কণ্ঠহাৰ স্বৰূপ। আকৌ তেওঁৰ দুই অমৰ কাব্যকৃতি *Endymi*on আৰু *Hyperion*-ও গ্রীক পৌৰাণিক গাথা আধাৰিত ৰচনা। ইয়াত তেওঁ প্রকৃতি, অলৌকিক জগত আৰু বাস্তৱ জীৱনৰ বর্ণাঢ্য দৃশ্যৰাজিক যি ৰূপত উপস্থাপন কৰিছে সেয়া প্রশংসনীয়।

কবি কীট্‌চে আজীৱন সৌন্দর্যৰ সাধনা কৰিছিল। সেই উপলব্ধিয়ে তেওঁৰ ৰচনাৰাজিক এটা বিশেষ গঢ় প্রদান কৰিছিল। সূক্ষ্মদর্শী কবিয়ে এইটো উপলব্ধি কৰিছিল যে জাগতিক নশ্বৰ বস্তুবোৰৰ মাজত নিহিত সৌন্দর্য ক্ষণস্থায়ী। সেই সৌন্দর্যই মানুহৰ মনত আনন্দ যোগাব পাৰে যদিও সেই আনন্দ সাময়িক আনন্দহে। কিন্তু শিল্প বস্তুক প্রত্যক্ষ কৰাৰ পাছত অনুভূত হোৱা আনন্দ চিৰস্থায়ী। অর্থাৎ সেই আনন্দৰ অনুভূতি শাৰীৰিক স্তৰৰ পৰা উত্তৰণ ঘটি দেহাতীত স্তৰলৈ গতি কৰে। সেই দেহাতীত স্তৰটো কেনেকুৱা আমি নাজানো। কাৰণ, আমাৰ সম্পর্ক জড়া-ৰোগ ব্যাধি সমস্যাৰে পৰিপূর্ণ এই বাস্তৱিক জগতখনৰ লগত। আমাৰ নশ্বৰ দেহ পঞ্চভূতত বিলীন হৈ যোৱাৰ পিছত সকলো শেষ হয় বুলি আমি শুনি আহিছো। সেইটোৱেই স্বাভাৱিক। কিন্তু এইবোৰ কথাৰ প্রতি কবিয়ে আওকণীয়া মনোভাৱ গ্রহণ কৰে। ইয়াৰ কাৰণ হৈছে তেওঁৰ কবি মানসে আমাৰ চর্ম চক্ষুৰ অগোচৰে থকা অলৌকিক, অপার্থিৱ জগতখন, তাৰ সৌন্দর্যখিনি প্রত্যক্ষ কৰিব পাৰে। হয়তো সেই জগতখনৰ প্রায়বিলাক আকৰৰ স্থিতি বাস্তৱিক অর্থাৎ তাৰ বাস্তৱ ভিত্তি আছে। কিন্তু সময়ত সেইবোৰত নিহিত সৌন্দর্যই পার্থিৱ জগতৰ সীমাৰেখা অতিক্রম কৰি তাৰ ৰূপ-সৌৰভ সাধাৰণ মানুহৰ কল্পনাই ঢুকি নোপোৱা প্রান্তলৈ প্রসাৰিত কৰি দিছে। তেতিয়া পার্থিব জগতৰ বস্তু একোটা কলা কৃতিলৈ পর্যবসিত হয় যাৰ গৌৰৱ-গৰিমা অনন্ত কাললৈ স্থায়ী হৈ ৰয়। সেই বাবে গ্রেচীয় ভস্মাধাৰটোত দৃষ্টিগোচৰ হোৱা ব্যৱহাৰিক জীৱনৰ দৃশ্য কেইটা কলা নিপুণ অনুভৱী কবিৰ কাপৰ জোৰত অবিনাশী কলা-কৃতি লৈ পর্যবসিত হৈছে, সেই সৌন্দর্য যিয়ে অনন্ত কাললৈ পঞ্চভূতেৰে নির্মিত শৰীৰধাৰী তাপিত আত্মাক স্বর্গীয় আনন্দৰ অনুভূতি প্রদান কৰিব পাৰে।

অ'ড অন এ গ্রেচিয়ান আর্ণ প্রশস্তি কবিতাটোত এটা উত্তৰণমুখী চিন্তা প্রকট। কবিতাটো মনোযোগ দি পাঠ কৰিলে ইয়াত প্রতিফলিত হোৱা ক্রমশঃ উত্তৰণৰ গতি

স্পষ্ট হৈ পৰে। কবিয়ে ইন্দ্রিয়গ্রাহ্য সংবেদনশীলতাৰ নিচাসক্ত স্তৰৰ পৰা ক্রমে অপার্থিব, দেহাতীত স্তৰলৈ গতি কৰিছে। এই বিশেষ স্তৰটোত শিল্পকৃতিৰ যথার্থ মূল্য নিৰূপিত হয়। পঞ্চভূতেৰে নির্মিত শৰীৰে যি সুৱধ্বনিৰ গুঞ্জন শুনিব নোৱাৰে, সেই অপার্থিৱ সুৰৰ ধ্বনিয়ে পার্থিব জগতৰ চৌদিশ মুখৰিত কৰি ৰাখে। সেই সুৰৰ মধুৰতা পান কৰিবলৈ অন্তর্দৃষ্টিৰ প্রয়োজন, প্রয়োজন অপার্থিব জগতখনৰ লগত শ্রোতাৰ মানসিক আৰু আত্মিক সংযোগ। সেই সংযোগেহে শ্রোতাক প্রকৃত কলা ৰূপৰ সৌন্দর্য উপভোগ কৰাত সহায় কৰিব।জাগতিক স্তৰৰ পৰা পাৰমার্থিক স্তৰলৈ চিন্তাৰ যি উত্তৰণ তাৰ এক উৎকৃষ্ট নিদর্শন হৈছে ৰোমাণ্টিক কবি জন কীট্চৰ অমৰ প্রশস্তি কবিতা *অ'ড অন এ গ্রেচিয়ান আর্ণ*।



চিন্তা-চর্চা কৰক — ২.১

কবি জন কীট্চে ৰচনা কৰা প্রশস্তি (Ode) কবিতাকেইটা চিনাক্ত কৰি তাৰ বিষয়ে চমুকৈ লিখক।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ *অ'ড অন এ গ্রেচিয়ান আর্ণ* কবিতাটোত কিদৰে কবিয়ে শিল্পবস্তুৰ জয়গান ঘোষণা কৰিছে? (৫০টা শব্দৰ ভিতৰত)

.....

৩.৪.৪ কবিতাটোৰ ৰচনাশৈলী

প্রাচীনকালত বাদ্যৰ সংগত কৰিবলৈকে প্রশস্তি কবিতাসমূহ ৰচনা কৰা হৈছিল। 'Ode' শব্দটো মূলতঃ গ্রীক শব্দ। ইয়াৰ অর্থ হৈছে 'to praise or glorify an event or individual describing nature intellectually as well as emotionally. অৱশ্যে প্রাচীন প্রশস্তি কবিতাৰ ৰচকসকলে প্রয়োগ কৰা শৈলী কীট্চকে আদি কৰি ৰোমাণ্টিক যুগৰ অন্যান্য কবিয়ে অনুসৰণ নকৰি তাৰ সংস্কাৰ সাধন কৰি প্রশস্তি কবিতাৰ ৰচনাশৈলীলৈ নতুনত্ব আনিছিল। ৰোমাণ্টিক যুগৰ প্রশস্তি কবিতাসমূহ ৩০ শাৰীৰ পৰা ৩০০ শাৰীৰ ভিতৰত শেষ হৈছিল। ৰোমণ্টিক যুগৰ প্রখ্যাত প্রশস্তি কবিতা ৰচকসকলৰ ভিতৰত ইংৰাজ কবি জন কীট্চ অন্যতম। তেওঁ ৰচনা কৰা প্রশস্তি কবিতা কেইটাৰ বৈশিষ্ট্যপূর্ণ দিশ এইয়ে যে সিবিলাকত সৌন্দর্য আৰু সংগীতৰ মধুৰ সংগম ঘটিছে।

ৰোমাণ্টিক যুগৰ অন্যান্য কবিৰ দৰে কীট্চেও কল্পনা শক্তিক যথেষ্ট গুৰুত্ব দিছিল। তেওঁৰ সৰহ সংখ্যক কবিতাত দৃশ্যমান জগত আৰু জাগতিক বস্তুৰ প্রতি থকা তেওঁৰ মোহ ফুটি উঠিছে। চর্ম চক্ষুৰ উপভোগ্য সেই ইন্দ্রিয়গ্রাহ্য অনুপম সৌন্দর্যৰ আকৰ আৰু তাৰ বিৱৰণত কবি কীট্চ সিদ্ধহস্ত। *অ'ড অন এ গ্রেচিয়ান আর্ণ* কবিতাটোত উদ্ধৃত

''Thou still unravish'd bride of quietness, Thou foster child of silence and slow timeৰ 'Unravish'd bride of quietness''-এ গ্রেচীয় ভস্মাধাৰটোৰ নীৰৱতাক অনিন্দ্যসুন্দৰী কইনা বুলি সম্বোধন কৰা কথাৰ পৰাই কবিকল্পনাই যি চৰম বিন্দু লাভ কৰিছে তাৰ উমান পোৱা যায়। তাক গতিময় ৰূপ প্ৰদান কৰি ত্বৰান্বিত কৰি তুলিছে প্ৰথম স্তবকৰ সেইকেইটা শাৰীয়ে য'ত জাগতিক দেহ সৰ্বস্ব প্ৰেমৰ তাড়নাত কেইটামান পুৰুষৰ প্ৰতিমূৰ্তিয়ে নাৰী প্ৰতিমূৰ্তি কিছুমানক অনুসৰণ কৰিছে আৰু নাৰী প্ৰতিমূৰ্তিয়ে নিজকে অনুসৰণকাৰী পুৰুষৰ পৰা ৰক্ষা কৰিবলৈ পলায়ন কৰিছে। পুৰুষ আৰু প্ৰকৃতিৰ এই শেষ হেঁয়ো শেষ নোহোৱা মিলন স্পৃহা চিৰ শাশ্বত, ইয়াৰ কোনো শেষ নাই। এই সত্যটোকে যেন ভস্মাধাৰটোত চিত্ৰিত হোৱা নৰ-নাৰীৰ ৰতিমূৰ্তিকেইটাই দৰ্শাইছে।

দৃষ্টিৰ লগত শ্ৰৱণ শক্তিৰ সংমিশ্ৰণ ঘটিলে সৌন্দৰ্যানুভূতিয়ে কৰ্ণেন্দ্ৰিয়ৰ মাধ্যমেদি হিয়াৰ মৰ্মস্থলত প্ৰৱেশ কৰে। এইদৰে হৃদয় সংবেদী ভাৱনাত উপজা কল্পচিত্ৰই সংবেদী পাঠকৰ মনত সংগীতৰ লহৰ তোলে। বাহ্যিক উৎসৰ পৰা অহা সংগীত মধুৰ ধ্বনি শুনি সকলো মোহিত হয়। সেইটো স্বাভাৱিক। পিছে কবি কল্পনা বাস্তৱ জগতৰ পৰিসীমাতে আবদ্ধ নহয়। কবি এক নিৰন্তৰ অন্বেষণকাৰী। তেওঁৰ অন্বেষণৰ অন্ত নাই। সেয়েহে কীট্‌চৰ অন্বেষণকাৰী মনে বাহ্যিক জগতৰ সিপাৰৰ ৰূপ কাননত নিনাদিত হোৱা সংগীতৰ ধ্বনি শুনিবলৈ পাইছিল। তেওঁ প্ৰত্যক্ষ কৰা ভস্মাধাৰটোত চিত্ৰিত হোৱা বাঁহী বাদনৰ চিত্ৰটোৱে তেওঁৰ খেয়ালী মনলৈ অনা অনুভূতিক সতেজ কৰি তাক কাব্য ৰূপ প্ৰদান কৰিছে—

''Heard melodies are sweet, but those unheard
Are sweeter; therefore, ye soft pipes, play on :''

অ'ড অন এ গ্রেচিয়ান আর্ণ বিৰোধাভাস আৰু বৈপৰীত্যক ভিত্তি কৰি সৃষ্টি হোৱা কাব্যকৃতি। এই বিৰোধাভাস আৰু বৈপৰীত্য কবিতাটোৰ এইকেইটা দিশত পৰিলক্ষিত হয়, যেনে—ভস্মাধাৰটোত গোট মৰা প্ৰতিকৃতিসমূহ আৰু গতিশীল জীৱন চিত্ৰই সৃষ্টি কৰা অসামঞ্জস্য, মৰণশীল আৰু পৰিৱৰ্তনশীলৰ বিপৰীতে অমৰ আৰু স্থায়ী, অংশগ্ৰহণৰ বিপৰীতে পৰ্যবেক্ষণ আৰু জীৱনৰ বিপৰীতে কলা। কবিতাটোৰ প্ৰত্যেকটো স্তবকত এই বৈপৰীত্য পৰিস্ফুট হয়। আটাইতকৈ গুৰুত্বপূৰ্ণ কথাটো হ'ল এই বৈপৰীত্যৰ মাজেদি কবিয়ে জাগতিক বস্তুৰ ক্ষণস্থায়ীত্ব আৰু শিল্পকৰ্মৰ স্থায়ীত্বৰ কথা ঘোষণা কৰিছে।

৩.৪.৫ কঠিন শব্দৰ টোকা

1. Unravish'd– সময়ৰ কঠোৰ আঘাতেও যাৰ মনোহাৰিত্ব ম্লান কৰিব নোৱাৰে।
2. Bride of quietness– 'এটা নিৰ্বাক পৰিস্থিতিৰ লগত বিবাহপাশত আবদ্ধ হোৱা।

3. Silence and slow time– ইয়াৰ অর্থ হৈছে সুদীর্ঘ নীৰৱতা।
4. Sylvon-Silvanus– গ্রামীণ, লেটিন Silvanusৰ অর্থ বনভূমি।
5. Historian– ইয়াত Sylvan-ৰ লগত জড়িত Historian শব্দই ভস্মাধাৰটোক বুজায় য'ত অতীতৰ গ্রাম্য জীৱনত সংঘটিত হোৱা দৃশ্যৰাজিৰ অন্তর্ভুক্তি হয়।
6. Flowery tale– ভস্মাধাৰত থকা প্রতিকৃতিবোৰৰ কাযবোৰ পুষ্পসজ্জাৰে আগুৰা।
7. Leaf fring'd legend– ভস্মাধাৰত থকা প্রতিকৃতিবোৰক আগুৰি থকা পত্র সজ্জা।
8. Haunt– কবিতাটোত এই শব্দটোৱে পৌৰাণিক গাথা বা কিংবদন্তীটোত থকা নায়ক চৰিত্রটোক নির্দেশ কৰিছে। শব্দটোৰ আক্ষৰিক অর্থটো হৈছে— জয়াল, ভূতে বাহ লোৱা। কবিতাটোৰ প্রসংগত আমি ইয়াকে ক'ব পাৰো যে ভস্মাধাৰটোত থকা সেই বিশেষ প্রতিকৃতিটোৱে প্রত্যক্ষদর্শীসকলৰ মনত নায়ক চৰিত্রটোৰ অশৰীৰী উপস্থিতিৰ কথা বাৰে বাৰে সোঁৱৰাই থাকে।
9. Shape– এই শব্দটোৱে ভস্মাধাৰটোৰ মনোমোহক আকাৰটোৰ প্রতি আমাৰ দৃষ্টি নিবদ্ধ কৰাইছে।
10. Of details... both– এই প্রশ্নটো কৰা হৈছে যাৰ উত্তৰ কল্পনাৰ ওপৰত এৰি দিয়া হৈছে।
11. Temple– থেচালি (Thessaly) নামৰ ঠাইত অৱস্থিত এটা উপত্যকা য'ত লোক বা গ্রাম্য জীৱনভিত্তিক কবিতা ৰচিত হৈছিল। ভার্জিলৰ Georgies-ত ইয়াৰ উল্লেখ আছে। সম্ভৱতঃ কীট্‌চে ভার্জিলৰ এই বিশেষ ৰচনা পঢ়িছিল।
12. Arcady– ধ্রুপদী সাহিত্যত উল্লেখ থকা এখন গ্রাম্যাঞ্চলৰ কথা।
13. Maidens loth– যুৱতীকেইগৰাকীয়ে তেওঁলোকক তেওঁলোকৰ প্রেমিক কেইজনে অনুসৰণ কৰাতো ভাল পোৱা নাই। তেওঁলোকৰ সেই অনিচ্ছা দেখি প্রেমিককেইগৰাকীয়ে তেওঁলোকক অনুকৰণ কৰিবলৈ আৰু অধিক উৎসাহিতহে হৈছে।
14. Pipes and timbrels– ইয়াত বলি উৎসর্গাৰ বাবে আগবঢ়া সমদলটোৱে বজাই যোৱা বাঁহী আৰু ঢোলৰ নিচিনা বাদ্যৰ কথা কোৱা হৈছে। ইয়াৰ প্রয়োগ প্রশস্তি কবিতাটোৰ চতুর্থ স্তবকত আছে।
15. Happy boughs– ইয়াত চিৰসেউজ অর্থত ব্যৱহৃত হৈছে।
16. Spring– ভস্মাধাৰটোত থকা গছবোৰত চিৰ বসন্ত বিদ্যমান।
17. Unwearied– কেতিয়াও পৰিশ্রান্ত নোহোৱা।
18. Still to be enjoy'd– প্রাপ্তিৰ আনন্দতকৈ ইস্পিত লক্ষ্যৰ ফালে ধাবমান হওঁতে যি আমেজ আৰু আনন্দ অনুভূত হয়, তাৰ পৰা লাভ কৰা ৰমণীয় অনুভৱ (ইয়াত) প্রেমিকে প্রেয়সীৰ দৈহিক সান্নিধ্য লাভ কৰি অনুভৱ কৰা শাৰীৰিক তৃপ্তিৰ মাদকতাতকৈ অধিক বেছি।

19. Mysterious– ৰহস্যময়ী।
20. Pious morn– এইটো এটা পাগান খণ্ডবাক্য যাৰ অর্থ ধর্মীয় উৎসৱ।
21. Trodden weed– মানুহৰ ভৰিৰ গচকত মৰহি যোৱা বন।
22. Cold Pastoral– মার্বলত খোদিত হোৱা এটা বনগীত।
23. Other woe– ইয়াত কবিয়ে ব্যক্তিগত দুখানুভূতিক বিশ্বজনীন দুখানুভূতিলৈ পৰিৱর্তন কৰিছে। তেওঁৰ দৃষ্টিত পৰৱর্তী প্রজন্মসমূহৰ দুখ-দুর্দশাবোৰৰ নীৰৱ দর্শক হৈ ৰ'ব সেই ভস্মাধাৰটো।



চিন্তা-চর্চা কৰক—২.২

কীট্চৰ উল্লেখযোগ্য কাব্য কৃতিসমূহৰ আলোচনাৰ মাজেদি তেওঁৰ মধ্যযুগীয় প্রীতি আৰু হেলেনীয় (গ্রীক) সভ্যতা-সংস্কৃতিৰ প্রতি থকা দুর্বলতা ব্যক্ত কৰক।

৩.৫ কবি হিচাপে জন কীট্চৰ মূল্যায়ন

ইংৰাজী ৰোমাণ্টিক সাহিত্যত সৌন্দর্যৰ আজীৱন সাধক আৰু উপাসক জন কীট্চে এটা অকাব্যিক পৰিৱেশত থাকি ডাঙৰ-দীঘল হৈছিল। পিছে এই ক্ষণ জন্মা কবিগৰাকীয়ে অন্তৰাত্মাৰ আহ্বানতেই যেন মহৎ অন্বেষণ কৰি পার্থিব পৰিধি চেৰাই গৈ অপার্থিব, অলৌকিক পৰিমণ্ডলত পৰিভ্রমণ কৰি ৰোগ শোকেৰে তাপিত সাংসাৰিক মানুহৰ জীৱনলৈ কাব্য দেৱীৰ সাধনাই যে তাপিত মানৱ আত্মাক সৌন্দর্যৰ বিমল আভাৰে বিধৌত কৰি পৰম তৃপ্তি আৰু আহ্লাদ প্রদান কৰিব পাৰে সেই সত্য আৱিষ্কাৰ কৰিছিল। তেওঁৰ সেই অন্বেষণৰ পৰা এইটো বুজা যায় যে পার্থিব, পঞ্চভূতেৰে নির্মিত সৌন্দর্যৰ আকৰৰ তুলনাত অপার্থিব, অন্তৰাত্মাই অনুভূত কৰা সৌন্দর্যবোধ আৰু তাৰ স্থিতিহে চিৰস্থায়ী, যুগমীয়া। অপ্রিয় সত্য এইটোৱেই যে এই গৰাকী মহান কবিৰ গুণ-গৰিমা তেওঁৰ জীৱিত কালত উচিত ভাবে মূল্যায়ন কৰা নহ'ল। সমালোচনাৰ শক্তিশেলে তেওঁক থকা সৰকা কৰিছিল। নিৰুৎসাহজনক পৰিৱেশ পৰিস্থিতিয়ে তেওঁৰ কবি সত্তাক হাজাৰ চেষ্টা কৰিও অৱৰুদ্ধ কৰিব নোৱাৰিলে। তেওঁৰ অদম্য মানসিক বলৰ বাবে এইয়া সম্ভৱ হৈছিল। জন কীট্চৰ কর্মৰাজিক মূল্যায়ন কৰা সমালোচকসকলে বিভিন্ন দৃষ্টিকোণৰ যোগেদি তেওঁৰ কাব্য প্রতিভাৰ মূল্যায়ন কৰিছে—

- ইংৰাজী কাব্য পৰম্পৰাত জন কীট্চ সেইগৰাকী কবি আছিল যিয়ে স্ব-সৃষ্টি (self creation) কৰিবলৈ সাহস কৰিছিল। তেওঁ নিজৰ ভুলবোৰৰ পৰা শিকিছিল আৰু গুণীজনৰ পৰা নজনা কথাটো জানি বুজি ল'বলৈ কণমাত্রও কুণ্ঠাবোধ কৰা নাছিল। তেওঁ নিজৰ প্রত্যেকটো সৃষ্টিক মহৎ শিল্পকর্ম বুলি ভাবি আগবাঢ়িছিল। সেই একাগ্রতাই তেওঁৰ বাবে সফলতাৰ চাবিকাঠি আছিল। তেওঁৰ বিখ্যাত আধৰুৱা কাব্যকর্ম *Hyperion*ৰ

মাজেদি তেওঁৰ সৃষ্টিশীল মনৰ দূৰ দিগন্তৰ উমান পোৱা যায়। মন কৰিবলগীয়া যে এক মহাকাব্যিক বিষয়বস্তুক আধাৰ হিচাপে লৈ কীট্চে এই মহান কাব্য ৰচনাৰ কাম আৰম্ভ কৰিছিল। ইয়াত পুৰণি চাম জ্যেষ্ঠ দেৱ-দেৱীৰ মাজত সংঘটিত সংঘাতৰ বর্ণনা আছে। এপ'ল' সেই দেৱতাসমূহৰ ভিতৰত অন্যতম আছিল। তেওঁৰ সেই কাব্যত শৈলী আৰু ৰচনাৰীতিৰ ফালৰ পৰা মিলটনৰ *Paradise Lost*-ৰ প্ৰভাৱ পৰিছিল। অৱশ্যে তেওঁৰ কাব্যখনৰ বিস্তাৰৰ লগে লগে মিলটনীয় ৰচনাৰ তেজোদীপ্ততা আৰু আবেগ প্ৰৱণতাৰ ঠাইত বিশ্বাসযোগ্যতা আৰু মনোগ্ৰাহী ৰূপ পৰিলক্ষিত হয়। প্ৰণিধানযোগ্য যে কাব্যখন আগবঢ়াৰ লগে লগে কীট্চে অপূৰ্ব দক্ষতাৰে কাব্যশৈলী আৰু ৰচনা ৰীতিক নিজৰ আয়ত্বাধীন কৰিছিল। কীট্চে *Hyperion* ৰচনা কৰিবলৈ আৰম্ভ কৰোতে নিজৰ বিষয়ে এটা গম্ভীৰ ভৱিষ্যৎবাণী কৰিছিল— "I think I shall be among the English poets after my death."

কীট্চে তেনেকৈ কোৱা ৬০ বছৰৰ পাছত প্ৰখ্যাত সমালোচক মেথিউ আর্ণল্ডে তেওঁৰ সেই ভৱিষ্যৎবাণীৰ যথার্থতা প্ৰতিপন্ন কৰিছিল।

- তেওঁ ৰচনা ৰূবি থৈ যোৱা প্ৰশস্তি কবিতাকেইটাত বৌদ্ধিক অন্তর্দৃষ্টি আৰু সংবেদনশীলতাৰ অপূৰ্ব সমাহাৰ ঘটিছে। হৃদয় সংবেদী ভাবৰাশিৰ পৰা উদ্ভৱ হোৱা তেওঁৰ বিখ্যাত Ode কেইটাই যি অন্তৰস্পৰ্শী অনুভূতি প্ৰদান কৰিব পাৰিছিল, সিয়ে ৰসগ্ৰাহী পাঠকক গভীৰভাৱে প্ৰভাৱিত কৰিছিল। অৱশ্যে তাৰ কাৰণো নথকা নহয়। অনুভূতিৰ তপত উমেৰে সিক্ত সেই ভাবৰাশি এনে এগৰাকী অভিজ্ঞতাপুষ্ট ব্যক্তিৰ কাপৰ পৰা নিগৰি ওলাইছিলে, যাৰ অভিজ্ঞতাক মূল্যায়ন কৰাৰ ক্ষমতা অন্য দহজন লোকতকৈ অধিক। নিঃসন্দেহে কীট্চৰ কবিতাৰ প্ৰত্যেকটো শাৰী ইমানেই ঐশ্বৰ্যময় আছিল যে তাত অলপো উকা শব্দৰ বাবে স্থান নাছিল। প্ৰত্যেকটো মাণিক খচিত শব্দত নিহিত থকা অর্থই তেওঁৰ কাব্যকৃতিক অপৰূপ মাধুর্য প্ৰদান কৰিছিল। কীট্চৰ আলোচক Fred Inglis-ৰ এই কথা স্বীকাৰ নকৰি নোৱাৰি।
- কীট্চৰ কবিতাত আমি জীৱনৰ একো একোটা মুহূর্তৰ প্ৰত্যক্ষ বিৱৰণ পাওঁ। সেই জীৱন চৰাচৰ প্ৰকৃতি জগতক কেন্দ্ৰ কৰি ঘূৰি আছে। বর্তমানৰ মুহূর্তটোত বিচাৰি পোৱা আনন্দ, তাৰ সৌন্দর্যক গ্ৰহণ কৰা মানসিক উল্লাস আৰু সেই ভাৱনাত বিচৰি পোৱা স্বর্গীয় অনুভূতি— এই সকলোবোৰে সম্মিলিতভাৱে বাস্তৱিক জীৱনৰ দুখ-কষ্ট পাহৰাই ৰাখে। আলোচক ষ্টপফ'র্ড এ ব্ৰুকৰ কথাৰ আঁত ধৰি কীট্চৰ এই অননুকৰণীয় প্ৰতিভা তেওঁৰ বিখ্যাত প্ৰশস্তি কবিতা Ode to a Nightingale-ৰ মাজেদি প্ৰকাশ পোৱা দেখা যায়—

> "The weariness, the fever, and the fret
> Here, where men sit and hear each other groan;
> Where palsy shakes a few, and, lost grey hairs,
> Where youth grows pale, and spectre-thin and dies;"

- কীট্চৰ কাব্য প্ৰতিভা বিকাশৰ কেইবাটাও গুৰুত্বপূৰ্ণ স্তৰ পৰিলক্ষিত হয়। এইগৰাকী অমিত প্ৰতিভাশালী কবিয়ে কাব্য দেৱীৰ কৃপাধন্য হৈ সৃষ্টিৰ বীজ সিঁচি দিবলৈ এনে এখন ক্ষেত্ৰ বাচি লৈছিল যিখন তেওঁৰ মানসসৃষ্ট ক্ষেত্ৰ। তেওঁ বাস কৰা বাস্তৱিক জগত আৰু মুখামুখি হোৱা বাস্তৱ পৰিস্থিতিৰ পৰা এইখন জগত বহুত নিলগত। মন কৰিবলগীয়া যে সেই সময়ছোৱাৰ অন্যান্য ৰোমাণ্টিক কবিৰ ৰচনাত পৰোক্ষভাৱে তেওঁলোকে বাস কৰা সমাজখন আৰু সমাজ জীৱনত সংঘটিত হোৱা পৰিৱৰ্তনসমূহৰ প্ৰভাৱ পৰিছিল। কিন্তু কীট্চে তেওঁৰ ৰচনাৰ পৰা সেইখন সমাজ বা তাৰ পৰিৱেশ-পৰিস্থিতিসমূহক নিলগাই ৰাখিছিল। তেওঁ এক নিজস্ব কাব্যানুকূল পৰিৱেশ সৃষ্টি কৰি লৈছিল। তেওঁৰ কাব্য সৃষ্টিৰ আঁৰত ক্ৰিয়াশীল এই বিশিষ্ট দিশটোৰ কথা ক'টহপ নামৰ আলোচক গৰাকীয়ে এইদৰে আলোচনা কৰিছে—

  চিৰাচৰিত প্ৰকৃতি বন্দনাৰ যি আধ্যাত্মিক ৰূপ আৰু ৱৰ্ডছ্ৱৰ্থে নিজৰ কাব্যত অনুসৰণ কৰা পৌৰাণিক গ্ৰীক বহু ঈশ্বৰবাদৰ পৰা কীট্চ ফালৰি কাটি আহিছিল। তেওঁ প্ৰকৃতিক সত্য আৰু সুন্দৰ ৰূপত বন্দনা কৰিছিল, যি ইন্দ্ৰিয়গ্ৰাহ্য ৰূপৰ মাজেদিয়েই তেওঁ প্ৰকৃতিৰ সুন্দৰ ৰূপৰ লগত আত্মিক স্তৰত সন্মিলিত হ'ব পাৰিছিল। দ্বিতীয়তে, কীট্চে নৱজাগৰণৰ ধ্ৰুপদী ধাৰাটোৱে বহন কৰা সাহিত্যকলাক ৰোমাণ্টিক স্তৰৰ শিল্পী কলাৰ লগত সংযোজিত কৰি অপূৰ্ব শিল্পকৰ্ম সৃষ্টি কৰিছিল। তৃতীয়তে, অভিজ্ঞতাই কীট্চক পৰিশোধন আৰু পৰিশীলনৰ মাধ্যমেদি কাব্য প্ৰসিদ্ধিৰ এনে এটা স্তৰলৈ উন্নীত কৰাইছিলে য'ত তেওঁৰ সৃষ্টিশীল পাৰদৰ্শিতাৰ পূৰ্ণ স্ফূৰণ ঘটিছিল।

  এইদৰে সুন্দৰৰ আজীৱন পূজাৰী জন কীট্চৰ ৰচনাত প্ৰকৃতিৰ ৰূপ সুষমাই ইন্দ্ৰিয়গ্ৰাহ্য অনুভূতিৰ স্তৰৰ পৰা পাৰমাৰ্থিক স্তৰলৈ গতি কৰিছে আৰু ৰসগ্ৰাহী পাঠকে চৰ্মচক্ষুৰ সিপাৰত অৱস্থিত অমৰ শিল্প ৰূপৰ অনুভূতি লাভ কৰিবলৈ সমৰ্থ হৈছে। শব্দৰ লালিত্য আৰু ভাবৰ গীতিময় মধুৰ প্ৰকাশে কীট্চৰ কবিতাসমূহক এক বিশেষ গুণমান প্ৰদান কৰিছে। তাৰ লগতে তেওঁৰ অতুল্য কল্পনা শক্তিয়ে তেওঁৰ হেলেনীয় (Hellenism) প্ৰীতিৰ যি পৰাকাষ্ঠা স্পৰ্শ কৰিছে, সেয়া হয়তো হেলেনীয় সভ্যতা-সংস্কৃতিৰ লগত ওতঃপ্ৰোতভাৱে তেজৰ সম্পৰ্ক থকা কবি শিল্পকাৰৰ বাবেহে সম্ভৱ। অথচ জন কীট্চ এগৰাকী ইংৰাজ হৈয়ো যিভাৱে প্ৰাচীন গ্ৰীক পৰম্পৰাক আয়ত্ব কৰি লৈছিল সেয়া প্ৰসংসনীয়।

  কাব্য কোলাত পাৰ কৰা বেছিভাগ সময়ত কীট্চে প্ৰকৃতিৰ ঐশ্বৰ্যময় ৰূপ-ৰস পান কৰাতে মন নিবিষ্ট কৰি ৰাখিছিল। এই কাৰ্যই তেওঁৰ কল্পনাৰ পৰিধি ব্যাপক কৰি তাৰ পূৰ্ণ স্ফূৰণত সহায় কৰিছিল। পিছে বাস্তৱ সমাজ আৰু সমস্যাৰ পৰা তেওঁ ক্ৰমশঃ আতৰি গৈছিল। বাস্তৱৰ পৰা লোৱা তেওঁৰ এই 'স্ব-নিৰ্বাসনে' তেওঁৰ বহুধা বিভক্ত কলা-প্ৰতিভা বিকাশৰ কিছু প্ৰতিবন্ধকতাৰ সৃষ্টি নকৰাকৈ থকা নাছিল। তেওঁৰ এই পলায়নবাদী মনোভাবৰ বাবে তেওঁ বাস্তৱ জগত আৰু কাল্পনিক জগতৰ মাজত সমন্বয়

সাধনত ব্যর্থ হৈছিল। অহৰহ তেওঁৰ মন মধ্যযুগীয় কথা-কাহিনী আৰু হেলেনীয় পৰম্পৰাৰ ফালে ঢাল খাই আছিল। সেইবাবে ৰৰ্ডছ্ৱৰ্থৰ কবিতাত ফুটি উঠা সৰল চহা জীৱন বা বাস্তৱ সমস্যাৰ প্ৰতি মানুহৰ যি অনুকম্পা আৰু সূক্ষ্ম মানৱীয় অনুভূতি কীট্চৰ কবিতাত সেয়া বিৰল। অৱশ্যে ইন্দ্ৰিয়গ্ৰাহ্য অনুভৱ উপলব্ধিৰ মাজেৰে লাভ কৰা সৌন্দৰ্যানুভূতি আৰু শিল্প ৰূপৰ অমৰত্ব কীট্চৰ কবিতাত যি কলাত্মক ৰূপত উদ্ভাসিত হৈছে, আন কোনো কবিৰ কবিতাত সেই ৰূপে উপস্থাপিত হোৱা নাই। এই ক্ষেত্ৰত কবি জন কীট্চ এক আৰু অদ্বিতীয়।



৩.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এই অধ্যায়টিৰ অধ্যয়নে আপোনাক ইংৰাজী ৰোমাণ্টিক সাহিত্যৰ অন্যতম শ্ৰেষ্ঠ সৌন্দৰ্যৰ উপাসক কবি জন কীট্চৰ জীৱনৰ বিচিত্ৰ অভিজ্ঞতাৰ লগত পৰিচিত কৰালে।
- কীট্চৰ কাব্য জীৱনৰ পাতনি আৰু বিভিন্ন সময়ত সমালোচনা ৰূপী বাধাই কিদৰে তেওঁৰ সংবেদী প্ৰাণত আঘাত সানিছিল তাৰ লেখ পালে।
- কীট্চৰ কাব্য কৃতিৰ মাজত নিহিত তেওঁৰ মধ্যযুগীয় প্ৰীতি আৰু হেলেনীয় (গ্ৰীক) সভ্যতা-সংস্কৃতিৰ প্ৰতি থকা দুৰ্বলতা কিদৰে তেওঁৰ কেইবাটাও লেখত ল'বলগীয়া কাব্য কৃ তিৰ মূল প্ৰেৰণা ৰূপে ভাস্বৰ হৈ ৰ'ল তাৰ আভাস পালে।
- কীট্চে নিজৰ কাব্য ৰচনাৰ মাজেদি নিজৰ জীৱন দৰ্শন প্ৰকাশ কৰিছে। সুন্দৰৰ আজীৱন উপাসক কীট্চৰ বাবে সুন্দৰেই সত্য। সুন্দৰক নিজৰ হৃদয়ত চিৰস্থায়ীভাৱে স্থাপন কৰিবলৈ হ'লে প্ৰয়োজন এক সংবেদী, স্পৰ্শকাতৰ মন আৰু দৃষ্টি থাকিব লাগিব জাগতিক বা পাৰ্থিক জগতখনৰ সিপাৰত। তেতিয়াহে প্ৰকৃত সুন্দৰ বা সৌন্দৰ্যৰ অনুভূতি হ'ব।
- প্ৰশস্তি কবিতাৰ ৰচক ৰূপে জন কীট্চ ইংৰাজী সাহিত্যৰ অদ্বিতীয়। অধ্যায়টোত প্ৰশস্তি কবিতাৰ লক্ষণসমূহ *অ'ড অন এ গ্ৰেচিয়ান আৰ্ণ*ৰ আলোচনাৰ মাজেদি প্ৰকাশ কৰা হৈছে।
- *অ'ড অন এ গ্ৰেচিয়ান আৰ্ণ* ইংৰাজী ৰোমাণ্টিক সাহিত্যৰ এটা বিখ্যাত প্ৰশস্তি কবিতা বা Ode শিল্প কলাৰ সৌন্দৰ্যৰ গৰিমা ঘোষণা কৰাৰ ক্ষেত্ৰত কীট্চে এই কবিতাটোৰ মাজেদি বিশ্ব জনতাক এক মহৎ উপলব্ধিৰ লগত চিনাকি কৰাইছে। সেয়া হৈছে যে যুগ যুগ ধৰি কলাৰ সৌন্দৰ্য অম্লান হৈ ৰয়। তাক জাগতিক ক্ষয় কাৰ্যই ধ্বংস কৰিব নোৱাৰে।
- তদুপৰি বিভিন্ন সমালোচকৰ দৃষ্টিভংগীৰ আধাৰত কবি জন কীট্চৰ কাব্যৰ সমালোচনাৰ লগতো পৰিচিত হোৱাৰ সুযোগ লাভ কৰিলে।



৩.৭ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

১) বৰা, মহেন্দ্র (১৯৯৫); *ৰমন্যাসবাদ;* ডিব্রুগড় ঃ বনলতা।

ইংৰাজী গ্রন্থ ঃ

২) Abrams, M. H. and Harpham, G. G. (Ed.) (2007); *A Glossary of Literary Terms;* Thomson Wadsworth.

৩) Bowra, M. (2008); *The Romantic Imagination;* New York : Oxford University Press.

৪) Chandler, J. and Maureen N. M. (Ed.) (2008); *British Romantic Poetry;* New York : Cambridge University Press.

৫) Cox Jeffrey, N. (Ed.) (2009); *Keats' Poetry and Prose;* New York : Norton and Company.

৬) Kumar, S. K. (Ed.) (2007); *British Romantic Poets;* New Delhi : Attantic Publishers & Distributors (P) Ltd.

৭) Sampson, G. (2006); *The Concise Cambridge History of English Literature;* New York : Cambridge University Press.



৩.৮ অগ্রগতিৰ খতিয়ান (কৰল ৰূপৰেখা)

১ নং প্রশ্নৰ উত্তৰ ঃ জন কীট্চৰ জন্ম... ...তেওঁ পিত-মাতৃৰ পৰিচয়... ...তেওঁৰ ল'ৰালি কাল ... ...শিক্ষা জীৱন... ...কর্মজীৱন... ...সাহিত্য কৃতি... ...জীৱনৰ শেষ কাল... ...মৃত্যু।

২ নং প্রশ্নৰ উত্তৰ ঃ কবি জন কীট্চৰ চমু পৰিচয়... ...তেওঁৰ কবিতাৰ সাধাৰণ বৈশিষ্ট্যসমূহ হৈছে ক্রমে— সৌন্দর্যৰ উপাসনা কীট্চৰ কাব্য ৰচনাৰ অন্যতম বৈশিষ্ট্য, প্রখৰ ইন্দ্রিয়জ সংবেদনৰ মর্মস্পর্শিতা তেওঁৰ কবিতাৰ অন্য এটা বৈশিষ্ট্য, গ্রীক সভ্যতা-সংস্কৃতিৰ প্রতি থকা কীট্চৰ দুর্বলতা অর্থাৎ কীট্চৰ গ্রীক প্রীতি, প্রশস্তি কবিতাৰ লেখৰ স্রষ্টা ৰূপে কীট্চৰ সবল স্থিতি, ৰোমাণ্টিক কবিতাৰ আটাইকেউটাৰ গুণৰ সমাহাৰ ঘটিছে কীট্চৰ কবিতাত।

৩ নং প্রশ্নৰ উত্তৰ ঃ *অ'ড অন এ গ্রেচিয়ান আর্ণ* কবিতাটোৰ মূল পাঠৰ চমু লেখ... ...কবিৰ শিল্প প্রেম আৰু কবিতাৰ বিষয়বস্তু ফুটি উঠা কবিৰ সেই শিল্প প্রীতি (কবিতাটোৰ বিভিন্ন

স্তৰকত ফুটি উঠা শিল্পৰ লগত জড়িত শাৰীৰ আধাৰত আলোচনা ভাগ আগবঢ়াব লাগিব)।

৩নং প্রশ্নৰ উত্তৰ ঃ *অ'ড অন এ গ্রেচিয়ান আর্ণ* কবিতাটোৰ মূল পাঠৰ চমু লেখ... ...পাঠৰ আধাৰত কবিতাটোৰ বিষয়বস্তুৰ চমু লেখ... ...মূল কবিতাটোৰ প্রথম আৰু পঞ্চম স্তৰকৰ কেইটামান বিশেষ শাৰীৰ আধাৰত কবিয়ে কিদৰে শিল্পবস্তুৰ জয়গান ঘোষণা কৰিছে তাৰ আলোচনা।



৩.৯ আৰ্হি প্রশ্ন

প্রশ্ন নং ১ ঃ কবি জন কীট্চৰ জীৱন আৰু সাহিত্য কৃতিৰ বিষয়ে এটি আলোচনা প্রস্তুত কৰক।

প্রশ্ন নং ২ ঃ জন কীট্চৰ ৰচনাৰাজিৰ মূল্যায়ন আগবঢ়াওক।

প্রশ্ন নং ৩ ঃ প্রশস্তি কবিতা বা Ode-ৰ ৰচক হিচাপে ইংৰাজী ৰোমাণ্টিক সাহিত্যত কীট্চৰ স্থান নির্ণয় কৰক।

প্রশ্ন নং ৪ ঃ প্রকৃতিৰ বিভিন্ন উপাদানত কীট্চে প্রত্যক্ষ কৰা সৌন্দর্যৰ প্রকৃতি কেনেকুৱা?

প্রশ্ন নং ৫ ঃ ইন্দ্রিয়গ্রাহ্য সংবেদনশীলতা কীট্চৰ প্রায় ভাগ কবিতাৰ আত্মা স্বৰূপ—কেনেকৈ?

প্রশ্ন নং ৬ ঃ কীট্চৰ কাব্যকৃতিত মধ্যযুগীয় প্রীতি আৰু হেলেনীয় সভ্যতা সংস্কৃতিৰ মোহ দুটা অন্যতম দিশ— তেওঁৰ উল্লেখযোগ্য কাব্যকৃতিৰ আধাৰত এই লক্ষণ দুটাৰ বিষয়ে আলোচনা কৰক।

প্রশ্ন নং ৭ ঃ *অ'ড অন এ গ্রেচিয়ান আর্ণ* কবিতাটোৰ বিষয়বস্তুৰ আধাৰত জন কীট্চৰ জীৱন দর্শন ব্যাখ্যা কৰক।

প্রশ্ন নং ৮ ঃ জন কীট্চৰ বাস্তৱ জীৱনৰ প্রভাৱ তেওঁৰ কাব্য জীৱনত পৰিছেনে?

প্রশ্ন নং ৯ ঃ পাঠ্য কবিতাটিৰ আধাৰত কবি হিচাপে কীট্চৰ এক মূল্যায়ন আগবঢ়াওক।

*** ***** ***

অধ্যায় ৪ ঃ ৰবার্ট ব্রাউনিং ঃ *এ গ্রামাৰিয়ান্‌চ ফিউনাৰেল*

অধ্যায় গাঁথনি

৪.১ উদ্দেশ্য

৪.২ পৰিচয়

৪.৩ ইংৰাজী কাব্য সাহিত্য আৰু ভিক্টৰীয় যুগ

৪.৪ ৰবার্ট ব্রাউনিং

- ৪.৪.১ জীৱনী
- ৪.৪.২ সাহিত্য কৃতি

৪.৫ *এ গ্রামাৰিয়ান্‌চ ফিউনাৰেল* (A Grammarian's Funeral)

- ৪.৫.১ মূল ইংৰাজী কবিতাটোৰ পাঠ
- ৪.৫.২ কবিতাটোৰ সাধাৰণ আলোচনা
- ৪.৫.৩ কবিতাটোৰ বিষয়বস্তু
- ৪.৫.৪ কবিতাটোৰ ৰচনাশৈলী
- ৪.৫.৫ কঠিন শব্দৰ টোকা

৪.৬ কবি হিচাপে ৰবার্ট ব্রাউনিঙৰ মূল্যায়ন

৪.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৪.৮ অধিক জানিবলৈ

৪.৯ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

৪.১০ আৰ্হি প্রশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ইংৰাজী কাব্য সাহিত্যত ভিক্টৰীয় যুগটোৱে কি ধৰণৰ গতি-প্রকৃতি প্রদান কৰিছিল তাৰ লেখ পাব
- ভিক্টৰীয় যুগৰ অন্যতম কবি ৰবার্ট ব্রাউনিঙৰ জীৱন আৰু কৃতীৰ লগত পৰিচিত হ'ব
- *এ গ্রামাৰিয়ান্‌চ ফিউনাৰেল* কবিতাটোৰ মূল পাঠভাগ পঢ়াৰ লগতে কবিতাটোৰ আলোচনা কৰিব পাৰিব
- *এ গ্রামাৰিয়ান্‌চ ফিউনাৰেল* কবিতাটোৰ বিশ্লেষণ আগবঢ়াব পাৰিব
- কবিতাটোৰ ৰচনাশৈলীৰ আভাস দিয়াৰ যোগেদি কবি ৰবার্ট ব্রাউনিঙৰ কাপৰ পৰা ওলোৱা এমুঠি নাটকীয় একোক্তি (Dramatic Monologue)ৰ লগত পৰিচিত হ'ব। এই ক্ষেত্রত ৰবার্ট ব্রাউনিং ইংৰাজী সাহিত্যৰ এগৰাকী অপ্রতিদ্বন্দ্বী কবি

- কবিতাটিৰ মূল আলোচনা ভাগৰ আঁত কবি ৰবার্ট ব্রাউনিঙৰ এক মূল্যায়ন আগবঢ়াব পাৰিব।

৪.২ পৰিচয়

এই পাঠ্য বিষয়ৰ প্রথমটো অধ্যায়ত আমি ইংৰাজী কাব্য সাহিত্যলৈ ৰোমাণ্টিক ধাৰাটোৱে কেনে ধৰণৰ পৰিৱর্তন কঢ়িয়াই আনিছিল তাৰ লেখ পালো। প্রচলিত ধ্রুপদী ধাৰাৰ কঠোৰ শৃংখলাৰ বিপৰীতে ৰোমাণ্টিক ধাৰাৰ আগমনে কাব্য জগতলৈ যেন মুকলি বতাহ এচাটিহে কঢ়িয়াই আনিছিল। ইংৰাজী সাহিত্যলৈ আগমন ঘটা এই নতুন বা চাটিয়ে সেই সময়ৰ পাঁচ গৰাকী ইংৰাজ কবিক বাৰুকৈয়ে অনুপ্রাণিত কৰিছিল। সেই কেইগৰাকী হৈছে ক্রমে উইলিয়াম ৱর্ডছৱর্থ, চেমুৱেল টেইলৰ ক'লৰিজ, জন কীট্‌চ, জর্জ গর্ডন বায়ন আৰু পার্চি বিছী শ্যেলী। তেওঁলোকৰ হাততেই ইংৰাজী ৰোমাণ্টিক কাব্যই শ্রেষ্ঠত্বৰ চৰম শিখৰত উপনীত হৈছিল। পিছে সময় আগবঢ়াৰ লগে লগে যুগ চিন্তাৰ পৰিৱর্তন ঘটিল। যিহেতু সাহিত্য সমাজৰ পৰা অবিচ্ছিন্ন, সেয়েহে সমসাময়িক ইংলণ্ডৰ পৰিৱর্তিত ৰাজনৈতিক ঘটনা-পৰিঘটনাই তাৰ সমাজ জীৱনক প্রভাৱিত কৰিলে। সেই প্রভাৱৰ প্রত্যক্ষ ফল পৰিস্ফুট হ'ল সমসাময়িক সাহিত্য সৃষ্টিসমূহত। সেই সময়চোৱাত ইংলণ্ডৰ ৰাজ সিংহাসনত আৰোহণ কৰা ৰাণী ভিক্টৰীয়াৰ নাম অনুসৰিয়েই পৰৱর্তী সময়ৰ সাহিত্যৰ সমালোচকসকলে সেই সময়ছোৱাত সৃষ্টি হোৱা সাহিত্য শ্রেণীক 'ভিক্টৰীয় যুগ'ৰ সাহিত্য কৃতি ৰূপে আখ্যা দি তাৰ সমালোচনা কৰিছিল। আলোচ্য অধ্যায়ত সন্নিবিষ্ট হোৱা কবিতা '*এ গ্রামাৰিয়ান্‌চ ফিউনাৰেল*' সেই সময়ৰ এগৰাকী লেখত ল'বলগীয়া কবি ৰবার্ট ব্রাউনিঙৰ এটা মনোৰম কবিতা। নাটকীয় একোক্তিৰ বিশিষ্ট স্রষ্টা ৰবার্ট ব্রাউনিঙৰ এই বিশেষ কাব্য কৃতিৰ মাজেদি তেওঁৰ কাব্য প্রতিভাৰ আলোচনা আগবঢ়োৱা হ'ল।

৪.৩ ইংৰাজী কাব্য সাহিত্য আৰু ভিক্টৰীয় যুগ

ফৰাচী বিপ্লৱে (১৭৮৯-১৭৯৯) সমগ্র পশ্চিমীয়া বিশ্বতে তুমুল আলোড়ণৰ সৃষ্টি কৰিছিল। সেই আলোড়ণৰ সুদূৰ প্রসাৰী প্রভাৱ সমসাময়িক ইংলণ্ডৰ বৌদ্ধিক পৰিমণ্ডলত নপৰাকৈ থকা নাছিল। ফৰাচী বিপ্লৱৰ সাম্য, মৈত্রী আৰু স্বাধীনতাৰ বাণীয়ে ইংৰাজী ৰোমাণ্টিক কবিতাৰ হোতা স্বৰূপ কবি উইলিয়াম ৱর্ডচৱর্থক অনুপ্রাণিত কৰিছিল। কিন্তু দীর্ঘম্যাদী সময়ত দেখা গ'ল যে ফৰাচী বিপ্লৱৰ মহান উদ্দেশ্য ভবা মতে সিদ্ধি নহ'ল। ইয়ে ফৰাচী বিপ্লৱৰ মূল আদর্শ বাস্তৱায়িত হোৱাত হেঙাৰ সৃষ্টি নকৰাকৈ থকা নাছিল। ইতিমধ্যে ১৭৭৯ চনৰ পৰা ১৮৫০ চনৰ ভিতৰত ইংলণ্ডৰ কৃষিভিত্তিক অর্থনীতি শিল্পকেন্দ্রিক অর্থনীতিলৈ পৰিৱর্তিত হ'ল। ইংলণ্ডৰ অর্থনৈতিক খণ্ডলৈ অহা এই পৰিৱর্তনে তাৰ সামাজিক গাঁথনিটোক জোকাৰি পেলালে। কাৰখানাসমূহৰ স্থাপনে এটা শ্রমিক শ্রেণীৰ সৃষ্টি কৰিলে। তাৰ লগে লগে সৃষ্টি হ'ল এক পুঁজিপতি শ্রেণী যিয়ে কাৰখানাসমূহ বা মিলসমূহ পৰিচালনা কৰিছিল। এই উদ্যোগিক জাগৰণক কেন্দ্র কৰিয়েই ইংলণ্ডৰ গ্রাম্যভিত্তিক সমাজ চহৰমুখী হৈছিল। ঔদ্যোগিক খণ্ডৰ উন্নয়ন আৰু তাৰ ব্যৱস্থাপনাৰ লগত জড়িত কাম-কাজৰ তত্ত্বাৱধান ল'বলৈ এক শ্রেণী উৎসাহী লোকৰ প্রয়োজন অনুভূত হৈছিল। এই শ্রেণীটো

সমাজত শিক্ষিত লোক ৰূপে পৰিগণিত হৈছিল। শিক্ষাৰ লগত বৌদ্ধিক পৰিশীলনৰ কথা জড়িত হৈ পৰে। ঊনবিংশ শতিকাৰ ইংলণ্ডত ৰাণী ভিক্টৰীয়াৰ সুদীৰ্ঘ শাসনকালত তেনে এটা উৎসাহজনক পৰিমণ্ডলৰ সৃষ্টি হৈছিল। এইগৰাকী ৰাণীৰ শাসনকালত ইংলণ্ডৰ সমগ্ৰ বাতাবৰণতো পৰিৱৰ্তন আৰু উন্নয়নৰ বতাহ বলিছিল। বৃটিছ সাম্ৰাজ্যৰ প্ৰসাৰ ঘটিছিল আৰু লগে লগে ইংলণ্ডৰ উদ্যোগ খণ্ড, সাংস্কৃতিক জীৱন, ৰাজনীতি, বৈজ্ঞানিক আৱিষ্কাৰ আৰু সামৰিক ক্ষেত্ৰৰ পৰিৱৰ্তনসমূহে সেই সময়ছোৱাৰ ইংলণ্ডৰ সামাজিক ইতিহাসক এক বিশেষ গতি প্ৰদান কৰিছিল। আলোচকসকলৰ কথাত সূৰ মিলাই ক'বলৈ গ'লে সেই যুগটোৰ প্ৰধান লক্ষণ হ'ল আপোচ-মীমাংসাৰ মনোবৃত্তি। বৈজ্ঞানিক ধ্যান-ধাৰণাৰ লগত প্ৰচলিত পৰম্পৰাগত ধৰ্মীয় বিশ্বাসৰ সংঘাতৰ সূত্ৰপাত হয়। কিন্তু ভিক্টৰীয় যুগে এনে সংঘাতমুখৰ পৰিস্থিতিৰ লগতো আপোচ কৰি ল'লে। থোৱতে ক'বলৈ হ'লে ভিক্টৰীয় যুগৰ উল্লেখযোগ্য লক্ষণসমূহ আমি এই দৰে উল্লেখ কৰিব পাৰো।

- বৈজ্ঞানিক ধ্যান-ধাৰণা আৰু পৰম্পৰাগত ধৰ্মীয় বিশ্বাসৰ মাজত হোৱা সংঘাত। ডাৰউইনৰ বিৱৰ্তনবাদৰ তত্ত্বটোৱে ইংলণ্ডৰ গীৰ্জাৰ লগত ডাৰউইনৰ সংঘাত ঘনীভূত কৰিছিল। তেতিয়ালৈকে সাধাৰণ মানুহৰ বিচাৰধাৰা আৰু বিশ্বাসবোধত ইংলণ্ডৰ গীৰ্জাৰ একক প্ৰভাৱ আছিল। কিন্তু প্ৰচলিত ধাৰণাবোৰৰ বিষয়ে নকৈ জাগ্ৰত হোৱা বাস্তৱভিত্তিক বিশ্লেষণাত্মক দৃষ্টিভংগীয়ে ধৰ্মৰ দোহাই দি সৰ্বসাধাৰণৰ ওপৰত একাধিপত্য বিস্তাৰ কৰি অহা ধৰ্মীয় প্ৰশাসনৰ ভেটি কঁপাই তুলিছিল।
- ভিক্টৰীয় যুগৰ অন্য এটা লক্ষণ হ'ল জীৱনৰ বিভিন্ন ক্ষেত্ৰত শেষ কৰ্তৃত্বৰ স্বীকৃতি। ৰাজনৈতিক ক্ষেত্ৰত ৰাষ্ট্ৰ আৰু আইনৰ হাতত সেই শেষ কৰ্তৃত্ব ন্যস্ত আছিল। ধৰ্মৰ ক্ষেত্ৰত গীৰ্জা আৰু গাৰ্হস্থ্য জীৱনত পুৰুষ গৰাকীৰ হাতত। সেইদৰে ক'লা ছালৰ মানুহৰ ওপৰত বগা ছালৰ মানুহে প্ৰভূত্ব খটুৱাইছিল। এইদৰে ক্ৰমশঃ সমাজত এটা প্ৰভুত্ব খটুওৱা শ্ৰেণী আৰু আন এটা অধীন শ্ৰেণীৰ সৃষ্টি হৈছিল। এই বিভাজনে ব্যক্তিৰ মানসিকতাকো প্ৰভাৱিত কৰিছিল। নাৰীৰ ব্যক্তিত্ব হননক ভিক্টৰীয় ইংলণ্ডৰ এক অতি পৰিশীলিত শিল্পকলা বুলি সমালোচকসকলে কৈ গৈছে।
- এই যুগৰ তৃতীয়টো লক্ষণ হৈছে প্ৰথাগত নীতিবোধৰ প্ৰতি গভীৰ আনুগত্য। এই আনুগত্যবোধ সাহিত্যলৈকো প্ৰসাৰিত হৈছিল। অৱশ্যে এই নীতিবোধ বা নৈতিকতাৰ আচাৰ সামাজিক জীৱনত প্ৰদৰ্শন কৰা কপট শিষ্টাচাৰ মাত্ৰ আছিল। বৰঞ্চ প্ৰকৃত ছবিখন সম্পূৰ্ণ বিপৰীত আছিল। বাস্তৱ ক্ষেত্ৰত এই নীতিবোধ পালনৰ দ্বাৰা নহয়, বৰঞ্চ অতিক্ৰমণহে 'সন্মানিত' হৈছিল। সমালোচকৰ কথাত সূৰ মিলাই ক'বলৈ গ'লে কপট, শালীনতা, দৃষ্টিকটু আত্মতৃপ্তি আৰু ভণ্ড নীতিবোধেই আছিল ভিক্টৰীয় যুগৰ প্ৰকৃত জীৱনধাৰা স্বৰূপ।
- অন্তঃসাৰশূন্যতা এই যুগৰ অন্য এটা চকুত লগা লক্ষণ। বাহ্যিক দৃষ্টিত এই যুগটো বিশাল। ন ন বৈজ্ঞানিক আৱিষ্কাৰে যুগটোৰ গৰিমা বঢ়াইছিল। কিন্তু প্ৰায়োগিক ক্ষেত্ৰত সেই আৱিষ্কাৰে সমাজৰ মানসিকতালৈ মহৎ ৰূপান্তৰ আনিব নোৱাৰিলে। মহত্ত্ব, শঠতা, প্ৰাচুৰ্য, দাৰিদ্ৰ্য, বিলাসী জীৱন চিন্তা আৰু দুৰ্নীতিৰ এক অদ্ভুত সংমিশ্ৰণ ঘটিছে ভিক্টৰীয় যুগত। যুগটোৰ এক জীৱন্ত চিত্ৰ দাঙি ধৰি প্ৰখ্যাত জীৱনী লেখক লিটন ষ্ট্ৰেচীয়ে লিখি গৈছে—

"এক বর্বৰতা আৰু কপট শালীনতাৰ, মহত্ত্ব আৰু সস্তীয়া জীৱনবোধৰ, পৰিতৃপ্তি আৰু নিৰুপায় হতাশাৰ যুগ; এটা যুগ, যেতিয়া প্রতিটো বস্তুৱেই আৱিষ্কৃত হৈছিল আৰু একোৱেই পৰিজ্ঞাত হোৱা নাছিল; এটা যুগ যাৰ ৰেখা ৰূপটো আছিল বিশাল আৰু বিস্তাৰিত ৰূপটো জঘন্য; যেতিয়া বাষ্প-নলীবোৰৰ পৰা ওলোৱা ধোঁৱাৰ কুণ্ডলীয়ে চাৰিওফালৰ কুঁৱলীৰ লগত দুর্বলভাৱে অৰিয়াঅৰি লগাইছিল, যেতিয়া নৈশ ভোজনৰ সময় দুই বজাৰ পৰা ছয় বজালৈ যিকোনো ঘণ্টাতে নিৰূপিত হৈছিল; যেতিয়া চীন দেশীয় লতাৰ সোমৰস পান কৰাৰ দস্তুৰ আছিল নির্দিষ্ট সময়ৰ মূৰকত মস্ত গিলাচত একোপালিকৈ; যেতিয়া ওপৰ মহলাৰ পৰা খিৰিকীয়েদি কেতিয়া পোহনীয়া কুকুৰ জাঁপ মাৰি পৰে, তাৰ ঠিকনা নাছিল; যেতিয়া চহকী মানুহৰ এলেকাবোৰত ৰান্ধনিৰ দলে মদ খাই টলংভটং কৰি ফুৰিছিল; যেতিয়া ৰাজআলিত ঘোঁৰাবোৰে ছটিয়াই থৈ যোৱা লেতেৰা খেৰৰ দ'মতে ভৰি দুখন সুমুৱাই কিছুমানে ঘণ্টাৰ পাছত ঘণ্টা ধৰি উম লৈ কটাই দিছিল; যেতিয়া চকী বুলিলেই একোখনকৈ মাচিয়া ঢাকনি লাগিছিলেই আৰু গা-ধোৱা ঘৰ বুলিলেই বগীতামৰ চৰিয়া এটা নেথাকিলে নহয়েই আৰু শোৱনি পাটিবোৰ আছিল উৰহ আৰু আকস্মিক দুর্ঘটনাৰ আড্ডা।"



চিন্তা-চর্চা কৰক — ৩.১

ইংৰাজী সাহিত্যৰ বুৰঞ্জী এখনৰ আধাৰত ভিক্টৰীয় যুগৰ ইংৰাজী সমাজখন কেনেকুৱা আছিল বিচাৰ কৰক।

জানি থোৱা ভাল



ইংলণ্ডৰ ৰাজ সিংহাখনত অধিষ্ঠিত হৈ সুদীর্ঘ কাল শাসন কৰা ৰাণী এলেকজেন্দ্রিয়া ভিক্টৰীয়াৰ জন্ম ২৪ মে', ১৮১৭ আৰু মৃত্যু ২২ জানুৱাৰী ১৯০১। ভিক্টৰীয়া ৰজা তৃতীয় জর্জৰ নীতিনীয়েক আৰু কেণ্টৰ তথা ষ্ট্রাথআর্নৰ ডিউক ৰাজকুমাৰ এডৱার্ডৰ কন্যা। তেওঁ তেওঁৰ মাতৃ সাক্সে-কবার্গ-সালফিল্ডৰ ৰাজকুঁৱৰী ভিক্টৰিয়াৰ ৰক্ষণাবেক্ষণত ডাঙৰ-দীঘল হৈছিল। ১৮২০ চনত তেওঁৰ পিতৃ আৰু ককাদেউতাক দুয়ো জনৰে মৃত্যু হোৱাত ১৮ বছৰ বয়সত তেওঁ ইংলণ্ডৰ সিংহাসনত আৰোহণ কৰিছিল। ১৮৪০ চনত সাক্সে-কবার্গ আৰু গোথৰ ৰাজকোঁৱৰ এলবার্টৰ লগত তেওঁ বিবাহপাশত আবদ্ধ হৈছিল। তেওঁ নটি সন্তানৰ মাতৃ হৈছিল। তেওঁলোক দুয়োৰে সন্তানকেইটি মহাদেশখনৰ বিভিন্ন স্থানত থকা ৰাজ পৰিয়ালৰ লগত বৈবাহিক সম্বন্ধেৰে আবদ্ধ হৈছিল। সেইবাবে তেওঁক 'ইউৰোপৰ আইতা' (Grandmother of Europe) উপনামেৰেও জনা যায়।

তেওঁ সর্বমুঠ ৬৩ বছৰ ৭ মাহ ৰাজপাট ভোগ কৰিছিল যিটো অন্য কোনো ইংৰাজ শাসকে ভোগ কৰিব পৰা নাছিল। পৃথিৱীৰ ইতিহাসত তেৱেঁই একমাত্র শাসনকর্ত্রী যিয়ে ইমান দীঘলীয়া কাল শাসন কৰিছিল।

৪.৪ ৰবাৰ্ট ব্ৰাউনিং

৪.৪.১ জীৱনী

ইংৰাজী সাহিত্যত এটা অতি গুৰুত্বপূৰ্ণ কাল ৰূপে বিবেচিত হোৱা ভিক্টৰীয় যুগৰ কবি ৰবাৰ্ট ব্ৰাউনিঙৰ জন্ম হয় ইংলণ্ডৰ কেম্বাৰৱেল নামৰ ঠাইত। জন্মৰ সময় ৭ মে', ১৮১২। তেওঁৰ পিতৃ ৰবাৰ্ট ব্ৰাউনিং বেংক অব ইংলণ্ডৰ কৰ্মৰত কেৰাণী আছিল। তেওঁৰ মাতৃৰ নাম চাৰা এনা ৱিডিমান (Sarah Anna Wiedemann)। ব্ৰাউনিঙৰ ককাদেউতাক এগৰাকী অৱস্থাপন্ন ব্যৱসায়ী,যাৰ অসংখ্য দাস আছিল। ৱেষ্ট ইণ্ডিজৰ চেণ্ট কীট্‌ অঞ্চলত কুঁহিয়াৰৰ বাগানত ৰবাৰ্ট ব্ৰাউনিঙক কাম কৰিবলৈ নিযুক্ত কৰিছিল। কিন্তু ৰবাৰ্ট দাস প্ৰথাৰ বিৰোধী আছিল। তেওঁ তাত সেই প্ৰথাৰ বিৰুদ্ধে বিদ্ৰোহ কৰি ইংলণ্ডলৈ উভতি আহিছিল। ৰবাৰ্ট ব্ৰাউনিঙৰ ভনীয়েক এগৰাকীও আছিল। তেওঁৰ নাম চাৰিয়ানা আছিল। কবি ৰবাৰ্ট ব্ৰাউনিঙৰ পিতৃ ৰবাৰ্টে কেৰাণী হোৱা সত্ত্বেও ভাল আয় উপাৰ্জন কৰিছিল। তেওঁ বহুমূলীয়া কিতাপৰ সংগ্ৰহক আছিল। তেওঁলোকৰ ঘৰুৱা গ্ৰন্থাগাৰটোৱে কবি ব্ৰাউনিঙৰ সাহিত্য প্ৰতিভাৰ স্ফূৰণত ভালেখিনি সহায় কৰিছিল। বিদ্যুৎসাহী ৰবাৰ্ট ব্ৰাউনিঙে তেওঁৰ সন্তান কেইটিক সাহিত্য আৰু কলাৰ প্ৰতি আগ্ৰহান্বিত হোৱাত নিৰন্তৰ উৎসাহ যোগাইছিল। কবি ৰবাৰ্ট ব্ৰাউনিঙে বাৰ বছৰ বয়সতে এখন কবিতাৰ পুথি ৰচনা কৰিছিল। কিন্তু সেইখনৰ কোনো প্ৰকাশক নোপোৱাত পৰৱৰ্তী সময়ছোৱাত তেওঁ সেইখন ধ্বংস কৰিছিল। স্কুলীয়া জীৱনে তেওঁক আমুৰাইছিল। তেওঁক এগৰাকী ঘৰুৱা শিক্ষকে ঘৰতে তেওঁক শিক্ষা দিছিলে। চৈধ্য বছৰ বয়সত তেওঁ ফৰাচী, গ্ৰীক, ইটালীয় আৰু লেটিন ভাষা সলসলিয়াকৈ ক'ব পৰা হৈছিল। তেওঁ ৰোমাণ্টিক কবি শ্যেলীৰ প্ৰবল অনুৰাগী আছিল। ১৮৩৩ চনৰ মাৰ্চ মাহত তেওঁৰ কাব্য কৃতি *Pauline, a Fragment of a Confession* তেওঁৰ নিজা খৰচত প্ৰকাশ হৈ ওলায়। সংবাদ মাধ্যমে তেওঁৰ সেই প্ৰকাশিত গ্ৰন্থৰ প্ৰশংসাত লেখা প্ৰকাশ কৰিছিল। ডব্লিউ জে ফক্সে লিখা তেনে এটা লেখা ১৮৩৩ চনৰ এপ্ৰিল মাহত *The Monthly Repository*-ত প্ৰকাশ পাইছিল। চৌত্ৰিশ বছৰ বয়সলৈ তেওঁ আৰ্থিকভাৱে তেওঁৰ পিতৃ-মাতৃৰ ওপৰত নিৰ্ভৰশীল আছিল।

১৮৪৫ চনত কবি ৰবাৰ্টব্ৰাউনিঙৰ লগত তেওঁতকৈ ছবছৰ ডাঙৰ কবি এলিজাবেথ বাৰেটৰ পৰিচয় ঘটে। এই পৰিচয় প্ৰেমলৈ ঢাল খোৱাত দুয়ো বিবাহপাশত আবদ্ধ হয়। বিয়াৰ পিছত ৰবাৰ্টব্ৰাউনিং আৰু এলিজাবেথ ব্ৰাউনিং ইটালিলৈ গমন কৰিছিল। এলিজাবেথ ব্ৰাউনিঙক প্ৰেমৰ কবিতাসমূহে তেওঁক প্ৰসিদ্ধি প্ৰদান কৰিছিল। দুয়োৱে পৰস্পৰৰ বাবে অনুপ্ৰেৰণাৰ উৎস আছিল। তেওঁলোকৰ পুত্ৰ ৰবাৰ্ট ৱেডেমান বাৰেট ব্ৰাউনিঙৰ জন্ম হয় ১৮৪৯ চনত, ইটালিত। আৰ্থিক দিশৰ ফালৰ পৰা তেওঁলোক স্বচ্ছল আছিল। অৱশ্যে

সেই সুদীর্ঘ সময়ছোৱাত ৰবার্ট ব্রাউনিঙে তেওঁৰ ৰচনাৰ বাবে প্রসংসা আৰু সমালোচনা দুয়োটাকে মূৰ পাতি ল'বলগীয়া হৈছিল। পত্নীৰ মৃত্যুৰ পিছত অর্থাৎ ১৮৬১ চনৰ পিছত ৰবার্ট ব্রাউনিঙে বাৰ বছৰীয়া ল'ৰা সন্তানটিক লৈ ইংলণ্ডলৈ ঘূৰি আহিছিল।

জীৱনৰ শেষছোৱা কাল তেওঁ ভ্রমণ কৰিয়েই কটাইছিল। তেওঁৰ জীৱনৰ শেষৰ ফালে ৰচনা কৰা *Asolando* (1829) দীঘলীয়া কবিতাৰ সংগ্রহ *Balaustion's Adventure* (1871), *Red Cotton Night Cap Country* (1873), সংলাপ মধুৰ *Parleyings with Certain People of Importance in Their Day* (1887) আৰু *Asalando* (1889) তেওঁৰ উল্লেখযোগ্য কৃতিৰ অন্তর্গত।

জীৱিত কালত তেওঁ অনেক সন্মানেৰে বিভূষিত হৈছিল। তেওঁ লণ্ডন বিশ্ববিদ্যালয়ৰ আজীৱন গৱর্ণৰ ৰূপে মনোনীত হৈছিল।

১৮৮৯ চনৰ ১২ ডিচেম্বৰ তাৰিখে ভেনিচত অৱস্থিত তেওঁৰ পুত্রৰ ঘৰত কবি ৰবার্ট ব্রাউনিঙৰ মৃত্যু ঘটিছিল। ৱেষ্ট মিনিষ্টাৰ এবেৰ Poets Corner আলফ্রেড টেনিচনৰ কবৰৰ কাষতে তেওঁক সমাধিস্থ কৰা হৈছিল।

৪.৪.২ সাহিত্য কৃতি

প্রখ্যাত সাহিত্য সমালোচক ষ্টপফ'র্ড এ ব্রুকে ৰবার্ট ব্রাউনিঙৰ কাব্য কৃতিৰ আলোচনাৰ প্রসংগত তেওঁৰ আলোচনাত্মক গ্রন্থ *The Poetry of Robert Browning*-ত প্রথমটো অধ্যয়নৰ প্রথমটো ছেদতে লিখিছে—

"Parnassus, Apollo's mount, has two peaks, and on these, for sixty years, from 1830 to 1890, two poets sat, till their right to these lofty peaks became unchallenged. Beneath them, during these years, on the lower knolls of the mount of song, many new poets sang; with diverse instruments, on various subjects, and in manifold ways. They had their listeners; the Muses were also their visitants; but none of them ventured seriously to dispute the royal summits where Browning and Tennyson sat, and smiled at one another across the vale between."

আলফ্রেড টেনিচন আৰু ৰবার্ট ব্রাউনিং সমসাময়িক কবি আছিল। ৰবার্ট ব্রাউনিং আলফ্রেড টেনিচনতকৈ তিনি বছৰ সৰু আছিল। অৱশ্যে দুয়ো গৰাকীয়ে প্রায় একে সময়তে প্রসিদ্ধি লাভ কৰিছিল। টেনিচনৰ তুলনাত ব্রাউনিঙৰ ৰচনাৰাজিয়ে কিছু পলমকৈ সমালোচকসকলৰ কৃপা দৃষ্টি লাভ কৰিছিল। আন কথাত ক'বলৈ গ'লে ৰবার্ট ব্রাউনিঙৰ কাব্য সাধনৰ পথ মসৃণ নাছিল। পিছে কবি গৰাকীয়ে জীৱনলৈ অহা সেই ঘাত-প্রতিঘাত তেওঁ অতিক্রম কৰি অধ্যয়ন, অন্বেষণ আৰু চর্চাৰ মাজেদি তেওঁৰ ভিতৰত থকা শিল্পীজনক

জগাই তুলিবলৈ সমর্থ হৈছিল। থোৰতে আমি তেওঁৰ সমগ্ৰ ৰচনাকৃতিৰ প্ৰতি দৃষ্টিপাত কৰিলে দেখিম যে তেওঁৰ কবি মানসত ৰোমাণ্টিক ভাবধাৰা ক্ৰিয়াশীল যদিও তেওঁ প্ৰকৃতি বা মানবীয় সম্পৰ্কক প্ৰখ্যাত ৰোমাণ্টিক কবি কেইগৰাকীৰ দৰে প্ৰত্যক্ষ কৰা নাছিল। তেওঁৰ এক নিজস্ব দৃষ্টিভংগী আছিল। ইংৰাজী কাব্য সাহিত্যত নাটকীয় একোক্তি প্ৰয়োগত এই গৰাকী কবিয়ে যি দক্ষতা আৰু সংবেদনশীলতাৰ পৰিচয় দিছিল, সেয়া প্ৰশংসনীয়।

- *Pauline : A Fragment of a Confession* (1833) ঃ এইটো ৰবাৰ্ট ব্ৰাউনিঙৰ এটা দীঘলীয়া বর্ণনাধর্মী কবিতা য'ত পৰীক্ষামূলকভাৱে নাটকীয় একোক্তিৰ প্ৰথম প্ৰয়োগ ঘটিছিল। কবিতাটোৰ ৰচনা কাল ১৮৩২ চন।
- *Paracelsus* (1835) ঃ কোৱা হয় যে ছমাহৰ ভিতৰত ৰবাৰ্ট ব্ৰাউনিঙে এই দীঘলীয়া কবিতাটো লিখি শেষ কৰিছিল। তেওঁক এই কাব্যৰ বিষয়বস্তু নির্বাচন কৰি দিছিল কাউণ্ট আমেডি দ্য ৰিপার্ট মনক্লাৰ নামৰ এগৰাকী অভিজাত ব্যক্তিয়ে। Paulineৰ অস্পষ্ট আৰু খেলিমেলি বিষয়বস্তুৰ তুলনাত Paracelsus যথেষ্ট পৈণত কাব্যকর্ম আছিল। ইয়াত এক তৰুণৰ বৌদ্ধিক আন্বেষণৰ কথা আছে। দূৰদৃষ্টিসম্পন্ন কবি ব্ৰাউনিঙে যি অনুভৱ কৰিছিল সমাজে তাক প্ৰত্যক্ষ কৰিবলৈ আৰু উপলব্ধি কৰিবলৈ অন্য এটা অর্দ্ধ শতিকা ৰ'বলগীয়া হৈছিল। সেইটো এইয়ে যে বিবর্তন উর্দ্ধমুখী হয়।
- *Strafford* (নাটক) (1837) ঃ মানৱৰ চৰিত্ৰসমূহৰ প্ৰতি ব্ৰাউনিং সদায়েই আগ্ৰহী আছিল। মানৱ চৰিত্ৰসমূহক ক্ৰিয়াশীল ৰূপত উপস্থাপন কৰিবলৈকে তেওঁ এই বিশেষ নাটকখন ৰচনা কৰিছিলে।
- *Sordello* (1840) ঃ এইটোৱো ৰবাৰ্ট ব্ৰাউনিঙৰ এটা দীঘলীয়া বর্ণনাত্মক কবিতা। ইয়াৰ ৰচনাকাল ১৮৩৬ৰ পৰা ১৮৪০ৰ ভিতৰত। কাব্য ৰচনাৰ বিষয়বস্তু হৈছে ত্ৰয়োদশ শতিকাৰ এগৰাকী বীৰ পুৰুষ (Lombard Troubadour)ৰ বীৰত্ব আৰু তেওঁৰ মনৰ মাজত সৃষ্টি হোৱা আদর্শগত সংঘাত। এই কবিতাটোৰ অচিনাকি পশ্চাদপটে পাঠকৰ বাবে এই বর্ণনাত্মক কবিতাটো অস্পষ্ট আৰু মেৰপাক খোৱা দুর্বোধ্যতাৰে পূর্ণ কৰি তুলিছিল। কবিতাটোৰ প্ৰকাশৰ সময়ত ই বিশেষ দৃষ্টি আকর্ষণ কৰিব নোৱাৰিলে। কিন্তু পৰৱর্তী দশকসমূহত চুইনবার্ণ আৰু এজৰা পাউণ্ডৰ নিচিনা সমালোচকে এই কবিতাটোৰ উচ্চ প্ৰশংসা কৰে। ইংৰাজী সাহিত্যৰ ইতিহাসত চর্দেলো এটা অন্যতম কঠিন কবিতা।
- *Bells and Pomegranates No 1 : Pippa Passes* (নাটক) (1841) ঃ পোন প্ৰথমবাৰৰ বাবে যেতিয়া এই নাটকখন প্ৰকাশিত হৈছিলে, তেতিয়া কবি ব্ৰাউনিঙে কৈছিলে যে সেয়া তেওঁ ৰচনা কৰিবলৈ হাতত লোৱা 'এলানি নাটকীয় কৃতি'ৰ প্ৰথমটো সৃষ্টি। ইয়াত যঁতৰত পাটৰ সূতা কটা এজনী নিষ্কলূষ মনৰ গাভৰু

ছোৱালীয়ে গীত গাই গাই গৈ থকাৰ কথা আছে। তাই নিজৰ উদাৰতা আৰু মৰমীয়াল স্বভাৱৰ দ্বাৰা সকলোকে মোহিত কৰিছিল। অৱশ্যে সেই ৰচনাত কিছুমান যৌন কেন্দ্রিক কথা-বতৰা মুকলিকৈ থকাৰ বাবে শুচিবায়ুগ্রস্ত ভালেমান লোকে তেওঁৰ সেই ৰচনা কঠোৰভাৱে সমালোচনা কৰিছিল। বিশেষকৈ তাত প্রত্যক্ষভাৱে মাজৰ কিছুমান অনৈতিক কথা আৰু অনৈতিক আচৰণৰ উল্লেখ থকাৰ বাবে বহুতৰ বাবে তেওঁৰ সেই ৰচনা গ্রহণযোগ্য হোৱা নাছিল।

- *Bells and Pomegranates No. 11 : King Victor and King Charles* (নাটক) (1842) ঃ ঐতিহাসিক চৰিত্র প্রধান এই বিশেষ নাটকখনত ব্রাউনিঙে কলাৰ তুলনাত ঐতিহাসিক ঘটনাটো প্রদর্শনত গুৰুত্ব দিছিল। পৰৱর্তী সময়ছোৱাত তেওঁ *Bells and Pomegranates* শৃংখলাৰ অন্য কেইটামান খণ্ড প্রকাশ কৰিছিলে। এই শৃংখলাৰ সর্বমুঠ আঠটা খণ্ড প্রকাশিত হৈছিল। তাত তেওঁৰ কবিতাৰ লগতে নাটককেইখনমানো সন্নিৰিষ্ট হৈছিল। সেইসমূহ হৈছে ক্রমে— *Porphyria's Lover, My Last Duchess, The Laboratory, Home Thoughts From Abroad, The Return of the Druses, Colombe's Birthday,* ইত্যাদি। তেওঁৰ অন্য কেইটামান লেখৰ ৰচনাৰ ভিতৰত উল্লেখযোগ্য হ'ল— *The Last Ride Together, Fra Lippo Lippi, A Grammarian's Funeral, Rabbi Ben Ezra, The Ring and the Book, The Agamemnon of Aeschylus, Socoseria, Parleyings' with Certain People of Importance,* ইত্যাদি।

ইতিমধ্যে কৈ অহা হৈছে যে ৰবার্ট ব্রাউনিঙৰ কাব্য সাধনাৰ পথ মসৃণ নাছিল। কিন্তু এইটো সত্য যে তেওঁ ৰচনা কৰি থৈ যোৱা এমুঠি নাটকীয় একোক্তিৰ বাবে ইংৰাজী সাহিত্যৰ ইতিহাসত তেওঁ চিৰস্থায়ী আসন লাভ কৰি থাকিব। সাহিত্য সমালোচক মহেন্দ্র ৰৱাই তেওঁৰ গ্রন্থ *ৰমন্যাসৰাদত* ব্রাউনিঙৰ কৃতিসমূহ আলোচনাৰ প্রসংগত ব্রাউনিঙৰ কাব্যৰ এগৰাকী কৃতী সম্পাদক য়ঙৰ উদ্ধৃতি দি ৰবার্ট ব্রাউনিঙৰ নাটকীয় একোক্তিৰ বিষয়ে কৈছে—

"ই হ'ল এক ধৰণৰ সম্যক স্বগতোক্তি, যাৰ সাৰবস্তুত নিহিত হৈ থাকে উক্তি কাৰকৰ প্রখৰ সন্ধানী দৃষ্টিত ধৰা পৰা চাৰিওফালৰ দৃশ্যশোভা আৰু শ্রোতা মণ্ডলী, য'ত সমাবিষ্ট হয় স্মৰণ, বিতর্ক, অনুসন্ধিৎসা আৰু সংস্কৃতৰ খেও ধৰি প্রৱেশ কৰা নির্বাচিত মুহূর্তটোৰ লগত সংশ্লিষ্ট সকলোখিনি।"

দৰাচলতে কবি ব্রাউনিঙে নাটকীয় একোক্তি প্রয়োগৰ মাধ্যমেদি তেওঁৰ কবিতাত মানব মনৰ বিচিত্রতা আৰু পৰিৱেশ-পৰিস্থিতি ভেদে ব্যক্তিয়ে প্রদর্শন কৰা আচৰণৰ সূক্ষ্ম পর্যবেক্ষণ আগবঢ়াইছে। উদাহৰণ স্বৰূপে ব্রাউনিঙৰ কবিতা *My Last Duchess*ত দাম্ভিক প্রকৃতিৰ ডিউকে তেওঁৰ পত্নী গৰাকীৰ আপোনভোলা, সকলো শ্রেণীৰ মানুহৰ

লগত মুকলিকৈ মিলি যাব পৰা স্বভাৱটো ভাল পোৱা নাছিল। পত্নীৰ তেনে আচৰণে তেওঁৰ সন্মানত আঘাত সনা বুলি ভাবি ডাচেচ গৰাকীক মৃত্যুদণ্ডেৰে দণ্ডিত কৰিছিল। পাছত তেওঁ অন্য এটা অভিজাত পৰিয়ালৰ কন্যা এগৰাকীক বিবাহ কৰোৱাৰ বাবে যোজা চলাইছিল। কন্যা পক্ষৰ পৰা অহা ব্যক্তিক তেওঁৰ প্ৰাসাদত সংৰক্ষণ কৰি ৰখা কলা আৰু শিল্পৰ কৃতিসমূহ দেখুৱাইছিল। সেই প্ৰসংগতে অভ্যাগত গৰাকীয়ে মৃত ডাচেচ গৰাকীৰ চিত্ৰ এখন প্ৰত্যক্ষ কৰিছিল। সেই ছবিখন চাই অভ্যাগত মোহিত হৈছিল। ডিউকে তেওঁৰ মৃত পত্নীৰ বিষয়ে যিখিনি কথা কৈছিলে, তাৰ মাজেদি অভ্যাগত গৰাকী ডিউকৰ মইমতীয়া স্বভাৱৰ লগত পৰিচিতি হৈছিল।

''She rode with round the terrace–all and each would draw from her alike the approving speech or blush, at least. She than ked men, –good!''

ব্ৰাউনিং আৰু প্ৰকৃতি এই বিষয়ে ক'বলৈ গ'লে এইটো পৰিলক্ষিত হ'ব যে তেওঁ প্ৰকৃতিৰ ৰূপ-ৰং, প্ৰকৃতিৰ বিভিন্ন দৃশ্যৰাজিৰ চিত্ৰৰূপ বৰ্ণনা, তেওঁৰ সূক্ষ্ম অনুভূতি, প্ৰকৃতিৰ বন-বনানি আৰু জীৱ-জন্তুৰ প্ৰতি ব্ৰাউনিঙৰ অপাৰ আকৰ্ষণ আছিল। এইফালৰ পৰা বিচাৰ কৰিলে তেওঁক আমি ৰোমাণ্টিক যুগৰ প্ৰখ্যাত কবি কেইগৰাকীৰ শাৰীতে স্থান দিব পাৰো। কিন্তু অকলশৰীয়া অৱস্থাত ব্ৰাউনিঙৰ আত্মাত প্ৰকৃতিয়ে কেনে অনুভূতি জাগ্ৰত কৰে সেয়া জনাতো সহজসাধ্য নহয়। সেই অবচেতন মুহূৰ্তসমূহত ব্ৰাউনিঙৰ মনত প্ৰকৃতিয়ে কি দৰে খেলা কৰে তাক জনাতো দুৰূহ, কাৰণ কেতিয়াবা প্ৰকৃতি আৰু কবি ব্ৰাউনিং এক হৈ পৰে আৰু অন্য সময়ত প্ৰকৃতি আৰু ব্ৰাউনিং দুটা পৃথক পৃথক সত্তা ৰূপে বেলেগে বেলেগে অৱস্থান কৰে। তেওঁ প্ৰকৃতি চিত্ৰণৰ ক্ষেত্ৰতো মানুহকে প্ৰাধান্য দিছিল। তেওঁ ৱৰ্ডছ্ৱৰ্থৰ দৰে প্ৰকৃতিৰ বিনন্দীয়া ৰূপ দেখি আন সকলো কথা পাহৰি আত্মবিভোৰ হোৱা নাছিল। নিজৰ কাব্য ৰচনাত তেওঁ প্ৰকৃতিক মানৱ জীৱনৰ পশ্চাদপট হিচাপেহে প্ৰয়োগ কৰিছিল। য'ত মানুহৰ উপস্থিতি নাই তাত প্ৰকৃতিৰ কোনো বিশেষ ভূমিকা নাথাকে। তেনে স্থলত প্ৰকৃতি নাটকত প্ৰত্যক্ষ কৰিবলৈ পোৱা দৃশ্য মাত্ৰ হৈ থাকে। উদাহৰণ স্বৰূপে তেওঁৰ *A Lovers' Quarrel* নামৰ কবিতাৰ শাৰীকেইটামানলৈ লক্ষ্য কৰিব পাৰি—

''Oh! what a dawn of day!
How the March sun feels like May!
All is blue again
After last right's rain,
And the South dries the haw thorn– spray.''

ইয়াত কবিয়ে প্ৰকৃতিৰ দৃশ্যৰাজিৰ বৰ্ণনা সুন্দৰভাৱে দিছে, কিন্তু তেওঁ চিন্তা কৰিছে— এইবিলাক মই কি কাৰণে কৰিছোঁ ? এইবিলাকৰ প্ৰতি ইমান মনোযোগ দিয়াৰ কিবা প্ৰয়োজন আছে জানো ? এইদৰে ভাবি তেওঁ পৰৱৰ্তী শাৰীকেইটাত লিখিছে—

"Only, my Love's away!

I'd as lief that the blue were grey,"

অপূর্ব বর্ণনা, কিন্তু ইয়াত মানুহৰ প্রাণৰ বতৰা নাই, মানুহ নাই। সেই বাবে সেই সুন্দৰ শাৰীকেইটা চিত্রপট মাত্র হৈ ৰৈছে।

শিল্পকলাৰ কবি ৰূপেও ৰবার্ট ব্রাউনিঙৰ নাম লোৱা হয়। তেওঁৰ কবিতাৰ পাত্র-পাত্রীসকলে কলাৰ সাধনাৰ দ্বাৰা অক্ষয় ঐশ্বর্য লাভ কৰিছে। সেই ঐশ্বর্য যাক জাগতিক কোনো বিপদে ধ্বংস কৰিব নোৱাৰে। তেওঁৰ কবিতা *A Grammarian's Funeral*লৈ মন কৰিলে তেওঁৰ সেই কলা সাধনাৰ ৰূপ প্রত্যক্ষ কৰিব পাৰি। ইয়াত এগৰাকী কৃতবিদ্য ব্যাকৰণবিদৰ কথা কোৱা হৈছে যিয়ে তেওঁৰ সমগ্র জীৱন জ্ঞানৰ সাধনা কৰিয়েই কটাই দিছে। সময়ত তেওঁৰ মৃত্যু ঘটিছে আৰু তেওঁৰ শিষ্যসকলে তেওঁক কবৰ দিবলৈ পর্বতৰ চূড়ালৈ লৈ গৈছে। তেওঁলোকে নিজৰ গুৰুৰ গুণ-গান কৰি কৈছে যে গুৰুৰ শেষ বিশ্রামৰ স্থল হিচাপে তেওঁলোকে এনে এক স্থান নিৰূপণ কৰিব যি চূড়াটোৰ আটাইতকৈ ওখ স্থান। তাৰ পৰা তললৈ ভালদৰে চাব পৰা যাব। জাগতিক কোনো ভোগ বিলাসৰ সামগ্রীৰ প্রতি আসক্ত নোহোৱা ব্যাকৰণবিদ গৰাকীয়ে জ্ঞানৰ সাগৰত আকণ্ঠ ডুব গৈ তাত থকা বহুমূলীয়া মাণিক সংগ্রহত নিমগ্ন আছিল। আনকি মৃত্যু শয্যাত পৰি থাকোতে তেওঁ তেওঁৰ শিষ্যসকলক ব্যাকৰণৰ কিছুমান দিশ বুজাই দিয়াৰ লগতে গ্রীক শব্দ 'হটি' (কাৰণ) আৰু 'ওউন' (সেই হেতুকে)ৰ অর্থ বুজাই দিছিল। জ্ঞানৰ এই অতুল্য সাধনাৰ দ্বাৰা সেই ব্যাকৰণবিদ গৰাকীয়ে যেন পার্থিব মৃত্যুৰ পাচতো নিজৰ সাধনাৰ বাবে অমৰ হৈ গ'ল। নাৰী ব্যক্তিত্বৰ বহুমুখী প্রকাশত কবি ৰবার্ট ব্রাউনিং সিদ্ধহস্ত। তেওঁ সর্বপ্রথম দীঘলীয়া কবিতা *Pauline : A Fragment of a Confession*ত চিত্রিত কৰা পৌলিন নামৰ নাৰী গৰাকীৰ মাজেদি আমি পৌলিন নামৰ নাৰী গৰাকীৰ দুতপৰীয়া ব্যক্তিত্ব চিত্রিত কৰিছে।প্রথম গৰাকী পৌলিন যি তেওঁৰ প্রেমিকৰ আসক্তিৰ কেন্দ্রবিন্দু, সেইগৰাকী এগৰাকী তেজ-মঙহৰ নাৰী। আনহাতে দ্বিতীয় গৰাকী পৌলিন তেওঁৰ ব্যক্তিত্বৰ গুণৰাশিৰে মহীয়ান। তেওঁ এগৰাকী ব্যক্তিত্বশীল নাৰী যি নিজৰ বিষয়ে সিদ্ধান্ত ল'বলৈ সক্ষম। তেওঁ নাৰীৰ সবল ৰূপটো প্রত্যক্ষ কৰিছিল *Sordello*ৰ পাল্মাৰ মাজেদি। পাল্মা এগৰাকী সুন্দৰী নাৰী। পিছে সৌন্দর্যৰ লগতে এইগৰাকী নাৰীয়ে আয়ত্ত কৰিছিল সেই মানসিক যোগ্যতা, যি যোগ্যতাৰ বলত এগৰাকী দক্ষ কূটনীতিকৰ দৰে তেওঁ তেওঁৰ কার্যসমূহ পৰিচালনা কৰিছিল। সমসাময়িক যুগত নাৰীৰ ভোটাধিকাৰ লাভে নাৰীৰ ব্যক্তিত্বৰ বহুমুখী বিকাশত অভূতপূর্ব অৰিহণা আগবঢ়াইছিল। তেওঁলোকক পুৰুষৰ সমকক্ষ ৰূপে ব্রাউনিঙে উপস্থাপন কৰিছিল। অৱশ্যে তেওঁৰ দৃষ্টিত পুৰুষতকৈ নাৰী অধিক সজীৱ আছিল। বিশেষকৈ জীৱনৰ বর্ণাঢ্য ৰূপৰ প্রকাশ আৰু বিকাশত নাৰীৰ ভূমিকা তাৎপর্যপূর্ণ আছিল।

ইংৰাজী সাহিত্যত প্রেমৰ সর্বশ্রেষ্ঠ কবিৰ নাম ল'বলগীয়া হ'লে আমি ৰবার্ট

ব্রাউনিঙৰ নাম ল'ব লাগিব। তেওঁৰ কবিতাত প্রেম যিদৰে উপস্থাপিত হৈছিল আন কোনো কবিৰ কবিতাত সেই তীব্র প্রকাশিকা শক্তি নাই। তেওঁ অন্তঃকৰণেৰে হৈছে অনুভৰ কৰিছিল যে প্রেম সর্বোত্তম (Love is Best)। বক্তিগত জীৱনত তেওঁৰ প্রেয়সী আৰু পৰৱর্তী সময়ত জীৱন সঙ্গিনী হোৱা সেই সময়ৰ কবিয়ত্রী এলিজাবেথ ব্রাউনিঙৰ লগত তেওঁৰ যি মধুৰ প্রেমৰ সম্পর্ক হৈছিল সেয়া অতি মনোৰম। অৱশ্যে তেওঁৰ সেই ব্যক্তিগত প্রেমৰ কথা অতি সংযত ভাষাৰে তেওঁৰ মাথোন এটা প্রেমৰ কবিতা *Man and Woman*ৰ দুটা চৰণত উল্লেখ আছে—

''Take then, Love, the book and me together :
Where the heart lies, let the brain lie also.''

প্রেমত যিদৰে সৃষ্টিৰ সুষমা থাকে, সেইদৰে ধ্বংসৰ কৰাল বীজ লুকাই থাকিব পাৰে। প্রেমৰ স্বাভাৱিক অস্বাভাৱিক— দুয়োটা প্রকাৰ তেওঁৰ কবিতাত বিদ্যমান। অৱশ্যে সকলো ধৰণৰ অভিনৱ উপলব্ধিৰ আঁৰত এটা সত্যই ক্রিয়া কৰিছিল। সেয়া হৈছে যে প্রেমৰ অনুভূতিয়েই জীৱনৰ সর্বশ্রেষ্ঠ অনুভূতি। সেই অনুভূতিয়েই *ঈভলিন হ'প*নামৰ কবিতাটোত ষোড়শী ঈভলিনৰ মৃত্যুত গোপনে তেওঁক ভাল পাই থকা অথচ কোনো দিনেই নিজৰ প্রেমৰ কথা ঈভলিনৰ আগত ব্যক্ত নকৰা বৃদ্ধ গৰাকীয়ে সেই ষোড়শীৰ মৃতদেহৰ ওচৰত বহি চকুপানী টুকিছে। প্রেমৰ ভয়ংকৰ ৰূপ উদ্ভাসিত হৈছে তেওঁৰ *পৰফিৰিয়াজ লাভাৰ* আৰু *দ্য লেবৰেটৰী* কবিতাত।



জানি থোৱা ভাল

● *পৰফিৰিয়াজ লাভাৰ* কবিতাত আছে এক ধুমুহাৰ ৰাতিৰ পৰফিৰিয়াৰ অভিসাৰ যাত্রাৰ বর্ণনা। প্রাপ্তিৰ আনন্দই তেওঁৰ প্রেমিক তৰুণক উদ্ভাউল কৰি তুলিলে, এই পৰম আনন্দৰ মুহূর্তটোক কেনেকৈ অমৰ কৰি ৰখা যায়? অৱশেষত অমৰ কৰি থ'বলৈ সেই পৰম প্রাপ্তিৰ মুহূর্তটোক এইদৰে—

''...I found
A thing to do and all her hair
In one long yellow string I wound
Three times her little throat around,
And strangled her.''

● *দ্য লেবৰেটৰী* কবিতাটোত আছে ঈর্ষাৰ জ্বালাত দগ্ধ হৈ থকা এক নাৰীৰ কাহিনী। প্রতিদ্বন্দ্বিনীক হত্যা কৰাৰ বাহিৰে অন্য কোনো পথ নাই। এগৰাকী ৰসায়নবিদৰ গৱেষণাগাৰৰ পৰা তেওঁ সংগ্রহ কৰিলে কেইটোপালমান মাৰাত্মক বিহ। কিন্তু তেওঁ দোধোৰ-মোধোৰত পৰিছে— বিহৰ মাত্রা কিমানখিনি হ'লে তেওঁৰ উদ্দেশ্য সিদ্ধি হ'ব? মাত্রা কম হ'লে, তাইৰ দৰে স্বাস্থ্যৱতী ৰমণী নমৰিবও পাৰে। আৰু মাত্রা

যদি বেছি হয়, তাইৰ প্রেমিকে দেখা নাপাব— মৃত্যু কিমান যন্ত্রণাদায়ক। তাই মৰিব লাগিব; কিন্তু মুহূর্তৰ ভিতৰত নহয়। কেৱল তেতিয়াহে তাইৰ প্রেমিকে আচল শিক্ষা পাব— অন্য ৰমণীৰ প্রতি আসক্ত হৈ আচল প্রেমিকাৰ প্রেমৰ অঞ্জলি গ্রহণ নকৰাটো কি এক জঘন্য অপৰাধ।

দুটি মন আৰু দুটি আত্মাৰ একাত্মবোধৰ ভাবনাই যদি প্রেমৰ প্রকৃত সংজ্ঞা হয়, তেন্তে ক'ব লাগিব যে ৰবার্ট ব্রাউনিং ইংৰাজী সাহিত্যৰ শ্রেষ্ঠতম প্রেমৰ কবি। প্রেমৰ এই মহৎ উপলব্ধি তেওঁৰ শ্রেষ্ঠ প্রেমৰ কবিতা *দ্য লাষ্ট ৰাইদ টুগেদাৰ*-ত মনোৰম ৰূপত ফুটি উঠিছে। জীৱনৰ পৰিৱর্তিত পৰিস্থিতিয়ে ছোৱালীজনীক তাইৰ প্রেমিকক শেষ কথাষাৰ ক'বলৈ বাধ্য কৰাইছে যে তেওঁ তাইৰ বাবে আশা কৰা বৃথা। তেওঁলোকৰ মিলন সম্ভৱ নহ'ব। তেতিয়া প্রেমিকে ইয়াকে ভাবি সান্ত্বনা লভিছে যে তেওঁক তেওঁৰ প্রেমিকাই বিমুখ নকৰি অন্ততঃ প্রকৃত সত্যটো পৰম আন্তৰিকতাৰে ব্যক্ত কৰিছে। সেই আন্তৰিক বুজাবুজিৰ ভাবনা দেখি প্রেমিক আশ্বস্ত হৈছে। তথাপিতো তেওঁ প্রেমিকাক অনুৰোধ কৰিছে যাতে দুয়ো একেলগে শেষবাৰৰ বাবে ঘোঁৰাৰ পিঠিত উঠি এপাক ঘূৰি আহিব। প্রেমিকাই তেওঁৰ শেষ অনুৰোধ ৰক্ষা কৰিলে। প্রেমিকে নিজৰ প্রেয়সীক বুকুৰ মাজত সাবটি ধৰি ঘোঁৰাটো চেকুৰাই দিলে—

"Then me began to ride. My soul
smoothed itself out a long cramped scroll
Freshening and fluttering in the wind.
Past hopes already lay behind."

জীৱনত বিচৰা সকলোবোৰ বস্তু মানুহে নাপায়। এই ক্ষেত্রত পোৱাতকৈ নোপোৱাৰ দৃষ্টান্ত অধিক। তথাপিতো মানুহে পোৱাখিনিলৈয়েই সন্তুষ্ট হৈ থাকিবলৈ প্রয়াস কৰে। তাক লৈয়েই আনন্দ কৰে। ঠিক সেইদৰে ব্রাউনিঙৰ ব্যর্থ প্রেমিকজনেও ইয়াকে ভাবি মানসিক সন্তুষ্টি লভিছে যে তেওঁ অন্ততঃ শেষ বাৰৰ বাবে তেওঁৰ প্রেয়সীৰ সান্নিধ্য লাভ কৰিব।

"The instant made eternity–
And Heaven just prove that I and she
Ride together, forever ride?"

ব্রাউনিঙৰ প্রেমমূলক কবিতাসমূহৰ আলোচনাৰ প্রসংগত অসমীয়া সমালোচক মহেন্দ্র বৰাই লিখিছে—

"এইদৰেই ব্রাউনিঙৰ প্রায়বোৰ প্রেমৰ কবিতাই তেওঁৰ আশাবাদী দর্শনৰ ড'ৰিয়লিত পৰি জীৱনৰ অতি সুগভীৰ অভিব্যক্তিত পৰিণত হৈছে। তেওঁৰ দার্শনিক তত্ত্বকথা 'চৰম বিফলতাই চূড়ান্ত সার্থকতা' (Most failure is most success) এই ধাৰণাই তেওঁৰ প্রেমৰ কবিতাতো ভুমুকি মাৰি গৈছেহি। সেইবাবেই, তেওঁৰ প্রেমৰ কবিতাত অজস্র ব্যর্থ প্রেমিকৰ চৰিত্র চিত্রিত হৈছে। তেওঁলোকৰ প্রত্যেকেই পার্থিব

বিফলতাৰ মাজতে অপাৰ্থিব সাফল্যৰ সন্ধান পাইছে। এটি পলকৰ অকণমানি পুলক, এটি নিমিষৰ এচেৰেঙা। পোহৰ— এইখিনিৰ মূল্যই তেওঁলোকৰ বাবে সবাতো অধিক। সেইবাবেই, তেওঁৰ কবিতাত ব্যৰ্থ প্ৰেমিকে প্ৰেমিকাৰ মুখৰ নিৰ্মম ভৰ্ৎসনা শুনাৰ পাচতো কৃতজ্ঞতা উজাৰ কৰি দিবলৈ উন্মুখ হৈ ৰয়। ব্ৰাউনিঙৰ দৃষ্টিত প্ৰেম হ'ল সসীমৰ বুকুত অসীমৰ অভিজ্ঞতা। তেওঁৰ কাৰণে মানুহৰ অমৰ আত্মাৰ দৰেই প্ৰেমৰ দীপ্তিও মৃত্যুহীন। স্বাভাৱিকতে, মাটিৰ পৃথিৱীত প্ৰেমৰ প্ৰতিদান পোৱা-নোপোৱাৰ প্ৰশ্নটোৱেই অৰ্থহীন।"

ব্ৰাউনিঙৰ প্ৰেমৰ কবিতাসমূহত ব্যক্তি মনৰ গোপন জগতৰ লগতে মানসিকতাৰ লগত খাপ খুৱাকৈ বাহ্যিক পৰিৱেশ পৰিস্থিতিও সমানে চিত্তাকৰ্ষক কৈ চিত্ৰিত কৰিছে। সমসাময়িক যুগ মানসত ধৰ্ম আৰু বিজ্ঞানৰ আদৰ্শগত সংঘাত, নাৰীমনৰ বিবিধতা আৰু বিচিত্ৰতা, প্ৰকৃতি জ্ঞাত আৰু মানৱ জীৱনৰ সম্পৰ্ক সকলো দিশৰে বিশিষ্ট প্ৰকাশৰ কবি ৰবাৰ্ট ব্ৰাউনিঙে যি অভিনৱ কৌশল অৱলম্বন কৰিছিল, সিয়ে তেওঁক ভিক্টৰীয় যুগৰ এগৰাকী লেখত ল'বলগীয়া কবি ৰূপে স্বীকৃতি প্ৰদান কৰিছিল।



অগ্ৰগতিৰ নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ কবি ৰবাৰ্ট ব্ৰাউনিঙৰ জীৱন আৰু কৃতিৰ চমু পৰিচয় আগবঢ়াওক। (১৫০টা শব্দৰ ভিতৰত)

.....

প্ৰশ্ন নং ২ ঃ ইংৰাজী সাহিত্যৰ এগৰাকী প্ৰেমৰ কবি ৰূপে ৰবাৰ্ট ব্ৰাউনিঙৰ চমু পৰিচয় আগবঢ়াওক (১৫০টা শব্দৰ ভিতৰত)

.....



চিন্তা-চৰ্চা কৰক — ৩.১

ইংৰাজী সাহিত্যত ৰোমাণ্টিক যুগ আৰু ভিক্টৰীয় যুগত কোন কেইগৰাকী কবিয়ে প্ৰেমৰ কবিতা ৰচনা কৰিছিল? তেওঁলোকৰ ভিতৰত ৰবাৰ্ট ব্ৰাউনিঙৰ স্থান নিৰ্ণয় কৰক।



জানি থোৱা ভাল

নাটকীয় একোক্তি (Dramatic Monologue) : একোক্তি হৈছে এগৰাকী ব্যক্তিয়ে কোৱা দীঘলীয়া ভাষণ (Speech)। নাটক এখনত যেতিয়া কোনো এটা চৰিত্ৰই তাৰ নিজৰ ব্যক্তিগত ভাব-অনুভূতি প্ৰকাশক কথা ব্যক্ত কৰে, তেতিয়া তাক চলিলক্‌ (Soliloque) বোলা হয়। নাটকীয় একোক্তি একপ্ৰকাৰৰ গীতি কবিতা তাৰ স্ৰষ্টা হৈছে ৰবাৰ্ট ব্ৰাউনিং। পূৰ্ণ ৰূপত ৰবাৰ্ট

ব্রাউনিঙৰ কেইটামান বিশেষ কবিতা যেনে— *My Last Duchess, The Bishop Orders His Tomb, Andrea Del Sarto* আদিত নাটকীয় একোক্তি (Dramatic Monologue)ৰ প্রয়োগ ঘটিছে। নাটকীয় একোক্তিৰ বৈশিষ্ট্যকেইটা হৈছে—

এজন ব্যক্তিয়ে (তেওঁ কবি নহ'বও পাৰে) গোটেইটো কবিতা প্রকাশ কৰাকৈ এটা বিশেষ পৰিস্থিতিত এটা বিশেষ সন্ধিক্ষণত (Critical Moment) কথা কৈ যায়। উদাহৰণ স্বৰূপে উল্লিখিত প্রথমটো কবিতাত ডিউক গৰাকীয়ে দ্বিতীয় পত্নী গ্রহণ কৰিবলৈ ইচ্ছুক হোৱাত তেনে এগৰাকী পাত্রীৰ ঘৰৰ ফালৰ পৰা এগৰাকী দূত আহি তেওঁৰ লগত কথোপকথনত লিপ্ত হৈছে। সেই ভাব বিনিময়ৰ প্রসংগতে ডিউকৰ প্রথমা (মৃত) পত্নীৰ প্রসংগ উত্থাপিত হৈছে।

দ্বিতীয় বৈশিষ্ট্যটো হ'ল যে এনে কবিতাত বক্তা গৰাকীয়ে এজন বা ততোধিক ব্যক্তিৰ লগত ভাব বিনিময় কৰি থাকিব পাৰে, কিন্তু আমি সেই শ্রোতা কেইগৰাকীৰ উপস্থিতিৰ বিষয়ে বক্তাৰ মুখৰ উদ্ধৃতিৰ পৰা গম পাওঁ।

তৃতীয়তে, নাটকীয় একোক্তিৰ কবিয়ে এইটো কথাৰ প্রতি গুৰুত্ব দিয়ে যাতে পাঠকে তেওঁৰ সেই বিশেষ কৃতি পঢ়ি যাওঁতে নাটকীয় একোক্তিত বক্তৃতা দি থকা চৰিত্রটোৰ দৃষ্টিভংগী আৰু চাৰিত্রিক বৈশিষ্ট্যৰ যথার্থ ৰূপ বিশ্লেষণ কৰিব পাৰে।

৪.৫ এ গ্রামাৰিয়ান্‌চ ফিউনাৰেল (A Grammarian's Funeral)

৪.৫.১ মূল ইংৰাজী কবিতাটোৰ পাঠ

Let us begin and carry up this corpse,
Singing together.
Leave we the common crofts, the vulgar thorpes,
Each in its tether
Sleeping safe on the bosom of the plain,
Cared-for till cock-crow:
Look out if yonder's be not day again
Rimming the rock-row!
That's the appropriate country; there, man's thought,
Rarer, intenser,
Self-gathered for an outbreak, as it ought,
Chafes in the censer!
Leave we the unlettered plain its herd and crop;
Seek we sepulture

On a tall mountain, citied to the top,
Crowded with culture!
All the peaks soar, but one the rest excels;
Clouds overcome it;
No, yonder sparkle is the citadel's
Circling its summit!
Thither our path lies; wind we up the heights:
Wait ye the warning?
Our low life was the level's and the night's;
He's for the morning!
Step to a tune, square chests, erect each head,
''Ware the beholders!
This is our master, famous calm and dead,
Borne on our shoulders.
Sleep, crop and herd! sleep, darkling thorpe and croft
Safe from the weather!
He, whom we convoy to his grave aloft,
Singing together,
He was a man born with thy face and throat,
Lyric Apollo!
Long he lived nameless: how should spring take note
Winter would follow?
Till lo, the little touch, and youth was gone!
Cramped and diminished,
Moaned he, ''New measures, other feet anon!''
''My dance is finished?''
No, that's the world's way: (keep the mountain-side,
Make for the city!)
He knew the signal, and stepped on with pride
Over men's pity;
Left play for work, and grappled with the world
Bent on escaping:
'What's in the scroll,' quoth he,' thou keepest furled?
''Show me their shaping,''

"Theirs who most studied man, the bard and sage,–
"Give" –So, he gowned him,
Straight got by heart that hook to its last page:
Learned, we found him!
Yea, but we found him bald too– eyes like lead,
Accents uncertain:
"Time to taste life," another would have said,
"Up with the curtain!"
This man said rather. "Actual life comes next?"
"Patience a moment!
"Grant I have mastered learning's crabbed text,
"Still there's the comment.
"Let me know all! prate not of most or least,
"Painful or easy!
"Even to the crumbs I'd fain eat up the feast,
"Ay, nor feel queasy!"
Oh, such a life as he resolved to live,
When he had learned it,
When he had gathered all books had to give!
Sooner, he spurned it.
Image the whole, then execute the parts–
Fancy the fabric
Quite, ere you build, ere steel strike fire from quartz,
Ere mortar dab brick!
(Here's the town-gate reached: there's the market-place
Gaping before us.)
Yea, this in him was the peculiar grace
(Hearten our chorus!)
That before living he'd learn how to live ---
No end to learning:
Earn the means first– God surely will contrive
Use for our earning.
Others mistrust and say– "But time escapes!"

''Live now or never!''
He said, ''What's time'' Leave Now for dogs and apes!
''Man has Forever.''
Back to his book then : deeper drooped his head :
Calculus racked him:
Leaden before, his eyes grew dross of lead:
Tussis attacked him.
''Now, Master, take a little rest!''– not he!
(Caution redoubled,
Step two abreast, the way winds narrowly)
Not a whit troubled
Back to his studies, fresher than at first,
Fierce as a dragon
He (soul-hydroptic with a sacred thirst)
Sucked at the flagon.
Oh, if we draw a circle premature,
Heedless of far gain,
Greedy for quick returns of profit, sure
Bad is our bargain!
Was it not great? did not he throw on God,
(He loves the burthen)–
God's task to make the heavenly period
Perfect the earthen?
Did not he magnify the mind, show clear
Just what it all meant?
He would not discount life, as fools do here,
Paid by instalment!
He ventured neck or nothing– Heaven's success
Found, or earth's failure:
''Wilt thou trust death or not?'' He answered ''Yes:
''Hence with life's pale lure!''
That low man seeks a little thing to do,
Sees it and does it:

This high man, with a great thing to pursue,
Dies ere he knows it,
That low man goes on adding nine to one,
His hundred's soon hit:
This high man, aiming at a million,
Misses an unit.
That, has the world here– should he need the next,
Let the world mind him!
This, throws himself on God, and unperplexed
Seeking shall find him.
So, with the throttling hands of Death at strife,
Ground he at grammar;
Still, thro' the rattle, parts of speech were rife:
While he could stammer
He settled Hoti's business– let it be!–
Properly based *Oun*–
Gave us the doctrine of the enclitic *De*,
Dead from the waist down.
Well, here's the platform, here's the proper place.
Hail to your purlieus,
All ye highfliers of the feathered race,
Swallows and curlews!
Here's the top-peak! the multitude below
Live, for they can, there.
This man decided not to Live but Know–
Bury this man there?
Here– here's his place, where meteors shoot, clouds form,
Lightnings are loosened,
Stars come and go! Let joy break with the storm,
Peace let the dew send!
Lofty designs must close in like effects :
Loftily lying,
Leave him– still loftier than the world suspects,
Living and dying.

৪.৫.২ কবিতাটোৰ সাধাৰণ আলোচনা

এ গ্ৰামাৰিয়ান্‌চ ফিউনাৰেল ৰবাৰ্ট ব্ৰাউনিঙৰ এটা বিখ্যাত কবিতা। কবিতাটোৰ প্ৰকাশৰ সময় ১৮৫৫। এইটো কবিতাৰ পৃষ্ঠভূমি ইউৰোপত হোৱা জ্ঞানৰ পুনৰুত্থানৰ পৰৱৰ্তী কালছোৱা। এই কবিতাটো নাটকীয় একোক্তিৰ আৰ্হিত ৰচিত। দৰাচলতে এইটো এটা শোক কবিতা যিটো এগৰাকী মহান ব্যায়কৰণবিদৰ মৃত্যুত তেওঁৰ এগৰাকী শিষ্যই গুৰুৰ গুণ-গৰিমা বখানি গাইছে। কবিতাটোত যিদৰে দৃশ্যপটৰ সলনি হৈছে সেয়াও মন কৰিবলগীয়া। শিষ্যগণে গুৰুৰ মৃতদেহটো সমতল ভূমিৰ পৰা পাহাৰ এটাৰ শিখৰলৈ সমাধিস্থ কৰিবলৈ লৈ গৈছে। তেওঁলোকে মৃতদেহটো লৈ যোৱা পথছোৱা অন্ধকাৰাচ্ছন্ন। সেই দীঘলীয়া বাট অতিক্ৰম কৰাৰ বেলিকা শিষ্য গৰাকীয়ে তেওঁৰ গুৰুৰ গুণ-গৰিমা বখানি আগবাঢ়িছিল। ইয়াৰ মাধ্যমেদি তেওঁ সেই মহান ব্যাকৰণবিদ গৰাকীৰ জীৱনী আৰু কৃতিত্বৰ লেখ আগবঢ়াইছিল।

ইহলীলা সম্বৰণ কৰা ব্যাকৰণবিদ গৰাকীৰ শিষ্যসকলে তেওঁলোকৰ গুৰুৰ মৃতদেহটো পৰ্বতৰ টিঙত সমাধিস্থ কৰিবলৈ সিদ্ধান্ত লৈছিল। তেওঁলোকৰ ধাৰণা মতে সমতল ভূমি কেৱল সাধাৰণ তৰপৰ চিন্তাৰ মানুহৰ বাবেহে। তেওঁলোকৰ গুৰুৰ বাবে সংস্কৃতি আৰু জ্ঞানৰ আকৰ ভূমি পৰ্বতেই শ্ৰেয়। ইয়াত 'পৰ্বত' শব্দটোৱে মহত্ব আৰু উচ্চ ধ্যান-ধাৰণাকে সূচাইছে। ইয়াতেই সূৰ্যৰ প্ৰথম ৰশ্মি কণা পৰে। তাৰ পাছতহে সূৰ্যৰ ৰশ্মি তলৰ সমতল ভূমিলৈ নামি যায়। তেওঁলোকৰ গুৰুগৰাকীৰ মৃতদেহ লৈ যোৱাৰ সময়ত গাঁওখনৰ বাকীবোৰ মানুহ শুয়েই আছিল। অৰ্থাৎ সিবিলাক অজ্ঞানৰ অন্ধকাৰত ডুব গৈ আছিল। ব্যাকৰণবিদ গৰাকীৰ জীৱনীকাৰ শিষ্য গৰাকীয়ে কৈছে যে সাধাৰণ মানুহৰ জীৱন নিশাৰ দৰে আৰু ব্যাকৰণবিদ গৰাকীৰ জীৱন ৰাতিপুৱাৰ দৰে। ইয়াতো প্ৰকাৰন্তৰে অজ্ঞতা আৰু জ্ঞানৰ কথাই কোৱা হৈছে। তেওঁলোকে মৃত গুৰুগৰাকীৰ শৱদেহটো পৰ্বতৰ টিঙৰ ওপৰত অৱস্থিত এটুকুৰা বিশেষ স্থানলৈ নিলে য'ত এক উজ্জ্বল পোহৰ বিচ্ছুৰিত হৈ আছিল। শৱদেহটো তাতেই সমাধিস্থ কৰা হ'ল।

ব্যাকৰণবিদ গৰাকীয়ে তেওঁৰ জীৱনৰ প্ৰথমছোৱা কাল পঢ়া-শুনা কৰি জ্ঞান অৰ্জন কৰিয়েই কটাইছিল। এটা সময়ত তেওঁ বৃদ্ধ হৈছিল। কিন্তু তথাপিতো অন্য মানুহৰ দৰে তেওঁ এলেহুৱা আৰু উৎসাহহীন হৈ পৰা নাছিল। বৃদ্ধকালতো তেওঁ পঢ়া-শুনা কৰি গৈছিল। তেওঁ অন্যান্য কবি আৰু পণ্ডিতৰ বিচাৰধাৰাৰ লগত পৰিচিত হোৱাৰ সুযোগ লাভ কৰিব বিচাৰিছিল। সেয়েহে তেওঁৰ নিৰলস অধ্যয়ন-তপস্যা। তেওঁৰ বয়সৰ অন্য কোনো সাধাৰণ ব্যক্তি হোৱাহেঁতেন জীৱনটো উপভোগ কৰি শেষ কালচোৱা আনন্দৰ মাজেদি পাৰ কৰিব বিচাৰিলেহেঁতেন। কিন্তু ব্যাকৰণবিদ গৰাকীয়ে মৃত্যুৰ পিছৰ জীৱনটোৰ প্ৰতিহে অধিক আগ্ৰহী আছিল। তেওঁ কিতাপবোৰৰ সমালোচনা পঢ়াৰ লগতে তাৰ ব্যাখ্যাসমূহো পঢ়িছিল। তেওঁ পঢ়া-শুনা কৰিয়েই জীৱনটো শেষ কৰি দিব বিচাৰিছিল।

তেওঁ জীৱনটোক বিভাজিত খণ্ডত চাব খোজা নাছিল। তেওঁ জীৱনটোক পূর্ণ ৰূপত চাব খুজিছিল। তেওঁৰ দৃষ্টিত বিভাজিত খণ্ডসমূহৰ সমন্বয়ত জীৱনে সম্পূর্ণতা লাভ কৰে। তেওঁ এটা ঘৰৰ উদাহৰণ দি কথাটো বুজাব খুজিছিল। প্রথমে ঘৰটোৰ অংশকেইটা আঁকি তাৰ পাছতহে ঘৰটো সাজিব লাগে। সেইদৰে, সেই ব্যাকৰণবিদ গৰাকীয়ে এইটো বিশ্বাস কৰিছিল যে মানুহে এটা সুখী জীৱনৰ কামনা কৰিলে তেনে মানুহে ডেকাকালৰ পৰাই প্রচেষ্টা হাতত ল'ব লাগে। তেওঁ নিজৰ জীৱনটো পৰিকল্পিতভাৱে আগবঢ়াইছিল। ঈশ্বৰৰ প্রতি তেওঁৰ অগাধ ভক্তি। সেইবাবে তেওঁ আনন্দময় পৰজন্মৰ হাবিয়াস কৰিছিল। তেওঁ এইটো বিশ্বাস কৰিছিল যে আত্মা অমৰ, কেৱল পঞ্চভূতেৰে নির্মিত দেহটোৰহে মৃত্যু হয়। আনহাতে সাধাৰণ চিন্তাধাৰাৰ মানুহৰ বাবে মুহূর্তটোৱেই জীৱন। তাক এনেয়েই পাৰ হৈ যাব দিব নালাগে। সেইবাবে তেওঁলোকে জাগতিক মায়া-মোহত আবদ্ধ হৈ সাংসাৰিক জীৱনটো ভোগ কৰে। তেওঁলোকে পৰজন্মৰ আশা নকৰে।

কিন্তু সাধাৰণ মানুহে আশা কৰা জাগতিক সুখ-স্বাচ্ছন্দ্য আৰু কৃতকার্যতা ব্যাকৰণবিদ গৰাকীয়ে বিচৰা নাছিল। তেওঁ নিজকে ক্ষুদ্র পৰিসীমাৰ মাজত আবদ্ধ কৰি থোৱা নাছিল। সাধাৰণ মানুহে ইহ জীৱনৰ ভোগ-ঐশ্বর্য কামনা কৰে। তাতেই তেওঁলোক সন্তুষ্ট। কিন্তু ব্যাকৰণবিদ গৰাকীয়ে পৰজীৱনৰ ঐশ্বর্য-বিভূতিৰ প্রতি আকাংক্ষা কৰে। সেয়া হই জীৱনৰ তুচ্ছ ঐশ্বর্যৰ তুলনাত শ্রেষ্ঠ। ইহ জীৱনত তেওঁ সন্তুষ্টি নাপালে। কিন্তু তেওঁ আশাবাদী। তেওঁৰ বিশ্বাস যে মৃত্যুৰ সিপাৰে থকা জগতখনত তেওঁ তেওঁৰ ইস্পিত বস্তু লাভ কৰিব পাৰিব। আজীৱন জ্ঞানান্বেষী মনৰ এইগৰাকী পণ্ডিতে মৃতশয্যাত পৰি থাকোতেও তেওঁৰ শিষ্যসকলক ব্যাকৰণৰ অভিধা আৰু উপসর্গ বুজাবলৈ ইচ্ছুক আছিল। তেওঁৰ জীৱনীকাৰ শিষ্যসহ অন্যান্য শিষ্য আৰু অনুৰাগীসকলে তেওঁৰ সেই আগ্রহ দেখি অভিভূত হৈছিল। তেওঁৰ প্রতি শ্রদ্ধা আৰু ভক্তিত সিবিলাকৰ শিৰ অৱনত হৈছিল।

সেই মহৎ উপলব্ধি দৃষ্টিত ৰাখি তেওঁৰ শিষ্যগৰাকীয়ে তেওঁৰ গুৰুৰ বাবে চৰাই-চিৰিকতিৰ কাকলিৰে মুখৰিত পর্বতৰ সু-উচ্চ শিখৰত অৱস্থিত স্থান নিৰূপণ কৰিলে য'ত তেওঁ অনন্ত নিদ্রাত শুই থাকিব। শিষ্যগৰাকীৰ দৃষ্টিত পর্বতৰ সু-উচ্চ শিখৰটোৱেই সেই স্থান য'ৰ পৰা সূর্য উদয় হয়, আকাশৰ বিশাল বুকুলৈ তৰাবোৰ, নিক্ষেপিত হয়, বিজুলিয়ে নিজৰ লক্ষ্যস্থান বিচাৰি লয়, য'ৰ পৰা ডাৰৰবোৰৰো উৎপত্তি হয় আৰু যি পক্ষীকূলৰ বিহাৰ ভূমি। সেই স্থান সেই মহান ব্যক্তিত্বৰ বাবে উপযুক্ত সমাধিক্ষেত্র হ'ব। গতিকে তেওঁৰ শৱদেহটো তাতেই সমাধিস্থ কৰা হ'ল।

৪.৫.৩ কবিতাটোৰ বিষয়বস্তু

এ গ্রামাৰিয়ান্‌চ ফিউনাৰেল কবি ৰবার্ট ব্রাউনিঙৰ এটা সার্থক সৃষ্টি য'ত নাটকীয় একোক্তিৰ সুন্দৰ প্রয়োগ ঘটিছে। কবিতাটোৰ বিষয়বস্তু হৈছে এগৰাকী জ্ঞানান্বেষী ব্যাকৰণবিদৰ মৃত্যু আৰু তেওঁৰ মৃতদেহ সমাধিস্থ কৰিবলৈ যাওঁতে তেওঁৰ অনুৰাগী

শিষ্য এগৰাকীয়ে গুৰুৰ গুণ স্মৰণ কৰি তেওঁৰ ব্যক্তিত্বৰ মহৎ দিশসমূহ উল্লেখ কৰিছে। এই শোক কবিতাটোত নাটকীয় একোক্তিৰ প্ৰয়োগে যি সজীৱতা আৰু মননশীলতা প্ৰদান কৰিছে, সিয়ে ভিক্টৰীয় যুগৰ এগৰাকী লেখৰ কবি ৰূপে ৰবাৰ্ট ব্ৰাউনিঙক চিহ্নিত কৰিছে। ইউৰোপত সংঘটিত হোৱা জ্ঞানৰ পুনৰুত্থানৰ সময়ছোৱাতে ৰবাৰ্ট ব্ৰাউনিঙে নাটকীয় একোক্তিৰ গঢ়ত এই বিশেষ শোক কবিতাটো ৰচনা কৰিছিল।

জাগতিক ভোগৰ বস্তুৱে মানুহক সাময়িক সুখ প্ৰদান কৰে। সেই ভোগত পূৰ্ণ সন্তুষ্টিৰ আনন্দ নাথাকে। জ্ঞানৰ সাধনাইহে মানুহক পূৰ্ণ সন্তুষ্টি প্ৰদান কৰে। আজীৱন জ্ঞানৰ সাধনাত ৰত ব্যাকৰণবিদ গৰাকীয়ে জ্ঞান সাধনাৰ এই মহত্ত্ব উপলব্ধি কৰিব পাৰিছিল। সেইবাবে তেওঁ নিজকে জাগতিক বস্তুৰ মায়া মোহৰ পৰা আঁতৰাই গ্ৰন্থৰ অধ্যয়ন, গ্ৰন্থৰ সমালোচনা, বিশ্লেষণ আৰু ব্যাকৰণ চৰ্চাতে জীৱনৰ অন্তিম মুহূৰ্তলৈকে নিজকে আত্মনিয়োগ কৰি ৰাখিছিল। সেইবাবে তেওঁ মৃত্যু শৰ্যাত পৰি থকা সত্বেও শিষ্যসকলক কেইটামান বিশেষ গ্ৰীক শব্দৰ শুদ্ধ প্ৰয়োগ যেনে-হ'টি (কাৰণ বা যিহেতু), অ'উন (সেই হেতু) আৰু উপসৰ্গ ডি (De)ৰ শুদ্ধ প্ৰয়োগৰ বিষয়ে ব্যাখ্যা কৰিছিল। তদুপৰি তেওঁ গ্ৰীক ভাষাৰ ব্যাকৰণৰ শুদ্ধ নিয়মসমূহ শিষ্যসকলক বুজাইছিল।

জ্ঞানৰ অন্বেষণে ব্যক্তিৰ মন বহল কৰে। জীৱনৰ তুচ্ছ বিষয়লৈ আতুৰ হৈ থকা মানুহৰ মনক জ্ঞানৰ জ্যোতিয়ে পোহৰাই তুলিব পাৰে। এইদৰে জ্ঞানৰ সাধনাই মানুহৰ মনৰ সংকীৰ্ণতা আঁতৰাই মানুহক যুক্তিবাদী কৰি তুলিব পাৰে, প্ৰকৃত জ্ঞান লাভ কৰাত সহায় কৰিব পাৰে। ব্যাকৰণবিদগৰাকীয়ে এইটো উপলব্ধি কৰিছিল যে—

> "Image the whole, then execute the parts...
> Fancy the fabric
> Quite, ere you build, ere steel strike fire from
> Ere mortar dab brick! quartz"

তেওঁ জীৱনটোক বিভাজিত ৰূপত প্ৰত্যক্ষ কৰা নাছিল। বৰঞ্চ তেওঁ পূৰ্ণাংগ ৰূপত জীৱনটোক উপলব্ধি কৰিছিল। তেওঁ এটা সুপৰিকল্পিত জীৱনৰ পোষকতা কৰিছিল। তেওঁ এইটো বিশ্বাস কৰিছিল যে মানুহে আৰম্ভণিৰে পৰা জীৱনটোক পৰিকল্পিতভাৱে আগবঢ়াই নিলে জীৱনটো সুখৰ হয়। এই সুখৰ অনুভূতি পাৰলৌকিক জীৱনলৈকো সম্প্ৰসাৰিত হয়। সমসাময়িক জগত আৰু জীৱনত দেখা দিয়া জ্ঞানৰ বিস্তাৰ আৰু নতুন চিন্তাৰ উদ্ভৱে সমাজত বাস কৰা লোকসকলক অনুপ্ৰাণিত কৰিছিল। তাৰ প্ৰতিধ্বনি ব্যাকৰণবিদৰ চিন্তাত ঘটিছে।

কবিতাটোত জ্ঞানৰ মহত্ব ঘোষিত হৈছে। সেয়া হৈছে সেই জ্ঞান যি বিভিন্ন বিষয়ৰ গ্ৰন্থ অধ্যয়নৰ দ্বাৰা আয়ত্ত্ব কৰিব পাৰি। বৈষয়িক চিন্তাত মগ্ন সাধাৰণ মানুহৰ বাবে সেই জ্ঞানৰ চূড়া স্পৰ্শ কৰাতো সহজ নহয়। কেৱল আঙুলিৰ মূৰত লেখিব পৰা কেইগৰাকীমানৰ বাবেহে তেনে চৰম শিখৰ লাভ কৰাতো সম্ভৱপৰ। তেনে লোকৰ

বাবেহে সমাজৰ সর্বোচ্চ সন্মানৰ আসন সংৰক্ষিত হৈ থাকে। পর্বতৰ উচ্চতম চূড়াই তাৰেই ইংগিত বহন কৰিছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ *এ গ্রামাৰিয়ান্‌চ ফিউনাৰেল* কবিতাটোৰ মূল বিষয়বস্তু কি? (৭৫টা শব্দৰ ভিতৰত)

.....

৪.৫.৪ কবিতাটোৰ ৰচনাশৈলী

এ গ্রামাৰিয়ান্‌চ ফিউনাৰেল কবি ৰবার্ট ব্রাউনিঙৰ এটা অন্যতম শোক কবিতা। ৰবার্ট ব্রাউনিঙে ইংৰাজী কবিতাৰ ইতিহাসত নাটকীয় একোক্তিৰ প্রচলনেৰে নিজৰ কবিতাক এক বিশিষ্ট দিশ প্রদান কৰিছিল। নাটকীয় উক্তি তেওঁৰ কবিতাৰ প্রধান উপজীব্য। এই বিশেষ কবিতাটোত মৃত ব্যাকৰণবিদগৰাকীৰ এগৰাকী শিষ্য (ছাত্রই) গুৰুৰ মৃতদেহটো সমাধিস্থ কৰিবলৈ পর্বতৰ সুউচ্চ শৃংগটোলৈ যাওঁতে তেওঁৰ গুণ-গান কৰি যি শোক গাথা ৰচিছিলে তাকেই কবিয়ে কবিতা ৰূপে ইয়াত উপস্থাপন কৰিছে। কবিতাটো আৰম্ভণিৰে পৰা শেষলৈকে নাটকীয়ভাৱে উপস্থাপিত হৈছে। ব্যাকৰণবিদ গৰাকীৰ ছাত্রজনে গুৰুৰ গুণ-গৰিমা বর্ণনা কৰি লগত যোৱা অন্যান্য সকলক মৃত ব্যক্তিগৰাকীৰ প্রতিভাৰ লগত পৰিচিত কৰাইছে। তেওঁ উদাত্তকণ্ঠে গাইছে—

"Let us begin and carry up this corpse,
Singing together.
Leave us the common crofts, the vulgar thorpes
Each in its tetther
Sleeping safe on the bosom of the plain,"

দুর্বোধ্যতা ৰবার্ট ব্রাউনিঙৰ কবিতাৰ আন এটা উল্লেখযোগ্য দিশ। সমসাময়িক অন্য কবিৰ দৰে তেওঁ তেওঁৰ কবিতাৰ ভাববস্তু সহজ-সৰলভাৱে উপস্থাপন কৰা নাছিল। তেওঁ নানা ভাষাৰ বিশাৰদ আছিল। ভালেকেইটা ভাষাৰ লগত পৰিচিত হোৱা ৰবার্ট ব্রাউনিঙে নিজৰ কবিতাত তেওঁৰ সেই মেধাৰ ছাপ এৰিছে। এটা অধ্যয়নপুষ্ট মন নহ'লে তেওঁৰ কবিতাৰ পাঠ সহজতে বুজাতো সম্ভৱ নহয়। কবিতাটোত তেওঁ এগৰাকী মহান ব্যাকৰণবিদৰ কলা সাধনাৰ কথা বর্ণনা কৰিছে। সেইগৰাকী বিদ্বানে দৈনন্দিন জীৱনকো কলা ৰূপে চাব বিচাৰিছিল। সেই কাৰণে তেওঁ কোনো দিনে দৈনন্দিন জীৱনৰ সাংসাৰিক দায়িত্বৰ প্রতি চকু দিয়া নাছিল। কেৱল অধ্যয়নেই তেওঁৰ জীৱন আছিল। সেইবাবে তেওঁৰ অনুৰাগী ছাত্রসকলে মৃত্যুৰ পিছতো যাতে তেওঁ সেই সংস্কৃতিসম্পন্ন পৰিৱেশ

লাভ কৰে তাৰ ব্যৱস্থা কৰিছিল—

''Seek we sepulture
On a tall mountain, citied to the top,
Crowded with Culture!''

ব্যংগ কবি ব্ৰাউনিঙৰ কবিতাৰ অন্য এটা মন কৰিবলগীয়া দিশ। ব্যংগৰ মাধ্যমেদি তেওঁ সমসাময়িক যুগ চিন্তাত দেখিবলৈ পোৱা ৰক্ষণশীলতা, ভণ্ডামী আৰু স্বাৰ্থপৰতাক ভ্ৰূকুটি কৰিছিল। অৱশ্যে কবিতাত প্ৰয়োগ কৰা ব্যংগৰ মাজেদি সমাজক ব্যংগ কৰা কবিৰ মন পৰিশীলিত চিন্তাৰ দ্বাৰা উদ্বুদ্ধ হৈছিল। সূক্ষ্মভাৱে পৰ্যবেক্ষণ কৰিলে শোক কবিতাটোৰ নায়ক ব্যাকৰণবিদ গৰাকীয়ে জ্ঞানৰ সাধনা কৰিছিল ঠিকেই, কিন্তু সাংসাৰিক জীৱ হিচাপে তেওঁৰ বহুতো পালনীয় কৰ্তব্যৰ প্ৰতি তেওঁ উদাসীন আছিল। বাস্তৱ সমাজত বাস কৰা ব্যক্তি এগৰাকীৰ তেনে আচৰণ সকলো সময়তে গ্ৰহণীয় নহ'বও পাৰে। তেওঁৰ সেই আওকণীয়া মনোভাৱে তেওঁৰ সমাজৰ অন্যান্য মানুহৰ পৰা চিৰদিন নিলগাই ৰাখিলে। প্ৰকাৰন্তৰে ক'বলৈ গ'লে তেওঁৰ পাণ্ডিত্যাভিমান আছিল।

৪.৫.৫ কঠিন শব্দৰ টোকা

1. Corpse– শৱদেহ, ইয়াত ব্যাকৰণবিদ গৰাকীৰ মৃতদেহটোৰ কথা কোৱা হৈছে।
2. Common crofts– ঘৰৰ গাতে লগা বেৰ দিয়া শস্যক্ষেত্ৰ বা বাৰী।
3. Vulgar thorpes– ইয়াত গ্ৰাম্য লোকসমূহৰ কথা বুজোৱা হৈছে।
4. Yonder– দূৰৈত অৱস্থিত।
5. Sepulture– শৱ সৎকাৰ।
6. Citadel– গড়।
7. Cramped– নিঃসাৰ হ।
8. Grappled– খেপিওৱা।
9. Drooped– নিশকতীয়া হ।
10. Dross– চামনি।
11. Enclitic– উপসৰ্গ।
12. meteors– উল্কা।

৪.৬ কবি হিচাপে ৰবাৰ্ট ব্ৰাউনিঙৰ মূল্যায়ন

ইংৰাজী সাহিত্যত ভিক্টৰীয় যুগৰ যি কেইগৰাকী লেখৰ কবি আছিল, তাৰ ভিতৰত ৰবাৰ্ট ব্ৰাউনিং অন্যতম। এইগৰাকী কবিৰ কবিতাৰ ৰোমাণ্টিক যুগৰ শেষৰ ফালে সাহিত্যলৈ নামি অহা অৱসাদ যুগটোৰ চিত্ৰ মনোজ্ঞ ৰূপত ফুটি উঠিছে। ভিক্টৰীয় যুগটোৰ সাহিত্যত প্ৰচলিত

পৰম্পৰাগত ধর্মীয় বিশ্বাস আৰু নকৈ হোৱা বৈজ্ঞানিক আৱিষ্কাৰসমূহৰ মাজত সৃষ্টি হোৱা সংঘাতৰ চিত্র ফুটি উঠে। অধ্যয়নশীল মনৰ ৰবার্ট ব্রাউনিঙৰ চিন্তাতো ধর্ম আৰু বিজ্ঞানে স্বস্থানত বিদ্যমান হৈ তেওঁৰ কাব্য চিন্তাক প্রভাৱিত কৰিছিল। তেওঁৰ চিন্তাত ধর্ম পৰম্পৰাৰ ৰূপত ফুটি উঠিছিল আৰু বৈজ্ঞানিক চিন্তা প্রগতিবাদী চিন্তাৰ ৰূপত উদ্ভাসিত হৈছিল। সমাজ আৰু ব্যক্তি জীৱনত দেখা দিয়া ভণ্ডামি আৰু কপট গাম্ভীর্যই কবিক অতিষ্ঠ কৰি তুলিছিল। নাটকীয় একোক্তিৰ মাধ্যমেদি প্রকাশিত কাব্যকৃতিত তেওঁ শ্লেষাত্মকভাৱে সময় আৰু ব্যক্তি চৰিত্রৰ অন্ধকাৰ দিশসমূহ কাব্যিক ৰূপত ফুটাই তুলিছে। পিছে অন্যান্য কবিৰ দৰে এইগৰাকী কবিও সমালোচকৰ ক্ষুৰধাৰ সমালোচনাৰ পৰা হাত সাৰি যোৱা নাছিল।

ৰবার্ট ব্রাউনিঙৰ বিৰুদ্ধে থকা ডাঙৰ অভিযোগটো হৈছে যে তেওঁৰ কবিতা দুর্বোধ্য। পাঠকে তেওঁৰ কবিতা বুজি নাপায়। তেওঁৰ এগৰাকী জীৱনীকাৰে লিখা মতে তেওঁৰ বিখ্যাত কাব্য *Sordello* ১৮৪০ চনত প্রকাশ হোৱাৰ পাছত সেই কাব্যখন সমালোচনাৰ সন্মুখীন হৈছিল টেনিচনে সেই কাব্যখন পঢ়ি মন্তব্য দিছিল যে তেওঁ সেই দীঘলীয়া কবিতাটোৰ প্রথম আৰু শেষৰ শাৰীটোহে বুজি পাইছিল। কার্লাইন (Carlyle) নামৰ এগৰাকীয়ে কৈছিলে যে তেওঁৰ পত্নীয়ে কবিতাটো পঢ়ি শেষ কৰিছিল, কিন্তু চার্দিলো পুৰুষ নে চহৰ নে কিতাপৰ নাম সেইটো তেওঁ বুজি নাপালে। তেওঁৰ *এ গ্রামাৰিয়ান্‌চ ফিউনাৰেল* কবিতাটোত থকা কিছুমান শাৰীতো সেই একেই দুর্বোধ্যতা ফুটি উঠা পৰিলক্ষিত হয়—

> "Seek we sepulture
> On a tall mountain, cited to the top,
> Crowded with culture!"

সমালোচক মহেন্দ্র ৰৱাই তেওঁৰ গ্রন্থ *ৰমন্যাসৱাদত* ৰবার্ট ব্রাউনিঙৰ কাব্যিক প্রতিভাৰ সমালোচনাৰ প্রসংগত লিখিছে যে আলফ্রেড টেনিচনৰ দৰে ৰবার্ট ব্রাউনিং যুগৰ অর্থাৎ ভিক্টৰীয় যুগক প্রতিনিধিত্ব কৰা কবি নাছিল এই কাৰণেই যে তেওঁ ভিক্টৰীয় যুগৰ কবি হোৱা সত্ত্বেও তেওঁৰ চিন্তাধাৰা যুগতকৈ আগবঢ়া আছিল। ল'ৰালিৰে পৰা ঘৰুৱা জীৱনত লাভ কৰা পঢ়া-শুনাৰ পৰিৱেশে তেওঁৰ মন-মেধা মথি তেওঁৰ চিন্তাধাৰাক উন্নত স্তৰ প্রদান কৰিছিল।

A Grammarian's Funeral কবিতাত কবি মনৰ সেই উচ্চাত্মিকা চিন্তা ফুটি উঠিছে—

> "That low man seeks a little thing to do,
> Sees it and does it :
> This High man, with a great thing to pursue,
> Dies ere he knows it.
> That low man goes on adding nine to one,
> His hundred's soon hit :
> This High man, aiming at a million,
> Misses an unit.

That, has the world here ... should he need
Let the world mind him!''

বিবিধ বিষয়ৰ জ্ঞানে ব্ৰাউনিঙৰ মানসিক দিগন্ত প্ৰসাৰিত কৰিছিল। ভিক্টৰীয় যুগৰ ইংলণ্ডৰ শ্বাসৰুদ্ধকৰ পৰিৱেশ পৰিস্থিতিয়ে ব্ৰাউনিঙৰ নিচিনা যুক্তিবাদী, উদাৰ চিন্তাৰ কবিৰ মন বান্ধি ৰাখিব নোৱাৰিলে। তেওঁ সেইখন সমাজত থাকিও সমাজৰ উৰ্দ্ধত চিন্তা কৰিছিল। সামাজিক জীৱনত দেখা দিয়া ভেম-ভণ্ডামিয়ে তেওঁক প্ৰভাৱিত কৰিব পৰা নাছিল। বৰঞ্চ তেওঁ তীৰ্যকভাৱে সেই দোসযুক্ত দিশসমূহৰ সমালোচনা কৰিছিল। সমাজৰ আন দহজনৰ দৰে তেওঁ ঐহিক প্ৰসিদ্ধি বা সমৃদ্ধিৰ কামনা কৰাৰ বিপৰীতে পাৰমাৰ্থিক উন্নতিৰ কথাহে ভাবিছিল। তেওঁৰ সেই মহানুভৰী চিন্তা তেওঁৰ অন্যতম কাব্য কৃতি *এ গ্ৰামাৰিয়ান্‌চ ফিউনাৰেলত* জ্ঞান পিপাসু ব্যাকৰণবিদ গৰাকীৰ মানসিকতাৰ মাজেদি প্ৰতিফলিত হৈছে।

কবি ৰবাৰ্ট ব্ৰাউনিঙৰ বিৰুদ্ধে তেওঁৰ সময়ৰ অন্যান্য কবি আৰু সমালোচকসকলে কৰা আটাইতকৈ ডাঙৰ অভিযোগটো হ'ল যে তেওঁৰ ইংলণ্ডৰ চিত্ৰ বিৰল। মন কৰিবলগীয়া যে চৈধ্য বছৰ বয়সতে ব্ৰাউনিঙে ফৰাচী, গ্ৰীক, ইটালীয় আৰু লেটিন ভাষা সলসলীয়াকৈ ক'ব পাৰিছিল। স্বাভাৱিকতে এইটো বুজা যায় যে এই ভাষাকেইটা জনাৰ লগতে সেই সেই ভাষাত ৰচিত হোৱা ৰচনাকৃতিৰ লগতো তেওঁ পৰিচিত হৈছিল। সমসাময়িক কালত পশ্চিমীয়া সভ্যতা-সংস্কৃতি আৰু শিল্প কলাৰ ৰম্যভূমি স্বৰূপ ইটালীৰ লগত কবিৰ এক নিবিড় সম্পৰ্ক আছিল। স্বয়ং কবি ব্ৰাউনিঙে নিজেই, পৰৱৰ্তী সময়ছোৱাত ইটালীক তেওঁ অধ্যয়ন কৰি অহা বিশ্ববিদ্যালয় আখ্যা দিছিল। সমালোচক হিউ ৱাকাৰে তেওঁক 'টিউটনিক প্ৰতিভা' আখ্যা দি গৈছে। ষ্টপফোৰ্ড ব্ৰুকে ৰবাৰ্ট ব্ৰাউনিঙৰ কবিতাসমূহলৈ আঙুলিয়াই কৈছে যে তেওঁৰ কেৱল তিনিটা কবিতাতহে ইংলণ্ডৰ মাটিৰ গোন্ধ বিয়পি আছে। সেই কবিতাকেইটা হৈছে ক্ৰমে *পলাইন, অ'টু বি ইন ইংলেণ্ড* আৰু *ইন এলবাম*।

উদাৰ প্ৰগতিবাদী চিন্তাৰ ৰবাৰ্ট ব্ৰাউনিং তেওঁ বাস কৰা সমাজখনৰ পৰা বহুত আগবঢ়োৱা হৈছিল। সেইবাবে তেওঁ বাস্তৱিক ভৌগোলিক পৰিসীমা চেৰাই কলাৰ সাধনাত নিমগ্ন হৈ অন্যান্য কৃতিৰ লগতে এমুঠি নাটকীয় একোক্তি লিখি প্ৰসিদ্ধ হ'ল।



৪.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এই অধ্যায়টিৰ অধ্যয়নে আপোনাক ইংৰাজী সাহিত্যত ভিক্টৰীয় যুগ ৰূপে প্ৰসিদ্ধ সময়ছোৱাৰ এগৰাকী কৃতবিদ্য সাহিত্যিক ৰবাৰ্ট ব্ৰউনিঙৰ জীৱন আৰু কৃতিৰ লগত পৰিচিত কৰালে।
- ভিক্টৰীয় যুগটো ইংলণ্ডৰ ৰাজনৈতিক ইতিহাস আৰু সামাজিক ইতিহাস উভয় দিশতে এটা গুৰুত্বপূৰ্ণ সময়। সেই সময়ৰ সাহিত্যক সমসাময়িক ঘটনা-পৰিঘটনাসমূহে প্ৰভাৱিত কৰিছিল। এই পাঠৰ আলোচনাত সমসাময়িক যুগৰ বিভিন্ন ঘটনাৰাজিয়ে সেই

সময়ছোৱাত সাহিত্যক কি গতি প্রদান কৰিছিল, তাৰ লেখ পাব।

- অধ্যয়ন পিপাসু মনৰ ৰবার্ট ব্রাউনিঙে তেওঁৰ সৃষ্টিৰ বাবে নিজৰ এক পৰিমণ্ডল নির্মাণ কৰি লৈছিল। তাত কলা, সৃষ্টিশীলতা আৰু সংবেদনশীলতা—সকলোৰে মিশ্রণ ঘটিছিল। তাৰ আধাৰতে তেওঁৰ বিভিন্ন সৃষ্টিৰ আলোচনা আগবঢ়োৱা হৈছে।
- *এ গ্রামাৰিয়ান্‌চ ফিউনাৰেল* ৰবার্ট ব্রাউনিঙৰ কবি জীৱনৰ এক সার্থক সৃষ্টি। ইয়াত তেওঁ জ্ঞানৰ সাধনা আৰু তাৰ লগত জড়িত উচ্চাত্মিকবোধৰ কথা কৈছে। জ্ঞানান্বেষী মনে ব্যৱহাৰিক জীৱনৰ তুচ্ছ সুখবোৰৰ পিছে পিছে ঘূৰি নুফুৰে। বৰঞ্চ জ্ঞানৰ মার্গ গ্রহণ কৰি পাৰমার্থিক লাভালাভৰ কথাহে চিন্তা কৰে।
- কবিতাটোৰ আলোচনাৰ মাজেদি কবি ৰবার্ট ব্রাউনিঙৰ বিষয়বস্তু নির্বাচনৰ পৰিপক্ক চিন্তা আৰু শব্দ নির্বাচনৰ অপূর্ব দক্ষতা ফুটি উঠিছে।
- অৱশ্যে এইগৰাকী কবিৰ কবিতাত দুর্বোধ্যতাৰ ছাপ স্পষ্ট। তাৰ বাবে তেওঁৰ সমসাময়িক কবি সমালোচকসকলে তেওঁক সমালোচনা কৰিছে। তেওঁৰ কবিতাৰ দুর্বোধ্যতাৰ বিষয়ে কৰা চমু আলোচনাৰ মাজেদি কবি ৰবার্ট ব্রাউনিঙৰ কবিতাত দৃষ্টিগোচৰ হোৱা এই বিশেষ দিশটোৰ বিষয়ে আপোনাক অৱগত কৰোৱা হ'ল।



৪.৮ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

১) বৰা, মহেন্দ্র (১৯৯৫); *ৰমন্যাসবাদ;* ডিব্রুগড় ঃ বনলতা।

ইংৰাজী গ্রন্থ ঃ

২) Abrams, M. H. and Harpham, G. (Ed.) (2007); *A Glossary of Literary Terms;* Thomson Wadsworth.

৩) Brooke, S. (2007); *The Poetry of Robert Browning;* New Delhi : Atlantic Publishers Pvt. Ltd.

৪) Long, W. S (2007/First Indian Reprint); *English Literature : The History and its Significance;* Surjeet, New Delhi : Publications.

৫) Sampson, G. (2006); *The Concise Cambridge History of English Literature;* New York : Cambridge University Press.

৬) Trevelyan, G. M. (1986); *English Social History;* England, Penguin Books Ltd.



৪.৯ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্ৰশ্নৰ উত্তৰ ঃ ৰবাৰ্ট ব্ৰাউনিঙৰ জন্ম.....পিতৃ-মাতৃৰ পৰিচয়.....তেওঁৰ ল'ৰালিকাল... .....শিক্ষা জীৱন.....কৰ্মজীৱন.....সাহিত্য কৃতি.....মৃত্যু।

২নং প্ৰশ্নৰ উত্তৰ ঃ কবি ৰবাৰ্ট ব্ৰাউনিঙৰ চমু পৰিচয়.....কবি ব্ৰাউনিঙৰ দৃষ্টিত প্ৰেম আৰু প্ৰেমৰ ভিন্ন প্ৰকাশ (কবিতাটোৰ উপশাখাত আলোচিত ব্ৰাউনিঙৰ প্ৰেমৰ কবিতাৰ বিষয়ে থকা ছেদসমূহৰ আধাৰত উত্তৰটো প্ৰস্তুত কৰিব)

৩নং প্ৰশ্নৰ উত্তৰ ঃ কবিতাটোৰ মূল পাঠৰ তেনেই চমু আলোচনা.....কবিতাটোৰ বিষয়বস্তু হৈছে জ্ঞানৰ মহত্ত্ব আৰু সেই মহত্ত্বৰ উপলব্ধি (উত্তৰটো লিখোতে কবিতাটোৰ মূল আলোচনা ভাগৰ সহায় ল'ব আৰু তাক নিজৰ ভাষাত লিখিবলৈ যত্ন কৰিব।)



৪.১০ আৰ্হি প্ৰশ্ন

প্ৰশ্ন নং ১ ঃ ইংৰাজী সাহিত্যৰ ইতিহাসত ভিক্টৰীয় যুগৰ গুৰুত্ব কি?

প্ৰশ্ন নং ২ ঃ ভিক্টৰীয় যুগৰ কবি হিচাপে ৰবাৰ্ট ব্ৰাউনিঙৰ ব্যতিক্ৰমধৰ্মী বিশেষত্ব ক'ত ফুটি উঠিছে?

প্ৰশ্ন নং ৩ ঃ কবি ৰবাৰ্ট ব্ৰাউনিঙৰ জীৱন আৰু সাহিত্য কৃতিৰ বিষয়ে এটি আলোচনা প্ৰস্তুত কৰক।

প্ৰশ্ন নং ৪ ঃ ৰবাৰ্ট ব্ৰাউনিঙৰ ৰচনাৰাজিৰ মূল্যায়ন আগবঢ়াওক।

প্ৰশ্ন নং ৫ ঃ ৰবাৰ্ট ব্ৰাউনিঙৰ দৃষ্টিত নাৰী— এই বিষয়ে এক চিন্তাশীল নিবন্ধ যুগুত কৰক।

প্ৰশ্ন নং ৬ ঃ ইংৰাজী সাহিত্যত প্ৰেমৰ কবি ৰূপে ৰবাৰ্ট ব্ৰাউনিঙৰ স্থান নিৰূপণ কৰক।

প্ৰশ্ন নং ৭ ঃ *এ গ্ৰামাৰিয়ান্‌চ ফিউনাৰেল* কবিতাটোৰ আধাৰত কবি ৰবাৰ্ট ব্ৰাউনিঙৰ জীৱন দৰ্শন বিচাৰ কৰক।

প্ৰশ্ন নং ৮ ঃ ইংৰাজী কবিতাত নাটকীয় একোক্তিৰ প্ৰয়োগ জনপ্ৰিয় কৰি তোলাত কবি ৰবাৰ্ট ব্ৰাউনিঙৰ ভূমিকা কি— আলোচনা কৰক।

প্ৰশ্ন নং ৯ ঃ সততে ৰবাৰ্ট ব্ৰাউনিঙৰ বিৰুদ্ধে এইটো অভিযোগ উত্থাপিত হয় যে তেওঁৰ কবিতাত ইংলণ্ডৰ মাটিৰ গোন্ধ নাই কেনেকৈ? বিচাৰ কৰক।

প্ৰশ্ন নং ১০ ঃ কবি হিচাপে ৰবাৰ্ট ব্ৰাউনিঙৰ এটি মূল্যায়ন আগবঢ়াওক।

*** ***** ***

অধ্যায় ৫ ঃ টি এছ্ এলিয়ট ঃ *দ্য ৰেষ্টলেণ্ড (হুৱাট দ্য ঠাণ্ডাৰ চেইড্)*

অধ্যায় গাঁথনি

৫.১ উদ্দেশ্য

৫.২ পৰিচয়

৫.৩ ইংৰাজী কাব্য সাহিত্য আৰু আধুনিক যুগ

৫.৪. টি এছ্ এলিয়ট

- ৫.৪.১ জীৱনী
- ৫.৪.২ সাহিত্যকৃতি

৫.৫ *দ্য ৰেষ্টলেণ্ড* কাব্যৰ চমু আলোচনা

৫.৬ *হুৱাট দ্য ঠাণ্ডাৰ চেইড্* (What the Thunder Said)

- ৫.৬.১ মূল ইংৰাজী কবিতাটোৰ পাঠ
- ৫.৬.২ কবিতাটোৰ বিষয়বস্তু
- ৫.৬.৩ কবিতাটোৰ ৰচনাশৈলী

৫.৭ কবি হিচাপে টি এছ্ এলিয়টৰ মূল্যায়ন

৫.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৫.৯ অধিক জানিবলৈ

৫.১০ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

৫.১১ আৰ্হি প্রশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ইংৰাজী কাব্য সাহিত্যলৈ কি দৰে আধুনিক যুগৰ আগমন ঘটিল তাৰ আভাস পাব
- কবি টি এছ্ এলিয়টৰ জীৱনী সম্পর্কে জানিব পাৰিব
- টি এছ্ এলিয়টৰ সাহিত্য প্রতিভাৰ বিষয়ে আলোচনা কৰিব পাৰিব
- *দ্য ৰেষ্টলেণ্ড* কাব্যগ্রন্থৰ পৰিচয় আগবঢ়াব পাৰিব
- *হুৱাট দ্য ঠাণ্ডাৰ চেইড্* মূল ইংৰাজী কবিতাটো পঢ়িবলৈ পাব
- কবিতাটোৰ বিষয়বস্তু আলোচনা কৰিব পাৰিব
- কবিতাটোৰ ৰচনাশৈলীৰ বিষয়ে ধাৰণা লাভ কৰিব
- কবি হিচাপে টি এছ্ এলিয়টক মূল্যায়ন কৰিব পাৰিব।

৫.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া তৃতীয় যাণ্মাসিকৰ অন্তৰ্গত সাহিত্য শাখাৰ শিক্ষার্থীৰ বাবে আগবঢ়োৱা এইখন তৃতীয় পাঠ্যবিষয়। পাঠ্যবিষয়ৰ শিৰোনাম 'পাশ্চাত্য সাহিত্যৰ নির্বাচিত পাঠ'। ইতিমধ্যে পূর্বৱর্তী চাৰিটা অধ্যায়ত আপুনি ইংৰাজী কাব্য সাহিত্যৰ চাৰিগৰাকী কবিৰ কাব্য ৰচনাৰ লগত পৰিচিত হ'ল। এই অধ্যায়টোৰ আলোচ্য বিষয় হৈছে বিংশ শতিকাৰ এগৰাকী শ্রেষ্ঠ কবি আৰু সাহিত্য সমালোচক টি এছ এলিয়ট আৰু তেওঁৰ মহত্তম কৃতি *দ্য ৰেষ্টলেণ্ডৰ* অন্তৰ্গত কবিতা *হুৰাট দ্য ঠাণ্ডাৰ চেইডৰ* আলোচনা।

কাব্য সাধনা কৰি যি সকল কৃতবিদ্য সাহিত্যিকে বিশ্ব কাব্য জগতত অমৰত্ব লাভ কৰিছে, সেইসকলৰ ভিতৰত ইংৰাজ কবি টি এছ এলিয়ট অন্যতম। বিংশ শতিকা আৰম্ভ হোৱা কেইবছৰমানৰ পিছতেই বিশ্বৰ মানৰ সমাজত জোকাৰি যোৱা প্রথম বিশ্বযুগৰ ক্ষয়ঙ্কৰ পৰিণতিয়ে যি হতাশাবোধ, শূন্যতা আৰু উৎকণ্ঠাৰ সৃষ্টি কৰিছিল, তাৰ চিটিকনি সমসাময়িক কাব্য-সাহিত্যৰ ক্ষেত্রলৈকো সম্প্রসাৰিত হৈছিল। সেই প্রক্রিয়াই *দ্য ৰেষ্টলেণ্ডৰ* নিচিনা মহৎ কাব্যকৃতিৰ নির্মিতিত অভূতপূর্ব অৰিহণা যোগায়। *দ্য ৰেষ্টলেণ্ডৰ* কবিতাসমূহত জীৱন আৰু জগতৰ যি গভীৰ, মননশীল ৰূপ আৰু দৃষ্টিভংগী প্রকাশ পাইছে সিয়ে কাব্য নির্মাতা গৰাকীক 'যুগ পুৰুষ' সদৃশ চৰিত্র প্রদান কৰিছে। আহকচোন, আমি এতিয়া মূল আলোচনাভাগলৈ আগবাঢ়ো।

৫.৩ ইংৰাজী কাব্য সাহিত্য আৰু আধুনিক যুগ

বর্ণাঢ্যতা আৰু বিবিধতা ইংৰাজী সাহিত্যৰ চকুত লগা বৈশিষ্ট্য। ইংৰাজী সাহিত্যৰ অধ্যয়নৰ সুবিধাৰ বাবে ভাগ কৰা যুগসমূহৰ আধাৰতে সেই বৈশিষ্ট্য পৰিলক্ষিত হয়। এই বিচিত্র ৰূপে সময়ে সময়ে সাহিত্য সমালোচকসকলকো বিবুদ্ধিত পেলাইছিলে। সাহিত্যৰ মহাসাগৰত মূৰ দাঙি উঠা সুকীয়া দ্বীপ স্বৰূপ একো একোজন কৃতবিদ্য সাহিত্যিকৰ ৰচনাৰ পূর্ণাঙ্গ যতার্থ মূল্যায়ন সহজসাধ্য নহয়। সেয়েহে প্রখ্যাত সাহিত্য আলোচক মণ্টেইনৰ কথাতে সূৰ মিলাই ক'ব পাৰি—

"I have here gathered a posy of other men's flowers and only the thread that binds them is mine own."

১৮৯৭ চনত মহাৰাণী ভিক্টৰীয়াৰ ৰাজত্বৰ হীৰক জয়ন্তী সমাৰোহে বৃটিছ সাম্রাজ্যৰ গৌৰৱময় যুগৰ কথা ঘোষণা কৰিলে। কিন্তু তাৰ পৰৱর্তী সময়ছোৱাত দেখা দিয়া নানানটা পৰিস্থিতিয়ে সমসাময়িক যুগ চিন্তাক প্রভাৱিত কৰিছিল। তাৰ প্রথমটো হৈছে সাম্রাজ্যবাদী আগ্রাসন আৰু তাক কু পৰিণতি। ইউৰোপৰ বিভিন্ন স্থানত সাম্রাজ্যবাদী চিন্তাই সেই সেই সমাজৰ ৰাজনীতি, সমাজনীতি আৰু সাহিত্য কলাক প্রভাৱিত কৰিছিল। ক্রমশঃ জার্মানীৰ

উত্থান, আফ্রিকা আৰু ইণ্ডো-চীন অঞ্চললৈ ফৰাচী সাম্ৰাজ্যৰ প্ৰসাৰিত হাতোৰা, ইটালীৰ আব্বিচিনিয়া আক্ৰমণ, আমেৰিকা যুক্তৰাষ্ট্ৰৰ ফিলিপাইনচ দখল যাৰ পৰিণতি স্বৰূপে আমেৰিকাই এক নতুন শত্ৰু-জাপানক গোটাই ল'লে ইত্যাদি। দ্বিতীয়তে, সেই সময়ছোৱাত আৰম্ভ হোৱা সংস্কাৰমূলক আন্দোলনসমূহেও সমসাময়িক সাহিত্যক প্ৰভাৱিত কৰিছিল। ইংলেণ্ডৰ সমাজ জীৱনো ইয়াৰ ব্যতিক্ৰম হোৱা নাছিল। ভিক্টৰীয় যুগে বিজ্ঞানক স্বাগতম জনাইছিল সঁচা, কিন্তু ধৰ্মীয় গোড়ামি, কু-সংস্কাৰ আৰু কপটাচাৰৰ পৰা ব্যক্তি জীৱন মুক্ত হ'ব পৰা নাছিল। এখন সুস্থ সমাজত উশাহ ল'বলৈ যেন লেখক সাহিত্যিকসকল উদ্বাউল হৈছিল। সেই সময়ত লেখক জে'মচ থমচনৰ City of Dreadful Night-ত সামাজিক যুগৰ সমাজ জীৱন মৰ্মস্পৰ্শী ৰূপত ফুটি উঠিছে।



জানি থোৱা ভাল

City of Dreadful Night; City of Dreadful Night স্কটিচ কবি জে'মচ থমচনৰ এটা দীঘলীয় কবিতা। কবিতাটো National Reformer-ত ১৮৭৪ চনত প্ৰকাশ পাইছিলে। ১৮৮০ চনত City of Dreadful Night and Other Poems নাম সংগ্ৰহত কবিতাটো পুনৰ প্ৰকাশিত হৈছিল। ইয়াত এগৰাকী নাস্তিক কবিৰ দৃষ্টিত লণ্ডন চহৰৰ হতাশাজনক চিত্ৰ ফুটি উঠিছে। ইয়াত কবিৰ নিৰাশাবাদ আৰু মানসিক শূন্যতাবোধ স্পষ্ট।

নানা দুৰ্ভাৱনা, অভিনৱত্ব আৰু বিজ্ঞানৰ নিত্য নতুন উদ্ভাৱনৰ মাজত বিংশ শতিকাটো আহি উপস্থিত হ'ল। পিছে নতুন শতিকাটো আদৰিবলৈ নৌহওঁতেই সমগ্ৰ বিশ্বতে প্ৰথম বিশ্ব যুদ্ধত ৰণবাদ্যৰ কাণ তাল মৰা শব্দ ধ্বনিত-প্ৰতিধ্বনিত হ'ল। ঊনবিংশ শতিকাৰ শেষ ভাগত জন্ম লাভ কৰা কবি-সাহিত্যিকসকলে সমাজ জীৱনত দেখা দিয়া গৰাখহনীয়াকে নিজৰ লেখনিৰ প্ৰধান সম্বল ৰূপে গ্ৰহণ কৰিছিল। ৰুদয়ার্দ কিপলিঙ (১৮৬৫-১৯৩৬) ৰ ৰচনাত আমি বাস্তৱ জীৱনত লগ পোৱা বহুতো চৰিত্ৰৰ সমাবেশ দেখা পাও যদিও তেওঁৰ মুখত এজন জাত্যাভিমানী ইংৰাজ ভদ্ৰলোকৰ সুৰ স্পষ্ট।

১৯০১ চনৰ ৰাণী ভিক্টৰীয়াৰ মৃত্যুৰ পাছত তেওঁৰ পুত্ৰ সপ্তম এডৱার্ড ইংলণ্ডৰ ৰাজপাটত বহে। লগে লগে অৱসান ঘটিল ভিক্টৰীয় যুগ আৰু আৰম্ভ হয় এডৱার্ড যুগৰ। এই যুগৰ বিস্তৃতি বিশ্ব যুদ্ধলৈ— প্ৰায় দ্বিতীয় যুদ্ধৰ সময়ছোৱালৈকে। এই সময়ছোৱাত ইংলেণ্ডৰ সামাজিক ব্যৱস্থাত শ্ৰেণী বিভাজন কটকটীয়া আছিল। অৱশ্যে সেই কালছোৱাত হোৱা অৰ্থনৈতিক আৰু সামাজিক পৰিৱৰ্তনসমূহে সমাজখনক গতিশীলতা প্ৰদান কৰিছিল। ঔদ্যোগিক বিপ্লৱৰ পৰিণতি স্বৰূপে সমাজবাদী চিন্তাৰ বীজ মানুহৰ মনত ৰোপণ হৈছিল। সেইদৰে দুখীয়া দৰিদ্ৰজনৰ প্ৰতি সহানুভূতি, সমাজত নাৰীৰ স্থান উন্নত কৰা আৰু তেওঁলোকক তেওঁলোকৰ ন্যায্য সুযোগ-সুবিধা প্ৰদান আৰু দ্ৰুত অৰ্থনৈতিক উন্নয়ন, ইত্যাদি সমসাময়িক যুগৰ চকুত লগা দিশ আছিল। প্ৰথম বিশ্বযুদ্ধৰ

পৰৱৰ্তী কালছোৱাত এই পৰিৱৰ্তন লানি অধিক দ্রুততৰ হৈছিল। ন ন আৱিষ্কাৰসমূহে কলা, শিল্প, সাহিত্য, সমাজনীতি, অৰ্থনীতি আৰু ৰাজনীতি সকলো দিশকে প্রভাৱিত কৰিছিল। এডৱাৰ্ডীয় যুগৰ সমাজ ফৰাচী জীৱন চিন্তা আৰু সাংস্কৃতিক চেতনাৰ দ্বাৰা প্রভাৱিত। অট'মোবাইল, ইলেকট্রিচিটিৰ আৱিষ্কাৰ আৰু মানৱ অধিকাৰৰ বিষয়ে সমসাময়িক শিল্পকাৰসকলক প্রভাৱিত কৰিছিল। সাহিত্যৰ ক্ষেত্রত জে এম বাৰী, আৰ্ণোল্ড বেণেট, জি কে চেষ্টৰটন, জোচেফ কনৰাড, ই এম ফষ্টাৰ, জন গলচ্ৱর্ডি, কেনেথ গ্রাহাম, ৰুদয়ার্ড কিপলিং, এডিথ নেচবিট, বিয়েট্রিক্স পটাৰ, সাকী, জর্জ বার্ণার্ড শ্ব, এইচ জি ৱেল্চ ইত্যাদিয়ে যুগৰ চেতনা নিজৰ ৰচনাৰ মাজেদি ফুটাই তুলিছিল। এই সকলৰ লগত যোগ দিলেহি থমাছ ষ্টার্ণচ এলিয়টে। এইচ জি ৱেলচৰ ৰচনাত আমি সমাজত বাস কৰা তথাকথিত ভণ্ড, মুখা পিন্ধা লোকৰ মুখা খোল খোৱা দেখিবলৈ পাওঁ। জন গলচ্ৱর্ডিৰ ৰচনাতো সামাজিক সমস্যাক ৰেখাপাত কৰা হৈছে। অৱশ্যে গলচ্ৱর্ডিয়ে ৱেলচৰ নিচিনাকৈ ক্ষুৰধাৰ সমালোচনাৰে সামাজিক সমস্যাৰ সমাধান বিচৰা নাই। ৱেলচে যেন মেচিন গান এটা লৈহে পাঠকসকলক সামাজিক সমস্যাৰ বিষয়ে কৈ তেওঁলোকক জাগ্রত কৰিবলৈ চেষ্টা কৰিছিল। গলচ্ৱর্ডি তেওঁৰ তুলনাত গম্ভীৰ প্রকৃতিৰ আছিল। তেওঁ পৰিশীলিত ভাষাৰে পাঠকসকলক তেওঁৰ সমস্থানীয় বুলি ভাবি তেওঁলোকক সমস্যাৰ বিষয়ে বুজাইছিল। তেওঁৰ দৃষ্টিত মানুহ মাত্রেই ভুল হ'ব পাৰে। গতিকে তেনে ভুল যাতে দ্বিতীয় বাৰ নহয় তাৰ প্রতি মানুহে লক্ষ্য ৰাখিব লাগে। গলচ্ৱর্ডি সমস্যামূলক নাটকৰ নাট্যকাৰ। লেখক জোচেফ কনৰাডে তেওঁৰ ৰচনাত মানুহৰ আত্মাক আবৰি থকা নিঃসংগতাৰ কথা কৈছে। মন কৰিবলগীয়া যে এই নিঃসংগতাবোধ আধুনিক জীৱন চিন্তাৰ এটা উল্লেখযোগ্য বৈশিষ্ট্য। এইদৰে সেই সময়ছোৱাৰ অন্যান্য লেখকৰ ৰচনাত আধুনিক সময়ে মানৱ মনত কেনে প্রতিক্রিয়াৰ সৃষ্টি কৰিছিল আৰু তাৰ প্রতিফলন সমসাময়িক সাহিত্যত যিদৰে পৰিছিল, তাৰ আধাৰতে সমসাময়িক যুগৰ এটা মূল্যায়ন আগবঢ়াব পাৰি। সাহিত্যৰ এটা ভাগ হিচাপে কবিতাৰ ক্ষেত্রতো এই কথাষাৰ প্রযোজ্য হয়।

থোৰতে ক'বলৈ গ'লে আধুনিক কবিতাৰ বৈশিষ্ট্যসমূহ এই ধৰণে উল্লেখ কৰিব পাৰি—

- ধ্বনিৰ সাধাৰণ পৰিচয় আগবঢ়াব পাৰি
- চৰিত্রায়নৰ গতানুগতিকতা
- মুক্ত প্রকাশভংগী
- মুক্তক ছন্দ
- পার্শ্ব অৱস্থানৰ প্রতি গুৰুত্ব আৰোপ
- ধর্মীয় অৱস্থানৰ প্রতি গুৰুত্ব আৰোপ
- ধর্মীয় বা ধ্রুপদী প্রসংগৰ (allusions) উল্লেখ
- অন্যান্য সংস্কৃতি আৰু ভাষাৰ পৰা গ্রহণ কৰা উপাদান
- প্রতীক, চিত্রকল্পৰ ব্যৱহাৰ
- ভাঙোনমুখী সমাজ আৰু মূল্যবোধৰ মর্মস্পর্শী চিত্রণ

- কঠিন সময়ে মানুহৰ মনলৈ আনি দিয়া স্বপ্নভংগৰ বেদনাৰ সৰস চিত্রণ
- চেতনাস্রোত ধাৰাৰ প্রয়োগ
- নগৰকেন্দ্রিক সভ্যতাই মানুহৰ মনলৈ আনি দিয়া অৱসাদ, বিশ্বাসহীনতা আৰু শংকাৰ অনুভূতিশীল চিত্রণ।

এই বৈশিষ্ট্যসমূহৰ সমাহাৰত আধুনিক কবিতাই বিংশ শতিকাৰ আৰম্ভণিৰ দশক কেইটা বিশ্ব সাহিত্যলৈ পৰিৱর্তনৰ সোঁত বোৱাই আনিলে। ইংৰাজী কবিতাও ইয়াৰ ব্যতিক্রম নহ'ল সেই যুগ চেতনাৰ পৰিৱর্তন টি এছ এলিয়টৰ নিচিনা আধুনিক কবিৰ কবিতাত বাৰুকৈয়ে পৰিলক্ষিত হৈছিল।

৫.৪ টি এছ এলিয়ট

৫.৪.১ জীৱনী

হেনৰি ৱেয়াৰ এলিয়ট আৰু ছার্লোট চেম্প ষ্টার্ণছৰ সপ্তম সন্তান থমাছ ষ্টার্ণছ এলিয়টৰ জন্ম আমেৰিকা যুক্তৰাষ্ট্রৰ মিছৌৰিৰ ছেণ্ট লুইছত ১৮৮৮ চনত। স্মিথ একাডেমীৰ পৰা মিল্টন হৈ তেওঁ হার্ভার্ডত ভতি হয় ১৯০৬ চনত। তেওঁ বিভিন্ন সাহিত্যিক আৰু সামাজিক কামৰ লগত জড়িত আছিল; হার্ভার্ডৰ The Harvard Advocate নামৰ সাহিত্য আলোচনী এখনো সম্পাদনা কৰিছিল। সেই সময়ছোৱাত হার্ভার্ডৰ শিক্ষক আৰভিং বেৰিট আৰু জর্জ ছাণ্টায়ানাৰ দ্বাৰা তেওঁ গভীৰভাৱে প্রভাৱিত হৈছিল। স্নাতক পাঠ্যক্রমৰ সং কৰাৰ পিছত হার্ভার্ড গ্রেজুৱেট স্কুলত তেওঁ দর্শন অধ্যয়ন কৰে। ১৯১০-১১ৰ সময়ছোৱাত এলিয়টে পেৰিছত কটায়; ছ'ৰব'নে (Sorbonne) ত তেওঁ দর্শন আৰু ফৰাচী সাহিত্য অধ্যায়ন কৰে। ১৯১১ চনত তেওঁ হার্ভার্ডলৈ উভতি আহে আৰু তিনিবছৰ অধিবিদ্যা, তর্কশাস্ত্র, মনস্তত্ত্ব ভাৰতীয় ভাষাতত্ত্ব (Indic philology) আৰু সংস্কৃত অধ্যয়ন কৰে। ১৯১৩-১৪ৰ সময়ছোৱাত এলিয়ট হার্ভার্ডৰ দর্শন বিভাগৰ সহকৰী হিচাপে নিযুক্ত হয়। সেই সময়তেই এটা ভ্রমণৰ জলপানী লাভ কৰি তেওঁ জার্মানীলৈ যায় ঠিক প্রথম বিশ্বযুদ্ধৰ আগে আগে। তাৰ পিছত তেওঁ অক্সফোর্ডৰ মার্টন কলেজত গ্রীক দর্শন অধ্যয়ন কৰে। The International Journal of Ethics লৈ তেওঁ পর্যালোচনামূলক লেখনি পঠিয়াবলৈ আৰম্ভ কৰে। The Monist ত ১৯১৬ চনত লিৱনিজ আৰু এফ্ এইছ ব্রেডলীৰ ওপৰত দুটা প্রৱন্ধ ওলায়। হেৰিয়েট মন্ৰোৰ নতুন আলোচনী Poetry ত ১৯১৫ চনত প্রকাশ হৈ ওলায় এলিয়টৰ প্রথমটো উল্লেখযোগ্য কবিতা 'দ্য লাভ ছং অফ জে. আলফ্রেড প্রুফ্রক্'। 'প্রিলুড্ছ' আৰু 'Rhapoody on a Windy Night' ওলায় ৱিন্ডহাম লিৱিছৰ Blast নামৰ আলোচনীত ১৯১৫ চনতেই। এজৰা পাউণ্ডৰ ১৯১৫ চনৰ Catholic Anthology ত এলিয়টৰ 'Prufrock', 'Portrait of a lady', 'The

Boston Evening Transcript', 'Portrait of a Lady', 'The Boston Evening Transcript', 'Hysteria', 'Aunt Helen' আদি কবিতা অন্তর্ভুক্ত হয়। ১৯১৩ চনত তেওঁ ব্রেড্লিৰ Appearance and Reaity নামৰ গ্রন্থখনি অধ্যয়ন কৰে; ১৯১৬ চনত ইউৰোপত তেওঁ ব্রেডলীৰ ওপৰত গৱেষণা সম্পূর্ণ কৰে- এই গৱেষণা পত্রৰ নাম Knowledge and Experience in the Phlosoply of F.H. Bradley; অৱশ্যে প্রথম বিশ্বযুদ্ধ আৰম্ভ হ'লত তেওঁ ডক্টৰেট ডিগ্রীৰ বাবে অন্তিম মৌখিক পৰীক্ষাত অৱতীর্ণ হ'ব নোৱাৰিলে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ টি এছ এলিয়টৰ চমু পৰিচয় আগবঢ়াওক।

(১৫০টা শব্দৰ ভিতৰত)

.....

১৯১৫ চনত ভিভিয়ান হেইউডৰ লগত এলিয়ট বিবাহপাশত আৱদ্ধ হয়। তাৰ পিছত তেওঁ কিছুদিন লণ্ডনৰ ওচৰৰ হাইগেইট স্কুলত শিক্ষকতা কৰে। এলিয়টৰ নিজৰ ভাষাৰেই, তেওঁ তাত ফৰাছী, লেটিন, প্রাথমিক গণিত, ছবি আঁকা, সাঁতোৰ, ইতিহাস অধ্যয়ন, এনেকি বেইছবল খেলা খেলিছিল ইত্যাদি। বিভিন্ন ধৰণৰ বিষয়ৰ জ্ঞান আহৰণ কৰাৰ পিছত তেওঁ লয়ড্ছ বেংক লিমিটেড'ত যোগদান কৰে। তেওঁ এনেকি ১৯১৮ চনত আমেৰিকা যুক্তৰাষ্ট্রৰ নৌসেনাত ভর্তি হ'বলৈ পঞ্জীয়নভুক্ত হয়; অৱশ্যে স্বাস্থ্যজনিত কাৰণত কর্তৃপক্ষই তেওঁৰ আবেদন স্বীকাৰ নকৰিলে। ইপিনে ১৯১৭ চনত পৰা ১৯১৯ চনলৈ তেওঁ The Egoist আলোচনীৰ সম্পাদক হিচাপে কার্যনির্বাহ কৰে। ১৯১৯ চনৰ পৰা ১৯২১ চনলৈ The Athenaeum আলোচনীত সঘনাই তেওঁ লিখা মেলা কৰিছিল। Lloyds Bank Economic Reviewৰ পৰা Vanity Fair লৈকে বিভিন্ন আলোচনীত তেওঁৰ অসংখ্য লেখা প্রকাশ পায়। ১৯২৩ চনত পষেকীয়া পর্য্যালোচনামূলক আলোচনী The Criterionৰ তেওঁ সম্পাদকৰ দায়িত্ব গ্রহণ কৰে। দ্বিতীয় বিশ্বযুদ্ধৰ সময়লৈকে এক সুদীর্ঘ সময় তেওঁ The Criterionৰ সম্পাদক হিচাপে কার্যনির্বাহ কৰে। উল্লেখযোগ্য যে The Criterion হ'ল সেইসময়ৰ এখন শ্রেষ্ঠ আন্তৰাষ্ট্রীয় সমালোচনামূলক আলোচনী। এলিয়টৰ বৌদ্ধিক জীৱনৰ অন্যতম দিশ হ'ল তেওঁৰ পুথি প্রকাশনৰ উদ্যোগ। বিংশ শতিকাৰ দ্বিতীয় দশকৰ পৰা জীৱনৰ শেষলৈকে তেওঁ 'ফেইবাৰ এণ্ড ফেইবাৰ লিমিটেড' (Faber & Faber Ltd) নামৰ লব্ধ প্রতিষ্ঠাৰ প্রকাশ দায়িত্বত আছিল। বহু প্রতিশ্রুতি সম্পন্ন নবীন কবিৰ উত্থানত এই প্রকাশন প্রতিষ্ঠানটোৰ এটা গুৰুত্বপূর্ণ ভূমিকা আছিল।

ইংলেণ্ডৰ প্রতি আৰু ইংলেণ্ডৰ গীর্জাৰ প্রতি এলিয়টৰ আকর্ষণ বাঢ়ি আহিছিল। অৱশেষত ১৯২৭ চনত তেওঁ ইংলেণ্ডৰ নাগৰিকত্ব গ্রহণ কৰে। ওঠৰ বছৰৰ মূৰত ১৯৩২ চনত তেওঁ আমেৰিকালৈ উভতি যায় আৰু ১৯৩৩ চনলৈকে হার্ভার্ডত কবিতাৰ অধ্যাপক হিচাপে নিযুক্তি হয়। পিছলৈ অৱশ্যে কবি-সমালোচকগৰাকীয়ে

বেছিভাগ সময় লণ্ডনতে অতিবাহিত কৰে। ১৯৪৭ চনত তেওঁক 'অর্ডাৰ অফ মেৰিট' সন্মান লাভ কৰে; একে বছৰতে তেওঁ সাহিত্যৰ ন'বেল বঁটা লাভ কৰে। ১৯৫৫ চনত তেওঁ 'হেনছিয়াটিক গেট্যে বঁটা (Hanseatic Goethe Prize) লাভ কৰে। ১৯৬৫ চনত এলিয়টৰ মৃত্যু ঘটে।

৫.৪.২ সাহিত্য কৃতি

'The Love Song of J. Alfred Prufrock' নামৰ কবিতাৰে এলিয়টে ইংৰাজী কবিতাৰ জগতত আধুনিকতাৰবাদৰ সূচনা কৰে। 'প্রুফ্রক' প্রমুখ্যে অন্য কবিতাৰে তেওঁৰ কাব্য সংকলন Prufrock and Other Observations প্রকাশ হৈ ওলায় ১৯১৭ চনত। ১৯১৯ চনত প্রকাশ পায় দ্বিতীয় কাব্যগ্রন্থ। সেইবছৰতেই প্রথম দুখন সংকলনৰ কবিতাখিনিৰ লগত নতুন কবিতাৰ সংযোজনেৰে একত্র সংকলন Ara Voc Prec প্রকাশ হয়।

১৯২২ চনত প্রকাশ হোৱা The Wastelandএ এলিয়টক আন্তর্জাতিক চিনাকী প্রদান কৰে। মূল পাণ্ডুলিপিৰ কবিতাটো প্রকাশিত পাঠটো দীঘল প্রায় আঠশ শাৰীৰ। এজৰা পাউণ্ডৰ পৰামর্শমতে তেওঁ কবিতাটো ভালেখিনি চুটি কৰি ঘন সন্নিবদ্ধ কৰি তুলিলে (এইখিনিতে উল্লেখ কৰা ভাল যে এজৰা পাউণ্ডৰ লগত এলিয়টৰ অবিস্মৰণীয় বন্ধুত্ব আৰম্ভ হয় ১৯১৪ চনৰ পৰা। ইংৰাজী কবিতাত ৰোমাণ্টিক বিপ্লৱ অনাৰ ক্ষেত্রত ৱর্ডছ্ৱর্থ আৰু কল'ৰিজৰ নাম যেনেকৈ একেলগে সোঁৱৰিব লাগে, তেনেকৈ ইংৰাজী কবিতাত পাউণ্ড আৰু এলিয়টক আধুনিকতাৰ জনক বুলি গণ্য কৰা হয়। The Wasteland এলিয়টৰ সর্বাধিক জনপ্রিয় কাব্য। এলিয়টৰ অন্যান কবিতাপুথিসমূহ হ'ল

Poem 1909-25 (প্রকাশ কাল ঃ ১৯২৫ চনত)। এইখন পূর্বপ্রকাশিত সংকলনসমূহৰ একত্র সংকলন। ইয়াত 'The Hallow Man' নামৰ কবিতাটো নতুনকৈ অন্তর্ভুক্ত হৈছে।

Sweeney Agonistes (প্রকাশকাল ১৯২৭)।

Ash Wednesday (প্রকাশকাল ১৯৩০)।

Four Quartets (গ্রন্থ হিচাপে প্রকাশিত হয় ১৯৪৩ চনত) উক্ত সংকলনটি এলিয়টৰ শ্রেষ্ঠ কাব্যকৃতি বুলি ধৰা হয়। এই সংকলনটিত সন্নিবিষ্ট 'Burnt Norton', 'East Coker', 'The Dry Salvages' আৰু 'Little Gidding'– আটাইকেইটা ইতিপূর্বেই অন্য সংকলনত প্রকাশ হৈছে।

এলিয়টৰ বৌদ্ধিক পৰিচয় বহুস্তৰীয়। তেওঁ একাধাৰে এজন সুদক্ষ সম্পাদক, সাহিত্য সমালোচক, কবি আৰু নাট্যকাৰ। তেওঁৰ নাট্যকর্মৰ পৰিচয় এনেধৰণৰ ঃ

Sweenay Agonistes (প্রকাশকাল ১৯২৬)

The Family Reunion (প্রকাশকাল ১৯৩৯)

Murder in the Cathedral

The Cocktail Party (প্রকাশকাল ১৯৪৯)

The Confidential Clerk (প্রকাশকাল ১৯৫৬)

The Elder Statesman (প্রকাশকাল ১৯৫৮)

এলিয়টে কাব্যনাটৰ পৰম্পৰা নতুন ধৰণে প্ৰৱর্তন কৰিবলৈ বিচাৰিছিল। নাটকসমূহত তেওঁ নিজা ধৰণে অমিত্রাক্ষৰ ছন্দ ব্যৱহাৰ কৰিছে, য'ত ছন্দৰ হেন্দোলনি অর্থ বা ভাৱৰ ব্যতিৰেকে সুকীয়াকৈ অনুভৱ কৰিব নোৱাৰি। ১৯৭০ চনত কেণ্টাৰবাৰীৰ গীর্জাৰ সন্ত থমাছ এ'বেকেটৰ নিধন হোৱা ঘটনাক লৈ ৰচিত Murder in the Cathedral এলিয়টৰ প্রভাৱশালী কাব্যনাট। ইয়াৰ তুলনাত আনকেইখন নাটকৰ কাব্যিক প্রভাৱ সীমিত।

এলিয়টৰ সমালোচনামূলক কর্মসমূহ এনে ধৰণৰ— The Sacred Wood (১৯২০)। ইয়াৰ প্রৱন্ধসমূহ The Athenaeum, The Egoist, Art and Letters, The Times Literary Supplement (London) আদি আলোচনীত ইতিপূর্বে প্রকাশিত।

Homage to John Dryden (১৯২৪)। ইয়াতে TLSত প্রকাশিত তিনিটা প্রৱন্ধ সংকলিত হৈছে। For Lancelot Andrews (১৯২৮), ইয়াৰে ৰচনাসমূহ— TLS, Theology, The Dial আৰু The Forumত ইতিপূর্বে প্রকাশিত।

Dante (১৯২৯)।

The Use of Poetry (১৯৩৩)। ইয়াতে এলিয়টৰ আঠটা 'নর্টন বক্তৃতা' সংকলিত হৈছে।

After Strange Gods (১৯৩৪)। ইয়াতে ভার্জিনিয়া বিশ্ববিদ্যালয় প্রদান কৰা তিনিটা ভাষণ সন্নিবিষ্ট হৈছে।

Essays ancient and Modern (১৯৩৬)।

The Idea of a Christian Society (১৯৪০)।

Notes towards a Definition of Culture (১৯৪৮)।

Selected Essays, 1917-32। প্রথম চাৰিখন গ্রন্থৰ প্রৱন্ধৰ লগত অন্য কিছু লেখা সন্নিবিষ্ট কৰি প্রকাশ পোৱা এই সংকলনখনি ১৯৫০ চনত অন্য কিছু লেখা অন্তর্ভুক্ত কৰি Selected Essays, New Edition বুলি প্রকাশ হয়।

On Poetry and Poets (১৯৫৬)।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ টি এছ এলিয়টৰ উল্লেখযোগ্য কৃতিসমূহৰ কথা উল্লেখ কৰক। (১৫০টা শব্দৰ ভিতৰত)

.....

৫.৫ *দ্য ৰেষ্টলেণ্ড* কাব্যৰ চমু আলোচনা

আধুনিকতাবাদী সাহিত্যৰ অন্যতম মাইলৰ খুটি *দ্য ৰেষ্টলেণ্ড* প্ৰথম প্ৰকাশ পাইছিল *'দ্য ক্ৰাইটেৰিয়ন'* আলোচনীত ১৯২২ চনত। ইয়াৰ কিছুদিন পিছত আমেৰিকাৰ *'দ্য ডায়েল'* নামৰ আলোচনীখনতো কবিতাটো ওলায়। আচলতে ছপা হৈ ওলোৱাৰ আগতেই এলিয়টৰ কবিতাটোৱে কিছু আলোচনাৰ সৃষ্টি কৰিছিল। এলিয়টে ১৯১৯ চনৰ পৰাই কবিতাটো লেখিবলৈ আৰম্ভ কৰিছিল। উল্লেখ কৰিব পাৰি যে *দ্য ৰেষ্টলেণ্ডৰ* চতুৰ্থ খণ্ডটো ('ডেথ বাই ৰাটাৰ') বহুলাংশে কবিৰ 'Dans Le Restaurant' নামৰ ফৰাছী কবিতাটোৰ অনুবাদ; মূল কবিতাটো ওলাইছিল ১৯২০ চনত। দেখা যায় যে এছোৱা দীঘলীয়া সময়ৰ মাজেদি সৰকি গৈ বন্ধু এজৰা পাউণ্ডৰ মতামত বিবেচনা কৰি, পূৰ্ণলিখনি-সম্পাদনা কৰি অঁতাই এলিয়টে অৱশেষত কবিতাটো সম্পূৰ্ণ কৰি তুলিছিল। এইচোৱা সময়ৰ ভিতৰতে পিতৃ-মাতৃ আৰু ভগ্নীৰ বিয়োগ, কবিৰ নিজৰ স্বাস্থ্যৰ অৱনতি আৰু চুইজাৰলেণ্ডৰ স্বাস্থ্যনিবাসত দিন যাপন-নিশ্চয় বিভিন্ন বিচ্ছিন্ন ঘটনা নহয়। শিল্পীয়ে পাৰ কৰা জীৱনৰ অভিজ্ঞতাৰ লগত শিল্প ভাবনাৰ কেতবোৰ আন্তঃ সম্পৰ্ক থাকে।

৪৩৪ শাৰীৰ এই কবিতাটো আচলতে প্ৰথাগত ঠাচঁৰ কবিতাৰ দৰে এটা নিটোল বা অখণ্ড পাঠ নহয়। ই পাঁচটা খণ্ডত বিভক্ত- সেইকেইটা হ'ল যথাক্ৰমে The Burial of the Dead, A Game of Chess, The Fire Surman, Death by water আৰু What the Thunder Said। এনেকি একেটা খণ্ডৰ ভিতৰতেই ৰোমাণ্টিক বা ভিক্টোৰীয় কবিতাৰ দৰে একেটা ভাৱৰ সাৱলীল, ধাৰাবাহিক গতি আমি বিচাৰি নাপাওঁ। ইয়াৰ সলনি পাওঁ আপাতঃ বিচ্ছিন্ন ভাৱ আৰু mood ৰ সমাহাৰ, বহুধাবিভক্ত ধাৰাবাহিক চেতনাৰ ৰূপায়ণ, বিক্ষিপ্ত ছবি অথবা দৃশ্যৰ উপস্থিতি- যাৰ বাবে *দ্য ৰেষ্টলেণ্ডৰ* গঠন অভিজ্ঞতা সদায় অনন্য। আমাৰ অলোচ্য কবিতাটো *দ্য ৰেষ্টলেণ্ডৰ* শেষৰ খণ্ডটো *'হুৱাট দ্য ঠাণ্ডাৰ চেইড্'*। কিন্তু মূল কবিতাটোৰ ওপৰত দৃষ্টিপাত নকৰিলে আমি অলোচ্য খণ্ডৰ তাৎপৰ্য অনুধাৱন কৰিব নোৱাৰিম।

দ্য ৰেষ্টলেণ্ড-এ সামগ্ৰিকভাৱে অনুৰ্বৰ ভূমিৰ এক বিস্তৃত দৃশ্যপট অংকন কৰিছে আৰু সেই পটভূমিত আধুনিক মানুহৰ আৰু সমাজ জীৱনৰ বিভিন্ন দশা পৰীক্ষা কৰি চাইছে। প্ৰেম, যৌনতা, মৃত্যু, হিংসা, স্মৃতি, নিঃসঙ্গতা, ইতিহাসৰ উপদ্ৰব, যান্ত্ৰিকতা, মানৱীয় সম্পৰ্কৰ অচলাৱস্থা, প্ৰাণশক্তিৰ অপমৃত্যু, শূন্যতা আৰু আধ্যাত্মিক শুষ্কতা ইত্যাদি বিভিন্ন দিশ সাঙুৰি এলিয়টে আধুনিক জীৱন আৰু সভ্যতাৰ স্বৰূপ উদ্‌ঘাটন কৰিছে। কিন্তু জীৱনৰ যি দিশেই উন্মোচিত নহওক কিয়, আমি যে প্ৰকৃততে এক অনুৰ্ধ্বৰ ভূমিৰ বাসিন্দা—সেই অন্তঃসলীলা ফল্গুধাৰাৰ দৰে বৈ থকা বোধে কবিতাটোৰ পাঁচোটা খণ্ডক বান্ধি ৰাখিছে। কিন্তু এই অনুৰ্বৰতাৰ অৱধাৰণা কবিৰ সম্পূৰ্ণ নিজা সৃষ্টি নহয়; আচলতে কবিতাটোৰ শিৰোনাম, পৰিকল্পনা আৰু প্ৰতীকসমূহৰ বাবে এলিয়ট মিছ ৰেষ্টনৰ From Ritual to Romance নামৰ নৃতত্ত্বমূলক গ্ৰন্থখনৰ ওচৰত ঋণী। সমসাময়িক সভ্যতাৰ 'অনুৰ্বৰতা'ক উন্মোচন কৰিবলৈ এলিয়টে বিভিন্ন মিথ আৰু চৰিত্ৰৰ সহায় লৈছে। মাছমৰীয়া ৰজাৰ আখ্যান, খ্ৰীষ্টিয় পৱিত্ৰ পাত্ৰ (Holy Grail)ৰ আখ্যান, পুনৰুজ্জীৱনৰ আখ্যান,

উর্বৰতা উৎসব বা যাদু ইত্যাদি নৃতাত্ত্বিক বিষয়সমূহ এলিয়টে মূলতঃ এইকাৰণেই সামৰি লৈছে যে সেইবোৰ মানুহ আৰু প্ৰকৃতিৰ নিগুঢ় সম্পৰ্কৰ স্মাৰক আৰু মানৱ-জীৱনৰ সামগ্ৰিক সংহতিৰ সূচক, য'ৰ পৰা আধুনিক মানুহ নিৰ্বাসিত। জন্ম-মৃত্যুৰ জৰিয়তে সৃষ্টি প্ৰকৃতিৰ নিজা ছন্দৰপৰাই 'মিথ'সমূহৰ উৎপত্তি। মাছমৰীয়া ৰজাৰ আখ্যান মতে এখন ৰাজ্যৰ ৰজাই কোনো কাৰণত ক্লীৱত্বক সাৱতি ল'বলগীয়া হয়, যাৰ ফলস্বৰূপে সেই ৰাজ্যৰ সকলো মানুহ আৰু উদ্ভিদ বা জীৱ-জন্তুৱে উর্বৰতা হেৰুৱাই পেলায়। পৱিত্ৰ পাত্ৰৰ সন্ধানত কোনো যোদ্ধাই আহি তেওঁক হত্যা কৰি মুক্তি দিলেই এই অনুর্বৰতাশ শাপ মোচন হ'ব। অর্থাৎ জীৱন-মৃত্যু আৰু পুনর্জীৱনৰ যি দৈৱ উর্বৰতাৰ আখ্যানসমূহৰ সাৰ, তাৰ পটভূমিতহে আধুনিকৰ বিচ্ছিন্নতা আৰু আশাহীন স্থবিৰতা প্ৰকট হৈ উঠিছে। এলিয়টে উর্বৰ ভূমিৰ দৃশ্যপাটত যি জীৱনৰ ছবি অংকন কৰিছে সেয়া মৃত্যুসদৃশ। প্ৰথমেই আমি পাও যে মৃত্যুৱে আনি দিয়া সর্বগ্ৰামী বিস্মৃতিৰ মাজত জীৱনৰ সম্ভাৱনাৰ ইঙ্গিত তেনেই আচহুৱা, যন্ত্ৰনাদায়ক; সেইবাবেই 'April is the cruellest month'।

প্ৰথম চাৰিওটা খণ্ডত আমি যি মৃত্যুৰ ব্যঞ্জনা পাও, সেয়া মানুহৰ জীৱনৰ লগত সম্পর্কিত-আবেগ অনুভূতিৰ মৃত্যু, আধ্যাত্মিক জীৱনৰ মৃত্যু। *'হুৱাট দ্য ঠাণ্ডাৰ চেইড্'ৰ* আৰম্ভণিতে আমি পাওঁ ঈশ্বৰৰ মৃত্যু। প্ৰথম স্তৱকটোলৈ চাওক। বিশেষকৈ প্ৰথম তিনিটা শাৰীত after শব্দটোৰ পূনৰাবৃত্তিয়ে ঈশ্বৰৰ মৃত্যুৰ অনিবার্যতাক প্ৰকাশ কৰিছে। এলিয়টে বাইবেলৰ আখ্যান ব্যৱহাৰ কৰি যীশুখৃষ্টৰ ক্ৰুছবিদ্ধ হোৱাৰ আগৰ উৎকণ্ঠাময় পৰিস্থিতিৰ উদ্ৰেক ঘটাইছে। যীশুৰ মৃত্যু আছিল এক গভীৰ ষড়যন্ত্ৰ আৰু প্ৰতাৰণাৰ ফল। কিন্তু myth ৰ লগত সমসাময়িকতাৰ চেতনাক সংপৃক্ত কৰা এলিয়টে ইয়াতে মিথৰ লগত বিচ্ছেদো প্ৰকাশ কৰিছে। বাইবেলৰ আখ্যানত যীশুৰ মৃত্যুৰ পিছতো পূনৰুত্থান (ressurrection) ৰ সম্ভাৱনা আছে। কিন্তু আধুনিক অনুর্বৰ ভূমিত ইয়াৰ বিপৰীতে আছে মাথো প্ৰাত্যহিক মৰণৰ অনিবার্য দশা—

He who was living is now dying.
We who were living are now dying.
With a little patience.

ইয়াৰ পিছৰ স্তৱকত আমি পাও সন্ধানৰ কথা— পানীৰ নিষ্ফল, ক্লান্তিকৰ সন্ধান। Water, rock, road, mountains– এই শব্দকেইটাৰ পুনৰাবৃত্তিয়ে সৃষ্টি কৰা বিশেষ ছন্দটোলৈ মন কৰক— যেন এক আৱর্তৰ ভিতৰত পানীৰ আকাংক্ষাই গতি কৰিছে, যাৰ কোনো পৰিণতি নাই। সম্ভাৱনাৰ সকলো কম্পিত ইঙ্গিত কঠোৰ স্তৱকৰ পদাঘাতত বিপর্যস্ত। 'Dead mountain', 'Sweat is dry', 'dry sterile thunder' – এনে বাক্যাংশই বাৰে বাৰে এক শুষ্ক, মৰুময় ভূমিৰ ইঙ্গিত দিয়ে। এনেতে পথিকে কল্পনা কৰে শিলনিৰ মাজত পানীৰ শব্দ; কিছু এই শ্ৰাব্য কল্পনাৰ পম খেদি অৱশেষত কবিয়ে পায় এক আশাতীত ৰসভংগ (bethos)ৰ মুহূর্ত ঃ

But sound of water over a rock
Where the hermit-thrush sings in the pine trees
Drip drip drop drop drop drop
But there is no water.

ইয়াত বাইবেলৰ আখ্যানৰ পৰোক্ষ ইঙ্গিত আছে। মজেজে ইজৰাইলৰ সন্ততিসকল লগত লৈ যাত্রা আৰম্ভ কৰোতে এটা সময়ত পিয়াহ লাগিছিল। তেওঁ শিল এটাত আঘাত কৰিলে আৰু পানীৰ নিজৰা এটা ওলাই পৰিল। কিন্তু সেয়া আছিল ঈশ্বৰৰ পৃথিৱীৰ কথা। এলিয়টৰ অনুৰ্বৰ ৰাজ্যত ঈশ্বৰ অনপস্থিত।

কিন্তু ঈশ্বৰৰ অনুপস্থিতি শেষ সত্য নে? নে আত্মকেন্দ্রিক উপলব্ধি কৰিবলৈ অসমর্থ? ৩৬০ নং শাৰীত এটা প্রশ্ন উত্থাপিত হৈছে— Who is the third who walks always beside you? আকৌ বাইবেলৰ কাহিনীৰ ইংগিত। কবিতাটোৰ শেষত গাঠি দিয়া টোকাত অৱশ্যে এলিয়টে ছাৰ আৰ্নেষ্ট শ্বেক্ল্টনে দিয়া এণ্টার্কটিকা অভিযানৰ প্রসঙ্গ উল্লেখ কৰিছে, য'ত অভিযানকাৰীসকলৰ ভ্রম হৈছে যে তেওঁলোকৰ লগত আৰু কোনোবা এজন গৈ আছে। পিছে এই ব্যাখ্যাতকৈ বাইবেলৰ লিউক ২৪:১৩-৩২ ত উপস্থাপিত আখ্যান অধিক প্রাথমিক। যীশুৰ মৃত্যুদণ্ডৰ পিছত ইষ্টাৰৰ দেওবাৰে যীশুৰ শিষ্যসকলে কবৰৰ মাজত তেওঁক বিচাৰি নাপালে। এমেযাছলৈ গৈ থকা দুজন শিষ্যই এটা সময়ত গম পাই যে স্বয়ং যীশু তেওঁলোকৰ যাত্রাৰ সংগী হৈছিল। অর্থাৎ ই যীশুখ্রীষ্টৰ পুনর্জীৱনৰ ইঙ্গিত, যাক তেওঁলোকে বুজিব পৰা নাছিল আৰু এনেকৈয়ে স্তৱকটোৰ শেষ হৈছে প্রেম আৰু বিশ্বাসৰ মাজৰ এক কৌতুহলী প্রশ্নৰ উত্থাপনেৰে ঃ

–But who is that on the other side of you?

মন কৰিব যে গীতিধর্মী কবিতাৰ দৰে একেটি আবেগিক সূৰেই কবিতাটো বান্ধি ৰখা নাই। আধুনিক সংগীতৰ দৰে ভিন্ন সুৰ আৰু মেজাজ ভিন্ ভিন্ সময়ত ফুটি উঠিছে। বিভিন্ন স্তৱকত বিভিন্ন সূৰৰ বৈপৰীত্য আৰু দ্বন্দ্ব কবিতা খণ্ডটোৰ (লগতে সমগ্র কবিতাটোৰেই) সাংগীতিক গাঁথনিৰ অন্যতম দিশ। যেনে, ঈশ্বৰৰ অৱস্থিতিৰ এক পৰোক্ষ, কৌতুহলী ইঙ্গিতেৰে ওপৰোক্ত স্তৱকটো শেষ হৈছে, কিন্তু ইয়াৰ পিছৰ স্তৱকত বাজি উঠে অন্য সুৰঃ লুটপাত, ধ্বংসযজ্ঞ, মাতৃৰ বিননি-হাঁহাকাৰ। অকস্মাৎ কবিয়ে আমাক এৰি দিয়ে ইতিহাসৰ বিপুল ধ্বংসযজ্ঞৰ মাজত— বিশ্বযুদ্ধ, গৃহযুদ্ধ, সংস্কাৰ, বিপ্লৱ (যেনে ৰুছ বিপ্লৱ) ইত্যাদি সকলো ধৰণৰ আলোচনাৰ মাজত কবিয়ে প্রত্যক্ষ কৰিছে মাথো সভ্যতাৰ ৰক্তক্ষয়ী আত্মঘাতী আয়োজন।

Who are the hooded hordes swarming
Over endless plains, stumbling in cracked earth
Ringed by the flat horizon only
What is the city over the mountains
Crecks and reforms and bursts in the violet air.

মূল কবিতাটোৰ প্রথম খণ্ডতেই আমি দেখিছিলো লণ্ডনৰ দলঙেৰে খোজকাঢ়ি গৈ থকা মৃতকৰ দল; এতিয়া সেই মৃত্যুৰে সামৰি লৈছে ইউৰোপৰ অতীত গৌৰৱৰ সকলো কীর্তিচিহ্ন—

Falling towers
Jerusalem Athens Alexandria

Vienna London

Unreal

ইয়াতে শব্দ প্রয়োগৰ সংযম যিমানেই কঠোৰ, সিমানেই বিপুল, বিস্তৃত ধ্বংসলীলাৰ অভিঘাত গভীৰ।

ইতিহাসৰ এই উন্মাদ আক্রমণৰ ফলশ্রুতিত কবিয়ে অৱলোকন কৰিছে দুঃস্বপ্নৰ দৰে বিভীষিকাময় অধিবাস্তৱবাদী দৃশ্যপট ঃ ক'লা দেৱালৰ কাষত ওলমি থকা বাদুলি যাৰ মুখখন কেঁচুৱাৰ মুখৰ দৰে, শূন্যত ওলমি থকা চহৰৰ ওখ চূড়া, কোনো নাৰীৰ ফুচফুচনিৰ দৰে গান। আকৌ আমি দেখিবলৈ পাও শূষ্কতাৰ ছবি, পূর্বৱর্তী খণ্ডবোৰত যেনেকৈ ঃ

And voices singing out of empty cisterns and exhausted wells

খালী কলহ আৰু শুকাই যোৱা নাদৰ মাত—ই একে সময়তে তৃষ্ণাতুৰৰ পানীৰ আকাংক্ষাৰ দ্যোতক আৰু অন্তঃসাৰশূন্য মানুহৰ ছবি।

কবিতাটোৰ শেষাংশত ইউৰোপৰ পৰা গংগাৰ তীৰলৈ দৃশ্যপট সলনি হোৱাটো মন কৰিবলগীয়া। মূলতঃ ইউৰোপীয় জীৱনৰ ফ্রেমত সভ্যতা-সংস্কৃতিৰ যি সংকট আৰু বিপর্যয়ৰ ছবি এলিয়টে অংকন কৰিছে, তাৰ নিদান তেওঁ বিচাৰি পাইছে ভাৰতীয় দর্শনৰ মাজত। সেইবাবেই তেওঁ ইউৰোপীয় আখ্যানৰ লগত ভাৰতীয় উপনিষদীয় আখ্যানৰ যোগসূত্র স্থাপন কৰিছে। অভিশপ্ত মাছুৱৈ ৰজাৰ অভিশাপ দূৰ হ'ব তেতিয়া, যেতিয়া কোনো অপৰিচিত যোদ্ধাই পৰিত্র পাত্রৰ সন্ধানত আহি এক সর্বনশীয়া ভজনালয় (Chapel Perilons)ত উপিস্থিত হ'ব আৰু কেতবোৰ আনুষ্ঠানিক প্রশ্নোত্তৰ শিতানত অংশ ল'ব। '*হুৱাট দ্য ঠাণ্ডাৰ চেইড*'ত আমি পাওঁ গ্রেইল আখ্যানৰ শূন্য এটা ভজনালয়, য'ত অপ্রত্যাশিতভাৱে এটা কুকুৰাই ডাক দিছে আৰু বিজুলী ঢেৱেকণিৰে বৃষ্টিপাত হৈছে। এইখিনিতে বৃহদাৰণ্যক উপনিষদৰ বজ্রৰ আখ্যানৰ সূত্রপাত ঘটাই 'দা' তিনিবাৰ শুনিবলৈ পোৱা- 'দা' ব্রজধ্বনিত উপনিষদৰ তিনিটা বাণী ঘোষিত হৈছে—দত্ত, দয়াধ্যাম, দম্যত। উপনিষদৰ আখ্যান মতে সৃষ্টিকর্তা প্রজাপতিয়ে তিনিবাৰ 'দা' উচ্চাৰণেৰে ব্রজহুংকাৰ কৰে। তেওঁ দেৱতাসকলক সংযত হ'বলৈ আৰু দান কৰাৰ নীতিশিক্ষা দিয়ে; মানুহক উপদেশ দিয়ে আনৰ প্রতি সহমর্মী হ'বলৈ; অসুৰক আত্মসংযমৰ বাণী শুনায়। অর্থাৎ উপনিষদৰ এই বাণীতেই উর্বৰ ভূমিৰ অভিশাপ দূৰ হ'ব, সভ্যতাৰ পুর্নজীৱন সম্ভৱ হ'ব। কবিৰ বাবে 'দান' কৰাৰ অর্থ হ'ল আত্মসমর্পণৰ অসীম সাহস অর্জন কৰা— The awful daring of a moment's। 'দয়াধ্যাম'ৰ অর্থ হ'ল সহমর্মিতা, যাৰ পূর্বচর্ত হ'ল সংকীর্ণ ব্যক্তিস্বাতন্ত্র্যৰ ফালৰ পৰা মুক্তি। মন কৰিব যে তলা-চাবি আৰু বন্দীশালৰ এক ক্রীড়ামূলক (playful) সম্পর্কৰ উল্লেখেৰে কবিয়ে ব্যক্তিস্বাতন্ত্র্যৰ অন্ধগলিৰ কথাই কৈছে। ঠিক তেনেকৈ পাল আৰু বঠাৰ ওপৰত হাতৰ নিয়ন্ত্রৰ লেখিয়াকৈ প্রকৃতিৰ ওপৰত আত্ম-শাসনেহে জীৱনৰ সমুদ্রযাত্রা সার্থক কৰি তুলিব।

কিন্তু শাপমুক্ত ৰাজ্যৰ বর্ণনাৰে কবিতাটো শেষ হোৱা নাই। উপনিষদে মুক্তিৰ জ্ঞান দিলেও ইয়াৰ প্রয়োগ এতিয়াও সুদূৰপৰাহত। কবিত আলোচ্য কবিতাখণ্ডৰ (আৰু সম্পূর্ণ

কবিতাটোৰ) অন্তিম স্তৱকৰ বিভিন্ন পৰোক্ষ উক্তিৰ মাজেদি ফুটি উঠিছে বিলাপ আৰু প্ৰাৰ্থনা।

I sat upon the shore
Fishing, with the arid plain behind me.

অৱশেষত কবিতাটোৰ দৃষ্টি নিশ্চিত হৈছে কবিসত্তাৰ ওপৰত। 'Behind me' এই কবিসত্তাই এক উচ্চতৰ নৈতিক-আধ্যাত্মিক বিন্দুত উপনীত হোৱাৰ ইঙ্গিত দিয়ে।

Shall I at least set my hands in order? এই প্ৰশ্নৰ তাৎপৰ্য বিশাল। কিন্তু উৰ্ৱৰতা উৎসৱৰ বিভিন্ন আখ্যানৰ পৰা আমি গম পাও যে মৃত্যুৱেই নৱজন্মৰ পূৰ্বচৰ্ত। পুনৰ্জন্মৰ বাবেই ভগৱানৰ মৃত্যু হয়। জন্ম-মৃত্যুৰ আবৰ্ততে পৃথিৱীৰ উৰ্ৱৰতা অটুট থাকে। একে সময়তে কবিয়ে এলানি পৰোক্ষ সূচনা ব্যৱহাৰ কৰিছে। যেনে টিৰিয়াছ (Tereus) এ ফিল'মেলাক বলাৎকাৰ কৰিলত ফিল'মেলা চৰাই হৈ গ'ল। তেনেকৈ ফৰাছী কবি জেৰাৰ্ড দে নাৰ্ভালৰ ছনেট এটাত একুইটেনিয়াই পত্নীক হেৰুৱাই ধ্বংসপ্ৰাপ্ত দুৰ্গৰ কাষত বিমৰ্ষভাৱে বহি আছে। থমাছ কিডৰ 'Spanish Tragedy'ত পুত্ৰক হেৰুৱাই হিৰোনিমো উন্মাদ হৈ পৰিছে। অৰ্থাৎ হত্যা-ধ্বংস-প্ৰতিশোধৰ যি পাপচক্ৰ, তাৰ বিপৰীতে উপনিষদৰ বাণী শেষান্তত প্ৰতিষ্ঠা হৈছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ কি কাৰণে *'দ্য ৱেষ্টলেণ্ড'* কাব্য গ্ৰন্থখনক টি এছ এলিয়টৰ কাব্য জীৱনৰ মহত্তম কৃতি আখ্যা দিয়া হয়?

(১৫০টা শব্দৰ ভিতৰত)

.....

৫.৬ *হুৱাট দ্য ঠাণ্ডাৰ চেইড্*

৫.৬.১ মূল ইংৰাজী কবিতাটোৰ পাঠ

What the Thunder said

After the torchlight red on sweaty faces
After the frosty silence in the gardens
After the agony in stony places
The shouting and the crying
Prison and palace and reverberation
Of thunder of spring over distant mountains
He who was living is now dead
We who were living are now dying
With a little patience

Here is no water but only rock
Rock and no water and the sandy road
The road winding above among the mountains
Which are mountains of rock without water
If there were water we should stop and drink
Among the rock one cannot stop or think
Sweat is dry and feet are in the sand
If there were only water amongst the rock
Dead mountain mouth of carious teeth that cannot spit
Here one can neither stand nor lie nor sit
There is not even silence in the mountains
But dry sterile thunder without rain
There is not even solitude in the mountains
But red sullen faces sneer and snarl
From doors of mudcracked houses
If there were water
And no rock
If there were rock
And also water
And water
A spring
A pool among the rock
If there were the sound of water only

Not the cicada
And dry grass singing
But sound of water over a rock
Where the hermit-thrush sings in the pine trees
Drip drop drip drop drop drop drop
But there is no water

Who is the third walks always beside you?
When I count, there are only you and I together

But when i look ahead up the white road
There is always another one walking beside you.
Gliding wrapt in a brown mantle, hooded
I do not know whether a man or a woman
–But who is that on the other side of you?

What is that sound high in the air
Murmur of maternal lamentation
Who are those hooded hordes swarming
Over endless plains, stumbling in cracked earth
Ringed by the flat horizon only
What is the city over the mountains
Cracks and reforms and bursts in the violet air
Falling towers
Jerusalem Athens Alexandria
Vienna London
Unreal

A woman drew her long black hair out tight
And fiddled whisper music on those strings
And bats with baby faces in the violet light
Whistled, and beat their wings
And crawled head downward down a blackened wall
And upside down in air were towers
Tolling reminiscent bells, that kept the hours
And voices singing out of empty cisterns and exhausted wells.

In this decayed hole among the mountains
In the faint moonlight, the grass is singing
Over the tumbled graves, about the chapel
There in the empty chapel, only the wind's home.

If has no windows, and the door swings,

Dry bones can harm no one.
Only a cock stood on the rooftree
Co co rico co co rico
In a flash of lightning, then a damp gust
Bringing rain

Ganga was sunken, and the limp leaves
Waited for rain, while the black clouds
Gathered far distant, over Himavant
The jungle crouched, humped in silence.
Then spoke the thunder
DA
Datta : What have we given?
My friend, blood shaking my heart
The awful daring of a moment's surrender
Which an age of prudence can never retract
By this, and this only, we have existed
Which is not to be found in our obituaries
Or in memories draped by the beneficent spider
Or under seals broken by the lean solicitor
In our empty rooms
DA
Dayadhuam : I have hard the key
Turn in the door once and tum once only
We think of the key, each in his prison
Thinking of the key, each confirms a prison
Only at nightfall, aethereal rumours
Revive for a moment a broken Coriolanus
DA
Damyata : The both responded
Gaily, to the hand expert with sail and oar
The sea was calm, your heart would have responded
Gaily, when invited, beating obedient

To controlling hands

I sat upon the shore

Fishing, with the arid plain behind me

Shall I at least set ny lands in order?

London Bridge is falling down falling down falling down

Poi s' ascose nel foco che gli affina

Quando fiam uti chelidon– O swallow swallow

Le Prince d' Aquitaine a' la tour abolie

These fragments I have shored against my ruins

Why then Ile fit you, Hieronymo's mad againe.

Datta. Dayadhvam. Damyata.

Shantih shantih shantih

৫.৬.২ কবিতাটোৰ বিষয়বস্তু

ইতিমধ্যে উল্লেখ কৰা হৈছে যে *দ্য ৰেষ্টলেণ্ড* কবিতাটোত বহুধাবিভক্ত আধুনিক জীৱন আৰু সমাজৰ প্রতিছবি ফুটি উঠিছে। থোৰতে ক'বলৈ হ'লে কবিতাটোৰ ভাবজগত হ'ল আধুনিক সভ্যতাৰ ৰেহ ৰূপ। *'হুৰাট দ্য ঠাণ্ডাৰ চেইড্'*ৰসাৰবত্তা মূল কবিতাটোৰপৰা পৃথক নহয়। এলিয়টে বিভিন্ন অনুষঙ্গ আৰু বিষয়ৰ মাজেৰে মূলতঃ সমসাময়িক জীৱন আৰু সভ্যতাৰ স্বৰূপ উদ্ঘাটন কৰিছে। কুৰি শতিকাৰ ইউৰোপীয় মন আৰু জীৱনত যি প্রথম অভিঘাত অনুভূত হ'ল, সেয়া হ'ল প্রথম বিশ্বযুদ্ধ। বিশ্বযুদ্ধই প্রমাণ কৰি দেখুৱালে যে যুগ-যুগান্তৰৰ অলেখ অৱদানেৰে নির্মিত সভ্যতাৰ ভেটি কিমান ঠুনুকা। কিন্তু শাৰীৰিক ধ্বংস অথবা মৃত্যুৱেই এই জীৱনৰ একমাত্র প্রত্যাহ্বান নহয়। এলিয়টৰ অন্তর্দৃষ্টিয়ে সর্বত্র আধ্যাত্মিক মৃত্যুৰ ছাঁ দেখিছে। অর্থাৎ মৃত্যু জীৱনৰ পৰিসমাপ্তি মাথো নহয়। জীৱনৰ পৰিসীমাৰ ভিতৰতো ইয়াৰ ৰাজত্ব ঃ

He who was living is now dead

We who were living are now dying

With a little patience.

কবিতাটোত মৃত্যুৰ অনুষঙ্গ সিঁচৰতি হৈ আছে। 'Mountains of rock without water', Dead mountain mouth of carious teeth that cannot spit', 'Murmur of maternal lamentation', 'dry bones', 'arid plain' ইত্যাদি শাৰী বা বাক্যাংশই মৃত্যুৰ দ্যোতনা কঢ়িয়াইছে। কিন্তু এই মৃত্যু মূলতঃ এক আধ্যাত্মিক শুষ্কতাৰ পৰিণাম। পঞ্চম স্তৰৰ শেষৰ শাৰীটোলৈ মন কৰক ঃ

And voices singing out of empty cisterns and exhausted wells

মূল কবিতাটোৰ অন্যত্র এই অন্তঃসাৰশূন্য মানুহৰ ছবি মর্মস্পর্শীভাৱে অংকন কৰিছে। A Game of Chessত এহাল পুৰুষ-নাৰীৰ অন্তৰঙ্গ কথোপকথন;

"Speak to me. Why do you never speak? Speak.
What are you thinking of? What thinking? What?
I never know what you are thinking. Think."

.....

'You know nothing? Do you see nothing? Do you remember Nothing?'

অর্থাৎ এই আধ্যাত্মিক শুষ্কতাৰ বোধ এলিয়টৰ বাবে এক বিমূর্ত অৱধাৰণা নহয়, জীৱনটোৰ নির্মোহ ব্যৱচ্ছেদেৰে কবিয়ে এই সত্যত উপনীত হৈছে। মন কৰিব যে The Hollow Men নামৰ কবিতাটোত এলিয়টে যি ফোপোলা মানুহৰ কথা কৈছে, সেয়া 'খালী কলহ আৰু শুকোৱা নাদৰ মাত'তকৈ বেলেগ নহয়।

Our dried voices, when
We whisper together
Are quiet and meaningless.

কিন্তু আলোচ্য কবিতাটো নিশ্চয় মৃত্যুৰ ছবিত নহয়, জীৱনৰ সন্ধান আৰু পুনৰ জীৱনৰ ভাৱনাই কবিতাটোক গতি দিছে। উর্বৰ ভূমিৰ বিশাল প্রেক্ষাপটত পানী জীৱনৰ প্রতীক। দ্বিতীয় স্তৱকত তৃষ্ণাতুৰ যাত্রীয়ে পানীৰ সন্ধানত পর্বতে বন্দৰে অনাই-বনাই ঘূৰি ফুৰিছে। পৰুৱাই পোৱাৰ দৰে পানীৰ এই ক্লান্ত অথচ অবিৰত সন্ধানৰ শীর্ষত আমি পাওঁগৈ এক আশাতীত ৱসভংগৰ মুহূর্ত ঃ And there is no water। আনহাতে এই মৰুময় ৰাজ্যত ঈশ্বৰ অনুপস্থিত। অর্থাৎ এই উর্বৰ ভূমি মূলতঃ এক ডাৰউইন-উত্তৰ সমাজৰ দশা। ইয়াতে ঈশ্বৰৰ অস্তিত্বৰ অর্থ হ'ল এক পাৰমার্থিক সত্তাক অনুভৱ কৰিবলৈ মানুহৰ অসমর্থতা। যেনেকৈ এমাছলৈ গৈ থকা যীশুৰ দুই শিষ্যই ওৰে বাটটো এক তৃতীয় সত্তাৰ উপস্থিতি অনুভৱ কৰিছে সেয়া যীশুৰ পুনৰুত্থান বুলি ভাবিব পৰা নাই, আধুনিক মানুহেও তেনে এক বিড়ম্বনাৰ সন্মুখীন হৈছে। এই বিড়ম্বনা অবিশ্বাসৰ, জীৱনৰ মূল উৎসৰপৰা বিচ্ছিন্ন হোৱাৰ ফল।

কবিতাটোত এলিয়টৰ ইতিহাসবোধ ফুটি উঠিছে। প্রথম বিশ্বযুদ্ধৰ বিভীষিকাই যেনেকৈ কবিক জোকাৰি গৈছে, ৰুছ বিপ্লৱকো সমাজৰ পুনর্গঠনৰ সদর্থক উদ্যাম বুলি কবিয়ে মানি ল'ব পৰা নাই। এলিয়টে নিজৰ টোকাত এই সম্পর্কত হেৰমেন্ হেছে (Hermann Hesse) ৰ A Look 'into the Chaos' নামৰ কিতাপখনৰ কথা উল্লেখ কৰিছে য'ত ৰুছ বিপ্লৱে ইউৰোপক এক অটল অন্ধকাৰৰ গর্ভলৈ ঠেলি দিয়াৰ কথা উল্লেখ কৰা হৈছে। 'Who are those hooded hordes swarming/over endless plains' এ ৰুছ বিপ্লৱৰ কথাই সূচাইছে। উক্ত স্তৱকৰ পিছৰ ছোৱালৈ মন কৰক ঃ

What is the city over the mountains
Cracks and reforms and bursts in the violet air
Falling towers
Jerusalem Athens Alexandria
Vienna London
Unreal

সমসাময়িক ইতিহাসৰ, নৈৰাজ্যবাদী শক্তিৰ অভিঘাত ইউৰোপীয় সভ্যতা যেন ধ্বংসৰ গৰাহত কোনো ঐহিক বাহ্যিক উদ্যোগেৰে এই ধ্বংসপ্রাপ্ত সভ্যতাৰ পুনর্নির্মাণ আৰু সম্ভৱ নহয়।

কবিয়ে পৰিত্রাণৰ পথ বিচাৰি পাইছে কেতবোৰ প্রমূল্যৰ মাজত। ইউৰোপৰ পৰিচিত সংস্কৃতিৰ মাজৰপৰা কবিয়ে এই প্রমূল্যসমূহ আহৰণ কৰা নাই; বুটলিছে আধ্যাত্মিক চিন্তাৰ ঐতিহ্যৰপৰা। যি সংকীর্ণ ব্যক্তিস্বাতন্ত্র্য ক্ষমতাৰ উদগ্র বাসনা, যথেচ্ছাচাৰ আৰু লাভ-ক্ষতিৰ সমীকৰণে অৱশেষত একোটা সভ্যতাক ধ্বংস কৰি দিব পাৰে, তাৰ বিপৰীতে প্রত্যাশাবিহীন দানৰ নীতি, সহমর্মিতা আৰু আত্মশাসনৰ বাণী মৰুভূমিৰ মাজত যেন পানীৰ বতৰা। উপনিষদত 'দিয়া' বা 'দান কৰা'ৰ অর্থ বিশাল। 'দিয়া' ৰ লগত 'লোৱা'ৰ সমীকৰণ নাথাকে; 'দিয়া'ৰ অন্য প্রত্যাশাও নাথাকে; ফিনিছিয় বনিক (the Phoenician Merchant) ৰ লেনদেন (...and the deep sea swell/And the profit and loss)ৰ পুজিবাদ ইয়াতে নিৰর্থক। ঠিক তেনেদৰে সহমর্মিতা (Dayadhyam)ৰ মর্মত্ত 'পুতৌ কৰা' নহয়; অইনৰ পৰিস্থিতিত নিজকে স্থাপন কৰা। ইয়াৰ বিপৰীতে আধুনিক মানুহৰ যাত্রা আত্মকেন্দ্রিক, সেয়ে নিজৰ সজাত মানুহ নিজেই বন্দী।

We think of the key, each in his prison
Thinking of the key, each confirms a prison

৫.৬.৩ কবিতাটোৰ ৰচনাশৈলী

আলোচ্য কবিতাটো কেবাটাও স্তৱকত বিভক্ত, কিন্তু স্তৱকসমূহৰ আকাৰ তেনেই ভিন্ন। প্রথম স্তৱকৰ যদি নটা শাৰী আছে, অন্তিম স্তৱকত এটাই শাৰী ঃ 'Shantih shantih shantih'। অর্থাৎ বিষয়বস্তুৰ পূর্বনির্ধাৰিত বিভাজন অনুসৰি চোৱা-চোৱাকৈ কবিতাটো লিখা হোৱা নাই, বৰং ভাব-চিন্তা-চিত্র-মেজাজৰ নিজা গতি-সূত্রমতেহে কবিতাটোৰ এই বিক্ষিপ্ত অংশবোৰ ৰূপায়িত হৈছে। এই স্তৱক বা অংশসমূহৰ মাজত আপাত দৃষ্টিত কোনো সম্পর্ক বা ধাৰাবাহিকতা নাই। যেনে, প্রথম স্তৱকটো শেষ হৈছে অলস, মুমুর্ষু মানুহৰ চিত্রৰে—

We who were living are now dying

With a little patience

অথচ ইয়াৰ পিছৰ স্তৱকৰ ভাৱ আৰু ছবি ভিন্ন ঃ ই পানীৰ সন্ধানত শিলনিৰ মাজে মাজে গৈ থকা দৃশ্যৰ উদ্রেক কৰে—

Here is no water but only rock

Rock and no water and the sandy road

কিন্তু মন কৰিব যে এক বিশেষ ভাবজগতৰ (যেনে, উমৰ ভূমিৰ অৱস্থা আৰু ইয়াৰ বিভিন্ন যাত্রা) অংশ হিচাপেহে এই কবিতাটোৰ অংশবোৰ বর্তি আছে, যেনেকৈ *দ্য ৱেষ্টলেণ্ড*ৰপ্রথম চাৰিটা খণ্ডৰ লগত লগ লাগি এক বিৰাট সামগ্রিক দৃশ্যপটৰ অংশ হিচাপেহে *'হুৱাট দ্য ঠাণ্ডাৰ চেইড্'* কবিতাটোৱে অর্থ বহন কৰিছে। আনহাতে এই বিক্ষিপ্ত অংশবোৰৰ মাজত ভাৱৰ যোগাযোগ আৱিষ্কাৰ কৰাটো এতিয়া পঢ়ুৱৈ হিচাপে আপোনাৰ দায়িত্ব।

টি এছ এলিয়টৰ কবিতা দুর্বোধ্য বুলি সততে অভিযোগ অনা হয়। কিন্তু দুর্বোধ্যতাৰ অর্থ 'অর্থহীনতা' বুলি ভাবিব নালাগে। আনহাতে, এলিয়টে নিজেই একধৰণৰ দুর্বোধ্যতাৰ পোষকতা কৰিছে। এলিয়টৰ মতে আধুনিক জীৱন আৰু সভ্যতাৰ চৰিত্রই এনে জটিল যে এই জটিলতাক ৰোমাণ্টিক বা ভিক্টোৰীয় কবিতাৰ দৰে পোনপটীয়াকৈ বা সহজ-সৰল ধৰণে আজিৰ কবিতাত ৰূপায়িত কৰিব পৰা নাযাব। কবিয়ে যদি কোনো পূর্ব-নির্ধাৰিত বিষয় (প্রেম, বিৰহ, প্রকৃতিৰ সৌন্দর্য, জীৱনৰ ক্ষণভংগুৰতা ইত্যাদি)ৰ ওপৰত এক নির্দিষ্ট সাঁচত কবিতা লিখে তেতিয়া হয়তো এই জটিলতাৰ অৱকাশ নাথাকিব। কিন্তু এলিয়টে পোষকতা কৰা (আৰু ব্যক্ত কৰা) কাব্যিক সংবেদনৰ চৰিত্রই জটিল ঃ তাত বিভিন্ন বিষয়, চিন্তা, ভাৱ, মেজাজ আৰু সুৰৰ সহাৱস্থান সম্ভৱ। এই নিবিড় অথচ জটিল ভাৱৰাশি কবিয়ে আত্মোক্তি (monologue)ৰ মাধ্যমেৰে প্রকাশ কৰিব পাৰে, যাৰ উদাহৰণ 'দ্য লাভ ছং অফ জে' আলফ্রেড প্রুফ্রক'। কিন্তু The Waste land ৰ ভাৱজগত প্রুফ্রকতকৈও বিশাল, বিস্তীর্ণ, বহুস্তৰীয়; ইয়াৰ চেতনা মহাকাব্যিক। একক ব্যক্তিসত্তাৰ সীমাবদ্ধ চেতনাৰ পৰিধিত ইয়াৰ ৰূপায়ণ সম্ভৱ নহয়। আমাৰ আলোচ্য কবিতাখণ্ডতো কবিয়ে ব্যক্তিসত্তাৰ তাৎক্ষণিক ভাবৰ বিপৰীতে এক সামগ্রিক মানবীয় চেতনাক ৰূপায়িত কৰিছে। সেয়ে কবিতাটোৰ শৈলী ৰোমাণ্টিক কবিতাৰ দৰে আত্মপ্রকাশধর্মী নহয়, বৰং বস্তুনিষ্ঠ আৰু নৈর্ব্যক্তিক। বিংশ শতিকাৰ ধীমান সমালোচক এফ আৰু লীৱিছে মন্তব্য কৰিছে যে এলিয়টীয় নৈর্বক্তিকতাৰ উৎকৃষ্ট দৃষ্টান্ত হ'ল *The Wasteland*।

এই নৈর্ব্যক্তিকতা অর্জনৰ মাধ্যম হৈছে বিভিন্ন আখ্যান (myth) আৰু কণ্ঠ (voice)ৰ ব্যৱহাৰ। উদাহৰণস্বৰূপে আলোচ্য কবিতাটোত কবিয়ে ব্যৱহাৰ কৰা আখ্যানসমূহ হ'ল ঃ যীশুখ্রীষ্টক বিশ্বাসঘাটকতা কৰা আৰু Gethsemane ৰ বাগিছাত বন্দী কৰাৰ আখ্যান, ইজৰাইলৰ সন্তানসকলে মৰুভূমিত অনাই বনাই ঘূৰি ফুৰা আৰু মজেজে শিল এটা আঘাত কৰি পানীৰ ফো�ৱাৰ আৱিষ্কাৰ কৰাৰ আখ্যান, যীশুৰ দুই

শিষ্যই এমাছ চহৰলৈ গৈ থাকোতে তৃতীয় সত্তাৰ উপস্থিতি সম্পর্কে ভ্রম হোৱা কাহিনী, উপনিষদৰ আখ্যান ইত্যাদি। কিন্তু এই আখ্যানসমূহ বর্তমানৰ নাগপাশৰ পৰা পলায়ন কৰাৰ অচিলা নহয়; বৰং আখ্যানসমূহৰ ওপৰত অতি সূক্ষ্মভাৱে এলিয়টে সমসাময়িকতাৰ ব্যঞ্জনা আৰোপ কৰিছে। যদি ক'ৰবাত টিৰিয়াছে ফিল'মেলাক বলাৎকাৰ কৰি হত্যা কৰাৰ আখ্যান ব্যক্ত হৈছে ('Quando fiam chelidon-O swallow swallow'), এই পাপ কেৱল পৌৰাণিক নহয়, আধুনিক সভ্যতাৰ গৌৰবো যেন এনে কালিমাই মলিন কৰিছে। তেনেকৈ লক্ষ্য কৰিব যে বিভিন্ন স্তৱকত প্রথম পুৰুষৰ যিবোৰ উক্তি আমি শুনিবলৈ পাওঁ, সেয়া এলিয়টৰ নিজৰ কণ্ঠ নহয়। সেইবোৰ আখ্যানসমূহৰ বিভিন্ন চৰিত্রৰেই কণ্ঠ।

নৈর্ব্যক্তিকতা অর্জনৰ সঁজুলিসমূহ হ'ল উক্তি আৰু পৰোক্ষ সূচনা (allusion)ৰ আয়োগ। কোনো পূর্বনির্ধাৰিত ছন্দ আৰু লিৰিকেল আবেগৰ সূঁতিৰে কবিৰ আপোন ভাৱ-চিন্তাৰ পম খেদাৰ যি আৰাম, এলিয়টৰ কবিতাত সেয়া অকাজী। একোটা উক্তিয়ে আমাক অন্য এটা পাঠৰ বিশেষ মানসিক পৰিমণ্ডললৈ লৈ যায়। আৰু এনেকৈ *The Wasteland* কবিতাটোত পাঠৰ মূল সোঁতটোৰ লগত বিভিন্ন পাঠ আৰু পুৰাণৰ সম্পর্কৰ জৰিয়তে যেন ভিন্ন চেতনাৰ কেতবোৰ অঞ্চল সাঙোৰ খাই আছে। সেয়েহে অধ্যয়নপুষ্ট একোটা মনেহে এনে কবিতাৰ প্রতি সদর্থক সঁহাৰি জনাব পাৰে। উদাহৰণ স্বৰূপে, কবিতাটোৰ শেষৰপিনৰ এই স্তৱকটোলৈ মন কৰক।

London bridge is falling down falling down falling down
Poi s'ascose nel foco chegli affina
Quando fiam ceu chelidon- O swallaw swallow
Le Prince d' Aquitaine a la tour abolie
These fragments I have shored against my ruins
Why then Ile fit you. Hieronymo's mad againe.
Datta. Daya dhyam. Damyata.

ইয়াত যেন ওমলা পদ্য, ডাণ্টে, থমাছ কিড, লেটিন কবিতা, ফৰাছী কবিতা, বৃহদাৰণ্যক উপনিষদ — আটাইবোৰৰ সমাবেশ ঘটিছে। আসন্ন বিপর্যয়ৰ বিভীষিকা, আধ্যাত্মিক মুক্তিৰ অগ্নিপৰীক্ষা, পাপৰ কালিমা আৰু দুর্গতৰ আর্তনাদ, ধ্বংসৰ নির্মমতা, ৰূপান্তৰৰ কামনা, আত্মীয়ৰ হত্যাই সৃষ্টি কৰা হাঁহাকাৰ, উপনিষদৰ অটলস্পর্শী প্রজ্ঞা- এই আটাইবোৰ সূৰ যেন দ্রুত হৈ অহা সূৰ-সমলয়ৰ দৰে একেলগে বাজি উঠিছে।

৫.৭ কবি হিচাপে এলিয়টৰ মূল্যায়ন

এলিয়ট কুৰি শতিকাৰ ইংৰাজী কবিতাৰ জগতত এক গুৰুত্বপূর্ণ পৰিঘটনা। এনে নহয় যে এলিয়টৰ কাব্যকৃতি স্বতঃস্ফুর্তভাৱে সর্বজন-সমাদৃত। মূলতঃ দুটা অভিযোগ কবিগৰাকীৰ

বিৰুদ্ধে উত্থাপিত হৈছিল— তেওঁৰ কবিতাৰ বৌদ্ধিক আতিশয্য' আৰু 'দুর্বোধ্যতা'। কিন্তু সকলো অভিযোগৰ জপনা ডেই এলিয়টৰ কবিতাই দেশ-দেশান্তৰৰ কবি-সমালোচক-পটুৱৈৰ মাজত আধুনিকতাবাদৰ অগ্রদূত হিচাপে সন্মানীয় স্থান দখল কৰি আহিছে। তেনে অভিযোগৰ গণ্ডীত এলিয়ট-কেন্দ্রিক সমালোচনা ৰৈ থকা নাই। আই এ ৰিছার্ডছ প্রভৃতি সমালোচকে এই 'বৌদ্ধিকতা'ক দুর্বলতা বুলি নকৈ উৎকর্ষতাৰ পৰিচায়ক বুলি বিচাৰ কৰিছে। Principles of Literary Criticismত ৰিচার্ডছে লিখিছে যে এই তথাকথিত 'বৌদ্ধিক আতিশয্য' ('overintellectualised') ৰ গুৰিতে আছে পৰোক্ষ সূচনা (allusion)ৰ ব্যৱহাৰ। ইয়াৰ আঁৰত কবিৰ পাণ্ডিত্য জাহিৰ কৰাৰ অভিপ্রায় নাই, বৰং এক প্রাসংগিক আবেগিক পৰিমণ্ডল আৰু দৃষ্টিকোণৰ উদ্রেক কৰিবলৈহে এলিয়টে এই পদ্ধতি গ্রহণ কৰিছে। এলিয়টৰ কবিতাৰ যি ঘন-সন্নিবদ্ধ ৰূপ, তাৰ আঁৰত আছে পৰোক্ষ সূচনাৰ কৌশল। ৰিছার্ডছে এক চিন্তা উদ্রেককাৰী মন্তব্য কৰিছে ঃ 'বিষয়বস্তু অনুসাৰে *দ্য ৰেষ্টলেণ্ড* মহাকাব্যৰ সমকক্ষ। অথচ এই পদ্ধতি অবিহনে কবিতাটোৱে বাৰখন গ্রন্থ সামৰিলেহেঁতেন।'

ঠিক তেনেকৈ 'দুর্বোধ্যতা'ৰ অভিযোগৰ প্রত্যুত্তৰত ৰিছার্ডছে মন্তব্য কৰিছে যে ব্যৱহাৰিক ভাষাৰ স্পষ্টতা নহয়, দ্যর্থতা (ambiguity) হে কবিতাৰ প্রয়োজনীয় গুণ। গতিকে এই কথা উলাই কৰাৰ থল নাই যে যিসকল মুষ্টিমেয় কবি-চিন্তাবিদে কুৰি শতিকাৰ ইংগ মার্কিন কবিতাৰ জগতলৈ বৈপ্লৱিক পৰিৱর্তন আনিছিল, সেইসকলৰ ভিতৰত এলিয়ট অন্যতম। *'দ্য লাভ ছং অফ জে আলফ্রেড প্রুফ্রক'* কবিতাটো ১৯১৭ চনত প্রকাশিত Prufrock and other observations নামৰ কাব্যসংগ্রহটিত সন্নিবিষ্ট হৈছে। 'প্রুফ্রক'এ ঊনবিংশ শতিকাৰ কাব্য পৰম্পৰাৰ সৈতে সম্পূর্ণ বিচ্ছেদৰ সূচনা কৰি আধুনিকতাৰ প্রৱর্তন কৰে। উক্ত শতিকাৰ দ্বিতীয় দশকতেই এলিয়টে কিছু আন্তর্জাতিক পৰিচিতি লাভ কৰে যদিও তেওঁক কবি হিচাপে মূলতঃ প্রতিস্থা কৰে ১৯২২ চনত প্রকাশিত *দ্য ৰেষ্টলেণ্ড এহে*। ইপিনে বেংকৰ চাকৰি বাদ দি Faber & Faberৰ সঞ্চালকৰ দায়িত্ব গ্রহণ কৰাৰ পিছত সম্পাদক হিচাপে এলিয়টৰ ভূমিকা গুৰুত্বপূর্ণ হৈ আহিল; দীর্ঘদিন গ্রন্থ-প্রকাশৰ লগত জড়িত কবিগৰাকীয়ে এই সূত্রৰেও ইংৰাজী কাব্য পৰম্পৰালৈ অবিস্মৰণীয় অৱদান দি গ'ল। আনহাতে The use of Poetry and the use of Criticism (১৯৩৩), After Strange Gods (১৯৩৪), লগতে এফ অ-'মেথিয়েছেন, ক্লিষ্ট ব্রুক্ছ ইত্যাদি সমালোচকে লিখা গ্রন্থ ইত্যাদিৰ জৰিয়তে মার্কিন মূলুকতো কবিগৰাকীয়ে ত্রিশৰ দশকত প্রতিষ্ঠা লাভ কৰে। ইপিনে ত্রিশৰ দশক বৃটিছ কবিতাত মূলতঃ এলিয়টৰেই প্রতিপত্তি। উক্ত সময়ছোৱাত এলিয়টৰ দ্বাৰা প্রভাৱিত হোৱা উল্লেখযোগ্য বৃটিছ কবিৰ ভিতৰত ডব্লিউ এইছ অ'ডেন্ (১৯০৭-৭৩), আৰু ষ্টিফেন স্পেণ্ডাৰ, ছিছিল ডে' লিৱিছ (১৯০৪-৭২) আৰু লুই মেক্নিছঁ (১৯০৭-৬৩) অন্যতম। মন কৰিবলগীয়া যে মতাদর্শগতভাৱে এইসকল কবি এলিয়টপন্থী নাছিল; তেওঁলোক আছিল মূলতঃ সমাজবাদৰ সমর্থক আৰু উদাৰপন্থী— যাৰ অন্যতম মতাদর্শগত প্রেৰণা আছিল ৰুছ বিপ্লৱ। ইয়াৰ বিপৰীতে এলিয়ট আছিল ধ্রুপদীপন্থী, সংগঠন, শাসন, শৃখলা আৰু কর্তৃত্বৰ প্রবক্তা। ১৯২৭ চনত তেওঁ ইংলেণ্ডৰ গীর্জাৰ শৰণাপন্ন হয়। যদিও সমসাময়িক কোলাহল আৰু নৈৰাজ্যই এলিয়টৰ কবিতাৰ ভাৱজগত গঢ় দিছিল, পিছলৈ তেওঁৰ অধিক সৌম্য দার্শনিক

ভাৱনাসমূহ ৰূপায়িত হৈছে Four Quartetsৰ দৰে যুগমীয়া কৃতিত। 'Burnt Norton', 'East Coker', 'The Dry Salvage', 'Little Gidding'– এই চাৰিটা খণ্ডত বিভক্ত কবিতাটোত এলিয়টে সময়, স্মৃতি, আচাৰ অনুষ্ঠান, অভিজ্ঞতাৰ লগত ভাষাৰ সম্পর্ক ইত্যাদি দার্শনিক বিষয় উপস্থাপন কৰিছে। সমাজৰ বৈপ্লৱিক পুনর্নির্মাণ এলিয়টৰ সমাজ-চিন্তাৰ বৈশিষ্ট্য নহয়। ব্যক্তিসত্তাৰ অপাৰ সম্ভাৱনাতকৈও শাসন-সংযম আৰু পৰম্পৰাৰ শক্তিৰ ওপৰতহে তেওঁৰ আস্থা প্ৰৱল। Rebecca Beasley ৰ Theorists of Modernist Poetry নামৰ গ্ৰন্থখনত এলিয়ট, এজৰা পাউণ্ড আৰু টি. ই. হুমৰ ৰক্ষণশীল ৰাজনীতিৰ বিষয়ে— এনেকি ফেছীবাদৰ সৈতে তেওঁলোকৰ যোগসূত্ৰৰ কথাও-আলোচনা কৰা হৈছে।)

তেন্তে এলিয়টীয় আধুনিকতাৰ স্বৰূপ কি? এইক্ষেত্ৰত আমি কেৱল কবি হিচাপে নাচাই সমালোচক হিচাপে এলিয়টৰ গুৰুত্ব বিচাৰ কৰিব লাগিব।

The Sacred Wood (১৯০৩)ত সন্নিবিষ্ট 'Tradition and Individual Talent' নামৰ ৰচনাত এলিয়টে ঘোষণা কৰিলে যে আধুনিক কবিতাই ৰোমাণ্টিকৰ আত্মপ্ৰকাশৰ আবেগিক তাড়না পৰিহাৰ কৰি কবিতাক সাহিত্যিক পৰম্পৰাৰ সামূহিক, নৈৰ্ব্যক্তিক প্ৰকাশ হিচাপে বিবেচনা কৰিব লাগিব। ৰোমাণ্টিকতাৰ বিৰোধ আৰু বস্তুনিষ্ঠ নৈৰ্ব্যক্তিকতাৰ ৰীতি এলিয়টীয় আধুনিকতাৰ উল্লেখযোগ্য দিশ। (উল্লেখ কৰিব পাৰি যে *দ্য ৰেষ্টলেণ্ড এলিয়ট* কথিত নৈৰ্ব্যক্তিকতাৰ প্ৰকৃষ্ট চানেকি য'ত আপুনি এলিয়টৰ ব্যক্তিগত আবেগৰ প্ৰকাশ বিচাৰি নাপায়। ইয়াৰ সলনি অসংখ্য উক্তি, পৰোক্ষ সূচনা, বিভিন্ন কথকৰ কণ্ঠ আৰু আখ্যানৰ ব্যৱহাৰৰ যোগেদি লিৰিছে কোৱাৰ দৰে কবিতাটোৱে এক বিশাল মানৱীয় চেতনা ধাৰণ কৰিছে।

এলিয়টে এক নতুন ধৰণৰ কাব্যভাষা বা প্ৰকাশ শৈলীৰ সন্ধান কৰিছিল এজৰা পাউণ্ড আৰু টি ই হুমৰ লেখিয়াকৈ। কিয়? কাৰণ ঊনবিংশ শতিকাৰ শেষৰপিনে বৈজ্ঞানিক প্ৰত্যয়ৰ ভেঁটি দুৰ্বল হৈ আহিছিল। ফ্ৰয়েডীয় মনঃসমীক্ষা, আইনষ্টাইনৰ আপেক্ষিকতাবাদ এইবোৰে সত্যৰ স্বৰূপ সম্পর্কে প্ৰচলিত চিন্তা-চর্চাসমূহ অপ্ৰাসংগিক কৰি তুলিছিল। টেলিফোন, যানবাহন, উৰাজাহাজ ইত্যাদিৰ আৱিষ্কাৰে জীৱনৰ গতি দ্ৰুততৰ কৰি তুলিছিল। বৈজ্ঞানিক অনুসন্ধানে ঢুকি নোপোৱা কেতবোৰ বিষয়ৰ প্ৰতি মানুহৰ মন ধাবিত হৈছিল। ৰেবেকা বিষ্টলীয়ে কৈছে যে আধুনিতাবাদ এই বৌদ্ধিক সংকটৰেই ফলশ্ৰুতি। সমসাময়িক দার্শনিক চিন্তাত এই সংকটৰ প্ৰভাৱ পৰিছিল। এলিয়টক গভীৰভাৱে প্ৰভাৱিত কৰা এফ এইছ ব্ৰেডলীয়ে ভাবিছিল যে তাৎক্ষণিক অভিজ্ঞতাৰ হুবহু ৰূপায়ণ সম্ভৱ নহয়; কেতবোৰ বিমূৰ্ত বহিঃৰূপ (appearance)ৰ জৰিয়তেহে আমি ইয়াৰ মোল বুজিব পাৰোঁ। এলিয়টে 'Hamlet and his Problems' নামৰ ৰচনাত অভিজ্ঞতাৰ সদর্থক ৰূপায়ণৰ এটি পদ্ধতি ঘোষণা কৰিছে বস্তুনিষ্ঠ অনুৰূপ (objective correlative)ৰ সূত্ৰ ঃ কোনো বস্তু, পৰিস্থিতি বা ঘটনাৰ শৃংখল কবিয়ে প্ৰকাশ কৰিবলৈ বিচৰা আবেগৰ প্ৰতিৰূপ হ'ব পাৰে। কিন্তু ভাষাই যিহেতু অভিজ্ঞতাৰ এটা মিছা প্ৰতিচ্ছবিহে দাঙি ধৰে, ভাষাক পোনপটীয়া অভিঘাতৰ সঁজুলি হিচাপে গঢ় দিব লাগিব। এই কাম সহজ নহয়। কিন্তু আজিৰ জটিল সভ্যতাৰ ৰেহৰূপ অংকন কৰিবলৈ কবিৰ কাব্যভাষাও জটিল হ'বলৈ বাধ্য। কিন্তু ই কেনেধৰণৰ কাব্যভাষা?

এই ক্ষেত্ৰত ফৰাছী প্ৰতীকবাদৰ প্ৰভাৱ উল্লেখযোগ্য। হাৰ্ভাৰ্ডত থকা সময়চোৱাত এলিয়টে আৰ্থাৰ ছাইমন্ছৰ The Symbolic Movement in literature নামৰ গ্ৰন্থখন পঢ়ি অঁতাইছিল। ছাইমনছৰ মতে প্ৰতীকবাদ হ'ল চেতনাই ধাৰণ কৰা এক নেদেখা বাস্তৱতাৰ প্ৰকাশ। প্ৰতীকবাদী কবিতাৰ তথাকথিত দিশসমূহ হ'ল সংগীত সমতা, দুৰ্বোধ্যতা ৰহস্যধৰ্মিতা, মুক্তক ছন্দ আৰু প্ৰতীকৰ ব্যৱহাৰ। কিন্তু প্ৰতীকবাদৰ মৌলিক বিশেষত্ব হ'ল ভাষাৰ সংকটৰ মোকাবিলা— ভাষাই যদি কোনো আবেগ বা বোধ যথাৰ্থভাৱে সূচাব নোৱাৰে, প্ৰতীকে তাক পৰোক্ষভাৱে উদ্ৰেক কৰিব পাৰে। পা�ৱস্পৰিক লয় আৰু ছন্দসজ্জা এৰি মুক্তক ছন্দৰ ব্যৱহাৰ প্ৰতীকবাদী কবিতাৰ বৈশিষ্ট্য। মুক্তক ছন্দৰ ব্যৱহাৰ এলিয়টীয় কাব্যৰীতিৰ বৈশিষ্ট্য। মুক্তক ছন্দৰ ব্যৱহাৰ এলিয়টীয় কাব্যৰীতিৰ বৈশিষ্ট্য। প্ৰতীকবাদী সকলৰ ভিতৰত জুল লাফ'র্গ (Tuly Laforgun)ৰ এলিয়টৰ ওপৰত প্ৰভাৱ আজি সৰ্বজনস্বীকৃত। উল্লেখযোগ্য যে লাফ'র্গ আছিল মুক্ত ছন্দ কাব্যৰ অন্যতম প্ৰভাৱশালী কবি।

আচলতে ৰূপায়নৰ তাগিদাইহে এলিয়টক নতুন কাব্যৰূপৰ সন্ধানৰ বাবে প্ৰৰোচিত কৰিছিল। তেওঁ এনে এক শৈলীৰ সন্ধান কৰিছিল যি সমসাময়িক যুগৰ অনিশ্চয়তাক যথাৰ্থভাৱে ৰূপায়ণ কৰিব। এই সূত্ৰতেই তেওঁ সোতৰশ শতিকাৰ 'মেটাফিজিকেল কবি'সকলৰ কাব্যৰীতিৰ উপাদান আয়ত্ব কৰিছিল। এই কবিসকলে বিভিন্ন ক্ষেত্ৰৰ বস্তু বা পৰিঘটনাৰ মাজত এনে অভিনৱ সংযোগ স্থাপন কৰিছিল, য'ত আবেগ আৰু বুদ্ধিৰ যুগপৎ ক্ৰিয়া বৰ্তমান। এলিয়টে বুজিছিল যে পোপ বা ড্ৰাইডেনৰ দৰে নিৰাবেগ বুদ্ধি অথবা ৰোমাণ্টিক কবিৰ দৰে বুদ্ধিহীন আবেগৰ প্ৰকাশেই সকলো নহয়। আজিৰ জটিল পৃথিৱীৰ উত্তৰাধিকাৰী আধুনিক কবিৰ জটিল সংবেদনা থাকিব লাগিব, য'ত ভাষাৰ বিচিত্ৰ প্ৰয়োগেৰে বাস্তৱৰ বিভিন্ন সমতলৰ ইঙ্গিত কবিতাই বহন কৰিব। সৰ্বশেষত ক'ব পাৰি যে কবি হিচাপে এলিয়টৰ তিনিটা দিশ উল্লেখযোগ্য— প্ৰথম দিশটো হ'ল তেওঁৰ যুগচেতনা। বিভিন্ন আখ্যান, অতীত সংস্কৃতিৰ অলেখ সূচক তেওঁৰ কবিতালৈ সহজভাৱেই সোমাই আহিছে, কিন্তু মূলতঃ সমসাময়িক জীৱনটোৱেই তেওঁৰ কাব্য-ভাৱনাৰ উহঁ। দ্বিতীয়তে— আবেগ অনুভূতিক সম্পূৰ্ণ বৰ্জন নকৰিও কবিতাক নৈৰ্ব্যক্তিক চেতনাৰ বাহক হিচাপে গঢ় দিবলৈ তেওঁৰ তাত্ত্বিক আৰু প্ৰায়োগিক অনুশীলন আৰু সিদ্ধি। তৃতীয়তে বিভিন্ন পাঠৰ উক্তি আৰু পৰোক্ষ সূচনাৰ জৰিয়তে কবিতাক ইয়াৰ একমুখী লিৰিকেল আবেগিকতাৰ পৰা মুক্ত কৰি এক বহুস্তৰীয় চেতনাৰ মাধ্যম হিচাপে গঢ় দিয়া।



৫.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টিৰ অধ্যয়নে আমাক—

- ইংৰাজী কাব্য সাহিত্য আৰু আধুনিক যুগ— এই বিষয়টোৰ লগত পৰিচয় কৰাই অসমীয়া সাহিত্যৰ শিক্ষাৰ্থীক ভিক্টোৰীয়া যুগৰ সমাজ আৰু ৰাজনীতেয় সমসাময়িক ইংৰাজী

সাহিত্য বিশেষকৈ কাব্য সাহিত্যক কি দৰে প্ৰভাৱিত কৰিছিল তাৰ ধাৰণা আগবঢ়ালে।

- নানা ৰাজনৈতিক উত্থান-পতনৰ মাজতো ভিক্টোৰীয় যুগে বিজ্ঞানৰ স্বাগতম জনাইছিল। তৎসত্ত্বেও ধৰ্মীয় গোড়ামি, কুসংস্কাৰ আৰু কপটাচাৰৰ পৰা ব্যক্তি জীৱন মুক্ত হ'ব পৰা নাছিল। এখন সুস্থ সমাজত উশাহ ল'বলৈ যেন লেখক-সাহিত্যিকসকল উদ্বাউল হৈছিল।
- ৰাণী ভিক্টোৰীয়াৰ মৃত্যুৰ পিছত তেওঁৰ পুত্ৰ সপ্তম এডৱাৰ্ড ইংলেণ্ডৰ ৰাজসিংহাসনত বহে। এডৱাৰ্ডীয় যুগৰ সমাজ ফৰাচী জীৱন চিন্তা আৰু সাংস্কৃতিক চেষ্টাৰ দ্বাৰা প্ৰভাৱিত। অট'মোবাইল, ইলেকট্ৰিচিটিৰ আৱিষ্কাৰ আৰু মানৱ অধিকাৰৰ বিষয়ে সমসাময়িক শিল্পকাৰসকলক প্ৰভাৱিত কৰিছিল। সাহিত্যৰ ক্ষেত্ৰত জে এম কৰী, আৰ্ণোল্ড বেণেট, জে কে চেষ্টাৰটন, জোচেফ কনৰাড, ই এম ফষ্টাৰ, জন পলচ্ৰৰ্ডি, কেনেথ গ্ৰাহাম, ৰুদয়ার্ড কিপলিং, এডিথ, নেচবিট, জর্জ কর্ণার্ড শ্ব ইত্যাদিয়ে যুগৰ চেতনা নিজৰ ৰচনাৰ মাজেদি ফুটাই তুলিছিল। এই সকলৰ লগত যোগ দিলেহি থমাছ ষ্টার্ণচ এলিয়টে।
- বিংশ শতিকা আৰম্ভ হোৱা কেইবছৰমানৰ পিছতেই বিশ্ব মানৱ সমাজক জোকাৰি যোৱা প্ৰথম বিশ্বযুদ্ধৰ ক্ষয়ষ্কৰ পৰিণতিয়ে যি হতাশাবোধ, শূন্যতা আৰু উৎকণ্ঠাৰ সৃষ্টি কৰিছিল, তাৰ চিটিকনি সমসাময়িক কাব্য সাহিত্যৰ ক্ষেত্ৰলৈকো সম্প্ৰসাৰিত হৈছিল। সেই প্ৰক্ৰিয়াই এলিয়টৰ *দ্য ৰেষ্টলেণ্ডৰ* নিচিনা মহৎ কাব্যকৃতিৰ নিৰ্মিতিত অভূতপূৰ্ব অৰিহণা যোগায়। *দ্য ৰেষ্টলেণ্ডৰ* কবিতাসমূহত জীৱন আৰু জগতৰ যি গভীৰ, মননশীল ৰূপ আৰু দৃষ্টিভঙ্গী প্ৰকাশ পাইছে সিয়ে কাব্য নিৰ্মাতাগৰাকীক 'যুগ পুৰুষ' সদৃশ চৰিত্ৰ প্ৰদান কৰিছে।
- থমাছ ষ্টার্ণচ্ এলিয়টৰ জীৱন আৰু ৰচনাৰাজিৰ পৰিচয়মূলক আলোচনাৰ মাজেদি এইগৰাকী প্ৰতিভাশালী কবি আৰু সমালোচকৰ বৌদ্ধিক দৃষ্টিৰ ধাৰণা লাভ কৰিব পাৰিলোঁ।
- *দ্য ৰেষ্টলেণ্ডে* সামগ্ৰিকভাৱে অনুৰ্বৰ ভূমিৰ এক বিস্তৃত দৃশ্যপট অংকন কৰিছে আৰু সেই পটভূমিত আধুনিক মানুহৰ আৰু সমাজ জীৱনৰ বিভিন্ন দশা পৰীক্ষা কৰি চাইছে। প্ৰেম, যৌনতা, মৃত্যু, হিংসা, স্মৃতি, নিঃসঙ্গতা, ইতিহাসৰ উপদ্ৰব, যান্ত্ৰিকতা, মানবীয় সম্পৰ্কৰ অচলাৱস্থা, প্ৰাণশক্তিৰ অপমৃত্যু, শূন্যতা আৰু আধ্যাত্মিক শুষ্কতা ইত্যাদি বিভিন্ন দিশ সাঙুৰি এলিয়টে আধুনিক জীৱন আৰু সভ্যতাৰ স্বৰূপ উদ্ঘাটন কৰিছে। কিন্তু জীৱনৰ যি দিশেই উন্মোচিত নহওঁক কিয়, আমি যে প্ৰকৃততে এক অনুৰ্বৰ ভূমিৰ বাসিন্দা সেই অন্তঃসলীলা ফল্গুধাৰাৰ দৰে বৈ থকা বোধে কবিতাটোৰ পাঁচটো খণ্ডক বান্ধি ৰাখিছে।
- *হুৱাট দ্য ঠাণ্ডাৰ চেইড* কবিতাটোত এলিয়টে বিভিন্ন অনুষঙ্গ আৰু বিষয়ৰ মাজৰে মূলতঃ সমসাময়িক জীৱন আৰু সভ্যতাৰ স্বৰূপ উদ্ঘাটন কৰিছে। কবিতাটোত মৃত্যুৰ অনুষঙ্গ সিঁচৰতি হৈ আছে। কিন্তু এই মৃত্যু মূলতঃ এক আধ্যাত্মিক শুষ্কতাৰ পৰিণাম। কবিয়ে পৰিত্ৰাণৰ পথ বিচাৰি পাইছে কেতবোৰ প্ৰমূল্যৰ মাজত। কবিয়ে সেই প্ৰমূল্যসমূহ

বুটলিছে আধ্যাত্মিক চিন্তাৰ ঐতিহ্যৰ পৰা। তাৰ বাবে তেওঁ কাষ চাপিছে ভাৰতীয় উপনিষদৰ অমৃৎ ভাণ্ডাৰৰ ওচৰলৈ।



৫.৮ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ ঃ

1. Bloom, Harold (2007); T.S. Eliot's The Weste hand. New York : Infobase Publishing.
2. Carter, Ronald, and John Mcray (2001); The Cambridge History of Literature in English : Britain and Ireland New York : Routeledge.
3. Eliot, T.S (2001); The Waste land. Ed. Michael North. New York : Norton.
4. Leavis, F.R (2008); New Bearings in English Poetry. London : Faber and Faber.
5. Moody, A. David (1994); The Cambridge Companion to T.S. Eliot. New York : Cambridge UP.
6. Raine, Craig (2006); T.S. Eliot, New York : Oxford UP.
7. Rainey, Lawrence (2005); Modernism : An Anthology Malden : Black well.



৫.৯ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্ৰশ্নৰ উত্তৰ ঃ টি এছ এলিয়টৰ পিতৃ-মাতৃৰ পৰিচয়.....তেওঁৰ জন্মস্থান.....তেওঁৰ শৈশৱৰ উল্লেখযোগ্য ঘটনা.....তেওঁৰ শিক্ষা জীৱন.....কৰ্মজীৱন, কৃতিসমূহৰ চমু লেখ..... তেওঁৰ মৃত্যু।

২নং প্ৰশ্নৰ উত্তৰ ঃ টি এছ এলিয়ট কবি, নাট্যকাৰ আৰু সমালোচক.....তেওঁৰ ৰচনাৰ উল্লেখযোগ্য বৈশিষ্ট্য.....কৃতিসমূহৰ চমু পৰিচয়.....উল্লেখযোগ্য কৃতিসমূহৰ গুৰুত্বৰ বিষয়ে দুআষাৰ।

৩নং প্ৰশ্নৰ উত্তৰ ঃ *দ্য ৱেষ্টলেণ্ড* কাব্যগ্ৰন্থৰ মূল বিষয়বস্তু.....কাব্যখনৰ বিভিন্ন খণ্ডৰ চমু পৰিচয়.....আধুনিক কাব্যখনৰ প্ৰাসংগিকতা



৫.১০ আৰ্হি প্ৰশ্ন

প্ৰশ্ন নং ১ ঃ কবি টি এছ এলিয়টৰ জীৱন আৰু কৰ্মৰাজিৰ পৰিচয় আগবঢ়াওক।

প্ৰশ্ন নং ২ ঃ বিভিন্ন ভাষাৰ অধ্যেতা, মননশীল লেখক টি এছ এলিয়টৰ সৃষ্টিৰাজিৰ মাজেদি তেওঁৰ বৌদ্ধিক দক্ষতা কি দৰে ফুটি উঠিছে?

প্ৰশ্ন নং ৩ ঃ এলিয়টৰ কাব্য জীৱনৰ মাইলৰ খুটি ৰূপে কোনখন কাব্য গ্ৰন্থৰ নাম ল'ব পাৰি? সেই কাব্য গ্ৰন্থৰ বিষয়বস্তুৰ আভাস দিয়ক।

প্ৰশ্ন নং ৪ ঃ এলিয়টৰ কাব্য সৃষ্টিৰ মাজেদি আধুনিক জীৱন আৰু ব্যক্তিসত্তাৰ কোনবোৰ দিশ ফুটি উঠিছে।

প্ৰশ্ন নং ৫ ঃ এলিয়টৰ কাব্য সৃষ্টিৰ মাজত 'যুগ-বেদনা' নিহিত হৈ আছেনে?

প্ৰশ্ন নং ৬ ঃ *দ্য ৰেষ্টলেণ্ড* কাব্য গ্ৰন্থৰ ক'ত কেনেকৈ ভাৰতীয় দৰ্শনে ভুমুকি মাৰিছে আলোচনা কৰক।

*** ***** ***

অধ্যায় ৬ঃ চার্লচ ডিকেঞ্চ ঃ *অলিভাৰ টুইষ্ট* - (১)

অধ্যায় গাঁথনি

৬.১ উদ্দেশ্য

৬.২ পৰিচয়

৬.৩ ভিক্টৰীয় যুগ আৰু ইংৰাজী উপন্যাস সাহিত্য

৬.৪ চার্লচ ডিকেঞ্চ

৬.৪.১ জীৱন

৬.৪.২ সাহিত্যকৃতি

৬.৫ চার্লচ ডিকেঞ্চৰ উপন্যাসৰ চমু পৰিচয়

৬.৬ চার্লচ ডিকেঞ্চৰ উপন্যাসৰ বৈশিষ্ট্যৰাজি

৬.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৬.৮ অধিক জানিবলৈ

৬.৯ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

৬.১০ আৰ্হি প্রশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ভিক্টৰীয় যুগ সম্পর্কে বিস্তৃতভাৱে জানিব পাৰিব
- এই যুগৰ ইংৰাজী উপন্যাস সাহিত্য সম্পর্কে জানিব পাৰিব
- ভিক্টৰীয় যুগৰ জনপ্রিয় ঔপন্যাসিক চার্লচ ডিকেঞ্চৰ জীৱন আৰু সাহিত্যকৃতিৰ সৈতে পৰিচিত হ'ব পাৰিব
- চার্লচ ডিকেঞ্চৰ উপন্যাসসমূহৰ চমু পৰিচয় লাভ কৰিব পাৰিব
- চার্লচ ডিকেঞ্চৰ উপন্যাসৰ সাধাৰণ বৈশিষ্ট্যসমূহৰ লগত পৰিচিত হ'ব পাৰিব।

৬.২ পৰিচয়

এই পাঠ্যবিষয়ৰ প্রথম পাঁচটা অধ্যায়ত আমি ইংৰাজী সাহিত্যৰ পাঁচগৰাকী কবিৰ কাব্যকৃতি সম্পর্কে জানিব পাৰিলোঁ। তেওঁলোক ক্রমে ইংৰাজী সাহিত্যৰ উল্লেখযোগ্য কবি উইলিয়াম ব্লে'ক,উইলিয়াম ৱর্ডছৱর্থ, জন কীট্চ, ৰবার্ট ব্রাউনিং আৰু টি.এছ এলিয়ট। এতিয়া আমি ষষ্ঠ অধ্যায়ত ভিক্টৰীয় যুগৰ জনপ্রিয় ঔপন্যাসিক চার্লচ ডিকেঞ্চৰ জীৱন আৰু সাহিত্যকৃতি সম্পর্কে আলোচনা কৰিম। তেওঁৰ সাহিত্যৰাজিৰ ভিতৰত উপন্যাসসমূহ পাঠক সমাজত অতি

জনপ্রিয়। আমাৰ আলোচনাত ডিকেঞ্চৰ উপন্যাসসমূহৰ চমু পৰিচয় আগবঢ়োৱা হৈছে। লগতে উপন্যাসৰাজিৰ সাধাৰণ বৈশিষ্ট্যসমূহ দাঙি ধৰিবলৈ প্রয়াস কৰা হৈছে।



জানি থোৱা ভাল

১৮৩৭ চনত ইংলণ্ডৰ ৰাজসিংহাসনত অধিষ্ঠিত হৈ ১৯০১ চনলৈকে মুঠ ৬৩ বছৰ ৭ মাহ ৰাজপাট ভোগ কৰা ৰাণী এলেকজেন্দ্রিয়া ভিক্টৰীয়াৰ নামেৰে 'ভিক্ট'ৰীয় যুগ'ৰ নামকৰণ কৰা হৈছে।

৬.৩ ভিক্ট'ৰীয় যুগ আৰু ইংৰাজী উপন্যাস সাহিত্য

১৮৩২ চনৰ পৰাই ভিক্ট'ৰীয় যুগৰ সূচনা হৈছে। ১৮৩২ চনত ইংলণ্ডৰ শাসন ব্যৱস্থাত পার্লিয়ামেণ্ট সংস্কাৰ আইন গৃহীত হয় আৰু গণতান্ত্রিক শাসন ব্যৱস্থা প্রতিষ্ঠিত হয়। এই যুগতে ন-ন বৈজ্ঞানিক আৱিষ্কাৰ আৰু দৃষ্টিভংগীত বৈজ্ঞানিক মানসিকতাৰ প্রতিফলন লেখত ল'বলগীয়া পৰিঘটনা। গণতন্ত্রৰ প্রতিষ্ঠা আৰু বৈজ্ঞানিক দৃষ্টিভংগীৰ উত্থান— এই দুই পৰিঘটনাই প্রমাণ কৰে যে ভিক্ট'ৰীয় যুগ উদ্দেশ্যপ্রণোদিতভাৱে সৃষ্ট সাহিত্যৰ বাটকটীয়া। ই আগৰ কালৰ ৰোমাণ্টিক বা কাল্পনিক সৌন্দর্যপ্রীতিৰ পৰা বহু যোজন দূৰত অৱস্থান কৰিছে। অর্থাৎ ভিক্ট'ৰীয় সাহিত্যই বাস্তৱবাদক আদৰণি জনাইছে। এই যুগৰ সাহিত্যত দলিত শ্রেণীৰ অধিকাৰ ৰক্ষাৰ বিষয় উত্থাপিত হৈছে। বৈজ্ঞানিক আৱিষ্কাৰ, ঔদ্যোগীকৰণৰ ফলত ইংলণ্ড অর্থনৈতিকভাৱে চহকী হ'লেও খাদ্য সামগ্রীৰ মূল্যবৃদ্ধি আৰু নিবনুৱা সমস্যাই দেখা দিয়ে। অৱশ্যে বৈজ্ঞানিক মানসিকতাৰ প্রসাৰণ, ডাৰউইনৰ *'অৰিজিন অৱ স্পেচিচ'*ৰ প্রকাশে বিৱর্তনৰ জৰিয়তে বান্দৰৰপৰা মানুহৰ সৃষ্টি হোৱা কথাটো স্বীকৃত হোৱাত 'আদাম-ইভ'ৰ কাহিনী শুনাই অহা গীর্জাৰ ধর্মযাজক বা পুৰোহিত শ্রেণীটো সন্ত্রস্ত হৈ পৰিল। মুঠতে ভিক্ট'ৰীয় যুগত পুৰণিকলীয়া ধর্মীয় ৰীতি-নীতিৰ মেৰপাক সুলকি পৰিল।

সাহিত্যৰ ক্ষেত্রত কাব্য-গদ্য দুয়োবিধতে সাহিত্যিকসকলে উদ্দেশ্যধর্মীতাৰে বাস্তৱবাদৰ বাট কাটি দিছে। আগতে উল্লেখ কৰি অহা হৈছে যে ডাৰউইনৰ বিৱর্তনবাদে মানৱ সৃষ্টিৰ ৰহস্য উদ্‌ঘাটনত সহায় কৰিছে। সেই বুলি ধর্মীয় চিন্তা-চেতনাৰ উর্ধত গৈ ঈশ্বৰৰ অস্তিত্বক এই যুগৰ সাহিত্যিকে নস্যাৎ কৰা নাই। এই যুগৰ প্রতিনিধিস্থানীয় কবি টেনিছন, ৰবার্ট ব্রাউনিঙে যদি ঈশ্বৰৰ অস্তিত্ব মানি লৈও বৈজ্ঞানিক চিন্তা-চর্চাক আদৰি লৈছিল, আনফালে মৰিছ, ৰছেটি, চুইণবার্ণে মাথোঁ সৌন্দর্য সাধনাতহে নিমজ্জিত হৈছিল। গদ্যলেখক কার্লাইল, ৰাস্কিনে আকৌ বস্তুবাদী দর্শনৰ প্রাচুর্যৰ বিৰোধ কৰিছিল।

ভিক্ট'ৰীয় যুগত বহুতো নেতিবাচক দিশে ক্রিয়া কৰা দেখা যায়। এই যুগৰ সাহিত্যিকৰ ব্যক্তিত্ব আৰু সাহিত্যত স্ব-বিৰুদ্ধ স্বভাৱ প্রতিফলিত হৈছে। ভালেমান প্রভাৱশালী সাহিত্যিকেই প্রত্যক্ষভাৱে নীতি-নৈতিকতাৰ দোহাই দি পৰোক্ষভাৱে যৌন কেলেংকাৰী বা নিষিদ্ধ ক্রিয়াকলাপত

লিপ্ত হৈ আপোচ-মীমাংসা কৰি লৈছিল। সেয়েহে এই যুগটোক ভণ্ডামিৰ যুগ বুলি অভিহিত কৰা হৈছে। উল্লেখযোগ্য যে ভিক্টৰীয় সাহিত্যত পৰিদৃষ্ট ধর্ম আৰু বিজ্ঞানৰ দ্বন্দ্ব, কপট নৈতিকতা আৰু নিভাঁজ প্রেমানুৰাগ, মহত্ব আৰু মিথ্যাচাৰিতা আদি দিশ পৃথিৱীৰ অন্য সাহিত্যত বিৰল। এই বৈপৰীত্য ভিক্টৰীয় যুগৰ সাহিত্যৰ এক অন্যতম বৈশিষ্ট্য।

থোৰতে ক'বলৈ হ'লে ভিক্টৰীয় যুগৰ নানান দিশ আমি তলত দিয়া ধৰণে দেখুৱাব পাৰোঁ—

১) ঊনবিংশ শতিকাৰ ৰাণী ভিক্টৰীয়াৰ সুদীর্ঘ শাসনকাল ইংলণ্ডৰ বাবে অতিশয় গুৰুত্বপূর্ণ। এই সময়ছোৱাত ইংলণ্ডৰ সমগ্র বাতাবৰণক পৰিৱর্তন আৰু উন্নয়নৰ ঢৌৱে চুই গৈছিল। ব্রিটিছ সাম্রাজ্যৰ প্রসাৰ, ঔদ্যোগীকৰণ, সমাজ-সাংস্কৃতিক জীৱন, ৰাজনৈতিক দিশ, বিজ্ঞানৰ আৱিষ্কাৰসমূহ, সামৰিক ক্ষেত্রত পৰিৱর্তন আদিয়ে সকলোকে চুই য়ায়। বিভিন্ন ক্ষেত্রত সংঘাতৰ সৃষ্টি হ'লেও সাহিত্যিকসকলে আপোচ-মীমাংসাৰ মনোবৃত্তি গ্রহণ কৰে।

২) ডাৰউইনৰ বিৱর্তনবাদৰ তত্ত্ব আৱিষ্কাৰ হোৱাত ধর্মীয় বিশ্বাসত প্রভূত পৰিৱর্তনৰ সূচনা হয় ।গীর্জাকেন্দ্রিক প্রচলিত ধর্মীয়-বিশ্বাস আৰু বৈজ্ঞানিক ধ্যান-ধাৰণাৰ মাজত সংঘাত সৃষ্টি হ'লেও সাহিত্যিকসকলে নিজৰ ৰচনাত ঈশ্বৰৰ অস্তিত্বক স্বীকাৰ কৰি লৈহে আগবাঢ়িছিল। বৈজ্ঞানিক মানসিকতা আৰু ঈশ্বৰৰ প্রতি বিশ্বাস, ভিক্টৰীয় যুগৰ সাহিত্যিকৰ ৰচনাত প্রতিফলিত হৈছে।

৩) ভিক্টৰীয় যুগত কোনো বিশেষ বিশেষ দিশত এচাম মানুহে সর্বেসর্বা আছিল। যেনে ঃ ৰাজনৈতিক ক্ষেত্রত ৰাষ্ট্র আৰু আইন, ধর্মীয় ক্ষেত্রত গীর্জা আৰু ধর্মযাজক, গার্হস্থ্য জীৱনত পুৰুষৰ হাতত শেষ কর্তৃত্ব ন্যস্ত আছিল। এই সময়ছোৱাতো বর্ণ বৈষম্য, পুঁজিপতি-শ্রমিক শ্রেণী, নাৰী-পুৰুষৰ বিভাজন আদি আছিল। নাৰীৰ প্রতি পোষণ কৰা মনোভাৱ নিম্ন মানসিকতাৰ সূচক হ'লেও সমালোচকসকলৰ মতে ই এক পৰিশীলিত শিল্পকলা বুলি মানি লৈছিল।

৪) ভিক্টৰীয় যুগত ভণ্ডামি, কপটাচাৰ, ফোপোলা নৈতিকতা, অন্তঃসাৰশূন্যতা,দুর্নীতি, নাৰীৰ প্রতি অশালীন ব্যৱহাৰ, যৌন কেলেংকাৰী আদি সমাজ-ব্যৱস্থাত চকুত লগাকৈ ফুটি উঠিছিল। অথচ সাহিত্যত ইয়াৰ বিপৰীত ছবি এখন তুলি ধৰাৰ প্রয়াস পৰিলক্ষিত হৈছিল। মুঠতে কথা-কামৰ বৈপৰীত্য ভিক্টৰীয় যুগৰ বিশেষ বৈশিষ্ট্য।

বিজ্ঞানৰ নিত্য-নতুন আবিষ্কাৰে ভিক্টৰীয় যুগটোক মহীয়ান কৰি তুলিলেও সমাজ মানসিকতাক চুব নোৱাৰাত বাস্তৱ ক্ষেত্রত কোনো মহৎ ৰূপান্তৰ আনিব নোৱাৰিলে।

ভিক্টোৰিয়ান যুগৰ ইংৰাজী উপন্যাস সাহিত্যত যুগ সচেতনতা, সামাজিক বাস্তৱতা, মনস্তাত্বিক বিশ্লেষণ আৰু ভিন্নসূৰী চৰিত্রাংকনেৰে বৈশিষ্ট্যপূর্ণ হৈ উঠিছে। এই সময়ছোৱাত বহুসংখ্যক উপন্যাস সৃষ্টি হৈছিল বাবে সমালোচকসকলে ভিক্টৰীয় যুগটোক দুটা ভাগত বিভক্ত কৰি লৈছে ঃ প্রথমার্ধৰ ভিক্টৰীয় উপন্যাস আৰু পৰৱর্তী

সময়ৰ ভিক্টৰীয় উপন্যাস। প্ৰথমাৰ্ধৰ উপন্যাসখনিত যুগচেতনা তথা সৰ্বসাধাৰণে নিজকে উপন্যাসৰ পাততে বিচাৰি পাব পৰা হৈছে। আনহাতে পৰবৰ্তী সময়ছোৱাত ঔপন্যাসিকসকল যুগ সাপেক্ষ নহয়, প্ৰতিবাদী। প্ৰথমাৰ্ধৰ ঔপন্যাসিকৰ ভিতৰত চার্লচ ডিকেঞ্চ সৰ্বাধিক জনপ্ৰিয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ ভিক্টৰীয় যুগৰ বিশিষ্ট লক্ষণসমূহ কি কি হ'ব পাৰে বিচাৰ কৰি চাওক। (১৫০টা শব্দৰ ভিতৰত)

.....

৬.৫ চার্লচ ডিকেঞ্চ

৬.৫.১ জীৱনী

ঊনবিংশ শতিকাৰ ইংৰাজী সাহিত্যৰ সৰ্বাধিক জনপ্ৰিয় ঔপন্যাসিকগৰাকী হৈছে চার্লচ ডিকেঞ্চ। তেওঁৰ জন্ম হৈছিল ১৮১২ চনৰ ৭ ফেব্ৰুৱাৰী তাৰিখে ইংলণ্ডৰ পোৰ্টমাউথ নামে ঠাইত। তেওঁৰ পিতৃ জন ডিকেঞ্চে নৌসেনাৰ বেতন কাৰ্যালয়ত চাকৰি কৰিছিল। তেওঁ বৰ মৰমিয়াল আৰু উদাৰ মনৰ ব্যক্তি আছিল। কিন্তু তেওঁৰ মিতব্যয়িতা আৰু দূৰদৰ্শিতা গুণৰ অভাৱ আছিল। ডিকেঞ্চৰ মাতৃৰ নাম এলিজাবেথ ডিকেঞ্চ। তেওঁ গুণী আৰু ভদ্ৰ মহিলা আছিল। ডিকেঞ্চ পিতৃ-মাতৃৰ দ্বিতীয় সন্তান আছিল। ডিকেঞ্চৰ পৰিয়াল সাহিত্যৰ সৈতে জড়িত নহ'লেও তেওঁলোকৰ সংগ্ৰহত ডেফো, কাৰ্ভেণ্টিচ্, স্ম'লেট, ফিল্ডিং, গ'ল্ডস্মিথ আদি ঔপন্যাসিকৰ আপুৰুগীয়া উপন্যাসৰ সংগ্ৰহ আছিল। তেওঁ অইন শিশুৰ দৰে খেলা-ধূলাত অংশগ্ৰহণ কৰাৰ সলনি উপন্যাস পঢ়িয়ে আনন্দ লভিছিল আৰু নিঃসংগ সময় অতিবাহিত কৰিছিল। ডিকেঞ্চে বিশেষভাৱে 'হামফ্ৰে ক্লিঙ্কাৰ' আৰু 'টম জোনচ্' পচন্দ কৰিছিল।

ডিকেঞ্চৰ তিনি বছৰ বয়সতে তেওঁলোকৰ পৰিয়ালটো পোৰ্টমাউথৰপৰা চাথামলৈ গুচি গৈছিল। তদুপৰি জন ডিকেঞ্চৰ চাকৰিত পদোন্নতি ঘটিছিল আৰু তেওঁলোকে কিছু বছৰ বৰ সুখেৰে কটাইছিল। পৰিয়ালটোৰ দুগৰাকী ঘৰুৱা সহায়কাৰী আছিল। তাৰে এগৰাকীৰ নাম আছিল মেৰী ৰেলাৰ, যিয়ে ডিকেঞ্চক ৰহস্যময়, ভৌতিক কাহিনী কৈ শুনাইছিল। এই কাহিনীসমূহ শুনি শুনি ডিকেঞ্চে ৰাতি ভয়লগা সপোন দেখিছিল।

১৮২২ চনত ডিকেঞ্চৰ পিতৃৰ লণ্ডনলৈ বদলি হৈছিল। তেওঁৰ আৰ্থিক অৱস্থা বেয়াৰ ফালে ঢাল খাইছিল। ফলত পৰিয়ালক চার্লচ ডিকেঞ্চক আৰ্থিক সকাহ দিবলৈ ৰাটাৰফণ্টত অৱস্থিত 'ৰেৰেন ব্লেকিং ফেক্টৰী'ত কাম কৰিবলৈ বাধ্য কৰোৱা হৈছিল। তেওঁৰ কাম আছিল জোতা পলিছ কৰা ৰঙৰ বটলত লেবেল লগোৱা। তেতিয়া চার্লচ

ডিকেঞ্চৰ বয়স আছিল মাত্র বাৰ বছৰ আৰু তেওঁ অতিশয় সংবেদনশীল আছিল। কাৰখানাত কাম কৰা চার্লচতকৈ বয়সত ডাঙৰসকলৰ অশ্রাব্য কথা-বতৰা শুনি তেওঁ মানসিক যন্ত্রণা অনুভৱ কৰিছিল। এই কাম ডিকেঞ্চে মাত্র চাৰি-পাঁচ মাহ কৰিছিল যদিও জীৱনৰ এই অধ্যায়টো তেওঁ কেতিয়াও পাহৰিব পৰা নাছিল। কাৰখানাৰ অস্বাস্থ্যকৰ আৰু শিশুৰ মানসিক বিকাশৰ পৰিপন্থী পৰিৱেশত বাধ্যত পৰি কাম কৰিবলগীয়া শিশুসকলৰ প্রতি তেওঁৰ অধিক সহানুভূতি আছিল। ডিকেঞ্চে যেতিয়া ফেক্টৰীত কাম কৰিবলৈ লৈছিল তেতিয়া তেওঁৰ পিতৃয়ে ঋণ পৰিশোধ কৰিব নোৱাৰি কাৰাগাৰলৈ যাবলগীয়া হৈছিল। ঘৰুৱা অৱস্থা ইমানেই বেয়া হৈছিল যে সপ্তাহত চাৰি-পাঁচবাৰলৈ খাবলৈ নাপাই লঘোণে থকাৰ ফলত চার্লচ ডিকেঞ্চৰ স্বাস্থ্য বেয়া হৈ পৰিছিল। বহুবাৰ নোখোৱাকৈ কাম কৰি থকাৰ ফলত অচেতন হৈ পৰি গৈছিল। তেওঁৰ বাবে এইখিনি বৰ দুঃসময় আছিল। এই সময়ৰ অন্ত পৰিছিল জন ডিকেঞ্চে উত্তৰাধিকাৰী সূত্রে এটি সৰু সম্পত্তিৰ ভাগ পোৱাত আৰু তেওঁ পুতেক চার্লচক হ্যাম্পষ্টেডৰ এখন বিদ্যালয়লৈ পঠিয়াইছিল। ডিকেঞ্চে এই বিদ্যালয়ত তিনি বছৰমান পঢ়িছিল। পোন্ধৰ বছৰ বয়সত তেওঁ বিদ্যালয় এৰিছিল আৰু এগৰাকী অধিবক্তাৰ ফার্মত 'অফিচ বয়' হিচাপে কাম কৰিবলৈ লৈছিল। তাতেই তেওঁ উপলব্ধি কৰিছিল যে এজন ডেকা ল'ৰাৰ সামর্থ্য ইমানতে সীমাবদ্ধ হ'ব নোৱাৰে। সেয়ে তেওঁ কার্যালয়ৰ কামৰ শেষত 'চর্টহেন্দ'ৰ কাম শিকিছিল আৰু ওঠৰ মাহ পিছত 'অফিচ বয়'ৰ চাকৰি এৰি এগৰাকী পেশাদাৰী চর্টহেন্দ লেখক হৈ উঠিছিল। তেওঁ ন্যায়ালয়ত চাকৰি পাইছিল, য'ত আইনৰ জটিলতা সম্পর্কীয় জ্ঞান-অভিজ্ঞতা অর্জন কৰিছিল। এইবোৰে পিছলৈ তেওঁৰ উপন্যাসৰ চৰিত্র সৃষ্টিত বহুলভাৱে প্রভাৱ পেলাইছে।

ডিকেঞ্চে অৱসৰ সময়ত লণ্ডন থিয়েটাৰ আৰু সংগীত হলবিলাকলৈ গৈছিল। তেওঁ যেতিয়া সৰু ল'ৰা আছিল, তেতিয়াই পিতৃৰ বন্ধুবর্গক খোৱা-মেজত থিয় হৈ হ'লেও বিনোদনপূর্ণ গান গাই আমোদ দিছিল। ডিকেঞ্চৰ জন্মই হৈছিল যেন জনসাধাৰণক মনোৰঞ্জন প্রদানৰ বাবে। নাটকত অভিনয় কৰাটো ডিকেঞ্চৰ এটা নিচা বা চখ হৈ উঠিছিল। পৰৱর্তী সময়ত তেওঁৰ প্রসিদ্ধ উপন্যাসসমূহত ইয়াৰ প্রভাৱ পৰিছিল, যিটো স্বাভাৱিক আছিল।

১৯৩২ চনত বিশ বছৰ বয়সত চার্লচ ডিকেঞ্চ 'হাউছ অৱ কমন্চ'ৰ প্রেছ গেলাৰীত সাংবাদিক হিচাপে যোগদান কৰিছিল। সাংবাদিকতাৰ ক্ষেত্রখনত তেওঁ প্রচুৰ সাফল্য আৰু জনপ্রিয়তা অর্জন কৰিছিল। 'হাউছ অৱ কমন্চ'ৰ প্রেছ গেলাৰীৰ পৰাই তেওঁ ১৮৩২ চনৰ 'সংস্কাৰ বিল' (Reform Bill Of 1832) সংশোধনৰ সংসদীয় বাক-বিতণ্ডাত আলোকপাত কৰি এসপ্তাহত পঁচিছ গিনি উপার্জন কৰিছিল।

ডিকেঞ্চ আছিল বহুধা গুণৰ অধিকাৰী। তেওঁ থিয়েটাৰলৈ গৈছিল, অভিনয় শিকিছিল। তেওঁ প্রায়ে ব্রিটিছ পুথিভঁৰাললৈ গৈছিল আৰু নিজস্ব ধৰণেই অসমাপ্ত অধ্যয়ন আগবঢ়াই নিছিল। ডিকেঞ্চে একৈছ বছৰ বয়সত তেওঁৰ প্রথমখন গ্রন্থ প্রকাশ কৰিছিল।

তদুপৰি তেওঁ বিভিন্ন বিষয়, যেনে ঃ আইন, থিয়েটাৰ, লণ্ডন চহৰ আৰু ইয়াৰ মানুহৰ অভিজ্ঞতা আদি এনেদৰে গ্ৰহণ-মন্থন কৰিছিল যে সেইবোৰ পিছলৈ তেওঁৰ প্ৰতিখন উপন্যাসৰ এৰাব নোৱাৰা অংগ হৈ পৰিছিল। লেখা-মেলাৰ স্বাৰ্থত ডিকেঞ্চে দুবাৰ আমেৰিকা ভ্ৰমণ কৰিছিল। প্ৰথমবাৰ ১৮৪২ চনত আমেৰিকা আৰু কানাডালৈ গৈছিল আৰু ১৮৬৭ চনত দ্বিতীয়বাৰৰ বাবে আমেৰিকালৈ গৈছিল।

১৮৩৩ চনত চার্লচ ডিকেঞ্চৰ প্ৰথমটো গল্প *'A Dinner At Popular Walk'* নামেৰে 'দ্য অল্ড মান্থলি মেগাজিন'ত প্ৰকাশ হৈছিল আৰু তাৰ পৰৱৰ্তী গল্পসমূহ প্ৰকাশ হৈছিল ১৮৩৪ চনত। তেওঁ আটাইখিনি গল্প সামৰি 'Sketches By Boz' নাম দি গ্ৰন্থৰূপ দিছিল ১৮৩৬ চনত। ইয়াত তেওঁ 'Boz' ছদ্মনাম ব্যৱহাৰ কৰিছিল । গ্ৰন্থখনে খুব কম সময়তে জনপ্ৰিয়তা লাভ কৰিছিল। একেটা বছৰতে ডিকেঞ্চে কেথেৰিন হ'গার্থৰ সৈতে বিবাহপাশত আৱদ্ধ হৈছিল। কিন্তু বাইছ বছৰ একেলগে থকাৰ পিছত ১৮৫৮ চনত তেওঁলোকৰ বিবাহ-বিচ্ছেদ হৈছিল। তেওঁলোকৰ দহটি সন্তান আছিল। সন্তানসকলৰ প্ৰতি ডিকেঞ্চৰ স্নেহপূৰ্ণ ব্যৱহাৰ আছিল। পত্নীৰ সৈতে বিচ্ছেদৰ পিছত ডিকেঞ্চৰ বেছি সংখ্যক সন্তান তেওঁৰ লগতে আছিল আৰু তেওঁৰ বিচ্ছেদিত পত্নী কেথেৰিনৰ ভনীয়েকে ঘৰখন আৰু সন্তানকেইটিক চোৱা-চিতা কৰিছিল।

১৮৭০ চনৰ ৯ জুনত আকস্মিক আৰু নাটকীয়ভাৱে ডিকেঞ্চৰ মৃত্যু হৈছিল। সেই সময়ছোৱাত তেওঁ 'এডউইন ড্ৰুড' নামৰ উপন্যাসখন লিখাত ব্যস্ত আছিল। তেওঁ ৰাতিৰ আহাৰ খাই থাকোঁতে ষ্ট্ৰ'ক হৈ হঠাৎ অসুস্থ হৈ পৰিছিল আৰু পিছদিনাখন তেওঁৰ মৃত্যু ঘটিছিল।



জানি থোৱা ভাল

চার্লচ ডিকেঞ্চৰ সম্পূৰ্ণ নাম চার্লচ জন হাফাম ডিকেঞ্চ।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ২ ঃ চার্লচ ডিকেঞ্চৰ দুৰ্যোগপূৰ্ণ শৈশৱ কালৰ চমু বৰ্ণনা আগবঢ়াওক। (১০০ টা শব্দৰ ভিতৰত)

.....

প্ৰশ্ন নং ৩ ঃ চার্লচ ডিকেঞ্চৰ জীৱন সম্বন্ধে বিশদ আলোচনা আগবঢ়াওক । (১০০ টা শব্দৰ ভিতৰত)

.....

৬.৫.২ সাহিত্যকৃতি

সম্পূর্ণ স্কুলীয়া শিক্ষা অবিহনেই অভিজ্ঞতা আৰু নিজস্ব মৌলিক প্রতিভাৰ বলত বিশ্ব সাহিত্যৰ ইতিহাসত নিজৰ নাম সোণালী আখৰেৰে লিপিবদ্ধ কৰা সাহিত্যিক চার্লচ ডিকেঞ্চ। তেওঁ পোন্ধৰখন উপন্যাস, পাঁচখন উপন্যাসিকা আৰু এশৰো অধিক চুটিগল্প ৰচনা কৰিছে । জর্জ চেম্পচনে ডিকেঞ্চ সম্পর্কত মন্তব্য কৰিছে "The great humorists of the world can be counted on the fingers of a hand and Dickens is of that choice company."

(১) দ্য পিকউইক পেপাৰ্চ (The Pickwick papers, ১৮৩৭)

(২) অলিভাৰ টুইষ্ট (Oliver Twist,১৮৩৮)

(৩) নিক'লাচ নিকল্‌বি (Nicholas Nickleby, ১৮৩৯)

(৪) দ্য অ'ল্ড কিউৰোচিটি শ্প'প (The Old Curiosity Shop, ১৮৪০)

(৫) বাৰনেবি ৰডচ্‌ (Barnaby Rudge, ১৮৪১)

(৬) মার্টিন চুজলেৰিট (Martin Chuzzlewit, ১৮৪৩)

(৭) ডমবেই এণ্ড চন (Dombey and Son, ১৮৪৬)

(৮) ডেভিড ক'পাৰফিল্ড (David Copperfield, ১৮৪৯)

(৯) ব্লিক হাউছ (Bleak House, ১৮৫২)

(১০) হার্ড টাইম্‌চ (Hard Times, ১৮৫৪)

(১১) লিটল ড'ৰিট (Little Dorrit, ১৮৫৫)

(১২) এ টেল অৰ টু চিটিজ (A Tale of Two Cities, ১৮৫৯)

(১৩) গ্রেট এক্সপেক্টেচনচ্‌ (Great Expectations, ১৮৬০)

(১৪) আৱাৰ মিউচুৰেল ফেণ্ডচ্‌ (Our Mutual Friends, ১৮৬৪)

(১৫) দ্য মিষ্ট্রি অৰ এডউইন ড্রুড (The Mystery Of Edwin Drood, ১৮৭০)



জানি থোৱা ভাল

দ্য মিষ্ট্রি অৰ এডউইন ড্রুড (The Mystery Of Edwin Drood) নামৰ চার্লচ ডিকেঞ্চৰ শেষ উপন্যাসখন অসমাপ্ত হৈ ৰয়।

চুটিগল্প আৰু উপন্যাসিকা

(১) Sketches By Boz

(২) A Holiday Romance

(৩) Mrs. Lirriper's Lodgings

(৪) Master Humphrey's Clock

(৫) Mudfog and Other Sketches

(৬) Mugby Junction

(৭) Christmas Carols

(৮) A Child Dream of a Star

(৯) A Battle of Life

(১০) The Chimes : A Goblin Story

(১১) A Christmas Tree

(১২) The Cricket On The Heath

(১৩) Doctor Marigold's Prescriptions

(১৪) A Flight

(১৫) Frozen Deep

(১৬) George Silverman's Explanation (Jointly- Wilkie Collins)

(১৭) Going into Society

(১৮) The Hunted Man

(১৯) Preprinted Pieces

(২০) Sketches by Young Couples

(২১) Sketches by Young Gentlemen

(২২) A holiday

(২৩) The Hplly Tree

(২৪) Hunted Down

(২৫) The Long Voyage

(২৬) A Message from the Sea (Jointly- Wilkie Collins)

(২৭) Nobody's Story

(২৮) Tom Tiddler's Ground

(২৯) The Wreck of the Golden Mary

(৩০) Some Short Christmas Stories

(৩১) Somebody's Luggage

(৩২) Sunday Under Three Heads

(৩৩) The Lamplighter

(৩৪) The Lazy Tour of the Idle Apprentices

(৩৫) The Perils of Certain English Prisoners

(৩৬) The Seven poor Travellers

(৩৭) The Signal Man

(৩৮) The Trial for Murder

(৩৯) To Read at Dusk

অন্যান্য ৰচনাৰাজি আৰু বক্তৃতা

(১) A Childs History of England

(২) All the Year Round

(৩) The Uncommercial Traveller

(৪) American Notes

(৫) Miscellaneous Papers

(৬) Pictures from Italy

(৭) Speeches : Literary and Social



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ চার্লচ ডিকেঞ্চৰ সাহিত্যকৃতি সম্পর্কে আলোচনা আগবঢ়াওক। (১০০ টা শব্দৰ ভিতৰত)

.....

৬.৫ চার্লচ ডিকেঞ্চৰ উপন্যাসৰ চমু পৰিচয়

চার্লচ ডিকেঞ্চ ভিক্টৰীয় যুগত ঔপন্যাসিক হিচাপে অতি জনপ্রিয় হৈ পৰিছিল। এটি মধ্যবিত্ত পৰিয়ালত জন্মগ্রহণ কৰা চার্লচ ডিকেঞ্চৰ আনুষ্ঠানিক শিক্ষাগ্রহণো আধৰুৱা হৈ ৰৈছিল। তথাপিও তেওঁ লণ্ডন চহৰৰ নিম্ন-মধ্যবিত্ত সমাজৰ ছবিখন নিখুঁতকৈ অধ্যয়ন কৰিছিল। লগতে শ্রমিক-কৃষককো সুন্দৰকৈ নিৰীক্ষণ কৰি উপন্যাসত বাস্তৰিকভাৱে ফুটাই তুলিছিল। তেওঁৰ উপন্যাসসমূহ আলোচনী আৰু বাতৰি-কাকতত ধাৰাবাহিকভাৱে প্রকাশিত হৈছিল। ডিকেঞ্চৰ উপন্যাস হাস্যৰস আৰু ব্যংগৰ ব্যৱহাৰৰ বাবে প্রসিদ্ধ। তেওঁ ভিক্টৰীয় যুগৰ সমাজ-ব্যৱস্থাৰ প্রচলিত ভণ্ডামি ব্যংগৰ চলেৰে উপন্যাসত দাঙি ধৰিছিল। ডিকেঞ্চ সমাজৰ শালীন বা শুদ্ধ ৰূপটোৰ প্রতিহে আগ্রহী । তেওঁৰ মতে সমাজ তথা শিল্পৰ অগ্রগতি স্থবিৰ হোৱাৰ কাৰণ দুর্নীতিগ্রস্থ সমাজ-ব্যৱস্থা।

ডিকেঞ্চৰ উপন্যাসসমূহক তলত দেখুওৱা ধৰণে শ্রেণীবদ্ধ কৰিব পাৰি—

(ক) হাস্যৰসপ্রধান উপন্যাস ঃ *দ্য পিক্‌উইক পেপাৰচ্*

(খ) ঐতিহাসিক উপন্যাস ঃ *এ টেল অৰ টু চিটিজ, বাৰনেবি ৰড্‌জ*

(গ) আবেগপ্রধান বা সংবেদনশীল উপন্যাস ঃ *এ খ্রীষ্টমাছ কেৰল, ডেভিদ ক'পাৰফিল্ড*

(ঘ) সামাজিক উপন্যাস ঃ *অলিভাৰ টুইষ্ট, দ্য অটল্ড কিউৰোচিটি শ্ব'প, গ্রেট এক্সপেক্টেচনচ্*

তলত উপন্যাসসমূহৰ সংক্ষিপ্ত পৰিচয় আগবঢ়োৱা হ'ল—

(১) দ্য পিকউইক পেপাৰচ্ ঃ ১৮৩৭ চনত 'দ্য পিকউইক পেপাৰচ্' গ্ৰন্থাকাৰে প্ৰকাশ হৈছিল। গ্ৰন্থখন প্ৰকাশৰ লগে লগে ডিকেঞ্চৰ হাস্য-ব্যংগৰ ওপৰত থকা অদ্ভূত দক্ষতাৰ কথা সকলোৰে দৃষ্টিগোচৰ হয়। গ্ৰন্থখন ইমানেই জনপ্ৰিয় হৈছিল যে লৰ্ড কেম্পবেলে 'চিফ জাষ্টিজ অৱ ইংলণ্ড' ৰচনা কৰাতকৈ *'দ্য পিকউইক পেপাৰচ্'*হে ৰচনা কৰিব লাগিছিল বুলি মন্তব্য কৰিছিল। *'দ্য পিকউইক পেপাৰচ্'*ৰমুখ্য চৰিত্ৰ বৃদ্ধ পিকউইক আপোনভোলা, উদাৰ, জীৱনৰ অভিজ্ঞতাশূন্য, নানা ত্ৰুটি-বিচ্যুতি, উক্তি-প্ৰত্যুক্তিৰ মধুৰ বৰ্ণনাৰে সমৃদ্ধ। এই চৰিত্ৰটি ইংৰাজী উপন্যাস সাহিত্যৰ এক অন্যতম সৃষ্টি।

(২) অলিভাৰ টুইষ্ট ঃ ডিকেঞ্চৰ *'অলিভাৰ টুইষ্ট'* পাঠকৰ মাজত অতি জনপ্ৰিয় হৈ পৰিছিল। ইংৰাজ সাহিত্যত প্ৰথমবাৰৰ বাবে শিশু চৰিত্ৰক নায়ক হিচাপে দেখুওৱা হৈছে এই উপন্যাসত। 'অলিভাৰ' চৰিত্ৰটোৱে দুখীয়া-নিচলা, নিঃস্ব শ্ৰেণীটোক প্ৰতীকাত্মক ৰূপত তুলি ধৰিছে। অলিভাৰৰ দৰে লোকসকলে চৰকাৰৰ দ্বাৰা বিধিবদ্ধ নীতি-নিয়মৰ ফলত কেনে দুৰ্বিসহ জীৱন কটাবলগীয়া হয়, তাৰ জীৱন্ত ছবি দাঙি ধৰিছে চার্লচ ডিকেঞ্চে। লগতে মিষ্টাৰ বাম্বলৰ দৰে স্বাৰ্থপৰ লোক আৰু মি. ব্ৰাউন্‌লৰ দৰে উদাৰ, সহানুভূতিশীল লোকৰ ছবিও স্পষ্টভাৱে দাঙি ধৰিছে।

(৩) নিক'লাচ নিকল্‌বি ঃ *নিক'লাচ নিকল্‌বি* ১৮৩৯ চনত প্ৰকাশ পাইছিল। উপন্যাসখনিত সেই সময়ছোৱাত য়ৰ্কশ্বায়াৰৰ ব্যক্তিগত খণ্ডৰ বিদ্যালয়সমূহত ছাত্ৰ-ছাত্ৰীৰ ওপৰত চলা নৃশংসতাৰ নানান দিশ উদঙাই দেখুৱাইছে।

(৪) দ্য অ'ল্ড কিউৰোচিটি শ্ব'প ঃ ১৮৪০ চনত প্ৰকাশিত এই উপন্যাসখনত 'নেল ট্ৰেণ্ট' নামে এজনী চৈধ্য বছৰীয়া অনাথ ছোৱালীৰ কাহিনী বৰ্ণনা কৰা হৈছে। তাই ককাকৰ সৈতে লণ্ডনত বাস কৰিছিল। ককাকৰ এখন দোকান আছিল আৰু তেওঁ সদায়ে নাতিনীয়েকৰ কাৰণে বহুত সম্পত্তি থৈ যোৱাৰ চিন্তা কৰিছিল যাতে তেওঁৰ মৃত্যুৰ পিছত নেল অসুবিধাত নপৰে।

সেইবাবে তেওঁ ৰাতি জুৱা খেলিছিল। কিন্তু ডেনিয়ল কুইল্প নামৰ চৰিত্ৰটোৱে ককাকক জুৱাখেলত হৰুৱাই তেওঁলোকক ঘৰ-সম্পত্তিৰ পৰা বেদখল কৰে আৰু নেল আৰু বৃদ্ধ ককাক পথৰ ভিখাৰী হয়। ডিকেঞ্চৰ এই উপন্যাসখন আন উপন্যাসৰ তুলনাত ব্যতিক্ৰম। কিয়নো ডিকেঞ্চৰ আন উপন্যাসসমূহৰ সমাপ্তি ইতিবাচক বা সুখকৰ। কিন্তু ইয়াত শেষলৈ নেলৰ মৃত্যু ঘটাত কাহিনীৰ কৰুণ সমাপ্তি ঘটিছে।

(৫) বাৰনেবি ৰড্‌জ ঃ *'বাৰনেবি ৰড্‌জ'ৰ কাহিনী বুৰঞ্জীমূলক*। ১৭৮০ চনৰ *The Golden Riots*-ৰ ওপৰত আধাৰিত এই উপন্যাসত এক অপৰাধমূলক ৰহস্য কাহিনী বৰ্ণিত হৈছে, যিটো সমসাময়িক জনপ্ৰিয় কাহিনী এটাৰ সৈতে একে। ছাৰ ৱাল্টাৰ স্কটৰ লিখনি তথা Goathic Romanceৰ সৈতেও ইয়াৰ সাদৃশ্য আছে।

(৬) মাৰ্টিন চুজলেৱিট ঃ চার্লচ ডিকেঞ্চে ১৮৪২ চনৰ আমেৰিকা ভ্ৰমণৰ ওপৰত ভিত্তি

কৰি এই উপন্যাসখন ৰচনা কৰিছে। মুক্ত গণতান্ত্রিক ৰাষ্ট্র হিচাপে আমেৰিকাত যি ন্যায়, সমতা আৰু সততা আশা কৰিছিল, তাৰ বিপৰীতে আমেৰিকানসকলৰ যি স্বার্থপৰতা, দুর্ব্যৱহাৰ, দুর্নীতি আৰু অসমতা দেখিবলৈ পালে, সেইবোৰে তেওঁক নিৰাশ কৰিছিল। চাৰাহ গেম্প, টম ফিঞ্চ, মার্ক টেপলেই আদি তেনে একো একোটি গুৰুত্বপূর্ণ চৰিত্র যাক উপন্যাসখনত দেখিবলৈ পোৱা যায়। চুজলেৰিট পৰিয়ালৰ এই আটাইবোৰ সদস্যই স্বার্থপৰতাক প্রতিনিধিত্ব কৰিছে।

(৭) ডম্বি এণ্ড চন ঃ এই উপন্যাসখনত লণ্ডনৰ এজন বিত্তৰান, বিশাল সম্পত্তিৰ অধিকাৰী ব্যৱসায়ীৰ গর্ব-অহংকাৰ আৰু জীৱনৰ উত্থান-পতনৰ কাহিনী বর্ণিত হৈছে। ব্যৱসায়ীজনে তেওঁৰ ব্যৱসায়ৰ সৈতে পুতেকক জড়িত কৰিব বিচাৰিছিল। তেওঁৰ এজনী ছোৱালীও আছিল যদিও তেওঁ পুতেককে অধিক ভাল পাইছিল। তুলনামূলকভাৱে ডিকেঞ্চৰ পূর্বৰ উপন্যাসসমূহৰ তুলনাত এইখনৰ গঠনশৈলী স্পষ্ট তথা যুক্তিপূর্ণ।

(৮) ডেভিড কপাৰফিল্ড ঃ এই উপন্যাসখন প্রকাশৰ পিছতেই ই ইংৰাজী ভাষাৰ সবাতোকৈ জনপ্রিয় লেখনিসমূহৰ মাজত স্থান লাভ কৰিছিল। এইখন ডিকেঞ্চৰ আত্মজীৱনীমূলক উপন্যাস। তেওঁৰ শৈশৱকালৰ ৰেৱেনৰ ব্লেকিং ফেক্টৰীত কাম কৰা দিনৰ দুর্ভাগ্যজনক দিনবোৰৰ কথা ইয়াত অতি কৰুণভাৱে বর্ণনা কৰিছে। এই উপন্যাসখন ডিকেঞ্চৰ প্রিয় উপন্যাস বুলি নিজেই কৈ গৈছে ঃ "I like David Copperfield the best." উপন্যাসখনিৰ এটি অন্যতম চৰিত্র 'মিকাৱাৰ' ডিকেঞ্চে তেওঁৰ পিতৃৰ অনুকৰণত সৃষ্টি কৰিছে।

(৯) ব্লিক হাউছ ঃ ১৮৫২ চনত *'ব্লিক হাউছ'* প্রকাশ পায়। এই উপন্যাসখনত উত্তৰাধিকাৰসুত্রে ধন অধিগ্রহণৰ কথাই মুখ্যস্থান পাইছে। ক'ৰ্ট-কাছাৰীৰ অৱহেলা, অন্যায় আদি আইনৰ সুৰুঙাৰ কথা ইয়াত উল্লেখ আছে। প্রতীকাত্মক শৈলীত ৰচিত উপন্যাসখনত কাহিনী আগবাঢ়িছে এষ্টাৰ চামাৰচন নামৰ এগৰাকী মহিলা বর্ণনাকাৰীৰ জৰিয়তে।

(১০) হার্ড টাইম্ছ ঃ এই উপন্যাসখনৰ নামটোৱে তাৎপর্যপূর্ণ। ইয়াত ঊনবিংশ শতিকাৰ ইংলণ্ডৰ সমাজ-ব্যৱস্থাৰ অমানৱীয় দিশসমূহ উন্মুক্ত কৰি দেখুৱাইছে। এফ. আৰ. লিৱিছে তেওঁৰ 'The Great Tradition of English Novel' ত লিখিছে ঃ "It has a kind of perfection as a work of Art that we don't associate with Dicken's- a perfection that is one with the sustained and complete - seriousness for which among his production it is unique"

(১১) লিটল ড'ৰিট ঃ *'লিটল ড'ৰিট'* উপন্যাসখন চার্লচ ডিকেঞ্চে নিজৰ জীৱনৰ সৈতে জড়িত কাহিনীৰ আধাৰতে লিখি উলিয়াইছে। ইয়াতো এগৰাকী আর্থিকভাৱে ঋণগ্রস্ত লোকৰ জীৱন কাহিনীৰ উল্লেখ আছে। চার্লচ ডিকেঞ্চৰ পিতৃয়েও আর্থিক ঋণত জুৰুলা হৈ কাৰাগাৰলৈ যাবলগীয়া হৈছিল ।

(১২) এ টেল অৱ টু চিটিজ ঃ এইখন ডিকেঞ্চৰদ্বাৰা ৰচিত দ্বিতীয়খন বুৰঞ্জীমূলক উপন্যাস। লণ্ডন আৰু পেৰিছৰ নানা ঘটনা-পৰিঘটনা তথা ফৰাছী বিপ্লৱৰ আধাৰত এই উপন্যাসখন ৰচিত হৈছে ।

(১৩) গ্রেট এক্সপেক্টেচনচ্ ঃ ডিকেঞ্চৰ সাহিত্যিক জীৱনৰ শেষৰফালে ৰচিত *'গ্রেট এক্সপেক্টেচনচ্'* বহুতো সমালোচকৰ মতে চার্লচ ডিকেঞ্চৰ শ্রেষ্ঠ উপন্যাস। দৰিদ্রতা, সম্পত্তি, প্রেম, প্রত্যাখ্যান, বেয়াৰ ওপৰত ভালৰ বিজয় আদি উপাদানে উপন্যাসখন মনোমোহা কৰি তুলিছে ।

(১৪) আৱাৰ মিউচুৱেল ফ্রেণ্ডচ্ ঃ জন হাৰমন নামৰ এগৰাকী ব্যক্তিৰ হত্যাকাণ্ডৰ ওপৰত *'আৱাৰ মিউচুৱেল ফেণ্ডচ্'ৰ* কাহিনীভাগ ৰচিত। উত্তৰাধিকাৰসূত্রে জন হাৰমনে এক বিশাল পৰিমাণৰ সম্পত্তিৰ গৰাকী হৈছিল। এই উপন্যাসখনত ডিকেঞ্চে ধন-সম্পত্তি আৰু মানুহৰ জীৱনৰ গুৰুত্বৰ ওপৰত সুন্দৰকৈ আলোকপাত কৰিছে। উপন্যাসখনৰ এক সুখকৰ সমাপ্তি দেখা গৈছে ।

(১৫) দ্য মিষ্ট্রি অৱ এডউইন ড্রুড ঃ চার্লচ ডিকেঞ্চে মৃত্যুৰ আগলৈকে *'দ্য মিষ্ট্রি অৱ এডউইন ড্রুড'* লিখাত ব্যস্ত আছিল। দুর্ভাগ্যবশতঃ উপন্যাসখন সম্পূর্ণ হোৱাৰ আগেয়েই চার্লচ ডিকেঞ্চৰ মৃত্যু হয়। এই উপন্যাসখনক মানসিক শিহৰণকাৰী উপন্যাস আখ্যা দিয়া হৈছে ।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ চার্লচ ডিকেঞ্চৰ উপন্যাসসমূহৰ বিষয়ে চমু আলোচনা আগবঢ়াওক। (১৫০ টা শব্দৰ ভিতৰত)

.....

৬.৬ চার্লচ ডিকেঞ্চৰ উপন্যাসৰ সাধাৰণ বৈশিষ্ট্য

(১) চার্লচ ডিকেঞ্চে সামাজিক ব্যৱস্থাৰ যি বিস্তৃত ছবি অংকন কৰিছে, তেওঁৰ আগত কোনো ঔপন্যাসিকেই তেনে ছবি অংকন কৰিবলৈ সক্ষম হোৱা নাই। এগৰাকী সতর্ক পর্যৱেক্ষক হিচাপে ডিকেঞ্চে ভিক্টৰীয় যুগৰ প্রায় সংখ্যক জটিল তথা ভিন্নৰঙী সামাজিক ৰীতি-নীতি, তথ্য আদি তেওঁৰ উপন্যাসত অন্তর্ভুক্ত কৰিছে। ইয়াৰ উপৰিও প্রাকৃতিক পৰিৱেশ, পুঁজিবাদীৰ অধীনত সৃষ্ট কংক্রিটৰ সুউচ্চ প্রাসাদ, লণ্ডনৰ ডাঙৰ ডাঙৰ অট্টালিকা, গীর্জা তথা অমানৱীয়ভাৱে কাম কৰিবলগা উদ্যোগ বা কর্মস্থান আদিও উল্লেখ কৰিব পাৰি। ডিকেঞ্চে অতি কুশলতাৰে এই বিষয়বোৰ তেওঁৰ চৰিত্রবোৰৰ সৈতে মিলাবলৈ সক্ষম হৈছে আৰু এক বিশিষ্ট, ত্রিমাত্রিক সামাজিক প্রেক্ষাপটৰ ছবি আঁকি উলিয়াইছে। এইবোৰৰ জৰিয়তে ডিকেঞ্চে ভিক্টৰীয় যুগৰ সমাজত নৈতিকতা জগাই তুলিবলৈ চেষ্টা কৰিছিল। তেওঁ ভিক্টৰীয় যুগৰ সমসাময়িক লেখকসকলৰ তুলনাত বাস্তৱবাদৰ যথার্থ মূল্যায়ন কৰিবলৈ সমাজৰ স্বার্থপৰ, নেতিবাচক দিশসমূহ আঁতৰ কৰাৰ প্রয়াস কৰিছিল। আচলতে ডিকেঞ্চৰ প্রতিখন উপন্যাসেই সামাজিক সমস্যাক অতি শক্তিশালী ৰূপত প্রতিফলিত কৰিছে। উদাহৰণস্বৰূপে, *'অলিভাৰ টুইষ্ট'ৰ* জৰিয়তে কর্মস্থানত সন্মুখীন হোৱা অমানৱীয় কার্যকলাপ উদঙাই দেখুওৱা আদি উল্লেখযোগ্য।

(২) সফল চৰিত্ৰ সৃষ্টি ডিকেঞ্চৰ উপন্যাসৰ আন এক বৈশিষ্ট্য। তেওঁ পৰিৱেশ-পৰিস্থিতি অনুযায়ী বিশিষ্ট চৰিত্ৰাংকনত সিদ্ধহস্ত আছিল আৰু কার্যকলাপ অনুযায়ী প্ৰত্যেক সৰু-বৰ চৰিত্ৰৰ মুখতে খাপ খোৱা ভাষা প্ৰয়োগ কৰিছিল। অৱশ্যে চিত্তাকর্ষক চৰিত্ৰৰ ক্ষেত্ৰত অতিৰঞ্জিত কথাৰ সংযোগতো তেওঁ নিপুণ আছিল। অৱশ্যে অতিৰঞ্জিত বর্ণনাৰ মাজেৰেও তেওঁৰ চৰিত্ৰসমূহ সজীৱ আৰু জীৱন্ত। টি. এছ. এলিয়টে চার্লচ ডিকেঞ্চৰ তুলনা শ্বেইক্সপীয়েৰৰ সৈতে কৰিছে। কাৰণ, শ্বেইক্সপীয়েৰৰ দৰেই ডিকেঞ্চে তেওঁৰ উপন্যাসৰ চৰিত্ৰসমূহ জীৱন্ত ৰূপত অংকন কৰিবলৈ সক্ষম হৈছিল।

ডিকেঞ্চৰ উপন্যাসৰ চৰিত্ৰসমূহক তিনিটা ভাগত ভগাব পাৰি—

(ক) প্ৰথম আদর্শাত্মক চৰিত্ৰসমূহ, যেনে ঃ ডেভিড কপাৰফিল্ড।

(খ) দ্বিতীয় আদর্শ নায়কৰ প্ৰতিদ্বন্দ্বী বা খলনায়ক চৰিত্ৰ।

(গ) তৃতীয় আৱেগপ্ৰধান বা সংবেদনশীল চৰিত্ৰ, যিয়ে সমাজৰ সকলো মানুহকে প্ৰতিনিধিত্ব কৰিব পাৰে বা মিলি যাব পাৰে। যেনে ঃ মিষ্টাৰ মিকাৱাৰ।

(৩) চার্লচ ডিকেঞ্চ এজন জনপ্ৰিয় হাস্য-ব্যংগ লেখক। তেওঁ চৰিত্ৰৰ কার্য অনুসাৰে হাস্য-ব্যংগৰ প্ৰয়োগেৰে দৃশ্যপট জীৱন্ত কৰি তোলে। তেওঁ ইতিবাচক দিশ ফুটাই তোলাৰ ক্ষেত্ৰত সদায়ে হাস্যৰসৰ প্ৰয়োগ কৰিছিল। তদুপৰি সমাজৰ অশুভ বা নেতিবাচক দিশৰ সৈতে যুঁজিবলৈ ব্যংগক এক শক্তিশালী অস্ত্ৰ হিচাপে প্ৰয়োগ কৰিছিল। মানুহৰ ভেম-ভণ্ডামি, অজ্ঞতা, অপৰাধ আদিক বিদ্ৰূপ কৰাৰ উদ্দেশ্যেই এই অস্ত্ৰ ব্যৱহাৰ কৰিছিল।

(৪) ডিকেঞ্চৰ উ পন্যাসত কাহিনীৰ প্লট নির্মাণ প্ৰক্ৰিয়া জটিল আৰু আকর্ষণীয়। তেওঁ প্ৰধানতঃ ব্যক্তি বা পৰিয়ালকেন্দ্ৰিক অভিজ্ঞতাৰ ভিত্তিতে কেতিয়াবা প্ৰধান আৰু কেতিয়াবা গৌণ প্লট নির্মাণ কৰে। কেতিয়াবা এখন উপন্যাসতে দুটি সমান্তৰাল প্লটৰ উপস্থাপন কৰা দেখিবলৈ পোৱা যায়। ইয়াৰ উপৰি তেওঁ উপন্যাসৰ কাহিনী আকর্ষণীয় কৰি তুলিবলৈ ৰহস্যপূর্ণ স্থিতিৰ অৱতাৰণা কৰিছিল। অথবা কাহিনীত উৎকণ্ঠা বজাই ৰাখি আকর্ষণীয় ৰূপত পাঠকৰ আগত দাঙি ধৰে ।

(৫) ডিকেঞ্চৰ উপন্যাসত সমতলীয় (Flat) চৰিত্ৰ বেছি দেখা যায়। সাধাৰণতে দেখা যায় যে তেওঁৰ উপন্যাসৰ চৰিত্ৰসমূহ প্ৰায়ে সম্পূর্ণ বিকাশ নহয়। একে অৱস্থাতে থাকি যায়। তদুপৰি তেওঁৰ মতে যিটো ভাল সি সকলো সময়তে ভাল আৰু যিটো বেয়া সদায় বেয়াই। তাত উত্তৰণৰ কোনো সুবিধা নাথাকে। স্বভাৱৰো কোনো পৰিৱর্তন নহয় ।

(৬) দুই-এটা ব্যতিক্ৰমৰ বাদে ডিকেঞ্চৰ উপন্যাসৰ সদায় সুখদায়ক সমাপ্তি হয়। ই তেওঁৰ প্লট নির্মাণ সূত্ৰৰ এক বিশেষ বৈশিষ্ট্য। কিন্তু সমসাময়িকপ্ৰেক্ষাপটত দেখা দিয়া ক্ৰমবর্ধমান নিৰাশা, নিষ্ঠুৰ বাস্তৱতাই তেওঁৰ উপন্যাসৰ সুখকৰ সমাপ্তিক অপ্ৰাসংগিক আৰু পতিয়নযোগ্য নহয় বুলিয়ে ঠাৱৰ কৰে। কিন্তু ডিকেঞ্চে ইচ্ছাকৃতভাৱে পাঠকক এই ধৰণৰ সুখপ্ৰদ সমাপ্তি দিব বিচাৰে।

ঊনবিংশ শতিকাৰ ইংলণ্ডৰ সর্বশ্রেষ্ঠ ঔপন্যাসিক হিচাপে চার্লচ ডিকেঞ্চ নিঃসন্দেহে পুঁজিপতি সমাজৰ প্রতি সমালোচনাত্মক স্থিতি গ্রহণ কৰা এজন গুৰুত্বপূর্ণ ঔপন্যাসিক আৰু তেওঁৰ অসাধাৰণ শৈল্পিক প্রতিভা তথা দক্ষতা সাহিত্যক্ষেত্রত এক মাইলৰ খুঁটিস্বৰূপ।



৬.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এই অধ্যায়টিৰ পৰা আমি ভিক্টৰীয় যুগ সম্পর্কে বিস্তৃতভাৱে জানিব পাৰিলোঁ। ভিক্টৰীয় যুগৰ সমাজ-ব্যৱস্থা তথা সমসাময়িক বিভিন্ন ঘটনা প্রবাহ, বিজ্ঞানৰ ন-ন আৱিষ্কাৰ আদিৰ সৈতে পৰিচিত হ'ব পাৰিলোঁ।
- ভিক্টৰীয় যুগত সৃষ্ট ইংৰাজী উপন্যাস সাহিত্যৰ লগতো পৰিচয় ঘটিল। এই যুগমানসে সাহিত্যত কেনেদৰে প্রভাৱ পেলাইছে তাক জানিবলৈ সক্ষম হোৱাৰ লগতে এই যুগত সৃষ্ট ইংৰাজী উপন্যাসৰ গতি-প্রকৃতি সম্পর্কে অৱগত হ'ব পাৰিলোঁ।
- ভিক্টৰীয় যুগৰ সবাতোকৈ জনপ্রিয় ঔপন্যাসিক চার্লচ ডিকেঞ্চ। তেওঁৰ শৈশৱকাল অতি কষ্টকৰ আছিল। অসমাপ্ত পঢ়া-শুনাৰে উপন্যাস ক্ষেত্রত বিশ্ববন্দিত হোৱা চার্লচ ডিকেঞ্চৰ জীৱন আৰু সাহিত্যকৃতিৰ সৈতে আমি পৰিচিত হ'লো।
- চার্লচ ডিকেঞ্চৰ অপূর্ব সৃষ্টি তেওঁৰ উপন্যাসসমূহ পাঠকৰ মাজত বহুল জনপ্রিয়। প্রচলিত সমাজ-ব্যৱস্থাৰ বাস্তৱ ৰূপ উদঙাই দেখুওৱা, হাস্য-ব্যংগৰ সু-প্রয়োগ কৰা, জীৱন্ত চৰিত্র অংকনত সিদ্ধহস্ত চার্লচ ডিকেঞ্চৰ উপন্যাসৰ আলোচনাই আমাক ডিকেঞ্চৰ উপন্যাস সম্পর্কে জনাত সহায় কৰিলো।
- চার্লচ ডিকেঞ্চৰ উপন্যাসৰ সাধাৰণ বৈশিষ্ট্য সম্পর্কে পাঠটোৰ পৰা জানিব পাৰিলোঁ।



৬.৮ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

১) আহমেদ, কুতুবুদ্দিন (১৯৯২) ঃ *ইংৰাজী সাহিত্যৰ চমু বুৰঞ্জী;* গুৱাহাটী ঃ জ্যোতি প্রকাশন।

ইংৰাজী গ্রন্থ ঃ

1) Goodman, W.R. (1994) : *A History of English Literature* (Vol.2), Delhi : Doaba House.

2) Sampson, G (2006) : *The Concise Cambridge History of English Literature, New York* : Cambridge University Press.



৬.৯ অগ্রগতিৰ খতিয়ান (কৰল ৰূপৰেখা)

১নং প্রশ্নৰ উত্তৰ ঃ ভিক্টৰীয় যুগৰ বিশিষ্ট লক্ষণসমূহ.....ৰাণী ভিক্টৰীয়াৰ শাসনকাল.....ব্রিটিছ সাম্রজ্যৰ প্রসাৰ..... ঔদ্যোগীকৰণ.....সমাজ-সাংস্কৃতিক জীৱন.....বৈজ্ঞানিক আৱিস্কাৰ.....ৰাজনৈতিক দিশ.....সামৰিক ক্ষেত্রত পৰিৱর্তন.....ধর্মীয় দিশ আদি।

২নং প্রশ্নৰ উত্তৰ ঃ চার্লচ ডিকেঞ্চৰ পিতৃৰ আর্থিক ঋণগ্রস্ততা.....পিতৃক কাৰাগাৰলৈ নিক্ষেপ..... চার্লচ ডিকেঞ্চে ৰেৰেনৰ ব্লেকিং ফেক্টৰীত কাম কৰিবলগীয়া হোৱা.....অসমাপ্ত অধ্যয়ন।

৩নং প্রশ্নৰ উত্তৰ ঃ চার্লচ ডিকেঞ্চৰ জন্ম.... পিতৃ-মাতৃৰ পৰিচয়....তেওঁৰ শৈশৱকাল....শিক্ষাজীৱন....কর্মজীৱন.....বিবাহ....সতি-সন্ততি....সাহিত্যকৃতি....মৃত্যু।

৪নং প্রশ্নৰ উত্তৰ ঃ চার্লচ ডিকেঞ্চৰ উপন্যাস....উপন্যাসিকা....গল্প.....প্রবন্ধ....বক্তৃতা....অন্যান্য ৰচনাৰাজি।

৫নং প্রশ্নৰ উত্তৰ ঃ চার্লচ ডিকেঞ্চৰ উপন্যাসসমূহৰ চমু আলোচনা (উত্তৰটো লিখোতে পাঠটোৰ উপবিভাগত আলোচিত মূল আলোচনা ভাগৰ সহায় ল'ব আৰু তাক নিজৰ ভাষাত লিখিবলৈ যত্ন কৰিব।)



৬.১০ আৰ্হি প্রশ্ন

প্রশ্ন নং ১ ঃ ভিক্টৰীয় যুগৰ সমাজ-সাহিত্যত প্রতিফলিত বৈপৰীত্য কেনে ধৰণৰ আছিল বিচাৰ কৰি চাওক।

প্রশ্ন নং ২ ঃ ইংৰাজী উপন্যাস সাহিত্যৰ ইতিহাসত ভিক্টৰীয় যুগৰ স্থান কি ?

প্রশ্ন নং ৩ ঃ ভিক্টৰীয় যুগৰ ইংৰাজী উপন্যাস সাহিত্যৰ ওপৰত এটি চমু টোকা যুগুত কৰক।

প্রশ্ন নং ৪ ঃ চার্লচ ডিকেঞ্চৰ জীৱন আৰু সাহিত্যকৃতি সম্পর্কে আলোচনা আগবঢ়াওক।

প্রশ্ন নং ৫ ঃ চার্লচ ডিকেঞ্চৰ সাহিত্যৰাজিৰ মূল্যায়ন আগবঢ়াওক।

প্রশ্ন নং ৬ ঃ ইংৰাজী সাহিত্যৰ ইতিহাসত চার্লচ ডিকেঞ্চৰ উপন্যাসৰ স্থান নিৰূপণ কৰক।

প্রশ্ন নং ৭ ঃ ঔপন্যাসিক হিচাপে চার্লচ ডিকেঞ্চৰ এটি মূল্যায়ন আগবঢ়াওক।

প্রশ্ন নং ৮ ঃ চার্লচ ডিকেঞ্চৰ উপন্যাসৰ সাধাৰণ বৈশিষ্ট্যসমূহ কি কি? বিচাৰ কৰক।

প্রশ্ন নং ৯ ঃ চার্লচ ডিকেঞ্চৰ উপন্যাসৰ চৰিত্র চিত্রণ সম্পর্কে আলোচনা আগবঢ়াওক।

প্রশ্ন নং ১০ ঃ চার্লচ ডিকেঞ্চৰ উপন্যাসত হাস্য-ব্যংগৰ প্রয়োগ কেনেদৰে ঘটিছে আলোচনা কৰক।

প্রশ্ন নং ১১ ঃ চার্লচ ডিকেঞ্চৰ উপন্যাসত ভিক্টৰীয় যুগৰ সমাজ-ব্যৱস্থাৰ ছবি কেনেদৰে প্রতিফলিত হৈছে আলোচনা কৰক।

প্রশ্ন নং ১২ ঃ চার্লচ ডিকেঞ্চৰ উপন্যাসৰ নির্মাণশৈলী সম্পর্কে আলোচনা কৰক।

*** ***** ***

অধ্যায় ৭ ঃ চার্লচ ডিকেঞ্চ ঃ *অলিভাৰ টুইষ্ট* - (২)

অধ্যায় গাঁথনি

৭.১ উদ্দেশ্য
৭.২ পৰিচয়
৭.৩ অলিভাৰ টুইষ্ট
৭.৩.১ উপন্যাসৰ কাহিনীভাগ
৭.৩.২ উপন্যাসৰ চৰিত্ৰ চিত্ৰণ
৭.৩.৩ উপন্যাসৰ বিষয়বস্তু
৭.৩.৪ ইংৰাজী উপন্যাস সাহিত্যত *অলিভাৰ টুইষ্টৰ* স্থান
৭.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৭.৫ অধিক জানিবলৈ
৭.৬ অগ্ৰগতিৰ খতিয়ান (কৰল ৰূপৰেখা)
৭.৭ আৰ্হি প্ৰশ্ন

৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- চার্লচ ডিকেঞ্চৰ *অলিভাৰ টুইষ্ট* উপন্যাসখনৰ বিষয়ে জানিব পাৰিব
- উপন্যাসখনৰ পটভূমিৰ লগত পৰিচিত হ'ব পাৰিব
- লণ্ডনৰ সমসাময়িক সমাজখনৰ বিষয়ে জানিব পাৰিব
- ইংৰাজী সাহিত্যত *অলিভাৰ টুইষ্টৰ* স্থান সম্পৰ্কে অৱগত হ'ব।

৭.২ পৰিচয়

ষষ্ঠ অধ্যায়ত আপুনি ইতিমধ্যে বৰেণ্য ইংৰাজ ঔপন্যাসিক চার্লচ ডিকেঞ্চৰ জীৱন আৰু তেওঁৰ সাহিত্যকৃতিৰ বিষয়ে অৱগত হৈছে। এই অধ্যায়ত তেওঁৰ অন্যতম বহুল সমাদৃত উপন্যাস *অলিভাৰ টুইষ্টৰ* এক বিশ্লেষণাত্মক আলোচনা আগবঢ়োৱাৰ লগতে উপন্যাসখনৰ লগত জড়িত সকলো দিশ স্পৰ্শ কৰাৰ প্ৰয়াস কৰা হ'ব।

৭.৩ *অলিভাৰ টুইষ্ট*

৭.৩.১ উপন্যাসখনৰ কাহিনীভাগ

বিশ্ব সাহিত্যৰ এগৰাকী জনপ্ৰিয় সাহিত্যিক চার্লচ ডিকেঞ্চৰ এখন বহুল

প্রচলিত উপন্যাস হ'ল *অলিভাৰ টুইষ্ট*। *অলিভাৰ টুইষ্ট*ৰ কাহিনীভাগ অলিভাৰ টুইষ্ট নামৰ এটি অনাথ ল'ৰাক কেন্দ্র কৰি গঢ় লৈ উঠিছে। অন্যায়-অবিচাৰ তথা অসততাৰে ভৰা সমাজখনত অনাথ অলিভাৰে সততাৰে জীয়াই থকাৰ বাবে কৰিবলগীয়া হোৱা সংগ্রামেই এই উপন্যাসখনৰ মূল বক্তব্য। অলিভাৰৰ জন্মৰ পিছতে তাৰ মাতৃৰ মৃত্যু হৈছিল। তাৰ জন্মৰ আগদিনা জন্মৰ আগদিনা কোনো সদাশয় লোকে গর্ভৱতী মাকক আলিবাটত পৰি থকা অৱস্থাত পাই কর্মকেন্দ্র (Workhouse) লৈ লৈ আহিছিল আৰু তাতে পিছদিনা অলিভাৰক জন্ম দি মাক মৃত্যুমুখত পৰিছিল। দহমাহমান থকাৰ পিছত অলিভাৰক কর্মকেন্দ্রটোৰ নাতিদূৰত অৱস্থিত অনাথ আশ্রম (Orphanage) এখনলৈ স্থানান্তৰ কৰা হ'ল। এই অনাথ আশ্রমতো অলিভাৰে কাম্য মৰম-চেনেহ বিচাৰি নাপালে। ইয়াৰ সলনি সি আৰু তাৰ লগৰীয়াসকলে পালে কঠুৰা ব্যৱহাৰ। সিহঁতক খাবলৈও ভালকৈ দিয়া হোৱা নাছিল আৰু প্রায়ে সিহঁতে আধাপেটীয়াকৈ কটাবলগীয়া হৈছিল। ন বছৰ বয়সত অলিভাৰক পুনৰ কর্মকেন্দ্রলৈ পঠিওৱা হৈছিল আৰু কর্মকেন্দ্রতো অনাথ আশ্রমৰ দৰে সি আৰু তাৰ লগৰীয়াসকলে অমানুসিক আচৰণৰ সন্মুখীন হৈছিল। ভোকত থাকিব নোৱাৰি এদিন কর্মকেন্দ্রৰ ল'ৰাবোৰে গৰাকী মি. বাম্বলক এই সম্পর্কে জনোৱাৰ কথা ভাবিলে আৰু জনোৱাৰ দায়িত্ব অর্পণ কৰা হ'ল অলিভাৰৰ ওপৰত। মি. বাম্বল আছিল এগৰাকী হৃদয়হীন ব্যক্তি। অলিভাৰে সিহঁতৰ ভোকৰ কথা মি. বাম্বলক কোৱাৰ লগে লগে খঙত ফাটি পৰিল আৰু অলিভাৰক কঠোৰ শাৰীৰিক শাস্তি প্রদান কৰিলে। লগতে ভৱিষ্যতে সি অথন্তৰ ঘটাব পাৰে বুলি ভাবিয়ে তাৰ পৰা অনাথ আশ্রম কর্মকর্তাসকলে পৰিত্রাণ পাবলৈ বিচাৰিলে। সেই অনুসৰি দিয়া এক বিজ্ঞাপনৰ ভিত্তিত মি. ছৱাৰবেৰিয়ে তাক লৈ গ'ল। দুখৰ বিষয় এই যে ছৱাৰবেৰিৰ ঘৰতো অলিভাৰে অলপো মৰম-চেনেহ পোৱা নাছিল। তথাপিও ছৱাৰবেৰিৰ কফিন তৈয়াৰ কৰা আৰু কবৰ দিয়া কামত অলিভাৰে পার্যমানে সহায় কৰিবলৈ ধৰিলে। কিন্তু মাকৰ স্মৃতিক লৈ অলিভাৰক কৰা অত্যাচাৰৰ বাবে সি তাৰপৰা লণ্ডনলৈ পলাই যাবলৈ বাধ্য হ'ল।

লণ্ডনত অলিভাৰৰ পৰিচয় হ'ল অন্ধকাৰ জগতখনৰ লগত। তাত সি জেক ডাউকিন্ছক লগ পালে আৰু জেকে তাক ফেগিনৰ ওচৰলৈ লৈ গ'ল। অলিভাৰে দুদিনমানৰ পিছতে গম পালে যে ফেগিনৰ অধীনত কাম কৰা ল'ৰাবোৰ চৌর্য বৃত্তি আৰু ডকাইটিত জড়িত। এবাৰ অলিভাৰক লৈ ফেগিনৰ দুজনমান ল'ৰাই চুৰ কৰিবলৈ যাওতে দুর্ভাগ্যবশতঃ ৰুমাল চুৰিৰ ঘটনাত বন্দী হয়। বাকী ল'ৰা দুজন পলাই সাৰিবলৈ সক্ষম হয় যদিও অলিভাৰক ভুলবশতঃ চোৰ বুলি মানুহবোৰে মাৰ-কিল শোধায়। এই ঘটনাই অলিভাৰক মি. ব্রাউনলোৰ ওচৰ চপাই নিয়ে। ব্রাউনলো এগৰাকী দয়ালু ব্যক্তি আছিল। ব্রাউনলোৱে অলিভাৰক নিজৰ ঘৰলৈ লৈ যায় আৰু ঘৰৰ বৃদ্ধা পৰিচাৰিকা বেডউইনে তাক আদৰ-যত্নত ৰাখে।

অলিভাৰে মৰমিয়াল ব্রাউনলোক লাভ কৰি যথেষ্ট সুখী হৈছিল যদিও ফেগিন আৰু তাৰ দলটোৱে অলিভাৰক হেৰুৱাই সুখী হোৱা নাছিল। সেয়েহে সিহঁতে অলিভাৰৰ বিচাৰ-খোচাৰ আৰম্ভ কৰিলে আৰু অলিভাৰক ঘূৰাই অনাৰ সমস্ত দায়িত্ব অর্পণ কৰিলে নেন্সিক। এদিনাখন ব্রাউনলোৱে অলিভাৰক দুখনমান কিতাপ ওভতাই দিবলৈ দোকানলৈ পঠিয়াইছিল। ৰাস্তাত নেন্সিয়ে অলিভাৰক দেখি কৌশলেৰে অপহৰণ কৰে আৰু ফেগিনৰ ওচৰলৈ লৈ যায়। এইদৰে অলিভাৰৰ দুখৰ জীৱন পুনৰ আৰম্ভ হয়।

ইয়াৰ পিছত অলিভাৰক এটা ঘৰত ডকাইটি কৰিবলৈ বিল ছাইক্‌ছ নামৰ দলটোৰ মুৰব্বীজনে লৈ যায়। অলিভাৰক ঘৰৰ ভিতৰত সোমোৱাৰ দায়িত্ব দিয়া হয়। কিন্তু দায়িত্ব সম্পন্ন কৰাৰ আগতে ঘৰৰ ৰখীয়াৰ গুলীত সি আঘাতপ্রাপ্ত হয়। আঘাতপ্রাপ্ত অলিভাৰক এটা গাঁতত এৰি থৈ ছাইক্‌ছ আৰু সংগীবোৰ পলাই যায়। পিছদিনা পুৱা মিছেছ মেইলি আৰু পালিতা ভাগিনীয়েক ৰ'জে অলিভাৰক পুলিচৰ হাতৰ পৰা ৰক্ষা কৰে আৰু তাৰ চিকিৎসা তথা থকাৰ দায়িত্ব গ্রহণ কৰে। অলিভাৰেও এনে সহৃদয় ব্যক্তি লাভ কৰি যথেষ্ট আনন্দিত হ'ল।

আনফালে ফেগিন আৰু তাৰ ৰহস্যজনক সংগী মংক্‌ছে অলিভাৰৰ সন্ধান আৰম্ভ কৰি দিয়ে যাতে তাক পুনৰ অন্ধকাৰ জগতখনলৈ ঘূৰাই আনিব পাৰি। নেন্সিয়ে এদিন ফেগিন আৰু মংক্‌ছৰ কথোপকথন শুনি অলিভাৰ যে মংক্‌ছৰ সতীয়া ভায়েক আৰু পিতৃয়ে অলিভাৰৰ নামত উইল কৰি থৈ যোৱা সমস্ত সম্পত্তি হস্তগত কৰিবলৈ অলিভাৰক অন্ধকাৰ জগতখনৰ লগত জড়িত কৰাই জীৱন ধ্বংস কৰি দিবলৈ বিচাৰিছে, সেই কথা জানিব পাৰিলে। এই গভীৰ ষড়যন্ত্রৰ কথা জানিব পাৰি নেন্সিয়ে ৰ'জ মেইলিক গোপনে লগ ধৰি সকলো কথা ভাঙি-পাতি ক'লে। ৰ'জে সকলো কথা মি. ব্রাউনলোক ক'লে আৰু তেওঁলোকে যিকোনো প্রকাৰে মংক্‌ছৰ লগতে ডকাইতৰ দলটোক ধৰিবলৈ বদ্ধপৰিকৰ হ'ল। ইতিমধ্যে নেন্সিয়ে বিশ্বাসঘাটকতা কৰা বুলি ফেগিন আৰু ছাইক্‌ছে জানিব পাৰিলে আৰু খণ্ডত একো নাই হৈ ছাইক্‌ছে নেন্সিক নির্মমভাৱে হত্যা কৰিলে।

ব্রাউনলো আৰু তেওঁৰ সংগীসকলৰ প্রচেষ্টাত ফেগিন তথা তাৰ দলটোক পুলিচ কৰায়ত্ত কৰিলে। ফেগিনৰ মৃত্যুদণ্ড হ'ল। ছাইক্‌ছেও দুর্ঘটনাত প্রাণ হেৰুৱালে। মংক্‌ছেও সকলো কথা সৈ কাঢ়িলে আৰু অলিভাৰে তাৰ প্রাপ্য সম্পত্তি লাভ কৰিলে। সকলো বাধা আঁতৰি যোৱাৰ পিছত অলিভাৰে ব্রাউনলো আৰু মেইলি পৰিয়ালৰ লগত সুখেৰে দিন অতিবাহিত কৰিবলৈ ধৰিলে।

৭.৩.২ উপন্যাসৰ চৰিত্র চিত্রণ

চৰিত্র উপন্যাসৰ এটি গুৰুত্বপূর্ণ উপাদান। চৰিত্রৰ মাজেৰেই উপন্যাসৰ কাহিনীয়ে পৰিণতিৰ ফালে আগবাঢ়ে। বৈশিষ্ট্যপূর্ণ আৰু আকর্ষণীয় চৰিত্র চিত্রণে উপন্যাস এখনক শ্রেষ্ঠত্ব প্রদান কৰে। সাধাৰণতে দেখা যায় ঔপন্যাসিক এজনে প্রয়োজনীয়

চৰিত্রবোৰ বাস্তৱ জীৱন বা বাস্তৱ জীৱনৰ অভিজ্ঞতাৰ পৰা আহৰণ কৰে। উপন্যাসৰ চৰিত্রবোৰ কাল্পনিক হ'লেও বাস্তৱ জীৱনৰ লগত সম্পর্কিত হয়। সততে ঔপন্যাসিক এজনে বাস্তৱ জগতৰ পৰা আহৰণ কৰা অভিজ্ঞতাৰ ভিত্তিত চৰিত্র একোটা নির্মাণ কৰিবলৈ চেষ্টা কৰে। বাস্তৱৰ অভিজ্ঞতাৰ ভিত্তিত উপন্যাসৰ চৰিত্র একোটা নির্মিত হ'লেও চৰিত্রবোৰত বাস্তৱ অভিজ্ঞতা আৰু কল্পনা উভয়ৰে সংমিশ্রণ দেখা যায়।

বৰেণ্য ঔপন্যাসিক চার্লচ ডিকেঞ্চৰ *অলিভাৰ টুইষ্ট* উপন্যাসখন কাহিনীৰ লগতে চৰিত্র সৃষ্টিৰ দিশেৰেও আকর্ষণীয়। মুখ্য চৰিত্র অলিভাৰ টুইষ্টৰ লগতে ফেগিন, মি. ব্রাউনলো, নেন্সি, বিল ছাইক্ছ, ৰ'জ মেইলি, মি. বাম্বল, এডৱার্ড লিফর্ড, মিছেছ মেইলি, জেক ডাউকিনছ, মিছ কার্নি, মি. লছবার্গ, মিছেছ বেডউইন, নোৱা ক্লেপল, হেৰি মেইলি, মি. ছৱাৰবেৰি, মিছেছ ছৱাৰবেৰি, ডিক, মিছেছ মান আদি সৰু-ডাঙৰ চৰিত্রৰ সমাৱেশে উপন্যাসখনক ঘটনাবহুল আৰু সুখপাঠ্য কৰি তুলিছে। তলত এই চৰিত্রসমূহৰ পৰিচয় দাঙি ধৰা হ'ল—

অলিভাৰ টুইষ্ট ঃ অলিভাৰ টুইষ্ট উপন্যাসখনৰ নায়ক। অলিভাৰৰ বিষাদভৰা জীৱনক কেন্দ্র কৰিয়েই উপন্যাসখনৰ কাহিনী আগবাঢ়িছে। অনাথ অলিভাৰৰ জন্ম হৈছিল এটা কর্মকেন্দ্রত। অনাথ আশ্রম, কর্মকেন্দ্রত সন্মুখীন হোৱা যাতনা, ডকাইতৰ দলৰ পাকচক্রত পৰি অন্ধকাৰ জগতত প্রৱেশ, গুলীত আহত হৈ মৃত্যুৰ দুৱাৰডলিৰ পৰা উভতি অহা, শেষত মৃত পিতৃ-মাতৃৰ পৰিচয় আৰু সম্পত্তি লাভ— আদি ঘটনাৰে অলিভাৰ চৰিত্রটি এটি হৃদয়স্পর্শী চৰিত্র। মন কৰিবলগীয়া যে অন্ধকাৰ জগতৰ সন্মুখীন হৈও অলিভাৰে কেতিয়াও সততাৰ পৰা আঁতৰি অহা নাছিল। মি. ব্রাউনলোৰ কিতাপ ঘূৰাই দিবলৈ গৈ ডকাইতৰ দলৰ হাতত বন্দী হোৱা অলিভাৰ পৰৱর্তী সময়ত পুনৰ ব্রাউনলোৰ ওচৰলৈ গৈছে সকলো কথা ভাঙি-পাতি ক'বলৈ। ইয়াতেই অলিভাৰ চৰিত্রটোৰ সততাৰ পৰিচয় পোৱা যায়। এই সততাৰ বাবেই নায়ক চৰিত্রটোৱে পাঠকৰ সহানুভূতি আদায় কৰিবলৈ সক্ষম হৈছে।

অলিভাৰ চৰিত্রটোৰ জৰিয়তে ঔপন্যাসিকে কর্মফলৰ আদর্শও প্রদর্শন কৰিছে। অলিভাৰে যিমানেই বেয়া আৰু দুর্বিসহ অৱস্থাৰ সন্মুখীন নহওক কিয় কেতিয়াও সৎ পথৰ পৰা আঁতৰি অহা নাছিল। সম্ভৱতঃ এই আদর্শৰ বাবেও অলিভাৰে অন্তত এটি সুখৰ জীৱন লাভ কৰিছিল।

নেন্সি ঃ নেন্সি উপন্যাসখনৰ নায়িকা বুলি ক'লেও ভুল কোৱা নহ'ব। দৰাচলতে উপন্যাসত সংঘাত সৃষ্টি কৰি তাক পৰিণতিৰ ফালে আগুৱাই নিয়াৰ সম্পূর্ণ কৃতিত্ব নেন্সি চৰিত্রটোক অর্পণ কৰিব লাগিব। নেন্সি ফেগিন আৰু ছাইক্ছৰ হৈ কাম কৰিছিল। তাই অলিভাৰৰ প্রতি সহানুভূতিশীল আছিল। মি. ব্রাউনলোৰ কিতাপ ঘূৰাবলৈ আহোতে অলিভাৰক নেন্সিয়েই অপহৰণ কৰি ফেগিনৰ হাতত পুনৰ গতাই দিছিল। সেয়া হ'লেও তাই অলিভাৰৰ ওপৰত ফেগিন আৰু ছাইক্ছে কৰা অত্যাচাৰৰ প্রতিবাদ কৰিছিল।

অলিভাৰক অপহৰণ কৰি তাই উপন্যাসত সংঘাতৰ বীজ সিঁচি দিছিল আৰু শেষত তাই ৰ'জ মেইলিক মংক্‌ছ আৰু ফেগিনৰ কথোপকথনৰ কথা জনাই সংঘাতৰ প্ৰশমন কৰি উপন্যাসক পৰিণতিমুখী কৰি তুলিছিল। নেন্সি যদিও ডকাইতৰ দলৰ সদস্য আছিল তথাপিও তাই অলিভাৰৰ মংগলৰ বাবে নিজৰ জীৱনকো তুচ্ছ কৰি তুলিছিল। বেয়া সংগত থাকিলেও নেন্সি চৰিত্ৰই সহজে পাঠকৰ সহানুভূতি আদায় কৰিব পাৰে।

ফেগিন ঃ ফেগিন এটা চোৰৰ দলৰ মুৰব্বী। অপৰাধীপ্ৰৱণ মুখাৱয়বৰ অধিকাৰী ফেগিন যথেষ্ট লোভী আৰু কঠু�ৰা হৃদয়ৰ অধিকাৰী। ফেগিনেই অলিভাৰক চোৰ হিচাপে গঢ়ি তুলিবলৈ চেষ্টা কৰিছিল।

বিল ছাইক্‌ছ ঃ ডকাইত দলৰ চৰ্দাৰ আৰু ফেগিনৰ সহযোগী বিল ছাইক্‌ছ এক খণ্ডাল আৰু হিংস্ৰ প্ৰকৃতিৰ ব্যক্তি। ছাইক্‌ছে বিশ্বাসঘাটকতা কৰাৰ অপৰাধত নেন্সিক হত্যা কৰিছিল।

মি. ব্ৰাউনলো ঃ মি. ব্ৰাউনলো উপন্যাসখনৰ এটি গুৰুত্বপূৰ্ণ চৰিত্ৰ। তেওঁ এগৰাকী মৰমিয়াল ব্যক্তি। তেওঁৰ ব্যক্তিত্বৰ বাবে সমাজে তেওঁক সমীহ কৰি চলে। মি. ব্ৰাউনলোৱে অলিভাৰক প্ৰথমে আশ্ৰয় প্ৰদান কৰি মৰমেৰে ৰাখিছিল। পৰৱৰ্তী সময়ত মংক্‌ছক কৰায়ত্ত কৰি অলিভাৰৰ জীৱন বিপদমুক্ত কৰাৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল। অলিভাৰৰ জীৱন কাহিনী উন্মুচিত হোৱাৰ পিছত এইটো গম পোৱা গৈছিল যে মি. ব্ৰাউনলো অলিভাৰৰ স্বৰ্গীয় পিতৃ লীফোৰ্ডৰ অন্তৰঙ্গ বন্ধু আছিল। শেষত ব্ৰাউনলোৱে অলিভাৰৰ জীৱনৰ সমস্ত দায়িত্ব বহন কৰিছিল।

মি. বাম্বল ঃ শকত-আৱত মি. বাম্বল গীৰ্জাৰ আশ্ৰমৰ কৰ্মচাৰী আছিল। তেওঁ অলিভাৰক যথেষ্ট অত্যাচাৰ কৰিছিল। অত্যধিক ধনলিপ্সা আৰু কঠোৰ হৃদয় মি. বাম্বল চৰিত্ৰটিৰ বৈশিষ্ট্য।

এডৱাৰ্ড লীফৰ্ড বা মংক্‌ছ ঃ অন্ধকাৰ জগতখনৰ লগত জড়িত আন এটা চৰিত্ৰ হ'ল এডৱাৰ্ড লীফৰ্ড। অলিভাৰ লীফৰ্ডৰ মাহীমাকৰ পুত্ৰ অৰ্থাৎ সতীয়া ভাতৃ। কিন্তু ধন লোভী লীফৰ্ডে পিতৃৰ সকলো সম্পত্তি হস্তগত কৰাৰ স্বাৰ্থত অলিভাৰক বিপথে পৰিচালিত কৰিবলৈ বিচাৰিছিল।

মিছেছ মেইলি ঃ মিছেছ মেইলি এগৰাকী সহানুভূতিশীল বৃদ্ধা মহিলা। তেওঁ হেৰি মেইলিৰ মাতৃ। স্বভাৱসুলভ মমতাৰ বাবেই মিছেছ মেইলিয়ে অলিভাৰক আকোঁৱালি লৈ পুত্ৰৰ স্থান দিছিল।

ডিক্‌ ঃ ডিক্‌ অলিভাৰৰ বাল্যকালৰ বন্ধু। অলিভাৰে কৰ্মকেন্দ্ৰত থকা সময়ত ডিকো তাৰ বাসিন্দা হৈ আছিল। অলিভাৰৰ দৰে ডিকেও কৰ্মকেন্দ্ৰৰ গৰাকীৰ অমানুসিক অত্যাচাৰৰ সন্মুখীন হৈছিল। অলিভাৰ ঘূৰি অহাৰ পূৰ্বে ডিকে মৃত্যুবৰণ কৰিছিল। উপন্যাসখনত ডিক চৰিত্ৰটোৰ বিশেষ বিকাশ লক্ষ্য কৰা নাযায়।

মিষ্টাৰ আৰু মিছেছ ছৱাৰবেৰি ঃ মি. আৰু মিছেছ ছৱাৰবেৰি উপন্যাসখনৰ

দুটা গুৰুত্বপূৰ্ণ তথা বিপৰীতধৰ্মী চৰিত্ৰ। ওখ-পাখ মি. ছৱাৰবেৰিয়ে কফিন তৈয়াৰ কৰা আৰু কবৰ দিয়া কাম কৰি জীৱন নিৰ্বাহ কৰিছিল। ছৱাৰবেৰিয়ে অনাথ আশ্ৰমৰ অলিভাৰক লৈ আহি কফিন প্ৰস্তুত কৰা কামত তেওঁক সহায় কৰিবলৈ নিয়োগ কৰিছিল। অলিভাৰৰ সততাৰ বাবে মি. ছৱাৰবেৰিয়ে তাৰ প্ৰতি কিছু সহানুভূতিশীল আছিল যদিও অনাথ শিশুৰ প্ৰতি পত্নী মিছেছ ছৱাৰবেৰিৰ থকা ঘৃণাৰ বাবে তাৰ হৈ মাত মাতিব পৰা নাছিল। চুটি-চাপৰ আৰু ক্ষীণ মিছেছ ছৱাৰবেৰিয়ে অলিভাৰক চকুপাৰি দেখিব নোৱাৰিছিল আৰু সেই ঘৃণাৰ অনুপাতে তেওঁ অলিভাৰক ব্যৱহাৰ কৰিছিল।

মিছেছ মান ঃ মিছেছ মানে এখন অনাথ আশ্ৰমৰ তদাৰক কৰিছিল। এই অনাথ আশ্ৰমতে অলিভাৰে জীৱনৰ এচোৱা কাল কটাইছিল। মিছেছ মান অত্যন্ত লুভীয়া আছিল আৰু অনাথ আশ্ৰমৰ শিশুৰ নামত অহা ধনৰ অধিকাংশ নিজে আত্মসাৎ কৰি নিজৰ প্ৰয়োজনীয়তাসমূহ পূৰণ কৰিছিল।

ৰ'জ মেইলি ঃ উপন্যাসখনত পাঠকৰ সহানুভূতি জয় কৰিব পৰা এটা চৰিত্ৰ হ'ল ৰ'জ মেইলি। অত্যন্ত দয়াশীল, মৰমীয়াল ৰ'জ মেইলি এগৰাকী সোতৰ বছৰীয়া যুৱতী। ঔপন্যাসিকৰ দ্বাৰা অতি দক্ষতাৰে অংকিত চৰিত্ৰ ৰ'জ মেইলিও অলিভাৰৰ দৰে অনাথ। ৰ'জক মিছেছ মেইলিয়ে ডাঙৰ-দীঘল কৰে। পৰৱৰ্তী সময়ত মিছেছ মেইলিৰ পুত্ৰ হেৰি মেইলিৰ লগত বিবাহ সম্পন্ন হোৱা ৰ'জ মেইলিক উপন্যাসৰ শেষ পৰ্যায়ত অলিভাৰৰ মাহীয়েক বুলি জনা যায়।



জানি থোৱা ভাল

/cliffsnote.com/literature/0/oliver-twist/book-summery.



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ *অভিভাৰ টুইষ্ট* উপন্যাসখনৰ কাহিনীভাগ চমুকৈ উল্লেখ কৰি উপন্যাসখনৰ চৰিত্ৰ চিত্ৰণ সম্পৰ্কে আলোচনা কৰক। (১৫০টা শব্দৰ ভিতৰত)

.....

৭.৩.৩ উপন্যাসখনৰ বিষয়বস্তু

এখন সফল উপন্যাসৰ আঁৰত এটা শক্তিশালী বিষয়বস্তু (theme) থাকে। এই বিষয়বস্তু গঢ়ি উঠে গল্পকাৰৰ জীৱন দৰ্শনৰ ভিত্তিত। এঠাইত ডিকেঞ্চে এযাৰ কথা স্পষ্টকৈ উল্লেখ কৰিছে—

'I wished to show, in little Oliver, the Principle of good surviving through every adverse circumstance, and triumphing at last.'

অর্থাৎ উপন্যাসখন ৰচনা কৰাৰ অন্তৰালত ঔপন্যাসিকৰ এক গভীৰ উদ্দেশ্য নিহিত হৈ আছিল। ঔপন্যাসিকে প্ৰতিকূল পৰিস্থিতিৰ মাজতো সৎ পথত থাকি কিদৰে প্ৰতিকূলতাৰ পৰা ওলাই আহিব পাৰে আৰু কিদৰে জীৱনত সফলতা আৰ্জিব পাৰি সেয়া দেখুৱাব বিচাৰিছিল। এই জীৱন দৰ্শন সাৰ্থক ৰূপত প্ৰতিফলিত কৰিবলৈ ডিকেঞ্চে বাচি লৈছিল অলিভাৰ টুইষ্টক। অলিভাৰে জন্মৰ সময়ৰে পৰা বিভিন্ন প্ৰতিকূল পৰিস্থিতিৰ সন্মুখীন হৈছে। সি কিছু সময়ৰ বাবে অন্ধকাৰ জগতখনৰো এটা অংগ হৈ পৰিছে। কিন্তু কোনো ক্ষণতে অলিভাৰে সততাৰ পৰা আঁতৰি অহা নাই বা অসৎ পথক প্ৰশ্ৰয় দিয়া নাই। উপন্যাসৰ অন্তত দেখা যায় যে অলিভাৰে আনক কষ্টৰ অন্তত এটি সুখৰ জীৱন লাভ কৰিছে। কেৱল অলিভাৰ চৰিত্ৰটোৰ মাজেৰে ঔপন্যাসিকৰ এই আদৰ্শ ফুটি উঠা বুলিলে ভুল হ'ব। উপন্যাসখনৰ চৰিত্ৰসমূহৰ বৈশিষ্ট্যৰ ওপৰত ভিত্তি কৰি বহলভাৱে দুটা ভাগত ভগাব পাৰি— ভাল আৰু বেয়া। মি. ব্ৰাউনলো, অলিভাৰ, মেইলিজ পৰিয়ালৰ সদস্যসকল, কিতাপৰ দোকানীজন আদৰ্শবান চৰিত্ৰ হোৱাৰ বিপৰীতে ফেগিন, মংক্‌ছ, ছাইকছ আদিবোৰ বেয়া বা বিয়োগাত্মক চৰিত্ৰ। উপন্যাসৰ শেষত ভাল চৰিত্ৰবোৰৰ ভাল হোৱাৰ বিপৰীতে বিয়োগাত্মক চৰিত্ৰসমূহৰ জীৱনলৈ দুৰ্ভাগ্য নামি আহিছে। এই উপস্থাপনৰ জৰিয়তে লেখকৰ সামাজিক দায়বদ্ধতাৰ ভাবো ফুটি উঠিছে। প্ৰকাৰন্তৰে ঔপন্যাসিকে সমাজৰ লোকসকলক সৎ পথত থাকিবলৈ আহ্বান জনাইছে।

আকৌ উপন্যাসখনৰ মাজেৰে ঔপন্যাসিকৰ সুক্ষ্ম সমাজ পৰ্যবেক্ষণ ক্ষমতাৰ পৰিচয় পোৱা যায়। ঔপন্যাসিকে মন কৰিছিল যে ভাল আৰু বেয়া এই দুই ধৰণৰ মানুহৰ সংখ্যাও সমাজখনত সমান নহয়। প্ৰায়ে দেখা যায় অসৎ লোকৰ সংখ্যা সৎ লোকৰ তুলনাত যথেষ্ট বেছি। কিন্তু সেয়া হ'লেও ভাল মানুহখিনিয়ে নিজৰ সততাৰ বলত সদায় স-সন্মানেৰে আৰু সফলতাৰে জীয়াই থাকিবলৈ সক্ষম হয়। উপন্যাসখনতো সমাজৰ এই সত্যকে প্ৰদৰ্শন কৰা হৈছে। উপন্যাসখন আদৰ্শ বা ভাল হিচাপে স্বীকৃত চৰিত্ৰৰ তুলনাত ঋণাত্মক চৰিত্ৰৰ সংখ্যা যথেষ্ট বেছি। তথাপিও উপন্যাসৰ শেষত কৰ্মফল হিচাপে ভাল চৰিত্ৰসমূহে কাম্য জীৱন লাভ কৰিছে।

দৰিদ্ৰতা আৰু নিবনুৱা সমস্যাই এখন সমাজত কিদৰে অপৰাধৰ সংখ্যা বঢ়াই তুলিব পাৰে তাক ঔপন্যাসিকে উপন্যাসখনত অতি সুন্দৰ ৰূপত উপস্থাপন কৰিছে। দৰিদ্ৰতাৰ কবলত পৰি সমাজৰ এচাম লোকে জীৱন নিৰ্বাহৰ বাবে বিভিন্ন অপৰাধমূলক কাৰ্য কৰিবলৈও কুণ্ঠাবোধ নকৰে। ফেগিন আৰু বিল ছাইক্‌ছ এই শ্ৰেণীৰ ব্যক্তিৰ প্ৰতিভূ। জেক ডাউকিনচ, চার্লি বেট্‌ছ আদিৰ দৰে ল'ৰাবিলাকেও জীৱন নিৰ্বাহৰ উপযুক্ত উপায় বিচাৰি নাপাই ফেগিন আৰু ছাইক্‌ছৰ অধীনত চুৰি-ডকাইটিক জীৱন নিৰ্বাহৰ উপায় হিচাপে গ্ৰহণ কৰিছে।



জানি থোৱা ভাল

//enotes.com/homework-help/what major-theme – dickens-novel-oliver-twist - novel - 51805//



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ উপন্যাসখনৰ কেন্দ্রীয় বিষয়বস্তু কি? ভাল আৰু বেয়াৰ সংঘাত দেখুৱাই ঔপন্যাসিকে কিদৰে উপন্যাসখন পৰিণতিৰ ফালে আগুৱাই নিছে? (১৫০টা শব্দৰ ভিতৰত)

.....

৭.৩.৪ ইংৰাজী উপন্যাস সাহিত্যত *অলিভাৰ টুইষ্টৰ* স্থান

অলিভাৰ টুইষ্ট কেবল ইংৰাজী সাহিত্যৰে নহয়, সমগ্র বিশ্ব সাহিত্যৰ ইতিহাসত এক অনবদ্য সংযোজন। উপন্যাসখনৰ ৰচক ডিকেঞ্চে নিজেও এসময়ত শিশু শ্রমিক হিচাপে জীৱন অতিবাহিত কৰিছিল। ঋণ পৰিশোধ কৰিব নোৱৰাৰ ফলত ডিকেঞ্চৰ পিতৃক জেললৈ পঠিওৱা হৈছিল আৰু ইয়াৰ পৰিণতিতে ডিকেঞ্চ শিশু শ্রমিকত পৰিণত হৈছিল। এই সময়ছোৱাতে তেওঁ ইংলণ্ডৰ দৰিদ্রতাৰ ছবিখনৰ লগত ভালদৰে মুখামুখি হোৱাৰ সুবিধা পাইছিল। ইংলণ্ডত ১৮৩৪ চনত 'দুখীয়াৰ নীতি' (Poor Law) গ্রহণ কৰাৰ পিছৰ পৰাই ডিকেঞ্চে *অলিভাৰ টুইষ্ট* উপন্যাসখন লিখিবলৈ আৰম্ভ কৰে। 'দুখীয়াৰ নীতি'ৰ জৰিয়তে ইংলণ্ডৰ চৰকাৰে দুখীয়াবোৰক কর্মকেন্দ্রত ৰাখি তেওঁলোকক কাপোৰ আৰু আহাৰ যোগান ধৰাৰ আঁচনি গ্রহণ কৰিছিল। কিন্তু এই আঁচনিয়ে দুখীয়া আৰু অনাথসকলৰ অৱস্থা অধিক শোচনীয়হে কৰি তুলিলে। কর্মকেন্দ্রৰ নামত অহা ধন আত্মসাৎ, অত্যাচাৰ, শোষণ আদি নিত্য নৈমিত্তিক ঘটনাত পৰিণত হৈছিল। *অলিভাৰ টুইষ্টৰ* সমস্ত ঘটনাৱলীৰ পাতনি এই কর্মক্ষেত্রৰ পৰাই হৈছে। ডিকেঞ্চৰ উপন্যাসখন কেবল ঊনবিংশ শতিকাৰ লণ্ডনৰ সমাজখনৰ চিত্রণ আছিল বুলি ক'লেই ভুল হ'ব। ইয়াৰ জৰিয়তে ডিকেঞ্চে চৰকাৰে গ্রহণ কৰা নীতি আৰু সমসাময়িক সমাজখনক গ্রাস কৰা দৰিদ্রতাৰ প্রতি কৰা এক কঠোৰ সমালোচনা আছিল। গতিকে এক কথাত ক'বলৈ গ'লে *অলিভাৰ টুইষ্ট* এখন মুখপাঠ্য উপন্যাস হোৱাৰ লগতে ঊনবিংশ শতিকাৰ লণ্ডনৰ সমাজখনৰ এক দলিল হিচাপেও স্বীকৃত।

প্রকাশৰ লগে লগে *অলিভাৰ টুইষ্ট*-এ ব্যাপক জনপ্রিয়তা অর্জন কৰিছিল। কিয়নো উপন্যাসখনত ঔপন্যাসিকে বাস্তৱ সমাজখনত চলি থকা হত্যা আৰু অনৈতিক কার্যকলাপক বলিষ্ঠ ৰূপত উত্থাপন কৰিছিলে এখন সামাজিক উপন্যাস সৃষ্টিৰ প্রথম

চৰ্তটোৱেই হৈছে সমসাময়িক সমাজখনক প্ৰাণৱন্ত ৰূপত উপস্থাপন কৰা। ঔপন্যাসিকে যিখন সমাজৰ পৰা বিষয়বস্তু বুটলি আনিছে, সেই সমাজখনক সজীৱ ৰূপত প্ৰদৰ্শন কৰাতেই উপন্যাসখনৰ সফলতা নিৰ্ভৰ কৰে। সমকালীন সমাজখনক ডিকেঞ্চে অনবদ্য ৰূপত তুলি ধৰা বাবে উপন্যাসখনৰ আদৰ আৰু গ্ৰহণযোগ্যতা আজিও হ্ৰাস পোৱা নাই।

ইয়াৰ বাহিৰেও কাহিনীৰ বিকাশ, দ্বন্দ্ব সৃষ্টি, পৰিৱেশ চিত্ৰণ, সংলাপ, চৰিত্ৰৰ চিত্ৰণ আদি সমস্ত দিশত ঔপন্যাসিকে প্ৰদৰ্শন কৰা পাৰদৰ্শিতাৰ বাবে *অলিভাৰ টুইষ্ট* চার্লচ ডিকেঞ্চৰ অদ্বিতীয় সৃষ্টি হিচাপে স্বীকৃত।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ চার্লচ ডিকেঞ্চে সমসাময়িক সমাজখনৰ চিত্ৰণ কিদৰে *অলিভাৰ টুইষ্ট* উপন্যাসখনত কৰিছে আলোচনা কৰক। (১৫০টা শব্দৰ ভিতৰত)

.....

প্ৰশ্ন নং ৪ ঃ ইংৰাজী উপন্যাস সাহিত্যৰ ইতিহাসত *অলিভাৰ টুইষ্ট*ৰ স্থান নিৰ্ণয় কৰক। (১৫০টা শব্দৰ ভিতৰত)

.....



৮.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- অধ্যায়টিৰ পৰা আমি চার্লচ ডিকেঞ্চৰ *অলিভাৰ টুইষ্ট* উপন্যাসখনৰ এক পৰিচয় লাভ কৰিলো।
- উপন্যাসখনৰ চৰিত্ৰ চিত্ৰণৰ কৌশল সম্পৰ্কে জানিব পাৰিলোঁ।
- উপন্যাসখনৰ পৰা সমসাময়িক সমাজখনৰ প্ৰভাৱ সম্পৰ্কে জানিব পাৰিলোঁ।
- ইংৰাজী উপন্যাস সাহিত্যত উপন্যাসখনৰ স্থান নিৰ্ণয় কৰিবলৈ সক্ষম হলোঁ।



৭.৫ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) গোস্বামী, বন্দিতা (অনু.) ঃ *অলিভাৰ টুইষ্ট* (২০০৬), শৰাইঘাট প্ৰকাশন, গুৱাহাটী।

ইংৰাজী গ্ৰন্থ ঃ

1. Bloom, Harold (Ed.) : Bloom's Biocritiques : Charles Dickens (2003), Chelsea House Publishers.
2. Dickens, Charles : Oliver Twist (2007), UBS Publisher Distributors Pvt. ltd., New Delhi.
3. O. Tordon, John (Ed.) : The Cambridge Companion to Charles Dickens (2009), Cambridge University Press.



৭.৬ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্ৰশ্নৰ উত্তৰ ঃ ঔপন্যাসিকৰ পৰিচয় — কাহিনী — উপন্যাসত চৰিত্ৰৰ গুৰুত্ব — *অলিভাৰ টুইষ্টত* চৰিত্ৰ চিত্ৰণ — সামৰণি।

২নং প্ৰশ্নৰ উত্তৰ ঃ আৰম্ভণি — ডিকেঞ্চে নিজৰ দৃষ্টিভংগীক কেন্দ্ৰীয় বিষয়বস্তু হিচাপে ৰূপদান — ভাল-বেয়াৰ দ্বন্দ্ব আৰু সেই অনুসৰি চৰিত্ৰ নিৰ্মাণ — সামৰণি।

৩নং প্ৰশ্নৰ উত্তৰ ঃ আৰম্ভণি — ডিকেঞ্চৰ সমসাময়িক সমাজখনৰ ৰূপৰেখা — উপন্যাসখনত পৰা প্ৰভাৱ — সামৰণি।

৪নং প্ৰশ্নৰ উত্তৰ ঃ আৰম্ভণি — সমসাময়িক সমাজ চিত্ৰণত দক্ষতা — চৰিত্ৰ নিৰ্মাণ, সংলাপ, পৰিৱেশ আদি নিৰ্মাণত সফলতা সামৰণি।



৭.৭ আৰ্হি প্ৰশ্ন

প্ৰশ্ন নং ১ ঃ চার্লচ ডিকেঞ্চৰ চমু পৰিচয় আগবঢ়াই তেওঁৰ অলিভাৰ টুইষ্ট উপন্যাসখনৰ ৰচনা কৌশল সম্পৰ্কে এটি টোকা প্ৰস্তুত কৰক।

প্ৰশ্ন নং ২ ঃ *অলিভাৰ টুইষ্ট* উপন্যাসখনক এখন মহৎ উপন্যাস বুলিব পাৰিনে? আপোনাৰ উত্তৰৰ সপক্ষে যুক্তি প্ৰদৰ্শন কৰক।

প্ৰশ্ন নং ৩ ঃ *অলিভাৰ টুইষ্ট* উপন্যাসখনৰ কেন্দ্ৰীয় চৰিত্ৰ অলিভাৰক এটি আদৰ্শ চৰিত্ৰ হিচাপে গ্ৰহণ কৰিব পাৰিনে? যুক্তিসহ বিচাৰ কৰক।

*** ***** ***

অধ্যায় ৮ ঃ আর্ণেষ্ট হেমিংৱে ঃ *দ্য অ'ল্ড মেন এণ্ড দ্য চী* - (১)

অধ্যায় গাঁথনি

৮.১ উদ্দেশ্য

৮.২ পৰিচয়

৮.৩ মার্কিন সাহিত্য (American Literature)ৰ যুগ বিভাজন আৰু আধুনিক যুগ

৮.৪ আর্ণেষ্ট হেমিংৱে

৮.৪.১ জীৱন

৮.৪.২ সাহিত্য কৃতি

৮.৫ হেমিংৱেৰ উপন্যাসৰ চমু পৰিচয়

৮.৬ হেমিংৱেৰ উপন্যাসৰ বৈশিষ্ট্য

৮.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৮.৮ অধিক জানিবলৈ

৮.৯ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

৮.১০ আৰ্হি প্রশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- মার্কিন সাহিত্যৰ যুগ বিভাজন সম্পর্কে অৱগত হ'ব
- মার্কিন সাহিত্যৰ আধুনিক যুগৰ বৈশিষ্ট্য সম্পর্কে জানিব পাৰিব
- বিশিষ্ট সাহিত্যিক আর্ণেষ্ট হেমিংৱেৰ জীৱন আৰু সাহিত্যকৃতিৰ লগত পৰিচিত হ'ব পাৰিব
- মার্কিন সাহিত্যত হেমিংৱেৰ স্থান নিৰূপণ কৰিবলৈ সক্ষম হ'ব।

৮.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া তৃতীয় ষাণ্মাসিকৰ সাহিত্য শাখাৰ শিক্ষার্থীৰ বাবে আগবঢ়োৱা তৃতীয় পাঠ্যবিষয়ৰ এইটো অষ্টম অধ্যায়। ইয়াত মার্কিন সাহিত্যিক আর্ণেষ্ট হেমিংৱেৰ সর্বশ্রেষ্ঠ সৃষ্টি *দ্য অ'ল্ড মেন এণ্ড দ্য চী*-ৰ আলোচনা আগবঢ়োৱা হৈছে। বিশ্ব সাহিত্যৰ ক্ষেত্রখনৰ এটি চিনাকি নাম হ'ল আর্ণেষ্ট হেমিংৱে। উপন্যাস আৰু গল্প ৰচনাৰে তেওঁৰ কেবল মার্কিন সাহিত্যৰ নহয়, সমগ্র বিশ্ব সাহিত্যৰ ক্ষেত্রখনক সমৃদ্ধ কৰিছে। প্রস্তাৱিত এই অধ্যায়টিত মার্কিন উপন্যাসৰ ক্ষেত্রখনলৈ আর্ণেষ্ট হেমিংৱেৰ অৱদান সম্পর্কে আলোচনা কৰা হ'ব।

৮.৩ মার্কিন সাহিত্য (American Literature)ৰ যুগ বিভাজন আৰু আধুনিক যুগ

মার্কিন সাহিত্যৰ ধাৰাটো আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ইয়াৰ বিভিন্ন উপনিৱেশসমূহত পোনপ্ৰথমে গঢ় লৈ উঠিছিল। আমেৰিকা যুক্তৰাষ্ট্ৰ গঠন হোৱাৰ আগতে বৰ্তমানৰ আমেৰিকাৰ পূব অংশৰ উপকূলীয় অঞ্চলসমূহত থকা ব্ৰিটিছ উপনিৱেশসমূহ ইংৰাজ সাহিত্যৰ দ্বাৰা যথেষ্ট প্ৰভাৱিত হৈছিল। এইদৰে উপনিৱেশ অঞ্চলৰ মার্কিন লোকসকলে সাহিত্য চৰ্চাত মনোনিৱেশ কৰিছিল। মন কৰিবলগীয়া যে আৰম্ভণি কালৰ মার্কিন সাহিত্যত ইংৰাজ সাহিত্যৰ যথেষ্ট চাপ পৰিছিল। কিন্তু মার্কিন লোকসকলে নিউ ইংলণ্ডত বসবাস কৰিব লোৱাৰে পৰাই যথেষ্ট আত্মসচেতন জাতি হিচাপে পৰিচয় দিয়াৰ লগতে তেওঁলোকৰ নিৰৱচ্ছিন্ন প্ৰচেষ্টাৰ বাবে মার্কিন সাহিত্য বৰ্তমান বিশ্বৰ লেখত ল'বলগীয়া সাহিত্যৰ ধাৰা হিচাপে পৰিগণিত হৈছে।

বিশ্বৰ অন্যান্য সাহিত্যৰ দৰে মার্কিন সাহিত্যৰ ধাৰাৰো বৈশিষ্ট্যৰ ভিত্তিত যুগ বিভাজন কৰিব পাৰি। মার্কিন সাহিত্যক আৰম্ভণিৰ পৰা বৰ্তমানলৈ মুঠ পাঁচটা প্ৰধান যুগত ভাগ কৰিব পাৰি। সেইকেইটা হ'ল—

ক) ঔপনিৱেশিক আৰু জাতীয়তাবাদী সাহিত্যৰ যুগ (Colonial and Early National Period, 17th Century-1830)

খ) ৰোমাণ্টিক যুগ (The Romantic Period, 1830-1870)

গ) বাস্তববাদী আৰু প্ৰকৃতিবাদী সাহিত্যৰ যুগ (Realism and Naturalism, 1870-1910)

ঘ) আধুনিক যুগ (The Modernist Period, 1910-1945)

ঙ) সমসাময়িক যুগ (The Contemporary Period, 1945-Present)

বিশ্ববিখ্যাত মার্কিন লেখক আর্ণেষ্ট হেমিংৱে আধুনিক যুগৰ লেখক। বিংশ শতিকাত বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ জয়যাত্ৰাই পশ্চিমীয়া দেশশমূহত আধুনিকতাৰ বীজ সিঁচি দিছিল। প্ৰথম বিশ্বযুদ্ধৰ ধ্বংসলীলাই ইউৰোপ আৰু আমেৰিকাৰ জনজীৱনক যথেষ্ট প্ৰভাৱিত কৰিছিল। ইয়াৰ প্ৰভাৱ সমসাময়িক সাহিত্যিকসকলৰ ওপৰতো পৰিছিল। তেওঁলোকেও পূৰ্বৰ লেখকসকলৰ ৰোমাণ্টিক, বাস্তৱবাদী আৰু প্ৰকৃতিবাদী ভাবধাৰাৰ পৰা আঁতৰি আহি আধুনিক ভাবধাৰাক আকোঁৱালি লৈছিল। ইয়াৰ পৰিণতিত ১৯১০ চনৰ পৰা মার্কিন সাহিত্যৰ ধাৰাত আধুনিক সূচনা হৈছিল। মার্কিন সাহিত্যৰ এই যুগৰ বৈশিষ্ট্যবোৰ তলত একাদিক্ৰমে উল্লেখ কৰা হ'ল—

ক) ব্যক্তিকেন্দ্ৰিকতা (Individualism) ঃ আধুনিক সাহিত্যত সমাজৰ তুলনাত ব্যক্তিক অধিক আকৰ্ষণীয় আৰু প্ৰাণৱন্ত ৰূপত চিত্ৰণ কৰা হয়। বহু ক্ষেত্ৰত আধুনিক লেখকসকলে সমাজক ব্যক্তিৰ বিকাশৰ পথত এক হেঙাৰ হিচাপেও প্ৰদৰ্শন কৰা হয়। মার্কিন লেখক হেমিংৱে ব্যক্তিকেন্দ্ৰিক উপস্থাপনৰ বাবে বিশেষ সমাদৃত।

খ) উদ্ভটধৰ্মিতা (Absurdity) ঃ ইতিপূৰ্বে উল্লেখ কৰি অহা হৈছে যে প্ৰথম বিশ্বযুদ্ধৰ

বিভীষিকাই ব্যক্তিৰ অস্তিত্বৰ প্ৰতি ভাবুকি কঢ়িয়াই আনিছিল। আনকি লেখকসকল ঈশ্বৰৰ অস্তিত্বৰ ওপৰতো সন্দিহান হৈ পৰিছিল। মানুহৰ বাবে গোটেই জগতখনেই হৈ পৰিছিল শৃংখলাহীন, এবচার্ভ। ইয়াৰ প্ৰতিধ্বনি সেই সময়ৰ সাহিত্যতো দেখিবলৈ পোৱা যায়।

গ) প্ৰতীকীবাদ (Symbolism) ঃ অন্যান্য সাহিত্যৰ আধুনিক যুগৰ দৰে মাৰ্কিন সাহিত্যৰ আধুনিক যুগতো প্ৰতীকৰ বহুল ব্যৱহাৰ দেখা যায়। ফ্ৰান্সত আৰম্ভ হোৱা প্ৰতীকীবাদী আন্দোলনৰ প্ৰভাৱ মাৰ্কিন আধুনিক সাহিত্যতো পৰিছিল।

ঘ) সম্পৰীক্ষণ (Experimentalism) ঃ আধুনিক মাৰ্কিন লেখকসকলে পূৰ্বৰ সাহিত্যিকসকলৰ কৌশলক কবি প্ৰসিদ্ধি হিচাপে মানি লৈ সাহিত্য ৰচনা কৰা নাছিল। কলা-কৌশল, আংগিক আদি প্ৰতিটো দিশত তেওঁলোকে সম্পৰীক্ষণ চলাই নতুনত্বক কঢ়িয়াই আনিছিল।

এফ. স্কট ফিটজেৰাল্ড, ৰিচার্ড ৰাইট, জ'ৰা মীল হার্চটন, আর্ণেষ্ট হেমিংৱে, উইলিয়াম ফ'কনাৰ, জন ষ্টেইনবেক আদি মাৰ্কিন সাহিত্যৰ আধুনিক যুগৰ মুখ্য লেখক।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ মাৰ্কিন সাহিত্য বুলিলে কি বুজায়? ইয়াৰ যুগ বিভাজনসমূহ উল্লেখ কৰি আধুনিক যুগৰ বৈশিষ্ট্যসমূহ আলোচনা কৰক। (১৫০টা শব্দৰ ভিতৰত)

.....

৮.৪ আর্ণেষ্ট হেমিংৱে

৮.৪.১ জীৱনী

আর্ণেষ্ট মিলাৰ হেমিংৱে এগৰাকী বিশ্ববিখ্যাত আৰু জনপ্ৰিয় মাৰ্কিন সাহিত্যিক। তেওঁ একেধাৰে সাংবাদিক, ঔপন্যাসিক চুটিগল্প লেখক আৰু খেলুৰৈ আছিল। ১৮৯৯ চনৰ ২১ জুলাই তাৰিখে ইলিনই প্ৰদেশৰ ৰার্ক পার্কত তেওঁৰ জন্ম হয়। হেমিংৱেৰ পিতৃ পেচাত এগৰাকী চিকিৎসক আছিল। ১৯১৭ চনৰ জুন মাহত ৰার্ক পার্কৰ স্থানীয় হাইস্কুল এখনৰ পৰা শিক্ষান্ত পৰীক্ষাত উত্তীর্ণ হয়। ইতিমধ্যে ইউৰোপত প্ৰথম বিশ্বযুদ্ধও আৰম্ভ হয়। বিশ্বযুদ্ধৰ সময়ত তেওঁ সেনাবাহিনীত ভর্তি হ'বলৈ চেষ্টা কৰে যদিও দুর্বল দৃষ্টিশক্তিৰ বাবে হেমিংৱেই এই ক্ষেত্ৰত অনুমতি নাপালে। পৰৱর্তী সময়ত ইটালীয়ান বাহিনীৰ এম্বলেঞ্চ চালক হিচাপে যোগ দি তেওঁ যুদ্ধৰ লগত প্ৰত্যক্ষভাৱে জড়িত হোৱাৰ সুযোগ পালে। অৱশ্যে ইয়াৰ পূৰ্বে হেমিংৱে কেন্চাচ চহৰত এটা বাতৰি কাকতৰ অফিচত লিখক হিচাপে যোগ দি নিজৰ কর্মজীৱনৰ আৰম্ভণি কৰিছিল।

পৰিতাপৰ বিষয় এই যে যুদ্ধৰ সময়চোৱাত তেওঁ গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয় আৰু বহুদিন হস্পিতালত শয্যাগত হৈ থাকে। সেই সময়ত তেওঁ এগনেচ নামৰ

নার্চ এগৰাকীৰ প্ৰেমত পৰে। আমেৰিকালৈ উভতি অহাৰ পিছত হেমিংৱে জানিব পাৰিলে যে তেওঁৰ প্ৰেয়সী এগনেচ এগৰাকী ইটালীয়ান মেজৰৰ সৈতে বিবাহপাশত আৱদ্ধ হৈছে। এনেদৰে মানসিক আৰু শাৰীৰিকভাৱে জৰ্জৰিত হৈ হেমিংৱে পেৰিচলৈ গৈ সাহিত্য চৰ্চাত মনোনিৱেশ কৰিলে। একাষাৰে ক'বলৈ গ'লে এই ঘটনাই তেওঁৰ জীৱনলৈ সফলতা কঢ়িয়াই আনিছিল।

আর্ণেষ্ট হেমিংৱে জেমচ, গাট্রুদ ষ্টেইন, এজৰা পাউণ্ড আদি প্ৰতিষ্ঠিত লেখকৰ দ্বাৰা বিশেষভাৱে প্ৰভাৱান্বিত হৈছিল। অৱশ্যে সাহিত্যিক জীৱনৰ আৰম্ভণিৰ স্তৰত হেমিংৱে বিশেষ সফলতা লাভ কৰা নাছিল। প্ৰথমাৱস্থাত প্ৰকাশক লৈ পঠিওৱা বিভিন্ন লেখাসমূহ অমনোনীত হৈ ঘূৰি আহিছিল। কিন্তু হেমিংৱে ইয়াত নিৰাশ নহৈ সাহিত্য সৃষ্টিত একানপটীয়াকৈ লাগে। প্ৰথম বিশ্বযুদ্ধৰ সময়ত আহৰণ কৰা যুদ্ধ আৰু প্ৰেমৰ অভিজ্ঞতাক লৈ তেওঁ 'এ ফেয়াৰৱেল টু আর্মছ' (A Farewell to Arms) শীৰ্ষক উপন্যাসখন লিখি উলিয়ায়। এই উপন্যাসখনে অভূতপূৰ্ব জনপ্ৰিয়তা অৰ্জন কৰাৰ লগতে এগৰাকী সাহিত্যিক হিচাপে হেমিংৱেক প্ৰতিষ্ঠা কৰে।

দ্বিতীয় বিশ্বযুদ্ধৰ সময়ছোৱাত তেওঁ কিউবাত আছিল। যুদ্ধৰ সময়ত হেমিংৱেই এখন আলোচনীৰ যুদ্ধৰ সংবাদদাতাৰ দায়িত্ব পালন কৰিছিল। যুদ্ধৰ পৰিসমাপ্তিৰ পিছত তেওঁ মাছ মৰা আৰু সাহিত্য চৰ্চাত মনোনিৱেশ কৰে। সাগৰত মাছ মৰা এজন বুঢ়াৰ জীৱনক কেন্দ্ৰ কৰি তেওঁ *দ্য অ'ল্ড মেন এণ্ড দ্য চী* শীৰ্ষক কালজয়ী উপন্যাসখন লিখি উলিয়ায়। ই তেওঁৰ সাহিত্যিক জীৱনৰ গতিপথ সলাই পেলায়। উপন্যাসখনৰ বাবে ১৯৫৩ চনত পুলিৎজাৰ বঁটা আৰু ১৯৫৪ চনত সাহিত্যৰ নোবেলা লাভ কৰে।

বয়স বৃদ্ধিৰ লগে লগে যুদ্ধৰ সময়ৰ পুৰণি আঘাতবোৰে তেওঁক পুনৰ পীড়া দিবলৈ আৰম্ভ কৰিলে। ফলত তেওঁ সঘনাই অসুস্থ হ'বলৈ ধৰিলে। ইতিমধ্যে ফিডেল কাষ্ট্রোই শাসনভাৰ চম্ভালাৰ লগে লগে হেমিংৱে পত্নীৰ সৈতে আমেৰিকালৈ ঘূৰি আহিল। কিন্তু দিনে দিনে অধিক অসুস্থ হৈ পৰিবলৈ ধৰাত সকলো যন্ত্ৰণাৰ ওৰ পেলাবলৈ ১৯৬১ চনৰ জুলাই মাহৰ ২ তাৰিখে এইজন মহান সাহিত্যিকে আত্মহত্যা কৰে।

৮.৪.২ সাহিত্যকৃতী

বিশ্বসাহিত্যৰ এগৰাকী জনপ্ৰিয় কথাশিল্পী আর্ণেষ্ট হেমিংৱে প্ৰতিষ্ঠিত ঔপন্যাসিক আৰু গল্পকাৰ হিচাপে সৰ্বজনবিদিত। একাধিক সফল উপন্যাস আৰু গল্প ৰচনাৰ জৰিয়তে হেমিংৱেই মার্কিন সাহিত্যৰ লগতে বিশ্ব সাহিত্যৰ ক্ষেত্ৰখনো সমৃদ্ধ কৰি থৈ গৈছে। তেওঁৰ সাহিত্যসম্ভাসমূহ তলত একাদিক্ৰমে উল্লেখ কৰা হ'ল—

উপন্যাস

১। *দ্য টৰেণ্টছ অব স্প্ৰিং (The Torrents of Spring, 1926)*

২। *দ্য চান অলচো ৰাইজেজ (The Sun Also Rises, 1926)*

৩। *এ ফেয়াৰৱেল টু আর্মচ (A farewell to Arms, 1927)*

৪। *টু হেভ এণ্ড হেভ নট (To Have and Have Not, 1937)*

৫। *ফ'ৰ হুম দ্য বেল টল্‌ছ (For whom the Bell Tolls, 1940)*

৬। *এক্ৰ'ছ দ্য ৰিভাৰ এণ্ড ইনটু দ্য ট্ৰীজ (Across the River and Into the Trees, 1950)*

৭। *দ্য অ'ল্ড মেন এণ্ড দ্য চী (The Old Man and the Sea, 1952)*

চুটিগল্প সংকলন

১। *ইন আৱাৰ টাইম (In Our time, 1952)*

মন কৰিবলগীয়া যে *The Torrents of Spring*-ক বহু সমালোচকে উপন্যাস নুবুলি ব্যংগ সাহিত্য হিচাপে অভিহিত কৰিবলৈ বিচাৰে। ইয়াৰ বাহিৰেও *দ্য গার্ডেন অৱ ইডেন* শীর্ষক এক অসম্পূর্ণ উপন্যাসো ১৯৮৬ চনত প্ৰকাশ পাইছিল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ২ ঃ আর্ণেষ্ট হেমিংৱেৰ জীৱনৰ চমু পৰিচয় আগবঢ়াই তেওঁৰ সাহিত্যকৃতিসমূহ উল্লেখ কৰক।

(১৫০টা শব্দৰ ভিতৰত)

.....



জানি থোৱা ভাল

en. wikipedia.org/wiki/Ernest-Hemingway

৮.৫ হেমিংৱেৰ উপন্যাসৰ চমু পৰিচয়

আর্ণেষ্ট হেমিংৱে বিশ্বৰ শ্ৰেষ্ঠ ঔপন্যাসিকসকলৰ ভিতৰত অন্যতম হিচাপে স্বীকৃত। প্ৰথম আৰু দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত লাভ কৰা অভিজ্ঞতা, প্ৰেমৰ অভিজ্ঞতা, কিউবাৰ মাছমৰীয়া জীৱন আদিয়ে উপন্যাস সৃষ্টিত তেওঁক প্ৰভুত সমল যোগাইছিল। তেওঁৰ কেইবাখনো মহৎ উপন্যাসত নিৰাশাজনক পৰিস্থিতি এটা চিত্ৰিত হ'লেও উপন্যাসসমূহৰ সামৰণি হৈছে এক গভীৰ আশাবাদেৰে। সি যি কি নহওক হেমিংৱেৰ উপন্যাসকেইখনৰ চমু পৰিচয় তলত আগবঢ়োৱা হ'ল—

ক) *ফৰ হুম দ্য বেল টল্‌ছ* ঃ এইখন উপন্যাসক হেমিংৱেৰ দ্বাৰা ৰচিত শ্ৰেষ্ঠতম উপন্যাসকেইখনৰ মাজত ধৰা হয়। এইখন উপন্যাস যুদ্ধৰ পৰিস্থিতিৰ ভিত্তিত ৰচনা কৰা হৈছে।

হেমিংৱে স্পেনিছ গৃহযুদ্ধ (Spanish Civil War) ৰ সময়ত যুদ্ধৰ সংবাদদাতা হিচাপে কাম কৰিছিল। সেই সময়ত আহৰণ কৰা অভিজ্ঞতাৰ ভিত্তিত উপন্যাসখন ৰচিত হৈছে। উপন্যাসখনত ৰবার্ট জর্ডান নামৰ এগৰাকী আমেৰিকান সৈনিকৰ জীৱনৰ কাহিনী বর্ণনা কৰা হৈছে। তেওঁ এটা আন্তঃৰাষ্ট্রীয় সৈন্যদলত বোমা বিশেষজ্ঞ হিচাপে সেৱা আগবঢ়াইছিল। যুদ্ধৰ পৰিস্থিতিৰ ওপৰত প্রতিষ্ঠিত হ'লেও উপন্যাসখনত জর্ডান আৰু মাৰিয়াৰ এটা প্রেমৰ কাহিনীও বর্ণনা কৰিছে।

খ) ***দ্য অ'ল্ড মেন এণ্ড দ্য চী*** **ঃ** আর্ণেষ্ট হেমিংৱেৰ নাম লোৱাৰ লগে লগে যিখন উপন্যাসৰ কথা মনলৈ সর্বপ্রথমে আহে, সেইখনেই হৈছে *দ্য অ'ল্ড মেন এণ্ড দ্য চী*। উপন্যাসখনৰ বাবে হেমিংৱে নোবেল বঁটাও লাভ কৰিছিল। দ্বিতীয় বিশ্বযুদ্ধৰ পিছত কিউবাত মাছমৰীয়া জীৱন কটাওতে তেওঁ অভিজ্ঞতাৰ ভিত্তিত উপন্যাসখন ৰচনা কৰিছিল। পৰৱর্তী অধ্যায়ত উপন্যাসখনৰ বিস্তৃত আলোচনা কৰা হ'ব।

গ) ***এ ফেয়াৰৱেল টু আর্মচ*** **ঃ** *এ ফেয়াৰৱেল টু আর্মচ* উপন্যাসখনে হেমিংৱেক ঔপন্যাসিক হিচাপে খ্যাতি আনি দিছিল। উপন্যাসখন তেওঁৰ সাহিত্যিক জীৱনৰ প্রথম ভাগৰ ৰচনা। প্রথম বিশ্বযুদ্ধত লাভ কৰা অভিজ্ঞতাৰ ভিত্তিত ব্যক্তিগত জীৱনক ভেটি কৰি তেওঁ *এ ফেয়াৰৱেল টু আর্মচ* উপন্যাসখন লিখি উলিয়াইছিল। নায়ক ফ্রেডৰিক হেনৰি আৰু নায়িকা কেথলিন বার্কলেইৰ জীৱন গাঁথা যুদ্ধৰ পটভূমিত বর্ণিত হ'লেও ইয়াক এখন সামাজিক বা ঐতিহাসিক দলিল বুলি ক'ব নোৱাৰি। মূলতঃ নায়কৰ মানসিক জগতখনতে লেখকে নিজে বিচৰণ কৰিছে।

ঘ) ***দ্য চান অলচো ৰাইজেজ*** **ঃ** উপন্যাস হিচাপে হেমিংৱেৰ প্রথম কৃতি হ'ল *দ্য চান অলচো ৰাইজেজ*। উপন্যাসখন ১৯২৬ চনত প্রকাশিত হৈছিল। আলোচ্য উপন্যাসখনতো যুদ্ধৰ সময়ত মানুহৰ মানসিক দোদুল্যমান অৱস্থাৰ কথা বর্ণনা কৰা হৈছে। উপন্যাসখনত নায়ক জেক্ বার্ণেজ আৰু নায়িকা লেডী ব্রেটৰ জৰিয়তে হেমিংৱেই 'লষ্ট জেনেৰেশ্যন'ৰ কালছোৱাৰ মানুহৰ মানসিক জগতখনৰ এক ৰূপদান কৰিছে।

ঙ) ***টু হেভ এণ্ড হেভ নট*** **ঃ** এইখন সময়সীমাৰ ফালৰপৰা হেমিংৱেৰ চতুর্থ প্রকাশিত উপন্যাস। উপন্যাসখনৰ নায়ক হেৰি মর্গান এখন মাছৰমীয়া নাৱৰ কেপ্টেইন। তেওঁ কিউবা আৰু ফ্লৰিডাৰ মাজৰ অবৈধ বস্তুৰ আমদানি আৰু ৰপ্তানিত জড়িত। অবৈধ কর্মত লিপ্ত নায়ক মর্গানৰ ভাগ্য চক্রৰ কিদৰে পৰিৱর্তন হৈ বেয়া সময় উপস্থিত হয়, সেয়া অতি সাৱলীলভাৱে হেমিৱে বর্ণনা কৰিছে। *টু হেভ এণ্ড হেভ নট* হেমিংৱেৰ সৰল অথচ প্রভাৱশালী গদ্যৰ উৎকৃষ্ট নিদর্শন। উপন্যাসখনৰ জৰিয়তে তেওঁৰ চৰিত্র নির্মাণৰ পাৱদর্শিতা আৰু কাহিনী কথনৰ পটুতা ফুটি উঠিছে।

ঙ) ***এক্রজ দ্য ৰিভাৰছ এণ্ড ইণ্টু দ্য ট্রীজ*** **ঃ** ১৯৩০ চনত প্রকাশিত এই উপন্যাসখনতো এগৰাকী বয়োবৃদ্ধ সামৰিক বিষয়াৰ জীৱন কাহিনী বর্ণিত হৈছে।

৮.৬ হেমিংৱেৰ উপন্যাসৰ বৈশিষ্ট্য

এখন উপন্যাসত নিহিত সুকীয়া বৈশিষ্ট্যই ঔপন্যাসিকগৰাকীক শ্ৰেষ্ঠত্বৰ আসন প্ৰদান কৰে। মাৰ্কিন ঔপন্যাসিক আর্ণেষ্ট হেমিংৱেৰ উপন্যাসকেইখনো সুকীয়া বৈশিষ্ট্যৰ বাবে জনপ্ৰিয়তাৰ শীৰ্ষত আৰোহণ কৰিছে। তলত তেওঁৰ উপন্যাসত পৰিলক্ষিত হোৱা বৈশিষ্ট্যবোৰ একাদিক্ৰমে আলোচনা কৰা হ'ল—

ক) হেমিংৱেৰ কাহিনী কথনৰ দক্ষতা প্ৰতিখন উপন্যাসতে ফুটি উঠিছে। প্ৰতিখন উপন্যাসতে আদিৰ পৰা অন্তলৈ এটা নিটোল কাহিনী পোৱা যায়। মন কৰিবলগীয়া যে হেমিংৱেৰ উপন্যাসৰ কাহিনীসমূহ বিক্ষিপ্ত নহয়। যি মূল বিষয় বা বক্তব্যক কেন্দ্ৰ কৰি কাহিনীৰ নিৰ্মাণ ঔপন্যাসিকে আৰম্ভ কৰে, সেই বিষয়ৰ পৰা কাহিনীটোৰ শেহলৈ লেখকে আঁতৰি নাহে। আকৌ আৰম্ভণিৰ পৰা অন্তিম পৰ্যায়লৈ পাঠকৰ মনোযাগ ধৰি ৰখাৰ এক অদ্ভুট ক্ষমতা হেমিংৱেৰ কাহিনীৰ আছে।

খ) প্ৰতীকধৰ্মিতা হেমিংৱেৰ উপন্যাসৰ আন এক লেখত ল'বলগীয়া বৈশিষ্ট্য। বহুকেইখন উপন্যাসত বক্তব্যখিনি ফুটাই তোলোতে তেওঁ প্ৰতীকধৰ্মিতাৰ আশ্ৰয় হৈছে। *দ্য অ'ল্ড মেন এণ্ড দ্য চী* হেমিংৱেৰ এখন উৎকৃষ্ট প্ৰতীকধৰ্মী উপন্যাস।

গ) হেমিংৱে মাৰ্কিন সাহিত্যৰ বুৰঞ্জীৰ 'লষ্ট জেনেৰেশ্যন' কালচোৱাৰ এজন উৎকৃষ্ট লেখক আছিল। তেওঁৰ অধিকাংশ উপন্যাসত যুদ্ধই সৃষ্টি কৰা বিভীষিকা, ধ্বংসলীলা, হতাশা, নৈৰাশ্য আদিৰ হুবহু প্ৰতিফলন পোৱা যায়। সম্ভৱতঃ তেওঁৰ দৰে যুদ্ধৰ সমসাময়িক সময়ছোৱাৰ সমাজখনক জীৱন্ত ৰূপত অংকন কৰা দ্বিতীয় এজন ঔপন্যাসিক নোলাব।

ঘ) উপন্যাস এখনত চৰিত্ৰই এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। চৰিত্ৰই কাহিনীক সফল পৰিণতিৰ পিনে আগুৱাই নিয়ে। আন কথাত ক'বলৈ গ'লে ঔপন্যাসিকে চৰিত্ৰৰ দিশত সফল হৈছে। তেওঁ উপন্যাসত উপস্থাপন কৰা সৰু-ডাঙৰ কোনো চৰিত্ৰৰে গুৰুত্ব অস্বীকাৰ কৰিব নোৱাৰি।

ঙ) আশাবাদ তেওঁৰ উপন্যাসৰ আন এটা বৈশিষ্ট্য। *অ'ল্ড মেন এণ্ড দ্য চী* উপন্যাসখনকে আদি কৰি কেইবাখনো উপন্যাসৰ কাহিনী গভীৰ আশাবাদেৰে শেষ হৈছে।

চ) ৰীতিগত দিশৰ পৰাও হেমিংৱেয়ে কুশলতাৰ পৰিচয় দিছিল। তেওঁৰ উপন্যাসৰ ভাষা সহজ-সৰল। এসময়ত সংবাদদাতা হিচাপে কাৰ্যনিৰ্বাহ কৰা বাবে হেমিংৱেই অতি সীমিত শব্দতে অধিক ভাব উপন্যাসকেইখনত প্ৰকাশ কৰিছিল।



৮.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- অধ্যায়টিৰ পৰা আমি মাৰ্কিন সাহিত্যৰ যুগ বিভাজন সম্পৰ্কে এটি আভাস পালোঁ।

- আর্ণেষ্ট হেমিংৱেৰ জীৱনী আৰু সাহিত্য কৃতি সম্পর্কে সম্যক ধাৰণা লাভ কৰিলোঁ।
- হেমিংৱেৰ উপন্যাসৰ ক্ষেত্রখনলৈ অৱদান সম্পর্কে অৱগত হ'লো।
- তেওঁৰ উপন্যাসৰ বৈশিষ্ট্য সম্পর্কে জানিলোঁ।



৮.৮ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

১) কলিতা, অমৱেন্দ্র ঃ পাশ্চাত্য সাহিত্য (জুন, ২০০৬), কিতাপ ঘৰ, নলবাৰী।

২) শইকীয়া, পল্লৱী ঃ সাহিত্যৰ ৰূপছায়া (নৱেম্বৰ, ১৯৯৪), বনলতা।



৮.৯ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্রশ্নৰ উত্তৰ ঃ আৰম্ভণি — মার্কিন সাহিত্যৰ চমু পৰিচয় — যুগ বিভাজন — আধুনিক যুগৰ বৈশিষ্ট্য আৰু উল্লেখযোগ্য লেখকসকল— সামৰণি।

২নং প্রশ্নৰ উত্তৰ ঃ আৰম্ভণি — আর্ণেষ্ট হেমিংৱেৰ জীৱন পৰিচিতি — সাহিত্য হিচাপে অৱদান — সামৰণি।



৮.১০ আৰ্হি প্রশ্ন

প্রশ্ন নং ১ ঃ সাহিত্যিক আর্ণেষ্ট হেমিংৱে কোন যুগৰ লেখক? মার্কিন সাহিত্যত তেওঁৰ স্থান নিৰূপণ কৰক।

প্রশ্ন নং ২ ঃ আর্ণেষ্ট হেমিংৱেৰ উপন্যাসসমূহৰ নাম উল্লেখ কৰি ইয়াৰ বৈশিষ্ট্যসমূহ আলোচনা কৰক।

প্রশ্ন নং ৩ ঃ হেমিংৱেৰ উপন্যাসত তেওঁৰ জীৱনৰ অভিজ্ঞতাসমূহ কেনেদৰে ফুটি উঠিছে সেই সম্পর্কে এটি প্রৱন্ধ যুগুত কৰক।

*** ***** ***

অধ্যায় ৯ ঃ আর্ণেষ্ট হেমিংৱে ঃ *দ্য অ'ল্ড মেন এণ্ড দ্য চী* - (২)

অধ্যায় গাঁথনি

৯.১ উদ্দেশ্য

৯.২ পৰিচয়

৯.৩ *দ্য অ'ল্ড মেন এণ্ড চী (The old man and the Sea)*

৯.৩.১ উপন্যাসৰ কাহিনীভাগ

৯.৩.২ উপন্যাসৰ চৰিত্ৰ চিত্ৰণ

৯.৩.৩ উপন্যাসত সন্নিৱিষ্ট প্ৰতীক

৯.৩.৪ বিশ্ব সাহিত্যৰ *দ্য অ'ল্ড মেন এণ্ড দ্য চী*ৰ স্থান

৯.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৯.৫ অধিক জানিবলৈ

৯.৬ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

৯.৭ আৰ্হি প্ৰশ্ন

৯.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যায়ন কৰি আপুনি—

- আর্ণেষ্ট হেমিংৱেৰ *দ্য অ'ল্ড মেন এণ্ড দ্য চী* উপন্যাসখনৰ বিষয়ে জানিব পাৰিব
- উপন্যাসখনৰ কাহিনীৰ লগত পৰিচিত হ'ব পাৰিব
- উপন্যাসখনত ব্যৱহৃত প্ৰতীক সম্পৰ্কে অৱগত হ'ব পাৰিব
- বিশ্ব সাহিত্যত *দ্য অ'ল্ড মেন এণ্ড দ্য চী*ৰ স্থান নির্ণয় কৰিবলৈ সক্ষম হ'ব।

৯.২ পৰিচয়

অষ্টম অধ্যায়ত বিশিষ্ট ঔপন্যাসিক আর্ণেষ্ট হেমিংৱেৰ জীৱন আৰু তেওঁৰ সাহিত্য কৃতি সম্পৰ্কে অৱগত হৈছে। এই অধ্যায়ত হেমিংৱেৰ জনপ্ৰিয় উপন্যাস *দ্য অ'ল্ড মেন এণ্ড দ্য চী*ৰ বিষয়ে এক বিস্তৃত আলোচনা আগবঢ়োৱা হ'ব।

৯.৩ *দ্য অ'ল্ড মেন এণ্ড দ্য চী (The old man and the Sea)*

৯.৩.১ উপন্যাসৰ কাহিনীভাগ

দ্য অ'ল্ড মেন এণ্ড দ্য চী এখন সৰু গ্ৰন্থ। কলেবৰত সৰু হ'লেও ইয়াত

মানুহৰ জীৱনৰ সংগ্ৰামৰ কথা প্ৰকাশ পাইছে। মানুহৰ জীৱনৰ নানা ঘাত-প্ৰতিঘাত বৰ্ণনা কৰাৰ ক্ষেত্ৰত আৰ্ণেষ্ট হেমিংৱেৰ *দ্য অ'ল্ড মেন এণ্ড দ্য চী* অদ্বিতীয়।

দ্য অ'ল্ড মেন এণ্ড দ্য চী — উক্ত উপন্যাসখনৰ মুখ্য চৰিত্ৰটি হৈছে এগৰাকী বুঢ়া। নাম চান্তিয়াগো। চান্তিয়াগো এগৰাকী সাগৰত মাছ মৰা ব্যতিক্ৰমী মাছমৰীয়া। এই মাছমৰীয়া গৰাকী সাগৰৰ পাৰৰ অকলশৰীয়া ঘৰটোত আছিল। তেওঁক আলপৈচান ধৰিছিল এটা কণমানি ল'ৰাই। মেনোলিন নামৰ এই ল'ৰাটোৱে চান্তিয়াগোক ভাল পাইছিল আৰু বুঢ়াই মাছ মাৰিবলৈ যাওঁতে মেনোলিনক তেওঁৰ লগত লৈ গৈছিল।

মাছ মাৰিবলৈ যাওঁতে বুঢ়াক ভাগ্যই লগ দিয়া নাছিল। এবাৰ চান্তিয়াগোৱে পঁচাশী দিন ধৰি মাছ পোৱা নাছিল। ৰাতিপুৱাই নাওখন লৈ সাগৰৰ মাজলৈ যোৱা আৰু আবেলি খালী নাওখন ঘূৰাই অনাই তেওঁৰ নৈমিত্তিক কৰ্মত পৰিণত হৈছিল। কিন্তু যেতিয়া চান্তিয়াগোৱে ছয়াশী নম্বৰ দিনটোত মাছ মাৰিবলৈ যাবলৈ ওলাইছিল, তেতিয়া এটা নতুন সংকল্প ল'লে যে তেওঁ এটা ডাঙৰ মাছ ধৰি আনিবই; মাছ নমৰাকৈ সাগৰৰ মাজৰপৰা কেতিয়াও ঘূৰি নাহে। সকলো যা-যোগাৰ কৰি চান্তিয়াগোৱে যাত্ৰা আৰম্ভ কৰিলে। অৱশেষত চান্তিয়াগোৰ বৰশীত এটা ওঠৰ ফুট দীঘল ডাঙৰ মার্লিন মাছ লাগিল। চান্তিয়াগোৱে তেওঁৰ এই সফলতাত আনন্দিত হ'ল আৰু সগৌৰৱেৰে ওভতনি যাত্ৰা আৰম্ভ কৰিলে। কিন্তু আহুকাল আহিছিল অন্যান্য সাগৰীয় হাংগৰৰ পৰা। চান্তিয়াগোৱে তেওঁৰ বৰশীত লগা মার্লিন মাছটো হত্যা কৰিবলৈ শেলেৰে খুচিছিল। ফলত মাছটোৰ তেজ সাগৰৰ লুণীয়া পানীত মিহলি হৈ গৈছিল। সেই তেজৰ গোন্ধ পাই মাছটো খাবলৈ হাংগৰৰ ডাঙৰ ডাঙৰ জাকৰ আগমন ঘটিছিল। বুঢ়াই অকলে হাংগৰৰ লগত যুঁজি এটা ক্ষত-বিক্ষত শৰীৰ লৈ ঘৰত উপস্থিত হৈছিল। ৰাতি পুৱালত সকলোৱে দেখিলে যে বুঢ়াৰ নাৱত এটা প্ৰকাণ্ড মাছৰ জঁকাহে বন্ধা আছে।

চান্তিয়াগোৰ এই দুৰ্ভাগ্য আৰু ব্যৰ্থতাত মেনোলিনে অলক্ষিতে উচুপিলে। কিন্তু চান্তিয়াগো তেওঁৰ এই ব্যৰ্থতাত হতাশ হোৱা নাছিল। তেওঁ বিচনাত শুই থকা অৱস্থাত হাত দুখন দাঙি মেনোলিনক উৎসাহিত কৰিছিল এইদৰে— "মই কাইলৈ আকৌ মাছ মাৰিবলৈ যাম।" ইয়াতেই উপন্যাসৰ কাহিনীভাগৰ পৰিসমাপ্তি ঘটিছে।

৯.৩.২ উপন্যাসৰ চৰিত্ৰ চিত্ৰণ

সাধাৰণতে উপন্যাস এখনত অসংখ্য চৰিত্ৰৰ সমাবেশ হোৱা দেখা যায় যদিও হেমিংৱেৰ *দ্য অ'ল্ড মেন এণ্ড দ্য চী* এই ক্ষেত্ৰত এখন সম্পূৰ্ণ ব্যতিক্ৰমধৰ্মী উপন্যাস। উপন্যাসখনত চৰিত্ৰৰ সংখ্যা যথেষ্ট সীমিত। মাত্ৰ দুটা পুৰুষ চৰিত্ৰ চান্তিয়াগো

আৰু মেনোলিনৰ উপস্থিতি উপন্যাসখনত লক্ষ্য কৰা যায়। মেনোলিনে বুঢ়াক আলপৈচান ধৰিছিল। চান্তিয়াগোক মেনোলিনে যথেষ্ট ভাল পাইছিল আৰু বুঢ়াইও মেনোলিনক অত্যন্ত মৰম কৰিছিল। মাছ মাৰিবলৈ যোৱাৰ সময়ত চান্তিয়াগোই মেনোলিনক লগত লৈ গৈছিল। কিন্তু দুর্ভাগ্যৰ বাবে চান্তিয়াগোই মাছ নোপোৱা হোৱাত মাক-দেউতাকে মেনোলিনক আন এজন মাছমৰীয়াৰ ওচৰত ৰাখিছিল। সেয়া হ'লেও মেনোলিনে কেতিয়াও চান্তিয়াগোক এৰি দিয়া নাছিল। মাছলৈ যোৱাৰ আগতে চান্তিয়াগোৰ নাওখন সাজু কৰা, মাছৰ পৰা ঘূৰি অহাৰ পাছত সকলো বস্তু সামৰি ঘৰত থোৱা, বুঢ়াক খোৱাবস্তু আৰু কফিৰ যোগান ধৰা আদি কামবোৰ মেনোলিনে সদায় নিয়াৰিকৈ কৰিছিল।

বিশ্ব সাহিত্যৰ মহৎ আৰু অমৰ চৰিত্রসমূহৰ ভিতৰত চান্তিয়াগোৰ চৰিত্রটি নিঃসন্দেহে অন্যতম। লেখকে দেখাত সাধাৰণ এই মাছমৰীয়াজনৰ জীৱনৰ কেইটিমান মুহূর্তৰ চিত্রণৰ দ্বাৰা চান্তিয়াগো মানুহজনৰ মহত্ব, বীৰত্ব, ধৈর্য্য, মনোবল, আত্মবিশ্বাস, বিনয়, সহনশীলতা আদি স্পষ্ট ৰূপত অংকন কৰিবলৈ সমর্থ হৈছে। সুদীর্ঘ চৌৰাশী দিন সাগৰত মাছ বিচাৰি বিচাৰি সন্ধিয়া সময়ত বিফল মনোৰথ লৈ উভতি অহাৰ পিছত পঁচাশী দিনৰ দিনাখন পুনৰ নতুন উদ্যমেৰে নাও লৈ ওলাই যায়। অশেষ দুখ-কষ্ট সহি আপ্রাণ চেষ্টাৰ মূৰত তেওঁ এটা মার্লিন মাছ ধৰিবলৈ সক্ষম হয়। কিন্তু মাছটো নাৱৰ লগত বান্ধি ঘৰমুৱা হওতে পথত জাকে-জাকে হাংগৰ আহি মাছটো খাই পেলায়। অৱশেষত জঁকাটো লৈ আহি বুঢ়াই পাৰত নাও চপায়। পার্থিব দৃষ্টিত পৰাজিত হ'লেও নিজৰ সংগ্রামত ধৈর্য্য আৰু সহনশীলতাৰে লাগি থাকিব পৰা কাৰণে চান্তিয়াগো আনন্দিত। প্রবল আত্মবিশ্বাস চান্তিয়াগোই নৈতিক পৰাজয় স্বীকাৰ কৰা নাই।

চান্তিয়াগো চৰিত্রৰ আন এক উল্লেখনীয় দিশ হ'ল তেওঁৰ বিনয়ী স্বভাৱ। তেওঁৰ বিনয়ৰ লগত গৌৰৱবোধে সহাৱস্থান কৰিছে। মেনোলিনে তেওঁক উত্তম মাছুৱৈ বুলি কওঁতে তেওঁ নম্রতাৰে কৈছে— 'তেওঁতকৈ উত্তম মাছুৱৈ আছে।' তথাপিও নম্রতাৰে বুঢ়াই ধন্যবাদ দি কৈছে যে কথাষাৰ শুনি তেওঁৰ ভালেই লাগিছে। বুঢ়াই সংকল্প কৰা মতে ডাঙৰ মাছ এটা ধৰিব পাৰিলেও শেষত জঁকাটোহে লগত লৈ আহিবলৈ সক্ষম হ'ল। ই তেওঁৰ গৌৰৱবোধক কিঞ্চিৎ পৰিমাণে হ'লেও আহত কৰিলেও মেনোলিনৰ মতে ইয়াক পৰাজয় বুলি ক'ব নোৱাৰি। সি যি নহওক, বুঢ়াৰ বিনয়ী স্বভাৱ উপন্যাসখনৰ শেষলৈ অক্ষুণ্ণ আছে।

ধর্ম সম্পর্কে বুঢ়াৰ মনত খু-দুৱনি থাকিলেও তেওঁক একেষাৰে নাস্তিক বুলি ক'ব নোৱাৰি। এক ঐশ্বৰিক শক্তিৰ ওপৰত তেওঁৰ বিশ্বাস আছে। সাগৰত হোৱা দীঘলীয়া সংগ্রামৰ কালছোৱাত তেওঁ ঈশ্বৰকে ধিয়াইছে। সেইবুলি কেৱল ঈশ্বৰকে ভৰসা নকৰি নিজেও সাধ্যানুসাৰে প্রতি পদক্ষেপতে সফল হ'বলৈ চেষ্টা কৰিছে।

আন জীৱনসমূহৰ প্ৰতি সমব্যথা চান্তিয়াগো চৰিত্ৰৰ আন এক উল্লেখযোগ্য দিশ। জনসমাগমৰ পৰা দূৰত মহাসাগৰৰ বুকুত থাকিলেও চান্তিয়াগোই সম্পূৰ্ণ নিঃসংগতা অনুভৱ কৰা নাই। কাৰণ প্ৰকৃতি জগতৰ আন প্ৰাণীসমূহ যেনে চৰাই, মাছ, আনকি আকাশৰ তৰাও তেওঁৰ বৰ প্ৰিয়। সাগৰত তেওঁৰ প্ৰিয় হ'ল উৰণীয়া মাছ। ইয়াৰোপৰি সামুদ্ৰিক কাছও বুঢ়াই বৰ ভাল পায়। আনকি নিজে খুচি মৰা মাছটোৰ প্ৰতিও বুঢ়াৰ হৃদয়ত কৰুণাৰ অভাৱ হোৱা নাই। মুখত বৰশীৰ খোচ লৈ দুদিন ধৰি অনাহাৰে থকা মাছটোৰ কথা ভাবি বুঢ়াৰ বেজাৰ লাগিছে। সৰু সৰু কোমল চৰাইৰ প্ৰতি বুঢ়াৰ মৰম, সমব্যথা আৰু সহানুভূতিক অবাস্তৱ আৰু কেৱল আৱেগিক বুলিয়ে ক'ব নোৱাৰি। প্ৰকৃতিৰ লগত তেওঁৰ এক অতি চিনাকী, মধুৰ আৰু গভীৰ সম্পৰ্কহে পৰিলক্ষিত হয়।

আন এটা মন কৰিবলগীয়া কথা হ'ল— চান্তিয়াগোৰ পাপ-পূণ্য বিচাৰ। আনহাতে প্ৰবল বিশ্বাস আৰু অদম্য আশা হ'ল চান্তিয়াগো চৰিত্ৰৰ আটাইতকৈ উল্লেখযোগ্য দিশ। ইয়াৰ আগতে বিৰল সহনশীলতাই চৰিত্ৰটিক অধিক আকৰ্ষণীয় কৰি তুলিছে। চান্তিয়াগোই অনেক যাতনা ভোগ কৰিও অসীম মনোবল আৰু ধৈর্য্যৰে তাক সহি থাকি শেষ মুহূৰ্তলৈ নিজৰ বিশ্বাসত অটল হৈ ৰ'ল। তেওঁ কৈছে— মানুহ এজনক নিঃশেষ কৰি দিব পাৰি, কিন্তু পৰাজিত কৰিব নোৱাৰি। এই দিশৰ পৰা চান্তিয়াগো চৰিত্ৰটিৰ গৌৰৱবোধ সম্পূৰ্ণ অক্ষুণ্ণ থকা বুলি ক'ব পাৰি।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ *দ্য অ'ল্ড মেন এণ্ড দ্য চী* উপন্যাসৰ চান্তিয়াগো চৰিত্ৰটি বিচাৰ কৰক। (১৫০টা শব্দৰ ভিতৰত)

.....

৯.৩.৩ উপন্যাসখনত সন্নিৱিষ্ট প্ৰতীক

ঊনবিংশ শতিকৰ পৰাই হেমিংৱেৰ উপন্যাসত প্ৰতীকৰ ব্যৱহাৰ সন্দৰ্ভত সমালোচকসকলৰ মাজত কৌতুহলৰ সৃষ্টি হৈ আহিছে। এইগৰাকী লেখকৰ সাহিত্যকৰ্মৰ সম্পূৰ্ণ ৰূপ অনুধাৱন কৰিবলৈ হ'লে সেইবোৰক কাহিনীগত আৰু প্ৰতীকী দুয়োটা দিশৰ পৰাই বিচাৰ কৰি চাব লাগিব। প্ৰতীকৰ ক্ষেত্ৰত 'দ্য অ'ল্ড মেন দ্য চী' উপন্যাসখনত যথেষ্ট আলোচনাৰ থল থকা বুলি ক'ব পাৰি। সাধাৰণ দৃষ্টিত চাবলৈ গ'লে উপন্যাসখনত চান্তিয়াগো নামৰ মাছমৰীয়া এজনৰ জীৱন সংগ্ৰামৰ মুহূৰ্তত কেইটিমান প্ৰতিফলিত হৈছে। এই বৃদ্ধ মাছমৰীয়াজনে ২ দিন সাগৰত নেৰানেপেৰা চেষ্টা কৰি এটা প্ৰকাণ্ড মাৰ্লিন মাছ ধৰিবলৈ সক্ষম হ'ল। মাছটো লৈ ঘৰমুৱা হওঁতে হাংগৰবোৰে আক্ৰমণ কৰি মাছটো খাই পেলায়। অৱশেষত তেওঁ

জঁকাটো লৈ ঘৰত উপস্থিত হয়। *দ্য অ'ল্ড মেন এণ্ড দ্য চী* আর্ণেষ্ট হেমিংৱেৰ অমৰ সৃষ্টি। বিশ্ব সাহিত্যত এই গ্ৰন্থখনৰ সমাদৰ এতিয়াও আছে আৰু ভৱিষ্যতলৈও থাকিব। গ্ৰন্থখন পঢ়ি থাকিলে হুবহু সাগৰৰ মাজত মাছ মাৰি থকা বৃদ্ধ এগৰাকীৰ ছবি মনলৈ আহে। উপন্যাসত চৰিত্ৰ আৰু ঘটনাবোৰ কিছু প্ৰতীকী অৰ্থত ব্যৱহাৰ কৰিছে। এইবোৰ মানৱ জীৱনৰ ৰূপক হিচাপে চিহ্নিত হৈছে।

দ্য অ'ল্ড মেন এণ্ড দ্য চী গ্ৰন্থখনৰ মুখ্য চৰিত্ৰ হ'ল চান্তিয়াগো নামৰ এজন বৃদ্ধ মাছৰমীয়া। চান্তিয়াগোৰ বয়স আৰু হাংগৰবোৰক কিতাপখনত প্ৰতিবন্ধকতাৰ প্ৰতীক হিচাপে প্ৰদৰ্শন কৰিছে। পঁচাশী দিন ধৰি এটাও মাছ ধৰিবলৈ সক্ষম নোহোৱা চান্তিয়াগোই ছয়াশী নম্বৰ দিনটোত এক দৃঢ় সংকল্পৰে সাগৰত নাও মেলি দিয়ে। অৱশেষত দুদিন ধৰি কৰা নেৰানেপেৰা চেষ্টাৰ অন্তত তেওঁ এটা প্ৰকাণ্ড মাৰ্লিন মাছ ধৰিবলৈ সক্ষম হয়। মাছটোৱে নাওখন টানি বহু দূৰলৈ লৈ যায় যদিও বৃদ্ধই যথেষ্ট ধৈর্য্য ধৰি, কষ্ট সহি থাকে। অৱশেষত চান্তিয়াগোই মাছটোক শেলেৰে খুচি হত্যা কৰিবলৈ সক্ষম হয়। কিন্তু ওভতনি যাত্ৰাত অন্যান্য সাগৰীয় হাংগৰবোৰে বুঢ়াৰ মাছটো আক্ৰমণ কৰে। বুঢ়াই হাংগৰৰ সৈতে শেষ মুহূৰ্তলৈ যুঁজ দিয়ে। কিন্তু অদম্য ইচ্ছাশক্তি আৰু সাহস থকা সত্ত্বেও চান্তিয়াগোৰ বয়সে হেঙাৰ হিচাপে থিয় দিছিল। বাৰ্ধক্য আৰু ক্ৰমহ্ৰাসমান শক্তিয়ে চান্তিয়াগোক অৱস কৰি তুলিছিল আৰু চান্তিয়াগোৱে ক্ৰমে হাংগৰৰ লগত যুঁজ দিবলৈ অক্ষম হৈ পৰিছিল। চান্তিয়াগোৰ বয়সক তথা হাংগৰবোৰক হেমিংৱে মানৱ জীৱনৰ প্ৰতিবন্ধকতাৰ ৰূপক হিচাপে প্ৰদৰ্শন কৰিছে। মানুহৰ ইচ্ছা, কৰ্ম, আঁচনিত বিভিন্ন সময়ত প্ৰতিবন্ধকতাই দেখা দিয়ে। এই বাধাই বা প্ৰতিবন্ধকতাই মানুহক লক্ষ্যত উপনীত হোৱাৰ ক্ষেত্ৰত হেঙাৰ হিচাপে থিয় দিয়ে। চান্তিয়াগোই সুকলমে মাৰ্লিন মাছটো ঘৰলৈ লৈ অনাহ ক্ষেত্ৰত তেওঁৰ বয়স, ভগ্ন শৰীৰ আৰু সাগৰৰ হাংগাৰবোৰ প্ৰাচীৰ হিচাপে বিবেচিত হৈছিল।

অৱশ্যে ব্যৰ্থতাৰ মাজতো এক তীব্ৰ আশাৰ ৰেঙণি ফুটাই তোলাৰ ক্ষেত্ৰত লেখক সম্পূৰ্ণ সফল হৈছে। গ্ৰন্থখনৰ কাহিনীভাগলৈ লক্ষ্য কৰিলে দেখা যায় যে কাহিনীভাগ ব্যতিক্ৰমী বৈশিষ্ট্যৰে মহীয়ান। চান্তিয়াগোই বৰশীত লগা মাছটোক শত্ৰু জ্ঞান নকৰি নিজৰ ভাতৃৰ স্থান দিছে। সেয়েহে তেওঁ মাছৰ জঁকাটো হ'লেও পাৰলৈ আনিছিল। গ্ৰন্থখনত চান্তিয়াগোৰ ব্যৰ্থতা প্ৰকাশ পালেও ইয়াৰ মাজেৰে লেখকে জীৱন আৰু সংগ্ৰামৰ তাৎপৰ্য ফুটাই তুলিছে। চান্তিয়াগো ব্যৰ্থ হ'লেও এক তীব্ৰ আশাৰ ৰেঙণি দেখা যায় যেতিয়া তেওঁ মাছ মাৰিবলৈ পুনৰ সংকল্পবদ্ধ হৈছে। ইয়াৰ মাজেৰে ঔপন্যাসিক জীৱনৰ প্ৰতিবন্ধকতাক নেওচি জীৱন সংগ্ৰামত ব্ৰতী হৈ থকাৰ বাণী প্ৰতীকী অৰ্থত ফুটাই তুলিছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ হেমিংৱেৰ *দ্যা অ'ল্ড মেন এণ্ড দ্য চী* উপন্যাসত ব্যৱহৃত প্রতীক সম্পর্কে এটি চমু আলোচনা যুগত কৰক। (১৫০টা শব্দৰ ভিতৰত)

.....

৯.৩.৪ বিশ্ব সাহিত্যত *দ্য অ'ল্ড মেন এণ্ড দ্য চী*ৰ স্থান

হেমিংৱেৰ সাহিত্যৰাজিৰ ভিতৰত আটাইতকৈ উল্লেখযোগ্য কৃতি হ'ল ১৯৫২ চনত প্রকাশ পোৱা *দ্য অ'ল্ড মেন এণ্ড দ্য চী* উপন্যাসখন। আকাৰত সৰু হ'লেও ইয়াৰ বিষয়বস্তুয়ে আধুনিক বিংশ শতাব্দীৰ উপন্যাসখনক এক মহৎ উপন্যাসত পৰিগণিত কৰিছে। দৈনন্দিন জীৱনৰ পৰা আঁতৰি গৈ যিদৰে হেমিংৱেই সাগৰৰ মাজত মানুহ এজনৰ জীয়াই থকাৰ সংগ্রামক ফুটাই তুলিছে, সেয়া সঁচাকৈ এক আলোচনাৰ বিষয়। নিখুঁত বর্ণনা আৰু জীৱন্ত চিত্রৰ দ্বাৰা হেমিংৱে উপন্যাসখনক কালজয়ী কৰি তোলা কথাটোক কোনেও নুই কৰিব নোৱাৰে।

আপাতঃ দৃষ্টিত ই হ'ল এজন বৃদ্ধ মাছমৰীয়াৰ সংগ্রামৰ কাহিনী। এটা প্রকাণ্ড মার্লিন মাছ ধৰিবলৈ বুঢ়াই সাগৰীয়া হাংগৰবোৰৰ সৈতে সংগ্রামত লিপ্ত হ'বলগীয়া হৈছিল। উপন্যাসখনে মাছমৰীয়াজনে সাগৰত সন্মুখীন হোৱা পৰিস্থিতিৰ আকর্ষণীয় বিৱৰণৰ উপৰিও বিভিন্ন সাগৰীয় জীৱ-জন্তু সম্পর্কে যথেষ্ট তথ্যৰ যোগান ধৰিছে। চান্তিয়াগোৰ আত্মভাষণৰ পৰা যিকোনো জটিল পৰিস্থিতিৰ সন্মুখীন হোৱা মানৱ মনৰ দ্বিধা আৰু সংশয়ৰ উমান পাওঁ। উপন্যাসখনত চান্তিয়াগো কেৱল এটা চৰিত্রই নহয়, মানুহক প্রতিনিধিত্ব কৰা তেওঁ এটা Symbolic figure (প্রতীক চিহ্ন)। তেওঁ মাছৰ লগত কৰা যুদ্ধই মানুহে কিবা এটা নোপোৱা বস্তুৰ সন্ধান তথা তাক লাভ কৰাৰ তীব্র ইচ্ছা ফুটাই তুলিছে। *দ্য অ'ল্ড মেন এণ্ড দ্য চী*ত বৃদ্ধ মানুহজন সাধাৰণ মানুহৰ চানেকী। তেওঁ অন্য মাছমৰীয়াৰ দৰে মাছ নামাৰি নিজৰ প্রয়োজনীয়খিনিহে মাৰে। চান্তিয়াগৰো নিজৰ এক সোণালী অতীত আছিল, যি এতিয়া কেৱল মাথোন অতীতত পৰিণত হৈছে। এতিয়া চান্তিয়াগোৱে কেৱল ডাঙৰ সপোনহে দেখে, কিন্তু সেই সপোনক বাস্তাৱায়িত কৰিব নোৱাৰে। ই সর্বসাধাৰণ মানুহৰ নৈমিত্তিক জীৱনৰে অংগ। সাধাৰণ মানুহেও জীৱনত ডাঙৰ-ডাঙৰ সপোন দেখে যদিও নানা প্রতিবন্ধকতাৰ বাবে সেই সপোনবোৰ সার্থক কৰিব নোৱাৰে। এজন সাধাৰণ মানুহৰ চানেকী হিচাপে চান্তিয়াগো চৰিত্র তথা সর্বসাধাৰণ মানুহৰ জীৱনৰ ৰূপক হিচাপে *দ্য অ'ল্ড মেন এণ্ড দ্য চী* উপন্যাসখন চিহ্নিত হৈছে। ই উপন্যাসখনৰ মহত্বক সূচিত কৰিছে।

উপন্যাসখনৰ আন এটা বিশেষত্ব হ'ল ইয়াত ঔপন্যাসিক হেমিংৱেই নিজেই জড়িত হৈ পৰিছে। হেমিংৱে নিজে উপন্যাসখনৰ নায়ক হৈ পৰিছে কাৰণ চান্তিয়াগোৰ দৰে তেৰোঁ ভাগ্যৰ লগত খেলিবলৈ বিচাৰিছে। চান্তিয়াগোৰ গভীৰ সাগৰলৈ যোৱাৰ দৃঢ়তাই ঔপন্যাসিকৰ নজনাক জানিবলৈ তথা নতুন অভিজ্ঞতাক গোটোৱাৰ তীব্ৰ ইচ্ছা শক্তিক নিৰ্দেশ কৰিছে। দৰাচলতে ঔপন্যাসিক হেমিংৱেই জীৱনত বিভিন্ন কঠিন পৰিস্থিতিৰ সন্মুখীন হৈছিল। মহাযুদ্ধৰ পৰিস্থিতিৰ পৰা মাছমৰীয়া জীৱনলৈ প্ৰতিটো ক্ষেত্ৰতে হেমিংৱেই সন্মুখীন হোৱা অভিজ্ঞতাক তেওঁ সাহিত্যৰ মাজেৰে ফুটাই তুলিছে। উপকুলত মাছমৰীয়া জীৱন কটাওতে তেওঁ যি অভিজ্ঞতাৰ সন্মুখীন হৈছিল তাৰ ভিত্তিত আলোচ্য উপন্যাসখন লিখি উলিয়াইছে। গতিকে উপন্যাসখন, বিশেষকৈ চান্তিয়াগো চৰিত্ৰৰ মাজেদি ঔপন্যাসিকৰ জীৱন দৰ্শন সুন্দৰ ৰূপত ফুটি উঠিছে। লেখকৰ জীৱন দৰ্শন সাৰ্থক ৰূপত ফুটি উঠা দিশটোৱে যিকোনো উপন্যাসৰ মহত্বক নিৰ্দেশ কৰে। দৰাচলতে চান্তিয়াগো চৰিত্ৰৰ জৰিয়তে পাঠকে সহজে ঔপন্যাসিকৰ চৰিত্ৰৰ বিষয়ে অনুধাৱন কৰিব পাৰে।

আলোচ্য উপন্যাসখনৰ যোগেদি মানৱ জীৱনৰ একাকীত্বক ফুটাই তুলিছে। এই ভাবধাৰা ফুটাই তোলোতে ঔপন্যাসিকে নায়ক চান্তিয়াগোক আলম হিচাপে লৈছে। অৱশ্যে মানুহৰ একাকীত্বই ইয়াত মানুহৰ পৰা সম্পৰ্ক ছেদ কৰাৰ কথাটোক নিৰ্দেশ কৰা নাই। চান্তিয়াগোই বিশেষ কিবা এটা লাভ কৰাৰ বাবে মানুহৰ পৰা আঁতৰি অকলে-অকলে গভীৰ সাগৰলৈ যোৱাটোৱে অৱশ্যে মানুহৰ লগত সম্পৰ্ক নাইকিয়া কৰাৰ কথা সূচোৱা নাই। চান্তিয়াগোৱে পাৰ্যমানে কষ্ট সহ্য কৰি যায় যদিও কেইবাটাও মুহূৰ্তত মেনোলিনৰ অভাৱ বাৰুকৈ অনুভৱ কৰে। হাংগৰৰ লগত হোৱা যুঁজৰ সময়ত বাৰে বাৰে চান্তিয়াগোৰ মেনোলিনলৈ মনত পৰিছিল। ইয়াৰ মাজেৰে মানৱ জীৱৰ এক গভীৰ সত্য ফুটি উঠিছে। যদিও মানৱৰ একাকীত্বক অজেয় হিচাপে গণ্য কৰা হয়, তথাপি সংগী অবিহনে মানুহে জীৱন নিৰ্বাহ বা সফলতাৰ শিখৰত আৰোহণ কৰিব নোৱাৰে। চান্তিয়াগোৰ ওৰে জীৱনৰ মাছ ধৰা অভিজ্ঞতাই শেষত মাৰ্লিন মাছ আৰু হাংগৰৰ সৈতে কৰা যুঁজত সহায় নকৰিলে। এনে পৰিস্থিতিত চান্তিয়াগোৱে কৰা স্বগতোক্তি 'I wish I had that boy' আৰু 'Oh I went too far'-এ মানুহৰ পা�ৰস্পৰিক নিৰ্ভৰশীলতাৰ দিশটোক দাঙি ধৰে।

এনেদৰে *দ্য অ'ল্ড মেন এণ্ড দ্য চী*ৰ কাহিনীটো ঔপন্যাসিকে সৰলভাৱে আগু�ৱাই লৈ যাওঁতে ক'তো কৃত্ৰিমতাৰ সৃষ্টি কৰা নাই। লেখকে আশা ভংগ, হতাশা নিৰাশাৰ বিপৰীতে উপন্যাসখনত এক সুস্থ আৰু সবল প্ৰতিবাদৰ প্ৰতিফলন ঘটিছে। অসীম দুখ, যন্ত্ৰণা, প্ৰাপ্য হেৰুওৱাৰ পিছতো উপন্যাসখন এক প্ৰবল আশাবাদৰ মূৰত শেষ হোৱা বাবে সাহিত্যপ্ৰেমীসকলৰ বাবে ই বিমল আনন্দৰ উৎস হৈ পৰিছে।

উপন্যাসখন মানুহৰ অদম্য প্ৰেৰণাৰ উৎস হিচাপেও চিহ্নিত। এনেবোৰ কাৰণতে আর্ণেষ্ট হেমিংৱেৰ *দ্য অ'ল্ড মেন এণ্ড দ্য চী*ৰ উপন্যাসখন বিশ্ব সাহিত্যত এক মহৎ সংযোজন হিচাপে চিহ্নিত।



৯.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টিৰ অধ্যয়নৰ মাজেদি আমি—

- অধ্যায়টিৰ পৰা আর্ণেষ্ট হেমিংৱেৰ *দ্য অ'ল্ড মেন এণ্ড দ্য চী* উপন্যাসখনৰ এক পৰিচয় লাভ কৰিলোঁ।
- উপন্যাসখনৰ চৰিত্ৰ চিত্ৰণ সম্পৰ্কে জানিব পাৰিলোঁ।
- উপন্যাসখনত ব্যৱহৃত প্ৰতীক সম্পৰ্কে অৱগত হ'লো।
- বিশ্ব সাহিত্যত *দ্য অ'ল্ড মেন এণ্ড দ্য চী*ৰ স্থান নিৰ্ণয় কৰিবলৈ সক্ষম হ'লো।



৯.৫ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) কলিতা, অমৱেন্দ্ৰ ঃ *পাশ্চাত্য সাহিত্য* (১৯৯৯), সমন্বয় গ্ৰন্থালয়, নলবাৰী।

২) গোস্বামী, যতীন (অনু.) ঃ *বুঢ়া আৰু সাগৰ* (মার্চ, ২০০৩), গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

৩) মহন্ত, লক্ষীকান্ত ঃ *বিশ্ব সাহিত্যৰ আভাস* (ছেপ্টেম্বৰ, ১৯৯৩), গুৱাহাট ঃ বনলতা।



৯.৬ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্ৰশ্নৰ উত্তৰ ঃ আৰম্ভণি — চান্তিয়াগো চৰিত্ৰৰ আভাস — হিৰো হিচাপে চান্তিয়াগো — সামৰণি।

২নং প্ৰশ্নৰ উত্তৰ ঃ আৰম্ভণি — লেখক পৰিচিতি — উপন্যাসত ব্যৱহৃত প্ৰতীক — কাহিনী নিৰ্মাণত প্ৰতীকৰ ভূমিকা — সামৰণি।



৯.৭ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ আৰ্ণেষ্ট হেমিংৱেৰ *দ্য অ'ল্ড মেন এণ্ড দ্য চী*ক এখন মহৎ উপন্যাস বুলিব পাৰিনে? আপোনাৰ উত্তৰ সপক্ষে যুক্তি দৰ্শাওঁক।

প্ৰশ্ন ২ ঃ উপন্যাসখনত ব্যৱহৃত প্ৰতীক সম্পৰ্কে এক আলোচনা যুগুত কৰি আলোচ্য উপন্যাসখনক 'মানৱ জীৱনৰ এক ৰূপ' আখ্যা দিব পাৰিনে? ব্যাখ্যা দাঙি ধৰক?

প্ৰশ্ন ৩ ঃ 'হিৰ' হিচাপে চান্তিয়াগো' — এই সম্পৰ্কে এটি চমু আলোচনা প্ৰস্তুত কৰক।

*** ***** ***

অধ্যায় ১০ ঃ উইলিয়াম শ্বেইক্সপীয়েৰ ঃ *দ্য টেম্পেষ্ট* - (১)

অধ্যায় গাঁথনি

১০.১ উদ্দেশ্য
১০.২ পৰিচয়
১০.৩ ইংৰাজী নাট্য সাহিত্যৰ চমু পৰিচয়
১০.৪ উইলিয়াম শ্বেইক্সপীয়েৰ
    ১০.৪.১ জীৱন
    ১০.৪.২ সাহিত্য কৃতি
১০.৫ উইলিয়াম শ্বেইক্সপীয়েৰৰ নাটকৰ সাধাৰণ বৈশিষ্ট্য
১২.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১২.৭ অধিক জানিবলৈ
১২.৮ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)
১২.৯ আৰ্হি প্ৰশ্ন

১০.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ইংৰাজী নাট্য সাহিত্যৰ পৰিচয় লাভ কৰিব
- ইংৰাজী নাট্য সাহিত্যৰ অদ্বিতীয় নাট্যকাৰ উইলিয়াম শ্বেইক্সপীয়েৰৰ জীৱনীৰ লগত পৰিচিত হ'ব
- শ্বেইক্সপীয়েৰৰ ৰচনাকৃতিৰ আলোচনাৰ মাজেদি তেওঁৰ প্ৰতিভাৰ উন্মোচন কৰিব পাৰিব
- উইলিয়াম শ্বেইক্সপীয়েৰৰ নাটকত প্ৰকাশ পোৱা বৈশিষ্ট্যসমূহ বিশ্লেষণ কৰিব পাৰিব।

১০.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া পাঠ্যক্ৰমৰ অন্তৰ্গত তৃতীয় ষাণ্মাসিকৰ সাহিত্য শাখাৰ শিক্ষাৰ্থীৰ বাবে আগবঢ়োৱা তৃতীয় পাঠ্যবিষয়ৰ এইটো দশম অধ্যায়। এই অধ্যায়টোত ইংৰাজী নাট্য সাহিত্যৰ অন্যতম কীৰ্তিস্তম্ভ উইলিয়াম শ্বেইক্সপীয়েৰৰ *দ্য টেম্পেষ্ট*ৰ আলোচনা আগবঢ়োৱা হৈছে। এই অধ্যায়টোত শ্বেইক্সপীয়েৰৰ জীৱনৰ লগতে তেওঁৰ নাট্যকৃতিৰ চমু পৰিচয় আগবঢ়োৱা হৈছে।

১০.৩ ইংৰাজী নাট্য সাহিত্যৰ চমু পৰিচয়

ইংৰাজী নাটকৰ ঐতিহাসিক বিৱৰ্তনৰ বিষয়ে এই পাঠৰ সীমিত পৰিসৰত আলোচনা

কৰাটো সম্ভৱ নহয়। সাধাৰণ ভাৱে আমি ক'ব পাৰোঁ যে মধ্যযুগৰ শেষৰ পিনে উদ্ভৱ হোৱা মিষ্ট্রি (mystery) আৰু মিৰাকল (mircle) বোলা বাইবেল আশ্রয়ী নাটকৰ পৰা ইংৰাজী নাটকৰ সূত্রপাত ঘটিল যদিও 'ইংৰাজী নাটকৰ ইতিহাস' উত্থান-পতনৰ ইতিহাস। সাহিত্যৰ বুৰঞ্জীকাৰ সকলে 'ইংৰাজী নাটকৰ সোণালী যুগ' বুলি ক'লে এলিজাবেথীয় যুগলৈ আঙুলিয়ায়। ইয়াৰ পাছত, ১৬৪২ চনত পিউৰিটানসকলে ৰংগমঞ্চসমূহ বন্ধ কৰি প্রায় দুটা দশক নাট্য চর্চা ব্যাহত কৰাৰ আগলৈকে নাটকলৈ বিশেষ নতুনত্বৰ আগমন হোৱা বুলি ক'ব নোৱাৰি। ১৬৬০ চনত দ্বিতীয় চার্লছে ইংলেণ্ডৰ শাসনভাৰ গ্রহণ কৰাৰ পাছত ছাৰ জন ইথাৰেজ, উইলিয়াম বাইছার্লি, উইলিয়াম কংগ্রীভ আৰু জন ড্রাইডেনৰ উদ্যোগত 'ৰেষ্ট'ৰেশ্যন ক'মেডি' (Restoration Comedy) নামৰ একধৰণৰ চহৰকেন্দ্রিক নাটক জনপ্রিয় হৈ পৰে। সেই সময়তেই ড্রাইডেন, থমাছ অট্ৰে আদি নাট্যকাৰে 'বীৰত্ব ব্যঞ্জক নাটক' (heroic drama) ৰ প্রচলন কৰে। অষ্টাদশ আৰু ঊনবিংশ শতিকাত সাহিত্যৰ অন্য বর্গ (genre) ৰ তুলনাত নাটকৰ অনুশীলন আৰু চর্চা উল্লেখযোগ্য বুলি ক'ব নোৱাৰি। ইয়াৰ বিপৰীতে হেনৰি আর্থাৰ জোনছ, আর্থাৰ উইং পিনাৰো, জেইম্ছ বেৰী, জন গ্যাল্ছৱর্ডী, জর্জ বার্নাড শ্ব, লেডি গ্রেগৰী, উইলিয়াম বাট্লাৰ য়েট্ছ, জে.এম.ছীঞ্জ্, ছীন অ'কেছি, নৱেল ক'ৱার্ড, ছেমুৱেল বেকেট আদি আধুনিক নাট্যকাৰে বিংশ শতিকাত একাধিক প্রভাৱশালী নাট্যধাৰাৰ সৃষ্টি কৰিবলৈ সক্ষম হৈছিল।

'মিন্ষ্ট্রেল' বোলা একশ্রেণীৰ মধ্যযুগৰ গায়ক-পৰিৱেশকৰ পৰাই ইংলেণ্ডত নাট্যাভিনয়ৰ সূচনা হৈছিল বুলি কোৱা হয়। কিন্তু নাটকৰ আৰম্ভণি ঘটিল গীর্জাৰ চৌহদৰ ভিতৰত। গীর্জাত কেতবোৰ উপাসনাধর্মী নাটক (liturgical play) গঢ় লৈ উঠিছিল; ইয়াৰ পৰৱর্তী সময়ত মিস্ত্রী, মিৰাক্ল আৰু পাছত ম'ৰেলিটি নামৰ নাটক জনপ্রিয় হৈ পৰিছিল। ত্রয়োদশ শতিকাৰ পৰা নাটকৰ ধর্মমুক্তকৰণ (secularisation) আৰম্ভ হৈছিল; নগৰসমূহৰ ব্যৱসায়ী সংঘ (trade guild) সমূহে নাট্যচর্চাৰ আনুষ্ঠানিক পৃষ্ঠপোষকতা আৰম্ভ কৰিলে। গীর্জাৰ সীমিত স্থানৰ পৰা বিভিন্ন নগৰৰ বাকৰিলৈ নাটক ওলাই আহিল। বাইবেলকেন্দ্রিক নাটকত খুহুতীয়া আৰু জনসাধাৰণৰ তেনেই পৰিচিত ঘৰুৱা চৰিত্র সোমাই পৰিল। (Interlude) বোলা অন্য এবিধ নাটকো গা কৰি উঠিল। এইবোৰ আছিল চুটি, পার্থিৱ বিষয়ৰ (অর্থাৎ ধর্ম অথবা বাইবেলৰ প্রভাৱমুক্ত) নাটক, যিবোৰ টিউডৰ বংশৰ সম্ভ্রান্ত লোকৰ ঘৰত পৰিৱেশন কৰা হৈছিল। নামমাত্র কাহিনী-বিন্যাস অথচ সংলগ্ন আমোদজনক সংলাপৰ সূত্রৰে এই ধৰণৰ নাটক সৃষ্টি কৰা হৈছিল।

ষষ্ঠদশ শতিকাত ধ্রুপদী নাটকৰ প্রভাৱে ইংৰাজ নাট্যকাৰসকলক নাটকীয় ৰূপৰ বিভিন্ন সম্ভাৱনা উদ্ভাৱন কৰিবলৈ অনুপ্রাণিত কৰে। উদাহৰণস্বৰূপে ইংৰাজী নাটকত ট্রেজেদী আৰু কমেডিৰ ধাৰণাটো আহিছে ধ্রুপদী লেটিন নাটকৰ পৰা। টেৰেন্স আৰু প্ল'টাছে এৰি যোৱা কমেডিৰ আর্হিত ইংৰাজী নাটক ৰচিত হয়। নিক'লাছ উডালৰ Ralph Roister Doister (১৫৫৩ চনত ৰচিত)। অথবা Grammar Gurton's Needle (১৫৬৬ চনত মঞ্চস্থ) আদি এইচোৱা সময়ৰ উল্লেখযোগ্য কমেডি। তেনেকৈ ৰেনেছা যুগৰ ইংৰাজী নাটকৰ তিনি তাৰকা থমাছ কীড্, খ্রীষ্টফাৰ মার্লো আৰু শ্বেইক্সপীয়েৰে ট্রেজেদিৰ বাবে ছেনেকাৰ আর্হি লৈছিল। ছেনেকাৰ নাটকত

গ্রীক পূৰাকথাৰ প্রয়োগ দেখা যায়, কিন্তু গ্রীক নাটকৰ অদৃশ্যবাদৰ সলনি ছেনেকাই প্রতিশোধৰ অভিপ্রায়ৰ ওপৰত গুৰুত্ব দিলে, যাৰ ৰূপায়নত দীঘলীয়া আলংকৰিক সংলাপৰ গুৰুত্ব বাঢ়িল। থমাছ কীডৰ The Spanish Tragedy (১৫৯২ চনত) এপিনে প্রতিশোধ আৰু হত্যা-হিংসাৰ বিভীষিকা দেখা গ'ল, আনপিনে অমিত্রাক্ষৰৰ ছন্দৰ প্রয়োগ ঘটিল। খ্রীষ্ট'ফাৰ মার্লোৰ নাটকত অমিত্রাক্ষৰ ছন্দৰ প্রয়োগ স্মৰণীয় আৰু ই নাটকবোৰৰ কাব্যিক আয়নত বৃদ্ধি কৰিছে। ষষ্ঠদশ শতিকাৰ শেষৰ দশকত ৰচিত নাটকৰ ভিতৰত মার্লোৰ এই চাৰিওখন ট্রেজেদী উল্লেখযোগ্য ঃ Tamburlaine The Great, Doctor Faustus, The Jew of Malta আৰু Edward II। মার্লোৰ নাটকৰ নায়কৰ পৰিসৰ বিশাল। টেম্বাৰলেইন পৃথিৱীৰ একমাত্র প্রতিপত্তিশীল আৰু শক্তিশালী নায়ক, যি মানুহ আৰু ভগৱানক প্রত্যাহ্বান জনাইছে। Jew of Malta ৰ বাৰাবাছ সীমাহীন ধন সম্পত্তিৰ প্রতি লালায়িত। ঈশ্বৰৰ প্রতি চৰ্তহীন আনুগত্য আৰু ধর্মীয় নৈতিকতাৰে সীমাবদ্ধ মধ্যযুগীয়া মনৰ পৰিধি ডেই মার্লোৱে চৰিত্রসমূহৰ আগত ৰেনেচীয় সম্ভাৱনা উন্মোচন কৰিলে— লাগিলে সি জ্ঞান, ক্ষমতা বা পার্থিৱ সুখ-সম্ভোগেই হওক। ট্রেজেদীৰ চৰিত্র বুলি ক'লে আমি যি বুজোঁ, মার্লোৰ নাটকতেই তাৰ প্রথম উল্লেখযোগ্য স্ফুৰণ ঘটিছিল।

অৱশ্যে কেৱল মার্লোৱেই শ্বেইক্সপীয়েৰৰ বাবে বাট মুকলি কৰা বুলি ক'ব নোৱাৰি। নাটকক প্রকৃতার্থত লোকৰ ওজনৰ মাধ্যম হিচাপে গঢ় দিয়াৰ ক্ষেত্রত বিশ্ববিদ্যালয়ৰ বিদ্বানসকল, অর্থাৎ University Witsৰ অৱদান উল্লেখযোগ্য। এওঁলোক হ'ল অক্সফোর্ড আৰু কেম্ব্রিজত শিক্ষাগ্রহণ কৰা নাট্যকাৰৰ এটা গোট, য'ত আছে খ্রীষ্টফাৰ মার্লো, ৰবার্ট গ্রীণ, জর্জ পীল, থমাছ নেশ্ আৰু থমাছ ল'জ। ইয়াৰ উপৰিও শতিকাটোৰ শেষৰ তিনিটা দশকত লণ্ডনত স্থায়ী প্রেক্ষাগৃহ নির্মাণে নাট্যচর্চাক এক নতুন পর্যায়লৈ লৈ যায়। ইয়াৰ আগলৈকে মঞ্চায়নৰ ঠাই আছিল ৰাজদৰবাৰ, সম্ভ্রান্ত লোকৰ বাসগৃহ, চৰাইখানাৰ চোতাল, বজাৰৰ ঠাই আদি। ১৫৬৭ চনত জনৈক জন ব্রেইন John Brayne এ লণ্ডনত Red Lion বোলা এটা নাটঘৰ নির্মাণ কৰে, যাক ইউৰোপৰ প্রথমটো নাটঘৰ বুলি কোৱা হয়। 'ৰেড লায়ন'ৰ সফলতাৰ দ্বাৰা অনুপ্রাণিত হৈয়েই বোধকৰোঁ জেইম্ছ বার্বেইজে ১৫৭৬ চনত The Theatre নির্মাণ কৰে। অৱশ্যে ঘৰৰ মালিকৰ লগত কাজিয়াৰ ফলস্বৰূপে নাটঘৰটো ভাঙি পেলোৱা হয় আৰু ইয়াৰ কাঠেৰে ১৫৯৯ চনত Globe নামৰ অন্য এটা নাটঘৰ নির্মাণ কৰা হয়। ৰাজহুৱা নাটঘৰ প্রতিষ্ঠাৰ লগে লগে এক বিশেষ ধৰণৰ নাট্য পৰিবেশনাৰ ৰীতিও গঢ় লৈ উঠে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ এলিজাবেথীয় যুগৰ নাট্যধাৰা সম্পর্কে চমু আলোচনা আগবঢ়াওক। (২০০টা শব্দৰ ভিতৰত লিখক)

.....

প্রশ্ন নং ২ ঃ নাট্যকাৰ হিচাপে উইলিয়াম শ্বেইক্সপীয়েৰৰ চমু পৰিচয় আগবঢ়াওক। (২০০টা শব্দৰ ভিতৰত লিখক)

.....

প্রশ্ন নং ৩ ঃ শ্বেইক্সপীয়েৰৰ নাটকৰ মূল দিশসমূহৰ বিষয়ে চমুকৈ আলোচনা কৰক। (২০০টা শব্দৰ ভিতৰত লিখক)

.....

১০.৪ উইলিয়াম শ্বেইক্সপীয়েৰ

১০.৪.১ জীৱনী

শ্বেইক্সপীয়েৰে জন্মলাভ কৰিছিল ষ্ট্রেট্‌ফ'র্ড আপন এভনৰ হিনলী ষ্ট্রীটত, ১৫৬৪ খ্রীষ্টাব্দত। তেওঁ আছিল জন আৰু মেৰীৰ আঠোটা সন্তানৰ ল'ৰাৰ মাজৰ ডাঙৰজন। ক'ব পৰা যায় যে ষ্টেটফ'র্ড নগৰী (যাক ব্যাৰো' অর্থাৎ borough বুলি কোৱা হয়) ত এনে এজন বিশ্ব-বিশ্রুত নাট্যকাৰ ওপজা কথাটোত আচৰিত হ'বলগীয়া নাই। ওচৰৰেই ক'ভেন্ট্রী (Coventry) নামৰ নগৰী আছিল তদানীন্তন নাট্য চর্চাৰ এটা কেন্দ্র; লগতে ভ্রাম্যমান নাট্যদলসমূহো ষ্ট্রেট্‌ফ'র্ডলৈ আহিছিল। শ্বেইক্সপীয়েৰৰ জীৱন সম্বন্ধে সকলো কথা থাৱৰ কৰিব নোৱাৰি; সেয়ে বিশেষজ্ঞসকলে ঐতিহাসিক নথি, তথ্য আৰু বিভিন্ন সমলৰ আলম লৈ তেনে কেতবোৰ বিষয় সম্বন্ধে অনুমান কৰিবলৈ চেষ্টা কৰিছে। জনৈক ষ্টেন্‌লি ৱেলছ-এ লিখিছে যে নাট্যকাৰ গৰাকীয়ে সম্ভৱতঃ সাত -আঠ বছৰত ষ্ট্রেট্‌ফ'র্ডৰ গ্রামাৰ স্কুললৈ (সেই সময়ত কিংছ নিউ স্কুল' বুলি জনাজাত) গৈছিল আৰু প্রায় পোন্ধৰ বছৰ বয়সলৈকে তাত পঢ়িছিল। তাত তেওঁ লেটিন ভাষাত ধ্রুপদী পাঠ্যক্রম পঢ়িবলৈ পাইছিল আৰু তাতেই তেওঁৰ ধ্রুপদী পুৰাকথা, ইতিহাস আৰু বাছিক উপস্থাপনৰ কলা আত্মস্থ কৰে।

পিতৃ জন শ্বেইক্সপীয়েৰৰ জীৱন পৰিক্রমাত আছিল বিচিত্র উঠা নমা, উন্নতি আৰু দুর্ভাগ্য দশা। তেওঁ আছিল হাতমোজাৰ ব্যৱসায়ী; তেওঁ ঊণসূতাৰ ব্যৱসায় কৰিছিল বুলিও জনা যায়। ১৫৬৫ চনত তেওঁ পৌৰমুখ্য (alderman) হিচাপে নির্বাচিত হৈছিল, তাৰ পাছৰ বছৰ হৈছিল বেইলিফ্ (bailiff)। ১৫৭৬ খ্রীষ্টাব্দৰ পৰা তেওঁৰ অৱস্থাৰ অধোনতি ঘটিছিল। তেওঁ ধাৰত পোত গৈছিল, পৌৰ সভালৈ নগৈছিল, এনেকি সম্ভৱতঃ গ্রেপ্তাৰ হোৱাৰ ভয়ত গীর্জালৈ যাবলৈ বাদ দিছিল। অর্থাৎ কৈশোৰ কালতেই শ্বেইক্সপীয়েৰে আর্থিক সংকটৰ মুখামুখি হৈছিল, যাৰ বাবে তেওঁ হয়তো বিশ্ববিদ্যালয়ৰ ডিগ্রী লাভ কৰিব পৰা নাছিল আৰু সেয়ে ভদ্রলোক (gentleman)ৰ মর্যাদাৰ পৰাও বঞ্চিত হৈছিল।

১৫৮২ চনত এন হেথাৱে (Anne Hathaway)ৰ সৈতে শ্বেইক্সপীয়েৰে বৈবাহিক জীৱনৰ পাতনি মেলে। প্রথমা জীয়াৰী ছুছানা ওপজে ১৫৮৩ চনত। ইয়াৰ দুবছৰ পিছত এহাল যুগ্ম ল'ৰা-ছোৱালী ওপজে। ১৫৮৫ চনৰ পৰা ১৫৯২ লৈ

(যেতিয়া নাট্যকাৰ গৰাকীৰ বিষয়ে ৰবার্ট গ্রীনে প্রথম উল্লেখ কৰে) তেওঁৰ বিষয়ে একো জনা নাযায়। তথাপি এই অনুমান অমূলক নহয় যে ১৫৯২ ৰো কিছু বছৰ আগৰে পৰা শ্বেইক্সপীয়েৰৰ লেখক জীৱন আৰম্ভ হয়।

আমোদজনক কথাটো হ'ল, কেম্ব্রিজৰ ছেইণ্ট জনচ কলেজৰ স্নাতক ৰবার্ট গ্রীনে তেওঁৰ প্রায় সমসাময়িক শ্বেইক্সপীয়েৰক তেওঁৰ নামৰ প্রচাৰ পত্রত নাট্যকাৰ হিচাপে স্বীকৃতি দিয়া নাই, বৰং উপলুঙা আৰু আক্রমণ কৰিছে। তেওঁ নাট্যকাৰগৰাকীক নপতা ফুকন হৈ ওলোৱা এটা কাউৰী ("an upstart crow") বুলি নিন্দা কৰাই নহয়, 'নাট্যকাৰ হ'বলৈ ওলোৱা এই অভিনেতাজনৰ বিৰুদ্ধে' উচ্চ শিক্ষিত নাট্যকাৰসকলক সকীয়াই দিয়ে। গতিকে ক'ব পৰা যায় যে ১৫৯২ চন মানতেই শ্বেইক্সপীয়েৰ অভিজাত আৰু প্রতিষ্ঠিত নাট্যকাৰসকলৰ বাবে এক 'প্রত্যাহ্বান' হিচাপে চিহ্নিত হৈছিল। ইয়াৰ পাছৰ কেবাটাও নথিত তেওঁক অভিনেতা হিচাপে উল্লেখ কৰা হৈছে — ১৫৯৮ চনত তেওঁক "Principal comedian", ১৬০৩ চনত "Principal tragedian", ১৬০৮ চনত পুৰুষ অভিনেতাসকলৰ ভিতৰত এজন বুলি কোৱা হৈছে। অৱশ্যে গ্রীণৰ এনে উদ্বিগ্ন আক্রমণৰ আন এক কাৰণ হ'ব পাৰে অভিনয় বৃত্তিৰ পৰা নাট্য লেখনলৈ উধাবলৈ বিচৰা কথাটো হজম নোহোৱা। সেই সময়ত অভিনয় বৃত্তি সম্ভ্রান্তসকলৰ (gentleman) বাচনি নাছিল। কিন্তু এই কথাও সত্য যে কোনো অভিনেতাই অধ্যাৱসায়ৰ বলতহে ধন, মর্যাদা আৰু প্রতিপত্তি অর্জন কৰিব পাৰিছিল। শ্বেইক্সপীয়েৰো এটা দৃষ্টান্ত। এই কথা সুকীয়া যে নাট্যকাৰ হিচাপে তেওঁৰ অপৰিসীম খ্যাতি আৰু পৰিস্থিতিয়ে স্বাভাৰিকতেই অভিনেতাগৰাকীক লগ দিছিল।

১৫৯০ৰ দশকটো শ্বেইক্সপীয়েৰৰ প্রথম গুৰুত্বপূর্ণ সৃষ্টিশীল সময়। ১৫৯৩ আৰু ১৫৯৪ চনত তেওঁ Venus and Adonis আৰু The Rape of Lucrece নামৰ দুটা বৃত্তান্তমূলক কবিতা লিখে; উক্ত দশকতেই তেওঁ সৰহভাগ ছনেট ৰচনা কৰে। কিন্তু মূলতঃ তেওঁ নাট্য ৰচনাত অধিক মনোনিবেশ কৰিছিল। ১৫৯৪ চনত তেওঁ Chamberlain's Men নামৰ নাট্যদলৰ স্বীকৃতিপ্রাপ্ত সদস্য হয়। তেওঁ নাটক কোম্পানীটোৰ অন্যতম অংশীদাৰ আছিল। ১৬০৩ চনত ই ৰজাৰ কোম্পানী হৈ পৰে আৰু Kings Men হিচাপে নতুনকৈ নামকৰণ কৰা কোম্পানীটোত শ্বেইক্সপীয়েৰ এজন ৰাজ নাট্যকাৰ হিচাপে স্বীকৃত হয়। ১৫৯৯ চনৰ পৰা কোম্পানীটোৱে গ্লোব থিয়েটাৰত নাটক পৰিৱেশন কৰিছিল। উল্লেখযোগ্য যে গ্লোব থিয়েটাৰত শ্বেইক্সপীয়েৰৰ অংশীদাৰিত্ব আছিল।

শ্বেইক্সপীয়েৰৰ প্রথম আঠখন নাটকত নাট্যকাৰৰ নাম নাছিল। ১৫৯৮ চন মানৰ পৰাহে তেওঁৰ নাম নাটকৰ সৈতে ছপা হ'বলৈ ধৰিলে। শ্বেইক্সপীয়েৰ ইমানেই জনপ্রিয় হৈ পৰিছিল যে প্রকাশকসকলে বিক্রী বার্তা বঢ়াবলৈ শ্বেইক্সপীয়েৰৰ নাম তেওঁ নিলিখা নাটকৰ সৈতেও সাঙুৰি দিছিল।

নাটক লেখা, অভিনয় কৰা আৰু থিয়েটাৰত মূলধন খটুওৱা— আটাইবোৰৰ পৰা নাট্যকাৰ গৰাকীয়ে যথেষ্ট ধন অৰ্জন কৰিছিল বুলি অনুমান কৰা যায়। সেই ধনেৰে তেওঁ ষ্ট্রেট্‌ফৰ্ডত যথেষ্ট মাটি বাৰী ক্রয় কৰিছিল। ১৫৯৭ চনত নগৰীৰ দ্বিতীয় বৃহৎ ঘৰ 'নিউ পেলেছ' ক্রয় কৰি তেওঁ পৰিয়ালসহ তালৈ উঠি আহে। ১৫৯৬ চনত শ্বেইক্সপীয়েৰৰ আবেদন মৰ্মে পিতৃয়ে কেইবছৰো আগেয়ে বিচৰা ৰাজকীয় সম্ভ্রমৰ প্রতীক লাভ কৰে, যাৰ যহত পুত্রই উত্তৰাধিকাৰ সূত্রে সম্ভ্রান্ত ব্যক্তিৰ মর্যাদা (gentleman) অৰ্জন কৰে। ১৫৯৮ চনত তেওঁ গ্লোব থিয়েটাৰৰ দহ শতাংশ লভ্যাংশ (share)ৰ গৰাকী হয়। শ্বেইক্সপীয়েৰৰ কর্মস্থলী আছিল লণ্ডন। এইছোৱা সময়ৰ নাট্যকাৰ গৰাকীৰ খ্যাতিৰ বস্তুনিষ্ঠ দলিল হ'ল ফ্রান্সিছ মেৰেছ (Francis Meres)ৰ (Palladis Tamia) (১৫৯৮) চনৰ লেখৰে শ্বেইক্সপীয়েৰৰ ভালেকেইখন নাটকৰ নাম তালিকা ভুক্ত কৰিছে। মেৰেছে উক্ত পাঠত শ্বেইক্সপীয়েৰক ট্রেজেদী আৰু কমেডীৰ শ্রেষ্ঠ ইংৰাজ নাট্যকাৰসকলৰ ভিতৰত এজন বুলি প্রশংসা কৰিছে।

১৬১৬ চনৰ ২৩ এপ্রিলত তেওঁৰ মৃত্যু হয় আৰু ষ্ট্রেট্‌ফৰ্ডৰ এটি গীর্জাৰ বাকৰিত বিশ্ব বিশ্রুত নাট্যকাৰ গৰাকীক সমাধিস্থ কৰা হয়।

১০.৪.২ সাহিত্য কৃতি

যিহেতু নাট্যকাৰ আৰু কবি হিচাপে শ্বেইক্সপীয়েৰে ইংৰাজী সাহিত্যলৈ অবিস্মৰণীয় অৱদান আগবঢ়াইছে, আমি 'সাহিত্য কৃতি' বোলোঁতে নাটক আৰু কবিতাৰ কথা সুকীয়াকৈ আলোচনা কৰিব পাৰো।

১৬২৩ চনত পোন প্রথমবাৰৰ বাবে শ্বেইক্সপীয়েৰৰ নাট্য সম্ভাৰ প্রকাশিত হয়। তাত ছয়ত্রিশখন নাটক সন্নিবিষ্ট আছিল। ১৬৩৪ চনত পূর্বৰ সংকলনত নথকা The Two Noble Kinsmen নামৰ নাটকখন প্রকাশিত হয়; অৱশ্যে সেইখন জন ফ্লেৎসাৰৰ সৈতে যুটীয়াভাৱে লিখা বুলি উল্লেখ আছে। ইপিনে Edward III নামৰ ১৫৯৬ চনত প্রকাশ পোৱা বেনামী লেখকৰ এখন নাটক শ্বেইক্সপীয়েৰৰ লগত সাঙুৰি দিয়া হয় ১৬৫৬ চনত; ২০০৫ চনৰ Oxford Shakspeare শৃংখলাত নাটকখন সোমাইছে। তথাপি এই সৰল নাটকখন শ্বেইক্সপীয়েৰৰ সৃষ্টি নহয় বুলিয়েই বহুতে ভাৱে। (নাটকসমূহৰ এখন কালানুক্রমিক তালিকা যথাস্থানত গাঁথি দিয়া হ'ব।) যি কি নহওক, নাটকসমূহৰ প্রথম প্রকাশতে আমি পাওঁ ইংলেণ্ডৰ ইতিহাস সম্পর্কীয় চিন্তা। ইয়াৰ প্রেক্ষাপটটো এনে ধৰণৰ ঃ স্পেইনীয় নৌবহৰ (Spanish Armada)ক প্রতিহত কৰি ইংলেণ্ডে সমুদ্রত নিজৰ আধিপত্য প্রতিষ্ঠা কৰিছিল। এলিজাবেথৰ ৰাজত্বৰ সময়চোৱাতেই উদ্যোগ আৰু ব্যৱসায়ৰ উল্লেখযোগ্য উন্নতি ঘটে; বিভিন্ন কোম্পানী গঠন হয়। পৃথিৱীৰ বিভিন্ন দূৰণি অঞ্চলৰ সৈতে ব্যৱসায়িক লেনদেন

বৃদ্ধি পোৱাত কোম্পানীবোৰৰ স্বচ্ছলতা আৰু প্ৰতিপত্তিও বাঢ়িবলৈ ধৰে। সমৃদ্ধিশালী আৰু শক্তিশালী জাতি-ৰাষ্ট্ৰ হিচাপে আন্তৰ্জাতিক দৃশ্যপটত ইংলেণ্ডৰ উত্থান এইচোৱা সময়ৰেই উল্লেখযোগ্য পৰিঘটনা। ইংলেণ্ডৰ ইতিহাসৰ নিৰ্মাণ আৰু ব্যৱহাৰে ইংলেণ্ডক জাতি-ৰাষ্ট্ৰ হিচাপে সংজ্ঞায়িত কৰাত, অন্য ধৰণে ক'বলৈ গ'লে ইংৰাজ জাতীয়তাবাদক শক্তিশালী কৰাত সহায় কৰে। টিউডৰ ৰজাসকলেও ইতিহাসক ব্যৱহাৰ কৰি ৰাজসিংহাসনৰ দাবীদাৰ হিচাপে তেওঁলোকৰ ন্যায্যতাক প্ৰতিপন্ন কৰিছিল। অৱশ্যে কেৱল নিঃশ্চলভাৱে ইংলেণ্ডৰ ইতিহাসৰ বৃত্তান্ত তুলি নধৰি শ্বেইক্সপীয়েৰে এহাতে যদি ইংৰাজ জাতীয়তাবাদক সঞ্জীৱিত কৰিছে, আনহাতে ক্ষমতাৰ যুজঁৰ আঁৰৰ মানৱীয় দিশসমূহো কৌতুহল আৰু বিচাৰমূলক চিন্তাৰে উদ্‌ঘাটন কৰিছে। ঐতিহাসিক নাটকসমূহৰ ভিতৰত ষষ্ঠ হেন্ৰিৰ শাসনৰ সময়চোৱাৰ ভিত্তিত লিখা নাট্যত্ৰয়, Henry V, Henry VII, Richard III, Richard II, King John, Henry VIII, Henry IV (প্ৰথম আৰু দ্বিতীয় খণ্ড) আদি উল্লেখযোগ্য।

১৬২৩ চনত ছপা হৈ ওলোৱা ফাৰ্ষ্ট ফ'লিঅ' বুলি জনাজাত শ্বেইক্সপীয়েৰৰ প্ৰথম ৰচনা সমগ্ৰত নাটকসমূহ 'Comedies' 'Histories' আৰু 'Tragedies' এই তিনিটা বৰ্গত অন্তৰ্ভুক্ত কৰা হৈছিল যদিও পৰৱৰ্তী সময়ৰ অধ্যয়ন-গৱেষণাই এনে সাধাৰণীকৃত বৰ্গীকৰণ তেনেই সৰল বুলি বিবেচনা কৰে। ঊনবিংশ শতিকাৰ শেহৰপিনে কমেডিসমূহক 'ৰোমাণ্টিক কমেডি' আৰু শেষৰচোৱাৰ কমেডি (Late Comedies) বা সমস্যামূলক নাটক (Problem Plays) আৰু ৰোমাঞ্চ এই তিনি ভাগত ভাগ কৰা হয়। ৰোমাণ্টিক কমেডি বুলিলে প্ৰথমৰে পৰা প্ৰায় ১৬০১ চনলৈ লিখা যি দহখন নাটকক বুজোৱা হয়, সেইকেইখন হ'ল ঃ The Comedy of Errors, The Two Gentlemen of Verona, The Taming of the Shrew, Loves Labour Lost, A Midsummer Night's Dream, The Merchant of Venice, Much Ado About Nothing, The Merry Wives of Windsor, As you like it আৰু Twelfth Night i late comedies' বুলি কোৱা নাটককেইখন হ'ল— Troilus and Cressida, Measure for Measure আৰু All's well that ends well। এই তিনিখন নাটক ৰচনা কৰা হৈছিল ৰাণী এলিজাবেথৰ মৃত্যু আৰু স্কটলেণ্ডৰ ৰজা প্ৰথম জেইম্‌ছে ইংলণ্ডৰ ৰাজপট দখল কৰাৰ (১৬০৩ চনত) অব্যৱহিত পৰৱৰ্তী সময়ত। এই নাটককেইখনত শ্বেইক্সপীয়েৰে গুৰুত্বপূৰ্ণ সামাজিক আৰু নৈতিক সমস্যাৰ ওপৰত আলোকপাত কৰিছে। আনহাতে ৰোমাঞ্চ বুলি ক'লে Pericles, Cymberline, The Winter's Tale আৰু The Tempest এই চাৰিখন নাটককেই বুজোৱা হয়। ইতিমধ্যে কোৱা হৈছে যে যুগটো আছিল ব্যৱসায় বাণিজ্যৰ আন্তৰ্জাতিক সম্প্ৰসাৰণৰ যুগ, য'ত সমুদ্ৰ যাত্ৰা আছিল বাণিজ্যিক পৰিবহনৰ একমাত্ৰ মাধ্যম। এই সময়ত সমুদ্ৰ যাত্ৰাৰ কথা অথবা বিভিন্ন সাগৰীয় ভ্ৰমণ বৃত্তান্ত জনপ্ৰিয় হৈ পৰিছিল আৰু ই

ৰোমান্সৰ প্ৰতি মানুহৰ ৰুচি নিৰ্মাণ কৰিছিল। মন কৰিব যে জেকবীয় নাটকত প্ৰাধান্য পোৱা হত্যা হিংসাৰ জিঘাংসা অথবা সামাজিক কমেডিৰ বিপৰীতে ৰোমান্স নাটকসমূহত বাজি উঠিছিল অন্য ধৰণৰ সুৰ। নাটকৰ সকলো দ্বন্দ্ব বা বিৰোধৰ অৱসান ঘটোৱা হৈছিল সময়ৰ পৰিৱৰ্তনৰ মাজেদি আৰু সম্প্ৰীতি সমন্বয়ৰ দৃশ্যায়নৰ জৰিয়তে।

শ্বেইক্সপীয়েৰৰ বিখ্যাত ট্ৰেজেদিসমূহ তেওঁৰ সৃষ্টিশীল জীৱনৰ মধ্যৱৰ্তী সময়ৰ সৃষ্টি। Hamlet, Othello, Macbeth, King Lear, Antony and Cleopatra আৰু Coriolanus এইকেইখন নাটক সপ্তদশ শতিকাৰ প্ৰথম ছয় বছৰত লিখা হৈছে। অৱশ্যে সাধাৰণভাৱে চাবলৈ গ'লে প্ৰথমচোৱাৰ ঐতিহাসিক নাটকৰপৰা শেষৰ ৰোমান্সলৈকে বিভিন্ন নাটকত ট্ৰেজেদীৰ কেতবোৰ বৈশিষ্ট্য আওকাণ কৰিব পৰা নাযায়। আমি যদি ১৬২৩ চনৰ ফাৰ্ষ্ট ফ'লিঅ'ৰ নাটকৰ বিভাজনসমূহ চাওঁ, তাত এই এঘাৰখন নাটকক 'ট্ৰেজেদী' বুলি বৰ্গীকৰণ কৰা হৈছে— Coriolanus, Titus Andronicus, Romeo and Juliet, Tmon of Athens, Julius Caesar, Macbeth, Hamlet, King Lear, Othello, Antony and Cleopatra আৰু Cymberline ইয়াৰে Troilus and Cresida খনক এতিয়া কমেডি আৰু Cymberline খনক ৰোমান্স বুলি ধৰা হয়। ইতিপূৰ্বে উল্লিখিত বিখ্যাত ট্ৰেজেদিসমূহৰ বিষয়ে আইফৰ ইভান্স-এ কোৱা এষাৰ কথা এনে ধৰণৰ ঃ এইচোৱা সময়তেই শ্বেইক্সপীয়েৰৰ কবিতাই (অৰ্থাৎ নাটকসমূহৰ কাব্যিক আয়তনে) অভূতপূৰ্ব গভীৰতা অৰ্জন কৰিছে আৰু তেওঁৰ সৃষ্টি প্ৰতিভাই সৰ্ব্বোচ্চ বিন্দুত আৰোহন কৰিছে।

তলত শ্বেইক্সপীয়েৰৰ নাটকসমূহৰ এখন কালানুক্ৰমিক তালিকা দাঙি ধৰা হ'ল অৱশ্যে এই কালানুক্ৰম আনুমানিক।

ৰচনা কাল	নাটকৰ নাম
১৫৮৮-৯৪	The Comedy of Errors
১৫৮৮-৯৪	Loves Labour Lost
১৫৪৯-৯২	Henry VI (part I)
১৫৯০-৯১	Henry VI (part III)
১৫৮৯-৯১	Henry VI (part II)
১৫৯২-৯৩	Richard III
১৫৮৯-৯৪	Titus Andronicus
১৫৯৩-৯৪	The Taming of the Shrew
১৫৯২-৯৪	The Two Gentlemen of Verona
১৫৯৪-৯৬	Romeo and Juliet
১৫৯৫	Richard II

১৫৯৫-৯৬	A Midsummer Night's Dream
১৫৯৬-৯৭	King John
১৫৯৪-৯৬	The Merchant of Venice
১৫৯৬-৯৭	Henry IV (part I)
১৫৯৭	The Merry Wives of Windsor
১৫৯৭-৯৮	Henry IV (part II)
১৫৯৮-৯৯	Much Alo About Nothing
১৫৯৯	Julius Caesar
১৫৯৯-১৬০০	Twelfth Night
১৫৯৯-১৬০০	As You Like it
১৬০০-১৬০১	Hamlet
১৬০১-১৬০২	Troilus and Cressida
১৬০২-১৬০৪	All's Well That Ends Well
১৬০৩-১৬০৪	Othello
১৬০৪	Measure for Measure
১৬০৫-১৬০৬	Macbeth
১৬০৫-১৬০৬	King Lear
১৬০৬-১৬০৭	Antony and Cleopatra
১৬০৫-১৬০৮	Timon of Athens
১৬০৭-১৬০৮	Pericles
১৬০৭-১৬০৮	Coriolanus
১৬০৯-১৬১০	Cymberline
১৬১০-১৬১১	The Winter's tale
১৬১১	The Tempest
১৬১২-১৬১৩	Henry VIII
১৬১৩	The Two Noble Kinsmen

১০.৫ উইলিয়াম শ্বেইক্সপীয়েৰৰ নাটকৰ সাধাৰণ বৈশিষ্ট্য

মন কৰিব যে শ্বেইক্সপীয়েৰৰ নাটকৰ মৌলিকতা বুলি ক'লে নাটকৰ কাহিনীৰ মৌলিকতাক নুবুজায়। সৰহ ভাগ নাটকৰ কাহিনীয়েই তেওঁ বিভিন্ন উৎসৰ পৰা ধাৰ কৰিছে। বহুকেইখন কমেডিৰ কাহিনীৰ উৎস ইটালীয় উপন্যাস আৰু গল্প। তেনেকৈ কেবাখনো ঐতিহাসিক নাটকৰ প্ৰেৰণা ৰাফেল হলিনশ্বেড-এ লিখা History of England নামৰ পুথিখন। ৰোমান ইতিহাস আশ্ৰিত নাটককেইখনৰ আঁৰত আছে প্লুটার্কৰ Lives নামৰ পুথিখন। কিন্তু সহজভাৱে

অনুকৰণ নকৰি তেওঁ নিজৰ কাব্যদৃষ্টিৰ প্ৰয়োজন অনুসৰি কাহিনীৰ এনে পৰিৱৰ্তন- পৰিবৰ্ধন কৰিছে যে শ্বেইক্সপীয়েৰৰ জটিল-সমৃদ্ধ নাট্যপাঠৰ তুলনাত উৎসৰ আবেদন তেনেই স্তিমিত। F.E.Halliday য়ে The enjoyment of Shakespeare গ্ৰন্থত উল্লেখ কৰিছে যে হলিন্ শ্বেডৰ ইংলণ্ডৰ ইতিহাসত লেডী মেকবেথ সম্পৰ্কে মাত্ৰ এইখিনি কথাহে আছে —

Macbeth began to take counsel how he might usurp the kingdom. The words of the three weird sisters also greatly encouraged him hereunto, but specially his wife by sore upon him to attempt the thing, as she that was very ambitious, burning in unquenchable desire to bear the name of queen.

ইয়াৰ বিপৰীতে পৰৱৰ্তী সময়ৰ আলোচকসকলে লেডী মেকবেথৰ চৰিত্ৰায়নত এনে গভীৰতা আৰু মনস্তাত্ত্বিক বাস্তৱিকতা প্ৰদান কৰিছে যে আধুনিক সমালোচনাত মেকবেথৰ তুলনাত লেডী মেকবেথৰ গুৰুত্ব বেছি; এনেকি মক্‌বুল প্ৰভৃতি শ্বেইক্সপীয়েৰৰ চলচিত্ৰীয় অভিযোজনতো লেডী মেকবেথৰ গুৰুত্ব কেন্দ্ৰীয়। চৰিত্ৰায়নৰ দিশটো আমি বাৰু সুকীয়াকৈ আলোচনা কৰিম; কিন্তু শ্বেইক্সপীয়েৰে কৰা অভিযোজনাৰ অন্য এটা দিশ হ'ল দুটা কাহিনীৰ সংমিশ্ৰণ। Cymberlineত তেওঁ ইটালীয় উপন্যাসৰ লগত হলিন্‌শ্বেডৰ ইতিহাস সংযোগ কৰিছে (হেলিডে'ৰ The Enjoyment of Shakespeare দ্ৰণ্টব্য।) এনে দ্বৈত কাহিনী-বিন্যাসত কেতিয়াবা উপ-কাহিনীয়ে এক ধৰণে মূল কাহিনীক প্ৰতিফলিত কৰি নাটকৰ ট্ৰেজিক অভিঘাট বৃদ্ধি কৰে। অৱশ্যে ইয়াৰ কোনোটোৱেই স্বতন্ত্ৰ নহয়; নাটকৰ সামগ্ৰিকতাৰ লগত উভয়েই সম্পৰ্কিত। ঐতিহাসিক নাটকৰ ক্ষেত্ৰত দেখা যায় যে যুদ্ধ বিগ্ৰহ বা বিদ্ৰোহৰ মূল কাহিনীৰ উত্তেজনাময় বাতাবৰণ উপ-কাহিনীৰ হাস্য ৰসে কিছু পাতলাইছে। আনহাতে কমেডিৰ ক্ষেত্ৰত লক্ষ্য কৰিব পাৰি যে কোনো এটা বিষয়বস্তু কাহিনীৰ বিভিন্ন স্তৰতে, বিভিন্ন চৰিত্ৰৰ ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ মাজেৰেই ৰূপায়িত হৈছে। উদাহৰণস্বৰূপে, The Tempest সম্পৰ্কীয় অধ্যায়টো (Unit) টো পঢ়িলে গম পাব যে নাটকখনত ৰাজনৈতিক ষড়যন্ত্ৰ অন্যতম বিষয়বস্তু। একেটাই বিষয়বস্তু প্ৰয়োগৰ নিৰ্যাসিত হোৱা মূল কাহিনীত যিদৰে উপস্থাপিত (বা বৰ্ণিত) হৈছে, কেলিবানৰ বিদ্ৰোহ আৰু এণ্ট'নিঅ'-ছেবাষ্টিয়ানৰ এল'ঞ্চ-বিৰোধী ষড়যন্ত্ৰৰ উপকাহিনী দুটাৰ মাজেৰেও ৰূপায়িত হৈছে।

সাধাৰণতে শ্বেইক্সপীয়েৰৰ নাটকসমূহ ট্ৰেজেদী, কমেডী, ঐতিহাসিক নাটক আদি কেতবোৰ মৌলিক সাহিত্যবৰ্গ (genre)ত শ্ৰেণীবদ্ধ কৰি অধ্যয়ন কৰাৰ পৰম্পৰা এটা সপ্তদশ শতিকাৰ পৰাই চলি আহিছে। পশ্চিমীয়া সাহিত্যৰ এই সাহিত্য-বৰ্গীয় ৰীতি প্ৰভৃতিৰ আলোচনা এৰিষ্টটলৰ দিনৰেপৰা আৰম্ভ হয়। শ্বেইক্সপীয়েৰ নিজেই সাহিত্য বৰ্গসমূহৰ নিজা বৈশিষ্ট্য সম্পৰ্কে সচেতন আছিল। আমি উল্লেখ কৰিছোঁৱেই যে প্ৰথম ৰচনাসমগ্ৰত (ফাষ্ট ফলিঅ') 'Comedies', Histories', আৰু 'Tragedies', বুলি নাটকসমূহ শ্ৰেণীভুক্ত কৰা হৈছিল। এলিজাবেথীয় কবি ছাৰ ফিলিপ ছিডনীয়ে An Apology for Poetry নামৰ লেখাত সাহিত্য-বৰ্গীয় ৰীতি বা নিয়ম আওকাণ কৰা বুলি কেতবোৰ সমসাময়িক নাট্যকাৰৰ বিৰুদ্ধে বিষাদগাৰ

কৰিছিল (শ্বেইক্সপীয়েৰৰ বিৰুদ্ধে সম্ভৰত নহয়, কিয়নো ছিডনিয়ে ৰচনাখন লিখিছিল ১৫৮৬ চনত; ইয়াৰ বিপৰীতে নাট্যকাৰগৰাকীৰ কেৰিয়াৰ আৰম্ভ হয় উক্ত শতিকাৰ শেষৰ দশকত)। আচলতে দেশীয় পৰম্পৰাৰ প্ৰভাৱতেই হওক বা নিজস্ব উদ্ভাৱনী শক্তিৰ তাগিদাতেই হওক, সাহিত্য বৰ্গৰ কঠোৰ ৰীতি- নীতিৰ প্ৰতি (যেনে, ট্ৰেজেদিৰ লগত কমেডি'ৰ উপাদান মিহলালে নচলিব ইত্যাদি) এলিজাবেথীয় নাট্যকাৰসকলৰ মনোভাৱ আছিল কুহুমীয়া ধৰণৰ। একোটা সাহিত্য বৰ্গই এক ধৰণৰ প্ৰত্যাশাৰ জন্ম দিয়ে, কিন্তু এনে প্ৰত্যাশা জনপ্ৰিয়তাৰ মাপকাঠি নহ'বও পাৰে। এলিজাবেথীয় নাটক কোনো অপেছাদাৰী শৈল্পিক উদ্যোগ নাছিল; ই আছিল বাণিজ্যিক অৰ্থতেই এক জনপ্ৰিয় উদ্যোগ। গ্ল'ব আদিৰ দৰে মুক্ত ৰংগমঞ্চত শ্বেইক্সপীয়েৰৰ নাটক চাবলৈ আহিছিল অভিজাত শ্ৰেণীৰ লোক, ৰাষ্ট্ৰদূত, কচাই, দৰ্জী, চামৰাৰ মিস্ত্ৰী, ওকালতিৰ শিক্ষা লোৱা ছাত্ৰ, শিক্ষানবীচ, দোকানী, চোৰ, মহিলা, নাগৰিকৰ পত্নী, দেহোপজীৱিনী ইত্যাদি বিচিত্ৰ শ্ৰেণী আৰু বৃত্তিৰ মানুহ। দৰ্শকেই যিহেতু নাট্য-উদ্যোগৰ মূল চালিকা শক্তি, কোনো এবিধ সাহিত্য বৰ্গৰ নিজা প্ৰয়োজনতকৈও দৰ্শকৰ বিচিত্ৰ প্ৰয়োজন আৰু দাবীৰ প্ৰতি সঁহাৰি দিবলৈ গৈ শ্বেইক্সপীয়েৰে এহাতে নাটকৰ সমৃদ্ধি ঘটাইছে, আনহাতে বিভিন্ন বৰ্গৰ বিপৰীত আবেগ বা পৰিৱেশ দক্ষতাৰে ৰূপায়ন কৰিছে। সেয়েহে ঐতিহাসিক নাটকত আমি পাওঁ বিশুদ্ধ হাস্যৰস। ট্ৰেজেদীৰ গম্ভীৰ পৰিৱেশতো আমি পাও আমোদজনক অথচ তাৎপৰ্যপূৰ্ণ লঘু দৃশ্য। আনহাতে কোনো কমেডিত প্ৰেম-প্ৰণয়ৰ সহজাত ৰোমাঞ্চ অভাৱনীয় কোনো কঠোৰ সংকটৰ সন্মুখত অন্তৰ্হিত।

শ্বেইক্সপীয়েৰৰ নাটকৰ পৃথিবীখন এখন বিশাল পৃথিৱী। মানবীয় অভিজ্ঞতাৰ বৈচিত্ৰ্য ইয়াৰ অন্যতম বৈশিষ্ট্য। বিচিত্ৰ মানবীয় অৱস্থা, বোধ আৰু অভিজ্ঞতাৰ প্ৰতি শ্বেইক্সপীয়েৰৰ সঁহাৰি ইমান সজীৱ আৰু নিবিষ্ট যে কোনো এখন নাটককেই আমি বিশুদ্ধ ৰূপত 'ট্ৰেজেডি' বা 'কমেডি' বুলি ক'ব নোৱাৰো। এই সম্পৰ্কে Stanley Wells-এ লিখা কথাখিনি পঢ়িলে বোধকৰো কথাটো পৰিষ্কাৰ হ'ব; লেখকে অভিজ্ঞতাৰ সম্পৰ্কত লিখিছে ঃ "They range faom the delicate comedy of the Two Gentlemen of Verona to the austerely passionate tragedy of King Lear; from the farcical complications of the Comedy of errors to the sensuous eroticism of Antony and Cleopetra; from the violence and horror of Titus Andrenocus and the early history plays to the fantasy and charm of A Midsummer Night's Dream and The Tempest. And they engage with the spiritual world, most obviously in the visons of late plays such as Cymberline, Pericles and The Tempest but no less persuasivetly in, for instance Hamlet, whose hero is changed with a task by a ghost and in Richard III and Macbeth, where spints externalize states of Mind." (Shakespeare: An Oxford Guide; পৃষ্ঠা ৪)। কিন্তু মানৱীয় অভিজ্ঞতাৰ পৰিসৰ বিশেষকৈ শ্বেইক্সপীয়েৰৰ জগতত, কেৱল বহির্মুখী (নাটকীয়) কাৰ্যৰ ৰূপায়নতেই সীমাবদ্ধ নহয়। ই বিভিন্ন ভাষিক প্ৰকাশ আৰু চিত্ৰকল্পৰ জৰিয়তে পৰিব্যাপ্ত।

Ceroline Spurgeon এ Shakespeare's Imagery and what it tells us নামৰ গ্ৰন্থত উল্লেখ কৰিছে যে শ্বেইক্সপীয়েৰৰ নাটকসমূহ বিভিন্ন আৰু বিচিত্ৰ বহিৰ্মুখী জগতৰ চিত্ৰকল্পৰে পৰিপূৰ্ণ। মাৰ্লোৰ ৰচনাত যদি গ্ৰন্থৰ পৰা আহৰিত চিত্ৰকল্পৰ পয়োভৰ দেখা যায়, শ্বেইক্সপীয়েৰৰ নাটকত আমি পাওঁ জীৱ-জন্তু, চৰাই-চিৰিকতি, গছ-লতিকা, বতৰ, সুস্থতা আৰু ৰুগ্নতা, প্ৰাত্যহিক আৰু ঘৰুৱা জীৱন, জুহাল, পোহৰ, খাদ্য, ৰন্ধন-প্ৰকৰণ আদিৰ চিত্ৰকল্প। স্পাৰ্জিঅনে কৈছে যে এনে বহিৰ্মুখী অথচ তেনেই চিনাকী অভিজ্ঞতাৰ সুদৃঢ় ভেটিতেই শ্বেইক্সপীয়েৰৰ সংলাপে সহজ অথচ আবেদনময়ী কাব্যৰ বোকোচাত উঠি আগবাঢ়িছে।

চৰিত্ৰ-চিত্ৰন সম্বন্ধে আলোচনা অবিহনে শ্বেইক্সপীয়েৰৰ নাটক সম্পৰ্কীয় আলোচনা নিশ্চয়কৈ অসম্পূৰ্ণ হ'ব। ক'ব পাৰি যে সোতৰশ শতিকাৰ পৰা প্ৰায় ১৯৩০ চনলৈ শ্বেইক্সপীয়েৰ চৰ্চাৰ অন্যতম সূঁতি আছিল চৰিত্ৰকেন্দ্ৰিক সমালোচনা; অৰ্থাৎ একোটা চৰিত্ৰক স্বয়ংসম্পূৰ্ণ ব্যক্তিসত্তা হিচাপে গণ্য কৰি তাৰ সূক্ষ্মদৰ্শী, বিচাৰমূলক আলোচনা বিদ্যায়তনিক মহলত খুব জনপ্ৰিয় আছিল (আজিও এনে সমালোচনাৰ ধাৰা বৰ্তমান) শ্বেইক্সপীয়েৰৰ নাটকত ৰূপায়িত অভিজ্ঞতা যেনে বিচিত্ৰ, ৰূপায়িত চৰিত্ৰসমূহো তেনে বিচিত্ৰ। বিচিত্ৰ মানুহৰ মন আৰু ভাৱ-ভংগীৰ প্ৰতি নাট্যকাৰৰ কৌতুহল আৰু সহমৰ্মিতা নাটকবোৰত ফুটি উঠিছে। ঊনবিংশ শতিকাৰ ঔপন্যাসিক আলেকজেণ্ডাৰ ডুমাই কৈছিল - "After God, Shakespeare has Created most"। চৰিত্ৰৰ এনে বৈচিত্ৰ্য ইংৰাজী নাটকত অভূতপূৰ্ব। ৰজা-ৰাণী, যুৱৰাজ, সৈন্য-সামন্ত, বনিক-কবিৰাজৰ উপৰিও শ্বেইক্সপীয়েৰৰ নাটকত বাচন-বৰ্তন বাটোতা ব্যক্তি (tinker), তাঁতি, সুৰা বেচা তিৰোতা, ধুনপেচ মাৰি ঘূৰি ফুৰা ডেকা-ডেকেৰী, নায়ক অথবা কাপুৰুষ, জ্ঞানী অথবা মুৰ্খ, ইহুদী অথবা খ্ৰীষ্টান, দেহোপজীৱীনী, ধৰ্ম যাজক, কবৰ খান্দোতা, কিশোৰ-কিশোৰী, ডাইনী-প্ৰেতাত্মা, সৎ অথবা অসৎ, নাবিক, দস্যু অথবা ভিক্ষাৰী আদি বহু বিচিত্ৰ চৰিত্ৰৰ সমাগম লক্ষণীয়। অৱশ্যে বৈচিত্ৰ্যই শেষ কথা নহয়; শ্বেইক্সপীয়েৰে গভীৰ অন্তৰ্দৃষ্টি আৰু সহমৰ্মিতাৰে চৰিত্ৰসমূহৰ অন্তঃস্থল পোহৰাই তুলিছে। ভাল/বেয়া অথবা শুভ/অশুভ ৰ এক স্থিৰ, পূৰ্বনিৰ্ধাৰিত সূত্ৰৰে নাট্যকাৰে চৰিত্ৰ ৰূপায়ন কৰা নাই, বৰঞ্চ একোটা চৰিত্ৰই ধৰি ৰখা মানৱীয় অভিজ্ঞতাৰ প্ৰতি অথবা সেই চৰিত্ৰৰ অন্তৰ্জীৱনটোৰ প্ৰতি নাট্যকাৰে দৃষ্টি নিবদ্ধ কৰিছে। ই ৰূপায়িত মানৱীয় পৰিস্থিতিসমূহ, দ্বন্দ্বমুখৰ (ambiguous) কৰি ৰাখিছে। সেই সূত্ৰে আমি ক'ব পাৰোঁ যে শ্বেইক্সপীয়েৰৰ নাটকত এহাতে যেনেকৈ প্ৰতিষ্ঠা কৰা হৈছে, আনহাতে সেইবোৰৰ প্ৰতি সন্দেহ ব্যক্ত কৰা হৈছে। The Merchant of Veniceত খ্ৰীষ্টান সমাজৰ প্ৰয়োজন অনুসৰিয়েই সুদখোৰ ইহুদী শ্বাইলকৰ শাস্তি হয়, কিন্তু একে সময়েত শ্বাইলকৰ মানৱীয় ৰূপটো নাট্যকাৰে এনে সংলাপৰ জৰিয়তে উদঘাটন কৰিছে— "Hath not a Jew eyes? Hath not a Jew hands, organs, dimensions, senses, affections, passions, fed with the same food, hurt with the same weapons, subject to the same diseases, healed by the same means, warmed and coled by the same winter and summer as a Christian is?"



১০.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- মধ্যযুগৰ শেষৰ পিনে উদ্ভৱ হোৱা মিষ্ট্রি (mystery) আৰু মিৰাকল (miracle) বোলা বাইবেল আশ্রয়ী নাটকৰ পৰা ইংৰাজী নাটকৰ সূত্রপাত ঘটিল যদিও 'ইংৰাজী নাটকৰ ইতিহাস' উত্থাপন-পতনৰ ইতিহাস। সাহিত্যৰ বুৰঞ্জীকাৰসকলে 'ইংৰাজী নাটকৰ সোণালী যুগ' বুলি ক'লে এলিজাবেথীয় যুগলৈ আঙুলিয়ায়।
- 'মিনষ্ট্রেল' বোলা এক শ্রেণীৰ মধ্যযুগৰ গায়ক-পৰিৱেশকৰ পৰাই ইংলেণ্ডত নাট্যাভিনয়ৰ সূচনা হৈছিল বুলি কোৱা হয়। কিন্তু নাটকৰ আৰম্ভণি ঘটিল গীৰ্জাৰ চৌহদৰ ভিতৰত। গীৰ্জাত কেতবোৰ উপাসনাধৰ্মী নাটক (liturgical play) গঢ় লৈ উঠিছিল; ইয়াৰ পৰৱৰ্তী সময়ত মিস্ত্রী, মিৰাকল আৰু পাছত ম'ৰেলিটি নামৰ নাটক জনপ্রিয় হৈ পৰিছিল।
- এইটো অনুমান কৰা হয় যে ১৫৯২ চনৰো কিছু পূৰ্বৰ সময়ৰ পৰা শ্বেইক্সপীয়েৰৰ লেখক জীৱনৰ আৰম্ভ হৈছিল। আমোদজনক কথাতো হ'ল, কেম্ব্রিজৰ ছেইণ্ট জন্চ্ কলেজৰ স্নাতক ৰবার্ট গ্রীণে তেওঁৰ প্রায় সমসাময়িক শ্বেইক্সপীয়েৰক তেওঁৰ নামৰ প্রচাৰ পত্রত নাট্যকাৰ হিচাপে স্বীকৃতি দিয়া নাই, বৰং উপলুঙা আৰু আক্রমণ কৰিছে। তেওঁ নাট্যকাৰ গৰাকীক নপতা ফুকন হৈ ওলোৱা এটা কাউৰী (''An upstart crow'') বুলি নিন্দা কৰাই নহয়, 'নাট্যকাৰ হ'বলৈ ওলোৱা এই অভিনেতাজনৰ বিৰুদ্ধে' উচ্চ শিক্ষিত নাট্যকাৰসকলক সকীয়াই দিয়ে।
- ১৬২৩ত চনত ছপা হৈ ওলোৱা ফার্ষ্ট ফ'লিঅ' বুলি জনাজাত শ্বেইক্সপীয়েৰৰ প্রথম ৰচনা সমগ্রৰ নাটকসমূহ 'Comedies', 'Histories' আৰু 'Tragedies'– এই তিনিটা বর্গত অন্তর্ভুক্ত কৰা হৈছিল যদিও পৰৱৰ্তী সময়ৰ অধ্যয়ন-গৱেষণাই এনে সাধাৰণীকৃত বর্গীকৰণ তেনেই সৰল বুলি বিবেচনা কৰে। ঊনবিংশ শতিকাৰ শেষৰ পিনে কমেডিসমূহক 'ৰোমাণ্টিক কমেডি' আৰু শেষৰ চোৱাৰ কমেডি (Late Comedies) বা সমস্যামূলক নাটক (Problem Plays) আৰু ৰোমাঞ্চ এই তিনিটা ভাগত ভগা কৰা হয়।
- সাধাৰণতে শ্বেইক্সপীয়েৰৰ নাটকসমূহ ট্রেজেডী, কমেডী, ঐতিহাসিক নাটক আদি কেতবোৰ মৌলিক সাহিত্য বর্গ (genre)ত শ্রেণীবদ্ধ কৰি অধ্যয়ন কৰাৰ পৰম্পৰা এটা সপ্তদশ শতিকাৰ পৰাই চলি আহিছে। পশ্চিমীয়া সাহিত্যৰ এই সাহিত্যবর্গীয় ৰীতি প্রভৃতিৰ আলোচনা এৰিষ্টটলৰ দিনৰ পৰাই আৰম্ভ হয়। শ্বেইক্সপীয়েৰ নিজেই সাহিত্যবর্গসমূহৰ নিজা বৈশিষ্ট্য সম্পর্কে সচেতন আছিল।
- শ্বেইক্সপীয়েৰৰ নাটকৰ পৃথিৱীখন এখন বিশাল পৃথিৱী। মানৱীয় অভিজ্ঞতাৰ বৈচিত্র্য ইয়াৰ অন্যতম বৈশিষ্ট্য। বিচিত্র মানৱীয় অৱস্থা, বোধ আৰু অভিজ্ঞতাৰ প্রতি

শ্বেইক্সপীয়েৰৰ সঁহাৰি ইমান সজীৱ আৰু নিবিষ্ট যে কোনো এখন নাটককেই আমি বিশুদ্ধ ৰূপত 'ট্ৰেজেডি' বা 'কমেডি' বুলি ক'ব নোৱাৰো।



১০.৭ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ ঃ

1. Carter, Roland and Jhon M c Ray. (2001) : The Rauteledge Histiry of Lit erature in English. Routeledge
2. Halliday, F.E. The Enjoymant of Shakespeare gerold Duckworth & Co.Ltd.
3. Lamb, Chanles and Mary Lamb. (1994) : 20 Tales from Shakespeare. Gest Publishing House.
4. Sanders, Andrew. (1994) : The short Oxford History of English Literature. Oxford University Press.
5. Shakespeare, William. (1959) : The Tempest. Ed. Peter Holland. Penguine Books.
6. Spergeon, Coroline F.E. (1935) : Shakespeares Inagery and what it Tells us. Cambridge University Press
7. Stjan, J.L. (1967) : Shakespeares stagecraft Cambridge University Press.
8. Wells slanlay and Lena Cowel Orlin.(2003) : Shakespeares : An Oxford guide, Oxford University Press.
9. Wells, Slanley (1998) : A Dictionary of Shekespeare. Oxford University Press.



১০.৮ অগ্ৰগতিৰ খতিয়ান (কৱল ৰূপৰেখা)

১নং প্ৰশ্নৰ উত্তৰ ঃ নাটকৰ ধৰ্মমুক্তকৰণ আৰু ব্যৱসায়ী সংঘৰ ভূমিকা..... ধ্ৰুপদী নাটকৰ প্ৰভাৱ.....অমিত্ৰাৰ ছন্দৰ প্ৰয়োগ.....University Witsৰ অৱদান ..... ৰংগমঞ্চৰ নিৰ্মাণ।

২নং প্ৰশ্নৰ উত্তৰ ঃ এলিজাবেথীয় ৰংগমঞ্চৰ সৈতে শ্বেইক্সপীয়েৰৰ সম্পৰ্ক.....ঐতিহাসিক

নাটক আৰু জাতীয়তাবাদৰ প্ৰেক্ষাপট.....ৰোমাণ্টিক কমেডি.....সমস্যাকেন্দ্ৰিক কমেডি.....ৰোমান্সৰ তাৎপৰ্য.....ট্ৰেজেদী আৰু ইয়াৰ কাব্যিক আয়তন।

৩নং প্ৰশ্নৰ উত্তৰ ঃ মৌলিকতাৰ প্ৰশ্ন আৰু উৎসৰ পৰিৱৰ্তন/পৰিবৰ্ধন.....দ্বৈত কাহিনী-বিন্যাস (মূল কাহিনী আৰু উপকাহিনী).....বিভিন্ন স্তৰত একেই ভাৱনা বা বিষয়বস্তু উপস্থাপন.....নাটকৰ ব্যৱসায়িক দাবী আৰু বিভিন্ন সাহিত্য বৰ্গ (genre)ৰ সংমিশ্ৰণ.....বিচিত্ৰ মানৱীয় অভিজ্ঞতাৰ উপস্থাপন.....চৰিত্ৰৰ বৈচিত্ৰ্য আৰু চৰিত্ৰ চিত্ৰণৰ গভীৰতা।



১০.৯ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ ইংৰাজী নাট্য সাহিত্যৰ ক্ৰমবিকাশ সম্পৰ্কে এটি আলোচনা আগবঢ়াওক।

প্ৰশ্ন ২ ঃ উইলিয়াম শ্বেইক্সপীয়েৰ তেওঁৰ পূৰ্বৱৰ্তী নাট্যকাৰসকলৰ দ্বাৰা কি ভাবে প্ৰভাৱিত হৈছিল?

প্ৰশ্ন ৩ ঃ উইলিয়াম শ্বেইক্সপীয়েৰৰ জীৱন আৰু কৃতিৰ বিষয়ে এটি নাতিদীৰ্ঘ টোকা প্ৰস্তুত কৰক।

প্ৰশ্ন ৪ ঃ শ্বেইক্সপীয়েৰৰ নাট্যকৃতিসমূহ কিদৰে ভাগ কৰিব পাৰি? তেওঁৰ নাট্যকৃতিসমূহৰ চমু পৰিচয় আগবঢ়োৱাৰ লগতে সেইসমূহত ফুটি উঠা সাধাৰণ বৈশিষ্ট্যসমূহ চমুকৈ উল্লেখ কৰক।

****

অধ্যায় ১১ ঃ উইলিয়াম শ্বেইক্সপীয়েৰ ঃ *দ্য টেম্পেষ্ট - (২)*

অধ্যায় গাঁথনি

১১.১ উদ্দেশ্য

১১.২ পৰিচয়

১১.৩ *দ্য টেম্পেষ্ট (The Tempest)*

১১.৩.১ *দ্য টেম্পেষ্টৰ* কাহিনীভাগ

১১.৩.২ *দ্য টেম্পেষ্টৰ* সাধাৰণ আলোচনা

১১.৩.৩ *দ্য টেম্পেষ্টৰ* চৰিত্ৰ চিত্ৰণ

১১.৩.৪ *দ্য টেম্পেষ্টৰ* সংলাপ

১১.৪ অতি প্ৰাকৃত পৰিৱেশৰ চিত্ৰণ

১১.৫ জাতীয়তাবাদ আৰু ঔপনিৱেশিকতাবাদৰ আলোকত *দ্য টেম্পেষ্ট*

১১.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১১.৭ অধিক জানিবলৈ

১১.৮ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১১.৯ আৰ্হি প্ৰশ্ন

১১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- উইলিয়াম শ্বেইক্সপীয়েৰৰ নাটক *দ্য টেম্পেষ্ট*ৰ কাহিনীৰ লগত পৰিচিত হ'ব
- *দ্য টেম্পেষ্ট*ৰ কাহিনীভাগৰ বিশ্লেষণাত্মক আলোচনা আগবঢ়াব পাৰিব
- নাট্যকাৰ শ্বেইক্সপীয়েৰে কি দৰে এই নাটকখনৰ চৰিত্ৰসমূহ নিৰ্মাণ কৰিছে তাৰ ব্যাখ্যা আগবঢ়াব পাৰিব
- নাটকখনত চিত্ৰিত হোৱা অতি প্ৰাকৃত পৰিৱেশৰ বৰ্ণনা আগবঢ়াব পাৰিব
- নাটকখনৰ আলোচনাত স্থান পোৱা জাতীয়তাবাদ আৰু সাম্ৰাজ্যবাদৰ প্ৰসংগ দুটাৰ প্ৰাসংগিকতা কিমান তাৰ বিশ্লেষণ আগবঢ়াব পাৰিব।

১১.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টোত আপুনি বিখ্যাত ইংৰাজ নাটকৰ উইলিয়াম শ্বেইক্সপীয়েৰৰ জীৱন আৰু নাট্য কৃতিৰ লগত পৰিচিত হ'ল। এই অধ্যায়টোত আপুনি শ্বেইক্সপীয়েৰ নাটক 'দ্য টেম্পেষ্ট'ৰ সম্যক আলোচনা পঢ়িবলৈ পাব।

১১.৩ *দ্য টেম্পেষ্ট*

১১.৩.১ *দ্য টেম্পেষ্টৰ* কাহিনীভাগ

প্ৰৱল ধুমুহা বিজুলীৰ মাজত সাগৰৰ বুকুত বিপদাপন্ন এখন জাহাজৰ বিপৰ্যয়ৰ দৃশ্যাংকনেৰে নাটকখন আৰম্ভ হৈছে। জাহাজখন আছিল টিউনিছৰ ৰজালৈ জীয়াৰী ক্লোৰবেলক বিয়া দি উভতি অহা নেপলছৰ ৰজা এল'ঞ্চৰ। তেওঁৰ লগত আছিল পুত্ৰ ফার্ডিনাণ্ড, ভাতৃ ছেবাষ্টিয়ান, গঞ্জালো অ'লণ্ডৰ পাৰিষদ, ৰাজনৈতিক মিত্ৰ তথা মিলানৰ অবৈধ শাসনকৰ্তা এণ্টনিঅ' আৰু অন্যান্য। যাত্ৰীৰ হাহাকাৰ আৰু হাই উৰুমিৰ মাজেৰে উত্তাল সাগৰৰ বুকুত জাহাজখন ডুব যোৱাৰ ইঙ্গিতেৰে প্ৰথম দৃশ্যৰ যবনিকা পৰে।

পৰৱৰ্তী দৃশ্যত এয়া পৰিষ্কাৰ হয় যে সেয়া কোনো প্ৰাকৃতিক দুৰ্যোগ নাছিল, বৰং প্ৰস্পেৰ' নামৰ এজন যাদু বিদ্যা বিশাৰদে এক নিঃসংগ দ্বীপৰ পৰা যাদুৰ ইন্দ্ৰজালেৰে এই বিপৰ্যয় মাতি আনিছে আৰু জীয়াৰী মিৰাণ্ডাৰ আগত ইয়াৰ আঁতি গুৰি দৰ্শাবলৈ গৈ তেওঁৰ অতীত বৃত্তান্ত তুলি ধৰিছে। সেই মৰ্মে প্ৰস্পেৰ' আছিল মিলান প্ৰদেশৰ ডিউক। ৰাজকাৰ্যত তেওঁৰ সমূলি ৰাপ নাছিল; বৰং তেওঁ দেশ শাসনৰ দায়িত্ব বস্তুতঃ ভাতৃ এণ্টনিঅ'ৰ হাতত তুলি দি জ্ঞান বিজ্ঞানৰ সাধনাত, বিশেষকৈ যাদু বিদ্যাৰ অধ্যয়নত একাণপতীয়াকৈ ৰত হৈছিল। সেই আপাহতে এণ্টনিঅ'ৰ মনত ক্ষমতা দখলৰ দুৰাকাংক্ষা জাগৃত হয়, যাৰ বাবে তেওঁ শত্ৰু দেশ নেপল্ছৰ ৰজা এল'ঞ্চ'ৰ লগত গোপনে সন্ধি কৰে। এই সন্ধি মৰ্মে এণ্টনিঅ' নেপল্ছৰ কৰতলীয়া ডিউক হৈ থাকিব। মিলানৰ ৰাজসিংহাসন নিষ্কণ্টক কৰিবলৈ এল'ঞ্চ'ৰ লগত এণ্টনি'অ ষড়যন্ত্ৰত লিপ্ত হয় আৰু প্ৰস্পেৰ' আৰু তেওঁৰ জীয়ৰী মিৰাণ্ডাক বিপদশংকুল সাগৰৰ মাজত এৰি দি দেশান্তৰিত কৰে। দয়ালু মন্ত্ৰী গঞ্জালোৰে যতনাই দিয়া ৰচদ-পাতি আদিৰ অনুগ্ৰহত অৱশ্যে তেওঁলোকৰ প্ৰাণ ৰক্ষা পৰে। প্ৰস্পেৰ'হঁতৰ টুলুঙা নাওঁ দৈব্যক্ৰমে এক অদ্ভূত মায়াবী দ্বীপত লাগিল গৈ। মন কৰিব যে বৰ্ণিত কাহিনী ভাগৰ এইচোৱাহে প্ৰস্পেৰ'ৰ অতীত বীক্ষণৰ জৰিয়তে মিৰাণ্ডাই, (লগতে দৰ্শক বা পাঠকেও) জানিবলৈ পায়। দুবন্তজাহাজখনৰ সবিশেষ পিছে মিৰাণ্ডাক জানিবলৈ দিয়া নহ'ল। ইয়াৰ পিছৰচোৱা— বিস্ময়, কৌতুহল, ষড়যন্ত্ৰ, বিদ্ৰোহ, অত্যাচাৰ, প্ৰেম, নৃত্য-গীত পুনর্মিলন ইত্যাদি বিভিন্ন বিষয় আৰু উপাদানৰ সমাহাৰেৰে চাৰি ঘণ্টামানৰ ভিতৰত সংঘটিত হৈছে।

অন্যায় চক্ৰান্তৰ ফলশ্ৰুতিত দেশান্তৰিত হ'লেও প্ৰস্পেৰ'ৰে ক্ৰমশঃ এই পাণ্ডৰ বিৰ্জিত দ্বীপটোত নিজৰ আধিপত্য প্ৰতিষ্ঠা কৰিছিল। ছিক'ৰেক্স নামৰ অতি ক্ষমতাশালী, অলৌকিক শক্তিৰ অধিকাৰিনী এগৰাকী ডাইনীৰ সন্তান কেলিবানক

বন্দী কৰি, এৰিয়েল নামৰ বহুৰূপী প্ৰেতাত্মাক ভৃত্য সজাই প্ৰস্পেৰ'ৰে অতীতৰ অন্যায়ৰ পোতক তুলিবলৈ বাট চাই আছিল। যাদুকৰী শক্তিৰে প্ৰাকৃতিক শক্তিসমূহক নিয়ন্ত্ৰণ কৰি আৰু এৰিয়েলক নিয়োগ কৰি তেওঁ এল'ঞ্চ'ইঁতৰ জাহাজৰ বিপৰ্যয় ঘটাইছে হয়, কিন্তু যাত্ৰীসমূহৰ সলিল সমাধি তেওঁ বিচৰা নাই। অৱশ্যে এই দুৰ্ঘটনাৰ ফলত ফাৰ্ডিনাণ্ড আৰু পিতৃৰ বিচ্ছেদ ঘটিছে আৰু প্ৰস্পেৰ'ৰে বিচৰা ধৰণে এৰিয়েলে ইঙ্গিতধৰ্মী সংগীতৰ কৌতুহলী আবেশেৰে নেপলছৰ ৰাজকোৱৰক প্ৰস্পেৰ'ৰ বাসস্থানলৈ লৈ আহে। প্ৰস্পেৰ'ৰে বিচৰা ধৰণেই ফাৰ্ডিনাণ্ড আৰু মিৰাণ্ডাৰ মাজত প্ৰেমৰ সূত্ৰপাত ঘটে। এই প্ৰণয় ইমান সহজ আৰু আকস্মিক আছিল যে ইয়াৰ স্থায়িত্ব সম্বন্ধে প্ৰস্পেৰ' সন্দিহান হয়। নায়কৰ অনুৰাগ, ধৈৰ্য্য আৰু অবিচলতাক পৰীক্ষা কৰিবলৈ তেওঁ কঠোৰ শাৰীৰিক পৰিশ্ৰমৰ অমূলক শাস্তি প্ৰদান কৰে। ফাৰ্ডিনাণ্ডক এটা কুঠৰীত বন্দী কৰা হয়, খৰিৰ বোজা কঢ়িয়াবলৈ বাধ্য কৰোৱা হয়। অৱশ্যে অনভ্যস্ত এজন ৰাজকোঁৱৰৰ বাবে কষ্টসাধ্য এনে দশাই উভয়ৰে বাবে দুখ-যন্ত্ৰণা নমাই আনি তেওঁলোকৰ পাৰস্পৰিক অনুৰাগ গভীৰ কৰি তোলে; অদৃশ্য প্ৰস্পেৰ'ৰে দূৰৈৰ পৰা এই দৃশ্য প্ৰত্যক্ষ কৰি আহলাদিত হয়। ইপিনে এৰিয়েলৰ সহায়তেই প্ৰস্পেৰ'ৰে জাহাজখনৰ আটাইকে তীৰলৈ আনিব পাৰিছে আৰু আটাইকে ছত্ৰভংগ দিয়াইছে।

বহুৰূপী আৰু বহুমুখী ক্ষমতাসম্পন্ন প্ৰেতাত্মা এৰিয়েলেও অৱশ্যে এনেয়ে প্ৰস্পেৰ'ক সহায় কৰা নাই। সিও বিচাৰিছে বন্দীত্ব পৰা মুক্তি। প্ৰস্পেৰ'ৰে তাক মুক্তিৰ প্ৰতিশ্ৰুতি দিছিল, সেই কথা সি প্ৰস্পেৰ'ক সোঁৱৰাই দিছে। কিন্তু প্ৰস্পেৰ'ৰে যেতিয়া তাক অতীত সোঁৱৰাই দিছে, তাৰ মুক্তিৰ দাবী স্তিমিত হৈছে। প্ৰস্পেৰ'ৰে সোঁৱৰাই দিয়া মতে এৰিয়েলক তেওঁ এসময়ত ছিক'ৰেক্সৰ ভয়ংকৰ বন্দীত্বৰ গণমাপাশৰ পৰা মোকলাই আনিছিল। ইয়াৰ পিছতো যদি সি এতিয়া মুক্তি বিচাৰে, তাৰ শাস্তি ভয়ানক হ'ব বুলি প্ৰস্পেৰ'ৰে ভাবুকি প্ৰদান কৰিছে। যি কি নহওঁক, এৰিয়েল যেনেকৈ প্ৰস্পেৰ'ৰ অনুগত আৰু বিশ্বস্ত ভৃত্য, তাৰ বিপৰীতে ছিক'ৰেক্সৰ সন্তান কেলিবান গোৰাঁৰ আৰু বিদ্ৰোহী। যি ভাৱে যে যি অধিকাৰ সি মাতৃৰ পৰা উত্তৰাধিকাৰ সূত্ৰে লাভ কৰিছে, তাক নসাৎ কৰি প্ৰস্পেৰ'ৰে দ্বীপটো দখল কৰিছে আৰু তাক বন্দী কৰিছে। ইয়াৰ বিপৰীতে মিৰাণ্ডাক বলৎকাৰৰ চেষ্টাৰ অভিযোগত কেলিৰান অভিযুক্ত আৰু এয়াই তাৰ প্ৰতি মিৰাণ্ডা প্ৰস্পেৰ'ৰ অৱজ্ঞা আৰু ঘৃণাৰো অন্যতম কাৰণ। বিদ্ৰোহী কেলিবানে অৱশেষত প্ৰস্পেৰ'ক হত্যা কৰিবলৈ পৰিকল্পনা কৰে। ইয়াৰ বাবে সি দুৰ্ঘটনাগ্ৰস্ত জাহাজৰ এজন সুৰামন্ত লণ্ডৰা ষ্টেফানো আৰু জনৈক ট্ৰেংকুইলৰ ওচৰ চাপে আৰু ষ্টেফানোক দ্বীপটোৰ শাসনকৰ্তা হোৱাৰ আৰু মিৰাণ্ডাক বিয়া কৰোৱাৰ সম্ভাৱনা দেখুৱাই বিদ্ৰোহৰ বাবে সৈমান কৰায়। এই বিদ্ৰোহ আছিল তেনেই টুলুঙা আৰু স্থূল আয়োজন। অন্তৰ্যামী এৰিয়েলে এই

অভিসন্ধি গম পাই কূটকৌশলেৰে অথচ অতি সহজভাৱে এই বিদ্রোহ দমন কৰি আটাইকে বন্দী কৰে।

ইপিনে পুত্ৰ শোকত ম্ৰিয়মান এল'ঞ্চ' আৰু তেওঁৰ সঙ্গীসকলে ফার্ডিনাণ্ডক বিচাৰি দ্বীপটোৰ অৰঙে দৰঙে ঘুৰি ফুৰিছে। ছেবাষ্টিয়ানে এই দুৰ্ভাগ্যৰ বাবে যদি দোষাৰোপ কৰিছে ৰজা এল'ঞ্চ'ক, গঞ্জালোৱে তেওঁৰ আদৰ্শ মুক্তৰাষ্ট্ৰৰ বকলা মেলিছে। এনেতে অদৃশ্য এৰিয়েলৰ সংগীতত আটায়ে টোপনিত ঢলি পৰে; মাথো ছেবাষ্টিয়ান আৰু এণ্টনিঅ' সাৰে থাকে। দুয়ো এল'ঞ্চ'ৰ বিৰুদ্ধে ষড়যন্ত্ৰ কৰে। এল'ঞ্চ'ক ছেবাষ্টিয়ানক হত্যা কৰিলে। এল'ঞ্চ'ক হত্যা কৰিলে ছেবাষ্টিয়ান নেপলছৰ ৰজা হ'ব পাৰিব আৰু তেতিয়া এণ্টনিঅ' নেপলছৰ ৰজালৈ দিবলগীয়া নিয়মিত কৰৰ বোজাৰ পৰা মুক্তি পাব আৰু ঠিক এই মুহূৰ্ততে এৰিয়েলৰ আবিৰ্ভাৱ ঘটে আৰু তেনে কুটাঘাটৰ সম্ভাৱনা দূৰ হয়। ইয়াৰ পিছত এটা দৃশ্যত দেখা যায় যে এল'ঞ্চ' হঁতৰ সন্মুখত দেখা দিছে কেতবোৰ অপদেৱতাই, নৃত্যৰ ভংগিমাৰে সিহঁতে ভোজমেলৰ আয়োজন কৰিছে। আটায়ে খাবলৈ বহিলত ধুমুহা গাজনি আহিছে আৰু এৰিয়েলে এক অদ্ভুত আকৃতি লৈ সিহঁতৰ আগত দেখা দিছে। এই প্ৰাণীয়ে আটাইকে অতীতত কৃতকৰ্মৰ কথা সোঁৱৰাই দিছে আৰু সেই কৃতকৰ্মৰ বাবে অনুতাপ কৰি নতুনকৈ জীৱন আৰম্ভ কৰিবলৈ সকীয়াই দি অদৃশ্য হৈছে।

আনহাতে প্ৰস্পেৰ'ৰ পৰীক্ষাত ফার্ডিনাণ্ড সফলতাৰে উত্তীৰ্ণ হ'ল। প্ৰস্পেৰ'ৰে কথাখিনি ফার্ডিনাণ্ডৰ আগত ব্যক্ত কৰি সিহঁতৰ মিলনত সন্মতি প্ৰদান কৰিছে। ইয়াৰ পিছতেই বিবাহৰ মাংগলিক কাৰ্য সম্পাদন কৰিবলৈ প্ৰেতাত্মাসমূহে বিভিন্ন গ্ৰীক পূৰাণৰ দেৱীৰ ভাও লৈছে আৰু এখন ছো নাট (যাক (masque) বুলি কোৱা হয়) অনুষ্ঠিত কৰিছে। নাটত উপস্থাপিত এই ঐশ্বৰিক শক্তিসমূহে ফার্ডিনাণ্ড-মিৰাণ্ডাৰ যুগ্মজীৱনৰ এই দিন উৎযাপন কৰিছে আৰু সিহঁতক আশীৰ্বাদ দিছে।

প্ৰস্পেৰোৱে বিচৰা মতে এৰিয়েলৰ উদ্যোগত এল'ঞ্চ'হতঁক বন্দী কৰা হয় যদিও অৱশেষত প্ৰস্পেৰ'ৰ নিৰ্দেশমৰ্মেই আটাইকে মোকলাই সন্মুখলৈ অনা হ'ল। প্ৰস্পেৰ'ৰে পুনৰবাৰ আটাইৰে সন্মুখত নিজৰ কৃতকৰ্ম সোঁৱৰাই দি ক্ষমা কৰি দিয়ে। পুত্ৰ-বিচ্ছেদত শোকাকুল এল'ঞ্চ'ৰ লগত সন্মিলিত কৰোৱায় ফার্ডিনাণ্ডক আৰু সদ্য পৰিণীতা মিৰাণ্ডাক। প্ৰস্পেৰোৱে নিজৰ হেৰোৱা ৰাজ্যৰ ক্ষমতা ঘুৰাই পালে আৰু সৰ্বশেষত যাদুবিদ্যা ত্যাগ কৰা আৰু 'যাদু-গৃহ বিসৰ্জন প্ৰতিশ্ৰুতিৰে প্ৰস্পেৰোৱে আত্ম-সংশোধনৰ ইঙ্গিত দিয়ে। এৰিয়েল আৰু কেলিবানক মুক্তি দিয়া হয় আৰু নেপলছ আৰু মিলানলৈ প্ৰত্যাৱৰ্তনৰ বতৰাৰে নাটকৰ যৱনিকা পৰে।



অগ্রগতি নিৰীক্ষণ

নং ১ ঃ *দ্য টেম্পেষ্টৰ* মুখ্য চৰিত্রসমূহৰ চমু পৰিচয় দিয়ক।
(১৫০টা শব্দৰ ভিতৰত লিখক)

.....

প্ৰশ্ন নং ২ ঃ *দ্য টেম্পেষ্ট* নাটকৰ মূল বিষয়বস্তু কি?
(১৫০টা শব্দৰ ভিতৰত লিখক)

.....

১১.৩.২ *দ্য টেম্পেষ্টৰ* সাধাৰণ আলোচনা

আমি এতিয়া দ্য টেম্পেষ্ট নাটকখনিৰ অংক অনুযায়ী সাধাৰণ আলোচনা দাঙি ধৰিম। তাৰ আগেয়ে দুটামান কথা উনুকিয়াই থোৱাটো ভাল হ'ব।

প্ৰথম কথা, নাটকখনৰ কাহিনী (যাক action বুলিও ক'ব পৰা যায়) কোনো বিশেষ উৎসৰ ওচৰত ঋণী নহয়। অৱশ্যে শ্বেইক্সপীয়েৰে সেই সময়ৰ জনপ্ৰিয় ভ্ৰমণ সাহিত্য (Travel literature)ৰ পৰা ভালেখিনি উপাদান আত্মসাৎ কৰিছে। উদাহৰণস্বৰূপে, ১৬০৯ চনত ভাৰ্জিনিয়াৰ কোনো উপনিৱেশ অভিমুখে ৰাওনা হোৱা ইংলণ্ডৰ এখন জাহাজ সমুদ্ৰত দুৰ্ঘটনাক পতিত হোৱা ঘটনাটো "A Dreadful Tempest " নামৰ এক ভ্ৰমণ বৃত্তান্তত প্ৰকাশ পাইছিল। ১৬১০ চনত প্ৰকাশিত উইলিয়াম ষ্ট্ৰেৎসীৰ এই ভ্ৰমণ বৃত্তান্ত শ্বেইক্সপীয়েৰে ব্যৱহাৰ কৰিছে হয়, কিন্তু 'দ্যা টেম্পেষ্ট' ক A Dreadful Tempest ৰ অভিযোজনা বুলি ক'ব নোৱাৰি; নাটকখনত শ্বেইক্সপীয়েৰৰ সমৃদ্ধ জীৱন বীক্ষাৰ আৰু সমাজ চেতনাৰ লগত যুক্ত হৈছে তেওঁৰ ৰংগমঞ্চৰ বৰ্ণিল অভিজ্ঞতা। লেখক জীৱনৰ শেষৰ পিনৰ সৃষ্টি বাবেও কিজানি নাটকখন ৰংগমঞ্চৰ প্ৰতি শ্বেইক্সপীয়েৰৰ শ্ৰদ্ধাৰ্ঘ হিচাপে চাব পৰা যায়। আনহাতে এলিজাবেথীয় যুগৰ ৰংগমঞ্চৰ অৱস্থায়ো নাটকখনক বহুলাংশে প্ৰভাৱিত কৰিছে। আপুনি যদি The Tempest ৰ লগত প্ৰথমভাগৰ নাটকৰ (Loves Labour Lost ইত্যাদি) তুলনা কৰে, গম পাব যে The Tempest অধিকতৰ সূক্ষ্ম ব্যঞ্জনা, 'মুড' বা মেজাজৰ বিচিত্ৰ অথচ সাবলীল পৰিৱৰ্তন আৰু বিভিন্ন শব্দ-ধ্বনিৰ প্ৰয়োগেৰে সমৃদ্ধ। তদানীন্তন গ্ল'ব থিয়েটাৰৰ দৰে দিনৰ খোলা ৰংগমঞ্চৰ পৰিবেশত এনে নাটকৰ যথাযথ সূক্ষ্ম পৰিবেশনা সম্ভৱ নহয়। মন কৰিবলগীয়া যে The Tempest লিখাৰ আগেয়ে শ্বেইক্সপীয়েৰ কোম্পানীয়ে Black friar ৰ দৰে অন্তৰংগ নাট্যগৃহ ক্ৰয় কৰিছিল, য'ত ৰাতিৰ পৰিবেশত মমৰ শিখাৰ পোহৰত পৰিবেশনা, সূক্ষ্ম বাদ্যযন্ত্ৰৰ ব্যৱহাৰ আদি কাৰিকৰী সুবিধা উপলব্ধ আছিল। *দ্য টেম্পেষ্ট* এখন সম্পৰীক্ষামূলক নাটক। ট্ৰেজেডি, কমেডি বা ঐতিহাসিক নাটকৰ পৰিধি ভাঙি তেওঁ এক নতুন

সাহিত্য বৰ্গৰ (genre) সম্ভাৱনাসমূহ উদঘাটন কৰিছে। শেষৰ ফালে ৰচনা কৰা আটাইকেখন নাটকতে (Pericles, The Winters Tale, Cymberline, The Tempest) সমুদ্রযাত্রা আৰু জাহাজ দুৰ্ঘটনাৰ কথা আছে। কাহিনী কথন আৰু নাটকীয় উপস্থাপনৰ সম্পৰ্কক লৈও The Tempestত সম্পৰীক্ষা চলোৱা হৈছে। অবাস্তৱ, কল্পনাশ্রয়ী বা অতি প্রাকৃতিক উপাদানৰ পয়োভৰ ঘটিছে। তথাপি নাটকখনৰ গাঁথনি নিটোল। যেনে, সময় আৰু স্থানৰ ঐক্যৰ ৰীতি কেনেকৈ বৰ্তাই ৰখা হৈছে, সেয়া মন কৰিবলগীয়া। নাটকখনৰ ঘটনা-শৃংখল সংঘটিত হৈছে মায়াবী দ্বীপটোত। আনহাতে ভালকৈ মন কৰিলে গম পাব যে কাহিনীভাগ চাৰিঘণ্টামানৰ ভিতৰত সংঘটিত হৈছে। কাহিনীৰ যিখিনি অংশ সাময়িক ঐক্যৰ বাহিৰত ৰৈ গৈছে যেনে, প্রস্পেৰ'হঁতৰ পূর্ব ইতিহাস তাক কাহিনী কথনৰ জৰিয়তে বর্ণোৱা হৈছে।

এতিয়া মূল নাটকখনলৈ উভতি যাওঁ আহক। জাহাজ দুৰ্ঘটনাৰ পৰা মায়াবী দ্বীপত ফার্ডিনাণ্ডৰ বন্দীত্বলৈকে প্রথম অংকৰ বিস্তৃতি ভালেখিনি। নাটকখনৰ আৰম্ভনিয়েই তাৎপর্যপূর্ণ। সাগৰীয় ধুমুহাৰ চৰম বিপর্যয়ৰ মাজত চৰিত্রসমূহৰ চিঞৰ-বাখৰে দর্শক/ পাঠকক পোনচাতেই এক সংকটপূর্ণ মুহূর্তৰ মাজলৈ লৈ যায়। এনে চৰম বিপর্যয় আৰু সংকটৰ মুহুর্তত স্তৰবদ্ধ (hierarchial) সামন্তীয় সমাজৰ মিছা সম্ভ্রম ফুটুকাৰ ফেনত পৰিণত হৈছে। পৰিস্থিতিৰ প্রহসন মন কৰক। চাৰেঙৰ (boatswain) দৰে তলখাপৰ বিষয়াই হৈ পৰিছে ৰজা আৰু ৰাজন্যবর্গৰ ভাগ্যনিয়ন্তা, অথচ তেওঁৰ কঢ়া আৰু উচ্চ কণ্ঠৰ নির্দেশাৱলীয়ে এণ্ট'নিঅ'-ছেবাষ্টিয়ানহঁতৰ শাসকীয় শ্রেণী চেতনাত আঘাত কৰিছে। অৱশ্যে পৰৱর্তী দৃশ্যত আমি গম পাওঁ যে এয়া কোনো স্বাভাৱিক প্রাকৃতিক বিপর্যয় নহয়, ই প্রস্পেৰ'ৰ যাদুৰ ফল।

প্রথম দৃশ্যৰ পৰা দ্বিতীয় দৃশ্যলৈ পৰিপ্রেক্ষিত (perspective)ৰ এই সলনি চমকপ্রদ নহয় নে? মন কৰিব যে ই নিকটদৃষ্টিৰ পৰা দূৰদৃষ্টিলৈ, 'বস্তু' ৰ পৰা 'বিষয়ী'লৈ অথবা 'দৃষ্টি' ৰ পৰা 'দ্রষ্টা'লৈ দর্শক/পাঠকৰ মনোযোগ সলনি কৰিছে। এনে কৌশল চলচিত্রসূলভ নহয় নে? পৰিপ্রেক্ষিতৰ এনে সলনিয়ে এহাতে যদি প্রস্পেৰ'ক একধৰণৰ 'অতিমানৱীয়', শক্তিশালী (সমুদ্রৰ ধুমুহাতকৈও ক্ষমতাশালী) যাদুকৰ হিচাপে প্রতিষ্ঠা কৰে, ই এই পৰিকল্পিত 'ধ্বংসযজ্ঞ'ৰ আঁৰৰ ৰহস্য বা অভিপ্রায় সম্পর্কে আমাক কিছুদূৰ অনুসন্ধিৎসু কৰি তোলে। এই অনুসন্ধিৎসু দূৰ হয় প্রস্পেৰ'ৰ অতীত-বীক্ষণৰ মাজেদি। এই অতীত বৃত্তান্ত কিছু দীঘলীয়া; তাত মিৰাণ্ডাৰ ভূমিকা এক নীৰৱ শ্রোতাৰ। Dost thou hear me ধৰণৰ বাক্যৰে প্রস্পেৰ'ৱে জীয়াৰীৰ মনোযোগ আকর্ষণ কৰাৰ চেষ্টাই আওপকীয়াকৈ দর্শকৰো সঁহাৰি বিচাৰিছে; আৰু এনে ধৰণৰ হস্তক্ষেপ দীঘলীয়া বিৱৰণীৰ স্বাভাৱিক আমনিও দূৰ কৰিছে। যি কি নহওঁক এই বৃত্তান্ত মর্মে প্রস্পেৰ' ভাতৃৰ ষড়যন্ত্রৰ বলি। একে সময়তে প্রস্পেৰ'ৰ নিজৰ দুর্বলতাও ইয়াৰ মাজেৰেই ফুটি উঠিছে। যাদুবিদ্যাৰ অধ্যয়নৰ নামত তেওঁ

দেশ শাসনৰ নৈতিক দায়িত্ব নেওচা দিছে। আনহাতে গোপন বিদ্যা (secret studiees)ৰ সীমাবদ্ধতা আৰু অভিপ্রায় সম্বন্ধেও সন্দেহৰ অৱকাশ থাকে। এহাতে তেওঁ নিজৰ দেশত ৰাজনৈতিক ষড়যন্ত্ৰৰ ফলত এলাগী হৈছে। আনহাতে ইয়াৰ মোকাবিলা কৰিবলৈ যাওঁতে তেওঁ স্বাভাৱিক মানৱীয় অৱস্থাৰ পৰা আঁতৰি গৈছে।

প্রস্পেৰ'ৱে কেৱল প্রাকৃতিক শক্তিকেই নিয়ন্ত্রণ কৰা নাই; তেওঁ আনৰ মন বা মানসিকতাকো নিয়ন্ত্রণ কৰিছে। নিয়ন্ত্রণ কৰিছে জ্ঞানকো। তেওঁলোকৰ অতীত ৰহস্য তেতিয়ালৈকে মিৰাণ্ডাৰ অজানা আছিল; জাহাজ দুর্ঘটানাৰ আঁৰৰ ৰহস্য জানিব খোজাত মিৰাণ্ডাক তেওঁ শুৱাই থৈছে। কিয়? কাৰণ যাদুবিদ্যাৰ সহায়েৰে তেওঁ এটা বিৰাট পৰিকল্পনা বাস্তৱায়িত কৰিব খুজিছে, মিৰাণ্ডাৰ ভূমিকা নির্দিষ্ট আৰু সীমাবদ্ধ। তেওঁ ষড়যন্ত্রকাৰী শত্রুক নিজৰ কুঠৰীৰ সমুখত সমবেত কৰোৱাই অতীত অন্যায়ৰ মোকাবিলা কৰিব খুজিছে। তেন্তে এই পৰিকল্পনাত মিৰাণ্ডাৰ ভূমিকা কি? ফার্ডিনাণ্ডৰ লগত প্রেম আৰু বিবাহ। কিন্তু দ্বীপটোৰ আটাইবোৰ চৰিত্র আৰু সিহঁতৰ অভিব্যক্তি প্রস্পেৰ'ৰ নাটকৰ অংশ বুলি ভবাটো ভুল হ'ব। বহুক্ষেত্রত কলা আৰু প্রকৃতিৰ মাজৰ সীমাৰেখা অস্পষ্ট হৈ পৰিছে, সেয়ে ঘটনাসমূহৰ দ্বন্দ্ব বা দ্যর্থ নুই কৰা নাযায়। যেনে, প্রস্পেৰ'ৱে এৰিয়েলক ফার্ডিনাণ্ড সম্পর্কে একো নির্দেশনা দিয়া নাই যদিও ফার্ডিনাণ্ড-মিৰাণ্ডাৰ (দৈৱক্রমে সংঘটিত?) প্রেম প্রস্পেৰ'ৱে বিচৰা মতেই হৈছে।

Prospero: (Aside) It goes on, I sew. As my prompts it. Spirit, fine spirit, I will free thee within two days for this.

আনহাতে এই ৰোমান্সধর্মী প্রেমৰ মায়াবী আৱেশ প্রস্পেৰ'ৰ যাদুৰ মায়া বুলি ভবাৰো থল নথকা নহয়। কিন্তু সি যে স্বাভাৱিক সম্পর্ক (অন্ততঃ A Midsummer Night's Dream ৰ বটম আৰু টাইটানিয়াৰ অস্বাভাৱিক, হাস্যকৰ প্রেমৰ লেখিয়া নহয়), এনেকৈ এই সম্পর্ক যে প্রস্পেৰ'ৰ নিয়ন্ত্রণৰ বাহিৰলৈ গুচি যাব খুজিছে, সেয়া লক্ষণীয়।

এনে ভাবালুপ ৰোমান্সৰ কোমল আৱেশৰ বিপৰীতে কেলিবান মিৰাণ্ডাৰ বাকযুদ্ধলৈ লক্ষ্য কৰক; ইয়াত আছে খং, ঘৃণা, ৰুক্ষতা, বিদ্রোহ। বিপৰীত চৰিত্র, মেজাজ আৰু দৃষ্টিভংগীক একেই সহমর্মিতাৰে উপস্থাপন কৰাটো শ্বেইক্সপীয়েৰৰ চৰিত্র চিত্রনৰ এক বৈশিষ্ট্য। মিৰাণ্ডাৰ আদৰ যত্ন আৰু বিশ্বাসক নস্যাৎ কৰি কেলিবানে তাইক বলাৎকাৰ কৰিবলৈ চেষ্টা চলাইছিল— এয়া নিৰাণ্ডাৰ অভিযোগ; আৰু ই তাইক কেলিবানৰ প্রতি অস্বাভাৱিকভাৱে ৰুক্ষ মেজাজী কৰি তুলিছে। কিন্তু কেলিবানৰ সাংস্কৃতিক পটভূমিত সেয়া স্বাভাৱিক যৌনতাৰ বহিঃপ্রকাশ বুলিও ভাবিব পাৰি। কিন্তু ততোধিক গুৰুত্বপূর্ণ কথাটো হ'ল কেলিবানৰ স্বাভাৱিক স্বাচ্ছন্দ্য আৰু তাৰ বংশানুক্রমিক ৰাজনৈতিক অধিকাৰ খর্ব হোৱাটো আৰু তাৰ নীচ বন্দীত্বৰ দশা। আনহাতে বহিৰাগত শাসকৰ ভাষা শিকি অনুগত ভৃত্য হোৱাৰ সলনি কেলিবানে এক

ধৰণৰ বিদ্রোহী ৰাজনৈতিক ভাষাৰহে পোষকতা কৰিছে ।

You taught me language and my profit on't
Is I know how to curse.

একে সময়তে কেলিবানৰ সংগঠিত বিদ্রোহ তেনেই টুলুঙা আৰু হাস্যকৰ। প্ৰস্পেৰ'ৰ অত্যাচাৰত জৰ্জৰিত হ'লেও সুৰাসক্ত লণ্ডৰা ষ্টেফানো আৰু বহুৰা ট্রিংকলোৰ শৰণাপন্ন হোৱাৰ মাজেৰে তাৰ পৰাধীন ভৃত্যসূলভ মনোবৃত্তি প্ৰকাশ পাইছে। স্টেফানোৰ স্থূল আচৰণ আৰু কেলিবানৰ মনত তাৰ ভাবমূৰ্তিও অসামঞ্জস্যপূৰ্ণ আৰু ইয়েই সিহঁতৰ বিদ্রোহক হাস্যকৰ আয়োজনত পৰিণত কৰিছে। নাটকৰ বিষয়বস্তুৰ সামগ্রিক গাঁথনিত এই বিদ্রোহ ষড়যন্ত্রৰেই নামান্তৰ। অন্য এক স্তৰত বিপৰ্যস্ত, দিশভ্রস্ত এল'ঞ্চ'হতঁৰ মাজতো ষড়যন্ত্রই মূৰ দাঙি উঠিছে। এণ্টনিঅৰে ছেবাষ্টিয়ানৰ মনত ক্ষমতাৰ আকাংক্ষা জগাই তোলে আৰু ভাতৃ এল'ঞ্চ'ক হত্যা কৰি নেপলছৰ ৰাজপট দখল কৰাৰ বাবে প্ৰৰোচিত কৰে। অৰ্থাৎ ষড়যন্ত্রৰ বিষয়টো নাটকখনৰ কেন্দ্রীয় বিষয়বস্তু। এহাতে যদি মূল কাহিনীত আমি পাওঁ প্ৰস্পেৰ'ৰ বিৰুদ্ধে এণ্টনিঅ' এল'ঞ্চ'হঁতে কৰা ষড়যন্ত্র, ইয়াৰ লগত যুক্ত হৈছে প্ৰস্পেৰ'ৰ বিৰুদ্ধে কেলিবানহঁতৰ আৰু এল'ঞ্চ'ৰ বিৰুদ্ধে ছেবাষ্টিয়ানহঁতৰ ষড়যন্ত্রৰ উপকাহিনী। সেয়ে কোনো উৎকণ্ঠামূলক (thriller) উপন্যাসৰ দৰে কাহিনীৰ একমুখী গতিৰ মাজত নাটকখনৰ প্ৰকৃত তাৎপৰ্য বিচৰাটো শুদ্ধ নহ'ব; ঘটনা, পৰিস্থিতি আৰু মানৱ চৰিত্রৰ মিল আৰু বৈপৰীত্যৰ অনুধাৱন নকৰাকৈ The Tempestৰ সাৰৱত্তা ঢুকি পোৱা টান।

আনহাতে ঘটনাৰ বাহ্যিকতাৰ মাজতে শ্বেইক্সপীয়েৰৰ দৃষ্টি আৱদ্ধ নহয়; মানৱ মন আৰু প্ৰকৃতিৰ অন্তর্লীন জগতখনৰ নিগুঢ় অধ্যয়ন সমানেই তাৎপৰ্যপূৰ্ণ। মায়াবী দ্বীপটোৰ উপস্থাপনালৈ মন কৰকচোন। দ্বীপটোৰ ভৌগোলিক স্থিতি নিশ্চিত নহয়; 'বাৰ্মুডা'ৰ উল্লেখে যদি দ্বীপটোক আমেৰিকাৰ সমীপত অৱস্থিত কৰোৱায়, টিউনিছৰ পৰা নেপলছলৈ ওভতনি যাত্রাই ইয়াৰ ভূমধ্য সাগৰীয় অৱস্থিতিলৈ আঙুলিয়ায়। অন্যহাতে কেথার্জ, ইনিয়াছ আদি 'ইনিড'-কথিত স্থানৰ উল্লেখে অন্য ইঙ্গিত দিয়ে। অৰ্থাৎ দ্বীপটো এক অৰ্থত কল্পনাৰ সৃষ্টি আৰু ইয়াৰ ভিন্ন তাৎপৰ্য সম্ভৱ। যেনে এটা অৰ্থত দ্বীপটো যেন ৰঙ্গমঞ্চৰেই প্রতীক। কিন্তু চৰিত্রসমূহৰ বাবেও দ্বীপটোৰ তাৎপৰ্য বা অৰ্থ ভিন্ন। ইয়াৰ বৈপৰীত্য, দ্যৰ্থ আৰু অনিশ্চিত বাতাবৰণে চৰিত্রসমূহৰ সুকীয়া দৃষ্টিভংগীৰ কথাই সোঁৱৰায়। গঞ্জালোৰ চৰিত্র নিষ্কলুষ; ক্ষমতাৰ যুঁজ আৰু ষড়যন্ত্রৰ নাটত তেওঁৰ ভূমিকা নাই। সেয়ে দ্বীপটোৰ প্ৰতি তেওঁৰ দৃষ্টিভংগী ইতিবাচক ইয়াত তেওঁ উজ্বল সতেজ ঘাইঁৰ বিস্তৃতি লক্ষ্য কৰিছে। ছেবাষ্টিয়ান এণ্টনিঅ'ৰ মনত ষড়যন্ত্রৰ বীজ; তেওঁলোকৰ অভ্যন্তৰত নীচ ক্ষমতাৰ আকাংক্ষা। এতেকে দ্বীপটোৰ প্ৰতি তেওঁলোকৰ সুকীয়া দৃষ্টিভংগীয়ে তেওঁলোকৰ স্বৰূপ উদঙাইছে। এই কথোপকথনখিনি মন কৰক ঃ

Adrian : The air breathes upon us here most sweetly
Sebastian : As if it hed lungs, and rotten ones.
Antonio : Or as' twere perfumed by a fen.
Gonzalo : Here is everthing advantageous to life.
Antonio : True i save means to live
Sebastion : of that thero's none, or little
Gonzalo : How lush and lusty the gress looks! How green!

(দ্বিতীয় অংক, প্ৰথম দৃশ্য)

যি কি নহওঁক, নাটকখনৰ মূল চৰিত্ৰ প্ৰস্পেৰ'। তেওঁক মূল নায়ক বুলি ক'ব পাৰো নে নোৱাৰো সেয়া আলোচনা বা তৰ্কৰ বিষয়ো হ'ব পাৰে, কিয়নো বহুক্ষেত্ৰত প্ৰস্পেৰ'ৰ ভূমিকা খলনায়কৰহে। কেলিবানৰ প্ৰতি কৰা আচৰণ, এনেকি প্ৰিয় ভৃত্য এৰিয়েলৰ প্ৰতি প্ৰদৰ্শন কৰা নিষ্ঠুৰতা বীৰোচিত নহয়। কিন্তু এইটো ঠিক যে প্ৰস্পেৰ'ৰ যাদুকৰী শক্তিৰ সৰ্বাত্মক প্ৰয়োগৰ আঁৰত অতীত অন্যায়ৰ এটা প্ৰেক্ষাপট আছে। তেওঁ শত্ৰুক সমুখত সমবেত কৰোৱাই সেই অন্যায়ৰ মোকাবিলা কৰিব খোজে; হেৰুৱা ৰাজপাট ওভতাই পাব খোজে। অৱশ্যে ফার্ডিনাণ্ড-মিৰাণ্ডাৰ মিলন তেওঁ বিচৰাৰ আঁৰৰ ইঙ্গিতটো শত্ৰুক বিনাশ কৰাৰ নহয়, বৰং নেপলছ আৰু মিলানৰ মাজত ৰাজনৈতিক সন্ধি স্থাপনহে। এতেকে শত্ৰুৰ সৈতে মোকাবিলা কৰাৰ অর্থ হ'ল এনে এক পৰিস্থিতিৰ জন্ম দিয়া য'ত এল'ঞ্চ'ইঁতে নিজৰ কৃতকর্মৰ বাবে অনুতাপ কৰিবলৈ বাধ্য হয়। অদ্ভুত আকৃতিৰ জীৱৰ নৃত্যই অতি প্ৰাকৃতিক পৰিৱেশৰ সৃষ্টি কৰি এল'ঞ্চ'-এণ্টনিঅ'ইঁতক সন্ত্ৰষ্ট সচকিত কৰি তোলে; এনে এক পৰিবেশতেই এল'ঞ্চ'ৱে কৈ উঠে ঃ "Omonstrous, monstrous I monstrous" শব্দটো দ্ব্যর্থবোধক - ই ভূত পিশাচৰ কিম্ভূত কিমাকাৰ ৰূপৰ কথা সূচাব পাৰে, অথবা নিজৰ অভ্যন্তৰত থকা কদাকাৰ অভিপ্ৰায়ৰ বা পাপবোধৰ স্বীকাৰোক্তিৰ ইঙ্গিঁত দিব পাৰে। ইয়াৰ বিপৰীতে কিন্তু ছেবাষ্টিয়ান বা এণ্টনিঅ'ৰ মনত পাপবোধৰ কোনো ৰেশ নাই। ই এক চিন্তনীয় বিষয়। ইপিনে নিষ্কলুষ, ধীমান গঞ্জালো এনে অতি প্ৰাকৃতিক পৰিৱেশত বিচলিত হোৱা নাই।

নাটকখনৰ পৰিণতি ইতিবাচক। কেলিবান আৰু এৰিয়েলৰ মুক্তি, প্ৰস্পেৰ'ৰ যাদুবিদ্যা বিসর্জন, এল'ঞ্চ'ৰ প্ৰায়শ্চিত্ত, মিৰাণ্ডা-ফার্ডিনান্ডৰ বিবাহ, মিলান আৰু নেপলছৰ ৰাজনৈতিক মিত্ৰতা, প্ৰস্পেৰ'ৰ হেৰোৱা ৰাজনৈতিক ক্ষমতা প্ৰাপ্তি — এনে পৰিণতিয়ে মেডিৰ সাহিত্য বর্গীয় চর্তসমূহ পূৰণ কৰে। কিন্তু ই প্ৰস্পেৰ'ৰ মানসিক পৰিৱর্তনৰো ইঙ্গিত কঢ়িয়াই আনিছে। দেশ শাসনৰ গুৰু-দায়িত্ব নেওচা দি গোপন অধ্যয়নত নিমগ্ন প্ৰস্পেৰোৰে যাদুবিদ্যা বিসর্জন দি পুনৰ মিলানৰ শাসনকার্যৰ গুৰুভাৰ কান্ধ পাতি লৈছে। কিন্তু শ্বেইক্সপীয়েৰৰ বহুমাত্ৰিক চেতনাই একোটা মানৱীয় পৰিস্থিতিৰ

ভিন্ন তাৎপর্য উদঘাটন কৰে। সেয়ে দেশ শাসন আৰু ৰাজনৈতিক ষড়যন্ত্ৰৰ ওপৰত নির্ভৰ কৰি ৰচিত কাহিনীৰ কোনো মূহুর্তত আধ্যাত্মিকতাৰো প্রতিধ্বনি শুনা যায়। মিৰাণ্ডাহঁতৰ বিবাহৰ মাংগলিক ক্ষণত অনুস্থিত হৈছে এখনি ছো নাট (masque); বিভিন্ন প্রেতাত্মাই সৰগৰ দেৱ-দেৱীৰ ৰূপ লৈ জাকজমক পৰিৱেশত এই নাট প্রদর্শন কৰিছে। এনে এক মুহূর্তত প্রস্পেৰ'ৰে কৈ উঠিছে ঃ

These our actors,
As I foretold you, were all spirits and
are melted into air, into thin air :
And like the bascless fabric of this viesion,
The cloud capped towrs, the gorgeous palaces,
The solemn temples, the great globe itself
yea all which it inheritl, shall dissolve,
And like this insubstantial pageant faded,
Leave not a rack behind.

(চতুর্থ অংক, প্রথম দৃশ্য)

এই অশৰীৰী প্রেতাত্মাৰ নাটৰ দৰেই যেন এই সংসাৰ মায়া, ইয়াৰ চৰিত্রসমূহ বায়ুভুত ৰঙ্গমঞ্চৰ অভিনয়ৰ দৰেই (লণ্ডন চহৰ আৰু গ্লো'ব থিয়েটাৰৰ ৰঙ্গমঞ্চ মন কৰক) ক্ষণস্থায়ী! কিন্তু এনে বিৰল আধ্যাত্মিক উপলব্ধিৰ পাছত কেলিবানৰ নীচ কুটাঘাত সম্পর্কে প্রস্পেৰ' হঠাৎ সচেতন হৈ পৰিল কিয়? যদিও এটি মুহূর্তত যুদ্ধ বিগ্রহ ক্ষমতাৰ আকাংক্ষা ইত্যাদিৰে আকীর্ণ এই সংসাৰৰ ক্ষণস্থায়িত্ব প্রস্পেৰ'ৰে উপলব্ধি কৰিছে, তেওঁ নিজেই কিন্তু ইয়াৰ দোষ-দুর্বলতাৰ পৰা মুক্ত হ'ব পৰা নাই। যেনে, কেলিবানৰ প্রতি তেওঁৰ মনোভাৱৰ বিশেষ পৰিৱর্তন হোৱা নাই। তেওঁৰ নির্দেশত এৰিয়েলে কেলিবানক মোকলাই দিছে হয়, কিন্তু নেতিবাচক ধৰণেই তাক শেষ পাঠত তেওঁ বর্ণনা কৰিছে ঃ "This misshapen Knave, This demi devil, This thing of darkness" ইত্যাদি। অর্থাৎ সদা-অনুগত এৰিয়েলক যি আনন্দ আৰু প্রশংসাৰে তেওঁ বিদায় দিছে, কেলিবানক মুক্তি দিছে এক ধৰণৰ বিৰক্তি অথবা ঘৃণাত। গভীৰ মানৱীয়তাৰ স্পর্শ তাত নাই।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ *দ্য টেম্পেষ্টৰ* চৰিত্রসমূহত মানৱীয় দিশৰ প্রকাশ কি দৰে ঘটিছে? (২০০টা শব্দৰ ভিতৰত লিখক)

.....

১১.৩.৩ *দ্য টেম্পেষ্টৰ* চৰিত্ৰ চিত্ৰণ

চৰিত্ৰ চিত্ৰণৰ বিষয়ে আলোচনা কৰিবলৈ যোৱাৰ আগেয়ে নাটকখনৰ চৰিত্ৰসমূহৰ চমু পৰিচয় দাঙি ধৰা হ'ল।

প্ৰস্পেৰ' ঃ নাটকখনৰ মূল নায়ক। এটি মায়াবী দ্বীপৰ বাসিন্দা প্ৰস্পেৰ'ৰে যাদুবিদ্যাৰ গুণত দ্বীপটোৰ প্ৰেতাত্মা আৰু প্ৰাকৃতিক শক্তিসমূহৰ ওপৰত নিয়ন্ত্ৰণ সাব্যস্ত কৰিছে। মিলানৰ ভুতপূৰ্ব ডিউক প্ৰস্পেৰ'ক ভায়েক এণ্ট'নিঅ'ৰে কুট-কৌশলেৰে দেশান্তৰিত কৰিছিল।

মিৰাণ্ডা ঃ প্ৰস্পেৰৰ জীয়াৰী। তিনিবছৰ বয়সতেই পিতৃৰ লগত দেশান্তৰিত হৈ মায়াবী দ্বীপটোত বাস কৰা মিৰাণ্ডাই অৱশেষত নেপলছৰ ৰাজকোঁৱৰৰ প্ৰেমত পৰে।

এৰিয়েল ঃ দ্বীপটোৰ এক প্ৰেতাত্মা যি প্ৰস্পেৰ'ৰ যাদু কাৰ্যকৰী কৰে। এৰিয়েল বহুমুখী ক্ষমতাসম্পন্ন অদৃশ্য প্ৰেতাত্মা আৰু বিভিন্ন ভেশ, শব্দ আৰু কাৰ্যৰে সি প্ৰস্পেৰ'ৰ প্ৰতিটো নিৰ্দেশ দক্ষতাৰে পালন কৰে।

কেলিবানঃ ছিক'ৰাক্স নাম ডাইনীৰ সন্তান। প্ৰথমে কেলিবান প্ৰস্পেৰ' আৰু মিৰাণ্ডাৰ পুতৌ মৰমৰ পাত্ৰ আছিল; ঘটনাক্ৰমে সি প্ৰস্পেৰ'ৰ বন্দী আৰু ভৃত্যলৈ পৰ্যবসিত হয়।

এণ্টনিঅ' ঃ বৰ্তমানৰ মিলানৰ ডিউক তথা প্ৰস্পেৰ'ৰ ভাতৃ। তেতিয়াৰ তেৰেই প্ৰস্পেৰ'ক মিলানৰ পৰা নিৰ্বাসিত কৰিছিল।

এল'ঞ্চ' ঃ নেপল্‌ছৰ ৰজা। তেওঁ মিলানক নেপল্‌ছৰ অধীনস্থ কৰিবলৈ প্ৰস্পেৰ'ক ক্ষমতাচ্যুত আৰু দেশান্তৰিত কৰাত এণ্টানিঅ'ক সহায় কৰিছিল।

ফাৰ্ডিনাণ্ড ঃ নেপলছৰ ৰাজকোঁৱৰ আৰু এল'ঞ্চৰ পুত্ৰ। ঘটনাক্ৰমে প্ৰস্পেৰ'ৰ জীয়াৰী মিৰাণ্ডাৰ লগত প্ৰেমৰ সূত্ৰপাত হয়।

গঞ্জালো ঃ এল'ঞ্চৰ এজন জ্ঞানী আৰু বিবেচক মন্ত্ৰী। এণ্টনিঅ'- এল'ঞ্চ'ই মৃত্যুৰ মুখলৈ ঠেলি দিয়া প্ৰস্পেৰ'ই গঞ্জালোৰ সহায়তেই প্ৰাণ ৰক্ষা কৰিবলৈ সক্ষম হয়।

মন কৰিব যে এনে চৰিত্ৰ-পৰিচিতি নাটকখনৰ পঠন (reading)ৰ সুবিধাৰ বাবে প্ৰয়োজন, কিন্তু 'চৰিত্ৰ' ৰ ধাৰণাৰ লগত নাটকত ৰূপায়িত ব্যক্তি-সত্তাৰ নৈতিক-আধ্যাত্মিক, বৌদ্ধিক আৰু আবেগিক দিশবোৰ জড়িত হৈ থাকে। গভীৰ পঠনৰ জৰিয়তেহে আৰু নিজৰ চিন্তা আৰু বিবেচনা শক্তি প্ৰয়োগ কৰিহে আমি শ্বেইক্সপীয়েৰে নিৰ্মাণ কৰা চৰিত্ৰৰ মৰ্ম অনুধাৱন কৰিবলৈ সক্ষম হ'ম।

শ্বেইক্সপীয়েৰে নিশ্চয় পোনপটীয়াকৈ দৰ্শকৰ সমুখত চৰিত্ৰসমূহক পৰিচয় কৰাই দিয়া নাই। মূলতঃ নাটকীয় ঘটনা (action)ৰ উপস্থাপনৰ জৰিয়তেই চৰিত্ৰসমূহক

ৰূপায়িত কৰা হৈছে। কিন্তু নাটকীয় ঘটনাও নিশ্চয় সাধু কথা কোৱাৰ নিচিনাকৈ বর্ণিত হোৱা নাই, ববং সেয়া ৰূপায়িত হৈছে নাটকীয় ভাষাৰ মাধ্যমেৰে। কি এই নাটকীয় ভাষা? নাটক মূলতঃ পঠনৰ বাবে নহয়; ই দর্শকক প্রদান কৰে এক ধৰণৰ মূর্ত অভিজ্ঞতা। দৃশ্য, শব্দ, অভিনয়, সংলাপ, সংগীত ইত্যাদিৰ সমাহাৰেৰে ই দর্শকক এক ইন্দ্রিয়জ অভিজ্ঞতা প্রদান কৰে। নাটকৰ ভাষা এই ইন্দ্রিয় গ্রাহ্য অভিজ্ঞতাৰ ভাষা। অভিনেতাৰ অংগী-ভংগী, সংলাপ আৰু অন্যান্য শব্দ, সাজ-সজ্জা, সংগীত, নীৰৱ মুহূর্ত এই আটাইবোৰেই এই নাটকীয় ভাষাৰ জন্ম দিয়ে। অর্থাৎ চৰিত্রায়নৰ সৈতে এই আটাইবোৰ দিশ জড়িত। কিন্তু শ্বেইক্সপীয়েৰৰ সময়ৰ ৰঙ্গমঞ্চৰ লগত আজিৰ ৰঙ্গমঞ্চৰ তুলনা নহয়। খোলা ৰঙ্গমঞ্চত দিনৰ পোহৰত আৰু ধ্বনি ব্যৱস্থাৰ ব্যতিৰেকে নাটকবোৰ পৰিবেশন কৰা হৈছিল (অৱশ্যে দ্য টেম্পেষ্ট' লিখাৰ শ্বেইক্সপীয়েৰে ব্লেকফ্রায়াৰচ্ থিয়েটাৰৰ দৰে উন্নত কাৰিকৰী পদ্ধতিৰ অন্তৰঞ্চ থিয়েটাৰৰ সুবিধা লাভ কৰিছিল) আনহাতে সকলো ধৰণৰ ঘটনা দর্শকৰ আগত দেখুওৱাৰ দস্তুৰো নাছিল। এতেকে মৌখিক ভাষা বা সংলাপৰ গুৰুত্ব আছিল অপৰিসীম। সংলাপে চৰিত্রসমূহক অর্থাৎ সিহঁতৰ ভিতৰৰ ভাৱ-অনুভূতিক) দর্শকৰ আগত উন্মোচিত কৰে, এনেকি বহুক্ষেত্রত মঞ্চত উপযাপন কৰিবলৈ আহুকলীয়া কোনো কার্য সংলাপেই 'সম্পাদন' কৰে।

শ্বেইক্সপীয়েৰৰ নাটকত চৰিত্রসমূহৰ লগত সিহঁতৰ অভিপ্রায় (motive)ৰ কথাটো বহুক্ষেত্রত অঙ্গাঙ্গীভাৱে জড়িত। এই অভিপ্রায় সকলো সময়তে সংলাপৰ জৰিয়তে ওলাই পৰিব বুলি কথা নাই। প্রস্পেৰ'ৰ কথাই ধৰক। যাদুকৰী শক্তিৰে তেওঁ চলমান জাহাজ এখনক উত্তাল সমুদ্রৰ বুকুত দুর্ঘটনাগ্রস্ত কৰোৱাইছে, কিন্তু ইয়াৰ আঁৰৰ অভিপ্রায় তেওঁ মিৰাণ্ডাৰ আগত বেকত কৰা নাই। কিন্তু গভীৰ ষড়যন্ত্র আৰু অন্যায়ৰ বলি যাদুকৰ গৰাকীয়ে কেৱল এক ধর্ষকামী মনৰ আসুৰিক তৃপ্তিৰ বাবেই যে এই দুর্ঘটনা সংঘটিত কৰোৱা নাই, সেয়া পাছলৈ পৰিষ্কাৰ হৈ আহে। কিন্তু তেওঁৰ মূল অভিপ্রায় শত্রুৰ দমন নে ক্ষমা আৰু কৰুণাৰ জৰিয়তে দুই শত্রু দেশৰ (নেপল্ছ আৰু মিলান)ৰ ৰাজনৈতিক মিত্রতা স্থাপন — সেয়া এক বিবাদমান বিষয়। ঠিক তেনেদৰে কেলিবানৰ প্রতি শেষ মেষ তেওঁৰ মনোভাৱ সহজে ঠাৱৰ কৰিব নোৱাৰি। কেলিবানৰ প্রতি প্রস্পেৰ'ৰ বিদ্বেষ আৰু ঘৃণা সর্বজনবিদিত, কিন্তু শেষৰ মিলনৰ মুহূর্তত তেওঁ কেলিবানৰ প্রতি সহমর্মিতা অনুভৱ কৰিছেনে? যেতিয়া বিদ্রোহী কেলিবানৰ দলটোলৈ আঙুলিয়াই প্রস্পেৰ'ৱে এল'ঞ্চ'ক কয় ঃ

Two of theso fellows you
Must know and own; this thing of
Darknes I acknowledge mine.

এই 'thing of darkness'-এ কেলিবানকেই সূচাইছে, নে কলিবানৰ লগত

সাঙুৰি দিয়া কেতবোৰ বদ্ গুণ নিজৰেই স্বভাৱৰ প্ৰক্ষেপণ বুলি স্বীকাৰ কৰিছে? আচলতে শ্বেইক্সপীয়েৰৰ নাটকসমূহ কেৱল ষড়যন্ত্ৰ, ক্ষমতাৰ যুজ, হত্যা, প্ৰতিশোধ আদি বহির্মুখী ঘটনাৰেই ৰূপায়ণ নহয় অথবা প্ৰেম-প্ৰতাৰণা পুনর্মিলনৰ বৃত্তান্ত নহয়। মানৱ-চৰিত্ৰৰ যি বৈচিত্ৰ্য আৰু গভীৰতা শ্বেইক্সপীয়েৰে ৰূপায়ন কৰিছে, সেয়া সঁচাকৈয়ে বিস্ময়কৰ। এই ৰূপায়নৰ ক্ষেত্ৰত মূখ্য ভূমিকা পালন কৰিছে ভাষাই। শ্বেইক্সপীয়েৰৰ ভাষা এনে ব্যঞ্জনাময় যে আপুনি যদি একোটা চৰিত্ৰক গভীৰভাৱে আৰু সম্পূৰ্ণকৈ অনুধাৱন কৰিব বিচাৰে, কেৱল সামগ্ৰিক কাহিনীৰ প্ৰেক্ষাপটতেই আপুনি চৰিত্ৰটোক বুজি নাপাব; ভাষা আৰু সংলাপৰ কেতবোৰ নিগুঢ় অথচ বিপৰীতধৰ্মী ইঙ্গিতে আপোনাৰ ইতিপূৰ্বে আৰ্জিত বোধক সাময়িকভাৱে নস্যাৎ কৰিবও পাৰে। অর্থাৎ শ্বেইক্সপীয়েৰৰ বাবে 'চৰিত্ৰ' ৰূপায়ণৰ যি প্ৰকল্প সেয়া মূলতঃ ভাষাৰ প্ৰকল্প। আমাৰ বাবেও চৰিত্ৰক অনুধাৱন কৰাৰ যি চেষ্টা হ'ব, সি ভাষাক অনুধাৱন কৰাৰ চেষ্টাই।

চৰিত্ৰায়নৰ লগত অভিপ্ৰায়ৰ সম্পৰ্ক সন্দৰ্ভত এণ্ট'নিঅ' আৰু ছেবাষ্টিয়ানৰ কথা ক'ব পাৰি। এয়া প্ৰথমতেই প্ৰতিপন্ন হৈছে যে এণ্ট'নিঅ'ৰ ষড়যন্ত্ৰৰ ফলশ্ৰুতিত প্ৰস্পেৰ'ৰে নির্জন দ্বীপত জীৱন যাপন কৰিবলগীয়া হৈছে। আনহাতে এল'ঞ্চ'ৰ লগত তেওঁৰ সম্পৰ্ক ক্ষমতাৰ লালসাই গঢ়ি তোলা সম্পৰ্ক। সেই একেই ক্ষমতা আৰু প্ৰতিপত্তিৰ আকাংক্ষাই তেওঁৰেই ৰাজনৈতিক প্ৰভু এল'ঞ্চ'ৰ হত্যাৰ ষড়যন্ত্ৰৰ বাবে এণ্টনিঅ'ক লালায়িত কৰিছে। সেই একেই ৰাজনৈতিক ক্ষমতাৰ লোভ দেখুৱাই তেওঁ ছেবাষ্টিয়ানক ভাতৃ-হত্যাৰ বাবে প্ৰৰোচিত কৰিছে। মন কৰিবলগীয়া কথাটো হ'ল চৰিত্ৰসমূহৰ এনে অভিপ্ৰায় নাটকীয় ঘটনাৰ চালিকা শক্তি। মন কৰিব যে নাটকখনত নিদ্ৰাৰ এক নিঃসাৰ, জয়াল পৰিবেশত এণ্ট'নিঅ' আৰু ছেবাষ্টিয়ানৰ এই গোপন অভিযন্ধিয়ে দর্শকক সচকিত কৰে আৰু কাহিনীৰ এক অপ্রত্যাশিত গতিৰ আগতীয়া ইঙ্গিত দিয়ে। অনুৰূপ ধৰণে কেলিবানেও ষ্টেফানোক ক্ষমতা দখলৰ ৰাজনৈতিক টোপ দি প্ৰস্পেৰ'ৰ হত্যাৰ বাবে প্ৰৰোচিত কৰে। কিন্তু কেলিবানৰ বিদ্রোহৰ সেই গম্ভীৰতা নাই; এক স্থুল, হাস্যকৰ আয়োজন হিচাপেই তাক ৰূপায়িত কৰা হৈছে। অর্থাৎ প্ৰতিষ্ঠান বিৰোধী বিদ্রোহৰ অভিব্যক্তি হিচাপে প্ৰক্ষেপ কৰাতকৈও বোধকৰো নাট্যকাৰে কেলিবানৰ ষড়যন্ত্ৰক এণ্টনিঅ'হঁতৰ ষড়যন্ত্ৰৰ প্ৰতি ভেঙুচালি হিচাপে দেখুৱাইছে।

নাটকখনৰ গঠন-শৈলীৰ দিশৰ পৰা লক্ষ্য কৰিলে আমি পাওঁ যে একেটা বিষয় বিভিন্ন স্থান আৰু সময়ৰ প্ৰেক্ষাপটত আৰু বিভিন্ন স্তৰত বিভিন্ন চৰিত্ৰই ৰূপায়িত কৰিছে। যেনে, ষড়যন্ত্ৰৰ বিষয় (theme)টো এটা স্তৰত এণ্টমিঅ' আৰু এল'ঞ্চ'ৰে ৰূপায়িত কৰিছে, আন এক প্ৰেক্ষাপটত এণ্টনিঅ' আৰু ছেবাণ্টিয়ালেও ষড়যন্ত্ৰ কৰিছে এল'ঞ্চ'ৰ বিৰুদ্ধে। সামাজিক শৃংখলাৰ 'নিম্ন' স্তৰত কেলিবান ষ্টে'ফানোহঁতে প্ৰস্পেৰ'ৰ বিৰুদ্ধে অভিসন্ধি কৰিছে। কিন্তু চৰিত্ৰক একোটা বিষয় ৰূপায়নৰ সঁজুলি

হিচাপে ব্যৱহাৰ কৰিলেও চৰিত্ৰৰ স্বাভাৱিক (চৰিত্ৰানুগ) চাল-চলন, সিহঁতৰ অন্তৰ্লীন জীৱনটো শ্বেইক্সপীয়েৰে আওকাণ কৰা নাই।

কেলিবানৰ কথাই ধৰক। তাৰ প্ৰথমার্ধৰ বিদ্ৰোহী মেজাজ আৰু চিন্তাৰ যি আবেদন, পাছৰ ষড়যন্ত্ৰৰ হাস্যকৰ আয়োজনত হয়তো কিছু স্তিমিত। কিন্তু ভাল/বেয়া বা শুভ/অশুভৰ এক চিৰস্থায়ী পৰিমাণেৰে শ্বেইক্সপীয়েৰে মানৱ-চৰিত্ৰক মূল্যায়ন কৰা নাই। চৰিত্ৰসমূহৰ সম্ভাৱনা আৰু সীমাবদ্ধতা দুয়োটাই শ্বেইক্সপীয়েৰে আঙুলিয়াই দিছে। যি কেলিবানে শাসকৰ ভাষাৰেই শাসকৰ বিৰুদ্ধাচৰণ কৰাৰ অৰ্থবহ ইঙ্গিত দিছিল, সেই কেলিবানেই প্ৰস্পেৰ'ক হত্যা কৰিবলৈ গৈ সুৰাসক্ত ষ্টেফানোৰ শৰণাপন্ন হৈ নিজৰ স্বাভাৱিক সম্ভ্ৰম লাঘৱ কৰিছে। কিন্তু আপাতঃ দৃষ্টিত ক্ৰৰ, কুন্ধছ বা পশুতুল্য বুলি নিন্দিত আৰু বলৎকাৰৰ চেষ্টাৰ অভিযোগেৰে অভিযুক্ত সেই কেলিবানৰ এক অনন্য, লিৰিকেল অন্তৰ্লীন জীৱনটো নাট্যকাৰে সহানুভূতিৰে উন্মোচন কৰিছে ঃ

Caliban : Be not afeard: the isle is full of noises,
Sounds and sweet airs that give delight and hurt not.
Sometimes a thousand twengling hum.
Will instrow about mine ears; and sometimes voices
That, if I then had waked after long sleep,
Will make me sleep again; and then, in dreaming,
The clouds methought would open and how riches.
Ready to drop upon me, that when
I waked I cried to dream again.

চৰিত্ৰসমূহৰ যাপিত জীৱনৰ অভিজ্ঞতা আৰু সিহঁতৰ এই অন্তৰ্লীন জীৱনটোৰ প্ৰতি নাট্যকাৰৰ গভীৰ সহানুভূতি আৰু মনোযোগৰ লগত যুক্ত হৈছে সিহঁতৰ নিজস্ব দৃষ্টিভংগীৰ প্ৰতিষ্ঠা। কেলিবান আৰু মিৰাণ্ডাৰ মাজৰ বিৰোধৰ কথাটোৱেই ধৰক। কেলিবানৰ প্ৰতি মিৰাণ্ডাৰ ঘৃণা আৰু অৱজ্ঞাৰ এটা ভিত্তি নথকা নহয়, কিয়নো এবাৰ সি মিৰাণ্ডাক বলাৎকাৰ কৰিব খুজিছিল। কিন্তু কেলিবান সম্পৰ্কে নাট্যকাৰে কোনো নৈতিক সিদ্ধান্ত জাপি দিয়া নাই, বৰং গাঁঠি দিছে দুই বিপৰীত বৃত্তান্ত বা ব্যাখ্যা। এই দুই বৃত্তান্ত সমানেই শক্তিশালী। প্ৰস্পেৰ'-মিৰাণ্ডাই আগবঢ়োৱা বৃত্তান্তটো হ'ল— দমনবশতঃ কেলিবানক ভাষা শিকোৱা হৈছে, আদৰ যত্ন লোৱা হৈছে, অথচ ইয়াৰ প্ৰতিদান স্বৰূপে কেলিবানে মিৰাণ্ডাক বলাৎকাৰ কৰিবলৈ উদ্যত হৈছে। কেলিবানৰ বৃত্তান্ত অন্য। সি ঘোষণা কৰিছে যে উত্তৰাধিকাৰ সূত্ৰে এই দ্বীপৰ গৰাকী সি, অথচ অন্যায়ভাৱে তাৰ হাতৰ পৰা দ্বীপটোৰ শাসনভাৰ কাঢ়ি লোৱা হৈছে। প্ৰস্পেৰ'ই যচা দয়া-মৰম নিস্বাৰ্থ নাছিল, কাৰণ দ্বীপটোৰ সকলো সম্পদৰ যাৱতীয় জ্ঞান প্ৰস্পেৰ'ক কেলিবানেই দিছিল আৰু অৱশেষত তাক নিৰ্জন শিলৰ কুৰাৰীলৈ নিক্ষেপ কৰি প্ৰস্পেৰ'ৱে স্বৰূপ উদঙাই দেখুৱাইছিল।

১১.৩.৪ *দ্য টেম্পেষ্টৰ* সংলাপ

শ্বেইক্সপীয়েৰৰ নাটকসমূহত মঞ্চ-নির্দেশনা তেনেই চুটি। আনহাতে, কাহিনীৰ আওঁতাৰ ভিতৰত যিবোৰ ঘটনা সংঘটিত হয়, সেই আটাইবোৰ ৰংগমঞ্চত উপস্থাপন কৰা সম্ভৱ নহয়। কেতবোৰ ঘটনা (action) মঞ্চত দেখুওৱাৰ নাটকীয় পৰম্পৰা নাই, আনহাতে আন কেতবোৰ ঘটনা উপস্থাপন কৰাটো কাৰিকৰীভাৱে সম্ভৱ নহয়। ইয়াৰ বিপৰীতে এলিজাবেথীয় ৰঙ্গমঞ্চৰ গাঁথনিয়েই এনে যে তাত অতি উচ্চ স্ৱৰৰ পৰা নিম্নগ্ৰামৰ স্ৱৰলৈ বিভিন্ন তীক্ষ্ণতাৰ কণ্ঠ সফলভাৱে প্ৰক্ষেপিত হ'ব পাৰে। গতিকে নাটকসমূহত সংলাপৰ দায়িত্ব বহুত। প্ৰথম কথা, সংলাপে ঘটনাৰ পটভূমি (setings) নির্দেশ কৰে। যেনে আমি কেনেকৈ গম পালোঁ যে প্ৰস্পেৰ' আৰু মিৰাণ্ডাই সাগৰৰ মাজৰ এটা দ্বীপত বাস কৰে? সংলাপেই প্ৰকাৰান্তেৰে দর্শকক সেই কথা জনাইছে। দ্বিতীয় দৃশ্যৰ কথোপকথনত পিতৃৰ অতীতৰ বৃত্তান্তৰ মাজেৰেই মিৰাণ্ডাই সুধিছে ঃ আমি কেনেকৈ সমুদ্ৰ তীৰ পালোঁ? অলপ পাছতেই প্ৰস্পেৰ'ৰে জনাইছে ঃ Here in this island we arrived আনহাতে চৰিত্ৰসমূহৰ প্ৰতিক্ৰিয়াৰ (অর্থাৎ সংলাপৰ) মাজেৰেই দ্বীপটোৰ আশ্চর্যৰ পৰিবেশ, ইয়াত ভ্ৰমি ফুৰা বিচিত্ৰ অশৰীৰী কণ্ঠৰ ৰহস্য ফুটাই তোলা হৈছে।

শ্বেইক্সপীয়েৰৰ নাটকৰ সংলাপত সততে গদ্য আৰু পদ্যৰ সংমিশ্ৰণ দেখা যায়। নাট্যকাৰ গৰাকীয়ে অসাধাৰণ দক্ষতাৰে গদ্যধর্মী আৰু কাব্যিক ভাষাক একোখন নাটকত সূৰ সমলয়ৰ দৰে বান্ধি ৰাখিছে আৰু এনেকৈ সংলাপ বিচিত্ৰ ভাব অনুভূতি আৰু পৰিবেশ নির্মাণৰ সঁজুলি হৈ পৰিছে। কাব্যিক ভাষাৰ ক্ষেত্ৰত নাটকসমূহত অমিত্ৰাক্ষৰ ছন্দৰ (blank verse) প্ৰয়োগ লক্ষণীয়। The enjoyment of Shakespeare গ্ৰন্থত F.E. Halliday ই লিখিছে যে শ্বেইক্সপীয়েৰৰ নাটকসমূহৰ সর্বমুঠ শাৰীৰ সংখ্যা যদি প্ৰায় এক লাখ, ইয়াৰে প্ৰায় ২৮০০০ টা শাৰী গদ্যত আৰু ৬৫০০০ টা শাৰী অমিত্ৰাক্ষৰ ছন্দত লিখা। The Tempest নাটকতো ইয়াৰ প্ৰয়োগ গুৰুত্বপূর্ণ। আচলতে সেই সময়ত এয়া আছিল নতুন মাধ্যম; খ্ৰীষ্টোফাৰ মার্লোৰে অমিত্ৰাক্ষৰ ছন্দৰ উল্লেখযোগ্য প্ৰয়োগ ঘটাইছে। কিন্তু ইয়াৰ বিভিন্ন, বিচিত্ৰ প্ৰয়োগেৰে শ্বেইক্সপীয়েৰে মার্লোৰ প্ৰভাৱ স্তিমিত কৰিছিল। প্ৰথম চোৱাৰ নাটকত ইয়াৰ প্ৰয়োগত কিছু জথৰতা থাকিলেও পৰৱর্তী সময়ত শ্বেইক্সপীয়েৰে ইয়াৰ সহজ, সাৱলীল আৰু ভাবৰ যথার্থ বাহন হ'ব পৰাকৈ নমনীয় ধৰণে প্ৰয়োগ কৰিছে।

যিহেতু সেই সময়ৰ ৰঙ্গমঞ্চত বিৰাট দৃশ্যসজ্জা নাছিল, সংলাপৰ (বা ভাষাৰ) প্ৰয়োগেৰেই পৰিবেশৰ সূক্ষ্ম তাৰতম্যৰ বোধ দর্শকলৈ সংবহিত কৰিবলগীয়া হৈছিল। প্ৰথম দৃশ্যটোলৈ মন কৰক। ইয়াত ছন্দোবদ্ধ কাব্যিক ভাষাৰ হিল্লোল নাই; আছে ৰূক্ষ গদ্য, উচ্চগ্ৰামৰ সংলাপ, বিভিন্ন চৰিত্ৰৰ হুলস্থুল। মন কৰিবলগীয়া কথাটো হ'ল

যে কেৱল এক নির্দিষ্ট সংলাপৰ জৰিয়তেই নাট্যকাৰে জাহাজ দুর্ঘটনাৰ বিপর্যয় দর্শকৰ আগত দাঙি ধৰিছে। অর্থাৎ বিভিন্ন উচ্চ গ্রামৰ কণ্ঠৰ জৰিয়তে নাটকৰ শিৰোনামে নির্দেশ কৰা সংকটপূর্ণ দৃশ্যৰ একোটা ধ্বনিগত ছবি (aural image) দাঙি ধৰা হৈছে।

পৰিস্থিতি আৰু চৰিত্রসমূহৰ মেজাজ অনুসৰি কাব্যধর্মী আৰু গদ্যধর্মী সংলাপৰ প্রয়োগ ঘটিছে। যেতিয়া দ্বীপটোৰ আশ্চর্যকৰ, মোহনীয় আবেশ, ইয়াৰ সূৰ-ধ্বনিৰ প্রসংগ আহিছে, তেতিয়া সংলাপে কবিতাৰ বোকোচাত উঠি লৈছে। আনহাতে কেলিবানৰ মুখত কাব্যিক সংলাপ দি চৰিত্রটোৰ অন্য এটা আয়তন উদঘাটন কৰিছে।

Caliban : ..... sometimes a thousand twangling instruments will hum about mine ears. ইত্যাদি।

আনহাতে ৰঙ্গমঞ্চৰ অভিজ্ঞতা বাঢ়ি অহাৰ সমান্তৰালভাৱে শ্বেইক্সপীয়েৰ নাটকত সংলাপৰ সূৰ (tone) আৰু ধ্বনিগত চৰিত্রৰ ওপৰত গুৰুত্ব বাঢ়ি আহিছিল। সংলাপৰ মূল কাম কি? চৰিত্রৰ ভাব-অনুভূতি প্রকাশ কৰা। প্রথম চোৱাৰ নাটকসমূহ পঢ়িলে দেখা পাব যে একোটা চৰিত্রই তাৰ আবেগ বিবৃতিৰ লেখিয়াকৈ সংলাপৰ জৰিয়তে প্রকাশ কৰিছে। কিন্তু The Tempestৰ দৰে পিছৰ চোৱাৰ নাটকত সংলাপেই সেই আবেগ ৰূপায়িত কৰিছে। উদাহৰণস্বৰূপে জাহাজ ধ্বংসৰ দৃশ্য দেখি মিৰাণ্ডাই কৈ উঠিছে।

O I have suffered with those that I saw suffer! A brave vessel. Who hath no doubt some noble creature in her) Dashed to pieres!

Pour souls, they perished!

একোটা সংলাপৰ লগত ইয়াৰ প্রক্ষেপণৰ সূৰটোও নির্দিষ্ট হৈ থাকে। সূৰ আৰু ধ্বনি-বিন্যাস সংলাপ প্রক্ষেপনৰ দৰকাৰী দিশ কিয়নো সেইবোৰেই চৰিত্রসমূহৰ আবেগ-ভাব বা ভাবান্তৰ ৰূপায়িত কৰে। সূৰৰ এই তাৰতম্য আমি দেখিবলৈ পাওঁ প্রস্পেৰ'ৰ ক্ষেত্রত বিশেষকৈ কেলিবান আৰু এৰিয়েলৰ লগত বাক্য বিনিময় কৰা ক্ষেত্রত। এবাৰ যদি প্রস্পেৰ'ৱে কেলিবানক কৈছে ঃ

Come forth, I say! There's other business for thee

Come, thou tortoise! when?

একেটা সংলাপতেই, পিছমূহুর্ততে এৰিয়েক সম্বোধি কোৱা শাৰীটোত প্রস্পেৰ'ৰ সূৰ কোমল, সপ্রশংস—

Fine apparition! My quaint Ariel

Hark in thine ear.

১১.৪ অতি প্ৰাকৃত পৰিৱেশৰ চিত্ৰণ

শ্বেইক্সপীয়েৰে আন নাটকতো অতি প্ৰাকৃত উপাদান ব্যৱহাৰ কৰিছে। এলিজাবেথীয় যুগত ভুত-প্ৰেত, যাদুবিদ্যা, ডাইনী তন্ত্ৰ আদিৰ ওপৰত বিশ্বাস আছিল প্ৰবল। ডাইনী অলৌকিক শক্তিৰ অধিকাৰী আৰু সমাজৰ বিভিন্ন অপায় অমঙ্গলৰ মূল এনে বিশ্বাসৰ পৰিণতি স্বৰূপে সপ্তদশ শতিকাৰ প্ৰথমাৰ্ধত ইংলেণ্ডত সৰ্বাধিক ডাইনী-হত্যা সংঘটিত হৈছিল। স্বাভাৱিকতেই শ্বেইক্সপীয়েৰে বিষয়বস্তুৰ প্ৰয়োজনত এনেকি নাটকৰ গাঁথনি আৰু effect ৰ প্ৰয়োজনত অতি-প্ৰাকৃত পৰিবেশ আৰু উপাদানৰ সাৰ্থক ব্যৱহাৰ কৰিছে।

মন কৰিব যে শাসন, দমন, নিয়ন্ত্ৰণ, বন্দীত্ব, ষড়যন্ত্ৰ, প্ৰেম, বিবাহ আদি বিষয় *দ্য টেম্পেষ্ট* নাটকখনে সাঙুৰি লৈছে হয়, কিন্তু, গাঁথনিগতভাৱে নাটকখন এখন ৰোমাঞ্চ। অৰ্থাৎ ধুমুহা, বিপৰ্যয়, আৰু আশ্চৰ্যৰ পৰিস্থিতি আৰু ঘটনাৰ মাজেদি ইয়াৰ কাহিনীভাগ আগবাঢ়িছে; বিস্ময়বোধ আৰু অপ্ৰত্যাশিতৰ সৈতে মুখামুখি ইয়াৰ উপজীব্য। স্বাভাৱিকতেই বাস্তৱিকতা আৰু স্বাভাৱিকতাৰ সলনি অতি প্ৰাকৃত পৰিৱেশৰ উদ্ৰেক ইয়াৰ অন্যতম নাটকীয় কৌশল। প্ৰস্পেৰ'ৰ নিয়ন্ত্ৰণাধীন দ্বীপটো বিভিন্ন ভূত-পিশাচৰ ৰম্যভূমি। প্ৰথমে দ্বীপটোত ছিক'ৰেক্স নামৰ এগৰাকী শক্তিশালী ডাইনীৰ ৰাজত্ব চলিছিল। এতিয়া প্ৰস্পেৰ'ৰে এই অলৌকিক শক্তিসমূহক যাদুবিদ্যাৰ বলত নিজৰ হাতৰ মুঠিলৈ আনিছে। মূলতঃ এৰিয়েলৰ জৰিয়তেই তেওঁ দ্বীপটো শাসন কৰিছে আৰু নবাগতসকলক পৰিচালনা কৰিছে। অৰ্থাৎ প্ৰস্পেৰ' নিজেই দ্বীপটোৰ অতি প্ৰাকৃত শক্তিসমূহৰ নিৰ্দেশক।

প্ৰেক্ষাপটত এলিজাবেথীয় ৰংগমঞ্চৰ তেনেই সীমিত কাৰিকৰী সুবিধা এনে অবাস্তৱ, কল্পনাপ্ৰসূত পৰিস্থিতি বা দৃশ্যৰ বাস্তৱানুগ ৰূপায়ণ অসম্ভৱ। সেয়ে মূলতঃ সংগীত শব্দ, বা ধ্বনি-বিন্যাসৰ জৰিয়তে অতি-প্ৰাকৃতৰ ৰহস্যজনক অৱস্থিতিৰ উমান দিয়া হৈছে। সেয়ে দৃশ্যতকৈও ধ্বনিগত চিত্ৰকল্পৰ পয়োভৰ নাটকখনৰ অন্যতম দিশ। দ্বীপটো এক শব্দময়, মায়াবী দ্বীপ। এল'ঞ্চ', ছেবাষ্টিয়ান আদি নৱাগত ইয়াৰ বিচিত্ৰ ধ্বনিৰ মায়াত বিমূঢ়, হচকিত, বিস্মিত। একে সময়তে এই ধ্বনিমালাই আনি দিয়ে আশ্চৰ্যকৰ প্ৰশান্তি। পিতৃশোকত মৃয়মান, দিশহাৰা ফার্ডিনাণ্ডে অশৰীৰী কণ্ঠৰ সমবেত সংগীতত অনুভৱ কৰিছে সেই প্ৰশান্তি, একে সময়তে সেই কণ্ঠত পিতৃৰ উল্লেখে তেওঁক ভাবিবলৈ বাধ্য কৰিছে ঃ

"The dithy does remember my drowned father
This is no mortal business, mor no sound
That the earth owes,"

(প্ৰথম অংক, দ্বিতীয় দৃশ্য)

দ্বীপটোৰ এই অপাৰ্থিব মায়া এহাতে যেনেকৈ প্ৰস্পেৰ'ৰ যাদুৰ প্ৰভাৱ, অন্যহাতেদি ই চৰিত্ৰসমূহৰো অন্তৰ্জগতৰ প্ৰতিফলন। ইয়াৰ অনিশ্চিত, দ্বন্দ্বমুখৰ বাতাবৰণত চৰিত্ৰসমূহৰো মনোজগতৰ প্ৰতিচ্ছবি দেখা যায়। গঞ্জালোৰ দৰে ধীমান, বিবেচক মন্ত্ৰীৰ বাবে দ্বীপটোৰ পৰিবেশত

অস্বাভাৱিকতা একো নাই; কিন্তু ছেবাষ্টিয়ানহঁতৰ দৃষ্টিভংগী গঞ্জালোৰ বিপৰীত। আনহাতে এয়াও সঁচা যে প্ৰস্পেৰ'ৰ যাদুৰেই চৰিত্ৰসমূহক একোটা নিৰ্দিষ্ট পৰিণতিৰ ফালে ঠেলি দিছে। বিভ্ৰান্ত-বিমূঢ় এল'ঞ্চ'হঁতক অশৰীৰী এৰিয়েলে গম্ভীৰ সংগীতৰ সহায়েৰে শুৱাই থৈছে। এনে আশ্চৰ্যকৰ-অবাস্তৱ অথচ নিঃসাৰ পৰিবেশতেই আকৌ ছেবাষ্টিয়ান-এণ্টনিঅ'ৰ অবচেতনাত গুপ্ত ক্ষমতাৰ আকাংক্ষা সাৰ পাই উঠিছে; এল'ঞ্চ'ৰ বিৰুদ্ধে ষড়যন্ত্ৰৰ নাট ৰচিত হৈছে। কিন্তু অশৰীৰী এৰিয়েলৰ হস্তক্ষেপত সেই ষড়যন্ত্ৰও অৱশেষত মষিমূৰ হৈছে। অৰ্থাৎ অতি প্ৰাকৃত পৰিবেশৰ লগত ঘটনাৰ অলৌকিক শক্তিৰ লগত মানৱ-চেতনাৰ সম্পৰ্ক নিগুঢ় আৰু দ্বন্দ্বাত্মক। প্ৰস্পেৰ'ৰ নিৰ্দেশত দ্বীপটোৰ প্ৰেতাত্মাসমূহে বন্দী কেলিবানক অত্যাচাৰ কৰিছে। একে সময়তে কেলিবানে সোঁৱৰণ কৰিছে ধ্বনিময় আশ্চৰ্যকৰ দ্বীপটোৰ অপাৰ সৌন্দৰ্যৰ কথা ঃ

"Sometimes a thousand twangling instruments
Will hum about mine years; and sometime
That if I then had waked after voices long sleep,
Will make me sleep again
.....when I waked I cried to dream again."

(তৃতীয় অংক, তৃতীয় দৃশ্য)

প্ৰস্পেৰ'ৰ শত্ৰু শিবিৰৰ অতীতৰ কৃতকৰ্মৰ বাবে অনুশোচনাৰ অনুকূল পৰিৱেশ সৃষ্টি কৰিবলৈও সচেতনভাৱে অতি প্ৰাকৃত পৰিবেশৰ নিৰ্মাণ আৰু ব্যৱহাৰ কৰা হৈছে। তৃতীয় অংকত দেখা যায় যে এল'ঞ্চ'হঁতৰ চৌপাশে কেতবোৰ অদ্ভুত আকৃতিয়ে নৃত্য আৰম্ভ কৰিছে। নৃত্যৰ লগে লগে ভোজ মেলৰ আয়োজন কৰা হৈছে। ধুমুহা গাজনিৰে হাৰ্পি (Harpy)ৰ ৰূপত এৰিয়েলে প্ৰবেশ কৰিছে। বিপৰ্যয়ৰ গুৰু-গম্ভীৰ পৰিবেশৰ মাজত এৰিয়েলে আটাইকে অতীতৰ ষড়যন্ত্ৰৰ কথা সোঁৱৰাইছে আৰু অদৃশ্য হৈছে। কোমল সংগীত শুনা গৈছে আৰু অদ্ভুত আকৃতিৰ মুকাভিনয় শূন্যত মিলি গৈছে। এনে বিস্ময়কৰ ভয়ংকৰ অলৌকিক বাতাবৰণৰ ফলত স্বাভাবিকতেই এল'ঞ্চ'ই সেই পাপৰ প্ৰায়শ্চিত্ত কৰিছে ঃ O it is monstrous, monstrous!

১১.৫ জাতীয়তাবাদ আৰু ঔপনিবেশিকতাবাদৰ আলোকত *দ্য টেম্পেষ্ট*

জাতীয় পৰিচয়ৰ আঁৰত থাকে জাতীয় ইতিহাস। কবি আৰু নাট্যকাৰ হিচাপে শ্বেইক্সপীয়েৰৰ সুকীয়া পৰিচয়ৰ গুৰিতেও তেওঁৰ ঐতিহাসিক নাটকৰ জৰিয়তে ইতিহাসৰ পুনর্নির্মাণ কৰি সপ্তদশ শতিকাত শ্বেইক্সপীয়েৰ জাতীয় কবি হিচাপে স্বীকৃত হৈছিল। তেওঁৰ নাটকবোৰত ২৪৭ বাৰ ইংলেণ্ডৰ নাম আৰু ১৪৩ বাৰ English শব্দটো উল্লেখ থকা কথাটোৱে (এণ্ড্ৰিউ ছেণ্ডাৰ্ছৰ The Short Oxford History of English Literature দ্ৰষ্টব্য) ইংৰাজ জাতীয়তাবাদৰ লগত শ্বেইক্সপীয়েৰৰ সম্পৰ্কৰ উমান দিয়ে। জাতীয়তাবোধৰ এটা দিশ হ'ল ঃ অন্য জাতিৰ বিপৰীতে (অথবা বিৰুদ্ধে) নিজৰ জাতীয় স্বাতন্ত্ৰ্য আৰু সম্ভ্ৰমৰ প্ৰকাশ অথবা ৰক্ষণাবেক্ষণ। *দ্য টেম্পেষ্ট*ৰ কাহিনীৰ বহির্কক্ষত মূলতঃ দুই জাতি ৰাষ্ট্ৰৰ দ্বন্দ্ব বা বিৰোধ লক্ষণীয়। মিলানৰ (ভূতপূৰ্ব)

ডিউক প্ৰস্পেৰ'ৰ লগত নেপলছৰ ৰজা এল'ঞ্চ'ৰ সম্পৰ্ক বৈৰীমূলক। এনে দ্বন্দ্বৰ ঐতিহাসিক প্ৰেক্ষাপটটো হ'ল ঃ সেই সময়ত বাণিজ্য বিস্তাৰৰ বাবে ইউৰোপৰ বিভিন্ন জাতি ৰাষ্ট্ৰৰ মাজত হোৱা তুমুল প্ৰতিদ্বন্দ্বিতা। এনে প্ৰতিদ্বন্দ্বিতা আছিল জাতীয়তাবাদৰ জনক। *দ্য টেম্পেষ্ট* নাটকখনত এণ্টনিঅ'ৰে কেৱল ভাতৃ প্ৰস্পেৰ'ক দেশান্তৰিত কৰাই নাই, তেওঁ নেপলছৰ ৰজাৰ শৰণাপন্ন হৈ, তেওঁৰ ওচৰত কৰতলীয়া নৃপতি হৈ মিলানৰ জাতীয় সম্ভ্ৰম জলাঞ্জলি দিছে। প্ৰস্পেৰ'ৰ উদ্দেশ্য কেৱল শাসনৰ বাঘজৰী হস্তগত কৰাই নহয়, তেওঁ মিলানৰ হৃত জাতীয় গৌৰৱ ওভতাই আনিব খুজিছে। অৱশ্যে যুদ্ধ-বিগ্ৰহৰ জৰিয়তে আগনাবাঢ়ি নেপলছ আৰু মিলানৰ মাজত বৈবাহিক সম্পৰ্ক স্থাপনেৰে বুজা-পৰাৰ ভিত্তিত তেওঁ সেই ৰাজনৈতিক উদ্দেশ্য সাধন কৰিব খুজিছে। এইখিনিতেই ফার্ডিনাণ্ড আৰু মিৰাণ্ডাৰ প্ৰেম আৰু বিবাহৰ তাৎপৰ্য। এল'ঞ্চ'ৰে নিজৰ দোষ উপলব্ধি কৰিছে, তেওঁৰ পুত্ৰ ফার্ডিনাণ্ডৰ মনত প্ৰস্পেৰ'ৰ ভাৱমূৰ্তি উজ্জ্বল। অতএব. দেশ-শাসনৰ গুৰুত্ব আৰু দায়িত্ববোধৰ নতুন উপলব্ধিৰে প্ৰস্পেৰ'ৰে ক্ষমতাৰ ৰাজদণ্ড হাতত লৈছে। অৰ্থাৎ একোটা জাতিৰ (যাৰ প্ৰতিনিধি ইয়াৰ শাসনকৰ্তা) হৃত গৌৰৱ পুনৰুদ্ধাৰৰ কাহিনী হিচাপেও দ্য টেম্পেষ্ট ৰ পাঠ সম্ভৱ।

কিন্তু আন কেতবোৰ দিশ আওকাণ কৰিলে এনে পাঠ নিতান্তই আংশিক বা অসম্পূৰ্ণ হৈ ৰ'ব। ষোড়শ আৰু সপ্তদশ শতিকা ইংৰাজ জাতীয়তাবাদৰ উত্থানৰ সময়; ই বিভিন্ন সমুদ্ৰাভিযান, সাগৰীয় পথ আৰু নতুন ঠাইৰ সন্ধান আৰু উপনিবেশ স্থাপনৰো সময়। আচলতে জাতীয়তাবাদ আৰু সাম্ৰাজ্যবাদ একেটা মুদ্ৰাৰেই ইপিঠি সিপিঠি। ১৪৯২ চনত খ্ৰীষ্টোফাৰ কলম্বাছে আমেৰিকা আবিষ্কাৰ কৰি নতুন পৃথিবী (New World) ৰ সন্ধান দিছিল। ছাৰ ফ্ৰান্সিছ ড্ৰেইক, মার্টিন ফ্ল'বিছাৰ, ছাৰ হামফ্ৰি গীলবার্ট, ছাৰ ৱাল্টাৰ ৰেলি, ছাৰ ৰিছার্ড হকিন্স আদি সমুদ্ৰযাত্ৰীয়ে মানুহৰ সম্মুখত এখন নতুন আশ্চৰ্যকৰ পৃথিবী উন্মোচন কৰিছিল। এনে সমুদ্ৰযাত্ৰাৰ লগত ঔপনিবেশিকতাবাদৰ সম্বন্ধ নিগুঢ়। উইলিয়াম ষ্ট্ৰেৎসীৰ A Dreadful Tempest নামৰ ভ্ৰমন বৃত্তান্ত (যি দ্য টেম্পেষ্টৰ অন্যতম আধাৰ) ৰ লগত ঔপনিবেশিকতাবাদৰ কথাই জড়িত হৈ আছে। এনে বহু ভ্ৰমন বৃত্তান্তত কোৱা হৈছে কেনেকৈ ইউৰোপীয় পৰিব্ৰাজকসকলে সমুদ্ৰৰ সিপাৰৰ বহু ঠাইত নৰমাংস ভক্ষণ কৰা মানুহ (Cannibals) ৰ মুখামুখি হৈছিল। এনে 'অসভ্য', 'বৰ্বৰ' মানুহক 'সভ্যতা' ৰ আওতাৰ ভিতৰলৈ আনিব খোজাৰ যুক্তি আছিল ইউৰোপীয় ঔপনিবেশিকতাবাদৰ চালিকা শক্তি। কেলিবান তেনে এজন 'অসভ্য', 'বৰ্বৰ' বন্যমানৱ (Savage) ('কেলিবান' শব্দটোৰ লগত 'Cannibal' ৰ সাদৃশ্য মন কৰক)। এই প্ৰেক্ষাপটৰ পৰা চালে প্ৰস্পেৰ'ৰ সমস্ত কাৰুকার্যৰ লগত জড়িত হৈ আছে উপনিবেশ স্থাপন আৰু সাম্ৰাজ্য বিস্তাৰৰ তাগিদা। প্ৰস্পেৰ' আৰু মিৰাণ্ডাৰ সৈতে ছিকৰেক্স আৰু কেলিবানৰ সম্পৰ্ক ঔপনিবেশিক শাসক আৰু শাসিতৰ মাজৰ সম্পৰ্ক। শোষণ দমনক ন্যায্যতা প্ৰদান কৰিবলৈ যেনেকৈ ইউৰোপীয় ঔপনিবেশিকতাবাদীসকলে অধিকৃত ভূখণ্ডৰ অনা-ইউৰোপীয় মানুহৰ এক ঋণাত্মক, বৰ্বৰ ভাবমূৰ্তি নিৰ্মাণ আৰু প্ৰচাৰ কৰিছিল, প্ৰস্পেৰ'ৰেও সেয়াই কৰিছে। প্ৰথমে তেওঁ কেলিবানৰ মাতৃ ছিক'ৰেক্সক নিষ্ঠুৰ, অত্যাচাৰী আৰু অমংগলীয়া ডাইনী হিচাপে প্ৰতিষ্ঠা কৰিছে। তাৰ পিছত কেলিবানৰ বিৱৰণ দিছে এনেদৰে (মন কৰিব, এই বিৱৰণ

শ্বেইক্সপীয়েৰে দিয়া নাই, শ্বেইক্সপীয়েৰে সৃষ্টি কৰা এটা চৰিত্রই দিছে) ঃ "freckled whelp, hag-born-not honoured with/ A human shape" উল্লেখযোগ্য যে বহুদিন ধৰি প্রস্পেৰ'ৰ এই বিৱৰণী আৰু দৃষ্টিভংগীয়েই শ্বেইক্সপীয়েৰৰ সমালোচক পটুৱৈ সমাজৰ মাজত জনপ্রিয় হৈ আছিল। উদাহৰণস্বৰূপে ছার্লছ লেম্ব আৰু মেৰী লেম্ব-এ লিখি উলিওৱা 20 Tales from Shakespeare নামৰ কিতাপখনত কেনেকৈ ছিক'ৰেক্স, প্রস্পেৰ' আৰু কেলিবানৰ কথা উল্লেখ কৰিছে মন কৰকঃ

1. ..... Prospero, by virtue of his art, released many good spirits that sycorax had imprisoned in the bodies of large trees. because they had refused to execute her wicked commands.

2. This Caliban, Propero found in the woods, a strange misshapen thing, far less human in form than an ape : he took him home to his cell and taught him to speak; and prospero would have been very kind to him, but the bad nature which Caliban inherited from his mother sycorex, would not let him learn anything good or useful;



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ *দ্য টেম্পেষ্টত* প্রদর্শিত হোৱা জাতীয়তাবাদ আৰু ঔপনিবেশিকতাবাদৰ স্বৰূপ কি?

(২০০টা শব্দৰ ভিতৰত লিখক)

.....

কিন্তু এই সমস্ত পৰিস্থিতি সম্পর্কে কেলিবানৰ নিজৰ বৃত্তান্তও কম শক্তিশালী নহয়। সি মানি লৈছে যে প্রস্পেৰ'ৰে তাক মৰম আদৰ কৰিছিল; কিন্তু সেয়া নিস্বার্থ মানবীয়তা নহয় বৰঞ্চ স্বার্থ-প্রণোদিত। তেতিয়া যি সেই কথা উপলব্ধি কৰিছিলে। আনহাতে উত্তৰাধিকাৰ সূত্রে এই দ্বীপ তাৰ, কিন্তু প্রস্পেৰ'ৰে সেই অধিকাৰ কাঢ়ি লৈছে। কেলিবানৰ এই শক্তিশালী বিৰোধ আৰু ইতিহাসবোধে কয় যে ইউৰোপৰ অভ্যন্তৰীণ ৰাজনৈতিক দ্বন্দ্বই ('মিলান', নেপলছ' দ্রষ্টব্য) দ্য টেম্পেষ্টৰ সকলো দিশ সামৰি নলয়, কিয়নো অনা-ইউৰোপীয় অজান এক স্থানত সেই দ্বন্দ্বৰ মোকাবিলা কৰা হৈছে, য'ত ঔপনিবেশিক দ্বন্দ্বই গুৰুত্ব লাভ কৰিছে। কেলিবানৰ এনে প্রতিৰোধী চেতনা সেই দ্বন্দ্বৰ স্মাৰক ঃ

This island's mine, by sycorax my mother,
Which thou tekit from me. When then cam'st first,
Then strok'st me and made much of me,
Water with berries is't wouldst give me and teach me how,
To name the bigger light, and how the less

That burn by day and night; and then I loved thee,
And showed thee all the qualities of the isle
.....
Cursed be I that did so ! All the charms
Of Sycorax, toads, beetles, bats light on you;
For I am all the subjects that you have
Which first was mine own king, and here you sty me
In this hard rock, whiles you do keep from me
The rest o'th' island.

(প্ৰথম অংক, দ্বিতীয় দৃশ্য)



১১.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- *দ্য টেম্পেষ্ট* নাটকৰ কাহিনীটোৰ এটা গঠনমূলক আলোচনা পঢ়িবলৈ পালো।
- নাটকখনৰ কাহিনী কোনো বিশেষ উৎসৰ ওচৰৰ ঋণী নহয়। অৱশ্যে শ্বেইক্সপীয়েৰে সেই সময়ৰ জনপ্ৰিয় ভ্ৰমণ সাহিত্যৰ পৰা ভালেখিনি উপাদান আত্মসাৎ কৰিছে।
- *দ্য টেম্পেষ্ট* এখন সম্পৰীক্ষামূলক নাটক। ট্ৰেজেডি, কমেডি বা ঐতিহাসিক নাটকৰ পৰিধি ভাঙি তেওঁ এক নতুন সাহিত্যবৰ্গৰ (genre) সম্ভাৱনাসমূহ উদ্‌ঘাটন কৰিছে। শেষৰ ফালে ৰচনা কৰা আটাইকেইখন নাটকতে সমুদ্ৰযাত্ৰা আৰু জাহাজ দুৰ্ঘটনাৰ কথা আছে। কাহিনী কথন আৰু নাটকীয় উপস্থাপনৰ সম্পৰ্কক লৈও The Tempestত সম্পৰীক্ষা চলোৱা হৈছে।
- শ্বেইক্সপীয়েৰৰ নাটকত চৰিত্ৰসমূহ লগত সিহঁতৰ অভিপ্ৰায় (motive)ৰ কথাটো বহুত ক্ষেত্ৰত অঙ্গাঙ্গীভাৱে জড়িত। অৱশ্যে এই অভিপ্ৰায় সকলো সময়তে কেৱল সংলাপৰ জৰিয়তে ওলাই নপৰে।
- মানৱ চৰিত্ৰৰ যি বৈচিত্ৰ্য আৰু গভীৰতা শ্বেইক্সপীয়েৰে ৰূপায়ণ কৰিছে, সেয়া সঁচাকৈয়ে বিস্ময়কৰ। এই ৰূপায়ণৰ ক্ষেত্ৰত মুখ্য ভূমিকা গ্ৰহণ কৰিছে ভাষাই। শ্বেইক্সপীয়েৰৰ বাবে 'চৰিত্ৰ' ৰূপায়ণৰ যি প্ৰকল্প সেয়া মূলতঃ ভাষাৰ প্ৰকল্প।
- শ্বেইক্সপীয়েৰৰ নাটকৰ সংলাপত সততে গদ্য আৰু পদ্যৰ সংমিশ্ৰণ দেখা যায়। নাট্যকাৰ গৰাকীয়ে অসাধাৰণ দক্ষতাৰে গদ্যধৰ্মী আৰু কাব্যিক ভাষাক একোখন নাটকত সুৰ সমলয়ৰ দৰে বান্ধি ৰাখিছে আৰু এনেকৈ সংলাপ বিচিত্ৰ ভাব-অনুভূতি আৰু পৰিবেশ নিৰ্মাণৰ সঁজুলি হৈ পৰিছে। কাব্যিক ভাষাৰ ক্ষেত্ৰত নাটকসমূহত অমিত্ৰাক্ষৰ ছন্দৰ প্ৰয়োগ লক্ষণীয়।

- জাতীয় পৰিচয়ৰ আঁৰত থাকে জাতীয় ইতিহাস। কবি আৰু নাট্যকাৰ হিচাপে শ্বেইক্সপীয়েৰৰ সুকীয়া পৰিচয়ৰ গুৰিতে তেওঁৰ ঐতিহাসিক নাটক কেইখনৰ জৰিয়তে ইতিহাসৰ পুনর্নির্মাণ কৰি সপ্তদশ শতিকাত শ্বেইক্সপীয়েৰ জাতীয় কবি হিচাপে স্বীকৃত হৈছিল।



১১.৭ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ ঃ

1. Carter, Roland and Jhon M c Ray. (2001) : The Rauteledge Histiry of Lit erature in English. Routeledge
2. Halliday, F.E. The Enjoymant of Shakespeare gerold Duckworth & Co.Ltd.
3. Lamb, Chanles and Mary Lamb. (1994) : 20 Tales from Shakespeare. Gest Publishing House.
4. Sanders, Andrew. (1994) : The short Oxford History of English Literature. Oxford University Press.
5. Shakespeare, William. (1959) : The Tempest. Ed. Peter Holland. Penguine Books.
6. Spergeon, Coroline F.E. (1935) : Shakespeares Inagery and what it Tells us. Cambridge University Press
7. Stjan, J.L. (1967) : Shakespeares stagecraft Cambridge University Press.
8. Wells slanlay and Lena Cowel Orlin.(2003) : Shakespeares : An Oxford guide, Oxford University Press.
9. Wells, Slanley (1998) : A Dictionary of Shekespeare. Oxford University Press.



১১.৮ অগ্ৰগতিৰ খতিয়ান (কৰল ৰূপৰেখা)

১নং প্ৰশ্নৰ উত্তৰ ঃ *দ্য টেম্পেষ্টে* নাটকৰ সংক্ষিপ্ত পৰিচয়.....নাটকৰ মুখ্য পুৰুষ আৰু নাৰী

চৰিত্রসমূহ সংক্ষিপ্ত পৰিচয়।

২নং প্রশ্নৰ উত্তৰ ঃ নাটকখনৰ কাহিনীৰ মূল বিষয়বস্তু হৈছে ৰাজনৈতিক ষড়যন্ত্র.....ভুক্তভোগীৰ নাম আৰু তেওঁৰ দশা সম্পর্কে চমু লেখ আগবঢ়াব লাগিব।

৩নং প্রশ্নৰ উত্তৰ ঃ দ্য টেম্পষ্ট নাটকৰ কাহিনীৰ আলমত চৰিত্রসমূহৰ মনোদশা আৰু সিবিলাকে সন্মুখীন হোৱা পৰিস্থিতিৰ বিশ্লেষণৰ সন্মুখীন হোৱা পৰিস্থিতিৰ বিশ্লেষণৰ মাজেদি চৰিত্রসমূহত ফুটি উঠা মানৱীয় দোষ-দুর্বলতাসমূহ চমুকৈ বিশ্লেষণ কৰিব।

৪নং প্রশ্নৰ উত্তৰ ঃ নাটকখনত জাতীয়তাবাদ ক'ত কেনেদৰে প্রকাশ পাইছে তাৰ চমু আলোচনা-ঔপনিবেশিকতাবাদৰ স্বৰূপ ইয়াত কি ধৰণে প্রকাশ পাইছে তাৰ সূক্ষ্ম লেখ।



১১.৯ আৰ্হি প্রশ্ন

প্রশ্ন নং ১ ঃ *দ্য টেম্পেষ্ট*ৰ কাহিনীভাগ নিজৰ ভাষাত লিখক।

প্রশ্ন নং ২ ঃ বিপর্যয় আৰু সংকটৰ মুহূর্তৰ পৰা পুর্নমিলনৰ পৰিবেশলৈ *দ্য টেম্পেষ্ট*ৰ কাহিনীভাগ কেনেকৈ আগবাঢ়িছে আলোচনা কৰক।

প্রশ্ন নং ৩ ঃ প্রথম দৃশ্যৰ নাটকীয় আৰু সামাজিক তাৎপর্য সম্পর্কে চমুকৈ আলোচনা কৰক।

প্রশ্ন নং ৪ ঃ *দ্য টেম্পেষ্ট*নাটকৰ নাটকীয় কার্য (action)ত প্রস্পেৰ'ৰ ভূমিকা সম্পর্কে আলোচনা কৰক।

প্রশ্ন নং ৫ ঃ চৰিত্র চিত্রণৰ লগত অভিপ্রায়ৰ প্রশ্নটো কেনেকৈ জড়িত?

প্রশ্ন নং ৬ ঃ *দ্য টেম্পেষ্ট*ত চৰিত্র চিত্রণৰ দিশসমূহ আলোচনা কৰক।

প্রশ্ন নং ৭ ঃ *দ্য টেম্পেষ্ট*নাটকত অতি প্রাকৃত পৰিবেশৰ ভূমিকা সম্পর্কে চমুকৈ আলোচনা কৰক।

প্রশ্ন নং ৮ ঃ উত্তৰ ঔপনিবেশিক দৃষ্টিভংগীৰে *দ্য টেম্পেষ্ট*ৰ আলোচনা কৰক।

****

অধ্যায় ১২ ঃ হেন্ৰিক ইব্চেন ঃ *পিলাৰ্ছ অফ ছ'চাইটি* -(১)

অধ্যায় গাঁথনি

১২.১ উদ্দেশ্য
১২.২ পৰিচয়
১২.৩ বাস্তৱবাদী নাটকৰ সাধাৰণ আভাস
১২.৪ হেন্ৰিক ইব্চেন
    ১২.৪.১ জীৱন
    ১২.৪.২ সাহিত্য কৃতি
    ১২.৪.৩ হেন্ৰিক ইব্চেনৰ নাট্যৰীতি
১২.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১২.৬ অধিক জানিবলৈ
১২.৭ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)
১২.৮ আৰ্হি প্ৰশ্ন

১২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- বিশ্ব নাট্য সাহিত্যত নাট্যধাৰাত বাস্তৱবাদী নাটক ৰূপে আখ্যা পোৱা নাট্য শ্ৰেণীটোৰ পৰিচয় লাভ কৰিব
- বাস্তৱবাদী নাটকৰ লক্ষণবোৰ আলোচনা কৰিব পাৰিব
- বাস্তৱবাদী নাটকৰ অন্যতম হোতা হেন্ৰিক ইব্চেনৰ জীৱন কাহিনী বৰ্ণনা কৰিব পাৰিব
- হেন্ৰিক ইব্চনৰ সাহিত্য কৃতিৰ লগত পৰিচিত হ'ব
- তেওঁৰ জীৱনৰ বাস্তৱ অভিজ্ঞতাই তেওঁৰ নাট্য ৰচনাক কি প্ৰকাৰে প্ৰভাৱিত কৰিছে সেয়া জানিবলৈ সক্ষম হ'ব।

১২.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া তৃতীয় যাণ্মাসিকৰ সাহিত্য শাখাৰ শিক্ষাৰ্থীৰ বাবে আগবঢ়োৱা একাদশ পাঠ্যবিষয়ৰ এইটো ত্ৰয়োদশ অধ্যায়। এই অধ্যায়টোৰ শিৰোনাম 'হেন্ৰিক ইব্চেন ঃ *পিলাৰ্ছ অফ ছ'চাইটি*' - (১)। ইতিমধ্যে আপুনি পাশ্চাত্য সাহিত্যৰ এই বিশেষ কাকতখনত চাৰিগৰাকী কবি ক্ৰমে উইলিয়াম ৱৰ্ডচৱৰ্থ, জন কীট্চ, ৰবাৰ্ট ব্ৰাউনিং আৰু টি এছ এলিয়টৰ কবিতা, দুগৰাকী বহুল আলোচিত ঔপন্যাসিক— ইংলণ্ডৰ চাৰ্লচ ডিকেঞ্চৰ এখন বহুচৰ্চিত জনপ্ৰিয় উপন্যাস অলিভাৰ টুইষ্ট আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ আৰ্ণেষ্ট হেমিংৱেৰ *দ্য অ'ল্ড মেন এণ্ড দ্য চী*

নামৰ বিখ্যাত উপন্যাস দুখনৰ আলোচনা পঢ়িলে। এতিয়া এই অধ্যায়ত আমি বিশ্ব নাট্য সাহিত্যত বিশিষ্ট আসন লাভ কৰিবলৈ সমর্থ হোৱা নৰৱেজিয়ান নাট্যকাৰ হেন্‌ৰিক ইব্‌চেনৰ বহুচর্চিত নাটক *পিলাৰ্ছ অফ ছ'চাইটিৰ* বিষয়ে আলোচনা কৰিম। আলোচনাৰ প্রথমটো খণ্ডত আমি নৰৱেজিয়ান নাট্যকাৰ হেন্‌ৰিক ইব্‌চেনৰ জীৱন আৰু কৃতিৰ সম্যক আলোচনা কৰিম।

১২.৩ বাস্তৱবাদী নাটকৰ সাধাৰণ আভাস

সাধাৰণভাৱে ক'বলৈ হ'লে দৈনন্দিন বা প্রাত্যহিক জীৱনত আমি সমাজখনক যি ৰূপত দেখা পাওঁ, সেই ৰূপত একো হীন-দেঢ়ি নঘটাকৈ সাহিত্যত প্রকাশ পোৱাটোৱেই বাস্তৱবাদ। বাস্তৱবাদৰ এই সাধাৰণ সংজ্ঞাটোৰ পৰা এইটো বোধ হয় যে বাস্তৱ জীৱনৰ স্বৰূপটোক অকৃত্রিমভাৱে ৰাখি, অর্থাৎ বর্ণনাৰ ৰং সানি কুৰূপক সুন্দৰ নকৰি, সত্যক অসত্য নকৰি জীৱনটোক তাৰ স্বাভাৱিক ৰূপত তুলি ধৰাই বাস্তৱবাদ। সাহিত্যৰ অন্যান্য বিভাগৰ দৰে নাট্য সাহিত্যতো বাস্তৱবাদৰ প্রভাৱ পৰিছে। ঊনবিংশ শতিকাৰ পৰা ইউৰোপীয় নাট্য সাহিত্যত বাস্তৱবাদী ধাৰাৰ নাটকৰ শুভাৰম্ভ হয়। বাস্তৱবাদী ধাৰাই তেতিয়াৰ প্রচলিত ৰোমাণ্টিক নাট্যধাৰাৰ বিৰুদ্ধে বিদ্রোহ সূচনা কৰিছিল। পৰম্পৰাবাদীসকলে নতুন নাট্যধাৰাটোক বৰ সহজে স্বীকাৰ কৰিব খোজা নাছিল। তেজ-মঙহৰ জীয়া মানুহৰ বাস্তৱ কথাত কল্পনাৰ ৰহণ সানি তাক পুনৰ নির্মাণ কৰাৰ প্রতি জনসাধাৰণৰ সেই চাম শিল্পী উন্মুখ আছিল। কিন্তু বাস্তৱবাদী নাটকত সেই সুবিধাটো নাছিল। তাত জীৱনক জীৱনৰ মাজৰ যথার্থ ৰূপতে উপস্থাপন কৰা হয়— কোনো ধৰণৰ কৃত্রিম ৰূপ প্রদান কৰা নহয়। ইউৰোপীয় সাহিত্যত হেন্‌ৰিক ইব্‌চেনকে বাস্তৱবাদী নাটকৰ স্রষ্টা ৰূপে মান্যতা প্রদান কৰা হয়। তেওঁৰ নাটকসমূহৰ মাজেদিয়েই বাস্তৱবাদী নাটকৰ লক্ষণসমূহ পোন প্রথমবাৰৰ বাবে ফুটি উঠে।

থোৱতে ক'বলৈ হ'লে বাস্তৱবাদী নাটকৰ লক্ষণসমূহ হৈছে ক্রমে—

- বাস্তৱবাদী নাটকত জীৱনৰ অন্ধকাৰ দিশটোৰ কথা উপস্থাপন কৰা হয়। অর্থাৎ এই শ্রেণীৰ নাটকত প্রচলিত সমাজ ব্যৱস্থাৰ প্রতি ভ্রূকুটি কৰি পাৰিবাৰিক আৰু ৰাজহুৱা জীৱনৰ নগ্ন সত্যসমূহ উন্মোচন কৰা হয়। শুচিবায়ুগ্রস্ত সমাজ অহৰহ এইটো প্রচেষ্টাত থাকে যাতে সমাজৰ 'বেয়া'বোৰ লোকচক্ষুত ধৰা নপৰে। অথচ বাস্তৱবাদী নাটকত সমাজৰ তেনে প্রয়াসক ব্যর্থ কৰাৰ মানসিকতা পৰিলক্ষিত হয়।
- বাস্তৱবাদী নাটকত নাট্যকাৰে জীৱনৰ গভীৰ সমস্যা একোটাক লৈ নিজৰ মতাদর্শ আৰু দৃষ্টিভংগী মুকলিকৈ ব্যক্ত কৰে। নাটকৰ দীঘলীয়া পাতনিতেই হওক বা চৰিত্রৰ মুখত দিয়া সংলাপেই হওক নাট্যকাৰে নিজৰ বক্তব্য নিঃসংকোচে ব্যক্ত কৰে। ফলত বহুত সময়ত শিল্প হিচাপে নাটকখনৰ কলাত্মক গুণ হেৰাই যায়। তদুপৰি পোনপটীয়াকৈ নৈতিকতাজনিত সমস্যা, সামাজিক সমস্যাসমূহৰ উপস্থাপনে পাঠক বা শ্রোতা-দর্শকক নাটকখনক শিল্পকলাৰ ৰূপ হিচাপে উপভোগ কৰাত প্রতিবন্ধকতাৰ সৃষ্টি কৰে। সেইবাবে কোনো কোনো সমালোচকে বাস্তৱবাদী নাটকক 'প্রচাৰধর্মী' পুস্তিকা ৰূপে আখ্যা দিয়ে।

- বাস্তৱবাদী নাটকত আবেগ-অনুভূতিতকৈ চিন্তা আৰু যুক্তিক অধিক প্ৰাধান্য দিয়া হয়। এই বৌদ্ধিক কচৰতে চৰিত্ৰসমূহৰ সৰ্বাংগীন প্ৰকাশত প্ৰতিবন্ধকতাৰ সৃষ্টি কৰে। তদুপৰি নাটকৰ চৰিত্ৰৰ আবেগ-অনুভূতিজনিত দিশসমূহৰ স্বতঃস্ফূৰ্ত বিকাশ আৰু প্ৰকাশ হ'লেহে চৰিত্ৰৰ শিল্পসুলভ সৌন্দৰ্য প্ৰকাশ পায়। অথচ বাস্তৱবাদী নাটকত নাট্যকাৰ গৰাকীয়ে গ্ৰহণ কৰা পদক্ষেপৰ বাবে চৰিত্ৰ তেওঁৰ দ্বাৰা নিয়ন্ত্ৰিত পুতলাসদৃশ হৈ পৰে। ফলত নাট্যকাৰৰ নিৰ্মিতিয়ে আবেগবৰ্জিত, ৰসশূন্য কলাকৃতিৰ ৰূপ পৰিগ্ৰহ কৰে।
- বাস্তৱবাদী সমস্যামূলক নাটকসমূহত চিৰন্তন আবেগৰ উপস্থিতি নাথাকে। সমালোচনাৰ দৃষ্টিৰে বিচাৰ কৰিলে এই কথাযাৰ এনে ধৰণে ব্যাখ্যা কৰিব পাৰি— বাস্তৱবাদী নাটকসমূহত যি সমস্যা উত্থাপন কৰা হয় সেই সমস্যা এটা সময়ত সমস্যা হৈ নাথাকে যিহেতু সমাজ গতিশীল। গতিশীল সমাজত একোটা সমস্যা একোটা নিৰ্দিষ্ট সময়ৰ বাবেহে চিন্তাৰ বিষয় হৈ থাকে। সমস্যাটোৰ সমাধানৰ পথ ওলালে সেই সমস্যাটো সমস্যা হৈ নাথাকে। যিহেতু বাস্তৱবাদী নাটকৰ কাহিনী সমসাময়িক বাস্তৱৰ লগত জড়িত, সেইবাবে সেইবিলাকৰ চিৰন্তন আবেদন নাথাকে। তদুপৰি গতিশীল সমাজত নৈতিকতাৰ প্ৰশ্ন, ধ্যান-ধাৰণা, ৰীতি-নীতিৰ কিবা নহয় কিবা পৰিৱৰ্তন বা পৰিশীলন হৈয়েই থাকে। সেইবাবে কিছু সংখ্যক সমালোচকৰ দৃষ্টিত বাস্তৱবাদী নাটকৰ দীৰ্ঘস্থায়ী আবেদন নাথাকে।
- বাস্তৱবাদী নাটকৰ নাট্যকাৰে অহৰহ প্ৰচলিত ধাৰাৰ বিপৰীতে গৈ অগতানুগতিক কাহিনী আৰু সমস্যা সম্বলিত নাটক ৰচনা কৰে। কোনো কোনো নাট্য সমালোচকে এনে নাট্যকাৰৰ ৰচনাক অমাৰ্জিত আৰু অ-নাটকীয় বুলি আখ্যা দিবলৈ কুণ্ঠাবোধ নকৰে। নিজৰ সৃষ্টিতে নিৰন্তৰ পৰীক্ষা-নিৰীক্ষাত মগ্ন হৈ থকা এই বাস্তৱবাদী নাটকৰ নাট্যকাৰে কাহিনীৰ আকৰ্ষণীয়তা বৃদ্ধিৰ প্ৰতি মনোযোগ নিদিয়ে। তাৰ পৰিৱৰ্তে যেন তেওঁলোকে নিজৰ মতাদৰ্শ প্ৰচাৰ কৰাৰ প্ৰতিহে অধিক আগ্ৰহী। সেইবাবে বাস্তৱবাদী নাটকে সকলো শ্ৰোতা-দৰ্শককে সমানে আকৰ্ষিত কৰিব নোৱাৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ বাস্তৱবাদী নাটকৰ যিকোনো এটা বৈশিষ্ট্য উল্লেখ কৰি তাৰ ব্যাখ্যা আগবঢ়াওক। (১৫০টা শব্দৰ ভিতৰত)

.....

১২.৪ হেন্ৰিক ইব্চেন

১২.৪.১ জীৱন

বাস্তৱবাদী নাটকৰ পুৰোধা ব্যক্তি আৰু বিশ্ববিশ্ৰুত বাস্তৱবাদী নাটকৰ নাট্যকাৰ হেন্ৰিক ইব্চেনৰ জন্ম হয় ১৮২৮ চনৰ ২০ মাৰ্চ তাৰিখে। তেওঁৰ জন্মস্থান দক্ষিণ

নৰৱেৰ টেলেমার্কেন অঞ্চলৰ অন্তর্গত স্কেইন চহৰ। এই সৰু চহৰখন সমুদ্র তীৰত অৱস্থিত। তেওঁৰ পিতৃৰ নাম নুড্‌ ইব্‌চেন আৰু মাতৃ মাৰিছেন আল্টেনবার্গ। হেন্‌ৰিক ইব্‌চেন ঘৰৰ জ্যেষ্ঠ পুত্র আছিল। তেওঁৰ তলত তিনি গৰাকী ভাতৃ আৰু এগৰাকী ভগ্নী আছিল। তেওঁলোকে বাস কৰা স্কেইন চহৰখন কাঠ বেপাৰৰ কেন্দ্র আছিল। ইব্‌চেনৰ দেউতাক এগৰাকী অৱস্থাপন্ন কাঠ ব্যৱসায়ী আছিল। কিন্তু ভাগ্যৰ দুর্বিপাকত নুড্‌ ইব্‌চেন দেউলীয়া হ'ল। ঘৰখনলৈ নামি অহা এই আর্থিক দুর্যোগে কোমল বয়সীয়া গম্ভীৰ প্রকৃতিৰ ল'ৰা হেন্‌ৰিকৰ মনত বিৰূপ প্রতিক্রিয়াৰ সৃষ্টি কৰিছিল। ঘৰখনৰ সদস্যসকলৰ প্রতি মনত তীব্র অসন্তোষৰ ভাব লৈ তেওঁ ঘৰৰ পৰা আঁতৰি গৈছিল। ঘৰৰ পৰা ওলাই যাওঁতে অৱশ্যে তেওঁ এইটো পণ লৈছিলে যে তেওঁ তেওঁৰ পৰিয়ালৰ হৃত সন্মান আৰু সমৃদ্ধি ওভতাই আনিব। পৰৱর্তী সময়ছোৱাত তেওঁ ৰচনা কৰা *A Doll's House* নাটকত চিত্রিত হোৱা 'ক্রগষ্টাদ' আৰু *Wild Duck*-ৰ বৃদ্ধ 'একডাল'ৰ চৰিত্রৰ মাজেদি ব্যক্তিগত জীৱনৰ এই বিপর্যয়ৰ ছবি চিত্রিত কৰিছে।

আর্থিক দিশৰ পৰা তেওঁলোকৰ ঘৰখন ভাগি যোৱাত ইব্‌চেনৰ পঢ়া-শুনাত ব্যাঘাত ঘটিছিল। তেওঁৰ মনলৈ নিঃসংগতাবোধ নামি আহিল। তেওঁ তেওঁৰ বেছিভাগ সময় পুতলা সাজি নাটক কৰিয়েই কটাবলৈ ধৰিলে। সময় পাৰ কৰিবলৈ তেওঁ কৰা এই উদ্ভাৱনে পৰৱর্তী সময়ছোৱাত তেওঁৰ বাস্তৱবাদী নাটকসমূহৰ উপস্থাপনত যথেষ্ট সহায় কৰিছিল। স্কুলীয়া শিক্ষা অসমাপ্ত অৱস্থাত ৰৈ যোৱাত ইব্‌চেনে ভাগ্যৰ অন্বেষণত ষোল বছৰ বয়সতে জন্মস্থান স্কেইন ত্যাগ কৰি গ্রীমষ্টাদ চহৰত থিতাপি লৈছিল। তাত তেওঁ এখন ফার্মাচীত সহায়কাৰী হিচাপে যোগদান কৰিলে। সাময়িকভাবে তেওঁৰ জীৱন গতিশীল হৈছিল যদিও যৌৱনৰ প্রথম বলিয়া বা ছাটিয়ে তেওঁলৈ দুর্ভাৱনা নমাই আনিছিল। গ্রীমষ্টাদত কাম কৰি থাকোতে তেওঁ তেওঁতকৈ বয়সত দহ বছৰ ডাঙৰ এলছে ছোফি জেনছডেটোৰ ৰর্কডেল নামৰ গাভৰু এজনীৰ লগত অবৈধ সম্পর্কত লিপ্ত হয়। তাৰ ফলত ১৮ বছৰ বয়সতে ১৮৪৬ চনত তেওঁ এটা জাৰজ ল'ৰাৰ পিতৃ হয়। এই নৈতিক অপৰাধৰ ফল তেওঁ হাতে হাতে পালে। আদালতৰ ৰায় অনুসৰি তেওঁ সেই ল'ৰাটিৰ ১৫ বছৰ বয়সলৈ তাৰ ভৰণ-পোষণৰ দায়িত্ব ল'ব লগীয়া হৈছিল। পিতৃ হিচাপে সেই ল'ৰাটোৰ ভৱিষ্যৎ গঢ়ি তুলিবলৈ তেওঁ কোনো ধৰণৰ চেষ্টা কৰা নাছিল। ডাঙৰ হ'লত ল'ৰাটোৱে গ্রীমষ্টাদত কমাৰৰ বৃত্তি গ্রহণ কৰিছিল। জীৱনলৈ নামি অহা এই দুর্যোগপূর্ণ স্থিতিয়ে তেওঁক তেওঁৰ পৰিয়ালৰ পৰা অধিক আঁতৰাই নিলে। তেওঁ অনুশোচনাত দগ্ধ হৈছিল। পিচে জীৱনলৈ নামি অহা এক আকস্মিক দুর্যোগে তেওঁৰ মনত নতুন চিন্তাৰ উদ্রেক কৰিলে। তেওঁ নিজকে প্রশ্ন কৰিলে— তেওঁ কৰা কামটো সমাজৰ দৃষ্টিত এটা নৈতিক অপৰাধ আৰু তাৰ ফল তেওঁ হাতে হাতে পালে। কিন্তু সমাজ জীৱনত এনে কিছুমান নৈতিক অপৰাধ সংঘটিত হৈ আছে যি গোপন হৈ থাকে। অথচ তেনে ধৰণৰ নৈতিক অপৰাধ সংঘটিত কৰা ব্যক্তিয়ে সমাজ

জীৱনত তথাকথিত মাৰ্জিত, সুসংস্কৃত ভদ্ৰলোকৰ স্থান লাভ কৰিছে। এই চিন্তাৰ উদয়ে তেওঁৰ সৃষ্টিশীল মনত ন-ন ভাবৰ বুৰ্বুৰণি সৃষ্টি কৰিলে। সময়ত এই চিন্তাই তেওঁৰ বাস্তৱবাদী নাটককেইখন সৃষ্টিত অভূতপূৰ্ব বৰঙণি যোগালে।

ইব্চেনে কুৰি বছৰ বয়সত ১৮৪৯ চনত *কেটিলিনা* নাটকখন ৰচনা কৰিছিলে। সেই সময়ছোৱাত তেওঁৰ ক্ৰিষ্টিয়ানিয়া বিশ্ববিদ্যালয়ৰ অধীনত মেট্ৰিকুলেচন পৰীক্ষা দিবলৈ পঢ়া-শুনা কৰিছিলে। তেওঁ চিকিৎসা বিজ্ঞানৰ ছাত্ৰ হ'বলৈ চিন্তা-ভাবনা কৰিছিলে। কিন্তু দুটামান বিষয়ত কম নম্বৰ পোৱাৰ বাবে তেওঁ মেট্ৰিকুলেচন পৰীক্ষাত উত্তীৰ্ণ হ'ব নোৱাৰিলে। ১৯৫১ চনত নৰৱেৰ বিখ্যাত ভায়োলিন বিশাৰদ ওলবুলে ইব্চেনক বাৰ্জেন নাট্যমঞ্চৰ মঞ্চৰ সহায়ক হিচাপে নিযুক্ত কৰিছিল। তেওঁ ১৯৫১ চনৰ নৱেম্বৰ মাহৰ পৰা ১৮৫৭ চনৰ বৰ্ষাকাললৈ অৰ্থাৎ ২৪ বছৰ বয়সৰ পৰা ৩০ বছৰ বয়সলৈ তাত আছিল। নাট্যমঞ্চত লাভ কৰা অভিজ্ঞতাই তেওঁক দৃশ্য-সজ্জাত এজন বিশেষজ্ঞ ৰূপে গঢ় দিছিল।

১৮৫৮ চনত ইব্চেনৰ নাটকৰ অনুৰাগী লেখিকা মেগডালেন থোৰছেনৰ সতীয়া জীয়াৰী ছুছানা থোৰছেনৰ লগত হেন্ৰিক ইব্চেন বৈবাহিক সম্বন্ধেৰে বান্ধ খাইছিল। তেওঁলোকৰ এটি পুত্ৰ সন্তান আছিল। সন্তানৰ নাম ছিগুৰ্ড। ১৮৫৭ চনৰ পৰা ১৮৬৩ চনলৈ ইব্চেনৰ সাংসাৰিক জীৱনলৈ আৰ্থিক দুৰ্দশা নামি আহিছিল। ১৮৬৪ চনত ইব্চেনে নৰৱে ত্যাগ কৰি ৰোমলৈ যাত্ৰা কৰিছিল। উল্লেখযোগ্য যে তেওঁৰ ৰোম যাত্ৰাৰ পৰৱৰ্তী সময়ছোৱাত শিল্প আৰু নাট্যকাৰ ৰূপে হেন্ৰিক ইব্চেনে নিজৰ প্ৰতিভাৰ পূৰ্ণ বিকাশৰ সুযোগ লাভ কৰিছিল। সেই সময়ছোৱাত ৰোমান সভ্যতা আৰু সংস্কৃতিৰ দ্বাৰা প্ৰভাৱিত হৈ ইব্চেনে *ব্ৰাণ্ড* নাটকখন ৰচনা কৰে। নাটকখনে বহুল জনপ্ৰিয়তা লাভ কৰিছিল।

প্ৰায় ২৭ বছৰ কাল প্ৰবাসত থকাৰ পিছত ১৮৯১ চনত ইব্চেনে তেওঁৰ স্বদেশলৈ উভতি আহে। তেওঁ পৰিয়ালসহ ক্ৰিষ্টিয়ানিয়া চহৰত স্থায়ীভাবে বসবাস কৰিবলৈ ধৰিলে। ১৮৯২ চনত তেওঁৰ পুত্ৰ ছিগুৰ্ডৰ লগত অন্য এগৰাকী সাহিত্যিক বিয়ার্ণছনৰ কন্যা বৰ্গ্লিয়টৰ লগত বিবাহ সম্পন্ন হয়। ১৯০০ চনত তেওঁ পক্ষাঘাত ৰোগত আক্ৰান্ত হয়। তিনি বছৰৰ পিছত তেওঁ আকৌ পক্ষাঘাত ৰোগৰ দ্বাৰা আক্ৰান্ত হয়। তেওঁৰ স্মৃতিশক্তি লোপ পায়। ১৯০৬ চনৰ ২৩ মে' তাৰিখে আঠসত্তৰ বছৰ বয়সত তেওঁ নশ্বৰ দেহ ত্যাগ কৰে।

১২.৪.২ সাহিত্য কৃতি

বিশ্ববিশ্ৰুত নাট্যকাৰ হেন্ৰিক ইব্চেনৰ সাহিত্য কৃতি আলোচনা কৰাৰ পূৰ্বে তেওঁ নিজেই কোৱা কথা এষাৰ উদ্ধৃত কৰা হ'ল— 'The strongest man upon earth is he who stand most alone.'

ইব্চেনৰ ৰচনা কৃতিসমূহ লক্ষ্য কৰিলে এইটো উপলব্ধি হ'ব যে তেওঁ সমসাময়িক নৰৱে আৰু ইউৰোপত সংঘটিত হোৱা ঘটনাৱলী আৰু পৰিৱৰ্তনসমূহৰ

লগত পৰিচিত আছিল। ১৮১৪ চনত নৰৱেয়ে ডেনীয়সকলৰ পৰা ৰাজনৈতিক স্বাধীনতা লাভ কৰাৰ পিছত দেশখনলৈ পৰিৱৰ্তন আহিল। অৱশ্যে বহুকাল ডেনীয় উপনিবেশ হিচাপে অৱস্থান কৰাৰ বাবে নৰৱেৰ সাহিত্যত ডেনীয় সাহিত্যৰ প্ৰভাৱ বিদ্যমান হৈ থাকিল। সেই ডেনীয় ভাবাপন্ন ৰোমাণ্টিক সাহিত্যৰ দুগৰাকী নেতৃস্থানীয় সাহিত্যিক আছিল ক্ৰমে ৰেলহাভেন আৰু ৰাৰ্জেলেণ্ড। ৰেলহাভেনে কবিতাৰ স্বৰূপ সম্বন্ধে এখন আলোচনাত্মক পুথি ৰচনা কৰিছিলে। তেওঁৰ পুথিখনৰ নাম *Poetics and Polemics*। তেওঁ এখন ছনেটৰ পুথিও প্ৰকাশ কৰিছিল। তেওঁৰ সেই ছনেট পুথিত সন্নিবিষ্ট হোৱা ছনেটসমূহৰ একাংশত প্ৰাকৃতিক সৌন্দৰ্যৰ বৰ্ণনা আছে। অন্য কিছুমানত ১৮১৪ চনৰ পিছৰ নতুন নৰৱে দেশখনৰ সমাজৰ নৈতিক দিশটোত দৃষ্টিপাত কৰি সেই সমাজখন বিশ্লেষণ কৰিছে। সেই পুথিখনৰ নাম *Half Light of Norway* আৰু সেইখনৰ প্ৰকাশৰ সময়ত ১৮৩৪ চনত। তাত তেওঁ নৰনেৰ সমাজখনক মৰুভূমি আখ্যা দিছে। আনহাতে ৰাৰ্জেলেণ্ডে নৰৱেৰ সাধাৰণ জনতাৰ একনিষ্ঠতা আৰু গুণগ্ৰাহিতাৰ গুণ-গান কৰিছে। তেওঁৰ কবিতাত আশাবাদৰ পোহৰ পৰিছিল। এইখিনিতে ৰাৰ্জেলেণ্ড আৰু ৰেলহাভেনৰ দৃষ্টিভংগীৰ পাৰ্থক্য পৰিস্ফুট হয়। ৰাৰ্জেলেণ্ডৰ আশাবাদৰ বিপৰীতে ৰেলহাভেনে পৰীক্ষা নকৰাকৈ একোকে গ্ৰহণ নকৰিছিল। তেওঁৰ কবিতাত আত্মসমালোচনাৰ সুৰ থকা বুলি সমালোচকসকলে কয়। হেন্‌ৰিক ইব্‌চেন ৰেলহাভেনৰ সাহিত্যিক উত্তৰাধিকাৰী হ'ল। অৰ্থাৎ ঊনবিংশ শতিকাৰ শেষাৰ্ধৰ এইগৰাকী মহান নাট্যকাৰ আৰু সাহিত্যিকে ৰেলহাভেনকে নিজৰ পথ প্ৰদৰ্শক জ্ঞান কৰিছিল।

১৯৪৯ চনত *কেটিলিনা* নাটকখন ৰচনা কৰাৰ যোগেদি ইব্‌চেনে নিজৰ সাহিত্যিক জীৱনৰ পাতনি তৰে। তেওঁ সেই নাটকখন ৰচনা কৰাৰ সময়ছোৱাত এজন কুৰি বছৰ বয়সীয়া তৰুণ আছিল। নাটকখন অমিত্ৰাক্ষৰ ছন্দত ৰচিত। নাটকখনৰ বিষয়বস্তু হ'ল পতনমুখী ৰোমান সাম্ৰাজ্যখন। ৰোমান ইতিহাসবিদ ছেলাষ্টৰ ৰোমান সাম্ৰাজ্যৰ বৰ্ণনা পঢ়ি তেওঁ সেই নাটকখন ৰচনা কৰিবলৈ অনুপ্ৰাণিত হৈছিল। কেটিলিনাৰ মানসিক সংঘাতৰ চিত্ৰণৰ মাজেদি যেন ইব্‌চেনে তেওঁৰ নিজৰ মানসিক জগতখনহে উন্মুক্ত কৰি দিছিল। তেওঁৰ দ্বিতীয় নাটক *ওৰাৰিয়ৰ্ছ বেৰো* অমিত্ৰাক্ষৰ ছন্দতে ৰচিত হোৱা এখন ৰোমাণ্টিক নাটক। নাটকখনৰ ৰচনা কাল ১৯৫০ চন। নাটকখনৰ বিষয়বস্তু নৰৱেৰ পুৰণি কাহিনী আধাৰিত। ১৮৫৩ চনত তেওঁ *ছেণ্ট জন্‌ছ নাইট* নামৰ এখন ৰোমাণ্টিক ধেমেলীয়া নাটক ৰচনা কৰি মঞ্চস্থ কৰে। পৰৱৰ্তী সময়ছোৱাত তেওঁ ৰচনা কৰা *লাভছ কমেদি*-ত *ওৰাৰিয়ৰ্ছ বেৰো*-ৰ প্ৰভাৱ পৰিছিল।

তেওঁ ৰচনা কৰা অন্যান্য উল্লেখযোগ্য নাট্যকৃতি হৈছে ক্ৰমে— *পাৰগাণ্ট, লেডী ইংগাৰ অব্‌ ওষ্ট্ৰাট, ফিষ্ট এট্‌ ছুল হ'গ, ওলাফ লিল্যেক্ৰানছ, ভাইকিংছ ইন্‌ হেলগেলেণ্ড, প্ৰিটেণ্ডাৰছ, এম্পেৰাৰ এণ্ড গেলিলিয়ান, ব্ৰাণ্ড, জুলিয়ান, পিলাৰ্ছ অফ ছচাইটি, এ ডলছ্‌ হাউছ, ঘোষ্টছ্‌, ৰোজমাৰছল, লেডী ফ্ৰম দি ছি, হেড্ডা গেবলাৰ, মাষ্টাৰ বিল্ডাৰ, লিটল*

ত্রয়োল্ফ, জন গেব্রিয়েল ৰ্কমেন, এন এনিমি অফ দি পিপল, হোৱেন উই ডেড ৱেকেন ইত্যাদি। তেওঁ কিছু সংখ্যক কবিতা ৰচনা কৰিছিল। তাৰ ভিতৰত কেইটামান হৈছে ক্ৰমে— *অন দি হাইট্ছ, ৱাইল্ড ফ্লাৱাৰ্চ এণ্ড পট্ প্লেণ্টচ, এ বাৰ্ড চং* ইত্যাদি।

হেন্ৰিক ইব্চেনে ৰচনা কৰি প্ৰকাশ কৰা প্ৰথমখন নাটক *কেটিলিনা*-ৰ পৰা আৰম্ভ কৰি তেওঁৰ জীৱনৰ শেষৰখন নাটক *হোৱেন উই ডেড ৱেকেন*-লৈকে যি অৰ্ধশতিকা জো�ৰা পৰিক্ৰমা, সেই সুদীৰ্ঘ পৰিক্ৰমাৰ বিভিন্ন পৰ্যায়ৰ ৰচিত আৰু মঞ্চস্থ হোৱা নাটকসমূহৰ মাজেদি ৰক্ষণশীলতা আৰু ভণ্ডামিৰ বিৰুদ্ধে সদা সৰব নাট্যকৰ্মী আৰু শিল্পী হেন্ৰিক ইব্চেনৰ মানসিক চিন্তা আৰু শিল্পী সত্তাটোৰ উত্তৰণৰ বিভিন্ন স্তৰৰ লগত পৰিচিত হোৱাৰ সুযোগ লাভ কৰিব পাৰোঁ। তেওঁৰ প্ৰথম স্তৰৰ নাটকসমূহ পৰীক্ষামূলক নাটক আছিল। মঞ্চ কলা আৰু নাটকৰ উপস্থাপন সম্পৰ্কে তেওঁ নানানটা পৰীক্ষাত অৱতীৰ্ণ হৈছিল। তেওঁৰ প্ৰাৰম্ভিক স্তৰৰ নাটক *কেটিলিনা, ওৱাৰিয়ৰ্ছ বেৰো, পাৰ্গাণ্ট* আদি সেই স্তৰৰ উল্লেখযোগ্য নাটক। নাট্য সমালোচকসকলৰ দৃষ্টিত যথাৰ্থতে 'ইব্চেনীয়' নাটক ৰচনাৰ পৰ্ব *ব্ৰাণ্ড, পিলাৰ্ছ অফ ছচাইটি, এ ডলছ্ হাউছ, ঘোষ্টছ, হেড্ডা গেবলাৰ, এন এনিমি অফ দি পিপল* আদি নাটক ৰচনাৰ মাজেদি আৰম্ভ হয়। সেই নাটকসমূহৰ প্ৰকাশে বিতৰ্কৰ সূত্ৰপাত ঘটাইছিল। পিছে সেই নাটকসমূহৰ কাহিনীৰ মাজেদি উপস্থাপন কৰিব খোজা সত্যই সমসাময়িক সমাজখনত আলোড়ন সৃষ্টি কৰিছিল। তেওঁ সেই নাটকসমূহত সত্য আৰু মিথ্যাচাৰৰ প্ৰকৃত স্বৰূপনো কি তাক গৱেষণামূলক দৃষ্টিভংগীৰে বিশ্লেষণ কৰিবলৈ প্ৰয়াস কৰিছিল। তাৰ লগতে নাটকসমূহত চিত্ৰিত কৰা চৰিত্ৰসমূহ আৰু সমাজ চিত্ৰণৰ মাজেদি ব্যক্তি আৰু সমাজ জীৱনত কোনটো কি 'প্ৰকৃত' আৰু কি 'নকল' তাকো বিশ্লেষণ কৰিবলৈ প্ৰয়াস কৰিছিল। তেওঁ অতি সাহসেৰে ব্যক্তি জীৱনৰ দুমুখীয়া স্বৰূপ উদঘাটন কৰিবলৈ প্ৰয়াস কৰিছিল। ব্যক্তি জীৱনৰ সেই দ্বৈত ৰূপে সমাজ জীৱনক কি দৰে প্ৰভাৱিত কৰে তাক তেওঁ *এন এনিমি অফ দি পিপল্* আৰু বিশেষভাবে *পিলাৰ্ছ অফ ছচাইটিত* সবল ৰূপত তুলি ধৰিছে।

ইতিমধ্যে কৈ অহা হৈছে যে ইব্চেনে তেওঁৰ নাটকসমূহত নানা ধৰণৰ পৰীক্ষা-নিৰীক্ষা চলাইছিলে। এই প্ৰসংগত আমি ক'ব লাগিব যে তেওঁ মঞ্চস্থ কৰা নাটকসমূহ সৰ্বাংগীন দিশৰ পৰা সজাবলৈ প্ৰয়াস কৰিছিল। সি মঞ্চ নিৰ্দেশনাই হওক বা দৃশ্য সজ্জাই হওক অথবা চৰিত্ৰৰ মুখত দিয়া সংলাপেই হওক, সকলোতে নিজস্ব প্ৰতিভাৰ সাঁচ বহুৱাব পাৰিছিল। তেওঁ কাব্যধৰ্মী আৰু গদ্যধৰ্মী উভয় শ্ৰেণীৰ নাটক ৰচনা কৰিছিল। পৰৱৰ্তী কালৰ নাট্য সমালোচকসকলে ইব্চেনৰ প্ৰথম স্তৰৰ 'মঞ্চ অনুপযোগী' নাটক যেনে— *ব্ৰাণ্ড* আৰু *পাৰ্গাণ্ট*-ৰ আলোচনাৰ প্ৰসংগত সেই দুখনৰ কাব্যিক গুণ সম্পৰ্কে উৎসাহজনক মন্তব্য আগবঢ়াইছে। হেন্ৰিক ইব্চেনক আধুনিক মঞ্চ জগতৰ জনক আখ্যা দিয়া হয়। তেওঁ গদ্যৰ লগতে পদ্যধৰ্মী নাটকো ৰচনা কৰি গৈছে। সেইফালৰ পৰা তেওঁ এগৰাকী অদ্বিতীয় সৃষ্টিশীল শিল্পী। সামাজিক নৈতিকতাৰ সমালোচনাত

ইব্চেনৰ বিশেষ উল্লেখ নাট্য ইতিহাসবিদসকলে কৰিছে। সমসাময়িক যুগত বহুলভাবে প্ৰচলিত ফৰাচী 'সুগঠিত নাটক' (Well-Made Play) প্ৰত্যাহ্বান জনাই ইব্চেনে 'আদৰ্শবাদৰ নাটক' (Play of Ideas) বা 'সামাজিক সমস্যামূলক নাটক' (Social Problem Play) ৰচনা কৰিছিল। এইদৰে হেন্ৰিক ইব্চেনে নৰৱেৰ নাট্য সাহিত্য আৰু মঞ্চলৈকে নহয় বৰঞ্চ সমগ্ৰ পাশ্চাত্য নাট্য জগতলৈকে নিজৰ বিশিষ্ট নাট্য ৰচনাৰাজিৰে বিশ্ব নাট্যমঞ্চলৈ পৰিৱৰ্তনৰ বা ছাটি কঢ়িয়াই আনিছিল।



জানি থোৱা ভাল

Well-Made Play অৰ্থাৎ 'সুগঠিত নাটকৰ সংজ্ঞা দিবলৈ হ'লে আমি এইটো মনত ৰাখিব লাগে যে সুগঠিত নাটক হৈছে ধৰা-বন্ধা নিয়মৰ ভিত্তিত গঢ় লোৱা নাটক। এনে নাটকত ঘটনাসমূহ এনেভাৱে গাঁঠি দিয়া হয় আৰু কাহিনীৰ ব্যাখ্যান এনেভাৱে কৰা হয় যে নাটকখন এটা সুনিৰ্ধাৰিত পৰিণতিৰ ফালে আগবাঢ়ে। অৱশ্যে নাটকৰ পৰিণতি সুনিৰ্দিষ্ট হ'লেও পৰিণতিত উপনীত হ'বলৈ হ'লে উৎসুক্য থাকিবই। সুগঠিত নাটকত ভাল আৰু বেয়াৰ মাজত থকা সংঘাত চিত্ৰিত কৰা হৈছে। শেষত একোটা আশ্চৰ্যজনক বিন্দুত নাটকত থকা ভাল চৰিত্ৰকেইটাই বেয়া শক্তিক পৰাজিত কৰিব পাৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ২ ঃ হেন্ৰিক ইব্চেনৰ জীৱনৰ বিষয়ে চমু টোকা প্ৰস্তুত কৰক। (১৫০টা শব্দৰ ভিতৰত)

.....



চিন্তা-চৰ্চা কৰক — ১২.১

ইব্চেনৰ নাটককেইখন সংগ্ৰহ কৰি তাৰ ওপৰত চকু ফুৰাই তেওঁ চিত্ৰিত কৰা কেইটামান নাৰী চৰিত্ৰৰ বিষয়ে টোকা প্ৰস্তুত কৰক।

১২.৪.৩ হেন্ৰিক ইব্চেনৰ নাট্যৰীতি

সমালোচকসকলে ক'ব খোজে যে আধুনিক নাট্যজগতলৈ ইব্চেনৰ আটাইতকৈ উল্লেখযোগ্য অৱদান হ'ল নাটকীয় গঠনলৈ ইব্চেনে অনা নতুনত্ব। ইব্চেনে তেওঁৰ নাটকৰ আখ্যান ভাগক গঢ় দিয়াৰ বেলিকা নাটকীয় কাৰ্যৰ লগত প্ৰতিমুখক সুন্দৰভাবে গাঁঠি নাটকত গৰ্ভক মূল আকৰ্ষণ হিচাপে লৈছিলে। তেওঁৰ নাটকৰ কাহিনী বাহুল্যবৰ্জিত, অৰ্থাৎ কাহিনীৰ শৰীৰত অতিৰিক্ত মেদৰ উপস্থিতি নাছিল। ইব্চেনে প্ৰবৰ্তন কৰা নব্য

নাট্যৰীতিয়ে পৰৱৰ্তী সময়ৰ নাট্যকাৰসকলক বাৰুকৈয়েই প্ৰভাৱিত কৰিছিল। তদুপৰি বাস্তৱবাদী সমস্যাকেন্দ্ৰিক নাটকৰ জনক ৰূপে ইব্চেনৰ প্ৰসিদ্ধি আজিও অম্লান।

প্ৰণিধানযোগ্য যে ইব্চেনৰ মনত নাট্য ৰচনাৰ ক্ষেত্ৰত নব্য চিন্তাৰ বীজ সিঁচাৰ ক্ষেত্ৰত জাৰ্মান সমালোচক হাৰ্মান হেটনাৰৰ মূল্যবান অথচ চমু কিতাপ এখনৰ ভূমিকা মন কৰিবলগীয়া। কিতাপখন হৈছে ১৮৫১ চনত প্ৰকাশ পোৱা *Das Modern Drama*। ১৯৫২ চনত ইব্চেনৰ কপেনহেগেন যাত্ৰাৰ কালত তেওঁ এই কিতাপখন অধ্যয়ন কৰিছিলে। এই প্ৰসংগত আমি অসমীয়া আলোচক তাৰিণীকান্ত ভট্টাচাৰ্যই তেওঁৰ *ইব্চেনৰ নাট্য প্ৰতিভাত* উল্লেখ কৰা কথা কেইযাৰমান উদ্ধৃত কৰিলো— তেওঁ নিজৰ গ্ৰন্থত লিখিছে— "হেটনাৰে লিখিছিল যে নাটকৰ গহীন লক্ষ্য থাকিব লাগে। তেওঁৰ মতে নতুন নাটক হয় ঐতিহাসিক নহয় সামাজিক হ'ব। ট্ৰেজেডিৰ ক্ষেত্ৰত তেওঁ ভাবৰ ট্ৰেজেডিকে উচ্চ স্থান দিছিল। ট্ৰেজেডিৰ যি সংঘাত সি মানৱ মনৰ ভিতৰত নিহিত হৈ আছে— এই সংঘাত মানৱ মনৰ সংঘাত। প্ৰকৃতি আৰু বিকাশ-নীতিৰ ভিতৰত থকা সংঘাত। ট্ৰেজেডিৰ অন্তত আত্মহত্যা বা জীৱন-নাশ থাকিবৰ দৰকাৰ নাই। দৈনন্দিন ঘৰুৱা জীৱনতে অনেক ট্ৰেজেডি হয়। হেটনাৰে আৰু লিখিছিল যে নাটকত এনে সংঘাতহে উত্থাপন কৰিব লাগে, যাতে মানুহে তাক সহজে আৰু স্পষ্টকৈ ধৰিব পাৰে। নাটকৰ চৰিত্ৰ আৰু ঘটনাৱলীও দৰ্শকে পৰিষ্কাৰকৈ গম ধৰিব পৰা বিধৰ হ'ব লাগে।"

ইব্চেনে নিজৰ নাটকত সমসাময়িক সমাজ জীৱনৰ আচাৰ-নীতিসমূহক হাস্য আৰু ব্যংগ মিশ্ৰিত ৰূপত মঞ্চত উপস্থাপন কৰিছিলে। এনে কৰাৰ মূলতে হ'ল তেওঁৰ তীক্ষ্ণ সমাজ পৰ্যবেক্ষণৰ দৃষ্টি। তেওঁৰ *A Doll's House* আদি নাটকৰ ৰচনাৰ পৰাই এই বাস্তৱবাদী দৃষ্টিভংগী তেওঁৰ নাটকসমূহৰ গুৰুত্বপূৰ্ণ উপাদান হৈ পৰে।

এইদৰে ইবচেনে মঞ্চত প্ৰবৰ্তন কৰা এই নতুন নাট্যশৈলীটোক স্বাভাৱিক আৰু বাস্তৱবাদী বুলি কোৱা হয়। তেওঁ পূৰ্বৰ নাটকসমূহত প্ৰয়োগ হোৱা স্বগতোক্তি, কাষৰীয়া উক্তি, অতি মানৱীয় চৰিত্ৰ, কৃত্ৰিমতা আৰু অতি মানৱীয় বা ভৌতিক ক্ৰিয়া-কলাপসমূহ সম্পূৰ্ণ ৰূপে বৰ্জন কৰিছিল। তাৰ পৰিৱৰ্তে তেওঁ তেওঁৰ নাটকত স্বাভাৱিক, দৈনন্দিন মানৱ জীৱনক স্থান দিয়ে। সংলাপৰ গতিশীল ৰূপে দৰ্শক-পাঠকক আদিৰ পৰা অন্তলৈকে তেওঁৰ নাটকৰ পাত্ৰ-পাত্ৰীসকলৰ কাৰ্যকলাপৰ প্ৰতি দৃষ্টি নিবদ্ধ ৰাখিবলৈ সমৰ্থ হোৱাৰ লগতে সিবিলাকৰ মন বিস্ময় আৰু ঔৎসুক্যৰে ভৰাই ৰাখিছিল।

এইখিনিতে আমি ইব্চেনৰ নাট্যৰীতিৰ এটা অতি গুৰুত্বপূৰ্ণ দিশৰ কথা উল্লেখ নকৰি নোৱাৰো। সেই দিশটোৰ কথা সাহিত্য আলোচক অমৱেন্দ্ৰ কলিতাই তেওঁৰ গ্ৰন্থ *পাশ্চাত্য সাহিত্যত* এইদৰে উল্লেখ কৰিছে—

"ইব্চেনৰ নাট্যশৈলীৰ এটা অন্যতম বিশেষত্ব হ'ল যে নাটকৰ কাহিনী আৰম্ভ হোৱাৰ বহু বছৰ আগতে কোনো এটা ঘটনা ঘটি গৈছে। সাধাৰণতে এই ঘটনাবোৰ সমাজ বিগৰ্হিত অথবা কোনো কেলেংকাৰীজনিত হোৱা দেখা যায়। নাটকৰ চৰিত্ৰসমূহে

এই ঘটনা পাহৰি যোৱাৰ পিচত হঠাৎ সেই ঘটনাৰ কথা পুনৰ সঞ্জীৱিত হৈ উঠে, বিশেষকৈ নাটকৰ মুখ্য চৰিত্ৰৰ বৰ্তমানৰ সকলো সুখ-শান্তি হৰি নিবলৈ আহে। এই চৰিত্ৰসমূহে প্ৰায় এক শ্বাসৰুদ্ধ অৱস্থা পায় আৰু নাটকত এই অৱস্থাৰ পৰিণতি দেখুওৱা হয়। অৰ্থাৎ 'অতীত কু-কৰ্মৰ বৰ্তমান পৰিণতি'— এই নাটকসমূহৰ মূল সূত্ৰ বুলি ক'ব পাৰি। উপযুক্ত শব্দ চয়ন, সূক্ষ্ম ইংগিত প্ৰক্ষেপণ আদিৰ দ্বাৰা নাট্যকাৰে ইয়াক অধিক আকৰ্ষণীয় আৰু ব্যঞ্জনাময় কৰি তোলে। অথচ ইয়াত কৃত্ৰিমতাৰ লেশমাত্ৰাও নাথাকে। ইয়াৰ পৰাই ইব্চেনৰ নাট্যশৈলী সাধনাৰ অতি সূক্ষ্ম আৰু ব্যাপক পৰিধিৰ উমান পাব পাৰি।"



১২.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এই অধ্যায়টিৰ অধ্যয়নে আমাক বাস্তৱবাদী নাটকৰ বিষয়ে সাধাৰণ আভাস প্ৰদান কৰিলে। ইয়াৰ পৰা আমি এইটো ধাৰণা কৰিব পাৰিলো যে বাস্তৱ জীৱনৰ স্বৰূপটোক কৃত্ৰিমভাৱে ৰাখি, অৰ্থাৎ কল্পনাৰ ৰং সানি কুৰূপক সুন্দৰ নকৰি, সত্যক অসত্য নকৰি জীৱনটোক তাৰ স্বাভাৱিক ৰূপত তুলি ধৰাই বাস্তৱবাদ।
- বাস্তৱবাদী নাটকত নাট্যকাৰে জীৱনৰ গভীৰ সমস্যা একোটাক লৈ নিজৰ মতাদৰ্শ আৰু দৃষ্টিভঙ্গী মুকলিকৈ ব্যক্ত কৰে। এইদৰে নাট্যকাৰে নিজৰ বক্তব্য নিঃসংকোচে ব্যক্ত কৰাৰ ফলত বহুত সময়ত শিল্প হিচাপে নাটকখনৰ কলাত্মক গুণ হেৰাই যায়।
- বাস্তৱবাদী নাটকসমূহত যি সমস্যা উত্থাপন কৰা হয় সেই সমস্যা এটা সময়ত সমস্যা হৈ নাথাকে যিহেতু সমাজ গতিশীল। যিহেতু বাস্তৱবাদী নাটকৰ কাহিনী সমসাময়িক বাস্তৱৰ লগত জড়িত, সেইবাবে সেইবিলাকৰ চিৰন্তন আবেদন নাথাকে।
- বাস্তৱবাদী নাটকৰ স্ৰষ্টা হেন্ৰিক ইব্চেনৰ জীৱন আৰু কৃতিৰ লগত পৰিচয়ে আমাক এই গৰাকী প্ৰতিভাশালী নাট্যকাৰৰ জীৱন সংগ্ৰাম, ব্যক্তি জীৱনৰ সংঘাত আৰু তেওঁৰ উল্লেখযোগ্য নাট্য কৃতিৰ যৎকিঞ্চিত ধাৰণা লাভ কৰিলো।



১২.৭ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) কলিতা, অমৱেন্দ্ৰ (১৯৯৪); *পাশ্চাত্য সাহিত্য;* নলবাৰী ঃ সমন্বয় গ্ৰন্থালয়।
২) ভট্টাচাৰ্য, তাৰিণীকান্ত (১৯৯৬); *ইবছেনৰ নাট্য প্ৰতিভা;* গুৱাহাটী ঃ অসম প্ৰকাশন পৰিষদ।
৩) ভট্টাচাৰ্য, পৰাগ কুমাৰ; *পাশ্চাত্য সাহিত্যৰ আলোক আৰু অসমীয়া সাহিত্য;* গুৱাহাটী ঃ

জ্যোতি প্রকাশন।

৪) মজুমদাৰ, বিমল (২০১১); *সাহিত্যৰ তত্ত্ব আৰু প্রয়োগ;* গুৱাহাটী ঃ জ্যোতি প্রকাশন।

ইংৰাজী গ্রন্থ ঃ

৫) Fjelde, R. (1992) (Trans.); *Henrik Ibsen Four Major Plays;* (Volume-I), United States of America, Signet Classics (Edited).

৬) Hinchlffe, A. P. (1979); *Drama Criticism Developments Since Ibsen;* London : The Macmillan Press Ltd.

৭) Ibsen, H.; *Pillars of Society* (Translated by R. Farqiharson Sharp).

৮) Johnston, B. (2004); *Ibsen's Selected Plays;* New York : W. W. Norton & Company.



১২.৮ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্রশ্নৰ উত্তৰ ঃ বাস্তৱবাদী নাটক বুলিলে কি বুজে লিখক.....বাস্তৱবাদী নাটকত জীৱনৰ অন্ধকাৰ দিশটোৰ কথা উপস্থাপন কৰা হয়— আলোচনা কৰক।

২নং প্রশ্নৰ উত্তৰ ঃ হেন্ৰিক ইব্চেনৰ জন্ম.....পিতৃ-মাতৃ, পৰিচয়.....তেওঁৰ সংঘাতপূর্ণ জীৱন পৰিক্রমা.....কৃতিসমূহ.....মৃত্যু।



১২.৯ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ বাস্তৱবাদী নাটকৰ জনক কোন? বাস্তৱবাদী নাটকৰ বিষয়ে সাধাৰণ আলোচনা আগবঢ়াওক।

প্রশ্ন ২ ঃ বাস্তৱবাদী নাটকলৈ নৱৱেৰ নাট্যকাৰ হেন্ৰিক ইব্চেনৰ বৰঙণি কি? বহলাই আলোচনা কৰক।

প্রশ্ন ৩ ঃ বাস্তৱবাদী নাটকৰ লক্ষণসমূহ উল্লেখ কৰি প্রত্যেকটো লক্ষণৰ বিষয়ে আলোচনা কৰক।

প্রশ্ন ৪ ঃ বাস্তৱবাদী নাটক এখনত উপস্থাপন কৰা সমস্যাৰ প্রাসংগিকতাৰ বিষয়ে সমালোচনামূলক টোকা লিখক।

প্রশ্ন ৫ ঃ বাস্তৱবাদী নাটকত উপস্থাপিত হোৱা বিষয়বস্তুৱে সমাজ আৰু সামাজিক দৃষ্টিভঙ্গীলৈ পৰিৱর্তন আনিব পাৰেনে? ।

*** ***** ***

অধ্যায় ১৩ ঃ হেন্ৰিক ইব্চেন ঃ *পিলাৰ্ছ অফ ছ'চাইটি* - (২)

অধ্যায় গাঁথনি

১৩.১ উদ্দেশ্য

১৩.২ পৰিচয়

১৩.৩ *পিলাৰ্ছ অফ ছ'চাইটি (Pillars of Society)*

১৩.৩.১ *পিলাৰ্ছ অফ ছ'চাইটিৰ কাহিনীভাগ*

১৩.৩.২ *পিলাৰ্ছ অফ ছ'চাইটিৰ সাধাৰণ আলোচনা*

১৩.৩.৩ *পিলাৰ্ছ অফ ছ'চাইটিৰ চৰিত্ৰ চিত্ৰণ*

১৩.৩.৪ *পিলাৰ্ছ অফ ছ'চাইটিৰ সংলাপ*

১৩.৩.৫ *বাস্তৱবাদী নাটক হিচাপে পিলাৰ্ছ অফ ছ'চাইটি*

১৩.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১৩.৫ অধিক জানিবলৈ

১৩.৬ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১৩.৭ আৰ্হি প্ৰশ্ন

১৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- হেন্ৰিক ইব্চেনে বিশ্ব নাট্য সাহিত্যত যি নতুন নাট্যধাৰাৰ প্ৰৱৰ্তন কৰিলে সেই নাট্যধাৰাৰ নাট্যৰীতিৰ বিষয়ে আলোচনা কৰিব পাৰিব
- হেন্ৰিক ইব্চেনৰ নাটক *পিলাৰ্ছ অফ ছ'চাইটিৰ* কাহিনীভাগৰ লগত পৰিচিত হোৱাৰ লগতে তাৰ আলোচনা কৰিব পাৰিব
- *পিলাৰ্ছ অফ ছ'চাইটিৰ* চৰিত্ৰ বিশ্লেষণ আৰু সংলাপৰ আলোচনা কৰিব পাৰিব
- বাস্তৱবাদী নাটক হিচাপে *পিলাৰ্ছ অফ ছ'চাইটিৰ* আলোচনা আগবঢ়াব পাৰিব।

১৩.২ পৰিচয়

ইয়াৰ পূৰ্বৰ অধ্যায়ৰ আলোচনাত আপুনি বাস্তৱবাদী নাট্যধাৰাৰ জনক হেন্ৰিক ইব্চেনৰ জীৱন আৰু কৃতিৰ লগত পৰিচিত হোৱাৰ লগতে বাস্তৱবাদী নাটকৰ পৰিচয় লাভ কৰিলে। পাঠ্যবিষয়ৰ এইটো অধ্যায়ত আপুনি হেন্ৰিক ইব্চেনৰ বাস্তৱবাদী নাটক *পিলাৰ্ছ অফ ছ'চাইটিৰ* আলোচনা পঢ়িবলৈ পাব। ইয়াত সমাজৰ কিছুমান বিশেষ চৰিত্ৰৰ চিত্ৰণৰ মাজেদি সমাজ জীৱনৰ বাহ্যিক নিকা ৰূপৰ মাজত লুকাই থকা ৰক্ষণশীলতা, হঠতা আৰু ভণ্ডামিৰ স্বৰূপ উদঙাই দিয়া হৈছে। সমাজত ব্যক্তিয়ে অহৰহ মুখা পিন্ধি থাকে, যাতে তেওঁৰ দোষ-দুৰ্বলতাৰ কুৎসিৎ ৰূপটো

জনচক্ষুৰ পৰা লুকাই থাকে। নাটকখনৰ কাহিনী আৰু চৰিত্ৰৰ বিশ্লেষণৰ মাজেদি আমি সেই দিশসমূহত আলোকপাত কৰিম।

১৩.৩ *পিলাৰ্ছ অফ ছ'চাইটি (Pillars of Society)*

১৩.৩.১ *পিলাৰ্ছ অফ ছ'চাইটিৰ* কাহিনীভাগ

হেন্ৰিক ইব্চেনৰ বহুচৰ্চিত আৰু বহুপঠিত বাস্তৱবাদী নাটক *পিলাৰ্ছ অফ ছ'চাইটি* প্ৰকাশৰ সময় ১৮৭৭ চন। বাস্তৱবাদী নাট্যধাৰাৰ প্ৰবৰ্তক ইব্চেনৰ অন্য বহুকেইখন লেখৰ নাটকৰ ভিতৰত *পিলাৰ্ছ অফ ছ'চাইটি* এখন উল্লেখযোগ্য নাটক। কাৰষ্টেন বাৰ্ণিক (Karsten Bernick) নৰৱেৰ সমুদ্ৰ তীৰত অৱস্থিত এখন চহৰৰ প্ৰতিপত্তিশালী ব্যৱসায়ী। তেওঁ তেওঁৰ পত্নী বেটী বাৰ্ণিক (Betty Bernick), তেৰ বছৰ বয়সীয়া একমাত্ৰ সন্তান ওলাফ (Olaf) আৰু ভনীয়েক মাৰ্থা বাৰ্ণিক (Martha Bernick)সহ তেওঁৰ পৈতৃক ঘৰত বসবাস কৰে। কাৰষ্টেন বাৰ্ণিক সমাজৰ এজন মূধাফুটা ব্যক্তি ৰূপে পৰিচিত। তেওঁ জাহাজ ব্যৱসায়ৰ লগতো জড়িত। তেওঁলোকৰ পৰিয়ালত অন্য এগৰাকী সদস্যা আছে। তেওঁ হৈছে এগৰাকী অভিনেত্ৰীৰ কন্যা ডিনা ডৰ্ফ (Dina Dorf)। কোৱা হৈছে যে ডিনা ডৰ্ফৰ মৃত মাতৃৰ লগত কাৰেষ্টনৰ খুলশালীয়েক অৰ্থাৎ বেটীৰ ভায়েক জহান টনেচন (Johan Tonneson)ৰ অবৈধ সম্পৰ্ক আছিল। বাৰ্ণিকৰ সম্ভ্ৰান্ত গৃহস্থালীত চহৰৰ অন্যান্য গণ্যমান্য পৰিয়ালৰ মহিলা, যেনে— শ্ৰীমতী ৰামেল (Mrs. Rummel), শ্ৰীমতী হল্ট (Mrs. Halt) আৰু শ্ৰীমতী লিন (Mrs. Lynge) গোট খাই সমাজৰ নিছলা, পতিত নাগৰিকৰ বাবে কাপোৰ চিলাই কৰিছিল। কথাৰ প্ৰসংগত এই ভদ্ৰমহিলা কেইগৰাকীয়ে শ্ৰীমতীৰ বাৰ্ণিকৰ কৰ্ণৰ অগোচৰত বাৰ্ণিক পৰিয়ালৰ 'লজ্জাজনক পাৰিবাৰিক দুৰ্ঘটনা' আৰু ডিনা ডৰ্ফৰ অতীতৰ বিষয়ে মুখৰোচক বাৰ্তালাপত লিপ্ত হৈছে। ইফালে জাহাজ নিৰ্মাণ ব্যৱসায়ত কাৰষ্টেনৰ সহযোগী বা ব্যৱসায়িক অংশীদাৰ ভিগেলেণ্ড (Vigeland), ৰামেল (Rummel) আৰু ছানষ্টাদ (Sandstad)ৰ লগত কাৰষ্টেনে চহৰখনৰ ভিতৰুৱা বনভূমিৰ মাজেৰে পাৰ হৈ যোৱা নতুন ৰেলপথ এটাৰ নিৰ্মাণক লৈ গুৰুত্বপূৰ্ণ মত বিনিময়ত লিপ্ত হৈছে। পিছে প্ৰথম অৱস্থাত সেই ৰেলপথ সমুদ্ৰ তীৰেদি নিৰ্মিত হোৱাৰ কথা আছিল। তেওঁলোকৰ ঘোৰ বিৰোধিতাৰ বাবে সেয়া হৈ নুঠিল। অৱশ্যে তাৰো তাৎপৰ্যপূৰ্ণ কাৰণ নোহোৱা নহয়। তেনে হোৱাহেঁতেন তেওঁলোকৰ জাহাজ নিৰ্মাণ ব্যৱসায়ত প্ৰভাৱ পৰিলেহেঁতেন, কিন্তু চহৰখনৰ বনভূমিৰ মাজেদি ৰেলপথ নিৰ্মাণ হ'লে তেওঁলোকৰ চহৰখন লাভান্বিত হ'ব বুলি তেওঁলোকৰ বিশ্বাস। তেনে সময়তে বেটী বাৰ্ণিকৰ ঘৰলৈ সতীয়া বায়েক লোনা হেছেল (Lona Hessal) আৰু ভায়েক জহানৰ আগমন ঘটিল। তেওঁলোকৰ আগমনে বাৰ্ণিক

পৰিয়ালৰ ভিতৰ চ'ৰাত সংঘটিত হোৱা অতীতৰ দুটামান অনৈতিক, লজ্জাজনক ঘটনাৰ স্মৃতিয়ে পুনৰ এক অস্বস্তিকৰ পৰিস্থিতিৰ সৃষ্টি কৰিলে। দৰাচলতে কাৰষ্টেনৰ লগতহে ডোনাৰ অভিনেত্ৰী মাতৃৰ অনৈতিক সম্পৰ্ক আছিল। কিন্তু তেতিয়া কাৰষ্টেনৰ অন্তৰংগ মিত্ৰ আৰু ভাবী খুলশালীয়েক জোহানে হ'বলগীয়া ভিনীহিয়েক আৰু অন্তৰংগ মিত্ৰ কাৰষ্টেনৰ সেই দোষ নিজেই মূৰ পাতি লৈ পাচত সতীয়া বায়েক লোনাৰ লগত আমেৰিকালৈ গমন কৰিছিল। সমাজৰ দৃষ্টিত জোহান অনৈতিক চৰিত্ৰৰ ব্যক্তি ৰূপে চিহ্নিত হোৱাৰ লগতে বাৰ্ণিক পৰিয়ালৰ ধন-সোণ চুৰি কৰি নিয়াৰ অপৰাধতো দোষী।

ৰোৰলাণ্ড (Rorlund) নামৰ স্কুল শিক্ষকজনৰ বাৰ্ণিক পৰিয়ালৰ লগত এটা মধুৰ সম্পৰ্ক। তেওঁ ডোনাৰ প্ৰতি আকৰ্ষণ অনুভৱ কৰিছিল। নাট্যকাৰে ৰোৰলাণ্ড চৰিত্ৰটোক তথাকথিত সুস্থিৰ আৰু নৈতিকতাপূৰ্ণ সমাজখনৰ সমৰ্থক, প্ৰচাৰক আৰু টিপ্পনীকাৰ ৰূপে উপস্থাপন কৰিছে। তেওঁলোকে বাস কৰি থকা সমাজখনত স্থিতি লাভ কৰা পংকিলতাৰ কথা ৰোৰলাণ্ডে নজনা নহয়। কিন্তু তেৱোঁ অন্য দহজনৰ দৰে সমাজখনৰ সুখ-শান্তি আৰু প্ৰগতিৰ বাবে সেই পংকিলতাখিনি থাপি-থুপি লুকু�ৱাই ৰখাটোৱেই শ্ৰেয় বিবেচনা কৰিছিল। কিন্তু ডোনাৰ তেওঁৰ প্ৰতি সহৃদয় মনোভাৱ আছিল যদিও তেওঁক নিজৰ জীৱনসংগী হিচাপে গ্ৰহণ কৰাৰ সিদ্ধান্ত ল'ব পৰা নাছিল। নাটকীয়ভাবে জোহান আৰু লোনাৰ আগমনে বাৰ্ণিক পৰিয়ালৰ ঘৰখনত তুমুল আলোড়ন সৃষ্টি কৰিলে। আমেৰিকাৰ সমাজখন নৰৱেৰ সমাজখনৰ তুলনাত অধিক মুক্ত। আমেৰিকাত মানুহে মুকলি বতাহ ল'ব পাৰে। অৰ্থাৎ তাত ব্যক্তি স্বতন্ত্ৰতাৰ ওপৰত জোৰ দিয়া হয়। ৰক্ষণশীল সমাজৰ ফোপোলা আভিজাত্য আৰু সম্ভ্ৰমশীলতাই তাত শ্বাসৰুদ্ধকৰ পৰিৱেশ সৃষ্টি কৰা নাই। জোহানে ডোনাৰ লগত অন্তৰংগতা গঢ়ি তোলাত ডোনাৰ উপলব্ধি হ'ল যে ৰোৰলাণ্ডে তাইক ভাল নাপায়, ৰৰঞ্চ তাইক পুতৌহে কৰে। তাইৰ প্ৰতিবাদী মনে ৰোৰলাণ্ডক স্বামী হিচাপে গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰিলে। ঘটনাৰ পাকচক্ৰত তাই জোহানৰ লগত আমেৰিকা অভিমুখে জাহাজত উঠি আমেৰিকালৈ যোৱাৰ যো-জা কৰে।

জোহান আৰু লোনা সেই চহৰখনলৈ ঘূৰি অহাৰ পিছত তুমুল আলোড়নৰ সৃষ্টি হৈছিল। বিশেষকৈ যেতিয়া জোহানে অকলশৰীয়াকৈ কাৰষ্টেনক লগ ধৰিছিল, তেতিয়া তেওঁ অনৰোধ কৰা সত্ত্বেও কাৰষ্টেনে বহু বছৰ আগতে নিজে কৰা ভুলৰ বাবে অনুতপ্ত নহৈ জোহানক এই বুলি সাৱধানবাণী শুনাইছিল যাতে তেওঁ কাৰষ্টেনৰ অতীতক লৈ সমস্যাৰ সৃষ্টি নকৰে। জোহানে একো কৰিব নোৱাৰিলে। কিন্তু লোনাই কাৰষ্টেন বাৰ্ণিকক স্বয়ং তেওঁৰ লগত পৰিচয় কৰাই দিলে। স্পষ্টবাদী লোনাই কাৰষ্টেনক তেওঁৰ ভুলবোৰ আঙুলিয়াই দিলে। কাৰষ্টেন অনুশোচনাৰ জুইত দগ্ধ হ'ল। তেওঁ 'মৰাশ জাহাজ' (Coffin ship) এখন সামান্য মেৰামতি কৰি সাগৰত এৰি দিয়াৰ বাবে তীব্ৰ অনুশোচনাত

দগ্ধ হয়। কিন্তু উপস্থিত বুদ্ধিসম্পন্ন লোনাৰ কথাই কাৰষ্টেনক তেনে এটা পাপকৰ্ম কৰাৰ পৰা বিৰত কৰিছিল। তদুপৰি সেইখন জাহাজতে তেওঁৰ একমাত্ৰ পুত্ৰ সন্তান ওলাফ মোমায়েক জোহানৰ লগত আমেৰিকালৈ যাব খুজিছিল। কাৰষ্টেনৰ মানসিক সংঘাত চৰম বিন্দুত উপনীত হ'ল। তেওঁ চহৰখনৰ মানুহে তেওঁক ৰাজহুৱাভাৱে অভিনন্দন জনাবলৈ আয়োজন কৰা অনুষ্ঠানতে তেওঁ তেওঁৰ অতীত জীৱনৰ কদৰ্যপূৰ্ণ ঘটনাবোৰ ব্যক্ত কৰি কৰযোৰ কৰি সমবেত ৰাইজক জনালে যে প্ৰকৃতাৰ্থত তেওঁ সেই সন্মান লাভৰ উপযুক্ত নহয়। ঘৈণীয়েক বেটীৰ ওচৰত তেওঁ ক্ষমা খুজিছিল। কাৰষ্টেনৰ এই আত্মশুদ্ধিৰ ভাবনাৰে নাটকখনৰ অন্ত পৰিছে।

জানি থোৱা ভাল



ঊনবিংশ শতিকাত সমুদ্ৰ যাত্ৰাৰ কাৰণে তেনেই অনুপযোগী জাহাজ কিছুমান অজস্ৰ টকাৰ কাৰণে বীমাহীন উপায়েৰে সমুদ্ৰত নমাই লাভবান হ'বলৈ চেষ্টা কৰা এটা বণিক শ্ৰেণীৰ কাৰ্য-কলাপে ইংলণ্ড, নৰৱে আদি দেশত সন্ত্ৰাসৰ সৃষ্টি কৰিছিল। ঊনবিংশ শতিকাৰ ষষ্ঠ দশকতে এই দুৰ্নীতিৰ বিৰুদ্ধে আইন প্ৰণয়ন কৰি তেনে জাহাজবোৰ আগতীয়াকৈ পৰীক্ষা-নিৰীক্ষা কৰাবলৈ ব্যৱস্থাৰ দাবী তুলি ইংলণ্ডৰ ছেমুৱেল প্লিমছল নামৰ ৰাজনৈতিক নেতা এজনে আন্দোলন কৰিছিল। ইয়াৰ ফলত ১৮৭৬ চনত ইংলণ্ডৰ পার্লিয়ামেণ্টে 'বাণিজ্য জাহাজ আইন' গ্ৰহণ কৰে। আজিকালিও সমুদ্ৰগামী জাহাজত 'প্লিমছল লাইন' অংকিত কৰি দি এই নেতাৰ স্মৃতিত শ্ৰদ্ধা-তৰ্পণ কৰা হয়। নৰৱে'তো এইবিধ দুৰ্নীতি চলিছিল। সমুদ্ৰত ডুবিব বুলি নিশ্চিতভাবে জানিও সৰহ টকাৰ কাৰণে বীমা কৰি কিছুমান মহাশ জাহাজ (Coffin Ship) পঠিয়াই অসাধু ব্যৱসায়ীয়ে প্ৰচুৰ পৰিমাণে অন্যায় লাভ কৰাৰ বিৰুদ্ধে ৰাজধানী ক্ৰিষ্টিয়ানিয়াত সভা-সমিতি হৈছিল।

১৩.৩.২ *পিলাৰ্ছ অফ ছ'চাইটিৰ সাধাৰণ আলোচনা*

*পিলাৰ্ছ অফ ছ'চাইটি*ৰ মাজেদি নাট্যকাৰে সমাজ জীৱনত বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিব পৰা ব্যক্তি জীৱনৰ কেতবোৰ সমস্যা আৰু উপলব্ধিৰ কথা কৈছে। নাটকখনত তেওঁ এনে এখন সমাজৰ চিত্ৰণ কৰিছে যিখন সমাজে আৱৰ্জনা স্বৰূপ ভেম-ভণ্ডামি, হঠটা আদিক সযত্নে লুকুবাই থৈ বাহিৰত এখন নিকা সত্যনিষ্ঠ, পৰোপকাৰিতাৰ মুখা পিন্ধি সমাজখনকে প্ৰতাৰণা কৰে। সমাজৰ অন্যতম লাইখুঁটা স্বৰূপ কাৰষ্টেন বাৰ্ণিকে নিজৰ 'অধ্যৱসায়িতা'ৰ বলত সমাজৰ এজন লেখৰ আৰু প্ৰতিষ্ঠিত উদ্যোগপতি হৈছে। কিন্তু তেওঁ সেই স্থানত উপনীত হ'বলৈ যি নৈতিক মূল্য দিব লগীয়া হৈছিল তাৰ লেখ সমাজে নাৰাখে আৰু ৰখাৰ প্ৰয়োজন অনুভৱ নকৰে। সেইখন সমাজে কেৱল ব্যক্তিৰ সুৰুচিপূৰ্ণ, বাহ্যিক চাক-চিক্যযুক্ত পৰিৱেশ-পৰিস্থিতি লৈয়েই সন্তুষ্ট। সমাজৰ কুৰূপতা

আৰু কুটিলতাসমূহৰ প্ৰতি সেইখন সমাজ আওকণীয়া হয়। সমাজে সেই বেয়াখিনি থাপি-থুপি লুকুৱাই থোৱাৰ পোষকতা কৰে। কাৰষ্টেন বাৰ্ণিক তেনে এখন সমাজৰ ব্যক্তি। লোনাৰ তেওঁৰ প্ৰতি থকা অকৃত্ৰিম ভালপোৱাৰ প্ৰতিদান তেওঁ দিব নোৱাৰিলে। বৰঞ্চ তেওঁলোকৰ ঘৰৰ আৰ্থিক সুস্থিৰতা বাহাল ৰখাৰ স্বাৰ্থত তেওঁ লোনাৰ সতীয়া ভনীয়েক বেটীক বিয়া কৰাই সমাজৰ এজন লেখৰ লোক ৰূপে পৰিগণিত হৈছিল। ডোনাৰ অভিনেত্ৰী মাতৃৰ লগত কাৰষ্টেন অবৈধ সম্পৰ্কত লিপ্ত হৈছিল। ডোনা ডৰ্ফ সেই সম্বন্ধৰ পৰিণতি। অথচ, কাৰষ্টেনে নিজৰ সেই অনৈতিক কাৰ্যৰ বাবে পাপবোধত ভোগা নাছিল। বৰঞ্চ সহায়কাৰী মনোবৃত্তিৰ ডেকা জোহানে হ'বলগীয়া ভিনীহিয়েক কাৰষ্টেন বাৰ্ণিকক সেই বিপদৰ পৰা ৰক্ষা কৰিলে। তেওঁ সেই অপবাদ নিজৰ মূৰত জাপি ল'লে। কেৱল সিমানেই নহয়, তেওঁক কাৰষ্টেনৰ ঘৰৰ ধন-সোণ আদি মূল্যৱান সম্পদ চুৰ কৰি নিয়া বুলি মিছাকৈ দোষী সাব্যস্ত কৰা হ'ল। ফলত সেই চহৰখনৰ মানুহৰ মনত জোহান চৰিত্ৰটো এটা ঘৃণিত চৰিত্ৰ হৈ থাকিল।

এইদৰে নাটকখনৰ কাহিনীভাগ আগবাঢ়ি যাওঁতে কাৰষ্টেনৰ লগতে সমাজৰ অন্যান্য মূধাফুটা ব্যক্তি আৰু সামাজিক ব্যৱস্থাটোত থকা কেৰোণসমূহ উন্মোচিত হৈছে। নাটকখনত থকা সৰহ সংখ্যক পাত্ৰই শঠতা আৰু ভণ্ডামিৰ প্ৰতিমূৰ্তি ৰূপে ধৰা দিছে। তেওঁলোকে পুতিগন্ধময় পৰিৱেশৰ পৰা ওলাই আহিব খোজা নাই। সেইবাবে বেটী বাৰ্ণিকৰ গোটৰ ভদ্ৰ মহিলাসকলে বেটীৰ ঘৰত তেওঁৰ আতিথ্য গ্ৰহণ কৰি তেওঁৰ পৰিয়ালৰ অতীত কলংকৰ কথা আলোচনা কৰিবলৈ কুণ্ঠাবোধ কৰা নাই। অথচ সেই একে কেইগৰাকী মহিলাই (তেওঁলোকৰ দৃষ্টিত অস্বাভাৱিক) লোনাৰ সাজপাৰ আৰু তেওঁ অগতানুগতিক দৃষ্টিভংগী দেখি তেওঁক সমালোচনা কৰিছিল। কিন্তু লোনা তেওঁলোকৰ ৰক্ষণশীল চিন্তা আৰু চেতনাৰ বহু ঊৰ্ধ্বত অৱস্থান কৰিছিল। সম্ভৱতঃ ইব্চেনে ঊনবিংশ শতিকাৰ এগৰাকী নাৰীৰ সমঅধিকাৰৰ প্ৰবক্তা আষ্টা হানষ্টিনৰ চৰিত্ৰৰ আলমত লোনা হেছেল চৰিত্ৰটো অংকন কৰিছে।

পিলাৰ্ছ অফ ছ'চাইটি বাস্তৱবাদী নাটক হোৱা সত্ত্বেও নাট্যকাৰ ইব্চেনৰ সূক্ষ্ম শিল্পীচেতনা প্ৰকাশ নোপোৱাকৈ থকা নাই। প্ৰতীকধৰ্মী চিত্ৰ উপস্থাপনতেই হওক অথবা সংলাপ প্ৰয়োগৰ মাধ্যমেদিয়ে হওক, ইব্চেনে নিজৰ শিল্পী প্ৰাণৰ হুতাহ পূৰণ কৰিব পাৰিছিল। ইয়াত 'পিলাৰ্চ' শব্দই লাইখুঁটা বুজাইছে, অৰ্থাৎ সমাজ জীৱনৰ লাইখুঁটা। মন কৰিব লগীয়া যে নাটকখনত চাৰিটা সম্ভ্ৰান্ত পুৰুষ চৰিত্ৰৰ উল্লেখ আছে— কাৰষ্টেন বাৰ্ণিক, ৰামেল, ভাগেলেণ্ড আৰু ছানষ্টাদ। চহৰৰ বনভূমিৰ মাজেদি ৰেল লাইনটো পাৰ হৈ যোৱাৰ বেলিকা এই চাৰিওজন ব্যৱসায়িক বুদ্ধিযুক্ত প্ৰভাৱশালী ব্যক্তিয়ে উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিছিল। চাৰিওজন যেন সেই সমাজখনৰ সুস্থিৰভাবে চলাই নিয়া চাৰিটা লাইখুঁটাহে। সময়ত তাৰে এটা লাইখুঁটা ভাঙি পৰি যোৱাৰ উপক্ৰম হৈছিল। নৈতিকতাৰ প্ৰশ্নই কাৰষ্টেনৰ পাৰিবাৰিক জীৱনলৈকো ধুমুহাই নমাই আনিছিল। স্পষ্টবাদী লোনাই

তেওঁক তেওঁৰ দোষ আঙুলিয়াই দিয়াত কাৰষ্টেনে আত্মসমালোচনাৰ মাধ্যমেৰে নিজকে দোষ মুক্ত কৰাৰ লগতে জীৱনটোক অর্থপূর্ণ কৰি তুলিবলৈ প্রেৰণা পায়।

সমাজ জীৱনত দেখা দিয়া দুর্নীতিৰ কথাও নাটকখনত উপস্থাপন কৰা হৈছে। কাৰষ্টেনৰ জাহাজ মেৰামতিৰ কাৰখানাত মেৰামতি কৰিবলৈ থোৱা জাহাজকেইখনৰ প্রসংগৰ পৰাই সমাজৰ উচ্চতম স্তৰত দুর্নীতিয়ে কিদৰে শিপাইছিলে তাৰ লেখ পাওঁ। এইদৰে এই সমস্যামূলক নাটকখনৰ মাজেদি হেন্ৰিক ইব্চেনে ব্যক্তি জীৱনত গোপন হৈ থকা কেতবোৰ অনৈতিক প্রসংগৰ লগতে দুর্নীতিগ্রস্ত সমাজ এখনৰ পংকিল চিত্র উন্মোচন কৰিছে।

১৩.৩.৩ *পিলাৰ্ছ অফ ছ'চাইটিৰ* চৰিত্র চিত্রণ

হেন্ৰিক ইব্চেনে *পিলাৰ্ছ অফ ছ'চাইটি*ৰ কাহিনীভাগ উপস্থাপনৰ বেলিকা কেইটামান বিশেষ চৰিত্র সৃষ্টি কৰিছে। আটাইকেইটা চৰিত্র চহৰীয়া জীৱন উদ্ভূত। সেই চৰিত্রকেইটাৰ বিষয়ে আলোচনা কৰা হ'ল—

কাৰষ্টেন বার্ণিক ঃ নাটকখনত চিত্রিত হোৱা পুৰুষ চৰিত্রকেইটাৰ ভিতৰত কাৰষ্টেন বার্ণিক মুখ্য পুৰুষ চৰিত্র। এই চৰিত্রটোৱে সামাজিক জীৱনৰ জখলাডালত এঢোপ এঢোপকৈ উঠি যাবলৈ ধৰোতে নৈতিক-অনৈতিক কোনো পন্থা বাচ-বিচাৰ কৰা নাছিল। তেওঁ লোনা হেছেলৰ প্রেমক এই বাবেই নেওচা দিছিলে কাৰণ তেওঁ তেওঁৰ ভৱিষ্যতৰ উজ্জ্বল সপোন দেখা পাইছিলে লোনাৰ সতীয়া ভনীয়েক বেটীৰ মাজত। বেটী তেওঁৰ মাকৰ সম্পত্তিৰ উত্তৰাধিকাৰিণী হোৱাৰ বাবে কাৰষ্টেনে বেটীক নিজৰ জীৱন সংগিনী কৰে। সময়ত তেওঁ তেওঁলোকৰ পৈতৃক ব্যৱসায়ক সন্তোষজনক স্থিতি প্রদান কৰে। পাৰিবাৰিক জীৱন সম্পর্কে কাৰষ্টেনৰ ধাৰণা আছিল— "...the family is the kernel of society. A good home, honoured and trusty friend, a little snug family circle where no disturbing elements can cast their shadow." এইদৰে দেখিবলৈ পোৱা যায় যে পাৰিবাৰিক জীৱন সম্বন্ধে কাৰষ্টেন বার্ণিকৰ আদর্শগত ধাৰণা আছিল। পিছে আদর্শ আৰু ব্যৱহাৰিক জীৱনৰ বাস্তৰিকতা দুটা পৃথক দিশ ৰূপেহে কাৰষ্টেনৰ জীৱনত দেখা দিছে। পৰৱর্তী সময়ছোৱাত আমি দেখিবলৈ পাওঁ যে আদর্শবান কাৰষ্টেনৰ নৈতিক স্খলনৰ কাহিনীয়ে বার্ণিক পৰিয়ালৰ পাৰিবাৰিক জীৱনত সংঘাতৰ সৃষ্টি কৰিছে। আমেৰিকাৰ পৰা জোহান আৰু লোনা হেছেলৰ প্রত্যাৱর্তন আৰু উভয় জোহান আৰু লোনাৰ লগত হোৱা কাৰষ্টেনৰ ভাব বিনিময়ৰ পাছত কাৰষ্টেনৰ ব্যক্তিগত জীৱনৰ সংঘাত ঘনীভূত হৈছে। নাট্যকাৰে অতি দক্ষতাৰে এটা স্বাভাৰিক গতিত সেই সংঘাত চিত্রিত কৰিছে। নাট্যকাৰৰ সেই প্রয়াস দেখিলে এনে বোধ হয় যেন তেওঁ কাৰষ্টেন বার্ণিক চৰিত্রটোক নানা পৰীক্ষা-নিৰীক্ষাৰ মাজেদি আগবঢ়াই নি শেষত তেওঁৰ মানসিক পৰিশোধন ঘটাইছে। ফলত চৰিত্রটোৰ কলুষ-কালিমাৰে পূর্ণ

চাৰিত্ৰিক দিশলৈকো পৰিৱৰ্তন আহিছে আৰু কাৰষ্টেন বাৰ্ণিক স্বৰূপাৰ্থত সমাজৰ এটা লাইখুঁটা অৰ্থাৎ Pillar of Society হৈছে। চহৰবাসীসকলে তেওঁক সন্মান জনাবলৈ আয়োজন কৰা সম্বৰ্ধনা অনুষ্ঠানত তেওঁ উদাত্ত কণ্ঠেৰে কোৱা কথাৰ পৰা নাট্যকাৰৰ সেই অভিনৱ প্ৰয়াস দৃষ্টিগোচৰ হয়— "Yes, friends, I was the guilty one, and he went away. The vile and lying rumours that were spread abroad afterwards, it is beyond human power to refute now; but I have no right to complain of that. For fifteen years I have climbed by the ladder of success by the help of these rumours; whether now they are to cast me down again, or not, each of you must decide in his own mind."

আউন ঃ কাৰষ্টেন বাৰ্ণিকৰ জাহাজ মেৰামতি কাৰখানাত ফোৰম্যান হিচাপে নিযুক্ত আছিল। আউনৰ পৰিয়ালৰ মানুহে কেইবা পুৰুষ ধৰি বাৰ্ণিক পৰিয়ালৰ পাৰিবাৰিক ব্যৱসায়ত শ্ৰমিক হিচাপে মহত্ত্বপূৰ্ণ যোগদান আগবঢ়াই আহিছিলে। কাৰখানালৈ আধুনিক প্ৰযুক্তিৰ যন্ত্ৰপাতি ক্ৰয় কৰি অনাত ভালেসংখ্যক শ্ৰমিকৰ জীৱনলৈ অনিশ্চয়তা নামি আহিছিল। অথচ কাৰখানাৰ মালিক কাৰষ্টেন বাৰ্ণিকে সেই গুৰুত্বপূৰ্ণ প্ৰসংগটোৰ প্ৰতি উদাসীনতা অৱলম্বন কৰিছিল। মালিক পক্ষই শ্ৰমিকৰ ভৱিষ্যতক লৈ হেতালি খেলা বাবে আউন চিন্তিত হৈছিল। গতিকে তেওঁ স্পষ্ট ভাষাৰে তাৰ প্ৰতিবাদ কৰি মালিক পক্ষক জনালে যাতে আধুনিক প্ৰযুক্তিৰ যন্ত্ৰপাতিৰ প্ৰচলনে কাৰখানাৰ কোনো শ্ৰমিকৰ পৰিয়াললৈ অনিশ্চিত ভৱিষ্যৎ কঢ়িয়াই নানে। আউনৰ যুক্তিত সমাজবাদী চিন্তাৰ ৰেখ বিদ্যমান। সমাজৰ সকলো শ্ৰেণীৰ নাগৰিকৰ সৰ্বাংগীন উন্নয়ন অবিহনে সমাজত প্ৰকৃত অৰ্থত প্ৰগতি সাধন নহয়। আউনৰ দৃষ্টিত— "Aune : Yes, I really am afraid, Mr. Bernick. I am afraid for the number of men who will have the bread taken out of their mouths by these machines. You are very fond, sir, of talking about the consideration we owe to the community; it seems to me, however, that the community has its duties too. Why should science and capital venture to introduce there new discoveries into labour, before the community has had time to educate a generation up to using them?"

ৰোৰলাণ্ড ঃ ৰোৰলাণ্ড এজন স্কুল শিক্ষক। তেওঁ তথাকথিত নৈতিকতাপূৰ্ণ সমাজখনৰ দৃষ্টিভংগী আৰু পদক্ষেপক সমৰ্থন জনাইছিল। তেওঁৰ দৃষ্টিত সমাজত দেখা দিয়া 'ৰেয়াখিনি' গোটাই লৈ তাক লুকুৰাই থ'ব লাগে। সেইখন তথাকথিত পৰিশীলিত সমাজখনত অৱস্থান কৰা ৰোৰলাণ্ডৰ দৃষ্টিত 'বাহিৰা জগত'খনৰ পৰা চহৰবাসীয়ে নিজকে আঁতৰাই ৰাখিব লাগে। সেইখন জগতৰ ধামখুমীয়াত পৰি নিজকে হেৰুৱাতকৈ নিজৰ

নিজৰ নিৰাপদ ক্ষুদ্ৰ, ছাঁযুক্ত পৰিমণ্ডলত আবৰ্তন কৰি থকাই শ্ৰেয়। তাৎপৰ্যপূৰ্ণভাবে ইয়াত নাট্যকাৰ ইব্চেনে সমাজৰ সেই চাম ব্যক্তিক সমালোচনা কৰিছে যিসকলে ৰক্ষণশীলতাৰ ঠেক গণ্ডীৰ পৰা বাহিৰলৈ ওলাই আহিবলৈ অপাৰগ। প্ৰগতিবাদৰ মুকলি বতাহত উশাহ ল'বলৈ সিবিলাক অপাৰগ অথবা অনিচ্ছুক।

জোহান ঃ জোহান কাৰষ্টেনৰ পত্নী বেটীৰ ভায়েক আছিল। তেওঁ কাৰষ্টেনৰ বন্ধুও। ডিনা ডৰ্ফৰ অভিনেত্ৰী মাতৃৰ লগত কাৰষ্টেনৰ অবৈধ সম্পৰ্ক আছিল। কিন্তু সামাজিক দৃষ্টিত সেয়া এটা গৰিহণাযোগ্য সম্পৰ্ক। ফলত অপ্ৰীতিকৰ পৰিস্থিতি সৃষ্টি হোৱাত কাৰষ্টেনে নিজৰ মান-সম্মান ৰক্ষা কৰিবলৈ বন্ধুগত প্ৰাণৰ জোহানৰ সহায় লয়। কাৰষ্টেনৰ চৰিত্ৰত দাগ নপৰিল। কিন্তু নিৰ্দোষী হোৱা সত্ত্বেও জোহান সমাজৰ দৃষ্টিত হেয় প্ৰতিপন্ন হ'ল। জোহান লোনাৰ লগত আমেৰিকালৈ গুচি গৈছিল। তেওঁলোকে দেখি অহা সমাজখনৰ তুলনাত এই নতুন সমাজখন অধিক মুক্ত, ব্যক্তিজীৱনো স্বতন্ত্ৰ ব্যক্তিয়ে নিজৰ জীৱনটো স্বাধীনভাবে পৰিচালিত কৰিব পাৰে। তথাকথিত নৈতিকতাৰ প্ৰশ্নক লৈ তাত মানুহে মূৰ নঘমাই, বৰঞ্চ নিজ হাতে নিজৰ জীৱন গঢ় দিবলৈ কঠোৰ পৰিশ্ৰম কৰে। মন কৰিবলগীয়া যে জোহান চৰিত্ৰটোৰ মাজেদি হেন্ৰিক ইব্চেনৰ ব্যক্তিগত অনুভৱ-উপলব্ধি প্ৰকাশ পাইছে। এইটো সত্য যে জোহান চৰিত্ৰটোয়ো মানসিক সংঘাতেৰে জৰ্জৰিত। কিন্তু সেই সংঘাত আৰু প্ৰত্যাহ্বানে জোহানক সমাজৰ এজন উদ্যমী, প্ৰগতিবাদী ধ্যান-ধাৰণাৰ নাগৰিক ৰূপে গঢ় দিছিল।

বাৰ্ণিকৰ ব্যৱসায়িক অংশীদাৰ ভিগেলেণ্ড, ৰামেল আৰু ছানষ্টাদ ৰক্ষণশীল, তথাকথিত নৈতিকতাপূৰ্ণ সমাজৰ সেইকেইটা প্ৰতিনিধিত্বমূলক চৰিত্ৰ যিয়ে নিজৰ ব্যক্তিগত স্বাৰ্থ পূৰণৰ বাবে সদা তৎপৰ। তেওঁলোকে সামাজিক কল্যাণৰ আঁৰ লৈ ব্যক্তিগত স্বাৰ্থ পূৰ কৰাত সিদ্ধহস্ত। সেইদৰে কাৰষ্টেন বাৰ্ণিকৰ তলতীয়া বিশ্বাসী কৰ্মচাৰী ক্ৰাপ এগৰাকী এনে কুশলী ব্যক্তি যি অহৰহ নিজৰ প্ৰভু অৰ্থাৎ, মালিকৰ হিতৰ অনুকূলে যোৱা কাৰ্য সাধন কৰাটোকে জীৱনৰ লক্ষ্য বুলি বিবেচনা কৰে।

এতিয়া আমি আহোঁ নাটকখনৰ নাৰী চৰিত্ৰকেইটাৰ প্ৰসংগলৈ—

লোনা হেছেল ঃ লোনা হেছেল বেটী বাৰ্ণিকৰ সতীয়া বায়েক আছিল। এইগৰাকী স্পষ্টবাদী মহিলাই তেওঁ ডাঙৰ-দীঘল হোৱা সমাজখনৰ কপটাচাৰ আৰু ভণ্ডামি দেখি অতিষ্ঠ হৈ সেই সময়ছোৱাত 'নতুন পৃথিৱী'ৰূপে জনাজাত হোৱা আমেৰিকালৈ প্ৰব্ৰজন কৰিছিল। তেওঁৰ লগত সৰু ভায়েক অৰ্থাৎ বেটীৰো সৰু ভায়েক জোহানো গুচি গৈছিলে। নতুন সমাজ এখনলৈ গৈ তাত সংগ্ৰামৰ মাজেদি নিজকে প্ৰতিষ্ঠা কৰি লোনা এটা সময়ত ভায়েকক লগত লৈ নিজৰ মাতৃভূমিলৈ উভতি আহিছিল। তেওঁ উভতি আহি দেখে যে ইতিমধ্যে তেওঁৰ ভনীজোঁৱায়েক কাৰষ্টেন বাৰ্ণিক সমাজৰ এগৰাকী সুপ্ৰতিষ্ঠিত মান্য নাগৰিক হৈছে। তেওঁৰ লগত কোনেও ফেৰ মাৰিব নোৱাৰে। কিন্তু লোনাৰ বাবে কাৰষ্টেন বাৰ্ণিকৰ অতীত গোপন হৈ থকা নাছিল। তেওঁ বাৰ্ণিকৰ অতীত ইতিহাস

ভালদৰে জানে। বাৰ্ণিকৰ বৰ্তমানৰ প্ৰতিষ্ঠিত ৰূপটো যে অতীতৰ এটা অনৈতিক ঘটনাৰ ভিত্তিত প্ৰতিষ্ঠিত সেই কথা লোনাই ভালদৰে জানে। সেইবাবে তেওঁলোকৰ ঘৰত পদাৰ্পণ কৰাৰ কিছু সময়ৰ পিছতেই লোনাই কোঠাটোৰ খিৰিকীত ওলোমাই থোৱা পৰ্দাকেইখন কোঁচাই কোঠাটোলৈ 'মুকলি বতাহ' প্ৰৱেশ কৰাৰ পথ প্ৰশস্ত কৰি দিব খুজিছিল। আমি ইতিমধ্যে পূৰ্বৱৰ্তী উপশাখা এটাত উল্লেখ কৰি আহিছো যে লোনাৰ চৰিত্ৰত আষ্টা হানষ্টিন নামৰ নাৰীৰ সমঅধিকাৰৰ সমৰ্থক এগৰাকীৰ প্ৰভাৱ পৰিছে। লোনাই হৈছে সেইগৰাকী নাৰী যিয়ে কাৱষ্টেন বাৰ্ণিকৰ অন্তৰাত্মাক জোকাৰি যোৱাকৈ তেওঁৰ মিছা আত্মতুষ্টি আৰু অভিমানত আঘাত হানিবলৈ সমৰ্থ হৈছিল। তেওঁ বাৰ্ণিকক উদ্দেশ্য কৰি কোৱা কথাকেইষাৰমানে তেওঁৰ (লোনা) চৰিত্ৰটোক *পিলাৰ্ছ অফ ছ'চাইটি*ৰ এটা শক্তিশালী নাৰী চৰিত্ৰ ৰূপে উজ্বলি উঠিছে— ''Lona : And of what consequence is it when such a society be propped up or not? What would it all consist of? Show and lies– and nothing else. Here are you, the first man in the town, diving in grandeur and luxury, powerful and respected you, who have branded an innocent man as a criminal.''

ডিনা ডৰ্ফ ঃ লোনাৰ দৰে ডিনা ডৰ্ফো স্পষ্টবাদী গাভৰু আছিল। পিছে তাইৰ অতীত আৰু বংশ পৰিচয়ৰ কথা চিন্তা কৰিয়েই তাই খোজে প্ৰতি নিজকে সংযত কৰিবলগীয়া হৈছিল। তাই বাৰ্ণিক পৰিয়ালৰ অনুগ্ৰহ প্ৰাৰ্থী আছিল। কিন্তু সেই বুলিলেই তাইক আনে পুতৌৰ দৃষ্টিৰে চোৱাতো তাই সহ্য কৰিব নোৱাৰিছিল। ৰোৱলাণ্ডে তাইক বিয়া কৰাব বিচাৰিছিল। পিছে ডিনাই প্ৰথম অৱস্থাত তেওঁৰ প্ৰস্তাৱত সন্মতি প্ৰদান কৰিছিল যদিও শেষত নাটকীয়ভাৱে জোহানৰ লগত আমেৰিকালৈ গুচি গৈছিলে। তাই সেই চলিত পৰিবেশৰ শ্বাসৰুদ্ধকাৰী বাতাবৰণৰ পৰা ওলাই আহিব বিচাৰিছিল। সেইবাবে জোহানৰ সৰলতাপূৰ্ণ, কপটতাহীন অনাড়ম্বৰ দৃষ্টিভংগীয়ে ডিনাক তেওঁৰ প্ৰতি আকৰ্ষিত কৰিছিল। সেইবাবে জীৱনৰ চৰম সিদ্ধান্তটো লোৱাৰ সময়ত ডিনাই জোহানকে নিজৰ জীৱন পথৰ সহচৰ হিচাপে নিৰ্বাচন কৰিছিল।

বেটী বাৰ্ণিক ঃ কাৱষ্টেন বাৰ্ণিকৰ পত্নী আৰু লোনা হেছেলৰ সতীয়া ভনীয়েক বেটী সমাজৰ পৰম্পৰাগত বিচাৰবোধত বিশ্বাসী সাধাৰণ নাৰী আছিল। নিজৰ স্বামীৰ সুখত সুখী আৰু দুখত দুখী এগৰাকী আদৰ্শ গৃহিণী হিচাপে বেটী পৰিচিত। তেওঁৰ আতিথ্যও অতুলনীয়। এইগৰাকী মমতাময়ী নাৰীয়ে নিজৰ পুত্ৰ সন্তান ওলাফৰ প্ৰতি যিদৰে দায়িত্ববোধ আৰু মমত্ব অনুভৱ কৰিছিল, সেইদৰে ডিনাকো নিজৰ ছোৱালীৰ দৰেই জ্ঞান কৰিছিল, তাইৰ ভাল-বেয়াৰ বিষয়ে সজাগ আছিল। সেই বাবে তেওঁৰ দৃষ্টিত অমায়িক আৰু ৰুচিপূৰ্ণ ব্যক্তিত্বৰ ৰোৱলাণ্ডৰ লগত ডিনাৰ অন্তৰংগতাত তেওঁ বাধা প্ৰদান কৰিব খোজা নাছিল। অৱশ্যে শেষৰফালে জোহানৰ প্ৰতি বাঢ়ি অহা ডিনাৰ

আকর্ষণবোধে তেওঁক চিন্তিত কৰিছিল। গতানুগতিক জীৱনধাৰাত অভ্যস্ত এইগৰাকী নাৰীৰ মনত তেওঁৰ সতীয়া বায়েক লোনাৰ প্রতি এটা আক্ষেপ আছিল। সেইটো এয়ে যে অন্য বহুতৰ দৰে তেৱোঁ এইটো বিশ্বাস কৰিছিল যে কাৰষ্টেনে তেওঁক ভাল পাই বিয়া পতাৰ বাবে বায়েক লোনাই ঈর্ষাৰ বশৱর্তী হৈ তেওঁলোকৰ পৰিয়ালটোৰ লগতে বেটীক লাজত পেলাবলৈ আমেৰিকালৈ 'পলাই' গৈছিলে। বেটীৰ সেই অভিযোগ-আক্ষেপ নিৰাধাৰ আছিল যদিও লোনাই তেওঁৰ আগত প্রকৃত সত্যটো উন্মোচন নকৰিলে। নহ'লে তেওঁ প্রায় 'মহামানৱ' ৰূপে শ্রদ্ধা-ভক্তি কৰা তেওঁৰ একান্ত আপোন পুৰুষজনক যে এজন অনৈতিক ভণ্ড চৰিত্রৰ লোক, সেই কথাটো জনাহেঁতেন তেওঁ মৃত্যুতুল্য শোক পালেহেঁতেন।

নাটকখনত থকা অন্যান্য নাৰী চৰিত্র যেনে— কাৰষ্টেনৰ ভনীয়েক মার্থা, শ্রীমতী ৰামেল, হিল্ডা ৰামেল, শ্রীমতী হল্ট, নেটা হল্ট আৰু শ্রীমতী লাগৰ মাজেদি সমসাময়িক সমাজৰ সম্ভ্রান্ত ঘৰৰ মহিলাৰ মানসিকতা প্রদর্শন কৰা হৈছে। অৱশ্যে নাটকৰ শেষৰ ফালে মার্থা চৰিত্রটোৱে কিছু পৰিমাণে মানসিক উৎকর্ষৰ প্রমাণ দিছে।

১৩.৩.৪ *পিলাৰ্ছ অফ ছ'চাইটিৰ সংলাপ*

নাটকৰ এটা উল্লেখযোগ্য উপাদান হ'ল সংলাপ। নাটকত প্রয়োগ কৰা সংলাপে নাট্যগুণ বৃদ্ধি কৰাৰ লগতে চৰিত্রকো উজলাই তোলে। এই প্রসংগত আমি *পিলাৰ্ছ অফ ছ'চাইটি* নাটকখনৰ সংলাপত দৃষ্টিপাত কৰিলে দেখিম যে ইয়াত নাট্যকাৰ হেন্ৰিক ইব্চেনে চৰিত্র বিশেষৰ মুখত দিয়া শক্তিশালী সংলাপৰ মাধ্যমেদি এই বাস্তৱবাদী নাটকখনৰ মূল ভাব আৰু নাট্যকাৰৰ দৃষ্টিভংগী প্রকাশ কৰিছে। উদাহৰণ স্বৰূপে আমি নাটকৰ এটা চৰিত্র ৰোৱলাণ্ডে ব্যক্ত কৰা মনোভাব উদ্ধৃত কৰিব পাৰো—

"Rorlund : That is merely temptation, dear Miss Benrick. You ought to shut the doors of your mind upon such disturbing guests as that. By the 'Stormy Seas'– for of course you do not intend me to take your words literally you mean the restless tide of the great outer world, where so many are shipworked. Do you really set such store on the life you hear rushing by outside? Only look out into the street. There they go, walking about in the heat of the sun, perspiring and tumbling about over their little affaire. No, we undoubtedly have the best of it, who are able to sit here in the cool and turn our facks on the quarter from which disturbances comes."

ইয়াত 'Stormy Seas'. 'perspiring and tumbling about' আদি শব্দৰ দ্বাৰা ৰক্ষণশীল চিন্তা আৰু দ্বেষ-ভণ্ডামিৰে পূর্ণ সমাজখনক সংস্কাৰ কৰি প্রগতিবাদী চিন্তা আৰু যুক্তিবাদৰ ওপৰত ভিত্তি কৰি নতুনকৈ গঢ়া সমাজৰ কথা কোৱা হৈছে।

ৰোৰলাণ্ডৰ নিচিনা মানুহৰ বাবে সেই নতুন পৃথিৱীখন মূল্যহীন। অৰ্থাৎ তেওঁৰ নিচিনা মানুহৰ বাবে সমাজৰ শুভ পৰিৱৰ্তন ইপ্সিত নহয়। বৰঞ্চ তেনে লোকে ৰক্ষণশীল পৰম্পৰাৰ ওপৰত প্ৰতিষ্ঠিত কপট আচাৰ আৰু তথাকথিত নৈতিকতাত গুৰুত্ব দি সমাজখন তেনেদৰে চলাত হাত উজান দিয়ে।নাট্যকাৰে তেনে চিন্তাক সমালোচনা কৰি কৈছে যে তেনে লোকে সামাজিক সমস্যাৰ উপশমত সহায় নকৰি তেনে সমস্যাৰ প্ৰতি আওকণীয়া মনোভাব গ্ৰহণ কৰে।

নাটকৰ স্ত্ৰী চৰিত্ৰকেইটাৰ সংলাপৰ মাজেদি নাট্যকাৰে কিছুমান পৰম্পৰাগত ৰক্ষণশীল চিন্তাক প্ৰত্যাহ্বান জনাইছে। এইখিনিতে উল্লেখ কৰি থোৱা ভাল হ'ব যে এই নাটকখন ৰচনা কৰাৰ সময়ত সমাজখন ইমান উদাৰ আৰু প্ৰগতিশীল নাছিল। নাৰীসকলে ব্যক্তি হিচাপে চিন্তা কৰিবলৈ সুযোগ-সুবিধা পোৱাৰ পৰা বঞ্চিত আছিল। অথচ এই নাটকত চিত্ৰিত হোৱা ডিনা আৰু মাৰ্থা চৰিত্ৰৰ মুখত দিয়া সংলাপে সমসাময়িক অবদমিত নাৰী চেতনাক জাগ্ৰত কৰাৰ আভাস দিছে—

''Dina : I have never loved the man! I would rather drown myself in the Fjord than be engaged to him! Oh, how he humiliated me yesterday with his condescending manner! How clear he made it that he felt he was lifting up a poor despised creature to his own level! I do not mean to be despised any longer. I mean to go away. May I go with you?''

''Martha : No, I dare say not; I would not have expected it myself. But I was bound to break out sometime! Ah! What we suffer under the tyranny of habit and custom! Make a stand against that, Dina. Be his wife. Let me see you defy all this convention.''

১৩.৩.৫ *বাস্তৱবাদী নাটক হিচাপে পিলাৰ্ছ অফ ছ'চাইটি*

হেন্ৰিক ইব্চেনৰ হাততেই বাস্তৱবাদী নাটকে নাট্যকলাৰ ৰূপ পৰিগ্ৰহ কৰে। বাস্তৱবাদী নাটকত সচৰাচৰ সমসাময়িক সামাজিক সমস্যা এটা উত্থাপন কৰা হয়। নাটকৰ মুখ্য চৰিত্ৰ বা কেন্দ্ৰীয় চৰিত্ৰৰ মাজেদি সেই সমস্যাটো সমাজৰ দৃষ্টিগোচৰ কৰা হয়।নাটকত উপস্থাপিত সমস্যাটো আকৌ এনে প্ৰকৃতিৰ হয় যে তাৰ তৎকালীন সমাধানৰ যি পন্থা বিচাৰি পোৱা যায় সেই পন্থা সমসাময়িক সমাজৰ নিয়ম-শৃংখলাৰ বিপৰীতে যায়। চৰিত্ৰই সাহস কৰি সেই পন্থা অৱলম্বন কৰিবলৈ আগবাঢ়ি আহিলে সমাজৰ অন্যান্যই তেওঁক দুৰ্ঘোৰ সমালোচনা কৰিব। ফলত তেওঁ এজন 'সমাজবিৰোধী ব্যক্তি ৰূপে গণ্য হ'ব। তাৰ পৰিণতি এক সংঘাতপূৰ্ণ স্থিতি।

হেন্ৰিক ইব্চেনৰ বহুচৰ্চিত নাটক *এনিমি অফ দি পিপলৰ* দৰে *পিলাৰ্ছ অফ*

*ছ'চাইটি*ও এখন সমস্যাপ্রধান লেখৰ বাস্তৱবাদী নাটক। বাস্তৱবাদী নাটকৰ আটাইকেইটা লক্ষণ নাটকখনত আছে। প্রচলিত সমাজ ব্যৱস্থাত প্রত্যক্ষ কৰিবলৈ পোৱা মিথ্যাচাৰ, গোড়ামি, কপটতা, ভণ্ডামি দেখি নাট্যকাৰ বিতশ্রদ্ধ। তেওঁৰ সংস্কাৰকামী চেতনাৰ আহ্বানত নাটকখনৰ কেইটামান বিশেষ চৰিত্রৰ মাধ্যমেদি সমাজ জীৱনত দেখা দিয়া সেই ক্ষতিকাৰক দিশসমূহ কঠোৰ ভাষাৰে সমালোচনা কৰিছে। য'তেই সুবিধা হয় তাতেই তেওঁ বলিষ্ঠ সংলাপ আৰু কেতিয়াবা উপযুক্ত চৰিত্রৰ চিত্রণেৰে নাটকৰ কাহিনীভাগ অধিক গতিশীল কৰি তুলিছিল। তেওঁ 'চৰিত্র সৃষ্টি'ৰ বাবে চৰিত্র সৃষ্টি কৰা নাছিল। বৰঞ্চ তেওঁ সৃষ্টি কৰা প্রতিটো চৰিত্র একো একোটা স্বয়ং সম্পূর্ণ সত্তাৰ ৰূপ অবতীর্ণ হৈছে। সমসাময়িক সমাজত প্রচলিত নাট্যশৈলীৰ পৰা নাট্যকাৰ ইব্চেনে সূচনা কৰা নাট্যধাৰা ভিন্ন। তাৰ বাবে তেওঁ সমাজৰ কর্তৃপক্ষৰ পৰা ভর্ৎসনা বাক্যও শুনিব লগীয়া হৈছিল। কিন্তু কোনো ধৰণৰ বাধাই তেওঁক তেওঁৰ সৃষ্টিৰ পথৰ পৰা বিমুখ কৰিবলৈ সমর্থ হোৱা নাছিল। সময়ত তেওঁ তেওঁৰ নিৰলস সাধনাৰ দ্বাৰা এগৰাকী বিশ্ববিশ্রুত নাট্যকাৰত পৰিণত হয়।



চিন্তা-চর্চা কৰক — ১৩.১

অধ্যায়টিত প্রাপ্ত বাস্তৱবাদী নাটকৰ বৈশিষ্ট্যসমূহ এই নাটকখনত কেনেদৰে প্রকাশ পাইছে সেইবোৰ বহলাই আলোচনা কৰক।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ *পিলাৰ্ছ অফ ছ'চাইটি* নাটকৰ কাহিনীভাগ চমুকৈ নিজৰ ভাষাত লিখক। নাটকখনৰ কোনটো চৰিত্র আপোনাৰ ভাল লাগিল? (১৫০টা শব্দৰ ভিতৰত)

.....

প্রশ্ন নং ২ ঃ পাৰিবাৰিক জীৱনত অতীতৰ অনৈতিক ঘটনাই কেনে প্রভাৱ পেলায়? কাৰষ্টেন চৰিত্রটোৰ মনত সৃষ্টি হোৱা দোদুল্যমান স্থিতিৰ বিশ্লেষণৰ মাজেদি ব্যক্ত কৰক। (১৫০টা শব্দৰ ভিতৰত)

.....

প্রশ্ন নং ৩ ঃ *পিলাৰ্ছ অফ ছ'চাইটিৰ* উল্লেখযোগ্য নাৰী চৰিত্র এটাৰ বিষয়ে আপোনাৰ অভিমত ব্যক্ত কৰক। (১৫০টা শব্দৰ ভিতৰত)

.....

প্রশ্ন নং ৪ ঃ বাস্তৱবাদী নাটক হিচাপে *পিলাৰ্ছ অফ ছ'চাইটিৰ* প্রাসংগিকতা বিচাৰ কৰক। (১৫০টা শব্দৰ ভিতৰত)

.....



১৩.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- বাস্তৱবাদী নাটকত একোটা সামাজিক সমস্যাৰ উত্থাপন কৰা হয়। সেই সমস্যা ব্যক্তিৰ পাৰিবাৰিক জীৱন, নৈতিক-অনৈতিক আচৰণ অথবা অন্য সামাজিক সমস্যা হ'ব পাৰে। *পিলাৰ্ছ অফ ছ'চাইটিত* ব্যক্তিয়ে জীৱনত কৰা অনৈতিক আচৰণ আৰু ভণ্ডামিৰ স্বৰূপ বিশ্লেষণ কৰা হৈছে।
- বাস্তৱবাদী নাটকৰ বৈশিষ্ট্যসমূহ অন্যান্য ধাৰাৰ নাটকৰ তুলনাত ভিন্ন বাস্তৱবাদী নাটকৰ বৈশিষ্ট্যসমূহক লৈ সমালোচনা-আলোচনাৰ অন্ত নাই। এই নাটকখনৰ আলোচনাৰ মাজেদি সেই দিশসমূহত আলোকপাত কৰা হ'ল।
- বাস্তৱবাদী নাটক *পিলাৰ্ছ অফ ছ'চাইটিৰ* ৰচনা শৈলী আৰু নাট্যৰীতিৰ যি বিশিষ্টতা আছে, তাক এই বিশেষ নাটকখনৰ আলোচনাৰ মাজেদি উল্লেখ কৰা হ'ল।
- মানৱীয় দোষ-ত্ৰুটিসহ চৰিত্ৰসমূহ বাস্তৱানুগ বিশ্বাসযোগ্য উপস্থাপন বাস্তৱবাদী নাটকৰ নাট্যকাৰৰ এটা অন্যতম লক্ষ্য। *পিলাৰ্ছ অফ ছ'চাইটিত নাট্যকাৰে তেনে এটা প্ৰচেষ্টা হাতত লৈছে।*



১৩.৫ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) কলিতা, অমৱেন্দ্ৰ (১৯৯৪); *পাশ্চাত্য সাহিত্য;* নলবাৰী ঃ সমন্বয় গ্ৰন্থালয়।

২) ভট্টাচাৰ্য, তাৰিণীকান্ত (১৯৯৬); *ইবছেনৰ নাট্য প্ৰতিভা;* গুৱাহাটী ঃ অসম প্ৰকাশন পৰিষদ।

৩) ভট্টাচাৰ্য, পৰাগ কুমাৰ; *পাশ্চাত্য সাহিত্যৰ আলোক আৰু অসমীয়া সাহিত্য;* গুৱাহাটী ঃ জ্যোতি প্ৰকাশন।

৪) মজুমদাৰ, বিমল (২০১১); *সাহিত্যৰ তত্ত্ব আৰু প্ৰয়োগ;* গুৱাহাটী ঃ জ্যোতি প্ৰকাশন।

ইংৰাজী গ্ৰন্থ ঃ

1) Fjelde, R. (1992) (Trans.); *Henrik Ibsen Four Major Plays;* (Volume-I), United States of America, Signet Classics (Edited).

2) Hinchlffe, A. P. (1979); *Drama Criticism Developments Since Ibsen;* London : The Macmillan Press Ltd.

3) Ibsen, H.; *Pillars of Society* (Translated by R. Farqiharson Sharp).

4) Johnston, B. (2004); *Ibsen's Selected Plays;* New York : W. W. Norton & Company.



১৩.৬ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্রশ্নৰ উত্তৰ ঃ *পিলাৰ্ছ অফ ছ'চাইটিৰ* কাহিনীটো চমুকৈ লিখক.....লোনা হেছেলৰ চৰিত্রটো এটা শক্তিশালী নাৰী চৰিত্র.....শিক্ষার্থীয়ে লোনা চৰিত্রটো বিশ্লেষণ কৰিব পাৰে (অৱশ্যে তেওঁলোকে নিজৰ বিবেচনা অনুসৰি অন্য চৰিত্রও নির্বাচন কৰিব পাৰে।)

২নং প্রশ্নৰ উত্তৰ ঃ ইয়াত কাৰষ্টেন বার্ণিকৰ ডিনা ডর্ফৰ অভিনেত্রী মাতৃৰ লগত থকা অনৈতিক সম্বন্ধৰ কথা লিখিব লাগিব.....পৰৱর্তী সময়ত জোহান আৰু লোনাৰ লগত সেই বিষয়ে বার্তালাপ হোৱাৰ পিচত কাৰষ্টেন বার্ণিকৰ মনঃস্থিতি কেনে হৈছিল তাৰ চমু আলোচনা।

৩নং প্রশ্নৰ উত্তৰ ঃ লোনা হেছেল নাটকখনৰ এটা উল্লেখযোগ্য নাৰী চৰিত্র— লোনা স্পষ্টবাদী, সৎসাহসী আৰু উদাৱমনা.....ৰক্ষণশীলতা, মিথ্যাচাৰ আৰু ভণ্ডামি, বেয়া পোৱা এই নাৰী গৰাকীয়ে নাটকখনত চিত্রিত হোৱা সমসাময়িক ৰক্ষণশীল সমাজখনক মুকলিকৈ সমালোচনা কৰিছে.....তেওঁৰ বাণীত আমি নাট্যকাৰ ইব্চেনৰ কণ্ঠস্বৰ শুনিবলৈ পাওঁ।

৪নং প্রশ্নৰ উত্তৰ ঃ বাস্তৱবাদী নাটকত বাস্তৱ জীৱনৰ সমস্যা পোনপটীয়াভাবে আঁৰ-বেৰ নোহোৱাকৈ আলোচনা কৰা হয়— নাটকখনত উত্থাপিত সমস্যাৰ প্রাসংগিকতা আলোচনা কৰিব লাগিব।



১৩.৭ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ বাস্তৱবাদী সমস্যাকেন্দ্রিক নাটক কোনবিলাক? *পিলাৰ্ছ অফ ছ'চাইটিক* এই শ্রেণীৰ নাটকত পেলাব পাৰিনে? যুক্তিসহ উত্তৰ লিখক।

প্রশ্ন ২ ঃ হেন্ৰিক ইব্চেনৰ জীৱন আৰু ৰচনাকৃতিৰ মূল্যায়ন আগবঢ়াওক।

প্রশ্ন ৩ ঃ *পিলাৰ্ছ অফ ছ'চাইটিৰ* কাহিনীভাগ উল্লেখ কৰাৰ লগতে বাস্তৱবাদী নাটক হিচাপে এইখন নাটকৰ বৈশিষ্ট্যসমূহ বিচাৰ কৰক।

প্রশ্ন ৪ ঃ *পিলাৰ্ছ অফ ছ'চাইটিত* উত্থাপিত হোৱা ব্যক্তি জীৱনৰ অনৈতিক আচৰণ— এই বিষয়ে বিশ্লেষণাতমক টোকা প্রস্তুত কৰক।

প্রশ্ন ৫ ঃ বাস্তৱবাদী নাটক হিচাপে *পিলাৰ্ছ অফ ছ'চাইটিৰ* নাট্যৰীতি বিচাৰ কৰক।

*** ***** ***

অধ্যায় ১৪ ঃ ছেমুৱেল বেকেট ঃ *ৱেইটিং ফৰ গ'ডো*

অধ্যায় গাঁথনি

১৪.১ উদ্দেশ্য

১৪.২ পৰিচয়

১৪.৩ ছেমুৱেল বেকেটৰ চমু পৰিচয় আৰু সাহিত্য কৃতি

১৪.৩.১ জীৱনী

১৪.৩.২ সাহিত্য কৃতি

১৪.৪ ছেমুৱেল বেকেটৰ নাট্যৰীতি

১৪.৫ *ৱেইটিং ফৰ গ'ডো*

১৪.৫.১ ৱেইটিং ফৰ গ'ডোৰ কাহিনীভাগ

১৪.৫.২ নাটকখনৰ চৰিত্ৰ চিত্ৰণ

১৪.৫.৩ *ৱেইটিং ফৰ গ'ডোৰ* বিষয় বস্তু, গঠন ৰীতি আৰু প্ৰতীক

১৪.৫.৪ এবছার্দ নাটক হিচাপে *ৱেইটিং ফৰ গ'ডো* নাটকৰ সাধাৰণ আলোচনা

১৪.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১৪.৭ অধিক জানিবলৈ

১৪.৮ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১৪.৯ আৰ্হি প্ৰশ্ন

১৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যায়ন কৰি আপুনি —

- আধুনিক নাট্য সাহিত্যৰ এক অন্যতম নাম ছেমুৱেল বেকেটৰ জীৱন-পৰিক্ৰমাৰ চমু আভাস পাব
- তেওঁৰ সাহিত্যকৃতিৰ সৈতে পৰিচিত হ'ব
- ছেমুৱেল বেকেটৰ নাটকৰ ৰচনাশৈলীৰ বিষয়ে অৱগত হ'ব পাৰিব
- *ৱেইটিং ফৰ গ'ডো* নাটকখনৰ কাহিনীভাগ জানিবলৈ সমৰ্থ হ'ব
- *ৱেইটিং ফৰ গ'ডো* নাটকখনৰ নাট্য চৰিত্ৰৰ চিত্ৰণ সম্পৰ্কে জ্ঞান লাভ কৰিব
- নাটকখনৰ বিষয়বস্তু, গাঁথনিক দিশ আৰু তাত ব্যৱহাৰ কৰা প্ৰতীক সম্পৰ্কে জ্ঞাত হ'ব
- *ৱেইটিং ফৰ গ'ডো* নাটকখনত এবছার্ড নাটকৰ লক্ষণ অন্তর্নিহিত হৈ থকা সম্পৰ্কে অৱগত হ'ব।

১৪.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া তৃতীয় যান্মাসিকৰ সাহিত্য শাখাৰ শিক্ষার্থীৰ বাবে আগবঢ়োৱা তৃতীয় পাঠ্যবিষয়ৰ এইটো চতুর্দশ তথা শেষ অধ্যায়। পাঠ্যবিষয়ৰ শিৰোনাম হৈছে "পাশ্চাত্য সাহিত্যৰ নির্বাচিত পাঠ।" অধ্যায়ত এগৰাকী যুগজয়ী নাট্যকাৰ, ঔপন্যাসিক, কবি তথা বিশিষ্ট সাহিত্যিক ছেমুৱেল বেকেটৰ জীৱন পৰিক্রমা আৰু সাহিত্য কৃতি আলোচনা কৰা হ'ব। লগতে তেওঁৰ আলোড়ন সৃষ্টি কৰা নাটক *ৱেইটিং ফৰ গ'ডোৰ* বিষয়ে আলোচনা কৰাৰ প্রয়াস কৰা হ'ব।

দ্বিতীয় বিশ্বযুদ্ধৰ পৰৱর্তী সময়ত মানুহৰ মাজত জীৱনৰ প্রতি আহি পৰা নৈৰাশ্য, হতাশা, আস্থাহীনতা, সংশয় আৰু মূল্যবোধৰ অৱক্ষয় আদিয়ে এক নতুন ৰূপ লাভ কৰিলে। মানুহ হৈ পৰিল সন্দেহ পৰায়ণ। এই ধৰণৰ চিন্তাই সাহিত্য জগততো প্রৱেশ কৰিলে। নাট্য সাহিত্যৰ পৰম্পৰাগত গঠনলৈ ই পৰিৱর্তন আনিলে। যাৰ ফলত এৱছার্ড নামৰ এটা নতুন নাট্যৰীতিৰ জন্ম হ'ল। পেৰিছ চহৰক মূল কেন্দ্র হিচাপে লৈ সৃষ্টি হোৱা এই ধাৰণাৰ এজন অন্যতম লেখক ছেমুৱেল বেকেট। তেওঁৰ বিখ্যাত আৰু জনপ্রিয় নাটক *ৱেইটিং ফৰ গ'ডো* এই নাট্যৰীতিৰ প্রভাৱ পৰা এখন অন্যতম নাটক, যিখনৰ বিষয়ে আলোচনা কৰাৰ প্রয়াস অধ্যায়টিত কৰা হ'ব।

১৪.৩ ছেমুৱেল বেকেটৰ চমু পৰিচয় আৰু সাহিত্য কৃতি

১৪.৩.১ জীৱনী

বিশ্বসাহিত্য জগতত নাট্যকাৰ হিচাপে সুপ্রতিষ্ঠিত ছেমুৱেল বার্কলি বেকেটৰ জন্ম হয় আয়াৰলেণ্ডৰ ডাবলিন চহৰৰ ফক্সৰক নামৰ ঠাইত ১৯০৬ চনৰ ১৩ এপ্রিল তাৰিখে। এক মধ্যবিত্ত প্রটেষ্টাণ্ট পৰিয়ালৰ সন্তান বেকেট সৰুৰে পৰাই মেধাৱী আৰু খেল-ধেমালীত আগৰণুৱা আছিল। তেওঁৰ পিতৃৰ নাম উইলিয়াম ফ্রাংক বেকেট (William Frank Beckett) আৰু মাতৃৰ নাম মাৰিয়া জনচ ৰ' (Maria Jones Roe) আছিল। তেওঁৰ পত্নীৰ নাম আছিল ছুজান (Suzanne Dechevaux Dumesnil) (১৯৬১-১৯৮৯)। আষ্টাৰ নামৰ ঠাইত পোনতে শিক্ষাজীৱন আৰম্ভ কৰি ডাবলিন ট্রিনিটি কলেজত উচ্চশিক্ষা লাভ কৰে। তাত আধুনিক ভাষা সম্পর্কে শিকাৰ লগতে স্নাতকোত্তৰ ডিগ্রী লাভ কৰে। বেকেটে স্নাতক পৰীক্ষাত ইংৰাজী, ইটালীয়ান আৰু ফৰাচী ভাষাত সোণৰ পদক লাভ কৰিছিল। ট্রিনিটি কলেজৰ পৰা স্নাতক হোৱা বেকেটে সেই কলেজতে ১৯৩০ চনত অধ্যাপনাৰ কামত যোগদান কৰিছিল। কিন্তু এই অধ্যাপনা কার্য দীর্ঘস্থায়ী হৈ নৰ'ল। ১৯২৮ চনৰ পৰা ১৯৩০ চনলৈ আৰু ১৯৩০ ৰ পৰা ১৯৩২ চনলৈকে তেওঁ পেৰিছ চহৰৰ দুখন শিক্ষানুষ্ঠানত ইংৰাজী আৰু ফৰাচী ভাষা বিষয়ে বক্তৃতা দিয়ে। পিছত কিছুদিন লণ্ডন আৰু ইউৰোপত

অতিবাহিত কৰি ১৯৩৭ চনৰ পৰা পেৰিছৰ স্থায়ী বাসিন্দা হয়। দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত তেওঁ জার্মান সৈন্য সম্পর্কে গোপনে বাতৰি সংগ্রহ কৰা এটা সংস্থাত যোগ দিছিল। সংস্থাটোৰ কোনো সদস্যৰ বিশ্বাসঘাতকতাত পত্নী আৰু তেওঁ প্রাণ লৈ পলাই গৈ আত্মগোপন কৰিছিল। অতি কষ্টৰে তেওঁলোকে দিন পাৰ কৰিব লগা হৈছিল। সেইবাবে তেওঁৰ সাহিত্যৰ মাজতো জীৱনৰ যন্ত্রণাক প্রত্যাহ্বান জনাই জীয়াই থকাৰ হেঁপাহ প্রকাশ পাইছে। এই বিশ্ববিখ্যাত সাহিত্যিকজনৰ ১৯৮৯ চনৰ ২২ ডিচেম্বৰ তাৰিখে পেৰিছত মৃত্যু হয়।

১৪.৩.২ সাহিত্যকৃতি

বাস্তৱ সমস্যাৰ সৈতে সাহসেৰে যুঁজি আগবাঢ়ি যোৱা ছেমুৱেল বেকেটে ইংৰাজী আৰু ফৰাচী দুয়োটা ভাষাতে সাহিত্যচর্চা কৰিছিল। তেওঁ একাধাৰে ঔপন্যাসিক, নাট্যকাৰ, কবি, নাট্যপৰিচালক, প্রবন্ধকাৰ আৰু অনুবাদক আছিল। ১৯৬৯ চনত তেওঁ সাহিত্যৰ ন'বেল বঁটা লাভ কৰিছিল। ১৯২৮ চনত বেকেটে পেৰিছলৈ যাওঁতে বিখ্যাত সাহিত্যিক জেমচ্ জয়েচৰ সান্নিধ্য লাভ কৰে। জয়েচৰ সৈতে পৰিচিত হৈ বেকেটে পেৰিছৰ সাহিত্য চ'ৰাৰ জৰিয়তে অনেক সাহিত্যিকৰ সৈতে সাহিত্য আলোচনা কৰাৰ সুযোগ পাইছিল। গলফ্, ক্রিকেট, ডবা খেলত পাৰদর্শিতা দেখুওৱা বেকেটে সাহিত্যসৃষ্টিৰ প্রতি এনেদৰেই অনুপ্রেৰণা লাভ কৰিছিল।

১৯৩৯ চনত হোৱা দ্বিতীয় মহাযুদ্ধত বেকেটে আত্মগোপন কৰি দিন কটাবলগীয়া হৈছিল। এনে পৰিস্থিতিত তেওঁ যুদ্ধ বিধ্বস্ত কৰি তোলা মানুহৰ দুখ উপলব্ধি কৰিছিল। এই যুদ্ধৰ ধ্বংসলীলা, অৱক্ষয়িত মানৱীয় মূল্যবোধে তেওঁৰ লেখনিত স্থান পাইছিল। তেওঁৰ *মার্চেল প্রুষ্ট* (Marcel Proust) নামৰ ফৰাচী ঔপন্যাসিকজনৰ বিষয়ে এক বিশ্লেষণমূলক প্রবন্ধ গ্রন্থ ১৯৩১ চনত লণ্ডনত প্রকাশ পাইছিল। বেকেটে কবি হিচাপে *ইকোচ বোনচ, আদার্চ প্রেচিপিটেট* আদি কবিতা লিখিছিল। তদুপৰি *হোৱস্কপ* নামৰ এটা দীঘল কবিতা ৰচনা কৰি তেওঁ দহ পাউণ্ড বঁটা পাইছিল। ১৯৩৫ চনত *Echo's Bones and other Precipitates (এক'ছ বন্চ এণ্ড আদাৰ প্রেছিপিটেটছ)* নামৰ বেকেটৰ এখন কাব্য সংকলন প্রকাশ পায়। বেকেটে বেছিভাগ সাহিত্য ফৰাচী ভাষাতে ৰচনা কৰিছিল। *মলয় (Molloy, 1951), মার্ফি (Murphy, 1938), মেলন ডাইচ (Malone Dies, 1951), দি আননেইমেবল (The Unnameable, 1953)* আদি তেওঁৰ উল্লেখযোগ্য উপন্যাস। অৱশ্যে মার্ফি উপন্যসখন ১৯৩৮ চনত লণ্ডনত থাকোতে ইংৰাজী ভাষাত লিখিছিল। *ৱাট (Watt, 1953)* নামৰ উপন্যাসখন ৰচনা কৰে যুদ্ধৰ সময়ত নিজকে গোপনে ৰখা সময়ত। ১৯৩৪ চনত তেওঁৰ *ম'ৰ প্রিকচ্ দ্যান কিক্চ (More Pricks than Kicks)* নামৰ দহটা গল্প সন্নিৱিষ্ট চুটিগল্প সংকলন এখন প্রকাশ পায়।

বেকেটৰ ফৰাচী ভাষাত ৰচিত প্ৰথম নাটকখনৰ নাম হ'ল *এলুয়োৱিয়া* (১৯৪৬)। এইখন প্ৰকাশ আৰু মঞ্চস্থ কৰা নহ'ল। তাৰ পিছত ক্ৰমে *ৱেইটিং ফৰ গ'ডো* (১৯৫৩), *হেপী ডেইজ* (১৯৬১), *ক্ৰেইপচ্ লাষ্ট টেপ (Krapp's Last Tape, 1958), প্লে (Play, 1963), কাম এণ্ড গ' (Come and Go, 1966) এক্ট উইদাউট ৱৰ্ডচ (Act without Words I* (1957) *Act without Words II (1959), এমবাৰ্ছ (Embers, 1969), অ'ল দ্যাট ফল (All that Fall, 1957), এণ্ডগেইম (Endgame,1958), হাউ ইট ইজ (How It Is, 1960)* আদি মঞ্চ আৰু অনাতাঁৰ নাটক হিচাপে উল্লেখযোগ্য। ৱেইটিং ফৰ গ'ডো নাটকখন প্ৰথম ফৰাচী ভাষাত ৰচনা কৰা হৈছিল ১৯৫২ চনত। ফৰাচী ভাষাত ইয়াৰ নাম আছিল *En Attendant Godot*। নাটকখন ইংৰাজী ভাষাত ১৯৫৫ চনত *Waiting for Godot* নামেৰে প্ৰকাশ পায়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ ছেমুৱেল বেকেটৰ জীৱন আৰু সাহিত্য চৰ্চাৰ আভাস দিয়াৰ যত্ন কৰক। (১৫০ টা শব্দৰ ভিতৰত)

.....

১৪.৪ ছেমুৱেল বেকেটৰ নাট্যৰীতি

ছেমুৱেল বেকেট আধুনিক নাট্য সাহিত্যৰ এজন উদীয়মান শিল্পী স্বৰূপ। তেওঁৰ নাট্যৰীতি গতানুগতিকতাৰ পৰা পৃথক ৰূপে দেখা যায়। দৰ্শক, শ্ৰোতাক নাটকীয় অভিজ্ঞতাৰ সোৱাদ দিয়াৰ কথা তেওঁ বিশেষভাবে মনত ৰাখিছিল। নাটকীয় ঘটনাৰ প্ৰত্যক্ষ অভিজ্ঞতা উপলব্ধি কৰিব পৰাকৈ তেওঁ শব্দ, সাজ-পাৰ, দৃশ্যপট, চাল-চলন, সংলাপ, পোহৰ আদি সকলো দিশতে বিভিন্ন কৌশল প্ৰয়োগ কৰা দেখা যায়। দৰ্শক, শ্ৰোতাক মানসিক আৰু বৌদ্ধিক পৰিতৃপ্তি প্ৰদান কৰোটো বেকেটৰ নাট্যৰীতিৰ এক বিশেষ বৈশিষ্ট্য।

মানৱ জীৱনৰ বৈচিত্ৰ্যৰ দৰে বেকেটৰ নাট্যৰীতি আছিল বৈচিত্ৰ্যময়। তথাপি ছন্দ যতিহীন নহয়। ই যেন এক শিল্প উত্তীৰ্ণ কাব্যময় জীৱন জিজ্ঞাসাৰে নামান্তৰ। তেনেকৈ নাটকৰ প্লট কাহিনী প্ৰধান নহয়। গীতিময়ভাবেৰে এইবোৰ প্ৰকাশিত হয়। ইয়াত দৰ্শকে সম্পূৰ্ণ স্বাধীন বিচাৰকৰ ৰূপত প্ৰকাশ পায়। দৰ্শকে নাটকৰ মঞ্চত কি ঘটিছে সেয়া নিজ বিচাৰ বুদ্ধি আৰু কল্পনাৰে বুজি লয়। তেওঁৰ নাটকত ঘটনাৰ সংঘাত দেখা নাযায়।

বেকেটৰ নাটকত দৰ্শকে অনেক চিন্তাৰ সন্ধান পায়। তেওঁৰ নাট্যকাহিনীৰ আৰম্ভণিৰ ধুৱঁলী-কুৱঁলী ৰূপটোৱে শেষলৈ ইঙ্গিতময় ৰূপত প্ৰকাশ পায় য'ত চাক্ষুস জগত আৰু মনোজগতৰ এক সমন্বয় সাধন কৰে। *ৱেইটিং ফৰ গ'ডো* যেন মানুহৰ গোপন আকাংক্ষাৰ মুক্তিদূতৰ আলৌকিক

এক প্রতীকস্বৰূপ। যিয়ে ব্যর্থ জীৱনৰ নৈৰাশ্যৰ কৰুণতালৈ সান্ত্বনাৰ বাণী কঢ়িয়াই আনিব। দর্শকে আগ্রহেৰে অপেক্ষা কৰিব, কিন্তু পথৰ সঠিক নির্দেশনা বিচাৰি নাপাই হতাশ হৈ পৰে। এনে হোৱাৰ বাবেই নাট্যচৰিত্রই দীর্ঘ প্রতীক্ষাৰে জর্জৰিত হৈ ক্রমশঃ মৃত্যুৰ দিশে ধাবিত হৈছে।

বেকেটৰ নাটকত ছাত্রেৰ অস্তিত্ববাদৰ প্রভাৱ অজানিতভাবেই পৰিছে। অস্তিত্ববাদীসকলে ব্যক্তি মাত্রেই নিঃসঙ্গ আৰু একক বুলি বিশ্বাস কৰে। এজনৰ বাবে মঙ্গলজনক বুলি ভবা কথা আনৰ কাৰণে অমঙ্গলজনক হ'ব পাৰে। *ৱেইটিং ফৰ গ'ডো* নাটকত তাৰ প্রতিধ্বনি শুনা যায়।

ৱেইটিং ফৰ গ'ডো নাটকৰ চৰিত্রসমূহে সাধাৰণতে চুটি চুটি বাক্য ব্যৱহাৰ কৰে। তেওঁলোকে কোৱা সংলাপত দৈনন্দিন ব্যৱহার্য শব্দৰ প্রয়োগ সততে দেখা যায়। নীতি-শিক্ষাদান, দার্শনিক, নৈতিক বাকযুদ্ধ আদিত চৰিত্রসমূহ সাধাৰণতে নিয়োজিত নহয়। নাটকত স্বগতোক্তিৰ ব্যৱহাৰ দেখা নাযায়। নাট্যচৰিত্রসমূহ সদায় ব্যস্ত হৈ থকা ৰূপতে থাকে। নাটকৰ চৰিত্রৰ সংলাপ আৰু নীৰৱতা দুয়োটাই গুৰুত্বপূর্ণ হৈ ধৰা দিয়ে।

ৱেইটিং ফৰ গ'ডো নাট্যৰীতিত বক্তব্য প্রায়ে নাথাকে। ইয়াত মানুহৰ ভিন্ন অভিজ্ঞতাকহে মূর্তৰূপ দিয়ে। ছেমুৱেল বেকেটৰ প্রত্যেকখন নাটকতে এই এক ধৰণৰ নব্য অভিজ্ঞতাৰ উপস্থাপন দেখা যায়। দর্শক শ্রোতা এই অভিজ্ঞতাক নিজৰ ধাৰণাতে সিদ্ধান্ত দিব পাৰিব বুলি ভবা হয়।

ছেমুৱেল বেকেটৰ নাটকত নির্দিষ্টকৈ অন্তর্নিহিত অর্থ প্রকাশ কৰা দেখা নাযায়। পৰম্পৰাগত সুশংখলিত কাহিনী থকা নাটকৰ বিপৰীতে বেকেটৰ নাটকত স্থিতিশীল পৰিস্থিতিৰ প্রকাশ হয়। অৱশ্যে মঞ্চৰ পৰিবর্তন দেখা যায়। *ৱেইটিং ফৰ গ'ডো* নাটকত লঠঙা গছত কুঁহিপাত ওলায়। কিন্তু পাত ওলোৱাৰ পিছতো গডো নাহিল। চৰিত্রসমূহে নাটকখন চলি থকা সময়তহে নিজৰ অস্তিত্ব উপলব্ধি কৰে। সংলাপত বর্ণিত বক্তব্যৰ বাহিৰে চৰিত্রৰ অতীত, বর্তমান আৰু ভবিষ্যত একো বুজা নাযায়। সেয়ে তেওঁৰ নাটক বুজিবলৈ দর্শক সচেতন হোৱাৰ দৰকাৰ। অন্যথা নাটকসমূহ নীৰস, অর্থহীন আৰু সংলাপৰ পুনৰাবৃত্তি বুলিহে বোধ হ'ব। *ৱেইটিং ফৰ গ'ডো* নাটকত তেওঁ একক ব্যক্তিসত্তাৰ এক পৰিপূর্ণ চিত্র আঁকা দেখা যায়।

ছেমুৱেল বেকেটৰ নাটক তেওঁৰ জীৱন বীক্ষাৰ সুন্দৰ নিদর্শন। পৃথিৱীত মানুহে লাভ কৰা যন্ত্রণা, নৈৰাশ্য, হতাশা, নিষ্ঠুৰতা, নিঃসংগতা, অসহায়তা আদি বেকেটৰ নাটকত প্রকাশিত হয় এক আশাহীন যুক্তিহীন আৰু ধুৱঁলী-কুঁৱলী পৃথিৱীৰ ছবি। এই পৃথিৱীত মানুহে নিজকে অকলশৰীয়া আৰু অচিনাকী কৰি নিতে শূন্যতা কঢ়িয়ায়।

মানৱীয় সত্তাৰ অনন্য ৰূপ, ইয়াৰ সীমাবদ্ধ ৰূপ আৰু বিশ্বত ইয়াৰ স্থিতি— এইকেইটাই তেওঁৰ নাটকৰ মূল প্রকাশিত বিষয়। সেয়ে সমালোচকে বেকেটৰ নাটকৰ মন্তব্য দি কয় যে এখন অন্ধকাৰাচ্ছন্ন জগতৰ ছবি যেন তেওঁ দর্শকক উপহাৰ দিয়ে। অপ্রয়োজনীয়ভাবে জটিল কৰি সৃষ্টি কৰা নাট্যৰীতিকো অনেক ক্ষেত্রত বেকেটৰ নাটকৰ ত্রুটি বুলি কয়। তথাপিও আধুনিক নাটকৰ এক নতুন ৰূপ দি যুক্তি, কলা আৰু আবেগৰ সমন্বয় সাধনেৰে ছেমুৱেল বেকেটে নাটকৰ এক নৱ অধ্যায়ৰ সূচনা কৰিলে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ ছেমুৱেল বেকেটৰ নাট্যৰীতিৰ আভাস দিয়ক।
(১৫০ টা শব্দৰ ভিতৰত)

.....

১৪.৫ *ৱেইটিং ফৰ গ'ডো*

১৪.৫.১ *ৱেইটিং ফৰ গ'ডোৰ* কাহিনীভাগ

ৱেইটিং ফৰ গ'ডো নাটকখনত এক সুশৃংখলিত নিটোল কাহিনী পোৱা নাযায়। দুটা অঙ্কত বিভক্ত নাটকখনত দৃশ্যবিভাজনো দেখা নাযায়। এটা গধূলি সময়ত গাঁৱলীয়া পথৰ দাঁতিত এডাল লঠঙা গছৰ ওচৰত নাটকখনৰ আৰম্ভণি হৈছে। এষ্টাগণ আৰু ভ্লাদিমিৰ নামৰ দুটা চৰিত্রৰ কথোপকথনেৰে নাট্যকাহিনী আগবাঢ়িছে। এষ্টাগণে তাৰ জোতাযোৰ খুলিবলৈ আপ্রাণ চেষ্টা কৰিও ভাগৰি পৰিছে। কিন্তু চেষ্টা অব্যাহত ৰাখিছে। সেই সময়তে তালৈ ভ্লাদিমিৰ আহে আৰু এষ্টাগণে "ওহোঁ, একোৱে কৰিবলৈ নাই বুলি কয়।" ভ্লাদিমিৰে জীয়াই থকাৰ অনন্ত সংগ্রামৰ বিষয়ে কৈ এষ্টাগণৰ কথাত একমত প্রকাশ কৰে। দুয়োজনে ৰাতিটো কটোৱা, জোতা খোলা, পিন্ধা, জোতাৰে বিন্ধা আদি অসংগতিপূর্ণ কথা পাতি থাকে। তেওঁলোকে জীৱনৰ ক্ষণিক আমোদজনক দিন উপভোগ কৰা আৰু দুটা চোৰৰ মুক্তি আদি নানান কথা পাতে। তেওঁলোকে সেই ঠাইত কোনোবা এজন গ'ডোৰ বাবে অপেক্ষা কৰি থাকে। গ'ডোৱে তেওঁলোকৰ অনুৰোধ বিবেচনা কৰি চাব বুলি কৈছিল আৰু তেওঁলোকক অপেক্ষা কৰিবলৈ কৈছিল বুলি দুয়োজনে কয়। কিন্তু ক'ত কেতিয়া অপেক্ষা কৰিব লাগিব বা কি অনুৰোধ কৰিব তেওঁলোকৰ অলপো মনত নাই। কেৱল দুয়োজনে নিৰন্তৰ অপেক্ষা কৰাৰ মাদকতা উপভোগ কৰিছে— হতাশা আৰু বিৰক্তিৰ মাজেৰে। তেওঁলোকৰ আশা গ'ডো আহিব আৰু তেওঁলোকক কিবা এটা দিব। সেয়ে এষ্টাগণে কয় "তেতিয়াহ'লে আমাৰ কাম মাথোন ৰৈ থকাহে।" এই অপেক্ষাই হৈছে তেওঁলোকৰ জীয়াই থকাৰ আশা।

সেই সময়তে তাত পজো আৰু লাকী নামৰ দুটা চৰিত্রৰ আগমন ঘটে। তেওঁলোকৰ উপস্থিতিও অগতানুগতিক ধৰণৰ আছিল। লাকীৰ ডিঙিত এডাল ৰচী লগাই পজোৱে আনটো মূৰত ধৰি আছিল। লাকীৰ হাতত মোনা, ফল্ডিং টোল, দীঘল কোট আৰু বাস্কেট আছিল। আনহাতে পজোৱে এডাল চাবুক লৈ আহিছিল। গধূৰ বোজাত লাকী পৰি যায় আৰু তাকে দেখি এষ্টাগণ আৰু ভ্লাদিমিৰে সহায় কৰিব বিচাৰিও আগুৱাব নোৱাৰে। পজোৰ বোজা কঢ়িওৱা, বাস্কেটৰ পৰা খোৱা বস্তু

পজোক উলিয়াই দিয়া আৰু কোট পিন্ধাই দিয়া আদি নানান কামেৰে লাকী পজোৰ ব্যৱহৃত ভৃত্য যেন দেখা যায়। অসীম কষ্টৰ বোজাত লাকী মাটিত ঢলি পৰে আকৌ বস্তুৰ ভাৰ উঠায়। পজোৰ কঠোৰ ব্যৱহাৰ অব্যাহত থাকে আৰু লাকীক লৈ সি গুচি যায়। সেই সময়তে এজন সৰু ল'ৰাৰ মঞ্চত প্ৰৱেশ ঘটে। সি গ'ডোৰ ছাগলী ৰখীয়া বুলি চিনাকী দিয়ে। তাৰ ভায়েকে গ'ডোৰ ভেঁড়াবোৰ ৰখে। সি গ'ডো সেইদিনা আহিব নোৱাৰে আৰু পিছদিনা আহিব বুলি কৈ আঁতৰি যায়। এষ্টাগণ-ভ্লাদিমিৰ গ'ডো নহাৰ কথা শুনি গুচি যাব খুজিও প্ৰস্তৰ মূৰ্তিৰ দৰে অলৰ অচৰ হৈ ৰ'ল। এইদৰে প্ৰথম অংকৰ যৱনিকা পৰে।

নাটকখনৰ দ্বিতীয় অংকত যদিও একেডোখৰ ঠায়ে দেখা যায় তথাপি তাত থকা লঠঙা গছত কেইখিলামান কুঁহিপাত দেখা যায়। মঞ্চত এষ্টাগণৰ জোতাযোৰ খোলা দেখা যায়। ভ্লাদিমিৰে তীক্ষ্ণ দৃষ্টিৰে জোতাযোৰ নিৰীক্ষণ কৰি থাকে। জোতাৰ ভিতৰত জোঙা শিলগুটিৰ টুকুৰা সোমাই থকাৰ দৰে তেওঁ পৰীক্ষা কৰে। তাৰ পিছত এটা কুকুৰে ৰুটি চোৰ কৰাৰ এটা গান সি ডাঙৰকৈ গাবলৈ লয়। পুনৰ দুয়োজনে অকলশৰীয়াকৈ থকাৰ কথাৰে বিসঙ্গতিপূৰ্ণ কথোপকথন আৰম্ভ কৰে। এই কথা বতৰাই কেতিয়াবা কাজিয়া আৰু কেতিয়াবা গভীৰ আন্তৰিকতাৰ ৰূপ পায়। গ'ডোৰ বাবে অধীৰ অপেক্ষাৰে তেওঁলোকে এনেদৰে সময় অতিবাহিত কৰে। সেই সময়তে আকৌ লাকী আৰু পজো আহি ওলায়। পজো সম্প্ৰতি অন্ধ আৰু লাকী বোবা হৈ পৰিবৰ্তিত ৰূপত মঞ্চত প্ৰবেশ কৰে। লাকীৰ ডিঙিত বন্ধা ৰচীডাল আগতকৈ চুটি দেখা যায়। এষ্টাগণ-ভ্লাদিমিৰক দেখি লাকী ক্ষন্তেক বৈ দিয়াত পজো গৈ তাৰ গাত খুন্দা খায় আৰু সহায় ভিক্ষা মাগে। এষ্টাগণহঁতে সহায় কৰিব খুজি নিজেও পৰি যায়। পিছত পজোৱে "কালি কাৰোবাক লগ পোৱা মোৰ মনত নপৰে আৰু আজি লগ পোৱা কোনোয়েই কালিলৈ মোৰ মনত নাথাকিব" বুলি দার্শনিক ধৰণৰ কথা কৈ লাকীৰ সৈতে গুচি যায়। গ'ডোৰ সংবাদ অনা ল'ৰাটোৰ পুনৰ প্ৰৱেশ ঘটে। গ'ডো সেইদিনাও নাহে, তাৰ পিছদিনাহে আহিব বুলি সি বাতৰি দিয়ে। গ'ডোৱে কি কৰে বুলি ভ্লাদিমিৰে কৰা প্ৰশ্নৰ উত্তৰত সি কয় যে তেওঁ একো নকৰে। তাৰ পিছত গ'ডোৰ দাড়ি আছেনে নাই বুলি সোধাত সি বগা দাড়ি আছে বুলি কয়। এনেদৰে কথা-বার্তা পাতি ল'ৰাজনে দৌৰি প্ৰস্থান কৰে। এষ্টাগণ-ভ্লাদিমিৰে গ'ডো যে সেইদিনা নাহে এই কথা জনাৰ পিছত দুয়ো গুচি যোৱাৰ সিদ্ধান্ত লয়। আকৌ গছত ফাঁচ লগাই ওলমি থকাৰ কথাও ভাবে। কিন্তু ৰচীৰ অভাৱৰ হেতুকে সেই কামো কৰিব নোৱাৰে। পিছদিনা গ'ডোৰ বাবে অপেক্ষা কৰাৰ কথা ভাবি আৰু গ'ডো আহিবনে নাই এই বিষয়ে সন্দেহ প্ৰকাশ কৰি পৰম বিৰক্তিৰে তেওঁলোকে সেইদিনা যোৱাটোকে সিদ্ধান্ত কৰিলে। কিন্তু দুয়োজন একে ঠাইতে অলৰ অচৰ হৈ ৰৈ গ'ল। এনেদৰেই নাটকখনৰ যৱনিকা পৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ *ৱেইটিং ফৰ গডো* নাটকখনৰ কাহিনীভাগৰ বিষয়ে এক আভাস দিয়ক। (১৫০ টা শব্দৰ ভিতৰত)

.....

১৪.৫.২ *ৱেইটিং ফৰ গ'ডোৰ* চৰিত্র চিত্রণ

ৱেইটিং ফৰ গ'ডো নাটকৰ মঞ্চত পাঁচটা চৰিত্রক দেখিবলৈ পোৱা যায়। গ'ডো চৰিত্রৰ বিষয়ে যদিও অনেকবাৰ উল্লেখ কৰা হৈছে, তথাপিতো মঞ্চত দর্শকে তেওঁক দেখা নাপালে। মঞ্চত উপবিষ্ট চৰিত্র কেইটা হৈছে এষ্টাগণ, ভ্লাদিমিৰ, পজো, লাকী আৰু এটা ল'ৰা।

এষ্টাগণ আৰু ভ্লাদিমিৰ দুটা ভিন্ন ধৰণৰ চৰিত্র। এষ্টাগণ ভয়াতুৰ, দুর্বল, মাৰ-কিল খায়, নর্দমাত পৰি থাকে। ভ্লাদিমিৰে প্রতিক্ষণতেসহায় কৰিব লাগে, আনকি জোতা খোলাৰ মাজতো। আনহাতে ভ্লাদিমিৰ সবল, ধৈর্যশীল। গ'ডোৰ বাবে দুয়োজন অপেক্ষাৰত। নাটকখনৰ চৰিত্রসমূহৰ মাজত এক বিচ্ছিন্নতাবোধ উপলব্ধি কৰা যায়। নাটক খনৰ পাঁচোটা চৰিত্রৰে কর্ম, স্বভাৱ-চৰিত্র, চিন্তা আদিৰ মাজত সাদৃশ্য বিচাৰি পোৱা নাযায়। ভ্লাদিমিৰে বুজি নোপোৱা মানুহৰ দৰে কিছু কাম কৰিলেও ভাববিলাসী নহয়। সেয়ে এষ্টাগণে সপোনৰ বিষয়ে ক'ব খোজাত তেওঁ সপোনৰ কথা শুনাৰ বাবে মানসিকভাবে অপ্রস্তুত বুলি কৈছে। ভ্লাদিমিৰে কথা বেছি নাপাহৰে, কিন্তু এষ্টাগণে খুব সহজেই পাহৰি যায়। এষ্টাগণ সন্দেহবাদী, তেওঁৰ আশা চনকা হোৱাৰ বিপৰীতে ভ্লাদিমিৰ আশাবাদী। ভ্লাদিমিৰ আৰু এষ্টাগণে গ'ডোৰ বাবে অপেক্ষা কৰাৰ স্থান, সময় আৰু উদ্দেশ্য সম্পর্কে নিজেই সন্দিহান। দুয়োজনৰে চাৰিত্রিক পৃথকতা দেখা যায়। এষ্টাগণ আবেগিক। ভ্লাদিমিৰ বাস্তৱমুখী, যুক্তিবাদী আৰু স্বাধীন। কিন্তু দুয়োজনে দুয়োৰে পৰা বিচ্ছিন্ন হ'ব নোৱাৰে। কাৰণ দুয়োজন এজন আনজনৰ ওপৰত নির্ভৰশীল। তেওঁলোকে আত্মহত্যাৰ চেষ্টা কৰে কিন্তু সফল নহয়। ভ্লাদিমিৰৰ ভাৱপ্রবণ মনটোক এষ্টাগণে গুৰুত্ব নিদিয়ে।

পজো আৰু লাকীৰ এজন আঢ্যৱন্ত গৰাকী আৰু আনজন ক্রীত দাস। পজোৱে লাকীক নিজৰ মতে নিয়ন্ত্রণ কৰে। "ই অবিহনে মোৰ সকলো চিন্তা অনুভূতি সাধাৰণ বস্তুৰ লেখীয়া হ'লহেতেন" বুলি পজোৱে লাকীৰ ওপৰত নির্ভৰশীলতাৰ কথা কয়। পজো স্বার্থপৰ, ব্যক্তিকেন্দ্রিক আৰু হৃদয়হীন এজন ভোগবাদী পুৰুষ। লাকীক তেওঁ নিজৰ আৰাম, আমোদ আৰু স্বার্থসিদ্ধিৰ বাবে ব্যৱহাৰ কৰে। তেওঁৰ মুখত এযাৰ সংলাপত এই কথা স্পষ্ট হৈ প্রকাশ পাইছে। "মই জানিছিলো, সৌন্দর্য, মাধুর্য, ভোগ, ঐশ্বর্য- এইবোৰ মোৰ সাধ্যৰ বাহিৰত, সেইবাবেই মই এজন সহায়কাৰী

লৈছো।" তেওঁ লাকীৰ সান্নিধ্য বিচাৰে মৰমৰ তাড়নাত নহয় ভোগ বিলাসৰ সামগ্রী হিচাপেহে। কিন্তু লাকী এনে নহয়। সি আনৰ বাবে কাম কৰি ভালপোৱা সাধাৰণ লোক। গৰাকীৰ নির্দেশত সি যিকোনো কাম কৰি আনন্দ উপভোগ কৰে। আনৰ উপভোগৰ আহিলা হৈ, বোজা কঢ়িয়াই জীৱনক যন্ত্রণাময় কৰি সি যেন তৃপ্তিহে পায়। নাটকখনত গ'ডোৰ প্রতি নিৰন্তৰ অপেক্ষা কৰা হৈছে। কিন্তু গ'ডো নাটকখনত মঞ্চত উপৰিষ্ট হোৱা নাই। কেৱল এজন লৰাই দুবাৰ আহি গ'ডোৰ সম্বাদ দি যায়।

নাটকখনৰ চৰিত্রসমূহৰ উদ্দেশ্যহীন, অসংলগ্ন সংলাপে জীৱনৰ অন্তঃসাৰশূন্যতা, মানৱ জীৱনৰ উদ্দেশ্যহীনতা, কিছুমান নিৰর্থক, কিছুমান নঘটা অঘটনৰ সমষ্টিয়ে যেন জীৱন এই কথা প্রকাশ কৰিছে। মানৱীয় জিজ্ঞাসা, সংশয়, অনিশ্চয়তা, বৈচিত্র্যহীন পৌনঃপৌনিক জীৱন এইবোৰ মিলিয়ে যেন বর্তমান মানুহৰ জীৱন। মানুহে নিৰন্তৰ কাৰোবাৰ বাবে ব্যর্থ অপেক্ষা কৰি কাল কটাইছে। গ'ডো অহাৰ বাবে এষ্টাগণ, ভ্লাদিমিৰেও এনে অনন্ত অপেক্ষা কৰিছে।

নাটকৰ চৰিত্রৰ বৈপৰীত্য আৰু পৰিপূৰক নির্ভৰশীলতা দেখা যায়। নাটকখনৰ সংঘাত নাই যদিও চৰিত্রকেইটা মঞ্চত প্ররেশ কৰাৰ পৰাই সক্রিয় হৈ দেখা দিছে। আচহুৱা হ'লেও নিৰন্তৰ কাম কৰিয়েই গৈছে। চৰিত্রকেইটাই ওপৰা-ওপৰিকৈ কথা কয়, একোটা বাক্য পুনৰাবৃত্তি কৰে।

১৪.৫.৩ *ৱেইটিং ফৰ গ'ডোৰ* বিষয়বস্তু, গঠন ৰীতি আৰু প্রতীক

বিষয়বস্তু ঃ *ৱেইটিং ফৰ গ'ডো* নাটকখনৰ বিষয়বস্তুৰ প্রণালীবদ্ধ বিকাশ আৰু বিস্তাৰ দেখা নাযায়। আৰম্ভণিৰ সূচনা, মধ্যভাগৰ প্রসাৰ আৰু যৱনিকা কোনোটোৱে স্পষ্টকৈ প্রকাশ নাপায়। *ৱেইটিং ফৰ গ'ডো* নাটকখনত বিভিন্ন ধৰণৰ সমস্যাৰ উপস্থাপন কৰিছে। নাটকখনৰ বিষয়বস্তু সম্পর্কে বিভিন্নজন পণ্ডিত তথা সমালোচকে ভিন্ন মন্তব্য আগবঢ়ায়। অনেক সমালোচকে ইয়াৰ দার্শনিক, অস্তিত্ববাদী, খ্রীষ্টান ধর্মৰ প্রভাৱ থকা আৰু জীৱনৰ অন্তঃসাৰশূন্যতা প্রকাশ আদি ভিন্ন দৃষ্টিৰে বিষয়বস্তু নির্ধাৰণ কৰে। নাটকখনৰ বিষয়বস্তুত আছে দুজন পথচাৰী লোক ভ্লাদিমিৰ আৰু এষ্টাগণৰ গ'ডোৰ কাৰণে অপেক্ষা। গ'ডোৰ প্রতীক্ষাৰে অর্থহীন কথা আৰু অশান্তিৰে সময় পাৰ কৰা এওঁলোকে গ'ডোৰ অস্তিত্বৰ বিষয়েও অজ্ঞাত। তেওঁলোকৰ এই প্রত্যাক্ষাত ব্যাঘাত জন্মাই পজো আৰু লাকীয়ে। আঢ্যৱন্ত সমাজৰ প্রতিনিধি স্বৰূপে পজোৱে লাকীক এডাল ৰচীৰে বান্ধি চাবুকেৰে খেদি আনে। এজন ল'ৰা আহে আৰু গ'ডো সেইদিনা নহাৰ বিষয়ে কৈ যায়। এষ্টাগণ ভ্লাদিমিৰে গছৰ ছাঁত পুনৰ অপেক্ষা কৰে। পজো লাকীয়ে অন্ধ আৰু বোবা হৈ নতুন আৰু পৰিবর্তিত ৰূপত আহে। ল'ৰা এজনে গ'ডো সেইদিনাও নহাৰ বাতৰি দি যায়। এনেদৰে সমাপ্ত হোৱা নাটকখনৰ মূল বিষয়বস্তুটোৱে হৈছে গ'ডোৰ প্রতি নিৰন্তৰ অপেক্ষা। কিন্তু

কোন সেই গ'ডো বা দুয়োজন লোকে ইমানকৈ অপেক্ষা কৰাৰ কাৰণেই বা কি? এই বিষয়ে যথোচিত সমিধানৰ অভাৱ। অনেক পণ্ডিতে ভগবান, মুক্তিদাতা, গড আদিৰ লগত গ'ডোক জড়িত কৰি ধর্মীয় বিশ্বাস আৰোপ কৰিছে। জীৱনৰ শূন্যতা উপলব্ধি আৰু অর্থহীন নিঃসঙ্গতাৰ পৰা উদ্ধাৰ পাবলৈ মানুহে কেনোবা অজ্ঞাতজনলৈ অপেক্ষা কৰে। ইয়াত যীশুৰ প্রসংগত অনেক পণ্ডিতেও উল্লেখ কৰে। মানুহৰ অনন্ত অপেক্ষাৰ পৰিণতিস্বৰূপে আশাভৰা এক ৰেঙনিৰ আভাস দিবলৈকে যেন গ'ডোৰ চৰিত্র ৰূপায়ন কৰিছে।

মার্টিন এছলিনে কৈছে যে ৱেইটিং ফৰ গ'ডো নাটকখনৰ মূল বিষয়টো হ'ল অপেক্ষা। এই অপেক্ষা বুলি ক'লেই সময়ৰ প্রসংগটোও আহে। সময় গতিশীল। এই গতিয়ে মানুহৰ জীৱন সলনি কৰিছে। সেয়ে এই পৰিবর্তনে চিনাকিজনকো অচিনাকি কৰি পেলায়। নাটকখনত প্রথম অংকত উপস্থিত হোৱা ল'ৰাজনে দ্বিতীয় অংকত ভ্লাদিমিৰ এষ্টাগণক চিনি পোৱা নাই। ঠিক তেনেকৈ পুঁজিপতি শাসক পজো অন্ধ হৈ গৈছে আৰু ভৃত্য লাকী শোষিত হৈ দুর্বহ জীৱন কটাই বোবা হৈ পৰিছে। ছেমুৱেল বেকেটৰ *ৱেইটিং ফৰ গ'ডো* নাটকত মানুহৰ চিৰন্তন, মুক্তিৰ আকাংক্ষাৰে কৰা অর্থহীন কষ্টকৰ অপেক্ষাক মূল বিষয়বস্তু হিচাপে ধৰিব পাৰি।

গঠনৰীতি ঃ *ৱেইটিং ফৰ গ'ডো* বর্তমান সময়ৰ এক অবিস্মৰণীয় আৰু মহৎ সৃষ্টি। ইয়াৰ অনুবাদ এতিয়ালৈকে পৃথিৱীৰ প্রায় পঁচিশটা ভাষালৈ কৰা হৈছে। পৃথিৱীৰ প্রায় সকলো মহানগৰীতে ইয়াৰ অভিনয় আৰু আলোচনা হৈছে। নাটকখনত চৰিত্রৰ উপস্থাপন, প্লট, সংঘাত, পৰিণতি আদি দেখা নাযায়। আৰম্ভণি দৃশ্য আৰু পৰিণতিৰ কোনো বিশেষ ৰূপান্তৰ নাই। চৰিত্র-চিত্রণ প্রায় দুর্বল। সংলাপো চমকবিহীন, নিস্প্রাণ আৰু বিসংগতিপূর্ণ। চৰিত্রসমূহৰ অন্তর্লোকৰ চিন্তা নাটকৰ শেষলৈকে অটুট আছে। এই প্রসংগত লৰকাৰ এক মন্তব্য প্রণিধানযোগ্য, "কোনো দৃশ্যত যদি দর্শক হতভম্ব হৈ বুজি নাপায় যে হাঁহিবই নে কান্দিব মোৰ সার্থকতা তাতেই।" *ৱেইটিং ফৰ গ'ডো* নাটকখনৰ মাজতো এনে কথা দেখা যায়। *ৱেইটিং ফৰ গ'ডো* নাটকখনত সুসংহত নাট্যকাহিনী, সংঘাত, শীর্ষবিন্দু, সুপৰিকল্পিত চৰিত্র ৰূপায়ন আদি নথকা সত্বেও এইখন নাটে মঞ্চ সফলতা লাভ কৰিছে।

নাটকখনত সুগঠিত এটা কাহিনী নাই। প্রচলিত নাটকৰ গাঠনিক সকলো ৰীতি-নীতি নাটকখনত বর্জন কৰা হৈছে। নাট্যচৰিত্র ৰূপায়ণ জীৱনৰ বিভিন্ন সমস্যাৰ উপস্থাপন ইয়াত নাই। নাটকৰ এক অপৰিহার্য উপাদান সংঘাত নাইবা সুবিন্যস্ত ৰূপৰ বাবে ব্যৱহার্য ঐক্য নাটকখনত অভাৱ দেখা যায়। নাটকখনৰ কথাবস্তু আৰু আংগিক ৰূপত এক অগতানুগতিক নাট্যশৈলী দেখা যায়।

ৱেইটিং ফৰ গ'ডোত পৰম্পৰাগত নাট্য গঠনৰীতি নাই যদিও এক বিশেষ গঠনৰীতি অৱলম্বন কৰিছে। নাটকখনত কিছুমান বিষয়ৰ পুনৰাবৃত্তি আছে যদিও

কোনো কোনো ঠাইত সমতা স্থাপনৰ প্ৰয়াস দেখা যায়। পজো এষ্টাগণৰ আহাৰ গ্ৰহনৰ ক্ষেত্ৰত " আঃ কি তৃপ্তি" বুলি একে উক্তিকে কৰিলেও দুয়োৰে পৰিস্থিতিৰ ভিন্নতা পৰিলক্ষিত হয়। সেয়ে ক'ব পাৰি যে বৈষম্য আৰু বৈসাদৃশ্যমূলক ভাবক প্ৰকট কৰিবলৈ সংলাপৰ পুনৰাবৃত্তি কৰিছে। আনহাতে আকৌ প্ৰথম অংকত লাকীৰ কোটটো পজোৱে স্বাৰ্থপৰৰ দৰে লোৱাৰ বিপৰীতে দ্বিতীয় অংকত ভ্লাদিমিৰে নিজৰ কোটটো এষ্টাগণৰ কান্ধত নিঃস্বাৰ্থভাবে আঁৰি দিছে। নাট্যকাৰে নিজস্ব কৌশলেৰে নাটকখনত সমতাৰ সৃষ্টি কৰিছে।

নাটকখনৰ গঠনৰীতিত চৰিত্ৰাংকনে এক বিশেষ বৈশিষ্ট্য বহন কৰে। নাট্যকাৰ বেকেটে ইয়াতো নিজস্ব শৈলী প্ৰয়োগ কৰিছে। এষ্টাগণ, ভ্লাদিমিৰ, পজো, লাকী সমান সংখ্যক আখৰৰ চাৰিটা চৰিত্ৰ। যাৰ মাজত বহু দিনৰ সম্পৰ্ক থকা সত্বেও তেওঁলোকৰ চিন্তাৰ বৈপৰীত্য দেখা যায়। এয়া যেন সংঘাত আৰু মিলনৰ দুই শ্ৰেণীৰ চৰিত্ৰ। লাকীৰ প্ৰতি ভ্লাদিমিৰৰ অনুকম্পা থকাৰ দৰে পজোৰ প্ৰতি এষ্টাগণে সহৃদয়তা অনুভৱ কৰে। এনেদৰে যেন নাটকীয় ভাৱসাম্য ৰক্ষা কৰিছে। ভ্লাদিমিৰ নম্ৰ আৰু বিনয়ী, আনহাতে পজো নিষ্ঠুৰ শোষক শ্ৰেণীৰ প্ৰতিভূ। আকৌ লাকী ৰচীৰে বান্ধ খাই থকাৰ বিপৰীতে এষ্টাগণে বান্ধলৈ ভয় কৰে। চৰিত্ৰ অংকনত নাট্যকাৰে এনেদৰে বৈসাদৃশ্যৰ মাজেৰে সাদৃশ্যৰ সৃষ্টি কৰি ভাৱসাম্য ৰক্ষা কৰিছে।

নাটকখনত গ'ডোৰ বাবে সন্দেহেৰে অন্তহীন অপেক্ষা কৰা দেখুওৱা হৈছে। 'অপেক্ষা'ক নাটকখনৰ মূল বিষয় হিচাপে অংকন কৰিছে। যিটো প্ৰচলিত নাট্যগঠন ৰীতিতকৈ কিছু পৃথক। আনহাতে নাটকৰ প্ৰাণস্বৰূপ উপাদান গতি আৰু সংঘাত ইয়াত দেখা নাযায়। নাট্যসমস্যা, সংঘাত কিম্বা সমাধান একোৱেই নাটকখনত স্পষ্টকৈ দেখুওৱা নাই।

ৱেইটিং ফৰ গ'ডো নাটকখনৰ দুটা অংকৰ গঠনৰীতি প্ৰশংসনীয়। গডোৰ বাবে অপেক্ষাৰত এষ্টাগণ-ভ্লাদিমিৰক ল'ৰাজনে গডো নহাৰ বাতৰি দিয়াৰ আগে আগে পজো-লাকীৰ আগমন দেখা যায়। প্ৰথম অংকৰ লঠঙা গছত দ্বিতীয় অংকত কেইখিলামান পাত আহিছে। এষ্টাগণ-ভ্লাদিমিৰ এজন আনজনৰ পৰিপূৰক হোৱা সত্বেও তেওঁলোকে অকলশৰে থাকিব খোজে। ঠিক একেদৰে পজোৱে লাকীৰ সহায়ৰ ওপৰত নিৰ্ভৰশীলহৈ জীয়াই আছে। বাৰ্তাবাহক ল'ৰাজন সাধাৰণ ছাগলীৰখীয়া আৰু গ'ডো এক উচ্চ অসীম সত্তা হিচাপে প্ৰকাশ পাইছে। প্ৰথম অংকত টুপী পিন্ধা লাকীৰ দীঘলীয়া উক্তিৰ বিপৰীতে দ্বিতীয় অংকত সি বোবা হৈ পৰিছে। নাটকখনৰ গঠনৰীতিলৈ চালে পৰম্পৰাগত শৈলীৰ বিপৰীতে স্বকীয় নব্য শৈলীৰে নাট্যৰূপ দান কৰাৰ প্ৰয়াসে *ৱেইটিং ফৰ গ'ডো* নাটকক এক অভিনৱ ৰূপ প্ৰদান কৰিছে।

প্ৰতীক ঃ *ৱেইটিং ফৰ গ'ডো* নাটকখনত অনেক প্ৰতীকৰ সমাৱেশ দেখা যায়। অনেক পণ্ডিতৰ মতে নাটকখনত খ্ৰীষ্টান ধৰ্মৰ প্ৰভাৱ পৰিছে। জন ৰাচেল

ব্রাউনে ১৯৬৩ চনত 'ক্রিটিকেল কোৱার্টালি' আলোচনীত 'মিঃ বেকেটচ্ ছেক্সপীয়েৰ' নামৰ প্রবন্ধত উল্লেখ কৰিছে যে *ৱেইটিং ফৰ গ'ডো* নাটকখনত বাইবেলৰ মানস চিত্র বহুতো আছে। এইবোৰ ক্ষন্তেকীয়া প্রতীক। বাইবেলৰ পৰিবেশ নাটকখনৰ আঁৰে আঁৰে আছে। তেওঁৰ মতে মঞ্চৰ ভাৰ-ভঙ্গীয়ে মানুহক অস্পষ্টভাৱে পৰস্পৰৰ সম্বন্ধ ঘটাই ক্ষণিকভাবে অন্য জগতৰ ভাব আনি দিয়ে। মানৱীয় অনুভূতিৰ বাহিৰৰ এই জগত। যীশুখৃষ্টৰ প্রতীক তেওঁ অনেকবাৰ ব্যৱহাৰ কৰিছে। ভ্লাদিমিৰে এষ্টাগণ খালী ভৰিৰে যাব নোৱাৰাৰ কথা কওঁতে তেওঁ কৈছিল যে যীশুখৃষ্টই পাৰিছিল। তাৰ উত্তৰত এষ্টাগণে সি তাৰ গোটেই জীৱনত যীশুখৃষ্টৰ লগত তুলনা কৰি আহিছে বুলি কৈছিল। (All my life I have compared myself to him.) ব্রাউনে বেকেটৰ নাটকখনত বিভিন্ন প্রতীক চতুৰভাবে প্রয়োগ কৰিছে বুলি কৈছে। ক্ষন্তেকীয়া প্রতীকবাদৰ কথা ডঃ সুপ্রীতি সেনে *ছেমুৱেল বেকেট এণ্ড হিজ মাইন্দ এণ্ড আর্ট* গ্রন্থত কৈছে যে ক্ষন্তেকীয়া প্রতীকবাদে লেখকৰ জনপ্রিয় আবেদন আৰু লেখকৰ মনৰ সৈতে বাইবেলৰ লগত ঘটা সম্পর্ক আঁৰত থকা মনৰ পৰিচয় দিয়ে।

দুজন যাযাবৰী লোক এষ্টাগণ আৰু ভ্লাদিমিৰে কোনোবা গ'ডোৰ বাবে অপেক্ষা কৰিছে। হতাশ হৈছে, ভাগৰি পৰিছে কিন্তু ধৈর্য হেৰুওৱা নাই। ভাগ্য যেন দুলি আছে অনিশ্চয়তাৰ মাজত। যীশুখ্রীষ্ট, জুডাছ আদিৰ সৈতে জীৱনৰ তুলনা কৰিছে। অন্ধবিশ্বাস, নিস্ফল অপেক্ষা (প্রতীক্ষা)ৰ চিত্র আদিবোৰ বাইবেলৰে প্রতীকস্বৰূপ। কোনো কোনো সমালোচকে গ'ডোক গড বুলিব খোজে। ঈশ্বৰৰ দৰেই গ'ডো এষ্টাগণ আৰু ভ্লাদিমিৰ বাবে নির্বিকাৰ। হয়তো কেতিয়াবা পজো আৰু লাকীৰ দৰে আবির্ভাৱ হয় আৰু নোহোৱা হৈ যায়। ঈশ্বৰে কাৰোবাক মৰম আৰু কাৰোবাক শাস্তি দিয়াৰ দৰে গ'ডোৱেও খবৰ দিয়া লৰাটোক মৰম কৰে, কিন্তু তাৰ ভায়েকক মাৰে। গছ জোপা যেন ক্রচ। অকলশৰীয়া গছজোপা মৃত্যুচেতনাৰ পৰিচায়ক। আকৌ গডোৰ ছাগলী, ভেঁড়া, পৰিয়াল, বন্ধু-বান্ধৱ, এজেণ্ট, সংবাদদাতা, কিতাপ পত্র, বেঙ্কৰ হিচাপ নিকাচ থকাৰ পৰা কোনোবা চহকী লোক যেন অনুমান হয়।

এষ্টাগণ আৰু ভ্লাদিমিৰ যেন নিয়তিৰ নিষ্ঠুৰ গ্রাসত পৰা দুর্ভগীয়াসকলৰ প্রতীক। এষ্টাগণে জোতা খোলা, ভ্লাদিমিৰে টুপী খোলা আদি কামৰ জৰিয়তে মানুহৰ নিৰন্তৰ সংগ্রামৰ কথা বুজায়। জোতাৰ ভিতৰত শিলগুটি সোমোৱা, টুপীয়ে কাঁইটৰ দৰে বিন্ধা আদিয়ে জীৱনত অসীম যন্ত্রণা থকা সত্বেও জীৱনৰ মধুৰতাৰ কথা সূচাইছে।

পজো-লাকী গৰাকী আৰু ভৃত্য। পুঁজিপতি আৰু দৰিদ্রশ্রেণী বৈষম্যৰ ৰূপ এই দুটি চৰিত্রৰ মাজে�ৰে দাঙি ধৰিছে। টুপি, ৰচী আদিৰে নিষ্পেষিত মানুহৰ ওপৰত আধ্যৱন্তৰ নিয়ন্ত্রণ দেখুৱাইছে। ৰচীৰে লাকীৰ ডিঙিত ঘাঁ হোৱা কথাটোৱে শোষণ, অত্যাচাৰ আদিৰ সার্বজনীন সৱলৰূপ প্রতিফলিত কৰিছে।

লাকীৰ প্রতি এষ্টাগণ বা ভ্লাদিমিৰে সহায়ৰ হাত আগঢ়োৱাৰ কথাটোও

মানৱতাৰে যেন প্ৰকাশ ঘটিছে। পজোৱে খায়, লাকীয়ে খাবলৈ নাপায়। কথাযাৰ সমাজৰ দৰিদ্ৰ শ্ৰেণীৰ লোকক ধনী শ্ৰেণীয়ে বঞ্চিত কৰাৰ প্ৰতীক। সমাজৰ দৰিদ্ৰ শ্ৰেণীৰ লোকসকল ধনী শ্ৰেণীৰ প্ৰভূৰ নিয়ন্ত্ৰণত থাকে।

জীৱনৰ নগ্ন সত্যক *ৱেইটিং ফৰ গ'ডো* নাটকখনত বিভিন্ন প্ৰতীকৰ দ্বাৰা প্ৰকাশ কৰা হৈছে। নাটকৰ আৰম্ভণিৰ লঠঙা গছজোপাই জীৱনৰ অন্তঃসাৰশূন্যতাক প্ৰকাশ কৰিছে। গ'ডোৰ অপেক্ষাতে ভ্লাদিমিৰ আৰু এষ্টাগণে গছজোপাৰ তলত বৈ আছে। জীৱনৰ নিকৰুণ উপহাস ইয়াত ফুটি উঠিছে। যিকোনো লঠঙা গছৰ দৰে জীৱনটোও গতানুগতিক যাৰ সমৃদ্ধি নাই। গ'ডো অহা, নহাৰ অনিশ্চয়তা আশা পুৰণ কৰা নকৰাৰ সন্দেহে দুয়োজনৰে জীৱন নিশকতীয়া কৰি তুলিছে।

ৱেইটিং ফৰ গ'ডো নাটকখনৰ প্ৰথম অঙ্কৰ লঠঙা গছজোপালৈ দ্বিতীয় অঙ্কত কুঁহিপাত আহি পৰিবৰ্তন আনিলে। জীৱনৰ পৰিবৰ্তনশীলতাৰ যেন ই প্ৰতীকস্বৰূপ। লগতে ই এপলক আশাৰ ৰেঙনিও সিঁচি দিলে। এষ্টাগণৰ জোতা খোলা কাৰ্য, তাত পোৱা যন্ত্ৰণা আদি জীৱনৰ যন্ত্ৰণাক প্ৰতীকী ৰূপদান কৰিছে। জীৱনযাত্ৰাৰ প্ৰধান সাৰথি ভৰি দুটাক আৰাম দিয়া জোতায়ো কষ্টহে দিছে। জোতাৰ ভিতৰত শিলগুটি আছে নেকি নিৰীক্ষণ কৰিও ভাগৰি পৰিছে। তথাপি জোতা পিন্ধিবলৈ অসীম চেষ্টা কৰিছে। তেনেদৰে জীৱনো যন্ত্ৰণাৰ অন্য নাম যদিও মানুহৰ জীৱনৰ প্ৰতি মোহ প্ৰতিক্ষণতে দেখা যায়। জোতাৰ প্ৰতীকে যেন জীৱনৰ ভৰসা আৰু চিৰন্তন উপলব্ধিৰে প্ৰকাশ কৰিছে।

ৱেইটিং ফৰ গ'ডো নাটকখনত টুপীয়ে জীৱনৰ আন এক সত্য স্বৰূপ উদঙাই তুলিছে। গ'ডোৰ কাৰণে প্ৰতীক্ষাৰত ভ্লাদিমিৰে টুপীটোৰ ভিতৰখন এবাৰ চুৱে, জোকাৰে আৰু পিন্ধে। আকৌ পিন্ধি কয়, "মাজে সময়ে ভাৰোঁ, কথা একেটাই হয়গৈ, যিদৰে আশা কৰিছোঁ সেইমতেই চলিছোঁ। কিন্তু তাৰ পাছত আচৰিত ধৰণে সলনি হৈ যায়।"

"কমেই বা কেনেকৈ? অলপ সকাহ পোৱা যেন পালেই লগে লগে আহে হতাশা।" এনেদৰে কৈ টুপী পিন্ধে, খুলে, জোকাৰি চাই আদি বিভিন্ন কাৰ্য কৰে। আপাত দৃষ্টিৰে অবান্তৰ যেন লগা এই কাৰ্যই কিন্তু এক গভীৰ প্ৰতীকী অৰ্থ প্ৰকাশ কৰিছে। সেয়া হৈছে জীৱনৰ প্ৰকৃত সত্যৰ স্বৰূপ উদঘাটন। শীত, তাপ আদি প্ৰকৃতিৰ পৰিবৰ্তনৰ পৰা ৰক্ষা পাবলৈ মানুহে টুপী পিন্ধে। অৰ্থাৎ জীৱনত সুখ শান্তিৰ সন্ধান মানুহৰ একান্ত কাম্য বস্তু। কিন্তু ই ক্ষণিকৰহে অতিথি সদৃশ। সেয়ে ভ্লাদিমিৰে মূৰত টুপী ৰাখি শান্তি পোৱাৰ অলপ পিছতে অনুভৱ কৰে বিদ্ধাৰ দৰে গভীৰ যন্ত্ৰণা। গ'ডো অহাৰ প্ৰত্যাক্ষাই তেওঁলোকক আনন্দিত কৰাৰ অলপ পিছতে তেওঁ সেইদিনা নাহে বুলি জানি চৰম হতাশা অনুভৱ কৰে। টুপীৰ প্ৰতীকী অৰ্থয়েও যেন ইয়াকে বুজায়। জীৱনত কাম্য বস্তু প্ৰাপ্তিৰ নিৰন্তৰ প্ৰতীক্ষা হৈছে জীয়াই থকাৰ প্ৰেৰণা।

অন্যহাতে তাৰ বিপৰীত যন্ত্ৰণা আৰু হতাশাই হৈছে জীৱনৰ প্ৰকৃত সত্য। ভ্লাদিমিৰৰ দৰে পজো-লাকীৰ চৰিত্ৰৰ মাজেদিও টুপীয়ে যেন জীৱনক উপহাস কৰিছে। পজোৱে লাকীক নাচ, চিন্তা আদি কাম কৰিবলৈ তাক টুপী পিন্ধাই দিয়ে। নহ'লে সি একো কৰিব নোৱাৰে।

লাকীৰ চিন্তাৰ প্ৰকাশ্যৰূপে ভ্লাদিমিৰ, এষ্টাগণ আৰু পজোৰ মানসিকতালৈ পৰিবৰ্তন আনিলে। তেওঁলোকে এই বিষয়ে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিলে। সেয়ে পজোৱে ভ্লাদিমিৰক "ধৰা ধৰা, তাৰ টুপীটো ধৰা" বুলি ক'বলৈ বাধ্য হৈছিল। পজোৱে টুপী দলিয়াই, ভৰিৰে গছকি শান্তি অনুভৱ কৰি কৈছিল "তাৰ চিন্তাৰ সিমানতে শেষ হ'ল।" এই ঘটনাৰ প্ৰতীকী অৰ্থ দেখা যায়। যাদুকৰী টুপীৰ দৰে মুৰত পিন্ধিলেই চিন্তা কৰা, মুক্তিৰ সপোন দেখা আৰু প্ৰতিবাদ কৰা আদিৰ দ্বাৰা মুক্তি আৰু শান্তি বিচৰা শোষিত মানুহক বুজা যায়। কিন্তু সেই টুপীক ভৰিৰে গছকি পেলাই যেন পুঁজিপতি মানুহে চিন্তা, ভয় আৰু সংশয়বিহীন এক আশ্বস্ত জীৱন লাভ কৰিলে। দাসত্বৰ বন্ধন চিঙি মানুহক উত্তৰণৰ দিশত গতি কৰিব পৰা মানসিকতা লাভ কৰিব চিন্তাৰ কৰ্ষণৰ ফলস্বৰূপে। কিন্তু চিন্তাক দৈন্য কৰি প্ৰভূত্ব কৰিবৰ বাবে নিৰন্তৰ চেষ্টা কৰে পজোৰ দৰে একশ্ৰেণীৰ গৰাকীয়ে।

লাকীৰ ডিঙিৰ ৰচী বন্ধা ৰূপটোৱে সমাজৰ একশ্ৰেণীৰ বিলাসী, আঢ্যৱন্ত লোকে নিৰীহ শ্ৰেণীৰ লোকক ভোগৰ আহিলা হিচাপে ব্যৱহাৰ কৰাৰ প্ৰতীকী অৰ্থ বহন কৰিছে। সেই ৰচীডাল যেন ঐশ্বৰ্য বিভূতিৰে নিৰ্মিত য'ত ঘঁহনি খাই লাকীৰ ডিঙিত কেচাঁ ঘাঁৰ সৃষ্টি হৈছে। এই ঘাঁ যেন দাৰিদ্ৰ-পীড়িত প্ৰত্যেকজন সাধাৰণ লোকৰে ডিঙিত আছে। লাকীয়েও কঢ়িওৱা বোজাবোৰ তাৰ গৰাকীৰ আমোদ তথা আপ্যায়নৰ বাবে। গৰাকীৰ সুখ, শান্তি আৰু ভোগৰ বাবে কষ্ট স্বীকাৰ কৰা নিষ্পেষিত শ্ৰেণীৰ লোকৰ কদর্য আৰু দানৱীয় ৰূপ গভীৰ কাৰুণ্যৰে এনেদৰে প্ৰকাশ কৰিছে। পজো অন্ধ হোৱাটো মানুহৰ অৱস্থাৰ পৰিবৰ্তনৰ প্ৰতীক। লাকীৰ বোবা হোৱা কাৰ্য সৰ্বহাৰা শ্ৰেণীৰ দাসত্বৰ প্ৰতীক। লাকী যেন পৰাভূত মানৱ আত্মাৰ এক প্ৰতীকস্বৰূপে প্ৰকাশিত হৈছে।

ৱেইটিং ফৰ গ'ডো নাটকখনত প্ৰথম অংকত মানৱীয় চেতনা, জীৱনৰ যন্ত্ৰণাবোধ, একশ্ৰেণী মানুহৰ নিষ্ঠুৰ ৰূপৰ প্ৰকাশ দেখুওৱা হৈছে। আনহাতে দ্বিতীয় অংকত এই বিষয়ে কৰা বক্তব্যসমূহৰ স্পষ্ট প্ৰতিচ্ছবি অংকন কৰা হ'ল। দুয়ো অঙ্কতে প্ৰতীকী অৰ্থ তাৎপৰ্যপূৰ্ণ।

এষ্টাগণ আৰু ভ্লাদিমিৰ গ'ডোৰ প্ৰতি অধীৰ অপেক্ষা কৰি যাওঁ বুলিও যাব নোৱৰা অৱস্থাতো স্থিতিস্থাপকতাৰ প্ৰতীকী স্বৰূপ। তেওঁলোকৰ "একোৱেই নাই কৰিবলৈ" কথাষাৰৰ পৰা বুজা যায় যে দুয়োজনে গ'ডোৰ বাবে আশাৰে ৰৈ আছে। গ'ডোৱে যেন তেওঁলোকৰ সকলো সমস্যাৰ সমাধানৰ মূল কেন্দ্ৰস্বৰূপে দেখা দিব।

গ'ডো যেন ভগবানৰে প্ৰতীক। তেওঁৰ বগা দাঢ়ি থকাৰ কথা নাটকখনত উল্লেখ আছে। ইয়াৰ প্ৰতীকী অৰ্থ হিচাপে খ্ৰীষ্টীয় ধৰ্মগ্ৰন্থত ঈশ্বৰৰ বগা দাড়ি থকাৰ বিষয়ে এক ধুৱঁলী-কুঁৱলী আভাস দিয়ে। কিন্তু ভ্লাদিমিৰ এষ্টাগণে অপেক্ষা কৰা গ'ডোৱে লৰাটোক মৰম কৰা, ভায়েকক মৰা, তেওঁৰ ভেড়া আৰু ছাগলী থকা আদি ব্যৱহাৰ ঈশ্বৰৰ দ্বাৰা হয়তো আশা কৰা নাযায়। সেয়ে এক ভ্ৰান্ত ধাৰণা লৈ আত্মপ্ৰবঞ্চনাৰে তেওঁলোক দুজনে গ'ডোলৈ অপেক্ষা কৰি জীৱনৰ বাবে কিবা বিচৰাটো অৰ্থহীন।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ *ৱেইটিং ফৰ গডো* নাটকখনৰ চৰিত্ৰ চিত্ৰণ, বিষয়বস্তু, গঠনৰীতি আৰু প্ৰতীক সম্পৰ্কে এক চমু টোকা প্ৰস্তুত কৰক। (২০০ টা শব্দৰ ভিতৰত)

.....

১৪.৫.৪ এৰছাৰ্ড নাটক হিচাপে *ৱেইটিং ফৰ গ'ডো*

ছেমুৱেল বেকেটৰ *ৱেইটিং ফৰ গ'ডো* এক মহান আৰু যুগজয়ী শিল্পকৰ্ম বুলিব পাৰি। নাটকৰ কোনো এটা পৰম্পৰাগত শ্ৰেণীতেই ইয়াক অন্তৰ্ভুক্ত কৰিব নোৱাৰি। অনেক পণ্ডিতে নাটকখনক এৰছাৰ্ড ধাৰাৰ বুলি ক'ব খোজে। এৰছাৰ্ড আধুনিক নাট্য সাহিত্যৰ এক বিশেষ ধাৰা। ইয়াৰ সৃষ্টিৰ আঁৰত ছেমুৱেল বেকেট, ইউজিন আয়নেস্ক, আৰ্থাৰ এডমভ, জাঁ জেনেট, এডৱাৰ্ড এলবি, ফাৰনেন্ড এৰাবল আদিৰ অৰিহণা দেখা যায়। দ্বিতীয় বিশ্বযুদ্ধৰ পৰৱৰ্তী পৰ্যায়ত উনবিংশ শতিকাৰ শেষ দশকত ইয়াৰ সূত্ৰপাত হৈছিল। এই শতিকাৰ বস্তুবাদী বিজ্ঞানৰ উত্তৰণে বৌদ্ধিক মহলত জীৱন সম্পৰ্কীয় ধ্যান-ধাৰণাৰ বিষয়ে সন্দেহ জগাই তুলিলে। ঈশ্বৰ সম্পৰ্কেও তেওঁলোকে প্ৰশ্ন কৰিলে। নীৎসেৰ লেখনীয়ে এই ক্ষেত্ৰত প্ৰভূত অৰিহণা যোগালে। মানুহৰ লোভ আৰু নিষ্ঠুৰ মনোভাৱে জীৱনৰ প্ৰতি সংশয় আৰু প্ৰশ্নৰ মুখামুখি কৰালে। ইয়াৰ ফলত বুদ্ধিজীৱীসকলে ন-আদৰ্শেৰে অৱস্থিতিবাদৰ জন্ম দিলে। এই অৱস্থিতিবাদৰ মনোবিশ্লেষণধৰ্মী তত্ত্বৰ সৈতে মহাযুদ্ধই আনি দিয়া নৈৰাশ্যৰ সংযোগ ঘটি যেন এৰছাৰ্ডৰ ভেঁটি নিৰ্মাণ হ'ল।

ৱেইটিং ফৰ গ'ডো নাটকখনত অসংলগ্ন, অবাস্তৱ বিচ্ছিন্ন উদ্দেশ্যবিহীন আৰু ঐক্যহীন ঘটনাৰ সমাবেশ দেখা যায়। চৰিত্ৰৰ আচৰণো ভিন্ন ভংগীত প্ৰত্যক্ষ কৰা যায়। দৈনন্দিন জীৱনৰ সৈতে নিমিলা কিছুমান চৰিত্ৰৰ সমাবেশ আৰু চৰিত্ৰৰ সংলাপবোৰ সঙ্গতিবিহীন, অৰ্থহীন, যুক্তি, তৰ্ক আৰু শৃংখলাই ঢুকি নোপোৱা ধৰণৰ

হয়। কাব্যিক অনুভূতি আৰু চিত্রকল্পৰ প্রয়োগ নাটকখনত মাজে মাজে দেখিবলৈ পোৱা যায়।

ৱেইটিং ফৰ গ'ডো নাটকখনত এক সুনির্দিষ্ট কাহিনী নাই। এৱছার্ড নাটকত সুগঠিত, সুশৃংখলিত, আদি, মধ্য, অন্ত সন্নিবিষ্ট কাহিনী নাথাকে। ইয়াত বৈচিত্র্যপূর্ণ আৰু বিচ্ছিন্ন পৰিস্থিতিৰ সমাবেশ দেখা যায়। দৈনন্দিন নাইবা গোটেই জীৱনত ঘটা ঘটনাৰ মাজতো সংগতি দেখা নাযায়। *ৱেইটিং ফৰ গ'ডো* নাটখনতো সংগতিবিহীন ঘটনা দেখা যায়।

জীৱনৰ কৰুণতা এবছার্ড নাটকত ফুটাই তোলা হয়। এই কাৰুণ্য প্রকাশ পায় বাস্তৱৰ বিভিন্ন অভিজ্ঞতাৰ দ্বন্দ্ব আৰু পৰিস্থিতিৰ মাজেদি। ভ্লাদিমিৰ, এষ্টাগণ আদি চৰিত্রৰ মাজেৰে মানসিক দ্বন্দ্ব , সংঘাত আৰু জীৱনৰ কাৰুণ্য প্রতিফলিত কৰিছে।

অসংগতিপূর্ণ, আচহুৱা ধৰণৰ সংলাপৰ সমাহাৰ এৱছার্ড নাটকত দেখা যায়। এনেদৰে চৰিত্র আৰু ভাবৰ সংগতিহীন শৃংখলাশূন্য সংলাপ *ৱেইটিং ফৰ গ'ডো* নাটকখনৰ প্রত্যেকটো চৰিত্রৰ মুখতে শুনা যায়। অৱচেতন জগত এখন উন্মুচিত কৰাৰ প্রয়াসতে এৱছার্ডবাদী নাট্যকাৰসকলৰ নাট্যচৰিত্রৰ সংলাপ অসংগতিপূর্ণ হয়।

মানুহৰ অৱচেতন অৱস্থাৰ উপলব্ধি কৰি সত্যৰূপ প্রতিভাত কৰাৰ প্রয়াস এৱছার্ড নাটকত দেখা যায়। সেয়ে উদ্দেশ্যহীন অপেক্ষা, নিঃসংগতা, অসহায়তা আদি এনে ধৰণৰ নাটকত পৰিলক্ষিত হয়। *ৱেইটিং ফৰ গ'ডো* নাটকখনত ভ্লাদিমিৰে এষ্টাগণক কয় "মাজে সময়ে ভাবোঁ, কথা একেটাই হয়গৈ। যিদৰে আশা কৰিছোঁ সেইমতেই চলিছোঁ। কিন্তু তাৰ পাছত আচৰিত ধৰণে সকলো সলনি হৈ যায়।", "মোৰ বৰ অকলশৰীয়া লাগিছিল", "মচি দিয়া তাৰ চকুপানীবোৰ, সি তেতিয়া কম পৰিমাণে নিঃসঙ্গ অনুভৱ কৰিব", "আমি গ'ডোৰ কাৰণে অপেক্ষা কৰি আছো।"

এৱছার্ড নাটকত মানুহৰ অতীত আৰু ভৱিষ্যত বুলি একো নাথাকে। বর্তমানো নিজৰ নিয়ন্ত্রণৰ বাহিৰত। প্রত্যেকজন ব্যক্তিৰ স্থিতিয়েই যেন স্বয়ং এৱছার্ড। *ৱেইটিং ফৰ গ'ডো* নাটকত এনে সংলাপ অনেক দেখিবলৈ পোৱা যায়। "ভ্লাদিমিৰঃ আৰম্ভহে হৈছে মাথোন। ৰাতি আৰু কেতিয়াও নহ'বই যেন লাগিছে। কোনো চিন্তা নাই। সময় স্তব্ধ হৈ গৈছে। সময় গৈ আছে। সূর্য অস্ত যাব। জোন উঠিব আৰু আমিও গুচি যাম ইয়াৰ পৰা।"

"পজোঃ এইদৰে সময় সময় বুলিয়েই তুমি জানো মোক কম শাস্তি দিছা! কেতিয়া? কাহানি? এইবোৰ অবান্তৰ কথা। এদিনাখন, বছ!... এদিনাখন সি বোবা হৈ গৈছে, এদিনাখন মই অন্ধ হৈ গৈছো, এদিনাখন আমি কলা হৈ যাম। এদিনাখন আমি জন্ম লৈছিলো, এদিনাখন আমি মৰিম— সকলো সেই একে দিন, একে ছেকেণ্ড"।

পৰিস্থিতিৰ পৰিবর্তন এৱছার্ড নাটকত বিশ্বাস কৰা হয়। *ৱেইটিং ফৰ গ'ডো* নাটকখনত লঠঙা গছত কুঁহিপাত ধৰা, পজো লাকী অন্ধ আৰু বোবা হোৱা, প্রথম

অংকৰ ল'ৰাটোৱে দ্বিতীয় অংকত ভ্লাদিমিৰ এষ্ট্রাগণক চিনি নোপোৱা আদি পৰিস্থিতিৰ পৰিবর্তন দেখা যায়।

গ'ডো যে ঈশ্বৰ নহয় এয়া এৱছার্ডৰ ভগবানৰ অস্তিত্বমুখী বিশ্লেষণৰ ফলস্বৰূপে সৃষ্টি হৈছে। মানুহৰ মহামূঢ় দৃষ্টিভংগীৰ অন্যৰূপ যেন গ'ডোৰ প্রতি অপেক্ষা।

জীৱনৰ কাৰুণ্য প্রকাশ এৱছার্ড নাটকত দেখা যায়। জীৱনৰ এই কাৰুণ্যৰ মূলতে হতাশা বুলি এৱছার্ডবাদীসকলে বিশ্বাস কৰে। মানুহ একেলগে থাকিলেও নিজৰ অস্তিত্ব একক আৰু পৃথক হোৱাৰ বাবে এজনে আন এজনৰ সৈতে অভিন্ন হৈ থকা অসম্ভৱ হৈ পৰে। যাৰ বাবে এবছার্ড দর্শনত সংযোগৰ অভাৱৰ সৃষ্টি হৈছে। *ৱেইটিং ফৰ গডো* নাটকখনতো এষ্টাগণ, ভ্লাদিমিৰ, লাকী, পজো, গ'ডো আদি চৰিত্র চিত্রণত এই সংযোগহীনতা দেখা যায়। গ'ডোৰ বাবে গভীৰ প্রত্যাক্ষাৰে ৰৈ থকাৰ পিছতো তেওঁ নির্বিকাৰ। এষ্টাগণ ভ্লাদিমিৰ একেলগে থাকিও দুয়োজনে দুখন নির্জন দ্বীপৰ বাসিন্দাৰ দৰে কঢ়িয়াই ফুৰিছে শূন্য হৃদয়ৰ নিঃসঙ্গতা আৰু নৈৰাশ্যৰ বেদনা। গ'ডোৰ প্রতি অপেক্ষা কৰি শূন্যতাৰ বেদনা বুটলি লোৱা ভ্লাদিমিয়ে সেয়ে কৈছে, "অলপ সকাহ পোৱা যেন পালেই লগে লগে আহে হতাশা।" জীৱনৰ নৈৰাশ্য আৰু নিঃসঙ্গতাবোধজনিত বেদনা *ৱেইটিং ফৰ গ'ডো* নাটকখনৰ অনেক ঠাইতে প্রকাশ পোৱা দেখা যায়। এই প্রসঙ্গত ছেমুৱেল বেকেটে সাংবাদিকক দিয়া এক মন্তব্য প্রণিধানযোগ্য "Every word is a stain in silence and nothingness of life." জীৱনৰ অন্তঃসাৱশূন্যতা প্রকাশক এনে বক্তব্যত এৱছার্ড চিন্তাৰ বীজ অন্তর্নিহিত হৈ আছে। এনেদৰে বিচাৰ কৰিলে ছেমুৱেল বেকেটৰ *ৱেইটিং ফৰ গ'ডো* নাটকখনত এৱছার্ড নাটকৰ প্রায়বোৰ বৈশিষ্ট্যই প্রতিফলিত হোৱা দেখা যায়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ *ৱেইটিং ফৰ গডোক* এৱছার্ড নাট বুলিব পাৰিনে? আলোচনা কৰক। (১৫০ টা শব্দৰ ভিতৰত)

.....



১৪.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টো অধ্যয়ন কৰাৰ অন্তত আমি —

- আধুনিক নাট্যসাহিত্যৰ এজন অগ্রণী লেখক ছেমুৱেল বেকেটৰ বর্ণিল জীৱন পৰিক্রমা আৰু সাহিত্যকৃতিৰ বিষয়ে জানিব পাৰিলো।

- ছেমুৱেল বেকেটৰ নাটকৰ ৰচনাৰীতিৰ বিষয়ে আভাস পালোঁ।
- ছেমুৱেল বেকেটৰ নাটক *ৱেইটিং ফৰ গ'ডোৰ* কাহিনীভাগৰ সৈতে পৰিচিত হ'লোঁ।
- *ৱেইটিং ফৰ গ'ডোৰ* চৰিত্রসমূহ কেনেদৰে উপস্থাপন কৰিছে সেই বিষয়ে জ্ঞাত হ'লোঁ।
- ৱেইটিং ফৰ গ'ডো নাটকখনৰ মূল বিষয়বস্তু, গঠনৰীতি আৰু তাত ব্যৱহৃত প্রতীক সম্পর্কে আভাস পালো।
- এবছার্ড নাটকৰ বিষয়ে জ্ঞান লাভ কৰাৰ লগতে *ৱেইটিং ফৰ গ'ডো* নাটকখনক এবছার্ড নাটক হিচাপে বিবেচনা কৰিব পৰা যায়নে এই সম্পর্কে এক ধাৰণা লাভ কৰিবলৈ সমর্থ হ'লো।



১৪.৭ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

১) কলিতা, অমৱেন্দ্র (১৯৯৯) ঃ পাশ্চাত্য সাহিত্য; নলবাৰী, সমন্বয় গ্রন্থালয়।
২) গগৈ, মৃনাল কুমাৰ, (সম্পা.) (২০০০) ঃ নাটক; ডিব্রুগড়, গৰীয়সী সংঘ।
৩) নাথ, শশীধৰ, কাকতি, শঙ্কৰ, ডেকা, ৰামচন্দ্র (সম্পা.) (১৯৯৩) ঃ নির্বাচিত প্রবন্ধ সংকলন; গুৱাহাটী, জ্যোতি প্রকাশ।
৪) বৰকটকী, বীৱেন (১৯৯৪) ঃ সাহিত্যৰ চিন্তা চর্চা; গুৱাহাটী, অসম বুক ডিপো।
৫) বৰুৱা, প্রসাদ কুমাৰ (১৯৯৬) ঃ সাহিত্য দেশী আৰু বিদেশী; ডিব্রুগড়, ষ্টুডেন্টচ এম্পৰিয়াম
৬) ভৰালী, শৈলেন (১৯৯৪) ঃ নাট্যকলা দেশী আৰু বিদেশী; গুৱাহাটী, বাণী প্রকাশ।
৭) ভৰালী, শৈলেন (অনু.) (১৯৯৪) ঃ গডোৰ প্রতীক্ষাত (ছেমুৱেল বেকেট); গুৱাহাটী, বাণী প্রকাশ।
৮) ভৰালী, শৈলেন (১৯৯৮) ঃ ট্রেজেদি বিচাৰ; গুৱাহাটী, চন্দ্র প্রকাশ।
৯) শইকীয়া, বসন্ত (২০০০) ঃ আধুনিক নাট্য সাহিত্যৰ সুবাস; গুৱাহাটী, নন্দন প্রকাশ।

ইংৰাজী গ্রন্থ ঃ

১০) Beckett, S (1996); Waiting for Godot; New Jersey : Research & Education Association
১১) Lal, Ramji (1990); Samuel Beckett Waiting for Godot-A critical study; New Delhi : Rama Brothers



১৪.৮ অগ্রগতিৰ খতিয়ান (কৰল ৰূপৰেখা)

১নং প্রশ্নৰ উত্তৰ ঃ ছেমুৱেল বেকেটৰ জন্ম ..... পিতৃ-মাতৃ-পত্নী ..... তেওঁৰ শিক্ষা ..... জীৱন পৰিক্রমা ... সাহিত্য সমগ্রৰ আভাস আৰু মৃত্যু।

২নং প্রশ্নৰ উত্তৰ ঃ ছেমুৱেল বেকেট আধুনিক নাট্যসাহিত্যৰ শিল্পীস্বৰূপ। এনেদৰে আৰম্ভ কৰি তেওঁৰ নাটকত কেনেধৰণৰ নাট্যৰীতি প্রয়োগ কৰিছে ..... সেই বিষয়ে লিখিব লাগিব।

৩নং প্রশ্নৰ উত্তৰ ঃ *ৱেইটিং ফৰ গ'ডোৰ* নাট্যকাহিনী চমুকৈ লিখিব।

৪নং প্রশ্নৰ উত্তৰ ঃ *ৱেইটিং ফৰ গ'ডো* নাটকখনৰ নাট্যচৰিত্রৰ আভাস, সংলাপ, চৰিত্রৰ উপস্থাপন ৰীতি, নাটকখনৰ চৰিত্রসমূহৰ প্রাসংগিকতা আদি .... লগতে নাটকখনৰ প্রধান বিষয়বস্তুৰ আলোচনা কৰিব। তদুপৰি নাট্য গঠন ৰীতি আৰু তাত ক'ত কেনে ধৰণৰ প্রতীক ব্যৱহাৰ কৰিছে লিখিবলৈ চে ষ্টা কৰক।

৫নং প্রশ্নৰ উত্তৰ ঃ এৱছার্ড নাটকৰ লক্ষণ বিচাৰ কৰি *ৱেইটিং ফৰ গ'ডো* নাটকখনত এইবোৰ প্রকাশ পাইছে নে নাই আলোচনা কৰিবলৈ যত্ন কৰক।



১৪.৯ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ ছেমুৱেল বেকেটৰ নাটকীয় শৈলীৰ বিষয়ে এটা আলোচনা আগবঢ়াওক।

প্রশ্ন ২ ঃ ছেমুৱেল বেকেটৰ নাটকত এৱছার্ড দর্শনৰ প্রভাৱ আছেনে? যদি আছে তেনেহলে এই বিষয়ে আলোচনা কৰক।

প্রশ্ন ৩ ঃ *ৱেইটিং ফৰ গ'ডো* নাটকত এৱছার্ড নাটকৰ লক্ষণ দেখা যায়নে আলোচনা আগবঢ়াওঁক।

প্রশ্ন ৪ ঃ *ৱেইটিং ফৰ গ'ডো* নাটকৰ গ'ডো কোন? এষ্টাগণ-ভ্লাদিমিৰে গ'ডোৰ বাবে কিয় অপেক্ষা কৰিছিল বুজাই লিখক।

প্রশ্ন ৫ ঃ পজো আৰু লাকীয়ে কেনে ধৰণৰ সমাজক প্রতিনিধিত্ব কৰে বুলি আপুনি ভাবে? *ৱেইটিং ফৰ গ'ডো* নাটকৰ আধাৰত বিচাৰ কৰক।

প্রশ্ন ৬ ঃ *ৱেইটিং ফৰ গ'ডো* নাটকৰ চৰিত্র চিত্রণ সার্থক হৈছে বুলি আপুনি ভাবেনে? এই বিষয়ে এক আলোচনামূলক প্রবন্ধ যুগুত কৰক।

প্রশ্ন ৭ ঃ *ৱেইটিং ফৰ গ'ডো* নাটকখনত ব্যৱহৃত প্রতীক আৰু চিত্রকল্পৰ বিষয়ে এক আলোচনামূলক টোকা প্রস্তুত কৰক।

*** ***** ***



প্ৰসঙ্গ পুথি

অসমীয়া গ্ৰন্থ ঃ

১) আহমেদ, কুতুবুদ্দিন (১৯৯২) ঃ *ইংৰাজী সাহিত্যৰ চমু বুৰঞ্জী;* গুৱাহাটী ঃ জ্যোতি প্ৰকাশন।

২) কলিতা, অমৱেন্দ্ৰ (১৯৯৪); *পাশ্চাত্য সাহিত্য;* নলবাৰী ঃ সমন্বয় গ্ৰন্থালয়।

৩) গোস্বামী, বন্দিতা (অনু.) ঃ *অলিভাৰ টুইষ্ট* (২০০৬), শৰাইঘাট প্ৰকাশন, গুৱাহাটী।

৪) গোস্বামী, যতীন (অনু.) ঃ *বুঢ়া আৰু সাগৰ* (মাৰ্চ, ২০০৩), গুৱাহাটী ঃ লয়াৰ্ছ বুক ষ্টল।

৫) নেওগ, মহেশ্বৰ আৰু শৰ্মা, হেমন্ত কুমাৰ; *সাহিত্য সমীক্ষা*।

৬) বৰা, মহেন্দ্ৰ (১৯৯৫), *ৰমন্যাসবাদ*, ডিব্ৰুগড় ঃ বনলতা।

৭) ভট্টাচাৰ্য, তাৰিণীকান্ত (১৯৯৬); *ইবছেনৰ নাট্য প্ৰতিভা;* গুৱাহাটী ঃ অসম প্ৰকাশন পৰিষদ।

৮) ভট্টাচাৰ্য, পৰাক কুমাৰ; *পাশ্চাত্য সাহিত্যৰ আলোক আৰু অসমীয়া সাহিত্য;* গুৱাহাটী ঃ জ্যোতি প্ৰকাশন।

৯) ভৰালী, শৈলেন (১৯৯৩); *উপন্যাস ঃ বিচাৰ আৰু বিশ্লেষণ;* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

১০) ভৰালী শৈলেন (১৯৯৪), *নাট্যকলা ঃ দেশী আৰু বিদেশী;* গুৱাহাটী ঃ বাণী প্ৰকাশ।

১১) ভৰালী শৈলেন (১৯৯০), *নাটক আৰু অসমীয়া নাটক;* গুৱাহাটী ঃ বাণী প্ৰকাশ।

১২) মজুমদাৰ, বিমল (২০১১); *সাহিত্যৰ তত্ত্ব আৰু প্ৰয়োগ;* গুৱাহাটী ঃ জ্যোতি প্ৰকাশন।

১৩) মহন্ত, লক্ষীকান্ত ঃ *বিশ্ব সাহিত্যৰ আভাস* (ছেপ্টেম্বৰ, ১৯৯৩), গুৱাহাট ঃ বনলতা।

১৪) শৰ্মা, গোবিন্দ প্ৰসাদ (১৯৯৫), *উপন্যাস আৰু অসমীয়া উপন্যাস;* গুৱাহাটী ঃ জ্যোতি প্ৰকাশন।

১৫) শৰ্মা, শশী; *সাহিত্যত আধুনিকতা*।

ইংৰাজী গ্ৰন্থ ঃ

1. Abrams, M. H. and Harpham, G. (Ed.) (2007); *A Glossary of Literary Terms;* Thomson Wadsworth.
2. Backett, S. (1996), *Waiting for Godet*; New Jersey, Research & Education Association 61 Ethel Road West Piscatansay.
3. Beer, John (2005); William Blake- A Literary Life; Hampshire : Palgrave Macmillan.
4. Bhattacharji, S. (Ed.) (2007); *The Romantics*, Delhi : Doaba Publications.

5. Blake, william (2005). Selected Poems, London: Penguin Classics.
6. *Bloom H. Samuel Backett's Waiting for Godet;*
7. Bloom, Harold (2007); T.S. Eliot's The Weste hand. New York : Infobase Publishing.
8. Bowra, M. (2008); *The Romentic Imagination*, New York : Oxford University Press.
9. Brooke, S. (2007); *The Poetry of Robert Browning;* New Delhi : Atlantic Publishers Pvt. Ltd.
10. Camus, A. (1942), *The Stranger;* (Translated from the French by Stuart Gilbert) New work : Vintage Books.
11. Carter, Ronald and John, Mc Rae (2001): The Routeledge History of Literature in English, Abington: Routeledge.
12. Carter, Ronald, and John Mcray (2001); The Cambridge History of Literature in English : Britain and Ireland New York : Routeledge.
13. Chandler, J. and Maureen N. M. (Ed.) (2008); *British Romantic Poetry;* New York : Cambridge University Press.
14. Cox Jeffrey, N. (Ed.) (2009); *Keats' Poetry and Prose;* New York : Norton and Company.
15. Dickens, Charles : Oliver Twist (2007), UBS Publisher Distributors Pvt. ltd., New Delhi.
16. Earnest H.; *The Old Man And The Sea*.
17. Eaves, Morris, (2003); The Cambridge Companion to William Blake; Cambridge; Cambridge University Press.
18. Eliot, T. S. (1969), *The Complete Poems @ Plays;* London : Faber and Faber.
19. Eliot, T.S (2001); The Waste land. Ed. Michael North. New York : Norton.
20. Fjelde, R. (1992) (Trans.); *Henrik Ibsen Four Major Plays;* (Volume-I), United States of America, Signet Classics (Edited).
21. Goodman, W.R. (1994) : *A History of English Literature* (Vol.2), Delhi : Doaba House.
22. Hinchlffe, A. P. (1979); *Drama Criticism Developments Since Ibsen;* London : The Macmillan Press Ltd.
23. Ibsen, H.; *Pillars of Society* (Translated by R. Farqiharson Sharp).

24. Johnston, B. (2004); *Ibsen's Selected Plays;* New York : W. W. Norton & Company.
25. Kumar Shiv, K. (Ed.) (2007); *British Romantic Poets*, New Delhi : Atlantic Publishers & Distributors (P) Ltd.
26. Long, William S (2007/First Indian Reprint); *English Literature : The History and its Significance;* Surjeet, New Delhi : Publications.
27. Leavis, F.R (2008); New Bearings in English Poetry. London : Faber and Faber.
28. Moody, A. David (1994); The Cambridge Companion to T.S. Eliot. New York : Cambridge UP.
29. O. Tordon, John (Ed.) : The Cambridge Companion to Charles Dickens (2009), Cambridge University Press.
30. Patra, P. K. and Prasad, A. (Ed.) (2006); *Recritiquing Willian Wordsworth*, New Delhi : Sarup & Sons.
31. Rusy, C. (Ed.): *Waiting for Godet : A Case Book*.
32. Raine, Craig (2006); T.S. Eliot, New York : Oxford UP.
33. Rainey, Lawrence (2005); Modernism : An Anthology Malden : Black well.
34. Sampson, G. (2006); *The Concise Cambridge History of English Literature*, U.K. : Cambridge University Press.
35. Sarkar, S. K. (2003); *A campanion to William Wordsworth* (Vol. 1), New Delhi : Atlantic Publishers and Distributors.
36. Symons, Arthur (1924) ; William Blake: London: Martin Secker.
37. Trevelyan, G. M. (1986); *English Social History;* England, Penguin Books Ltd.
38. Varshney, Dr. (1987); T*. S. Eliot, Metaphysical Poets;* Bareilly, Student Store.
39. Halliday, F.E. The Enjoymant of Shakespeare gerold Duckworth & Co.Ltd.
40. Lamb, Chanles and Mary Lamb. (1994) : 20 Tales from Shakespeare. Gest Publishing House.
41. Sanders, Andrew. (1994) : The short Oxford History of English Literature. Oxford University Press.

42. Shakespeare, William. (1959) : The Tempest. Ed. Peter Holland. Penguine Books.
43. Spergeon, Coroline F.E. (1935) : Shakespeares Inagery and what it Tells us. Cambridge University Press
44. Stjan, J.L. (1967) : Shakespeares stagecraft Cambridge University Press.
45. Wells slanlay and Lena Cowel Orlin.(2003) : Shakespeares : An Oxford guide, Oxford University Press.
46. Wells, Slanley (1998) : A Dictionary of Shekespeare. Oxford University Press.